# আসাম-বন্ধু

১৮৮৫—১৮৮৬

ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাৰদ্বাৰা সম্পাদিত

একত্ৰ সংকলনৰ সম্পাদক

ড° নগেন শইকীয়া

STATE CENTRAL LIBRARY
Call No.
ASSAM

অসম প্ৰকাশন পৰিষদ

ĀSĀM-BANDHU, A monthly paper devoted to Assamese language, literature and culture, edited and published by Gunabhiram Barua in 1885-1886 ; compiled and re-edited by Dr. Nagen Saikia, Dibrugarh University; published by Chandra Prasad Saikia, Secretary, Publication Board, Assam, June, 1984.

প্রকাশক
চন্দ্রপ্রসাদ শইকীয়া
সচিব, অসম প্রকাশন পৰিষদ
গুৱাহাটী-৭৮১০২১

গ্রন্থাকাৰে প্রথম সংস্কৰণ
জুন, ১৯৮৪

মূল্য ঃ ৪০·০০ টকা

মুদ্রক
শ্রীগুরু প্রেছ
মালিগাঁও
গুৱাহাটী-৭৮১০১১

# পাতনি

অসমীয়া সংবাদ-সাহিত্যৰ পৰম্পৰা যথেষ্ট সমৃদ্ধিশালী। প্ৰায় ডেৰশ বছৰ আগৰ পৰাই বিভিন্ন সংবাদপত্ৰ আৰু কাকত-আলোচনীয়ে অসমীয়া সমাজ আৰু সাহিত্যক প্ৰভাৱিত কৰি আহিছে। আনকি অসমীয়া সাহিত্যৰ কেতবোৰ ক্ৰান্তিকাৰী যুগৰ সৈতেও অসমীয়া কাকত-আলোচনী কিছুমানৰ নাম সম্পৃক্ত হৈ আছে। 'অৰুণোদই', 'জোনাকী', 'বাঁহী', 'আৰাহন' আদি আলোচনীয়ে এচাম নতুন চিন্তা-আদৰ্শৰ বাৰ্তা বহনকাৰী সাহিত্যিক আৰু চিন্তাবিদৰ ৰচনাসমৃদ্ধ একো একোটা যুগকে সৃষ্টি কৰিছে, আধুনিক অসমীয়া সাহিত্য প্ৰধানভাৱে আলোচনী-কেন্দ্ৰিক বুলি কলেও নিশ্চয় অত্যুক্তি কৰা নহয়।

অসমীয়া আলোচনীৰ পথিকৃৎ স্বৰূপ 'অৰুণোদই' কাকত প্ৰকাশৰ প্ৰায় দুকুৰি বছৰ পিছত ১৮৮৫ চনত গুণাভিৰাম বৰুৱাৰ (১৮৩৯-১৮৯৪) সম্পাদনাত 'আসাম বন্ধু' নামৰ মাহেকীয়া আলোচনীখন কলিকতাৰ পৰা প্ৰকাশ পাইছিল। অসমৰ প্ৰথম বুৰঞ্জীমূলক প্ৰবন্ধৰ লেখক আৰু প্ৰথম অসমীয়া সামাজিক নাটক 'ৰাম-নৱমী'ৰ ৰচয়িতা গুণাভিৰাম বৰুৱা সম্পাদিত এই আলোচনীত বিভিন্ন সামাজিক বা-বাতৰিৰ উপৰিও অসমৰ সাহিত্য, বুৰঞ্জী তথা সমাজৰ নৈতিকতা সম্পৰ্কীয় অনেক কথা প্ৰকাশ পাইছিল। সময়ৰ জোৰেৰে ষোল মাহ কাল জীয়াই থকা 'আসাম-বন্ধু'ৰে তদানীন্তন অসমীয়া সমাজত প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰিছিল। বিশেষকোনো আলোড়নকাৰী যুগৰ সৃষ্টি নকৰি-লেও এই আলোচনীয়ে অসমীয়া আলোচনী সাহিত্যৰ ক্ষেত্ৰত এক মচিব নোৱৰা স্থানৰ ৰাখি থৈ গৈছে। বিশেষকৈ গুণাভিৰাম বৰুৱাৰ সংস্কাৰকামী মনোভাৱ আৰু স্বদেশ হিতৈষিতাৰ সুন্দৰ প্ৰকাশ ঘটিছিল 'আসাম-বন্ধু'ৰ জৰিয়তে। প্ৰাক-ৰোমাণ্টিক যুগৰ অসমীয়া লেখক আৰু চিন্তাবিদসকলৰ ৰচনা আৰু ভাবনাৰ বাহক স্বৰূপেও 'আসাম-বন্ধু'ৰে আগবঢ়োৱা অৱদাণি বিশেষভাৱে উল্লেখযোগ্য।

অসমীয়া ভাষাৰ প্ৰথম মাহেকীয়া সাহিত্য আলোচনীৰূপে স্বীকৃত 'আসাম-বন্ধু'ৰ ঘোষিত আদৰ্শ আছিল—'ন চ জ্ঞানাৎ পৰং বলম্'। ড° নগেন শইকীয়াদেৱে এই বহুমূলীয়া আলোচনীৰ সম্পূৰ্ণ চৈধ্যটা সংখ্যা গ্ৰন্থাকাৰে সংকলন আৰু সম্পাদনা কৰি দি আমাক কৃতজ্ঞ আৰু অনুগৃহীত কৰিছে। তেখেতলৈ আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

গুণাভিৰাম বৰুৱাৰ নাতি আৰু জ্ঞানদাভিৰাম বৰুৱাৰ পুত্ৰ স্বৰ্গত মনোভিৰাম বৰুৱাই 'আসাম-বন্ধু'ৰ ৰক্ষিবোৰ যত্নে ৰক্ষা কৰিছিল। তেওঁৰ পত্নী শ্ৰীমতী গুলমনো বৰুৱাই সংখ্যাখিনি গ্ৰন্থাকাৰে প্ৰকাশ কৰিবলৈ দি অসমবাসীৰ কৃতজ্ঞতাৰ পাত্ৰ হৈছে।

'আসাম-বন্ধু'ৰ এই গ্ৰন্থ-ৰূপ সুধীসমাজৰ দ্বাৰা সমাদৃত হ'লে আমাৰ শ্ৰম সাৰ্থক হ'ব।

চন্দ্ৰপ্ৰসাদ শইকীয়া

জুন, ১৯৮৪

# ভূমিকা

## ঊনবিংশ শতিকাৰ পটভূমিত গুণাভিৰাম বৰুৱা আৰু আসাম-বন্ধু প্ৰাৰম্ভণ :

অসমে ৰাজনৈতিক আৰু সাংস্কৃতিকভাৱে স্বতন্ত্ৰ লাভ কৰিলে ঊনবিংশ শতিকাত। আধুনিক অসমীয়া ভাষা আৰু সাহিত্যয়ো ইয়াৰ প্ৰথম স্তৰৰ বিকাশ লাভ কৰিলে এই শতিকাতে। অসমৰ সামাজিক জীৱনত এই শতিকাত ঘটা আকস্মিক আৰু ধ্বংসকাৰী সাল-সলনিয়ে আৰু নতুন বুদ্ধিজীৱী শ্ৰেণীৰ পত্তনে আধুনিক ভাষা আৰু সাহিত্যৰ বিকাশৰ অৰ্থেও পটভূমি ৰচনা কৰি দিলে। পটভূমি ৰচিত হোৱালৈকে প্ৰথমৰ দীঘলীয়া সময়ছোৱা আছিল ভাষা আৰু সাহিত্যৰ বাবে সংকটৰ সময়।

## আধুনিক অসমীয়া সাহিত্যৰ যুগ-বিভাগ

মোৱামৰীয়া বিদ্ৰোহ, গৃহ-কলহ আৰু মানৰ আক্ৰমণত নিশকটীয়া হোৱা অসম ১৮২৬ খ্ৰীষ্টাব্দত ইষ্ট্ ইণ্ডিয়া কোম্পানিৰ হাতলৈ যোৱাৰ পিছৰ দুটা দশক অসমীয়া ভাষাৰ বাবে সৰ-ধাঁচনী স্বৰূপ। ইয়াৰ পিছৰ সময়ছোৱা (১৮৪৬-৭৩) 'অৰুণোদই'ৰ যুগ বা অসমীয়া ভাষাৰ আত্মপ্ৰতিষ্ঠাৰ বৰণৰ সময়; আধুনিক অসমীয়া ভাষা-সাহিত্যৰ পৰৱৰ্তী অধ্যায়টোক (১৮৭৩-১৮৮৮) ক'ব পাৰি আধুনিক অসমীয়া ভাষাৰ সাহিত্যিক-প্ৰতিষ্ঠাৰ সময় বা হেমচন্দ্ৰ-গুণাভিৰামৰ সময়; আৰু ঊনবিংশ শতিকাৰ শেষৰ পৰা বিংশ-শতিকাৰ চতুৰ্থ দশকলৈ ব্যাপ্ত (১৮৮৯-১৯৪০) সময়-ছোৱাক আধুনিক অসমীয়া সাহিত্যৰ প্ৰথম পৰ্ব বিস্তাৰৰ সময় বা নেজৰবন্ধুৰ যুগ বুলিব পাৰি।

উল্লিখিত প্ৰতিটো যুগে আধুনিক অসমীয়া ভাষা আৰু সাহিত্যৰ বিকাশৰ ঐতিহাসিক পটভূমিৰ বৈশিষ্ট্যৰ প্ৰতি নিৰ্দেশ কৰে। এই পটভূমি আমাৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক জীৱনৰো পটভূমি। খ্ৰিষ্টিছ শক্তিসমূহৰ অসম-অধিগ্ৰহণৰ ঘটনা অসম-ইতিহাসৰ সৰাতোকৈ গুৰুত্বপূৰ্ণ ঘটনা।

## ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থা

ইয়াণ্ডাবু সন্ধিৰ আগে আগে ১৮২৪ খ্ৰীঃত ইষ্ট ইণ্ডিয়া কোম্পানিৰ হুকাৰে প্ৰচাৰ কৰা ঘোষণা-পত্ৰত [১] যদিও অসমত শান্তি প্ৰতিষ্ঠা কৰি তেওঁলিকাক বুজি বাব

[১] সূৰ্যকুমাৰ ভূঞা, Anglo-Assamese Relations, পৃষ্ঠা ৫২৫। এই ঘোষণা-পত্ৰৰ বঙলা তৰ্জমা এটি শ্ৰীমাৰপুৰৰ পৰা প্ৰকাশিত 'সমাচাৰ দৰ্পণ' (১৭ এপ্ৰিল, ১৮২৪) ত ওলাইছিল।

বুলি কৈছিল, বাৰ্মা বজাৰ লগত ইয়াণ্ডাবুত হোৱা সন্ধিৰ পিছত তেওঁবিলাকে খোপনি পুতিছে বুলি কৈছিল। পিছত মণিৰাম বৰুৱাওৰ বক্তব্য দেৱানে মিলহু চাহাবক দিয়া এড়লাড সেইবাবে অসম 'বঙ্গৰজাৰ ৰূপেটলৈ" যোৱা বুলি সঠিকভাৱেই বক্রোক্তি কৰিছিল।[২]

ঔপনিবেশিকতাবাদী আৰু পুঁজিবাদী চৰিত্ৰৰ নতুন ছবকাবে প্ৰৱৰ্তন কৰা নতুন প্ৰশাসনীয় ব্যৱস্থা অসমৰ জনসাধাৰণ আৰু পুৰণি বা-বিষয়াসকলৰ কাৰণে আছিল আচহুৱা। পুৰণি বা-বিষয়াসকলক সন্তুষ্ট কৰিবলৈ, বিশেষকৈ ১৮২৮ খ্ৰীষ্টাব্দত গমধৰ কোঁৱৰৰ নেতৃত্বত হোৱা আৰু ১৮৩০ খ্ৰীষ্টাব্দত ধনঞ্জয় ৰবগোহাঁই আৰু পিয়লি ফুকনৰ নেতৃত্বত হোৱা বিদ্রোহৰ পিছত, নতুন প্ৰশাসনীয় বিষয়-বাব দি নিযুক্ত কৰিলেও ছবকাবে তেওঁবিলাকক অকামিলা আৰু দক্ষতাহীন বিবেচনা কৰি প্ৰশাসনৰ সকলো স্তৰলৈকে বেংগলৰ পৰা মানুহ আনিলে।[৩] পুৰণি পাইক-প্ৰথা আঁতৰাই নতুন বাজহ পদ্ধতি প্ৰৱৰ্তন কৰাৰ ফলস্বৰূপে আৰু বিনিময় প্ৰথাৰ সলনি মুদ্রা-ভিত্তিক অৰ্থনীতি প্ৰয়োগ কৰাৰ ফলস্বৰূপেও অসমৰ জনসাধাৰণ আছহুৱা আৰু অসুবিধাজনক অৱস্থাৰ সন্মুখীন হৈছিল। টকাৰে দিবলগীয়া কৰ প্ৰৱৰ্তনৰ ফলত সেই সময়ৰ মূল্যবে দুটকাৰ পৰা তিনিটকা মূল্যৰ ধান উৎপন্ন হোৱা এপুৱা মাটিৰ খাজনা দিবলগীয়া হৈছিল এটকা চাৰি আনা।[৪] লগুৱা-লিকচো আৰু খাত-পাম হেৰুওৱা বা-বিষয়া,[৫] গিৰিহঁত হেৰুওৱা বন্দী-বেটী[৬] আৰু মুদ্রা-ভিত্তিক অৰ্থনীতি আৰু ঝৰৰ হেঁচাত ভুৰুলা হোৱা জনসাধাৰণ, এই সকলোবে বাবেই জীয়াই থকাটো হৈ উঠিল ডাঙৰ সমস্যা। কানিৰ ব্যৱহাৰে সাধাৰণ মানুহৰ অৱশিষ্ট শক্তি আৰু ক্ষমতাও নাইকিয়া কৰিলে। দেখা যায় পুঁজিবাদী

---

২ মণিৰাম দেৱানে ব্যৱহাৰ কৰা বাক্যাংশৰ ইংৰাজী তৰ্জমা মিলহুৰ প্ৰতিবেদনত সন্নিবিষ্ট কৰা হৈছিল এনেভাৱে— We are just now, as it were, in the belley of a tiger. (দ্ৰ' মিলহুৰ প্ৰতিবেদন, শিৱসাগৰ খণ্ড, ৬পৰিক্ষি K. B. পৃ. lxv.)

৩ দ্ৰ: B. P. C., 10 June, 1831, No. 51 ; Mills' Report, Appendix K. B. পৃ. lxvii.

৪ আনন্দৰাম ঢেকিয়াল ফুকন, "Observations on the Administration of the province of Assam, in Plea for Assam and Assamese, পৃ: ৭৩

৫ মণিৰাম দেৱানৰ এতলা, পূৰ্বোল্লিখিত।

৬ নিংবাদ কুমাৰ বৰুৱা, David Scott in North-East India, পৃ ১৬০

ছবকাবে কানিক বাজহ সংগ্রহব অন্যতম উপায় স্বৰূপে প্রয়োগ কবিবলৈ ধবিলে।৭

ব্রিটিছে অসম দখল কবাব পিছত মানব অত্যাচাবব পবা দেশ বক্ষা পলিল হয়, কিন্তু নতুন প্রশাসনীয় আৰু বাজহ-ব্যবস্থাব হেঁচাত ছেদেলি-ভেদেলি হৈ থকা জনসাধাবণ৮ বিপন্ন হৈ পবিল। এনে এটা অবস্থাত ব্রিটিছ প্রশাসক আৰু বঙালী সহযোগীসকল হৈ পবিল অসমব জনসাধাবণব হৰ্তাকৰ্তা। আমহাতে নতুন প্রশাসন আৰু বাজহ ব্যবস্থাই জন্ম দিলে সমাজত নতুন শ্রেণী-গাঁথনি।

## নতুন সামাজিক গাঁথনিব প্রবর্তন: নতুন শ্রেণীব পত্তন

নতুন প্রশাসনীয় ব্যবস্থাব ফলত সৃষ্টি হ'ল কমিছনাব, ছিনিয়ব এছিছটেণ্ট, ছাব এছিছ-টেণ্টছু, প্রিন্সিপাল সদব-আমিন, সদব-আমিন, মুন্সিফ্ আদি ওপব শ্রেণীব বিষয়া আৰু কার্যালয়বিলাকব সহকাৰীব পবা চাপ্রাচীলৈকে বিভিন্ন স্তবব নিম্ন খাপব কর্মচাবী।৯

নতুন বাজহ ব্যবস্থাই সৃষ্টি কবিলে মৌজাদাব, চৌধুবী, তালুকদাব, তহচিলদাব, কাকতি, চনুবা, মণ্ডল আৰু টেকেলালৈকে বিভিন্ন স্তবব বিষয়বাব। বাজহ সংগ্রহব বাবে এই শ্রেণীবিলাকে কবা অত্যাচাবে পবৰ্তী সময়ছোৱাত জনসাধাবণব কঁকাল ভাঙিছিল।১০ মানব আক্রমণব পিছত অসমব জনসংখ্যাও যথেষ্ট কম পোৱা হৈছিল। ১৮৩৫ চনত জনসংখ্যা আছিল ৭,৯৯,৫১৯ জন। অসমত আনুষ্ঠানিক শিক্ষা-পদ্ধতিও গঢ়ি উঠা নাছিল আৰু সেইবাবে উল্লিখিত বিষয়-বাব-বোবত অসমীয়া মানুহ নিযুক্ত হোৱাব সুযোগো প্রায় নাছিলেই। আধুনিক অর্থত জাতীয়-চেতনা বা সাংস্কৃতিক-চেতনাও গঢ় লৈ উঠা নাছিল। এনে এটা অবস্থাব পবিপ্রেক্ষিতত অসমীয়া মানুহব মনত এক হীনমন্যতাবোধ জন্ম হোৱাটো আছিল স্বাভাবিক পবিণতি। যদিও পবম্পবাগত পদ্ধতিত সত্ৰত আৰু বাহিবতো পুবণি পদ-পুথি বচনাব বীতি খীণকৈ হ'লেও অনুসৃত হৈ আছিল, যদিও দুতিনাম হাজবিকা আৰু বিশেষ্যুব বৈদ্যাধিপে পদ্যত বুবঞ্জী বচনা কবিছিল এই সময়তো, আৰু যদিও "বদন বৰফুকনব গীত"ব দবে মালিতা এই সময়তে কোনোবা স্বভাব কবিয়ে বচনা কবিছিল, তথাপি ব্রিটিছ শক্তিব আগমনব আৰু ক্ষমতা-দখলব প্রথমব দুটা-দশকত অসমীয়া ভাষা আৰু সাহিত্য মর্যাদা-হৃত অবস্থালৈ পর্যবসিত হ'ল।

---

৭ ১৮৯৩ খ্রীষ্টাব্দত কানিব পবা সমগ্র ভাবতবর্ষত ইংবাজ ছবকাবে লাভ কবা বাজহব পবিমাণ আছিল ষাঠি লাখ টকা আৰু ইয়াব এক চতুর্থাংশ পাইছিল কেৱল অসমব পবা।
Indian Opium Commission, 1893, পৃ. ২

৮ E A. Gait, A History of Assam, পৃ. ৩৫১

৯ F.A. Gait, পূর্বোল্লিখিত গ্রন্থ, পৃ. ৩৮৩

১০ হেমন্তকান্ত ৰূপপূজাৰী, Assam in the Days of Company, প্রথম সংস্কৰণ, পৃ. ২০৪;
Mills' Report, পৃ. ১৭

## অসমীয়া মানুহৰ হীনতাবোধ আৰু বঙালী ভাষাৰ অনুপ্ৰৱেশ

শ্ৰীৰামপুৰৰ খ্ৰিষ্টিছ মিছনেৰি ডঃ উইলিয়ম কেৰিয়ে ১৮১৩ খ্ৰীষ্টাব্দতে অসমীয়া ভাষাত "ধৰ্ম্মপুস্তক" বাইবেল ছপাই উলিয়ালে যদিও ই জনা-বুজা অসমীয়াসকলৰ মনতো ৰেখাপাত কৰিছিল বুলি ভাৰ নহয়। বৰং ইংৰাজ প্ৰশাসক আৰু বঙালী সহযোগীসকলক নিজতকৈ উচ্চস্তৰৰ বুলি কৰা বিবেচনাই তেওঁবিলাকৰ মনত নিজৰ ভাষা আৰু সংস্কৃতি সম্পৰ্কেও হীনতাবোধ জগাই তুলিলে। অসমীয়া ভাষা আৰু জাতিৰ পুনৰ্বাসনৰ যুঁজৰ প্ৰথম অসমীয়া যুঁজাক আনন্দৰাম ঢেকিয়াল ফুকনৰ পিতৃ হলিৰাম ঢেকিয়াল ফুকনে বঙালী ভাষাত ৰচনা কৰা আৰু ১৮২৯ খ্ৰীষ্টাব্দত প্ৰকাশ কৰা "আসাম বুৰঞ্জি" এনে মানসিকতাৰে এটি দৃষ্টান্ত বুলিব পাৰি। মণিৰাম দেৱানে ৰচনা কৰা "বুৰঞ্জি বিবেক-ৰত্ন" ৰো১১ ভাষা বঙলুৱা, কেৱল উদ্ধৃতিখিনিহে পুৰণি বুৰঞ্জীৰ অসমীয়া ভাষাৰ। এতেকে, ব্ৰিটিছ প্ৰশাসনৰ কথা দূৰতে থাকক, অসমীয়া গণ্য-মান্যসকলৰ মনতে অসমীয়া ভাষাৰ প্ৰতি থাকিবলগীয়া সচেতনতা নাছিল। এনে অৱস্থাৰ পটভূমিত, ডেভিদ্ স্কটৰ আগ্ৰহত শ্ৰীৰামপুৰ মিছনৰ পৰা ১৮২৯ খ্ৰীষ্টাব্দৰ অক্টোবৰ মাহত অসমত প্ৰথম মিছন পাতিবলৈ অহা James Rae ই১২ ১৮৩০ খ্ৰীষ্টাব্দত ১২ জন ছাত্ৰৰে ওৱাহাটীত আৰম্ভ কৰা অসমৰ প্ৰথম স্কুলখনত অসমীয়া ভাষাত একমাত্ৰ বাইবেলখনৰ বাহিৰে কোনো ছপা পুথি নথকাত অসমীয়া ভাষা বিষয় হিচাপে শিকোৱাৰ পৰিৱৰ্তে বঙালী ভাষা বিষয় হিচাপে শিকাবলৈ ল'লে।১৩ অৱশ্যে স্কুলখন বেছিদিন নচলিল, কিন্তু ১৮৩৮ খ্ৰীঃত আমেৰিকান বেপ্টিষ্ট মিছনৰ হাতত 'মিছন' গটাই নিদিয়ালৈকে শ্ৰীৰামপুৰ মিছনৰ এই ওৱাহাটীয়া শাখাটো চলি আছিল। ইতিমধ্যে ১৮৩৬ খ্ৰীঃত এই মিছনত উইলিয়ম্ ৰবিন্সনে যোগ দিছিলহি আৰু কলিকতাত থাকি অহা ৰবিন্সনে ১৮৩৯ খ্ৰীঃত অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণখন১৪ ৰচনা কৰিলেও বঙালী ভাষাৰ প্ৰতি

---

১১ "বুৰঞ্জী বিবেক ৰত্ন"ৰ মূল লিপি বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ পৰা কাৰোবাৰ হাত লাগি আঁতৰাৰ পিছত, এতিয়া সংৰক্ষিত প্ৰতিলিপি দ্ৰষ্টব্য।

১২ E. Daniel Potts ৰ British Baptist Missionaries in India, পৃ. ২৯

১৩ Serampore Periodical Accounts, No. 1, European Series, 1827-1834, পৃ. ১৭৮, ২৩৮, ৪০৭, ৬২২।

১৪ William Robinson ৰ ব্যাকৰণখনৰ নাম আছিল A Grammar of the Assamese Language.

পক্ষপাতিত্ব লৈ অসমীয়া ভাষাক বঙালীৰ উপভাষা বুলি দেখুৱাবলৈ আৰু অসমৰ স্কুলত অসমীয়া ভাষাৰ ঠাইত বঙালী চলাবলৈ তেওঁৰ সকলো বৌদ্ধিক ক্ষমতা প্রয়োগ কৰিছিল।[১৫] ১৮৩৫ খ্রীঃত জেনকিন্স্ চাহাবৰ আগ্রহত প্রতিষ্ঠিত 'গুৱাহাটী ছেমিনাৰি'তো অসমীয়া ভাষা বিষয় হিচাপে শিকোৱাৰ কোনো ব্যৱস্থা নাছিল। কিন্তু ইয়েই অসমত আনুষ্ঠানিক শিক্ষাৰ যথার্থ আৰম্ভণি ঘটালে। যদিও মেকলেই ভাৰতত ইউৰোপীয় পদ্ধতিৰ শিক্ষা-প্রবর্তনৰ লক্ষ্য সম্পর্কে কৈছিল যে 'তেজ আৰু বৰণত ভাৰতীয়, কিন্তু কচি, অভিমত, নীতিবোধ আৰু বৌদ্ধিক বিশেষত্বৰ ফালৰ পৰা ইংৰাজ'[১৬] সৃষ্টি কৰাই এই শিক্ষাৰ উদ্দেশ্য, তথাপি এই কথা স্বীকার্য যে ই ভাৰতক এটা নতুন সভ্যতাৰ মাজলৈ লৈ গ'ল।

## মিছনেৰিসকলৰ আগমন

অসমৰ এই অন্ধকাৰ কালত, কলিকতাত থকা এজন প্রশাসনীয় বিষয়া মি. ট্রেভেলিয়ানৰ যোগে পোৱা সেই সময়ৰ কমিছনাৰ জেনেৰেল জেনকিন্সৰ অনুৰোধ আৰু আশ্বাসত শদিয়াত মিছন পাতিবলৈ আৰু ছপাশাল পাতিবলৈ বার্মা মিছন আগবাঢি আছিল।[১৭] "আমেৰিকান বেপ্টিষ্ট ফৰে'ন মিছনেৰি ইউনিয়ন"ৰ নির্দেশনাত, মিছনেৰি ৰেভা° নাথান ব্রাওন তেওঁৰ পৰিয়ালসহ আৰু ৰেভা° অলিভাৰ টি. কষ্টাৰে তেওঁৰ পৰিয়াল আৰু ছপাশালসহ, একেলগে ১৮৩৫ খ্রীঃৰ ২০ নৱেম্বৰত কলিকতাৰ পৰা নৌকা-যাত্রা কৰি, ১৮৩৬ খ্রীঃৰ ২৩ মার্চত শদিয়াত ভৰি দিলেহি। তেওঁলোকৰ লগত যোগ দিবলৈ ১৮৩৬ খ্রীঃত আমেৰিকাৰ পৰা যাত্রা কৰি আহি ৰেভাৰেণ্ড ব্রুন্সন ১৮৩৭ খ্রীঃৰ ৫ জুলাইত শদিয়াত উপস্থিত হ'লহি। মিছনেৰি-সকলৰ এই আগমন আধুনিক অসমৰ ইতিহাসত সৰাতোকৈ গুৰুত্বপূর্ণ

---

১৫ দ্রঃ F.S. Downs, 'Missionaries and the Language Controversy in Assam' in the Journal of the University of Gauhati, Humanities, Vols. xvi-xvii.

১৬ H. Woodrow, Macaulay's Minutes on Education in India, 1842, পৃ. ১১৫।

১৭ William Gammel, A History of American Baptist Mission, পৃ. ২১১-২১২ ; Baptist Mission Magazine, Vol. XVI, পৃ. ২১ Calcutta Christian Observer, Vol. IV, 1835, পৃ. ৪০৯-৪১৫।

ঘটনা।[১৮] যদিও মিছনেৰিসকলে শ্যান ভাষা শিকি শদিয়াইদি বিশাল চীন-সাম্ৰাজ্যলৈ সোমোৱাৰ এটা ভ্ৰান্ত ধাৰণা লৈ আহিছিল, শদিয়াত সত্ৰ পাতি লোৱাৰ লগে লগেই তেওঁবিলাকৰ সেই ধাৰণা সলনি হৈছিল, আৰু তেওঁবিলাকে অসমীয়া ভাষাৰ উপযোগিতা আৰু ব্যৱহাৰিক প্ৰয়োজনীয়তা সোনকালেই বুজি পাই নিজৰ কৰ্মপন্থা নিৰূপণ কৰি লৈছিল। ১৮৩৯ খ্ৰীঃত শদিয়াৰ মিছন খাম্‌টিসকলৰ দ্বাৰা আক্ৰান্ত হোৱাৰ পিছত, মিছনেৰিৰ সত্ৰ সেই খ্ৰীঃৰে মে' মাহত জয়পুৰলৈ স্থানান্তৰিত হ'ল। জয়পুৰো সকলো ফালৰ পৰা সুবিধাজনক নোহোৱাত ১৮৪১ খ্ৰীঃত শিৱসাগৰলৈ মিছন স্থানান্তৰিত হ'ল আৰু সেই একে বছৰতে নগাও আৰু গুৱাহাটীতো মিছন স্থাপিত হ'ল। অৱশ্যে গুৱাহাটী-মিছন ১৮৪৩ খ্ৰী.ৰ পৰাহে সক্ৰিয় হৈ উঠিল।

১৮২৬ ৰ পৰা ১৮৩৩ লৈ অসম ৰাজনৈতিক অস্থিৰতা, অৰ্থনৈতিক দুৰৱস্থা আৰু সামাজিক নিঃস্বতাৰ মাজত বুৰ গৈ থকাৰ পিছত পুৰন্দৰ সিংহক উজনি অসম খণ্ড লালবন্দীকৈ দি কোম্পানিৰ ছত্ৰকাৰে সুস্থিৰতা আনিব বুলি অনেকে ভাবিছিল। কিন্তু কোম্পানিৰ কৰতলীয়া, পুতলা ৰজা পুৰন্দৰক আঁতৰাই ১৮৩৮ খ্ৰীঃত কোম্পানিয়ে অসমক ব্ৰিটিছ-ভাৰতৰ অংগীভূত কৰি ল'লে। তদুপৰি, বেংগল-প্ৰেছিডেন্সিৰ ভিতৰুৱা কৰি লোৱা অসমৰ প্ৰশাসনো ফৰ্ট উইলিয়ামৰ পৰাই সকলো প্ৰকাৰে নিয়ন্ত্ৰিত হ'বলৈ ধৰিলে। এই সময়লৈকে অসমত কোম্পানিৰ প্ৰশাসন কি ভাষাৰে চলিছিল? ১৮৫৬ খ্ৰীষ্টাব্দত আনন্দৰাম ঢেকিয়াল ফুকনে A Native হুদ্মনামত লিখা "A Few remarks on the Assamese Language and on vernacular Education in Assam" গ্ৰন্থত লিখিছিল যে 'মোৱা দহ-বাৰ বছৰৰ ভিতৰত' বেংগলী ভাষাক অসমৰ স্কুলত স্থানীয় ভাষা হিচাপে শিকোৱা

১৮ মিছনেৰিসকলৰ বিষয়ে E. W. Brown ৰ The Whole World Kin, (1890), V.H. Sword ৰ Baptists in Assam (1936), William Gammel ৰ History of American Baptist Mission (1850), E. Daniel Pottsৰ British Baptist Missionaries in India (1967), F.S. Down ৰ The Mighty Works of God (1969), ১৮৮৬ খ্ৰীঃৰ The Assam Mission Golden Jubilee Volume আদি গ্ৰন্থৰ উপৰিও ড. হেমকান্ত বৰপূজাৰীৰ Assam in the Days of Company (1963) আৰু "আমেৰিকান মিছনেৰিসকল আৰু ঊনবিংশ শতিকাৰ অসম" (১৯৮৩) ডঃ বাণীকান্ত শৰ্মাৰ "অসমীয়া ভাষা-সাহিত্যলৈ মিছনেৰিসকলৰ অৱদান" (১৯৮১) আৰু ডঃ মহেশ্বৰ নেওগৰ "অৰুণোদইৰ বলকাচ"ৰ ভূমিকা (১৯৬৫) আৰু "অৰুণোদই" (১৮৪৬-১৮৫৪)ৰ একত্ৰ সংকলনৰ (১৯৮৩) সুদীৰ্ঘ ভূমিকাই প্ৰায় সকলো প্ৰকাৰৰ সংবাদ সামৰিছে।

হৈছে।১৯ আনহাতে ১৮৩৭ খ্ৰীঃৰ ২৯ নং আইন অনুসৰি বেংগলত ছবকাৰী কাম-কাজত পাৰ্চী ভাষাৰ ঠাইত বঙলা প্ৰৱৰ্তন কৰা হয় আৰু অসমৰ প্ৰশাসনতো তেতিয়াৰ পৰাই বঙলা চলোৱা হয়। এতেকে, ফুকনৰ প্ৰসংগটোৱে প্ৰশাসনক মহল ভুলকহে সাম্বিছে, আৰু সম্ভৱতঃ চল্লিছৰ দশকৰ পৰাই সেই ভাম আৰম্ভ হৈছে। কিন্তু ১৮৩৭ খ্ৰীঃ পৰ্যন্ত অসমৰ প্ৰশাসন একে আগী ভাষাৰে চলিছিল বোলা টান।

## বঙলা ভাষাৰ ভেটি সুদৃঢ়কৰণ

অসমীয়া বা-বিষয়া বিসকলক নিযুক্ত কৰা হৈছিল তেওঁবিলাকৰ বাবে বঙলা আছিল আচহুৱা আৰু ত্ৰিছৰ দশকৰ পৰা বেংগলৰ পৰা আমদানি কৰা কৰ্মচাৰীসকলৰ বাবে অসমীয়া আছিল আচহুৱা। যদিও ডঃ হেমন্তকান্ত ৰবপূজাৰীয়ে B.P.C., 1830, April 30, Nos. 65-66 ৰ প্ৰতি নিৰ্দেশ কৰি কৈছে যে ১৮৩১ খ্ৰীঃৰ এপ্ৰিলত বেংগল ছবকাৰে অসমৰ কাছাৰীৰ ভাষা পাৰ্চীৰ ঠাইত (ড. ৰবপূজাৰীৰ মতে ইংৰাজে পাৰ্চীকে প্ৰথমে আহি প্ৰৱৰ্তন কৰি লৈছিল) বঙলা ভাষা প্ৰৱৰ্তন কৰিলে২০ তেখেতৰ এই নিৰ্দেশে অসমৰ নামনি খণ্ডকহে সাম্বিব পাৰে; কাৰণ, উজনি খণ্ডৰ সেই সময়ৰ ৰাজনৈতিক স্থিতি আছিল অস্থিৰ। কোনো বিধিসম্মত ঘোষণা নোহোৱাকৈ বেংগলৰ '৩১ খ্ৰীঃৰ আইন উজনি অসমত প্ৰয়োগ কৰাৰ সম্ভাৱনা নাছিল। সি যি কি নহওক, এটা মিশ্ৰিত ভাষা বা আদ্বঙলুৱা ভাষাই যে অসমৰ প্ৰশাসন অধিকাৰ কৰিছিল, সেই সম্পৰ্কে সন্দেহ নাই। ইয়াৰ বিৰুদ্ধে মাত মাতিব পৰা মানুহো নাছিল আৰু অৱস্থাও নাছিল। ব্ৰিটিছ শক্তিৰ আগমনৰ পিছত যিটো প্ৰক্ৰিয়াৰ অনানুষ্ঠানিক আৰম্ভণি হৈছিল, '৩৭ খ্ৰী.ৰ আইনে তাক পূৰ্ণতা দিলে। এই পূৰ্ণতা দিয়াৰ বাবে কোম্পানিৰ ছবকাৰেই নিশ্চয় দায়ী, কিন্তু প্ৰশাসনত নিযুক্ত বাহিৰৰ পৰা অহা সৰহসংখ্যক কৰ্মচাৰীৰ কোনো অভিমত নথিভুক্ত হৈ নাথাকিলেই তেওঁবিলাকৰ কোনো ভূমিকা নাছিল বুলি সিদ্ধান্ত কৰাটোও যুক্তিসংগত নহ'ব। চেকিয়াল ফুকনৰ মতে "The European Judges have always been found to understand the vernacular Assamese with greater facility than the Bengalee."২১ যদি সেয়ে হয়, কাৰ স্বাৰ্থত বঙলা ভাষা প্ৰৱৰ্তন কৰা হ'ল—এই প্ৰশ্নটি বিচাৰ্য।

---

১৯ মহেশ্বৰ নেওগ, Anandaram Dhekiyal Phukan : Plea for Assam and Assamese, পৃ. ১২৩।

২০ হেমন্তকান্ত ৰবপূজাৰী, পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ২২৬।

২১ চেকিয়াল ফুকনৰ এতলা, Mills' Report, Appendix J, পৃ. LIX; মহেশ্বৰ নেওগ, পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ১১৮।

## মিছনেৰিসকলৰ অসমীয়া ভাষা চৰ্চা

মিছনেৰিসকল অসমীয়া ভাষাৰ এই দুৰৱস্থাৰ কালতে আহি পালেহি আৰু তেওঁবিলাকে ভৈয়ামৰ আৰু পাহাৰৰ সকলো লোকৰ বাবে থকা অসমীয়া ভাষাৰ ব্যৱহাৰিক প্ৰয়োজনীয়তাও অনুভৱ কৰিলে। উইলিয়ম কেৰিয়ে ১৮১৩ খ্ৰীঃত প্ৰকাশ কৰা বাইবেলৰ পিছত ১৮৩৬ খ্ৰীঃত শ্ৰীৰামপুৰ মিছনে প্ৰকাশ কৰা আৰু উজনি অসমত মিঃ জেমছ ৱে'ই বিতৰণ কৰা "বুৰী আৰু ডেকা" নামৰ খ্ৰীষ্টীয় আখ্যানৰ পুস্তিকাৰ[২২] বাহিৰে অসমীয়া ভাষাত কোনো পুথি-পত্ৰ ছপা হোৱা নাছিল। আমেৰিকান মিছনেৰিসকলে জয়পুৰত আহি বহাৰ পিছত এই বিষয়লৈ চকু দিলে আৰু শ্ৰীমতী কট্টাৰে Assamese Vocabulary and Phrases (১৮৪০) পুথিৰে অসমীয়া ভাষা-সাহিত্যৰ আধুনিক চৰ্চাৰ বাট কাটি দিলে।

ড. নাথান ব্ৰাওনৰ পত্নী শ্ৰীমতী এলিজা ব্ৰাওনৰ "গণনাৰ কথা" আৰু "সাধুকথা" এই দুখনিও সেই বছৰতে মিছন প্ৰেছত ছপা হৈ ওলায়। আনন্দৰাম ঢেকিয়াল ফুকনে A Few Remarks গ্ৰন্থত ১৮৫৫ খ্ৰী.লৈকে পোন্ধৰ বছৰত মিছনেৰিসকলে শিৱসাগৰ মিছন প্ৰেছত ছপা কৰি উলিওৱা প্ৰায় পঞ্চাছখনমান পুথিৰ তালিকা সন্নিবিষ্ট কৰিছে। স্কুলীয়া পাঠ্যপুথিৰ উপৰিও তেওঁবিলাকে কাশীনাথ তামুলী ফুকনৰ "আসাম বুৰঞ্জি" ১৮৪৪ খ্ৰীঃত প্ৰকাশ কৰি উলিয়ায়। ১৮৩৯ খ্ৰী.ত উইলিয়ম ৱৰিন্সনে A Grammar of the Assamese Language লিখি উলিয়ালেও সেই ব্যাকৰণ তেওঁ লিখিছিল অসমত বেপাৰ কৰিবলৈ আহিব পৰা ইউৰোপীয় ব্যৱসায়ীসকলৰ সুবিধাৰ বাবেহে, কিন্তু ১৮৪৮ খ্ৰীঃত প্ৰকাশিত ড: ব্ৰাওনৰ ব্যাকৰণখন অসমীয়া ভাষা শিকাৰ বাবে তৈয়াৰ কৰা ব্যাকৰণৰ নিৰ্ভৰযোগ্য টোকা আছিল।[২৩]

ব্ৰাওন, ৱ্ৰন্সন প্ৰভৃতি মিছনেৰিসকল যদিও ধৰ্ম প্ৰচাৰাৰ্থে আহিছিল, তেওঁবিলাকে ধৰ্ম-প্ৰচাৰৰ উপৰি অসমীয়া ভাষাৰ হকে কাম কৰাটোও নিজৰ 'মিছন' হিচাপে গ্ৰহণ কৰিলে আৰু ইংৰাজ প্ৰশাসকৰ অবিচাৰত বঙলা ভাষাৰ গ্ৰাসত পৰা অসমীয়া ভাষাক উদ্ধাৰ কৰাৰ আৰু ইয়াৰ বিকাশ সাধন কৰাৰ লাগিছ মুৰ পাতি ল'লে। তেওঁবিলাকে প্ৰতিষ্ঠা কৰা স্কুলত অসমীয়া ভাষা প্ৰৱৰ্তন কৰিলে আৰু

২২ Serampore Periodical Accourts, 1831, পৃ. ৬২২।

২৩ ব্ৰাওনৰ ব্যাকৰণখন প্ৰথমতে Grammatical Notices of the Assamese Language নামেৰে আৰু পিছৰ সংশোধিত সংস্কৰণত Grammatical Notes on the Assamese Language নামেৰে প্ৰকাশিত হয়।

অসমীয়া মানুহৰ মনত যি ভাষিক আৰু সাংস্কৃতিক হীনতাবোধ সোমাইছিল, তাক আঁতৰাবৰ বাবে আন্তৰিকভাৱে প্ৰয়াস কৰিলে।

## ভাষা চেতনা আৰু জাতীয় চেতনাৰ জাগৰণ

১৮৪৬ খ্ৰীঃত আৰম্ভ কৰা মাহেকীয়া কাকত "অৰুণোদই সম্বাদপত্ৰ"ৰ যোগে আধুনিক অসমীয়া ভাষাক গঢ় দিয়াত আৰু অসমীয়া মানুহৰ মনত ভাষা-চেতনা গঢ়ি তোলাত যোগোৱা বৰঙনি কোনো মূল্যৱে জুখিব পৰা বিষয় নহয়। তদুপৰি এই কাকতেই বহিৰিশ্বৰ লগত অসমীয়া মানুহৰ সম্পৰ্কৰ সেতু নিৰ্মাণ কৰি দিলে। অসমত সাংবাদিকতাৰ আৰম্ভণি, অসমীয়া ভাষাৰ নতুন গদ্যশৈলীৰ আৰম্ভণি, ধৰ্ম-নিৰপেক্ষ দৃষ্টিভংগীৰ প্ৰতিষ্ঠা, ভাষা-চেতনাৰ জাগৰণ, অসমৰাসীৰ বুৰঞ্জী আৰু সংস্কৃতি অধ্যয়নৰ আৰম্ভণি, জ্ঞানৰ প্ৰসাৰণ, বিজ্ঞান-বিষয় জনপ্ৰিয় কৰাৰ যত্ন, নতুন সাহিত্যৰ বাবে বীজবোপণ, সামাজিক দায়িত্ব সম্পৰ্কে সজাগতা সৃষ্টি আৰু খ্ৰীষ্ট-ধৰ্মৰ প্ৰচাৰ—এই দহভাগত "অৰুণোদইৰ" বৰঙনিৰ কথা ভগাই ল'ব পাৰি।

ভাষাৰ ভিত্তিত জাতীয়-চেতনাৰ জাগৰণ শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ পত্তনৰ এটি ঐতিহাসিক ফল। মিছনেৰিসকলে শিক্ষাৰ প্ৰসাৰ, শিক্ষিত শ্ৰেণীৰ পত্তন আৰু ভাষাৰ ভিত্তিত জাতীয় চেতনাৰ জাগৰণ ঘটোৱাত সমান বৰঙনি আগবঢ়াই গৈছে। আধুনিক অসমীয়া ভাষাৰ আখৰ-জোঁটনিৰ ৰূপো তেওঁবিলাকে দিছিল। পিছলৈ হেমচন্দ্ৰ বৰুৱাই ১৮৫৯ খ্ৰীঃত প্ৰকাশ কৰা প্ৰথম ব্যাকৰণখনেৰে অসমীয়া আখৰ-জোঁটনিক সংস্কৃত ভাষাৰ বান্ধোনৰ মাজলৈ বহু পৰিমাণে সুমাই নিলে যদিও, আৰু মিছনেৰিসকলেও ১৮৬১ খ্ৰীষ্টাব্দৰ পৰা তেনে জোঁটনি ল'লে যদিও, কথিত ভাষাৰ বেছি ওচৰ চপা তেওঁবিলাকৰ নিজৰ সৰল আখৰ-জোঁটনিকে ব্ৰুন্সনে ১৮৬৭ খ্ৰীঃত প্ৰকাশ কৰা অসমীয়া ভাষাৰ প্ৰথম অভিধানখনিত ব্যৱহাৰ কৰাটো মনকৰিবলগীয়া কথা।[২৪] ব্ৰুন্সনৰ "অসমীয়া-ইংৰাজি অভিধান"ৰ পাতনি 'আভাস'ত ব্যক্ত কৰা কথা কেইষাৰৰ মাজতে অসমীয়া ভাষাৰ প্ৰতি থকা তেওঁৰ গভীৰ প্ৰীতিৰ পৰিচয় ফুটি উঠিছে। দৰাচলতে ব্ৰাওন-ব্ৰুন্সন আদি মিছনেৰিসকলেই অসমীয়া মানুহৰ প্ৰাণত ভাষা-প্ৰীতি আৰু জাতি-প্ৰীতি জগাই তুলিলে। ১৮৪৬ খ্ৰীঃত আৰম্ভ কৰা "অৰুণোদই" পিছলৈ ছেগা-চোৱোকাকৈ হ'লেও ১৮৮০ খ্ৰীঃলৈকে চলি আছিল। ১৮৭৩ খ্ৰীঃত অসমীয়া ভাষাৰ পুনৰ্বাসনৰ বাবেও ব্ৰুন্সনৰ দৰে মিছনেৰিয়ে যোগোৱা বৰঙনি স্মৰণীয় হৈ থাকিব।

---

২৪ অসম সাহিত্য সভাৰ যত্নত দিল্লীৰ অমছন্ছ পাব্লিকেছনছে অভিধান-খনিৰ অফ্ছেট্ মুদ্ৰণ প্ৰকাশ কৰিছে (১৯৮৩)।

অসমীয়া ভাষা আৰু সাহিত্যৰ আৰু জাতীয় জীৱনৰ এই পটভূমিতে গুণাভিৰাম বৰুৱা, তেওঁৰ সাহিত্য-কৃতি আৰু তেওঁৰ দ্বাৰা সম্পাদিত আৰু প্ৰকাশিত "আসাম-বন্ধু"ক বিচাৰ কৰি চাব লাগিব। তদুপৰি, "আসাম-বন্ধু"ক বিচাৰ কৰোঁতে "অৰুনোদই" (১৮৪৬)ৰ পৰা "আসাম নিউচ" (১৮৮২-১৮৮৫) লৈকে অসমীয়া কাকত আৰু আলোচনীয়ে সৃষ্টি কৰা প্ৰৱাহটিৰ কথাও মনত ৰাখিব লাগিব। এই কথাও সততে স্মৰণীয় যে পাশ্চাত্য আনুষ্ঠানিক শিক্ষা আৰু মিছনেৰিসকলে সৃষ্টি কৰা অসমীয়া জাতীয়-জাগৰণৰ লগত বংগৰ নৱজাগৰণৰ চোৱেৰেও আমাৰ বৌদ্ধিক পটভূমি নিৰ্মাণত অৱিহণা যোগাইছিল।

## ভাষাৰ পুনৰ্বাসনৰ কাল

"অৰুনোদই" (১৮৪৬-৮০) আৰু "জোনাকী" (১৮৮৯-১৮৯৫, ১৯০১-১৯০৩)ৰ মাজৰ সময়ছোৱা (১৮৭৩-১৮৮৮) আধুনিক অসমীয়া ভাষাৰ পুনৰ্বাসন আৰু সাহিত্যিক-প্ৰতিষ্ঠাৰ সময়। কলিকতা হাইকোৰ্টে ১৮৭২ খ্ৰীষ্টাব্দৰ ৬ মাৰ্চৰ ৮ নম্বৰ নিৰ্দেশেৰে অসমৰ ন্যায়-পালিকা আৰু ৰাজহৰ সকলো কাম-কাজ ১৮৩৭ খ্ৰীঃৰ ২৯ নং আইন অনুসৰি অসমীয়াত হ'ব বুলি আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ সাধাৰণ ভাষা অসমীয়া হ'ব বুলি ঘোষণা কৰাৰ পিছত ১৮৭৩ খ্ৰীঃৰ ১৯ এপ্ৰিলত বেংগল ছবকাৰৰ শিক্ষা বিভাগে অসমৰ স্কুলৰ পৰা বঙালী ভাষা আঁতৰাই অসমীয়া ভাষাক প্ৰতিষ্ঠা দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিলে।[২৫] বেংগলৰ লেফ্‌টেনেণ্ট্ গভৰ্ণৰ জৰ্জ কেম্পবেলৰ আনুষ্ঠানিক নিৰ্দেশত এই দুয়োটা ঘোষণা আৰু সিদ্ধান্ত কাৰ্যকৰী হ'ল। এই ঘোষণাই এমুঠি শিক্ষিত অসমীয়াৰ বাবে পাঠ্য-পুথি ৰচনা কৰাৰ আৰু পাঠ্যপুথিৰ ভাষাক একেআগী মান্যকপত গঢি তোলাৰ দুতৰপীয়া দায়িত্ব কঢিয়াই আনিলে। আনহাতে, আধুনিক অসমীয়া সাহিত্যৰ ভেটি স্থাপনৰ দায়িত্বয়ো তেওঁবিলাকৰ বাবে অপেক্ষা কৰি থাকিল। তদুপৰি, সাধাৰণৰ মাজত কানিৰ ব্যাপক ব্যৱহাৰ আৰু 'কুলীন'ৰ মাজত বিধৰাৰ দুৰৱস্থাৰ দৰে বিভিন্ন সামাজিক ব্যাধি আৰু কু-সংস্কাৰৰ বিপক্ষে যুঁজ দিয়াৰ দায়িত্বও এবাৰ নোৱৰা হ'ল। দেখা যায়, ভাষা-প্ৰীতি তথা জাতীয়-চেতনা, উদাৰ সংস্কাৰমুখিতা আৰু মানৱিক চেতনা—এই আটাইকেওটি বৌদ্ধিক বৈশিষ্ট্যৰ প্ৰতি এমুঠি অসমীয়া শিক্ষিতৰ মন আকৃষ্ট হ'বলৈ ধৰিলে। এই সময়ছোৱাত অসমীয়া শিক্ষিতসকলক নেতৃত্ব দিবলৈ আগবাঢ়ি আহিল দুগৰাকী লোক : হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱা। এই দুয়োগৰাকীৰ কাম আৰু ব্যক্তিত্বই সমকালীন অসমীয়া ভাষা আৰু সাহিত্যক

২৫ দ্ৰ., ডিষেণ্ডৰ নেওগ, New Light on History of Asamiya Literature, পৃ. ৩৫২—৩৫৪।

বিশিষ্ট গদ্য দি যোৱাৰ বাবেই, "অৰুনোদই" আৰু "জোনাকী"ৰ যাজৰ এই গুৰুত্বপূৰ্ণ সময়ছোৱা "হেমচন্দ্ৰ-গুণাভিৰাম যুগ" স্বৰূপেও অসমীয়া সাহিত্যৰ ইতিহাসত চিহ্নিত হৈছে। আধুনিক অসমীয়া সাহিত্যৰ প্ৰথম পৰ্বৰ বিস্তাৰৰ সময়ছোৱাৰ (১৮৮৯-১৯৪০) প্ৰায় প্ৰতিগৰাকী লেখকেই হেমচন্দ্ৰ আৰু গুণাভিৰাম নাম সশ্ৰদ্ধভাৱে উচ্চাৰণ কৰি গৈছে।২৬ অৱশ্যেই ভাষাৰ গাঁথনিৰ ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱা আছিল গৃহীত ব্যাকৰণৰ নীতিৰ ক্ষেত্ৰত ফটোৱা; কিন্তু গুণাভিৰাম বৰুৱা এই ক্ষেত্ৰত আছিল বহু পৰিমাণে উদাৰ। বেজবৰুৱাই নিজেই কৈছে যে "আসাম নিউজ" পচি তাৰ অসমীয়া লিখা গচৰ ফালে মন দিছে তেওঁ নিজৰ গদ্য-ৰীতি ঠিক কৰিছিল।২৭ অৱশ্যে, "আসাম-বন্ধু"ৰ কৃতিত্বৰ কথাও বেজবৰুৱাই সপ্ৰশংসভাৱেই উল্লেখ কৰি গৈছে।

আধুনিক অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাসত "হেমচন্দ্ৰ-গুণাভিৰাম"ৰ সময়ছোৱাই কেইটিমান বৈশিষ্ট্যৰ পৰিচয় স্থাপন কৰি গৈছে। এই সময়ছোৱাতে (১) "অৰুনোদই"ৰ ভাষাৰ গাঁথনিৰ পৰা আৰু আখৰ-জোঁটনিৰ পদ্ধতিৰ পৰা অসমীয়া ভাষাই গচ লগায় আৰু পৰৱৰ্তী সময়ৰ বাবে নিজৰ ৰূপ প্ৰতিষ্ঠা কৰি লয়; (২) অসমীয়া ভাষাৰ পুনৰ্বাসনৰ ফলত বিভিন্ন বিষয়ৰ পাঠ্যপুথি ৰচনা আৰু প্ৰকাশৰ দুৱাৰ মুকলি হয়; (৩) বংগৰ ব্ৰাহ্ম ধৰ্ম আৰু নৱ-জাগৰণৰ প্ৰৱাহে অসমীয়া শিক্ষিতৰ প্ৰাণতো সমাজ-চেতনাৰ আৰু সংস্কাৰমুখী মনোভাৱৰ জন্ম দিয়ে; (৪) ইংৰাজী সাহিত্যৰ লগত আৰু পাশ্চাত্য উদাৰ মানৱিকবাদী দৃষ্টিৰে পুষ্ট হৈ গদ্য লোৱা নতুন বঙালী সমাজ আৰু সাহিত্যৰ লগত প্ৰতিষ্ঠা হোৱা সম্পৰ্কই নব্য সাংস্কৃতিক চিন্তাৰ আৰু সাহিত্য-ৰচনাৰ দুৱাৰ মুকলি কৰে; (৫) জাতীয় ভাৱ আৰু জাতীয় প্ৰীতিৰ মনোভাৱ সুদৃঢ় কৰি তোলে, আৰু (৬) এটা সমালোচনাত্মক দৃষ্টিভংগীয়ে গদ্য লৈ উঠে। আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱা—অসম মধ্য ঊনবিংশ শতিকাৰ এই ত্ৰিমূৰ্তিয়েই ন-কৈ গদ্য লৈ

---

২৬ (ক) বেজবৰুৱাই তেওঁৰ "মোৰ জীৱন-সোঁৱৰণ"ৰ পঞ্চম অধ্যায়টিত গুণাভিৰাম বৰুৱা আৰু তেওঁৰ পৰিয়ালবৰ্গৰ বিষয়েই কেৱল লিখিছে। বেজবৰুৱাই তেওঁক "বুৰঞ্জী-বিঞ্জ", "সদানন্দময়", "প্ৰশান্ত পুৰুষ আনন্দময়" বুলি কৈছে। (দ্ৰ. "বেজবৰুৱা-গ্ৰন্থাৱলী," ১ম খণ্ড, পৃ ৭৩-৭৭)।

(খ) গোহাঞি বৰুৱায়ো তেওঁৰ "মোৰ সোঁৱৰণী"ত কৈছে যে সেইকালৰ ডেকা লেখকসকলৰ বাবে হেমচন্দ্ৰ আৰু গুণাভিৰাম এই দুগৰাকী প্ৰবীণ সাহিত্যিকেই আহি আছিল। (দ্ৰ: "মোৰ সোঁৱৰণী", পৃ. ৩১)। (গ) হেমচন্দ্ৰ গোস্বামীয়ে সশ্ৰদ্ধভাৱে গুণাভিৰাম বৰুৱাৰ গাত থকা "বিনয়, সৰলতা, ঔদাৰ্য, পৰোপকাৰিতা আৰু স্বদেশৰ প্ৰতি অকপট স্নেহৰ" কথা আৰু তেওঁৰ সাহিত্যকৃতিৰ কথা উল্লেখ কৰি গৈছে। (দ্ৰ. অসমীয়া ভাষা, মূলগ্ৰন্থ, "পণ্ডিত হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী", পৃ. ১৩৯-১৪০)।

২৭ বেজবৰুৱা, উল্লিখিত গ্ৰন্থ, পৃ. ৩৯।

উঠা অসমীয়া মধ্যবিত্ত শিক্ষিতৰ চৰিত্ৰ আৰু দৃষ্টিভংগীক প্ৰতিনিধিত্ব কৰে। এই শিক্ষিত শ্ৰেণীটিয়ে সমকালীন ৰাজনৈতিক আৰু অৰ্থনৈতিক ঘটনা-প্ৰবাহতকৈ অধিক গুৰুত্ব দিছিল অসমীয়া ভাষা, সাহিত্য আৰু জাতীয়তাৰ আত্মপৰিচয় প্ৰতিষ্ঠাৰ ওপৰত। সেইবাবে, এই সময়ৰ অসমীয়া মধ্যবিত্ত শিক্ষিতৰ মাজত কোনো প্ৰকাৰৰ সুকীয়া ৰাজনৈতিক দৃষ্টিভংগী গঢ় লৈ উঠা নাছিল, ৰৰং ব্ৰিটিছ শাসনৰ লগত তেওঁবিলাকে একাত্মীয়তাহে অনুভৱ কৰিছিল। তেওঁবিলাকে ব্ৰিটিছৰ বিৰুদ্ধে হোৱা "ৰাইজমেল" বা তেনে ধৰণৰ বিদ্ৰোহাত্মক কাৰ্য সমৰ্থন কৰা নাছিল। আনকি গুণাভিৰাম বৰুৱাই মোৱামৰীয়া বিদ্ৰোহৰ বিৱৰণ দিওঁতেও ব্ৰিটিছে তেতিয়াই অসম অধিকাৰ কৰা হ'লে ভাল আছিল বুলি মন্তব্য কৰিছিল।২৮ হেমচন্দ্ৰ বৰুৱায়ো মি. এগ্নিউ চাহাবৰ প্ৰতি থকা তেওঁৰ সশ্ৰদ্ধ-প্ৰীতিৰ ভাৰ তেওঁৰ "আত্ম-জীৱন চৰিত"ত উল্লেখ কৰি গৈছে।২৯ গুণাভিৰাম বৰুৱাযো ডেভিদ স্কট আৰু জেনেৰেল জেনকিন্সৰ নাম শ্ৰদ্ধাৰে লৈছে।৩০ তদুপৰি, "ব্ৰিটিছ সু-শাসনৰ নিমিত্তে সকলো প্ৰকাৰে লোকৰ সুখ-সন্তোষ" হোৱা বুলি আৰু "এই দেশৰ অৱস্থা ক্ৰমে সকলো বিষয়তে উন্নত হ'বলৈ" ধৰা বুলি৩১ বিশ্বাস কৰা গুণাভিৰামে ১৮৬০ খ্ৰীঃত কানিৰ খেতি নিষিদ্ধ কৰা আইন আৰু আয়কৰ বহুওৰা আইনৰ পক্ষে, আৰু মণিৰাম দেৱান-পিয়ালি বৰুৱাৰ বিদ্ৰোহৰ বিপক্ষেই প্ৰকাৰান্তৰে নিজৰ মত পোষণ কৰি গৈছে।৩২ আনকি, তেওঁ দেৱান আৰু বৰুৱাৰ নামো উল্লেখ নকৰি "দুজনৰ প্ৰাণদণ্ড" হোৱাৰ সংবাদহে বুৰঞ্জীত দি গৈছে।

ব্ৰিটিছ শাসনৰ প্ৰতি এই আনুগত্যবোধ আকস্মিক বা বিচ্ছিন্ন ঘটনা নহয়। মানৰ আক্ৰমণত জুকলা হোৱা দেশখন ৰক্ষা কৰাৰ বাবে মণিৰাম দেৱান প্ৰমুখ্যে সমকালীন অভিজাত শ্ৰেণীৰ প্ৰতিনিধিসকল ব্ৰিটিছ ছৰকাৰৰ প্ৰতি কৃতজ্ঞ হৈ পৰিছিল। পিছলৈ দেখা গ'ল, দেৱানৰ ব্ৰিটিছ-বিৰোধিতাই তেওঁলৈ মৃত্যুদণ্ড কঢ়িয়াই আনিলে। হলিৰাম ঢেকিয়াল ফুকন, তেওঁৰ পুত্ৰ আনন্দৰাম ঢেকিয়াল ফুকন (১৮২৯-১৮৫৯), গুণাভিৰাম বৰুৱা হেমচন্দ্ৰ বৰুৱা, প্ৰমুখ্যে অসমীয়া নব্য শিক্ষিত শ্ৰেণীৰ প্ৰায় সকলোৱেই অকুণ্ঠ-চিত্তে ব্ৰিটিছ-শাসনক সমৰ্থন দিছিল আৰু ব্ৰিটিছৰ ছত্ৰছায়াৰ তলতে অসমীয়া মানুহৰ উন্নতি সাধিত হ'ব বুলি বিশ্বাস কৰিছিল।

---

২৮ আসাম বুৰঞ্জী, ২য় মুদ্ৰণ, পৃ. ১৫২।

২৯ অসমীয়া সাহিত্যৰ চানেকি, ৩য় খণ্ড, ১ম ভাগ, পৃ. ১৭৩।

৩০ আসাম বুৰঞ্জী, পৃ. ১৬২, ১৬৮।

৩১ উল্লিখিত গ্ৰন্থ, পৃ. ১৭০-১৭১।

৩২ উল্লিখিত গ্ৰন্থ, পৃ. ১৬৮, ১৬৭।

এনে বিশ্বাসৰ ঐতিহ্য জোনাকী যগৰ লেখকসকলেও অনুসৰণ কৰিছিল।৩৩ অৱশ্যে ১৯০২ খ্ৰীঃলৈকে ভাৰতীয় জাতীয় কংগ্ৰেছৰ দৃষ্টিভংগীও আছিল ব্ৰিটিছৰ ছত্ৰছায়াত থাকি দেশৰ উন্নয়ন সাধন কৰা। ১৯০২ খ্ৰীঃত আহমেদাবাদত বহা অধিবেশনৰ সভাপতিৰ আসনৰ পৰা সুৰেন্দ্ৰনাথ বেনাৰ্জীয়ে কৈছিল, "we have no higher aspiration that we should be admitted into the great confederacy of self governing states of which England is the august mother."৩৪ অসমীয়া শিক্ষিত মধ্যবিত্তৰ মনতো ৰাজনৈতিক জাতীয়তা-বোধৰ পৰিৱৰ্তে সাংস্কৃতিক জাতীয়তাবোধ গঢি উঠাটো আছিল ঐতিহাসিক প্ৰক্ৰিয়াৰ এটা স্বাভাৱিক ঘটনা। অসমতকৈ প্ৰায় এক শতিকাৰ আগতে পাশ্চাত্য শিক্ষা আৰু সভ্যতাৰ সংস্পৰ্শলৈ অহা বংগদেশতো শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ পত্তনৰ লগে লগে গঢ লৈ উঠিছিল সাংস্কৃতিক জাতীয়তাবোধৰ চেতনা।

বংগৰ নৱজাগৰণ

উল্লেখযোগ্য, ১৭৩১-৩২ খ্ৰীঃতে বেংগলত কেপ্টেইন বেলামি ( Ballamy ) য়ে Charity School নাম দি প্ৰথম স্কুল আৰম্ভ কৰিছিল; পিছলৈ ১৮০০ খ্ৰীঃত Calcutta Free Schoolৰ লগত ই সংযুক্ত হৈ পৰিল।৩৫ অসমীয়া ভাষাত উইলিয়ম কেৰিয়ে বাইবেল প্ৰকাশ কৰাৰ সময়লৈ কলিকতাত খ্ৰীষ্টান মিছনেৰিৰ আৰু ব্যক্তিগত লোকৰ উদ্যোগত অনেক স্কুল গঢি উঠিল। ১৮০০ খ্ৰী.ত প্ৰতিষ্ঠিত College of Fort Williamত উইলিয়ম কেৰিয়ে বঙলা বিভাগৰ প্ৰধান অধ্যাপক হিচাপে যোগ দি বঙলা ভাষাৰ বাবে আগবঢ়োৱা বৰঙনি, ১৮০১ খ্ৰী.ত বঙলা ভাষাৰ প্ৰথম ব্যাকৰণ প্ৰকাশৰ ঐতিহাসিক গুৰুত্ব, মৃত্যুঞ্জয় বিদ্যালংকাৰ আৰু ৰামৰাম বসুৰে বঙলা গদ্য-ৰচনাৰ বাবে দিয়া অৱদান—আদি প্ৰতিটো ঘটনাই পৰৱৰ্তী কালৰ বংগৰ নৱজাগৰণৰ বাবে ক্ষেত্ৰ প্ৰস্তুত কৰি দিছিল। ১৮১৩ খ্ৰীঃৰ পৰা বেংগলৰ চুবকাৰে শিক্ষা-

---

৩৩ পদ্মনাথ গোহাঞিবৰুৱা, মোৰ সোঁৱৰণী, পৃ. ৪৬; আসাম এছোচিয়েচনৰ সভাপতিৰ ভাষণ, ষোডশ অধিবেশন, বৰপেটা, ১৯১৯ ;
হেমচন্দ্ৰ গোস্বামী, ৰচনাৱলী, পৃ. ১২৬, ৪২১ ;
চন্দ্ৰধৰ বৰুৱা, গ্ৰন্থাৱলী, পৃ. ৫৫০-৫৭৫ ;
বেণুধৰ ৰাজখোৱা, মোৰ জীৱন দাপোণ, পৃ. ১১১-১৩২ ;
আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী, পৃ. ১৪-১৫
লক্ষ্মীনাথ বেজবৰুৱা, বাঁহী, খণ্ড ৩য়, সংখ্যা ২, পৃ. ৪৯—ইত্যাদি প্ৰসংগৰ প্ৰতি আঙুলিয়াব পাৰি।

৩৪ সুৰেন্দ্ৰনাথ বেনাৰ্জী, A Nation in Making, পৃ. ৩১৩-৩১৪।

৩৫ S. K. De, Bengali Literature in the Nineteenth Century, P. 458.

বিষয়ত নিজা নীতি গ্রহণ কৰিবলৈ আগবাঢ়ি আহিল।৩৬ আনহাতে, পৰম্পৰাগত ধৰ্মীয় আচাৰ-ব্যৱহাৰ, অন্ধ-বিশ্বাস, কৌলীন্যপ্রথা, সতীপ্রথা, জাতি-ভেদ, বাল্য-বিবাহ আদিৰ বিৰুদ্ধে সৰহ হৈ মুহ দাঙি উঠিল ৰাজা ৰামমোহন ৰায়। ১৮১৫ খ্ৰীঃত তেওঁ প্রতিষ্ঠা কৰা "অসমীয়া সভা", ১৮২১ খ্ৰীঃত প্রতিষ্ঠা কৰা "Unitariam Society" আৰু শেহত ১৮২৮ খ্ৰীঃত প্রতিষ্ঠা কৰা "ব্রাহ্মসমাজ" বংগৰ নৱজাগৰণৰ অগ্রদূত বুলিব পাৰি। পিছলৈ Presidency College নামেৰে প্রসিদ্ধ হোৱা কলেজখনো "হিন্দু কলেজ" নামেৰে ১৮১৭ খ্ৰীঃত ৰাজা ৰামমোহন ৰায়ৰ যত্নত প্রতিষ্ঠিত হৈছিল। পাশ্চাত্য সাহিত্য, দর্শন আৰু বিজ্ঞান শিক্ষাৰ শতিকাধিক সময় জুৰি এই কলেজেই আছিল প্রধান কেন্দ্র। এই হিন্দু কলেজৰে শিক্ষক স্বৰূপে যোগ দিয়া ডিৰোজিও আৰু ডেভিড হেয়াৰ হৈ পৰিল নৱজাগৰণৰ আন দুগৰাকী আঁৰিয়া-ধৰোঁতা। ডিৰোজিও প্রতিষ্ঠিত "একাডেমিক এছোচিয়েচনে" ইয়ং বেংগল গ্রুপৰ জন্ম দিলে আৰু পৰম্পৰাগত ধৰ্মীয় আৰু সামাজিক মূল্যবোধক আঘাত হানিলে। এনেকৈয়ে আৰম্ভ হ'ল পুৰণি আৰু নতুনৰ দ্বন্দ্ব।৩৭ দেখা যায় বংগত এই পটভূমিত গঢ় লৈ উঠিল বিভিন্ন শৈক্ষিক, সামাজিক, ধৰ্মীয় আৰু সাংস্কৃতিক অনুষ্ঠান। এই অনুষ্ঠানবোৰক (১) খ্ৰীষ্টান ধৰ্মৰ সমর্থক আৰু হিন্দু-বিৰোধী, (২) হিন্দু ধৰ্মৰ সমর্থক আৰু খ্ৰীষ্টান ধৰ্ম-বিৰোধী, (৩) ঐতিহ্য-বিৰোধী আৰু

---

৩৬ অন্যান্য গ্রন্থৰ উপৰিও ডি. পি. সিন্হাৰ "The Educational Policy of the East India Company in Bengal to 1854" নামৰ গ্রন্থ দ্রষ্টব্য।

৩৭ বংগৰ নৱজাগৰণ-সম্পর্কে David Kopf ৰ British Orientalism & Bengal Renaissance; R.C. Majumdar ৰ On Rammohun Roy; শিৱনাথ শাস্ত্রীৰ ৰামতনু লাহিড়ী ও তৎকালীন বংগসমাজ; Thomas Edwards ৰ Henry Derozio; ৰ Lal Behari De ৰ Recollections of Alexander Duff; P.C. Mitra ৰ A Biographical Sketch of David Hare; J. C. Marshman ৰ The Life and Times of Carey, Marshman and Ward; P.R. Sen ৰ Western Influence in Bengali Literature; স্বপন বসুৰ "বাংলায় নবচেতনাৰ ইতিহাস"; প্রণবৰঞ্জন ঘোষৰ "ঊনবিংশ শতাব্দীতে বাঙালীৰ মনন ও সমাজ"; S. K. Deৰ পূর্বোল্লিখিত গ্রন্থ; সুশীল কুমাৰ গুপ্তৰ "ঊনবিংশ শতাব্দীতে বাংলাৰ নবজাগৰণ"; বিনয় ঘোষৰ "বাংলাৰ বিদ্বৎ সমাজ" আদি গ্রন্থৰ উপৰিও ৰাজা ৰামমোহন ৰায় আৰু ঈশ্বৰচন্দ্র বিদ্যাসাগৰৰ গ্রন্থকেইখনিয়ে নির্ভৰযোগ্য সংবাদ বহন কৰিছে।

আধুনিকতাৰ সমৰ্থক, আৰু (৪) আধুনিক দৃষ্টিভংগী-সম্পন্ন হিন্দু-সংস্কাৰবাদী—এই চাৰিটা প্ৰধান ভাগত ভগাই পেলাব পাৰি। আলেকজেণ্ডাৰ ডাফফ প্ৰথম দলত, ধৰ্ম-সভাৰ দলক দ্বিতীয় দলত, ইয়ং বেংগল গোষ্ঠীক তৃতীয় দলত আৰু ঈশ্বৰচন্দ্ৰ-ৰামমোহনক চতুৰ্থ দলত ধৰিব পাৰি। ইয়াৰ ভিতৰত শেষৰ দুটা দলেই বংগৰ নৱজাগৰণৰ বাবে আটাইতকৈ বেছি ক্ৰিয়াশীল বৰঙনি যোগাই গ'ল। তাৰ ভিতৰত ৰামমোহন-ঈশ্বৰচন্দ্ৰৰ দৃষ্টিভংগীৰ মাজত ঐতিহ্য আৰু আধুনিকতাৰ এক বিৰল সমন্বয় গঢ়ি উঠিল। ধৰ্মীয় আৰু সামাজিক কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে থিয় দি এওঁবিলাকে প্ৰতিষ্ঠা কৰিলে এক বিশিষ্ট সমাজ-সচেতন দৃষ্টিভংগী। আনহাতে ৰামমোহন ৰায় আৰু ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ মাজত ঐতিহ্যলক্ষী দৃষ্টিভংগীও প্ৰোজ্জ্বল হৈ থাকিল। এই দুয়োগৰাকীৰ ভিতৰত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰে বিধৱা-বিবাহৰ সপক্ষে দিয়া নেতৃত্বই বংগত এক গভীৰ সামাজিক আলোড়ন সৃষ্টি কৰিলে। গোড়া ব্ৰাহ্মণ পৰিয়ালত জন্ম গ্ৰহণ কৰি সংস্কৃতৰ বিদগ্ধ পণ্ডিত স্বৰূপে প্ৰতিষ্ঠা লাভ কৰা বিদ্যাসাগৰ আছিল যথাৰ্থ মানৱিকতাবাদী। আচৰিতভাৱে তেওঁ ঈশ্বৰ আৰু ধৰ্ম-সম্পৰ্কে নীৰৱ আছিল; কিন্তু নৈতিক আৰু ঐতিহাসিক মূল্যবোধৰ প্ৰতি আছিল অতিশয় সচেতন। বংগৰ নৱজাগৰণৰ সমগ্ৰ ইতিহাসৰ মাজত বিদ্যাসাগৰৰ ছবিখনেই সৰ্বাতোকৈ উজ্জ্বল।

মধ্য ঊনবিংশ শতিকাৰ অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসৰ ত্ৰিমূৰ্তি আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱা বংগৰ নৱজাগৰণৰ প্ৰত্যক্ষ আৰু পৰোক্ষ সংস্পৰ্শলৈ আহিছিল আৰু য়ুৰোপীয় শিক্ষা আৰু সভ্যতাৰ ঘাৰাও প্ৰবলভাৱে প্ৰভাৱান্বিত হৈছিল। অসমীয়া ভাষাক মৰ্যাদা দান, অসমীয়া ভাষাৰ সবল ভেটি স্থাপন, অসমীয়া সাহিত্যৰ উৎকৰ্ষ সাধন, অসমৰ সমাজ-জীৱনত থকা অন্ধ-বিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে কাৰ্যকৰীভাৱে মাত মতা—এই সকলোবোৰ দায়িত্ব তেওঁবিলাকৰ সম্মুখত বৈ আছিল। প্ৰবল জাতীয়তাবোধ আৰু মানৱিকতা-বোধ—এই দুয়োটাই প্ৰস্তুত কৰি দিছিল তেওঁবিলাকৰ জীৱনচৰ্যাৰ ক্ষেত্ৰ। সেই সময়ৰ এনে এক বিশিষ্ট পটভূমিতে গুণাভিৰাম বৰুৱা আৰু "আসাম বন্ধু" একেলগে ৰাখি বিচাৰ কৰিব লাগিব।

## গুণাভিৰাম বৰুৱাৰ পূৰ্বপুৰুষ[৩৮]

টীয়কৰ গৌতম গোত্ৰৰ জনৈক ব্ৰাহ্মণ তেওঁৰ তিৰোতা আৰু আঠ বছৰীয়া ল'ৰা যোগাইৰ সৈতে মোৱামৰীয়া বিদ্ৰোহৰ সময়ত নাৰেৱে ব্ৰহ্মপুত্ৰইদি

৩৮ দ্ৰ., গুণাভিৰাম বৰুৱা, "আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত"; আজলীতৰা নেওগ,—

পলাই গৈছিল। যোগাইৰ মাকে নদীত উটি অহা তামোল-পাণ এটা পাই, নাৱলৈ বুটলি আনিলে আৰু খালে। তেওঁৰ স্বামী এই কাৰ্যত ক্ৰোধান্বিত হৈ তিৰোতা-গৰাকীক নাৱৰ পৰা পাৰলৈ এমাই এৰি থৈ যোগাইক লৈ ভটীয়াই গৈ গুৱাহাটীৰ অশুক্লান্ত পাই তাতে থাকিবলৈ ল'লে। মোৱামৰীয়া বিদ্রোহ শাম কটাৰ পিছত যোগাইহ তক বিচাৰি টীয়কৰপৰা কেইজনমান ওলাই গৈছিল। তাৰ ভিতৰত যোগাইহ তৰ বংশৰ এজন কেও-কিছু নোহোৱা দদাযেকো আছিল। তেওঁবিলাকে যোগাই আৰু তেওঁৰ পিতাকক লগ পালে আৰু দদায়েকজনো লগতে থাকিবলৈ ল'লে। কিছুদিনৰ পিছত যোগাইৰ পিতাকৰ মৃত্যু হয়।

লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰী

মোৱামৰীয়া বিদ্রোহৰ আগে আগে দ্ৰাবিড দেশৰ বাৎস্য গোত্ৰীয় ডেকা ব্ৰাহ্মণ লক্ষ্মীনাৰয়ন তেওঁৰ নৱবিবাহিতা পত্নীৰ যৌতুকৰ অলংকাৰ কম দেখি গৃহত্যাগী হৈ ওলাই আহে আৰু ঘুৰি-পকি আহি গুৱাহাটী পায়হি। মোৱামৰীয়া বিদ্রোহৰ সময়ত লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰী কেপ্টেইন বেলছৰ লগত ৰংপুৰলৈকে আহে। চিকিৎসা বিদ্যা জনাৰ বাবে তেওঁ কম দিনৰ ভিতৰতে ৰজা আৰু বিষয়াসকলৰ প্ৰিয়পাত্ৰ হৈ পৰে। কিছুদিনৰ পিছত হাদিৰাচকি বা বঙালহাটৰ দুৱৰীয়া বৰুৱাৰ বিষয় খালী হোৱাত লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰী দুৱৰীয়া বৰুৱা হয়।

লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰীয়ে কামৰূপৰ দুটি অনাথ ব্ৰাহ্মণ-শিশু, এগৰাকী বিধৱা ব্ৰাহ্মণীৰ দুটি শিশু-পুত্ৰ, আন এগৰাকী অনাথ ব্ৰাহ্মণ বালিকা – এই পাঁচটি শিশুৰ উপৰিও যোগাই আৰু যোগাইৰ দদায়েকক নিজৰ লগলৈ আনি পালিত পুত্ৰ-কন্যা স্বৰূপে গ্ৰহণ কৰে আৰু নিজৰ গোত্ৰ দান কৰে। তেওঁ, যোগাইৰ দদায়েকক নাম দিলে পৰশুৰাম আৰু যোগাইৰ নাম থ'লে ৰণৰাম। এই পৰশুৰামৰে পুত্ৰ হলিৰাম আৰু হলিৰামৰ পুত্ৰ আনন্দৰাম। ৰণৰামৰ দ্বিতীয় পত্নী শিৰগগৰৰ বিষ্ণুদ'লৰ লক্ষ্মীনাথ কথাকোৱা বৰুৱাৰ কন্যা শচীদেৱীৰ পুত্ৰ গুণাভিৰাম।

## গুণাভিৰাম বৰুৱাৰ জীৱন আৰু কৰ্ম

গুণাভিৰাম বৰুৱাই "আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত"ত লিখিছে, "..১৮৩৭ ইংৰাজী চনত আনন্দৰাম ফুকন আৰু দুৰ্গাৰাম ফুকন দুয়ো ইংৰাজী স্কুলত প্ৰৱেশ কৰে। এই বছৰতে ৰণৰাম বৰুৱা যোৰহাটৰপৰা গুৱাহাটীলৈ আহে। যোৰহাটতে তেওঁৰ সৰুজনী পত্নীৰ এটি বালক জন্মে। সেই বালকৰ

—"গুণাভিৰাম বৰুৱা"; শ্ৰীযতীন্দ্ৰমোহন ভট্টাচাৰ্য-সম্পাদিত "ৰাম-নৱমী" (১৯৬৫)ৰ 'সম্পাদকৰ নিবেদন'; মহেশ্বৰ নেওগ, Anandaram Dhekiyal Phukan; শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা-সম্পাদিত "জানদাভিৰাম বৰুৱা ৰচনাৱলী"ৰ 'ভূমিকা'।

নাম গুণাভিৰাম।"৩৯ আমাৰ সাহিত্যৰ বুৰঞ্জীত গুণাভিৰামৰ জন্মচন ১৮৩৭ বুলি এই প্ৰসংগৰ ওপৰতে ভিত্তি কৰি কৰা হৈছে।৪০ শ্ৰীযতীন্দ্ৰমোহন ভট্টাচাৰ্যয়ো এই চনকে গ্ৰহণ কৰিছে।৪১ কিন্তু, গুণাভিৰামৰ পুত্ৰ জ্ঞানদাভিৰাম বৰুৱাই দুঠাইত উল্লেখ কৰিছে যে গুণাভিৰামৰ জন্মচন ১৮৩৪। জ্ঞানদাভিৰাম বৰুৱাই সম্পাদনা কৰা "ল'ৰাপুথি"ত "ইংৰাজী ১৮৩৪ চনৰ ১২ জানুৱাৰী তাৰিখৰ দেওবাৰে তেখেতৰ জন্ম হয়" বুলি লিখিছে।৪২

গুণাভিৰামৰ জন্মচন

তেওঁ শ্ৰীজিতেন্দ্ৰনাথ বুজৰবৰুৱালৈ ২৪.১১.৫২ তাৰিখে লিখা চিঠিত লিখিছে, "My father was born on January 12, 1834 (Magh Bihu, Jorhat) & died on 25.3.1894 —Calcutta."৪৩ শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞাই গুণাভিৰামৰ পিতৃ বণৰামে যোৰহাটত ঢেকিয়াল ফুকন আৰু খাৰঘৰীয়া ফুকন এই "দুইপদৰ কাৰ্য-নিৰ্বাহ" কৰি থকাৰ সময়ত যোৰহাটত ১৮৩৪ চনত গুণাভিৰামৰ জন্ম বুলি ঠাৰৰাইছে।৪৪ তিনিটা বছৰৰ ইফাল-সিফালে গুণাভিৰামৰ প্ৰতিভা বা কৰ্মৰ অথবা অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসৰ কোনো সাল-সলনি নকৰে; তথাপি সঠিক তাৰিখটো উলিওৰাটো দৰকাৰী কথা, আৰু সেইফালৰ পৰা শ্ৰীভূঞাৰ বিচাৰ গ্ৰহণযোগ্য বুলি আমি ভাবোঁ।

গুণাভিৰাম বৰুৱাই নিজৰ জীৱনৰ বিষয়ে বেলেগে কোনো ৰচনা লিখি থৈ যোৱা নাই; "আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ"তে প্ৰসংগক্ৰমে উল্লেখ কৰি যোৱা কথাৰ পৰাই তেওঁৰ বিষয়েও আৱশ্যকীয় কিছু সংবাদ পাব পাৰি। আনন্দৰাম গুণাভিৰামৰ বাবে অভিভাৱকেই নাছিল, আদৰ্শ পুৰুষো আছিল। চাৰি বছৰ বয়সত পিতাকক আৰু বাৰ বছৰ বয়সত মাকক হেৰুওৱা গুণাভিৰামে আনন্দৰামৰ পৰা "সদায় সৰ্বপ্ৰকাৰে সাহায্য পাইছিল" বাবেই, বা

---

৩৯ পৃ. ২৮ (পুনৰুদ্ৰণ, ১৯৭১)।

৪০ ডিম্বেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ বুৰঞ্জী, ১৯৫৭, পৃ. ৫৯২, New Light on History of Asamiya Literature, P. 375; মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, চতুৰ্থ সং, পৃ. ২৫৩; সত্যেন্দ্ৰনাথ শৰ্মা, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ. ২৯৬; নন্দ তালুকদাৰ, সংবাদ-পত্ৰৰ ৰ'দ-কাঁচলিত অসমীয়া সাহিত্য; পৃ. ১৪।

৪১ "ৰামধেনু"ৰ সম্পাদকৰ নিবেদন, পৃ. ৪।

৪২ উল্লিখিত গ্ৰন্থ, পৃ. ৪।

৪৩ যোগেন্দ্ৰনাৰায়ণ ভূঞা-সম্পাদিত "জ্ঞানদাভিৰাম বৰুৱা ৰচনাৱলী", পৃ. ৭৩২।

৪৪ উল্লিখিত গ্ৰন্থ, ভূমিকা, পৃ. '০৭-'১০।

১৮৫১ খ্রীঃত আনন্দৰাম দ্বিতীয়বাৰ কলিকতালৈ যাওঁতে গুণাভিৰামকো লগত নি কলিকতাত স্কুলত পঢ়িবলৈ আৰু ডুনিয়ৰ স্কলাৰশ্বিপ পোৱাৰ পিছত কলেজত (প্রেছিডেন্সী কলেজত) পঢ়িবলৈ সুযোগ আৰু সুবিধা দান কৰাৰ বাবেই গুণাভিৰামে আনন্দৰামৰ জীৱন-চৰিত্ৰ ৰচনা কৰা নাই, বৰং আনন্দৰামৰ জীৱন, কৰ্ম আৰু আদৰ্শৰ প্রতি গভীৰ অনুৰাগ আৰু শ্রদ্ধা থকাৰ বাবেই তেওঁ এই কামত হাত দিছিল। অসমীয়া ভাষাত ৰচিত প্রথম আৰু সফল জীৱনী-গ্রন্থ হিচাপে 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ'ৰ

ঢেকিয়াল ফুকনৰ প্রতি শ্রদ্ধা

অসমীয়া সাহিত্যৰ ইতিহাসত বিশেষ স্থান আছে। ঢেকিয়াল ফুকন মানুহজনৰ শাৰীৰিক বিৱৰণ, তেওঁৰ আচাৰ-ব্যৱহাৰ, পিন্ধা-উৰা, খোৱা-বোৱা, কাম কৰাৰ পদ্ধতি, ইংৰাজসকলৰ লগত থকা তেওঁৰ সৌহার্দ্য, তেওঁৰ দৃষ্টিভংগী, তেওঁৰ মানসিকতা —এই সকলোবোৰ দিশ কম কথাত কিন্তু পৰিষ্কাৰভাৱে দাঙি ধৰিবলৈ যত্ন কৰি গুণাভিৰামে তেওঁৰ আন্তৰিক অনুৰাগ প্রকাশ কৰি গৈছে। জেন্‌কিনছ আৰু মেথী চাহাবৰ সঘন আৰু সপ্রশংস উল্লেখৰ কথাও প্রসংগতঃ স্মৰণীয়। বিভিন্ন স্থানত তেওঁ এই দুজন লোক যে "এই দেশীয় লোকসকলৰ বৰ বন্ধু আছিল" সেইকথা প্রকাশ কৰিছে।৪৫ এই গ্রন্থখনিৰ পৰা গুণাভি-

ইংৰাজ-প্রীতি

ৰামৰ দৃষ্টিভংগীৰো পৰিচয় পোৱা হয়। এহাতে ইংৰাজী শিক্ষা, সভ্যতা, সংস্কৃতিৰ প্রতি অনুৰাগ, আনহাতে বংগদেশৰ নৱজাগৰণৰ প্রতি শ্রদ্ধাৰ মনোভাব; এহাতে অসমীয়া ভাষা-সাহিত্য সম্পৰ্কিতে নিজৰ দেশৰ প্রতি ভালপোৱা, আনহাতে এই দেশৰ অৱস্থাৰ বাবে অসন্তোষ—এনে ভাৱ-সন্ধিৰে তেওঁৰ মন ভৰপূৰ। ইংৰাজ প্রশাসকসকলৰ প্রতি থকা তেওঁৰ আনুগত্যও আছিল আন্তৰিক; আৰু তাৰো মূলত আছিল এনে ভাব যে—ইংৰাজ শাসনৰ তলতহে অসমৰ উন্নতি সম্ভৱপৰ।

গুণাভিৰাম বৰুৱা ১৮৫৬ খ্রীঃত কলেজৰ দ্বিতীয় বাৰ্ষিকৰ পৰীক্ষাত কৃতকার্য নহ'লেও, কলিকতাৰ ছাত্র-জীৱনেই তেওঁৰ ব্যক্তিত্বক বিশিষ্ট গঢ় দিলে। তদুপৰি, ১৮৫২ খ্রীঃত আনন্দৰাম ঢেকিয়াল ফুকনে কলিকতাত প্রতিষ্ঠা কৰা 'কলিকতা নিউপ্রেচ'ৰো ছাত্র-গুণাভিৰামেই আছিল অধ্যক্ষ। কলিকতাত থকা কালতে গুণাভিৰাম ব্রাহ্মধর্মৰ প্রতি আৰু সামাজিক সংস্কাৰ-মুখিতাৰ প্রতি

---

৪৫ পৃষ্ঠা ২৯, ৩০, ৩৪, ৩৫, ৪২, ৭২, ৭৫, ১০৫, ১০৬, ১০৮, ১০৯, ১১০ ইত্যাদি দ্রষ্টব্য।

আকৃষ্ট হয়। ঈশ্বরচন্দ্র বিদ্যাসাগরর বিধরা-বিবাহ আন্দোলনে সেই সময়র বংগত তুলিছিল এক প্রবল আলোড়ন। ১৮৫৬ খ্রীঃত 'বিধরার পুনর্বিবাহ আইন' বংগত গৃহীত হয়। সেই বছরেই উমেশচন্দ্র মিত্রর "বিধবা-বিবাহ" নামর এখন নাটক প্রকাশিত হয়। বঙলা ভাষাত আধুনিক নাটকর জন্মও এই সময়তে হয়।৪৬

ব্রাহ্মধর্ম আরু বিদ্যাসাগরর প্রতি আকর্ষণ

পাশ্চাত্য শিক্ষা আরু সংস্কৃতিয়ে কঢ়িয়াই জনা উদার মানবিকবাদী দৃষ্টিভংগী আরু পরম্পরাগত সামাজিক কু-সংস্কার আরু অবিচার দূর করার আকাংক্ষা—এই দুয়োটিরে সংস্পর্শত গুণাভিরামর ব্যক্তিত্বই লাভ করিলে এক আধুনিক আয়তন। ১৮৫৭ খ্রীঃত কলিকতারপরা নারেরে আহি থাকোঁতে তেওঁ রচনা করিলে "রাম নরমী" নাটক। ১৮৫৮ খ্রীঃর "অরুনোদই'ত" মার্চর সংখ্যার পরা নাটকখন ধারাবাহিকভারে প্রকাশিত হয়। তেওঁ ১৮৭০ খ্রীঃত গ্রন্থাকারে নাটকখন প্রকাশ করোঁতে ভূমিকাত লিখিছে—

রাম-নরমী রচনা

> "মোর প্রিয় পত্নী শ্রীমতী ব্রজসুন্দরী দেরীর এই ইচ্ছা আছিল যে রাম-নরমী পুথির আকারে ওলায়। সেইদেখি মোক বারম্বার অনুরোধ করে। কিন্তু ময় সেই কথালৈ তেতিয়া কান নকরিলোঁ। ইংরাজী ১৮৬৭ সনত যেতিয়া রাজকার্য্য উপলক্ষে নগাওর পরা ধুবুরীলৈ আহোঁ তেতিয়া ইয়াক ছাপিবর মন করিছিলোঁ। কি ঈশ্বর ইচ্ছা। মোর পত্নী সেই সময়তে মৃত্যু হ'ল।"

১৮৫৭ খ্রীঃর ২ ডিচেম্বরত আনন্দরাম ঢেকিয়াল ফুকনর সরু খুলশালীয়েক (মাহিন্দ্রী দেরীর সরু ভনীয়েক) ব্রজসুন্দরীর লগত গুণাভিরামর বিয়া হয়। ইতিপূর্বে "অরুনোদই"র লগত হোরা সম্পর্কও গাঢ় হয়। ১৮৫৭ খ্রীঃর জুলাই মাহর "অরুনোদই"ত গুণাভিরাম বরুৱাই প্রকাশ করা "ঘোষা পুথি ছপা হোআর বিগ্যাপনখনর কথাও উল্লেখযোগ্য। অবশ্যে ১৮৫৫ খ্রীঃত ছপা হোৱা বুলি লিখা এই ছপা সংস্করণটো ক'তো দেখিবলৈ পোৱা নাই। কিন্তু, এই সংবাদটিয়ে গুণাভিরামর দেশাত্মবোধ, ভাষা-প্রীতি আরু জাতীয় চেতনার কথাকে সূচনা করে। আনন্দরাম ঢেকিয়াল ফুকনে A Few Remarksত করা বিশ্লেষণ আরু তথ্য-পাতিয়ে গুণাভিরামর ওপরত গভীর সাঁচ বহুৱাইছিল সেই বিষয়ে সন্দেহ নাই। আনহাতে মিছনেৰিসকলর কাম-কাজেও দান করিছিল শক্তিশালী প্রেরণা।

ঘোষা পুথি ছপা

৪৬ সুকুমার সেন, History of Bengali Literature, P. 178. ড. সুকুমার সেনে লিখিছে যে গুণাভিরাম বরুৱাক অসমীয়া ভাষাত "রাম-নরমী" লিখিবর বাবে উমেশচন্দ্র মিত্রর নাটকখনেই প্রেরণা দিছিল (পৃ. ১৮০)।

আনন্দৰাম ঢেকিয়াল ফুকনৰ মৃত্যু হয় ১৮৫৯ খ্ৰীঃৰ ১৬ জুন তাৰিখে। গুণাভিৰাম বৰুৱাই সাময়িকভাৱে আনন্দৰামৰ পৰিয়ালৰ অভিভাৱকত্বৰ দায়িত্ব গ্ৰহণ কৰে। সেই খ্ৰীঃতে তেওঁ ছাব এছিষ্টেণ্ট কমিছনাৰ পদতো মকৰল হয়। তেতিয়াৰ পৰা ১৮৯০ খ্ৰীঃৰ ৩১ মাৰ্চত অৱসৰ গ্ৰহণ কৰালৈকে সুদীৰ্ঘ ৩১ বছৰ কাল গুণাভিৰামে ক্ৰমে ছাব এছিষ্টেণ্ট কমিছনাৰ, কালেক্টৰ, অস্থায়ী একষ্ট্ৰা এছিষ্টেণ্ট কমিছনাৰ, মহকুমাধিপতি, দ্বিতীয় শ্ৰেণীৰ মেজিষ্ট্ৰেট, স্থায়ী একষ্ট্ৰা এছিষ্টেণ্ট কমিছনাৰ আৰু প্ৰথম শ্ৰেণীৰ মেজিষ্ট্ৰেটৰ দায়িত্ব নিৰ্বাহ কৰে। তেওঁ যে এগৰাকী সুদক্ষ ছৰকাৰী বিষয়া আছিল, সেই বিষয়ে নিশ্চিত কৰে ১৮৮৭ খ্ৰীঃত মহাৰাণী ভিক্টোৰিয়াৰ ৰাজত্বৰ জুবিলি উৎসৱ উপলক্ষে চৰকাৰে তেওঁক 'ৰায় বাহাদুৰ' খিতাপ দিয়াটোৱে।

ছৰকাৰী চাকৰি

১৮৯০ খ্ৰী.ত অৱসৰ লোৱালৈকে তেওঁ অসমৰ বিভিন্ন ঠাইত কটালেও ভাষা-সাহিত্যৰ চৰ্চা অব্যাহতভাৱে কৰি আছিল। এই ক্ষেত্ৰত তেওঁ কৰি থৈ যোৱা কামৰ উপৰিও তেওঁ যোগাই যোৱা অনুপ্ৰেৰণাও উল্লেখযোগ্য।

ব্যক্তিগত জীৱনৰ নানা আলৈ-আহুকালেও গুণাভিৰামৰ স্থৈৰ্য আৰু ধৈৰ্য নাইকিয়া কৰিব পৰা নাছিল। ১৮৬৭ খ্ৰী.ত প্ৰথমা পত্নীৰ মৃত্যুৰ পিছত তেওঁ কিছুদিন নিসংগ জীৱন যাপন কৰিছিল। কিন্তু তেওঁৰ মনত ছাত্ৰাৱস্থাতে বাল-বিধৱাৰ সমস্যাই পেলোৱা প্ৰভাৱ মচ খোৱা নাছিল।[৪৭] দুটি বিষয়ত তেওঁৰ অনুৰাগ আছিল প্ৰবল : ব্ৰাহ্মধৰ্ম আৰু বিধৱা-বিবাহ। তেওঁৰ মাহিন্দ্ৰী দেৱীৰ লগত হোৱা বিয়াও ব্ৰাহ্মমতে কৰাৰ ইচ্ছা আছিল। পিছত ১৮৬৯ খ্ৰীঃত ধুবুৰীত থাকোঁতেহে "প্ৰকাশ্যে তাক গ্ৰহণ কৰে"।[৪৮] ব্ৰজসুন্দৰী দেৱীৰ মৃত্যুৰ পিছত তেওঁ তেওঁৰ দুইটি অনুৰাগে দুইপ্ৰকাৰে সাৰ্থকতা লাভ কৰে। প্ৰথমটি ব্ৰাহ্মধৰ্ম গ্ৰহণ; দ্বিতীয়টি বিধৱা-বিবাহ কৰোৱা। আনন্দৰাম ঢেকিয়াল ফুকনৰ বন্ধু পৰশুৰাম বৰুৱাই ১৮৫৩ খ্ৰীঃত বিষ্ণুপ্ৰিয়া দেৱীক বিয়া কৰাইছিল। ১৮৬৩ খ্ৰীঃত পৰশুৰাম বৰুৱাৰ মৃত্যুৰ পিছত বিষ্ণুপ্ৰিয়া দেৱীয়ে বৈধব্য জীৱন যাপন কৰে। ১৮৭০ খ্ৰীঃৰ এপ্ৰিলত গুণাভিৰাম বৰুৱাই এইগৰাকী বিধৱা বিষ্ণুপ্ৰিয়া দেৱীক ব্ৰাহ্মমতে বিয়া কৰায়। অসমত অসমীয়া মানুহে ব্ৰাহ্মধৰ্ম গ্ৰহণ কৰি সেই প্ৰথা অনুসৰি কৰোৱা এইখনেই আছিল প্ৰথম বিয়া। ১৮৭১

ব্ৰাহ্মধৰ্ম গ্ৰহণ আৰু বিধৱা-বিবাহ

৪৭ "আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন-চৰিত্ৰ"ত গুণাভিৰাম বৰুৱাই এই বিষয়ে দি যোৱা তেওঁৰ অভিমত উল্লেখযোগ্য। (ত্ৰ. পৃ. ১৭৬)

৪৮ ১৮৬৭ খ্ৰীঃৰ জুলাই মাহৰ পৰা ১৮৬৯ খ্ৰীঃৰ মাৰ্চলৈকে ধুবুৰীত থাকে আৰু তাতে ব্ৰাহ্মধৰ্ম লয় (পৃ. ১৭৬)।

খ্রীঃৰ ফেব্রুৱাৰীত তেওঁৰ কন্যা স্বৰ্ণলতাৰ জন্মৰো প্ৰায় দুবছৰমানৰ পিছত ১৮৭২ খ্রী.ৰ ডিচেম্বৰত গুণাভিৰামে তেওঁৰ এই বিবাহ ৰেজিষ্টাৰি কৰে।৪৯

প্ৰথম ৰেজিষ্ট্ৰী বিয়া

উল্লেখযোগ্য বিবাহ-পঞ্জীয়নৰ আইনখনো ১৮৭২ খ্রীঃতহে প্ৰণীত হৈছিল। অসমত এনেভাৱে বিবাহ পঞ্জীয়ন কৰাৰো ইয়েই আছিল প্ৰথম দৃষ্টান্ত।

গুণাভিৰাম বৰুৱাৰ এই দুয়োটা কাৰ্যই অসমৰ পৰম্পৰাগত সামাজিক বিশ্বাস আৰু ৰীতিক প্ৰৱলভাৱেই জোকাৰিছিল। উচ্চ ছৰকাৰী চাকৰি আৰু ধনাঢ্য তথা সম্ভ্ৰান্ত পৰিয়াল—এই দুয়োটা বিশেষত্বৰ বাবেই হয়তো গুণাভিৰাম তদানীন্তন সামাজিক বিচাৰৰ কাঠগড়াত থিয় হ'ব নালাগিছিল।

চাকৰিৰ পৰা অৱসৰ লোৱাৰ পিছত ১৮৯০ খ্রীষ্টাব্দত তেওঁ কলিকতাত স্থায়ীভাৱে বসবাস কৰাৰ ইচ্ছা কৰি তালৈ যায়। কিন্তু, এই সময়ৰপৰা তেওঁৰ পৰিয়াললৈ ইটোৰ পিছত সিটোকৈ দুৰ্যোগ আহিবলৈ ধৰে। তেওঁৰ পত্নী বিষ্ণুপ্ৰিয়া (তেওঁ "নীতিকথা" নামৰ গ্ৰন্থ প্ৰণয়ন কৰিছিল) ১৮৯২ খ্রীঃৰ ২৬ মাৰ্চত আৰু তেওঁৰ তৃতীয় পুত্ৰ ("লৰাবন্ধু"ৰ সম্পাদক)

সাংসাৰিক দুৰ্যোগ

কৰুণাভিৰাম বৰুৱা ১৮৯৩ খ্রীঃৰ ১২ জুলাইত অকালতে মৃত্যুমুখত পৰে। সাহিত্যৰথী ৰেজবৰুৱাই তেওঁৰ জীৱন-সোঁৱৰণত লিখিছে এই অসহনীয় দুখ গুণাভিৰামে কেনেকৈ স্বাভাৱিকতাৰে মূৰ পাতি লৈছিল।৫০

১৮৯৪ খ্রীঃৰ ২৫ মাৰ্চ দেওবাৰে গুণাভিৰাম বৰুৱাযো কলিকতাতে শেষ নিশ্বাস ত্যাগ কৰে। ঊনবিংশ শতিকাৰ সমগ্ৰ বুদ্ধিজীৱী যুগটোক সামৰি ষাঠি বছৰ কাল জীয়াই থকা গুণাভিৰামে আধুনিক অসমীয়া ভাষা আৰু সাহিত্যৰ তিনিওটা স্তৰ ("অৰুণোদই"ৰ স্তৰ, ভাষা-পুনৰ্বাসনৰ স্তৰ আৰু "জোনাকী"ৰ স্তৰ) কেৱল দেখি যোৱাই নাছিল, তিনিওটা স্তৰৰ লগত তেওঁ যুক্তও হৈছিল।

## গুণাভিৰামৰ সাহিত্য-কৰ্ম

আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন আৰু কৰ্মই আছিল গুণাভিৰামৰ আদৰ্শ। মাতৃভাষাৰ হকে অনুভৱ কৰা কৰ্তব্যবোধৰ শিক্ষা আৰু প্ৰেৰণাও লাভ কৰিছিল তেওঁ আনন্দৰামৰ পৰাই। মধ্য ঊনবিংশ শতিকাৰ কলিকতাৰ সংস্পৰ্শলৈ আহি তেওঁ ভাষা-সাহিত্যৰ হকে আৰু সমাজৰ হকে কাম কৰাৰ দায়িত্ব অধিক প্ৰৱলভাৱে অনুভৱ কৰিছিল। কোনো ৰাজনৈতিক দৃষ্টিভংগী বা ৰাজনৈতিক আদৰ্শৰ বাবে তেওঁ কাম কৰা নাছিল। কিন্তু ব্ৰিটিছ শাসনৰ পক্ষেই থিয় দি আছিল। এই মানসিকতাও তেওঁ আনন্দৰামৰ পৰাই লাভ কৰিছিল

৪৯ উল্লিখিত গ্ৰন্থ, পৃ. ১৭৭।
৫০ ৰেজবৰুৱা-গ্ৰন্থাৱলী।

বুলিলে অত্যুক্তি কৰা নহ'ব। বেজবৰুৱাৰ সেই বিখ্যাত উক্তি "স্বদেশ আৰু স্বজাতিৰ মংগলৰ সিংহদুৱাৰ হ'ল মাতৃভাষা" যেন মধ্য ঊনবিংশ শতিকাৰ পৰাই অসমীয়া প্ৰতিগৰাকী শিক্ষিত আৰু সচেতন লোকে অনুভৱ কৰি আহিছিল আৰু এই মাতৃভাষাৰ হকে কাম কৰাটো এটা ডাঙৰ লক্ষ্য স্বৰূপে তেওঁ-বিলাকৰ চকুৰ আগত থিয় দি আছিল। পূৰ্বে কৈ অহা হৈছে যে এই ভাষা-জাগৰণৰ ওৰিত আছিল আমেৰিকান মিছনেৰিসকল। তেওঁবিলাকে যিটো ভাষাৰ গঢ় "অৰুনোদই"ত প্ৰতিষ্ঠা কৰিলে, সেই গঢেই শিক্ষিত অসমীয়াসকলৰ বাবেও আহিস্বৰূপ হ'ল। আখৰ-জোটনিৰ যিটি সৰলীকৃত ৰূপ মিছনেৰিসকলে গ্ৰহণ কৰিছিল, সেই ৰূপটি বাকীসকলেও গ্ৰহণ কৰিলে। হেমচন্দ্ৰ বৰুৱাই সুকীয়া প্ৰতিষ্ঠা নিদিয়ালৈকে চলা আমাৰ ভাষাৰ এই ৰূপটিৰ লগতে সমকালীন সকলো লেখক আৰু পাঠকৰ সম্পৰ্ক স্থাপিত হৈছিল। গুণাভিৰাম বৰুৱাৰ ক্ষেত্ৰতো মিছনেৰি প্ৰকাশভংগীৰ সুৰ শুনিবলৈ পোৱা যায়। অৰণ্যে এই কথা কবই লাগিব যে, হেমচন্দ্ৰ বৰুৱা ভাষাৰ ক্ষেত্ৰত যেনে কঠোৰ নীতিনিষ্ঠ আছিল, গুণাভিৰাম তেনে নাছিল , বৰং বহু সময়ত তেও লক্ষ্যৰ কথাহে ভাবিছিল, প্ৰকাশভংগীক কঠোৰ নিয়মৰ বশবৰ্তী কৰা নাছিল। ইয়াৰ অৰ্থ এইটো নহয় যে ভাষাৰ বিশুদ্ধ গঢ়ৰ প্ৰতি তেওঁ উদাসীন আছিল। বৰং হেমচন্দ্ৰ বৰুৱাৰ প্ৰথম অসমীয়া ব্যাকৰণ যেতিয়া প্ৰকাশিত হৈছিল, সেই সময়ত হেমচন্দ্ৰ বৰুৱাই নিজে কোৱা মতে "···তাৰ ৰচনাৰ বিষয়ত লেখাৰ যাৰা তেওঁ মোৰ বহুত পৰামৰ্শ দিছিল। অধিক কি, সেই বিষয়ত তেওঁ মোৰ অকল উৎসাহদাতা আৰু উপদেশক আছিল।'[৫১]

মাতৃভাষাৰ প্ৰতি কৰ্তব্যবোধ

স্বদেশ-অনুৰাগ আৰু সংস্কাৰমুখিতা—এই দুটিয়েই আছিল গুণাভিৰামৰ সাহিত্য-সাধনাৰ নিয়ামক শক্তি। তেওঁৰ এই স্বদেশ-অনুৰাগ প্ৰকাশিত হৈছিল ভাষা-প্ৰীতি আৰু স্বদেশৰ অতীত-ঐতিহ্য-প্ৰীতিৰ মাজত। "অৰুনোদই"ত 'কলিকতা নগৰত থকা তোমালোকৰ বন্ধু এজন অচমিয়া লোক'ৰ নামত লিখা "অচম দেশৰ লোক সকলৰ প্ৰতি নিবেদন পত্ৰ" শিৰোনামাৰ দুখন চিঠি[৫২], "অচমিয়া লোকে অচমিয়া ভাষা সিকাৰ ফল" আৰু "কলিকতাৰ পৰা চতুৰ্থ পত্ৰ" শিৰোনামাৰে লিখা দুখন চিঠি[৫৩], 'এজন অসমিয়া লোক' এই নামেৰে লিখা

৫১ হেমচন্দ্ৰ বৰুৱা, আত্মজীৱন চৰিত, দ্ৰ. অসমীয়া সাহিত্যৰ চানেকি, ৩য় খণ্ড, পৃ. ১৭৪।

৫২ অৰুনোদই, মে' ১৮৫৩ আৰু জুলাই ১৮৫৩, পুনৰুদ্ৰিত গ্ৰন্থৰূপ, ১৯৮৩, পৃ. ৯৪৯-৯৫০, ৯৮৬-৯৮৭

৫৩ অৰুনোদই, আগষ্ট ১৮৫৩ আৰু অক্টোবৰ ১৮৫৩, পুনৰুদ্ৰিত গ্ৰন্থৰূপ, ১৯৮৩, পৃ. ৯৯৬-৯৯৭,১০৩২-১০৩৩

"বিবাহৰ সময়ত জি সকল নিয়ম প্ৰতিপালন কৰা কৰ্ত্তব্য তাৰ কথা" আৰু "অচমিয়া লোকলৈ নিবেদন পত্ৰ" নামৰ আন দুখন চিঠি[৫৪] গুণাভিৰামৰ বুলি ঠাৱঁৰোৱা হৈছে।[৫৫] ১৮৫৪ খ্ৰীঃৰ জুলাই সংখ্যাত প্ৰকাশিত 'সষ্ট' চিঠিখনো একেজন "অচমিয়া লোক"ৰে।[৫৬] ডঃ মহেশ্বৰ নেওগে "অৰুনোদই ১৮৪৬-১৮৫৪"ৰ গ্ৰন্থৰূপৰ "ভূমিকা"ত কোৱা কথাকেইটি প্ৰণিধানযোগ্য। ডঃ নেওগে গুণাভিৰামক "আনন্দৰামৰ আধ্যাত্মিক উত্তৰাধিকাৰী" বুলি অভিহিত কৰি লিখিছে যে "এই চিঠিবিলাকৰ বিষয়-বস্তু আনন্দৰামৰ লেখাৰ অনুবাদ অৰ্থাৎ অনু-কথন স্বৰূপ।"[৫৭] তেখেতে দেখুৱাইছে যে "ডাঙৰ বিসইৰ কথা কথা' (মাৰ্চ ১৮৫৬) লেখা জ.ৰ. আৰু 'নামা দেশৰ সম্বাদ', 'কলিকতাৰ পৰা অহা পত্ৰ' আৰু 'মহাকবি কালিদাসৰ জিৱন বৃত্তান্ত' লেখা গ. সম্ভৱতঃ গুণাভিৰামেই।

অৰুনোদই আৰু গুণাভিৰাম

'কলিকতা নগৰত থকা এজনা অচমিয়া লোক'ৰ বিষয়ৰে বিস্তাৰ কৰি জি.ৰ. স্বাক্ষৰেৰে দশম, একাদশ আৰু দ্বাদশ ভাগৰ "অৰুনোদইত" লেখে 'Works on the marriage of Hindoo widows (১০'৭), 'ভেঁটি খোৱাৰ নিসেধ কথা' (১০'৮), 'এজন কবি আৰু এজন বিয়াকৰন শাস্ত্ৰ জনা পণ্ডিতৰ কথা' (১০.৯), 'ইংৰাজি বিদ্যা জনাৰ ফল' (১০'১১), 'অচমিয়া ভাষা' (১০.১২), 'বিধৱাবিবাহ' (১১.১, ১১.৯,১২.৫,১২.১১,১৩.৩), 'বক্তৃতাৰ কথা' (১১.৫), 'ইংলণ্ড আৰু অচম দেস' (১১.৭), 'তিৰ্থ আৰু পুৱাণৰ উত্পত্তিৰ কথা' (১১.৮,১১.১২), 'পুৰুসে তিৰোতাক জি ৰূপে সমাদৰ কৰিব লাগে' (১১.১০), 'দুজনি বিধৱা চোৱালিৰ বিবাহ হোআৰ কথা' (১২.১), 'মাত্ৰিভাসাৰ সক্তি' (১২'৩)।"[৫৮] 'ঘোষাপুথি চপা হোআ বিগ্যাপন'ৰ পৰা "ৰামনবমী" ধাৰাবাহিকভাৱে প্ৰকাশিত হোৱালৈকে গুণাভিৰামৰ লগত "অৰুনোদই"ৰ সম্পৰ্ক অত্যন্ত ঘনিষ্ঠ আছিল।[৫৯] এক কথাত কবলৈ হ'লে "অৰুনোদই"য়েই আছিল গুণাভিৰামৰ আত্মপ্ৰকাশৰ মাধ্যম আৰু আদৰ্শ ৰচনা-ক্ষেত্ৰও। মিছনেৰি

৫৪ অৰুনোদই, ডিচেম্বৰ ১৮৫৩ আৰু জানুৱাৰী ১৮৫৪, পুনৰুদ্ৰিত গ্ৰন্থৰূপ, ১৯৮৩, পৃ. ১০৬৬-১০৭০, ১০৮৮।

৫৫ ডঃ মহেশ্বৰ নেওগ, অৰুনোদইৰ ৰলফাট, পৃ. '৭৬; ডঃ মহেশ্বৰ নেওগ-সম্পাদিত অৰুনোদইৰ গ্ৰন্থৰূপ, ভূমিকা পৃ. ১৪৭; শ্ৰীযতীন্দ্ৰমোহন ভট্টাচাৰ্য-সম্পাদিত ৰাম-নবমী, সম্পাদকৰ নিবেদন, পৃ. ২১ আৰু পৰিশিষ্ট 'ঘ', পৃ. ৮৭-৮৮।

৫৬ অৰুনোদই, ১৯৮৩, পৃ. ১১৭৬-১১৭৭।

৫৭ অৰুনোদই, ১৯৮৩, ভূমিকা, পৃ. ১৪৭-১৪৮।

৫৮ উল্লিখিত গ্ৰন্থ, পৃ. ১৪৮।

৫৯ ১৮৫৭ খ্ৰীঃৰ "অৰুনোদই"ত (১২.৫) প্ৰকাশিত 'চিত্তবিলাসিনি পুথি', ১৮৫৮ খ্ৰীঃত প্ৰকাশিত 'অচম দেসৰ উপকাৰ' (১৩.৪) এই দুটিও গুণাভিৰামৰ ৰচনা।

অসমীয়া ভাষাৰ প্ৰভাৱো গুণাভিৰামৰ ভাষাত অনুভূত হোৱাৰ ইয়েই প্ৰধান কাৰণ। হেমচন্দ্ৰ বৰুৱায়ো "অৰুণোদই"ত লিখিছিল যদিও, তেওঁ সেই ভাষাৰ বান্ধোনৰ পৰা ওলাই অসমীয়া ভাষাৰ নতুন মান্যৰূপ প্ৰতিষ্ঠা কৰিলে। সি যি কি নহওক, গুণাভিৰামৰ এই পত্ৰ আৰু ৰচনাসমূহত প্ৰকাশিত বিষয়বস্তুৰেই তেওঁৰ চিন্তা-চৰ্চা আৰু উদ্দেশ্যৰ সংকেত বহন কৰিছে।

আধুনিক অসমীয়া সাহিত্যৰ নৱোন্মেষ সাধনৰ ক্ষেত্ৰ "জোনাকী" (১৮৮৯-৯৫) কাকতখনো, তেতিয়া প্ৰবীণ-লেখক স্বৰূপে খ্যাতি লাভ কৰোঁতা গুণাভিৰাম বৰুৱা আছিল এগৰাকী নিয়মীয়া লেখক। 'সৌমাৰ যাত্ৰী' ('সৌমাৰ যাত্ৰীৰ ডায়েৰিৰ অৰ্থাৎ দৈনিক টোকাৰ পৰা উদ্ধৃত' যুলি উল্লিখিত) নামেৰে লিখা 'সৌমাৰ ভ্ৰমণ' "জোনাকী"ত নিয়মীয়াকৈ (২য় ভাগৰ ৮৯-৯৫,১১০-১১৩,১৫৫-১৫৮,১৮৫-১৮৮ পৃষ্ঠাসমূহত) প্ৰকাশিত হয়। ২য় ভাগৰ আন এটা প্ৰবন্ধ 'অসমত মান প্ৰবন্ধৰ অতিৰিক্ত (পৃ ২৫২-২৫৭)। "জোনাকী"ৰ চতুৰ্থ ভাগত প্ৰকাশিত প্ৰবন্ধসমূহ হ'ল-- 'স্যাৰ জৰ্জ কেম্বেল' (৬৬-৭২), 'অসমত কৌলিন্য প্ৰথা নাই কিয় ?' (১২৬-১২৯), 'অসমত বৌদ্ধধৰ্মৰ চিন' (১৪২-১৪৮), 'অলিখিত বুৰঞ্জী' (১৬৭-১৭১, ১৯৬-১৯৮,২৩৪-২৩৬), 'কামৰূপীয়া পত্ৰ' (২০৫), 'জুবি প্ৰথা' (২১১-২১৪)--এই কেইটি। "জোনাকী"ত প্ৰকাশিত প্ৰবন্ধ-সমূহত লেখকৰ ঐতিহাসিক দৃষ্টিভংগী আৰু সমাজ-সচেতনতাৰ উত্থান পাব পাৰি। "জোনাকী"ৰ চতুৰ্থ বছৰৰ পিছত গুণাভিৰাম বৰুৱাৰ ৰচনা প্ৰকাশিত হোৱা নাই। তাৰ পিছৰ বছৰত তেওঁ শেষ নিশ্বাস পেলাইছে।

জোনাকী আৰু গুণাভিৰাম

যদিও "জোনাকী"ৰ লগত ফেৰ মাৰিয়েই "বিজুলী" কাকত প্ৰকাশ কৰা হ'ল, তথাপি তাৰ ফলত অসমীয়া সাহিত্যৰ লোকচান নহৈ লাভেই হ'ল। বয়োজ্যেষ্ঠ গুণাভিৰামে দুয়োখন কাকতৰ প্ৰতি সমান ভাব পোষণ কৰিছিল। "বিজুলী"ৰ প্ৰথম ভাগত প্ৰকাশিত গুণাভিৰামৰ দুটি কবিতা বিশেষভাৱে উল্লেখযোগ্য। দয়োটা কবিতা তেওঁ 'গুৰুদত্ত' এই ছদ্মনামত লিখিছিল। প্ৰথমটি হ'ল 'আদ্যাশক্তি স্তোত্ৰ' আৰু দ্বিতীয়টি 'ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ বৈকুণ্ঠ-প্ৰয়াণত ভাৰত বিলাপ'। প্ৰথমটি আদ্যাশক্তিৰ বিষয়ে লিখিলেও তাত ব্ৰাহ্ম গুণাভিৰামৰ উদাৰ দৃষ্টিভংগীৰ পৰিচয় পৰিস্ফুট। দ্বিতীয়টিত বিদ্যাসাগৰৰ প্ৰতি থকা গুণাভিৰামৰ গভীৰতম শ্ৰদ্ধাৰ নিদৰ্শন ফুটি উঠিছে। গুণাভিৰামৰ এই কাব্য-প্ৰচেষ্টাৰ মাজত নৱন্যাসিক প্ৰকাশভংগীতকৈ পুৰণি অসমীয়া বৈষ্ণৱ কবিতাৰ প্ৰকাশভংগী মন কৰিবলগীয়া।৬০ "বিজুলী"ত প্ৰকাশিত 'আসাম যাত্ৰা' (২.২, ৩.১, ৩.২, ৩.৩, ৩.৪, ৩.৫, ৩.৬, ৪. আছিন সংখ্যা আৰু পিছৰ ৬.৪ সংখ্যা) এটি দীঘলীয়া প্ৰবন্ধ আৰু

বিজুলী আৰু গুণাভিৰাম

৬০ "ৰামনবমী"ৰ শেহত 'মুক্তিমংগল ভট্টিমা'ৰ দৰে সন্নিবিষ্ট 'পুৰাৰীৰ উক্তি লেচাৰিটিও দ্ৰষ্টব্য।

ইয়াৰ মাজতো 'সোমাৰ যাত্ৰী'জনেই আন ৰূপত তুমুকিয়াইছে।৬১ "বিজুলী"ত ব্যংগ লেখক গুণাভিৰামেও দেখা দিছিল—"কঠিন শব্দৰ ৰহস্য ব্যাখ্যা"ৰ মাজত।৬২ ইয়াৰ উপৰিও 'আসামৰ উন্নতি', 'আমাৰ শাসন, শাসক আৰু একতা', 'চিকাগো-প্ৰদৰ্শনী', 'বৈজ্ঞানিক প্ৰবন্ধ', 'ভ্ৰম প্ৰমাদ', 'মানাৰৰ দাদাভাই নাওৰজী', 'স্মৃতি ভষ্ট ৰঘুনন্দন' আদি "বিজুলী"ৰ প্ৰবন্ধখিনিৰ কথাও উল্লেখযোগ্য। তেওঁৰ মৰণোত্তৰ কালত ১৯২৭ খ্ৰীঃৰ "মিলন"ত 'মাহীমাক' নামৰ ৰচনা এখনি প্ৰকাশিত হয়।

"অৰুনোদই"ৰ পৰা "জোনাকী" ("বিজুলী"কো সামৰি) লৈকে আধুনিক অসমীয়া সাহিত্যৰ আধা শতিকা জুৰি গুণাভিৰামৰ ব্যক্তিত্ব ব্যাপ্ত। অসমীয়া ভাষাৰ পুনৰ্বাসনৰ বাবে সাইলহ্ ব্ৰুনসনে প্ৰস্তুত কৰা স্মাৰক-পত্ৰত্বো অন্যতম স্বাক্ষৰকাৰী গুণাভিৰাম৬৩ আধুনিক অসমীয়া ভাষাৰ সুখ-দুখৰ ইতিহাসৰ লগতো নিবিড়ভাবে জড়িত। হেমচন্দ্ৰ বৰুৱাই লিখিছিল, "অসমীয়া ডেকা-বিলাকে বঙ্গালী বাইৰ সলনি অসমীয়া মাতৃক আদৰ কৰিবলৈ আগবাঢ়িল তাতো মহাত্মা আনন্দৰাম ঢেকিয়াল ফুকনৰ পাচতে গুণাভিৰাম বৰুৱা পথপ্ৰদৰ্শক হৈছিল।" ৬৪

বেজবৰুৱাই তেওঁক "বুৰঞ্জী-বিজ্ঞ"৬৫ বুলি দিয়া বিশেষণ গুণাভিৰামৰ প্ৰতিভাৰ এটি বিশেষ দিশৰ প্ৰতি অংগুলি-নিৰ্দেশ কৰি গৈছে। "আসাম-বন্ধু"ৰ 'আগৰ দিন এতিয়াৰ দিন', "জোনাকী"ৰ 'সোমাৰ যাত্ৰা', "বিজুলী"ৰ 'আসাম

---

৬১ পৰৱৰ্তী কালত মহৰ্ষি কমলাকান্ত ভট্টাচাৰ্য আৰু মহাদেৱ শৰ্মাৰ দ্বাৰা সম্পাদিত আৰু বংগৰ প্ৰসিদ্ধ ভূদেৱ মুখোপাধ্যায়ৰ পুত্ৰ কুমাৰদেৱ মুখোপাধ্যায়ৰ দ্বাৰা ৪৪ মাণিকতলা ষ্ট্ৰীটৰ পৰা প্ৰকাশিত অসমীয়া পখেকীয়া কাকত "আসাম হিতৈষী"ত (১৯২৭ খ্ৰী.ৰ মে, জুন আৰু জুলাই মাহৰ) প্ৰকাশিত 'আসাম যাত্ৰা' যদিও গুণাভিৰাম বৰুৱাই লিখা বুলি আৰু "আসাম যাত্ৰা বুলি তেখেতৰ নিজা হাতে লিখা কাকতৰ পৰা" বুলি দেখুওৱা হৈছে, সেই ৰচনা গুণাভিৰাম বৰুৱাৰ 'আসাম যাত্ৰা'ৰ আহিত অসমলৈ প্ৰথমবাৰৰ বাবে ফুৰিবলৈ অহা কোনোবা বঙালী ভদ্ৰলোকৰ ৰচনাহে। হয়তো সেই ৰচনা গুণাভিৰামক চাবলৈ দিয়া হৈছিল আৰু গুণাভিৰামে নিজে তাৰ পৰিমাৰ্জিত অসমীয়া ৰূপ এটি দিছিল। ভিতৰৰ বিষয়বস্তু মোচোৰাকৈ, কেৱল আখৰ দেখিয়েই সেই ৰচনা গুণাভিৰামৰ বুলি ঠাৱৰ কৰাটো কোনো প্ৰকাৰে সংগত নহয়।

৬২ বিজুলী, ১৮৯০, পৃ. ১০৬। সম্পূৰ্ণ গ্ৰন্থ হিচাপে মৰণোত্তৰ কালত (১৯১১ খ্ৰীঃত) ছপা হয়।

৬৩ মহেশ্বৰ নেওগ, ভূমিকা, অৰুনোদই, ১৯৮৩, পৃ. ১৪৮।

৬৪ আত্মজীৱন চৰিত, অসমীয়া সাহিত্যৰ চানেকি, ৩য় খণ্ড, পৃ. ১৭৪।

৬৫ বেজবৰুৱা গ্ৰন্থাৱলী, প্ৰথম খণ্ড, পৃ. ৭৩।

যাত্রা' আদি প্রবন্ধকেইলানিৰ বাহিৰেও তেওঁৰ ডাঙৰ কীর্তি হ'ল "আসাম বুৰঞ্জী" (১৮৭৫ খ্রীঃ)। যদিও আধুনিক বিজ্ঞান-সম্মত পদ্ধতিৰে সকলো কথা সংগ্রহ, বিচাৰ আৰু সংকলন কৰা সেই সময়ত সম্ভৱ নাছিল, যদিও সমকালীন দৃষ্টিৰে তেওঁ বিভিন্ন সম্প্রদায়ৰ কথা কওঁতে আজিৰ দৃষ্টিত সম্পূর্ণ মর্যাদা বহুক্ষেত্রত ৰক্ষা কৰিছিল ধুনিৰ নোৱাৰি, আৰু যদিও ভাষাৰ ক্ষেত্রতো হেমচন্দ্র বৰুৱাৰ নীতি-নিষ্ঠতা ৰক্ষা কৰা নাছিল, তথাপি, সমাজৰ সকলো দিশৰ ইতিবৃত্ত সামৰি লিখা এইখনেই প্রথম আধুনিক অসমীয়া বুৰঞ্জী। বুৰঞ্জীখনৰ মাজত যেন উনবিংশ শতিকাৰ শিক্ষিত অসমীয়াৰ মনটোৱেও ভুমুকিয়াই গৈছে।

গ্রন্থকাৰ গুণাভিৰাম

এই ঐতিহাসিক মানুহগৰাকীক আমি "আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত" (১৮৮০)ৰ মাজতো পাওঁ। প্রতিটো বিষয়ৰ খুটি-নাটি মাৰি দিয়া বিৱৰণ, পৰিবেশ আৰু পৰিস্থিতিৰ সত্য-নির্ভৰ চিত্রণ আৰু বিষয়ৰ লগত থকা অন্তৰংগ পৰিচয়ে আধুনিক অসমীয়া ভাষাৰ প্রথম জীৱনীখনিক সফল কৰি তুলিছে। সৃষ্টিশীল লেখক হিচাপে গুণাভিৰামৰ যাই কৃতি "ৰাম-নবমী" (১৮৭০) নাটক। উল্লেখ কৰি অহা হৈছে যে নাটকৰ ঘাই ভেটি হ'ল বিধবা-বিবাহ। যদিও শেহত নায়ক, নায়িকা আৰু নায়িকাৰ সখীয়েক তিনিও আত্মহত্যা কৰিলে, তথাপি, তাৰ মাজতো বিধবা-বিবাহৰ প্রয়োজনীয়তা আৰু ঈশ্বৰচন্দ্র বিদ্যাসাগৰৰ এই চেষ্টাৰ গুৰুত্ব প্রতিপন্ন কৰিবলৈ লেখকে যত্ন কৰিছে। এফালে সংস্কৃত নাটক, বিশেষকৈ কালিদাসৰ নাটকৰ প্রভাৱ, আনহাতে পাশ্চাত্য নাটকৰ প্রভাৱ[৬৬] ; এহাতে ব্রাহ্মধর্মৰ প্রভাৱ, আনহাতে অসমীয়া সমাজ-জীৱনৰ চাপ—এই আটাই কেওটিয়ে নাটকখনিৰ বৌদ্ধিক পটভূমি নির্মাণ কৰি দিছে। ইয়াতো কোনো সম্প্রদায়ৰ কথা উল্লেখ কৰোঁতে আজিৰ দৃষ্টিৰে অগ্রহণীয় শব্দ ব্যৱহাৰ কৰিছে। অৱশ্যেই, সেই দোষ 'সময়ৰ'হে, লেখকৰ অকল-শৰীয়া দোষ নহয়।

গুণাভিৰামৰ আন এটি গুৰুত্বপূর্ণ ভূমিকা হ'ল পাঠ্য-পুথি প্রণেতাৰ ভূমিকা। আনন্দৰাম ঢেকিয়াল ফুকনে ৰচনা কৰা প্রথম পাঠ্যপুথি "অসমীয়া লৰাৰ মিত্র" (১৮৪৯)[৬৭] গুণাভিৰাম বৰুৱাই পিছত সংশোধন আৰু ন-কৈ সম্পাদন কৰি প্রকাশ কৰে। ১৮৫৩ খ্রীঃৰ মাচ মাহৰ "অৰুনোদই"ত

---

৬৬ শ্রীযতীন্দ্রমোহন ভট্টাচার্য-সম্পাদিত "ৰাম-নবমী নাটক" ; 'সম্পাদকৰ নিবেদন', পৃ. ২৩-২৬।

৬৭ এই পুথি ২য় ভাগ 'বালকোপদেসক' আৰু ৩য় ভাগ 'ভূগোল প্রকৰণ' নামত ওলায়।

"অচম দেশৰ লোকসকলৰ প্ৰতি নিবেদন পত্ৰ'ত গুণাভিৰামেই পুথিখনিৰ এটি পৰিচয় দাঙি ধৰিছিল। ১৮৭৩ খ্ৰীঃত অসমীয়া ভাষা পুনৰাসনৰ পিছত পাঠ্য-পুথি লেখাৰ বাবে প্ৰায় প্ৰতিগৰাকী শিক্ষিত অসমীয়া লোকে দায়িত্ব ল'ব-লগীয়া হৈছিল। গুণাভিৰামেও এই উদ্দেশ্যে ৰচনা কৰি উলিয়ায় ল'ৰা-পুথি (১৮৭৪ খ্ৰীঃ)। তেওঁৰ আদ এখন পাঠ্যপুথি হ'ল "অসমীয়া লৰাৰ ভূগোল" (১৮৭৯)। "পদাৰ্থ বিদ্যা" বিষয়ক তেওঁ এখন পুথি ৰচনাৰ সন্ধানো পোৱা যায়। এই আটাইবিলাক কাৰ্যৰ মাজত ভাষাৰ মৰ্যাদা স্থাপন আৰু বিকাশ সাধনৰ বাবে অনুভৱ কৰা দায়িত্ববোধেই আত্মপ্ৰকাশ কৰিছে। ইবিলাকৰ উপৰিও গুণাভিৰাম বৰুৱাই আন এটা উল্লেখযোগ্য কাম কৰি গৈছে : "কাব্যকুসুম" নাম দি ১৮৮৪ খ্ৰীঃত প্ৰকাশ কৰি গৈছে অসমীয়া কবিতাৰ প্ৰথম বাছনি। পুৰণি কবিসকলৰ ৰচনাৰ এই বাছনিটি এতিয়া পাবলৈ নাই। ৬৮

পাঠ্যপুথি প্ৰণেতা গুণাভিৰাম

এগৰাকী সমীক্ষকে সঠিকভাৱেই কৈছে যে "সমসাময়িক আৰু বয়োকনিষ্ঠ অসমীয়া লেখকসকলৰ বহুতৰে নিমিত্তে গুণাভিৰাম আছিল প্ৰেৰণাৰ উৎস।"৬৯ কেৱল, গুণাভিৰামৰে 'আবিষ্কাৰ' বঙ্গেশ্বৰ মহন্তই তেওঁৰ "পাঠাৱলী" নামৰ পাঠশালীয়া পুথিৰ পাণ্ডুলিপিখনি গুণাভিৰাম বৰুৱাই পুথি বছা সমিতিত অনুমোদন নকৰাৰ বাবে "....he ( Gunabhiram ) has tendency towards Bengali" বুলি দোষাৰোপ কৰিছিল। ৭০

বঙ্গেশ্বৰ মহন্তই খৰৰ ভমকত দোষাৰোপ কৰিলেও, গুণাভিৰাম আছিল দৰাচলতে আধুনিক অসমীয়া সাহিত্যৰ বাবে উৰ্বৰা ক্ষেত্ৰ প্ৰস্তুত কৰোঁতাসকলৰ অগ্ৰণী। নিজে ৰচনা কৰা গ্ৰন্থ আৰু প্ৰবন্ধসমূহৰ উপৰিও, তেওঁ সৃষ্টি কৰিলে এচাম লেখক। যি লক্ষ্য আৰু উদ্দেশ্যৰে তেওঁ কাপ হাতত লৈছিল, সেই একে লক্ষ্য আৰু উদ্দেশ্য পূৰণৰ বাবে তেওঁ 'সম্পাদকৰ মেজ' এখনো তৈয়াৰ কৰি ল'লে। এই মেজখনেই "আসাম-বন্ধু"। "আসাম-বন্ধু"ৰে কেৱল "অৰুনোদই" আৰু "জোনাকী"ৰ মাজৰ সময়ছোৱাৰ সেতুৰ কামেই কৰা নাই, "অৰুনোদই" আৰু "জোনাকী"ৰ ভাব-জগত আৰু বিষয়ৰ জগতৰ মাজতো সেতুৰ কাম

৬৮ "জ্ঞানদাভিৰাম বৰুৱা ৰচনাৱলী"ৰ সম্পাদক শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞাৰ হাতত থকা আগকালে আৰু পিছফালে পাত নষ্ট হোৱা কপিটিয়েই সম্ভৱতঃ ইয়াত থকা একমাত্ৰ কপি।

৬৯ শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা, জ্ঞানদাভিৰাম বৰুৱা ৰচনাৱলী, ভূমিকা, পৃঃ ১৫।

৭০ দ্ৰষ্টব্য, বঙ্গেশ্বৰ মহন্ত ৰচনাৱলী, পৃ. ৩৫৪।

কৰি গৈছে। এক কথাত ক'বলৈ হ'লে "আসাম-বন্ধু"ৰ পিছফালে কেৱল গুণাভিৰামেই নাছিল, আনন্দৰাম আৰু "অৰুণোদই"ৰ সমগ্ৰ ভাৱ-শক্তিও (Spirit) আছিল।

## আসাম-বন্ধু (১৮৮৫-১৮৮৬)

১৮৭১ খ্ৰীঃৰ পৰা গুণাভিৰাম বৰুৱা ১৮৯০ খ্ৰীঃত অৱসৰ গ্ৰহণ কৰালৈকে প্ৰায় ১৯ বছৰ কাল বিভিন্ন বিষয়বাবত নগাঁৱতে থাকে; মাজতে কেৱল ১৮৭৫ খ্ৰীঃৰ ২৫ ডিচেম্বৰৰ পৰা ৩ মাহৰ ছুটী লয়।[৭১] "অৰুণোদই"ৰ ৰচনা ("ৰামনৱমী"কো ধৰি) খিনি বাদ দিলে, তেওঁৰ পৈণত বয়সৰ সৱহখিনি ৰচনাই এই সময়ৰ বুলিব পাৰি। নগাঁৱত থকা কালতে ১৮৮৫ খ্ৰীঃৰ জানুৱাৰী মাহৰ পৰা সম্পাদনা আৰু প্ৰকাশ কৰিবলৈ লয় মাহেকীয়া কাকত "আসাম-বন্ধু"। ১৮৮৫ খ্ৰীঃৰ বছৰটোত বাৰটা সংখ্যা প্ৰকাশিত হয়; ১৮৮৬ খ্ৰীঃৰ বছৰটোত জানুৱাৰীৰ পৰা এপ্ৰিললৈকে দুটা সংখ্যা প্ৰকাশিত হয়, অৰ্থাৎ মাহলেখেৰে ১৬ মাহ হ'লেও মুঠ ১৪টা সংখ্যাহে প্ৰকাশিত হয়। ১/১৬ ক্ৰাউন আকাৰৰ কাকতখনৰ প্ৰথম বছৰটোৰ পৃষ্ঠা সংখ্যা ৪৩২ আৰু দ্বিতীয় বছৰৰ পৃষ্ঠা সংখ্যা ১৪২; মুঠ পৃষ্ঠা সংখ্যা ৫৭৪। আলোচনীখন প্ৰকাশিত হয় "কলিকতা, ১০০ নম্বৰ বৌবাজাৰ ষ্ট্ৰীট"ৰ পৰা।[৭২] 'আসামদেশৰ লোক সকল'ক 'গিয়ানী' দেখিবলৈ বাঞ্ছা কৰা আনন্দৰামৰ "আধ্যাত্মিক উত্তৰাধিকাৰী" গুণাভিৰামৰ "আসাম-বন্ধু"ৰ আদৰ্শ হ'ল 'ন চ জ্ঞানাত্ পৰং বলম্'।

পৰিচয়

"আসাম-বন্ধু" সম্বাদ-পত্ৰ নহয়, 'মাসিক পত্ৰ'। "অৰুণোদই"ও আছিল 'গিয়ান ভাণ্ডাৰ' আৰু 'A monthly Paper,' কিন্তু লগতে আছিল 'সম্বাদ-পত্ৰ'ও। আনহাতে "আসাম বিলাসিনি" (১৮৭১-৮৩)ৰ পৰা "আসাম নিউচ" (১৮৮২-৮৫) লৈকে এই সময়ছোৱাত প্ৰকাশিত আটাইকেইখন কাকতেই আছিল সম্বাদ-পত্ৰ। এইফালৰ পৰা চাবলৈ হ'লে "আসাম-বন্ধু"ৰেই হ'ল অসমীয়া ভাষাৰ প্ৰথম মাহেকীয়া সাহিত্য-আলোচনী।[৭৩] "বতৰা কোৱাও আমাৰ বাব নহয়"

---

৭১ মিলন, ৫ম বছৰ, ১ম সংখ্যা, পৃ. ৪৫।

৭২ সাম্প্ৰতিক সংকলনত প্ৰথমৰ নাম-পত্ৰখনি পোৱা নগ'ল। তদুপৰি বেটু-পাত নোহোৱা সংকলনটিত সম্পাদকৰ নাম থকা অংশটিও নাই।

৭৩ দ্বিতীয়খনি মৌ (১৮৮৬) আৰু তৃতীয়খনিহে জোনাকী (১৮৮৯)। অৱশ্যে, মৌ-ক সাহিত্য-আলোচনী বোলাতকৈ আৰ্ধ-সামাজিক বিষয়ৰ আলোচনী বোলাহে বেছি উপযুক্ত হ'ব যেন লাগে।

বুলি প্রথমটি সম্পাদকীয়তে ঘোষণা কৰা হৈছে। শাসন, বিচাৰ আদি ৰাজনৈতিক বিষয়, সাম্প্রদায়িক ধৰ্ম, ব্যাকৰণৰ বিতৰ্ক, পৰ-নিন্দা বা প্রশংসা এইবিলাকৰ পৰা দূৰত থাকি সাধাৰণৰ মনোৰঞ্জন আৰু জ্ঞানচৰ্চা" এই উদ্দেশ্যে আগত ৰাখিয়েই 'আসামৰ বন্ধু' হিচাপে কাম কৰিবলৈ "আসাম-বন্ধু" ওলাই আহিছিল। প্রথম সম্পাদকীয়টিতে আনন্দৰামৰ সেই প্রসিদ্ধ বাণী "হে ত্রিপামই জগদিশ্বৰ—"ৰ প্রতিধ্বনি যেন বাজি উঠিছে এনেকৈ: "আন আন দেশত সাধাৰণৰ উন্নতিৰ নিমিত্তে অনেক পন্থা আছে। বৈজ্ঞানিক সভা, শিল্পকৰ্ম্মৰ মেলা আৰু সাময়িক পত্রিকা—এইবিলাকৰ দ্বাৰায় সভ্য দেশৰ সাধাৰণৰ বৰ উপকাৰ হয়। কিন্তু দুর্ভাগীয়া আসাম দেশত এইবিলাকৰ অনুষ্ঠান নোহোৱা বাবে ইয়াৰ মানুহৰ মন নীচেই সংকীর্ণ। শিক্ষাৰ উন্নতি নথকা বাবেই এই দেশৰ পুৰণি শিল্প আৰু সাহিত্য প্রায় লোপ পালেহি।" এতেকে, বিজ্ঞান, শিল্প, সাহিত্যৰ "আন্দোলনৰ অভাৰ মোচন কৰিবৰ আশা কৰি আসাম-বন্ধু আগবাঢ়ি আহিছে।" কোনো শ্রেণী বা বিশেষ সমাজৰ মুখপাত নহৈ, "যিহতে আন্দোলনৰ দ্বাৰায় জ্ঞানৰ উন্নতি হয়" তাৰে চেষ্টা কৰিবলৈ সম্পাদকীয়ত ঘোষণা কৰা সংকল্পই কাকতখনিৰ চাৰিত্রিক বৈশিষ্টাৰ উমান দিয়ে।

লক্ষ্য আৰু উদ্দেশ্য

এই সময়ছোৱাত সংখ্যাত তাকৰীয়া হ'লেও আধুনিক শিক্ষাৰে শিক্ষিত অসমীয়া শ্রেণী এটি গঢ় লৈ উঠিল। তেওঁবিলাকৰ মাজত এহাতে জাতীয় চেতনা আনহাতে এটি নতুন সাহিত্য-চেতনা—এই দুয়োটাই ঠাই উলিয়াই লবলৈ আৰম্ভ কৰিলে। এই জাতীয় চেতনাই জগাই তুলিলে ভাষা-প্রীতি, ইতিহাস-প্রৱণতা, ঐতিহ্য-প্রীতি, সমাজ-সচেতনতা আৰু তাৰ ফলস্বৰূপে সমাজ-সমালোচনাৰ দৃষ্টিভংগী। "অৰুনোদই"ত ইবিলাকৰ আৰম্ভণি ঘটিছিল; "আসাম-বন্ধু"ত ইবিলাকে কম সময়ৰ ভিতৰতে অনেকখিনি পূর্ণতা অর্জন কৰিবলৈ সমর্থ হয়। সাহিত্য-চেতনাই পথ উলিয়াই দিলে—অসমীয়া কবিতাত এটি গুণগত পৰিবর্তন প্রতিষ্ঠা কৰিবলৈ, গ্রন্থ-সমালোচনাৰ পথ প্রশস্ত কৰিবলৈ, নতুন কাহিনী ৰচনাৰ বাট কাটিবলৈ, চিন্তামূলক ৰচনা লিখিবলৈ, সামাজিক নাটক ৰচনাৰ ধাৰা প্রৱহমান কৰিবলৈ আৰু ব্যংগ ৰচনাক এটি নতুন গঢ় দিবলৈ। মাত্র ষোলটা সংখ্যাৰে, প্রায় ডেৰ বছৰ কালৰ ভিতৰত "আসাম-বন্ধু"ৰে যিখিনি ৰৱঙনি আগবঢ়াই থৈ গ'ল, সেই ৰৱঙনিয়ে আমাৰ আধুনিক সাহিত্যৰ যুগজীক এটি বিশেষ আয়তন দান কৰিলে। ইয়াৰ অর্থ এইটো নহয় যে "আসাম-বন্ধু"ৰ সকলো ৰচনা সার্থক সাহিত্য-কর্ম স্বৰূপে চিহ্নিত। "আসাম-বন্ধু"ৰ কৃতিত্ব এইখিনিতেই যে ই সচেতন-সাহিত্য ৰচনাৰ বাবে ক্ষেত্র প্রস্তুত কৰিলে।

জাতীয় চেতনা আৰু সাহিত্য-চেতনা

প্রথম বছৰৰ 'সম্পাদকীয়'ত (যদিও 'সম্পাদকীয়' শব্দটো ব্যৱহাৰ কৰা নাই) কাকতখনৰ লক্ষ্য আৰু উদ্দেশ্যৰ কথা ব্যক্ত কৰাৰ পিছত পিছৰ এঘাৰটা সংখ্যাত কোনো সম্পাদকীয় প্ৰবন্ধ লিখা নাই। আকৌ দ্বিতীয় বছৰৰ প্ৰথম সংখ্যাত আগৰ বছৰটোৰ অভিজ্ঞতাৰ কথা উল্লেখ কৰি লিখা 'সম্পাদকীয়'ত অসমীয়া কাকত স্থায়ী নোহোৱাৰ কাৰণ দৰ্শাই অসমীয়া সাহিত্যৰ সমকালীন অৱস্থাৰ ইংগিতো দান কৰিছে। প্ৰধান কাৰণটোৱেই হ'ল "সাময়িক পত্ৰ ল'ব পৰা মানুহৰ যি সংখ্যা তাৰ অনেকেই ইংৰাজী আৰু বাঙ্গালা পত্ৰ লয়।" দ্বিতীয়টো হ'ল "অনেকে আমাক ("আসাম-বন্ধু"ক) বঙালীৰ গা-ত আউজা বুলি ইতিকিং কৰে।" এই অভিযোগৰ উত্তৰ দি কৈছে যে "কেঁচুৱা ল'ৰাৰ ভাষাক যেনেকেই দূষিব নাপায় ক্ষমিব পায়, আমাৰ প্ৰতিও সেই ৰূপ ক্ষমা বিস্তাৰ কৰা উচিত" আৰু "সকলো দেশত সকলো সময়ত প্ৰায় সকলো লোকে বিদেশৰ ভাল ভাল বস্তু বা নিয়ম স্বদেশলৈ আনে। এতেকে গমি চালে সেই অভিযোগ (বঙালীৰ গাত আঁউজা) দুৰ্ব্বল বুলি বিবেচনা হ'ব পাৰে।" এই সম্পাদকীয়ত প্ৰকাশ পোৱা আন এটি গুৰুত্বপূৰ্ণ কথা হ'ল—ক্ষুদ্ৰ জাতি হিচাপে অসমীয়া মানুহে ভোগ কৰিবলগীয়া অসুবিধাৰ বাবে সম্পাদকে "দেশ হিতৈষী লোকসকলক" "দেশৰ এই ৰূপ অৱস্থালৈ চাই ত্যাগ স্বীকাৰ" কৰিবলৈ কৰা অনুৰোধ। সম্পাদক ওণাভিৰাম বৰুৱাই গভীৰ স্বদেশানুৰাগেৰে কৈছে যে, একো লাভ নহলেও "দেশত এখন পত্ৰ আছে থাওক। আৱশ্যক হওক বা নহওক দেশৰ গৌৰৱ ৰওক, ভাষাৰ বাট মুকলি থাওক।"

আধুনিক অসমীয়া সাহিত্যৰ প্ৰথম পৰ্বৰ ভেটি নিৰ্মিত হৈছে তিনিটি প্ৰধান উপাদানেৰে—ঐতিহ্যৰ পৰা পোৱা ভাৱবাদী দৰ্শন, নব্য মানৱিকতাবাদী দৰ্শন আৰু জাতীয়তাবোধ। "অৰুনোদই"ত ইবিলাকৰ আৰম্ভণি ঘটিলেও তাত কিছু প্ৰকাৰভেদ আছিল। "আসাম-বন্ধু"ৰ মাজত এই তিনিওটি উপাদান ক্ৰমাৎ স্পষ্ট হ'বলৈ ধৰিলে আৰু "জোনাকী"ত লাভ কৰিলেগৈ পূৰ্ণ প্ৰতিষ্ঠা।

"আসাম-বন্ধু"ৰ 'আৰম্ভন'—বাক্যটিৰ মাজত (পৃ. ১) চৰাচৰ জগৎ সৃষ্টি কৰোঁতাৰ সহায় বাঞ্ছা কৰি প্ৰকাশ কৰা প্ৰশংসা-বাণীৰ মাজত ঈশ্বৰ-বিশ্বাস মূৰ্ত্ত হৈ উঠিছে। অন্যান্য ৰচনাৰ মাজতো এই বিশ্বাস সহজেই অনুভূত হয়। 'দেশীয় পৰিচ্ছেদ'ৰ বিষয়ে ক'বলৈ যাওঁতে "পৰমেশ্বৰে সামান্য পশু-পক্ষী বিলাককো দেশোপযোগী শৰীৰাবৰণ" দিয়াৰ কথা (পৃ. ১৬), 'কৰেমতিবাই'ৰ কৃষ্ণভক্তি (পৃ. ৪৩-৪৫)ৰ কাহিনী, 'ভাষা'ৰ বিষয়ে কবলৈ যাওঁতে প্ৰথমে "ঈশ্বৰৰ সৃষ্টিৰ ভিতৰত" মানুহৰ প্ৰাধান্যৰ অৱতাৰণা (পৃ. ৪৫), ৰঙ্গেশ্বৰ মহন্তৰ 'স্তুতি' কবিতা (পৃ. ৫১-৫৩), 'তিনটী নাই—উন্নতি কেনেকৈ?' শীৰ্ষক-ৰচনাখনিত প্ৰাণীবিলাকৰ উন্নতিৰ দুটি পথৰ "এটি মোক্ষ প্ৰাপ্তি" (পৃ. ৭৮)

বুলি কৰা আৱত্তণ, 'শান্তি আৰু আশা' নামৰ কবিতা (পৃ. ১৯৯-২০২), 'কিয় প্ৰভু যুজিলাহা ময় মহা মূঢ়ক' নামৰ কবিতা (পৃ. ৩২১-৩২৪), 'বেদৰ পৰিচয় শীৰ্ষক ৰচনা 'বেদ' (পৃ. ৩৩৩-৩৩৭), 'বিশ্বসৃষ্টি', 'জীৱন-দৰ্শন' নামৰ কবিতা (পৃ. ৪১৩-৪১৪), 'উপদেশ' নামৰ কবিতা (পৃ. ৪১৪),'স্তোত্ৰ' নামৰ কবিতা (পৃ. ৪৭৪-৪৭৬ : অনুবাদ কবিতা), 'যৌবন আৰু বৃদ্ধাৱস্থা' নামৰ কবিতা (পৃ. ৪৮৬), 'ঈশ্বৰৰ স্থান ক'ত' নামৰ কবিতা (পৃ. ৫৫১-৫৫৪) আদিয়ে সমকালীন শিক্ষিতসকলৰ ঈশ্বৰ-বিশ্বাসৰ নিদৰ্শন দাঙি ধৰে। এই ক্ষেত্ৰত দুটা কথা মন কৰিবলগীয়া : সম্পাদকে প্ৰথম সম্পাদকীয়ত ঘোষণা কৰাৰ দৰেই কোনো সাম্প্ৰদায়িক ধৰ্মালোচনাক আলোচনীখনত ঠাই দিয়া নাই আৰু 'ইয়ং বেংগল গ্ৰুপ'ৰ দৰে ধৰ্মীয় ঐতিহ্যৰ বিদ্বেষো ইয়াত ক'তো নাই। গুণাভিৰাম বৰুৱাই আনকি 'ব্ৰাহ্মধৰ্ম' সম্পৰ্কেও ক'তো এটা বাক্যও লিলিখাটো মন কৰিবলগীয়া কথা।

ভাৱবাদী দৰ্শন

"আসাম-বন্ধুৰ" আন এটা বৈশিষ্ট্য হ'ল প্ৰথম সম্পাদকীয়ত ঘোষণা কৰাৰ দৰে "বিজ্ঞান, শিল্প, সাহিত্যৰ আন্দোলন"ৰ যি অভাৱ অসমত আছিল তাক "মোচন কৰিবৰ আশা কৰি" প্ৰকাশ কৰা ৰচনাসমূহ। 'উনুতিৰ চাবিখান দুৱাৰ' (পৃ. ১৬৭-১৬৯), 'আমাৰ শিল্প' (পৃ. ১৭৫-১৭৭, ১৮৫-১৮৬), 'শক্তি বিজ্ঞান' (পৃ. ৩৪৩-৩৪৯), 'ভূমিকম্প' (পৃ. ৩৪৯-৩৫১), 'বাৰি বিজ্ঞান (পৃ. ৪৪২-৪৪৬, ৫০০-৫০১), 'কৈশিকাকৰ্ষণ' (পৃ. ৫৪৪-৫৪৫), 'ৰাসায়নিক আকৰ্ষণ বা সম্বন্ধ' (পৃ. ৫৪৫-৫৪৬), 'চৌম্বকাকৰ্ষণ' (পৃ. ৫৪৬-৫৪৭), 'তাড়িত বা বিদ্যুতাকৰ্ষণ' (পৃ. ৫৪৭-৫৪৮), 'ভাৰকেন্দ্ৰ' (পৃ. ৫৪৯-৫৫১) আৰু 'জড়বস্তুৰ বিশেষ বা নৈমিত্তিক গুণ' (পৃ. ৫৭১-৫৭৪) এই ৰচনাসমূহৰ যোগে সংশ্লিষ্ট বিষয়ৰ পৰিচয় দান কৰিবলৈ যত্ন কৰা হৈছে। "অৰুণোদই"তে সমপৰ্যায়ৰ চৰ্চা আৰম্ভ হৈছিল যদিও, ইয়াত সেই চৰ্চা ক্ৰমাং বহল হ'বলৈ ধৰাটো লক্ষ্যণীয়। বিশেষকৈ পদাৰ্থ বিজ্ঞানৰ সংশ্লিষ্ট বিষয়সমূহৰ পৰিচয়ৰ কথা উল্লেখযোগ্য। দেশৰ মানুহৰ ৰাজত এই বিষয়সমূহৰ পৰিচয় প্ৰচাৰৰ দ্বাৰা ন-জ্ঞানৰ প্ৰসাৰ ঘটাবলৈ কৰা যত্নৰ মাজতো প্ৰচ্ছন্নভাৱে ক্ৰিয়া কৰিছে দেশাত্মবোধেই।

বিজ্ঞান-বিষয়ত গুৰুত্ব

গুণাভিৰামৰ যুৱজ্ঞী-চৰ্চাও দেশপ্ৰেমৰে পৰোক্ষ প্ৰকাশ। "আসাম যুৱজ্ঞী" প্ৰকাশ হোৱাৰ পিছত "আসাম-বন্ধু"ত তেওঁ ৰচনা কৰা 'আগৰ দিন এতিয়াৰ দিন' নামেৰে প্ৰতিটো সংখ্যাত প্ৰকাশ কৰা ৰচনাশাৰিৰ মাজত আহোম ৰজাৰ দিনৰ অসমৰ ৰাজকীয়, সামাজিক আৰু সাংস্কৃতিক ছবি ফুটি উঠিছে। ই ৰজাঘৰীয়া বিৱৰণ নহৈ সমকালীন অসমৰ উল্লিখিত দিশকেইটিৰ পৰিচয়জ্ঞাপক

বুৰঞ্জীলৈ ৰূপান্তৰিত হৈছে। তদুপৰি, এই ৰচনাবলীত তেওঁৰ এটা বস্তুনিষ্ঠ নিৰপেক্ষ দৃষ্টিভংগীৰ প্ৰকাশ মন কৰিবলগীয়া। উদাৰ মানৱিকবাদী দৰ্শন গুণাভিৰামৰ কলিকতা-জীৱনৰ লগত হোৱা আন্তৰিক পৰিচয়ে তেওঁক দান কৰিলে পাশ্চাত্যৰ পৰা বণিক-তন্ত্ৰৰ লগতে অহা উদাৰ মানৱিকতাৱাদী দৃষ্টিভংগী। 'হিউমেনিজম'এ কুল-কৌলিন্যৰ ঠাইত বিত্ত আৰু বিদ্যাৰ মৰ্যাদা প্ৰতিষ্ঠা কৰিলে।[৭৪] গুণাভি-ৰামে লিখিছে, "ৰাজ্য-শাসনৰ বৰ্ত্তমান নিয়মমতে গৃহস্থ আৰু গোলাৰ সমান শাৰীৰিক স্বত্ব। কৃতবিদ্য লোক হীন জাতিৰ হলেও এতিয়া উচ্চপদ পাইছে।"[৭৫] অৱশ্যে ই ভাল হৈছে নে বেয়া হৈছে সেই বিষয়ে নিজৰ মত প্ৰকাশ নকৰি অনেক প্ৰাচীন পন্থীয়ে যে ভাল বুলি ভবা নাই, তাৰ কেৱল ইংগিত দিছে। তথাপি, পুৰণি তথ্য-পাতি দুই-এটি বিবেচনাযোগ্য।[৭৬] আন এখন ৰচনা, 'নগৰ সাগৰ আৰু সাগৰ নগৰ'ত প্ৰসংগক্ৰমে অসমীয়া জাতিযে পূৰ্বৰ শৌৰ্য-বীৰ্য হেৰুওৱাৰ কথা অৱতাৰণা কৰোঁতে প্ৰকাশিত হোৱা আক্ষেপৰ সুৰো মন কৰিবলগীয়া (পৃ. ১০৩-১০৪)। 'পুৰণি গুৱাহাটী নগৰ' (পৃ. ৩৬৪-৩৭২) আৰু 'পুৰণি গুৱাহাটী নগৰৰ অতিৰিক্ত আৰু সংশোধিত বিৱৰণ' (পৃ. ৩৭৩-৩৭৪) আৰু 'কটকী উকীল তোলা' (পৃ. ২৯২-২৯৭)ৰ মাজত আৰু 'পৌৰা-ণিক আৰু তান্ত্ৰিক কামৰূপ' (পৃ. ৩৮৬-৩৯২)ৰ মাজতো ইতিহাসপ্ৰীতি পৰিস্ফুট।

শিক্ষিত মধ্যবিত্ত চেতনাত সাৰ পাই উঠা স্বজাতিবোধ দুই প্ৰকাৰে প্ৰকা-শিত হয়: গহীন অনুসন্ধানমূলক বা পৰিচয়-জ্ঞাপক ৰচনাৰ মাজত আৰু স্বজাতিৰ দোষ-ত্ৰুটীৰ সমালোচনামূলক ৰচনাৰ মাজত। পিছৰবিধে জন্ম দিয়ে ব্যংগ ৰচনাবো। "আসাম-বন্ধু"ত এই দুয়োটি প্ৰকৃতিৰ ৰচনাই প্ৰকাশ লাভ কৰিছে। 'দেশীয় পৰিচ্ছদ' (পৃ. ১৬-২২), 'বঙালী' (পৃ. ৯৫-১০০), 'আমাৰ-মানুহ' (পৃ. ১৩০-১৩৫), 'অসমীয়া আৰু বিদেশী সাজ' (পৃ. ২৮২-২৮৮) আদি ৰচনাৰ মাজত দেশীয় সাজপাৰ, দেশীয় আচাৰ আদিৰ উপযোগিতা আৰু স্বজাতিবোধ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ যত্ন কৰাটো মন কৰিবলগীয়া। 'দেশীয় পৰিচ্ছদ'ৰ লেখকে তিৰোতাই ইউৰোপীয় পোছাক পিন্ধাটো

---

৭৪ দ্ৰষ্টব্য Alfred Von Martin, Sociology of the Renaissance, প্ৰথম অধ্যায়, পৃ. ২৭-৩০;
Karl Mannheim, Man and Society পৃ. ৮৯।

৭৫ "আসাম-বন্ধু", প্ৰথম বছৰ, প্ৰথম সংখ্যা, পৃ. ৫।

৭৬ ৰাজেশ্বৰ সিংহৰ দিনত ধনশ্যাম বিজ্ঞিৰ হতুৱাই তলাতল যন্ত্ৰ আৰু সক্ত বংযন্ত্ৰ সজোৱাৰ বিষয়ে দিয়া সম্বাদ দ্ৰষ্টব্য (পৃ. ৭)।

অনুমোদন জনালেও "মেখেলা বিহাৰ পৰিৱৰ্তে মিতান্ত কুৎসিত শাড়িৰ ব্যৱহাৰ কৰা সুৰুচি"-সম্মত বুলিব নোৱাৰাৰ বাজত দেশীয় সংস্কৃতিৰ প্ৰতি মৰ্যাদাবোধ আৰু বঙালী সংস্কৃতিৰ প্ৰতি অসহিষ্ণু সমালোচনাৰ প্ৰকাশ ঘটিছে। ব্যংগ-ৰচনাৰ ভিতৰত লম্বোদৰ বড়াৰ 'সদানন্দৰ কলাযুমটি' (পৃ. ২৩-৩১), 'সদানন্দৰ সানমিহলি টোকা' (পৃ ৫৪-৫৭),' 'সদানন্দৰ সমাচাৰ' (পৃঃ ১৩৬-১৩৯) আৰু 'সদানন্দৰ সমাচাৰ' (পৃ. ২২৮-২৩২)—এই কেইটি বিশেষভাবে উল্লেখযোগ্য। 'স্যাডানণ্ড', 'স্যাডানেণ্ড', 'S' এই তিনিটি নাম বা চিহ্নৰে লেখকক বুজোৱা এই ৰচনাসমূহ সাহিত্যৰথী বেজবৰুৱাৰ যে পূৰ্ৱবৰ্তী আহি আছিল, সেই কথা বিষয়, বিষয় প্ৰকাশ-ভংগী আৰু উদ্দেশ্য বিজাই চালেই অনুমান কৰিব পাৰি। 'সদানন্দ' যেন 'কৃপাৰৰ ৰৰৰুৱা'ৰ অগ্ৰজ, সহোদৰ। 'সদানন্দৰ কলাযুমটি'ৰ "ময় মুখেৰে বক্তৃতা দিবলৈ, 'ভাৰতৰ জয় ভাৰতৰ জয়' কৰি চিঞৰিবলৈ, আসাম উন্নতি কৰিবলৈ, অসমীয়া ৰাতৰি কাকতৰ সাহায্য কৰিবলৈ, আসামৰ পৰা অত্যাচাৰী বিদেশী বিনাৰক 'এক দমসে নিকাল কৰি দিবলৈ—আনক উপদেশ দিয়াত এফেৰিও ত্ৰুটি নকৰোঁ—" —বা "এই নিমিত্তে সদানন্দৰ পৰামৰ্শ এই—মুখেৰে যিমান পাৰে তিমান কাকত বাহিৰ কৰক, কিন্তু হাতেৰে একনো নকৰিব , কৰিলেও কাকো লিখিবলৈ নামাতিব, মাতিলেও কাকো গ্ৰাহক পাপাতিব , আৰু গ্ৰাহক পাতিলেও কাকতৰ দাম নিবিচাৰিব" আদিৰ বাজত 'কৃপাৰৰ'ৰ সাদৃশ্য সহজেই অনুমেয়। সদানন্দৰ ৰচনাৰ পৰা এনে অনেক উদাহৰণ দাঙি ধৰিব পাৰি। অসমীয়া সাজ-পাৰ, আচাৰ-ব্যৱহাৰ, অসমীয়া ভাষা আদিৰ প্ৰতি নব্য-শিক্ষিত এটা চামৰ তুচ্ছ-তাচ্ছিল্যৰ মানোভাৱৰ ক্ষেত্ৰত লম্বোদৰ ৰবাৰ বিদ্ৰূপ হৈ উঠিছে শাণিত। এনে নব্য-শিক্ষিতসকলৰ তেওঁ দিয়া সংজ্ঞাৰ[৭৭] বাজতো এই বিদ্ৰূপৰ প্ৰকাশ পোনপটীয়া আৰু তীক্ষ্ণ। 'সদানন্দৰ নতুন অভিধান' এই প্ৰয়াসটিও আমাৰ ভাষাৰ বাবে নতুন। পিছৰ ওণাভিৰাম বৰুৱাৰ "কঠিন শব্দৰ ৰহস্য ব্যাখ্যা"ৰ লগত সাদৃশ্য বিচাৰি পালেও, সদানন্দৰ ৰচনাৰ শক্তি উল্লেখযোগ্য। অনামী লেখকৰ 'জ্ঞাননী' নামৰ ৰচনাখনিও এনে ব্যংগৰ অন্যতম নিদৰ্শন।

ব্যংগ ৰচনাৰ উদ্দেশ্য আৰু চৰিত্ৰ

"আসাম-বন্ধু"ৰে আমাৰ সামাজিক জীৱন-অধ্যয়নৰো নতুন বাট কাটি-বলৈ যত্নপৰ হৈছিল। তাৰ ভিতৰত তিৰোতাৰ স্থান আৰু মানৰ প্ৰতি গঢ়ি তোলা নতুন দৃষ্টিভংগীৰ কথা উল্লেখযোগ্য। অৱশ্যে, এনে বিচাৰৰ বাজতো পুৰুষ-প্ৰধান সমাজৰ গাঁথনিৰ প্ৰভাৱ অনস্বীকাৰ্য যদিও, নাৰীৰ প্ৰতি গঢ়ি উঠা

৭৭ 'সদানন্দৰ নতুন অভিধান', "আসাম-বন্ধু", পৃ. ২৬৪

মর্যাদাবোধ ('স্বাধীনতা নে স্বেচ্ছাচাৰ', পৃ. ১৩৯-১৪৩ আৰু ১৬১-১৬৪) আৰু স্ত্রী-শিক্ষাৰ প্রয়োজনীয়তাৰ ওপৰত গুৰুত্ব দান ('নৈণীৰ কর্ত্তব্য ও স্ত্রী শিক্ষা', পৃ. ১৯১-১৯৪, ২৫০-২৫২, ৩১৮, ৩৫৫-৩৬০, ৪৪৯-৪৫৬, ৫১২-৫২৩, 'নাৰীৰ মুক্তাৱস্থা' পৃ. ২২৫-২২৮ আৰু 'স্ত্রী-শিক্ষা' নামৰ প্রবন্ধ পৃ. ৪৭৬-৪৮১) এই দুযোটা দৃষ্টিভংগীযে নতুন চেতনাৰ ইংগিত বহন কৰিছে। 'গাঁৱলীয়া বোৱাৰী' নামৰ পদ্য (পৃ. ২৩৯-২৪৪) টিতো তিৰোতাৰ প্রতি সমাজ-অধ্যযণ গভীৰ সহানুভূতি ফুটি উঠিছে। ইয়াৰ সৱহখিনি ৰচনাই ৰত্নেশ্বৰ মহন্তৰ। এই একেগৰাকী লেখকে লিখা 'গাৱো বৃত্তান্ত' নামৰ প্রবন্ধ খনিৰ (পৃ. ৩৩-৩৫, ৩৬, ৬৭-৭২, ১৬৯-১৭৩, ৩৯৬, ৪৮২-৪৮৩, ৫২৮-৫৩১) মাজত সমাজ-অধ্যযনৰ এটি নতুন প্রচেষ্টা দেখা যায়। কিন্তু, সেই সময়ত পাহাৰ আৰু ভৈযামৰ বিসকল লোকে প্রকৃতি-নির্ভৰ আদিম জীৱন-যাত্রাৰ পদ্ধতি অনুসৰণ কৰিছিল, সেইসকলক তথা-কথিত শিক্ষিত আৰু সভ্যসকলে তেওঁবিলাকৰ নিন্দনীয উচ্ছৃঙ্খলাকাৰে হাবিৰ বন্যপ্রাণীৰ তুল্য বুলি ভাবিছিল। গুণাভিৰাম বৰুৱাই 'আগৰ দিন এতিয়াৰ দিন'ত "পর্ব্বতীযা লোকমাত্রেই অসভ্য আৰু মহালোভী. অথচ অহংকাৰী" বুলি কৰা মন্তব্য বা "ইহঁত" "সিহঁত" আদি শব্দ-প্রয়োগ যিদৰে এতিয়া মর্যাদা-হানিকৰ আৰু সামাজিক-অপৰাধ স্বৰূপে গণ্য হ'বৰ যোগ্য, অথবা বিভিন্ন সম্প্রদাযৰ নাম-বাচক শব্দবোৰ যিদৰে বর্জনীয়, তেনেকৈ, ৰত্নেশ্বৰ মহন্তই 'গাৱো বৃত্তান্ত'ত দিয়া অনেক মত আৰু অভিমত এতিযা অগ্রহণীয়, অবাঞ্ছনীয় আৰু অপৰাধমূলক। তেওঁ সকলো সময়তে গাৱোসকল ন-কৈ "গাৱোহঁত" শব্দ প্রয়োগ কৰিছেই; তদুপৰি, গাৱোসকলৰ প্রকৃতি-নির্ভৰ আদিম জীৱন-যাত্রাৰ পদ্ধতিক বন্য বুলি অভিহিত কৰি কৈছে যে "...মুঠতেই গাৱোহঁতক বনৰীয়া জন্তুৰে এবিধ উন্নত জাতি বা মহাত্মা দাৰউইনৰ মতে—বান্দৰে বনৰীয়া সাজ সলাই জীৱনৰ ক্রমোন্নতি লভি মানুহৰ শাৰিত ভৰি দিলে প্রথমতে যি জন্তু হয়, সেই জন্তুকে বুলি ধৰি থবই পাৰি।" পিছ মুহূর্ততে তেওঁ কৈছে, "শিক্ষিত বা উন্নত গাৱো ভাই! ময় তোমাৰ জাতিক নিন্দিলোঁ বুলি গালি নাপাবিবা বা অসন্তোষ নকৰিবা। দাৰ্ উইন সাহাবৰ মতে সমগ্র মানব-জাতিৰেই আদি-পুৰুষ বান্দৰ।" গাৱোসকলৰ খোৱা-বোৱা, পিন্ধা-উৰা, আচাৰ-ব্যৱহাৰ, অসুখ-বিসুখ, মৃতকৰ সৎকাৰ আদিৰ ক্ষেত্রত লেখকে নিজৰ মনৰ বিতৃষ্ণা ঢাকি বাখিব পৰা নাই। কিন্তু, '২য় অধ্যায়'ৰ পৰা লেখকে খ্রীষ্টান মিছনেৰিৰ প্রভাৱত পূর্বৰ "কদর্য্য" নিযমৰ অনুসৰণৰ আৰু নতুন সমাজ-জীৱন প্রতিষ্ঠিত হোৱাৰ সম্বাদো দিছে। তেওঁ অৱশ্যে, গাৱোসকলৰ মাজত

তিৰোতাৰ মৰ্যাদা আৰু স্থানৰ ভূয়সী প্ৰশংসা কৰিছে।[৭৮] লেখকে এই কথাও স্বীকাৰ কৰিছে, "ময় বাহিৰৰ পৰা গাৰো আৰু হানাহতৰ ভিতৰত যি দেখিছোঁ আৰু যি শুনিছোঁ তাকেহে লেখিছোঁ।" সেইবাবে তেওঁ "যদি ইয়াত কিবা স্বৰূপে অলপ ভুল থাকে জ্ঞাত-তত্ত্ব পাঠকসকলে অনুগ্ৰহ কৰি সেই দোষটি মৰ্ষণ কৰি ভুলটি সংশোধন কৰি দিলে বড় উপকৃত আৰু বাধ্য হম" বুলিও স্বীকাৰ কৰিছে।[৭৯] তত্ৰাচ এটা কথা স্পষ্ট যে, এনে-ভাৱে কোনো সমাজ-অধ্যয়ন কৰিবলৈ যাওঁতে সেই সমাজৰ প্ৰতি যি স্নেহ আৰু মৰ্যাদাবোধৰ প্ৰয়োজন, তেনে স্নেহ আৰু মৰ্যাদাবোধ থাকিলে সমালোচনাৰ ভাষা বেলেগ হ'বলৈ বাধ্য হ'লহেঁতেন। এই প্ৰবন্ধলানিৰ মূল্য এটাই যে সাংস্কৃতিক-নৃতত্ত্ব আৰু সমাজতত্ত্বৰ দৃষ্টিভংগীৰে লেখা এই কেইটি আছিল প্ৰথম স্তৱৰ ফল। সমাজিক মৰ্যাদাৰ দৃষ্টিৰে বিচাৰ নকৰি, এনে বিদ্যাযতনিক দৃষ্টিৰেই এই ৰচনাসমূহৰ বিচাৰ কৰিব লাগিব। নহ'লে আজিৰ দৃষ্টিত এনে প্ৰবন্ধ 'অলংকাৰ' নহৈ 'কলংক' স্বৰূপেহে বিবেচিত হ'ব যোগ্য।

'ক্ষেতি' (পৃ.৫৮-৬১), 'গৰু-ম'হ' (পৃ.১০০-১০২), 'শাৰীৰিক শ্ৰম' (পৃ. ৪০১-৪০৪), 'কৃষক' (পৃ. ৫১-৫৫) আদি ৰচনা আৰু 'ৰহস্য', 'সাঁথৰ,' 'ফঁকৰা' আদি বিষয়ৰ উপৰিও, 'ভাষা' (পৃ. ৪৫-৫০), 'ছাত্ৰ-জীৱন' (পৃ. ৬২-৬৫), 'বিহু' (পৃ. ১৫২-১৫৭), 'সমাজিক' (পৃ. ৩১৫-৩১৮), 'পিয়াহ মৰা বস্তু' (পৃ. ১৯৪-১৯৯), 'বাজনা' (পৃ., ৫৫৫-৫৫৬) আদি বিষয়ৰ চমু আলোচনা-মূলক ৰচনা সন্নিবিষ্ট কৰি কাকতখনক সকলো শ্ৰেণীৰ লোকৰ ওচৰ চপাই দিবলৈ কৰা যত্ন লক্ষ্যণীয়। কিন্তু ইবিলাকতকৈয়ো লক্ষ্যণীয় সাধাৰণ আৰু বিষয় আছিল কোনো বিষয়ৰ চিন্তা-উদ্ৰেককাৰী ৰচনাৰ চিন্তামূলক ৰচনা সন্নিবেশ। 'তিনটি নাই উনুতি কেনেকৈ' (পৃ. ৭৮-৮১, ১৭৩-১৭৫), 'হালোৱা আৰু ডাঙৰীয়া' (পৃ. ২১৩-২১৬) 'জান্তৱ জীৱন' (পৃ. ৩৭৯-৩৮১, ৪৩০-৪৩২), 'কপাল আৰু কৰ্ম্ম' (পৃ. ৩৮১-৩৮৬), 'মনুষ্যৰ ক্ষুদ্ৰত্ব আৰু মহত্ত্ব' (পৃ. ৪০৯-৪১৩) আদি প্ৰবন্ধত একো-একোটি মাণ-ৰীয় আৰু সামাজিক সমস্যাৰ প্ৰসংগ দাঙি ধৰিছে। "অৰুণোদই"তকৈ এই দিশত "আসাম-বন্ধু"ৰে নতুন বৈশিষ্ট্য কিছু অৰ্জন কৰিছে। সমকালীন শিক্ষিতসকলৰ চিন্তাৰ এটি প্ৰতিফলন এনে ৰচনাৰ মাজত স্বাভাৱিকভাৱেই ঘটিছে।

আনন্দৰাম ঢেকিয়াল ফুকনৰ "A Few Remarks..."ৰ পিছত অসমীয়া ভাষা বা সাহিত্যৰ ইতিহাস বিচাৰৰ সচেতন প্ৰয়াস হেমচন্দ্ৰ-গুণাভিৰামৰ মাজতে

---

৭৮ পৃ. ১৬৯-১৭৩।
৭৯ পৃ. ৩৯৬।

লক্ষ্যণীয়। "আসাম-বন্ধু"ত প্রকাশিত 'অসমীয়া ভাষা বুৰঞ্জী' (পৃ. ৪৬১-৪৬৬)ৰ লেখক "জ. ন." জন কোন সেই কথা স্পষ্ট নহয়; কিন্তু এই ৰচনাখনি এটি পদ্ধতিগত চিন্তাৰ ফল। শ্ৰীমন্ত শংকৰদেৱৰ পৰা আৰম্ভ কৰি বৈষ্ণৱ যুগটোক "আসামৰ ভাষাৰ এই প্ৰথম যুগ" বুলি চিহ্নিত কৰাৰ পিছত ৰজাঘৰীয়া কাকত-পত্ৰ, বুৰঞ্জী, তামৰ ফলি আদিত ব্যৱহৃত ভাষাৰ কোনো কোনো অংশ, পেড়া কাকত আদিৰ ভাষাৰে "অসমীয়া ভাষাৰ দ্বিতীয় যুগ" বুলি চিহ্নিত কৰিছে। ইংৰাজ অহাৰ পিছৰ পৰা আমাৰ ভাষাৰ নতুন যুগৰ আৰম্ভণি হ'ল। এই ৰচনাখনিত অসমীয়া ভাষাৰ ঠাইত বঙালী ভাষা চলোৱাৰ সম্পৰ্কে দিয়া খবৰটি বিশেষ গুৰুত্বপূৰ্ণ। লেখকে স্পষ্ট ভাষাৰে কৈছে "সেই সময়ত আমাৰ দেশৰ ৰাজকীয় কৰ্ম্মচাৰি মাত্ৰেই অধিকাংশ বঙালী আছিল। অসমীয়া ভাষাৰ অসমীয়া ভাষাৰ দ্বাৰা যে ৰাজকীয় কাকত-পত্ৰ সকলো লেখা বুৰঞ্জী-অধ্যয়ন হ'ব পাৰিব এনেটো সন্দেহ হ'ল। 'বোৰ্ড অব ৰেবনু' আৰু 'সদৰ আদালত'ৰ পৰা যি কাকত-পত্ৰ আহে সিও বঙালী বা উৰ্দু। সাতে সোতেৰম বঙালী ভাষাই যে এই দেশৰ চলিত আৰু আৱশ্যকীয় ভাষা সেইটো ঠাৱৰ হ'ল। আৰু সেই কাৰণেই বঙালী ভাষা প্ৰচলিত হ'ল।...শ্ৰীহট্ট, ঢাকা, ময়মনসিং জিলাৰ লোকেই অধিকাংশ আমলা।"[৮০] প্ৰবন্ধটিত আৰু খবৰ আছে যে—"সেই সময়ৰ অসমীয়া মানুহেও বঙালী ভাষাকে উচ্চ ভাষা বুলি স্বীকাৰ কৰি ললে।...অধিক কি, তেওঁবিলাকৰ (পাত্ৰীসকলৰ) যত্নতে আমাৰ মানুহে জানিবলৈ পাৰিলে যে অসমীয়া এটা ভাষা।"[৮১] বঙালী ভাষাৰ লগত "কিছুদিন ঘোৰ যুদ্ধ লাগিল। দুইকো দুইত মহা তুষ্টি, হানয় বজ্ৰ সম মুষ্টি। শেষত অসমীয়া জয়ী হ'ল সাধাৰণত অসমীয়া চলিল।"[৮২] প্ৰবন্ধৰ শেহৰ ফালে লেখকে কোৱা কথা কেইশাৰীৰ মাজত ভাষাৰ ভিত্তিত জাতীয়তাবোধৰ জাগৰণৰ সম্ভেদ ফুটি উঠাৰ উপৰিও "ৰজা আৰু ৰাজকৰ্ম্মচাৰী"ৰ বাবেহে যে অসমীয়া ভাষা আঁতৰাই বঙালী চলোৱা হৈছিল তাৰ ইংগিতো বিৰিণ্ডি ওলাইছে এনেভাৱে: "জাতি যেনে সম্পত্তি জাতীয় ভাষাও তেনে সম্পত্তি। আমাৰ ভাষা শণীয়াৰ পৰা মানাহ নলীলৈ। ৰজা আৰু ৰাজকৰ্ম্মচাৰীলৈ নহয়। কোনো এখান নগৰ বা এজন বা দুজন বিখ্যাত লোকৰ ভাষা আমাৰ ভাষা নহয়।"[৮৩] ভাষা যে জনসাধাৰণৰ সম্পত্তি এই সহজ সত্যটোৰ যেন স্বতঃস্ফূৰ্ত প্ৰকাশ ঘটিছে।

৮০ পৃ. ৪৬৩।
৮১ পৃ. ৪৬৪।
৮২ পৃ. ৪৬৫।
৮৩ পৃ. ৪৬৫-৬৬।

এই প্রবন্ধটিৰ "জ. ন." জন যে গুণাভিৰামৰ বাহিৰে আন কোনো নহয়, সেই কথাৰ ইংগিত বিষয়, ভাষা, প্রকাশভংগী আৰু সৰোপৰি ৰচনাখনিৰ মূল সুৰটিয়েই দিয়ে।

"আসাম-বন্ধু"ৰ আন এটি উল্লেখযোগ্য দান হ'ল "আসাম-মিউচ"ৰ পিছতে 'সাহিত্য-সমালোচনা'ৰ আহি প্রতিষ্ঠা কৰা। "অৰুনোদই"ত পুথিৰ সম্বাদ দুই-এটি ওলাইছিল। কিন্তু, তেতিয়ালৈকে সমালোচনাৰ দৃষ্টিভংগী এটি গঢ় লৈ উঠা নাছিল। লম্বোদৰ বৰা-ৰচিত 'লৰাবোধ' নামৰ পাঠ্যপুথিখনৰ 'সমালোচনা' (পৃ. ১৮৯-১৯১) এনে ৰচনাৰ ভিতৰত "আসাম-বন্ধু"ত প্রথম। ইয়াত গ্রন্থৰ ভিতৰৰ প্রবন্ধসমূহৰ পৰিচয় দান কৰি প্রশংসাসূচক মন্তব্য কৰিছে। ঈশানন্দ ভঁড়ালী-ৰচিত "প্রাকৃত ভূগোল"ৰো এটি চমু পৰিচয় লগতে (পৃ. ১৯১) দান কৰিছে। প্রথম বছৰ অষ্টম সংখ্যাত "ৰিপুঞ্জয়কৃত পূর্ণচন্দ্র নামক প্রায়শ্চিত্ত নিৰূপণ" গ্রন্থৰ, গুৱাহাটীৰ কালীৰাম বৰুৱাই কৰা জয়দেৱৰ "গীত গোবিন্দ"ৰ অনুবাদ-গ্রন্থৰ আৰু ৰত্নৰথ চৌধুৰীয়ে অসমীয়া ভাঙনিৰে সৈতে প্রকাশ কৰা "চাণক্য শ্লোক"ৰ সমালোচনা আৰু লক্ষীৰাম বড়া-প্রণীত "বস্ত্র শিক্ষা"ৰ চমু পৰিচয় দান উল্লেখযোগ্য। প্রথম দুয়োখন পুথিৰ বিষয়-পৰিচয় আৰু আনুষংগিক প্রসংগৰ অৱতাৰণাই সমালোচকৰ দৃষ্টিভংগীৰ পৰিচয় দিয়ে। প্রায়শ্চিত্তৰ "বিধান যিমান কঠিন হ'ল নিয়মভংগৰ কাৰণো সিমান বাঢ়িল" বুলি দিয়া অভিমতে যিদৰে সমালোচকৰ সমাজ-চিন্তাৰ পৰিচয় প্রদান কৰে, "এই ভাঙনি যদিচ মূলৰ সদৃশ হোৱা নাই তথাপি ইয়াতকৈ বিশুদ্ধৰূপে কৰা টান" বুলি কৰা মন্তব্যই অনুবাদকার্য সম্পর্কে লেখকৰ স্পষ্ট ধাৰণা দান কৰে। গোবিন্দৰাম চৌধুৰীয়ে পদ্যছন্দত লিখা "ধাত্রীশিক্ষা"ৰ চমু পৰিচয় (পৃ. ৩১৯) আৰু যজ্ঞৰাম দাসৰ দ্বাৰা সংগৃহীত আৰু প্রকাশিত "ডাক ভণিতা" (পৃ. ৪৪৬-৪৪৮)ৰ বিস্তাৰিত সমালোচনাও প্রসংগক্রমে উল্লেখযোগ্য।

সাহিত্য-সমালোচনাৰ আৰম্ভণ

এনে সমালোচনাৰ উপৰিও "আসাম-বন্ধু"ৰে পুৰণি সাহিত্য-আলোচনাৰ পথো মুকলি কৰি দিয়ে। প্রথম বছৰৰ চতুর্থ সংখ্যাত প্রকাশিত 'শঙ্কৰদেৱৰ ৰচনা—গীতা সম্বন্ধ নাটক' (পৃঃ ১১৮-১২৫) আৰু প্রথম বছৰৰ নৱম সংখ্যাত প্রকাশিত 'কীর্ত্তন'ৰ আলোচনা (পৃঃ ৩০০-৩০৩) প্রণিধানযোগ্য। এই দুয়োটি সমালোচনাত শংকৰদেৱৰ পৰিচয় আৰু তেওঁৰ ৰচনাৰ পৰিচয় দিওঁতে অনুভৱ কৰা আকর্ষণ আৰু গ্রহণ কৰা নিৰপেক্ষতা মন কৰিবলগীয়া। "আসাম-বন্ধু"ৰ প্রথম বছৰৰ ষষ্ঠ সংখ্যাত 'সমালোচনাৰ উপকাৰ' (পৃ. ২০২-২০৫) শীর্ষক ৰচনাখনিৰ লেখক "ঋ. চ." নো কোন ঠাৱৰোৱা টান। কিন্তু, এই ৰচনাখনিত পুথিৰ গুণগত উৎকর্ষ সাধনৰ বাবে যে সমালোচনা অতি প্রয়োজনীয়

সেই বিষয়ত গুৰুত্ব আৰোপ কৰাটো লক্ষ্যণীয়। লেখকে, গ্ৰন্থকাৰসকলক সমালোচকৰ কথা সহ্য কৰি শুনিবলৈ আৰু সমালোচককো কোনো গ্ৰন্থকাৰে বেয়া বুলিলেই সমালোচনা বন্ধ নকৰিবলৈ দিয়া পৰামৰ্শৰ মূলতো নিজৰ ভাষা-সাহিত্যৰ উৎকৰ্ষ সাধনৰ প্ৰতি থকা হেঁপাহ পৰিস্ফুট হৈ উঠিছে। তেওঁ কৈছে, "ছাত্ৰৰ কথালৈ চাই যদি শিক্ষকে শিক্ষা দিবলৈ এড়ে তেনেহলে কি ৰূপে শিক্ষা দিয়া হ'ব?" পুনৰ কৈছে, "যদি সমালোচকক আমি শত্ৰু বুলি ভাবোঁ তেও তেওঁ আমাৰ উপকাৰী।" এই প্ৰসংগটিৰ অৱতাৰণা কৰিছে—হেমচন্দ্ৰ বৰুৱাই 'আসাম মিউচ'ত ("লৰাবোধ" আৰু "শিক্ষাসাৰ" গ্ৰন্থৰ গ্ৰন্থকাৰসকলে "আসাম মিউচ"ৰ সম্পাদকক বেয়া পোৱাত), "পুথিৰ গুণাগুণ বৰ্ণনা কৰিবলৈ অনিচ্ছা প্ৰকাশ" কৰাৰ ওপৰত ভেটি কৰি। এই প্ৰবন্ধটিৰ মূল্য এতিয়াও আছে।

সৃষ্টিশীল সাহিত্য-ৰচনাত "আসাম-বন্ধু"ৰে এটা নতুন খোজ আগবঢ়ালে। এহাতে "অৰুনোদই" আৰু আনহাতে "জোনাকী" এই দুয়োৰে মাজত "আসাম-বন্ধু"ৰ এই নতুন খোজটি আমাৰ সাহিত্যৰ ইতিহাসত গুৰুত্বপূৰ্ণ খোজ। গদ্য-কাহিনী, কবিতা আৰু নাটক—এই তিনিওৰে আৰম্ভণি—"আসাম-বন্ধু"ৰে কৰি গৈছে। যদিও "অৰুনোদই"ত ইবিলাকৰ প্ৰথম সূচনা ঘটিছিল, তেতিয়াও বিশিষ্ট ৰূপ পৰিগ্ৰহণ কৰি থিয় হোৱা নাছিল। আধুনিক গদ্যই "আসাম-বন্ধু"ত থিয় হ'বলৈ শিকিলে। গদ্য-ৰচনাৰ ভিতৰত ৰূপক-আখ্যান 'বিবেক' (পৃ. ১৬৪-১৬৭), 'প্ৰমীলা' (পৃ. ২৪১-২৪৭, ২৫৬-২৬১) আৰু 'প্ৰকৃত লাজ কি' (পৃ. ৫৩৭-৫৪৩) এই কেইটিৰ কথা ক'ব পাৰি। ইবিলাকত একোটি অৱস্থাৰ চিত্ৰণ, চৰিত্ৰ-চিত্ৰণ, সংলাপ আৰু বিৱৰণৰ মাজত গল্প কোৱাৰ ৰীতিৰ সূচনা ঘটিছে। 'প্ৰমীলা' শীৰ্ষক ৰচনাৰ নামকৰণ কৰা হৈছে 'নৱন্যাস' বুলি। ই সম্ভৱতঃ আধুনিক গদ্য-কাহিনী-বিন্যাসৰ প্ৰতিয়েই জান-নেজান ইংগিত কৰিছে। "অৰুনোদই"ত গুণাভিৰামৰ "ৰাম-নৱমী" ধাৰাবাহিকভাৱে প্ৰকাশিত হৈছিল। ইয়াৰ পিছত তেনে কোনো নাট্য-প্ৰয়াস চকুত নপৰে। "আসাম-বন্ধু"ত (দ্বিতীয় বছৰ ১ম আৰু ২য় সংযুক্ত সংখ্যা) 'বিবাহ ৰহস্য নাটক'ৰ প্ৰথম অংকৰ প্ৰথম আৰু দ্বিতীয় দৰ্শন প্ৰকাশিত হয়। প্ৰাচীন সংস্কৃত নাটকৰ সূত্ৰধাৰ আৰু নৰ্তকীৰ অনুৰূপ 'মনু সূত্ৰধাৰী' আৰু 'আছৰ্নী'ৰ প্ৰৱেশ আৰু কথোপকথন বিশেষ-ভাৱে মন কৰিবলগীয়া। পুৰণি পদৰ আহিত ৰচিত নান্দীত কোৱা কথা-কেইটিও তাৎপৰ্যপূৰ্ণ:..."সংসাৰেই হয় জানা মহা বঙ্গভূমি।

বঙ্গভূমি প্ৰতিৰূপ হয় জানা তুমি?
সংসাৰৰ দোষাদোষ দেখি বঙ্গশালে।
দোষ ত্যজি গুণ লয় মহত্তসকলে।"

সৃষ্টিধৰ্মী ৰচনা

সমাজ-সচেতন দৃষ্টিভংগীৰে ৰচনা কৰা নাটখনিৰ উদ্দেশ্যৰ কথা 'আছুন্দী সূত্রধাৰিণী'ক 'মনু সূত্রধাৰে' কৈছে :

"পুৰাণৰ কথাকেহে সকলোৱে লেখে।
এতিয়াৰ সমাজক মনেৰে নেদেখে॥
আধুনিক সমাজক দেখাইবাৰ মনে।
মেলিবো নূতন নাট ময় যযতনে॥"

'সূত্রধাৰিণীয়ে' কিন্তু তাৰ উত্তৰত সূত্রধাৰৰ নিজৰ বাস্তৱ জীৱনৰ কথা সোৱঁৰাই দি কৈছে যে "খাজানা লাগে বিষযাৰ টেকেলা আহিছে।" কানীয়া সুনন্দই বিবাহযোগ্যা-কন্যা দশমীক দেখুৱাই কেইবা ঘৰৰ পৰাও ভাৰ-ভেটি খাই ছোৱালী-জনীক বিযা নিদিয়াকৈ ৰাখি তাইক উপার্জনৰ ধন কৰি খোৱাৰ চাতুৰীৰে নাটক-খনিৰ দ্বিতীয় দৰ্শনৰ সামৰণি মাৰিছে। নাটকখন ইয়াৰ পিছত লিখিত বা প্রকাশিত আৰু নহ'ল। নাটকখনিত নাট্যকাৰৰ নাম নাথাকিলেও, নাট্যকাৰৰ সমাজ-সচেতনতা, ভাগ্য, আৰু ছোৱালীটিৰ নাম 'দশমী' থোৱালৈ চাই (প্রথম নাটক "ৰাম-নৱমী"ত নায়িকাৰ নাম 'নৱমী') নাট্যকাৰজন গুণাভিৰাম বৰুৱাৰ বাহিৰে আন কোনো নহয়। শ্রীযতীন্দ্রমোহন ভট্টাচার্যই গুণাভিৰামৰ ৰচনা স্বৰূপেই সংকলনো কৰিছে।[৮৪] "আসাম-বন্ধু" 'মাসিক পত্র'ই অসমীয়া সাহিত্যলৈ যোগোৱা অন্যতম মূল্যবান বৰঙনি হ'ল—ইয়াৰ চৈধ্যটা সংখ্যাত প্রকাশিত ৪৭ টি বিভিন্ন বিষয়ৰ কবিতা-প্রযাস। অসমীয়া ৰোমাণ্টিক কবিতাই "জোনাকী"ত লাভ কৰা ৰূপৰ পূর্ণতাৰ আৰম্ভণি ঘটিছে "আসাম-বন্ধু"ৰ বুকুত। সেই দিশৰ পৰা এই কবিতা কেইটাই অসমীয়া কাব্য-সাহিত্যৰ বুৰঞ্জীত বিশেষ ভূমিকা পালন কৰি গৈছে। দেশপ্রেমমূলক, ঈশ্বৰ-বিশ্বাসমূলক, প্রকৃতি-বিষযক, ভাৱমূলক, চিন্তামূলক, নাট্যধর্মী, নিজীৰ বিষয়মূলক —প্রধানতঃ এই কেইটা ভাগত "আসাম-বন্ধু"ৰ কবিতাসমূহ ভগাই পেলাব পাৰি। তদুপৰি "অৰুনোদই"ত কোনো তত্ত্ব বা নীতি বা কোনো বিষয চলন্ত প্রকাশ কৰোঁতে "আসাম-বন্ধু"ৰ কবিতা ভাৱানুভূতিত গুৰুত্ব দিয়া নহৈছিল, যাৰ ফলত "অৰুনোদই"ৰ তেনে ৰচনাসমূহ ভাল পদ্যও হৈ উঠা বুলি ক'ব নোৱাৰি। কিন্তু, এনে ৰচনাত প্রকাশিত সামান্য বিষয়বস্তুক কবিতাৰ বাবে গ্রহণ কৰাৰ ৰীতি, লক্ষ্যৰ একমুখিতা আৰু আকৃতিৰ হ্রস্বতাই আধুনিক অসমীয়া খণ্ড কবিতাৰ জন্মৰ বাবে পৰিবেশ সৃষ্টিত যে ৰবঙনি যোগাই থৈ গৈছে, সি অনস্বীকার্য। "আসাম-বন্ধু"ৰ কবিতাখিনিৰ ভিতৰতো বিৱৰণমূলক, আৰু ঈশ্বৰ-বিষয়ক ৰচনাখিনিতকৈ বাকী বিষয়ৰ ৰচনাসমূহ তুলনামূলকভাৱে

৮৪ ৰাম-নৱমী নাটক, পৰিশিষ্ট, "ক", পৃ. ৭৫-৭৮।

অধিক কবিতা-গুণ-সমৃদ্ধ হৈছে। তাৰ ভিতৰতো 'শ্ৰীভ' (ভোলানাথ দাস)ৰ 'আসামবাসী', 'মধুহাঁসি', 'ৰজনী', 'কাৰাবদ্ধ ৰাজপুত্ৰ', 'মেঘ' আদি কবিতা; ল. বে. (লক্ষ্মীনাথ বেজবৰুৱা ?)ৰ 'সন্ধ্যা' আৰু 'মৃত্যুশয্যা'; স. ব. (সত্যনাথ বৰা)ৰ 'ফুলনি', 'শান্তি আৰু আশা', 'ধুনুহা-বতাহ', 'ল'ৰাকাল', 'মোৰ চিন্তা', 'ডেকা কাল' আদি কবিতা; ৰ. ম. (ৰত্নেশ্বৰ মহন্ত)ৰ 'দুপৰ নিশা', 'গাঁৱলীয়া বোৱাৰী', 'পত্নী বিলাপ' আদি কবিতা; ক. ভ. (কমলাকান্ত ভট্টাচাৰ্য)ৰ 'মনৰ ভাব'ৰ দৰে কবিতাৰ, আৰু গো, না, দা, (?) ৰ 'আসামৰ উন্নতি কিমান' আদি কবিতাৰ প্ৰকাশ উল্লেখযোগ্য।

গো. না. দা.ৰ 'আসামৰ উন্নতি কিমান', ক. ভ.ৰ 'মনৰ ভাব' আৰু ভ. দ.ৰ 'আসাম বাসী'ত দেশ আৰু জাতিৰ অতীত সৌৱৰণৰ মাজত প্ৰকাশিত দুখ আৰু আক্ষেপৰ সুৰৰ সাদৃশ্য মন কৰিবলগীয়া। 'আসাম বাসী'ৰ "ছি ছি অসমীয়া উঠা উঠা উঠা। চিৰনিদ্ৰা এৰি মেলা চকু দুটা"ৰ ভৎসনা-আদেশ যেন পিছৰ কালত বেজবৰুৱাৰ কলমত "উঠ অসমীয়া নুওবি আৰু"ৰ পৰিহাস-ভৎসনালৈ ৰূপান্তৰিত হৈছে। "আসাম-বন্ধু"ৰ কবিতাৰ বিৰৱণ-ধৰ্মিতা "অৰুনোদই"ৰ সময়ত্তকৈ স্বাভাৰিকভাৱেই পৃথক আৰু উন্নত হৈ আহিছে। তদুপৰি, "আসাম-বন্ধু"ৰে অসমীয়া কবিতাৰ বিৱৰ্তনত বিশেষ ভূমিকা গ্ৰহণ কৰিলে—কবিতাৰ ছন্দসজ্জাৰ গুণগত পৰিবৰ্তন সাধনৰ দ্বাৰা। "অৰুনোদই"ত প্ৰধানতঃ ৮.৬ মাত্ৰাৰ পয়াৰ ছন্দ ব্যৱহৃত হৈছিল আৰু ইয়াৰ ভেটি আছিল পুৰণি অসমীয়া কবিতাৰ ছন্দৰ বান্ধোনৰ প্ৰচলিত ৰূপ। অৱশ্যে, কম পৰিসৰত ৬.৬.৮ মাত্ৰাৰ দুলড়ি ছন্দ ব্যৱহৃত হ'লেও, ই তেতিয়ালৈকে প্ৰধান হৈ উঠা নাছিল। "আসাম-বন্ধু"ত পয়াৰ আৰু দুলড়ি ছন্দই পুৰণি অসমীয়া কবিতাৰ এই দুই ছন্দ-সজ্জাৰ পৰা বেলেগ হৈ আহি নিজৰ পৰিচয় প্ৰতিষ্ঠা কৰিলে। ৰত্নেশ্বৰ মহন্তই দিগক্ষৰা (৬.৪ মাত্ৰাৰ) ছন্দৰ চতুষ্কৰ লগত পয়াৰ (৮. ৬ মাত্ৰাৰ)ৰ যুগ্মকৰ মিশ্ৰণ ঘটাই নতুন ছন্দ-স্তৰক সজ্জাৰ সাৰ্থকীক্ষা কৃতকাৰ্যতাৰে "আসাম-বন্ধু"ৰ পাতত প্ৰয়োগ কৰে। তেওঁ পয়াৰ আৰু চৌপাইৰ সংমিশ্ৰণ ঘটায়ো নতুন ছন্দসজ্জা প্ৰয়োগ কৰি গৈছে। তেনেদৰে, "আসাম বিলাসিনি"তে আধুনিক অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ কৰোঁতা ভোলানাথ দাসেও অসমীয়া কবিতাত প্ৰদান কৰা ছন্দস্পন্দনৰ ন-ৰূপ উল্লেখযোগ্য। তেওঁ দুলড়ি আৰু একাৰলীৰ সংমিশ্ৰণত নিৰ্মাণ কৰা নতুন সজ্জাও মন কৰিবলগীয়া। [৮৫]

৮৫ দ্ৰষ্টব্য, মহেন্দ্ৰ বৰা, Fundamentals of Assamese Metre, PP. 244-248

"আসাম-বন্ধু"ৰে লেখক-লেখিকাৰ সম্পূৰ্ণ নাম নিদি নামৰ পৰিৱৰ্তে সংক্ষিপ্ত নাম-সংকেত ব্যৱহাৰ কৰি "অৰুনোদই"ৰ ঐতিহ্য অনুসৰণ কৰিছিল। দ্বিতীয় বছৰৰ প্ৰথম সংযুক্ত (১ম আৰু ২য়) সংখ্যাৰ শেষত "আসাম-বন্ধু"লৈ 'যোৱা বছৰত প্ৰবন্ধ পঠোৱা' ২৩ গৰাকী লেখক-লেখিকাৰ নাম-তালিকা এখনি সন্নিবিষ্ট কৰি দিছে। কিন্তু, গো. না. দা., ক্ষ, শ্ৰীমগঁয়া, বি. বি., স. ন., শ. বা, হ. ন., ঝ. চ., ৰা. স., দে. ৰ. (ব), গ, চ., আ. ৰ. স., আ. স., আ. কা. শ., শ্ৰ. ম., স. ৰ., এ. বি. ই., এ. বি. সি., জ. ন., উ. ন., শ্ৰী বে. ব., পি. আদি সংক্ষিপ্ত নাম-সংকেতৰ গৰাকীসকলৰ প্ৰকৃত নাম অনুমান কৰা কঠিন।

আসাম-বন্ধুৰ লেখকসকল

ইয়াৰ ভিতৰৰ এ. বি. সি. জন আসাম-বন্ধুৰ পুথি-সমালোচক (critic) হ'ব পাৰে আৰু এই critic জন স্বয়ং সম্পাদকেই হ'ব পাৰে। জ. ন. জনো গুণাভিৰাম হ'ব পাৰে বুলি আমি ইতিপূৰ্বে উল্লেখ কৰি আহিছোঁ। ঠিক তেনেকৈ এ. বি. ই. জনো "আসাম-বন্ধু"ৰ এ'ডিটৰ, অৰ্থাৎ সম্পাদক। ইয়াৰ উপৰিও আ. ব., ব., আ., অ. ব., স., এই কেইটা সাংকেতিক নামৰ (আটাইকেওটিৰ অৰ্থ আসাম-বন্ধু, বন্ধু, আসাম-বন্ধু অসম-বন্ধু আৰু সম্পাদক বুলি অনুমান হয়) আৰু কোনো নাম-সংকেত নথকা ৰচনাসমূহ সম্পাদক গুণাভিৰামৰে বুলি গ্ৰহণ কৰাৰ থল আছে। যিবিলাক নাম-সংকেত কিছু নিশ্চয়তা সহকাৰে গ্ৰহণ কৰা হৈছে, সেই সংকেতৰ আঁৰৰ নামসমহ তলত দিয়া হ'ল।

| | | | |
|---|---|---|---|
| শ্ৰী ক. | — | শ্ৰীকৰুণাভিৰাম বৰুৱা | ২৪৭, ২৬১, |
| ক. ব. | — | কৰুণাভিৰাম বৰুৱা | ৩৪৯, ৩৫১, ৪৭৬, ৪৮৭ |
| ক. ভ. | — | কমলাকান্ত ভট্টাচাৰ্য | ১৬১ |
| ক. ভি. ব | — | কৰুণাভিৰাম বৰুৱা | ৩৮৬ |
| শ্ৰীকৃ. দু. | — | শ্ৰীকৃষ্ণপ্ৰসাদ দুৱৰা | ৪২৪ |
| গু. | — | গুণাভিৰাম বৰুৱা | ৪১ |
| দে. ৰ. (ব) | — | দেৱীচৰণ বৰুৱা (?) | ২৭৩ |
| দে. চ. ব. | — | দেৱীচৰণ বৰুৱা | ৮৬ |
| ন. ন. মহন্ত | — | নৱনাথ মহন্ত | ১৮৯, ৩০৭ |
| শ্ৰীন. ফু. | — | শ্ৰীনবীনৰাম ফুকন | ১৬৭ |
| না. শ. | — | নাৰায়ণ শৰ্মা | ৮১, ১৭৫ |
| প. | — | পূৰ্ণকান্ত শৰ্মা | ২২৮ |
| প. শ. | — | পূৰ্ণকান্ত শৰ্মা | ১১৮, ৪৮১ |
| ভ. | — | ভোলানাথ দাস | |

| | | | |
|---|---|---|---|
| ভ্রাত. | — | ভোলানাথ দাস | ১০৮, ১৫২, ২২৪, ২৬৩ ৪৬৯, ৫১২, ৫৫৯ |
| ভ. দ. | — | ভোলানাথ দাস | ১৬ |
| ম. আ. | — | মুজিবদ্দীন আহ্মদ | ৪১৪ |
| ব. | — | বরেণ্যর মহন্ত | ২৪৪ |
| ব. ম. | — | বরেণ্যর মহন্ত | ৩৫, ৫৩, ৭২, ৩২৪, ৪৩২. |
| ব. মহন্ত | — | বরেণ্যর মহন্ত | ৩৬, ৮৪, ১৪৩, ১৬৪. ১৭৩, ২৮৮, ৩০০, ৩১৮, ৩৬০ ৩৮১ ৩৯৬, ৪০৭, ৪৫৬, ৪৬১, ৪৮৩, ৫২৩ |
| ব. ব. | — | বজ্রবাম বড়দলৈ | ২০৭ |
| ব. না. ব. | — | বরিনারায়ণ বড়া | ৪১৩ |
| শ্রীল. না. ব. | — | শ্রীলক্ষ্মীনাথ বেজবরুয়া (?) | ৬৫ |
| ল. বে. | — | লক্ষ্মীনাথ বেজবরুয়া | ৫৪৩ |
| ল. বে. ব. | — | লক্ষ্মীনাথ বেজবরুয়া | ২১৩, ৩২০ |
| স. ব. | — | সত্যনাথ বরা | ৩৩, ৫০, ১৪৪, ২০২, ২৫০, ২৭৭, ৩১৮, ৩৯৫, ৪০৯. ৫০৪, ৫২৪, ৫২৮, ৫৩৬ |
| শ্রীস. ব. | — | সত্যনাথ বরা | ১৬৯ |
| স্ব. ব. | — | স্বর্ণলতা বরুয়া | ৪৫, ৫৪০ |
| স্যদানণ্ড. S , সদানন্দ | } | সদোৎস্ব বরা | ৩১, ৫৭, ১৩৯, ২৩২,২৭০ |
| H | — | হেমচন্দ্র গোস্বামী | ৬১ |
| শ্রীহ | — | হেমচন্দ্র গোস্বামী | ৪৯৪, ৪৯৯ |
| শ্রীহঃ | — | হেমচন্দ্র গোস্বামী (?) | ১৮০ |
| হে | — | হেমচন্দ্র গোস্বামী | ৩১০ |
| হে. চ. গো | — | হেমচন্দ্র গোস্বামী | ৩৫৪ |
| হ. গ. | — | হেমচন্দ্র গোস্বামী | ৩৭৯ |

এই লেখক–সূচীৰ পৰা দেখা যায়, গুণাভিৰাম বৰুৱাই আধুনিক অসমীয়া সাহিত্যৰ বিকাশ সাধন কৰিবলৈ প্ৰবীণ আৰু নবীন দুয়ো চামৰ লেখকৰ বাবে "আসাম-বন্ধু"ৰ দুৱাৰ মুকলি কৰি দিছিল। ছাত্ৰ-বচনাৰ সন্নিবেশলৈও এই প্ৰসংগত আঙুলিয়াব পাৰি। লেখকসকলৰ ভিতৰত, কমলাকান্ত ভট্টাচাৰ্য, ভোলানাথ দাস, বৰেণ্যৰ

মহন্ত, কদ্রৰাম বৰদলৈ, লক্ষ্মীনাথ বেজবৰুৱা, সত্যনাথ বৰা আৰু হেমচন্দ্ৰ গোস্বামী —এই কেইটি নাম বিশেষভাৱে উল্লেখযোগ্য। সংখ্যাৰ ফালৰ পৰা বেজৰুৱাৰ মহন্তৰ ৰচনাই সৰ্বাধিক। তেওঁৰ পিছতে সত্যনাথ বৰা, হেমচন্দ্ৰ গোস্বামী আৰু ভোলানাথ দাসৰ নাম ল'ব লাগিব। "অৰুনোদই"ৰ বিষয়-বিচিত্ৰতাই অসমীয়া সাহিত্যৰ পৰিসৰ অভূতপূৰ্বভাৱে বঢ়াই তুলিলে যদিও, লক্ষ্য আৰু উদ্দেশ্যৰ সীমা "আসাম-বন্ধু"তকৈ স্বাভাৱিকভাৱেই পৃথক আছিল; বৰং ক'ব পাৰি, "গিয়ানৰ ভাণ্ডাৰ" স্বৰূপে "অৰুনোদই"ক প্ৰতিষ্ঠা দান কৰাৰ লক্ষ্য স্পষ্টৰূপতে প্ৰকাশিত হৈছিল। "আসাম-বন্ধু"ৰ লক্ষ্য আৰু উদ্দেশ্য যদিও সম্পাদকীয়ত ঘোষণা কৰা মতে অসমৰ সৰ্বাংগীণ উন্নয়নৰ বাবে এটি আন্দোলন গঢ়ি তোলা, তথাপি দেখা যায়, প্ৰতিভা সৃষ্টি কৰা আৰু প্ৰকাশ কৰাৰ প্ৰতিহে কাকতখনৰ প্ৰৱণতা অধিক। সেই ফালৰ পৰা, সৃষ্টিশীল ৰচনাৰ পৰিৱেশ গঢ়ি তোলাৰ বাবে "আসাম-বন্ধু"ৰে গ্ৰহণ কৰা ভূমিকা আমাৰ সাহিত্যৰ ইতিহাসত বিশেষ উল্লেখযোগ্য হৈ ৰ'ব।

আধুনিক অসমীয়া ভাষাৰ প্ৰতিষ্ঠাৰ যুগত হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰামৰ ভাষা আৰু ৰচনাশৈলীৰে দুটা 'স্কুল' প্ৰতিষ্ঠা হোৱাৰ কথা পদ্মনাথ গোহাঞিবৰুৱা প্ৰভৃতি লোকসকলে উল্লেখ কৰি গৈছে।[৮৬] ইতিপূৰ্বে হেমচন্দ্ৰ বৰুৱাৰ ভাষাৰ ক্ষেত্ৰত নীতি-নিষ্ঠতা আৰু গুণাভিৰামৰ উদাৰতাৰ কথাও উল্লেখ কৰি অহা হৈছে। "আসাম-বন্ধু"ৰ আৱৰ্তনী পৃষ্ঠাটিৰ 'আৱৰ্ত্তন' শব্দটিতে তেওঁ 'ন' ব্যৱহাৰ কৰিছে। হৈছে, গৈছে আদিত 'ঐ'কাৰৰ সলনি 'ই'ৰ ব্যৱহাৰ, হ্ৰস্ব ই'কাৰ আৰু দীৰ্ঘ 'ঈ'কাৰৰ ব্যৱহাৰত নিয়মৰ শিথিলতা, 'মই' শব্দ 'ম'ৰে 'ময়' ৰূপত ব্যৱহাৰ কৰা, আদিৰ মাজত এনে উদাৰতাৰ উমান পাব পাৰি। প্ৰকাশভংগীৰ সৰলতা প্ৰায় সকলো ৰচনাতে কম-বেছি পৰিমাণে প্ৰকাশিত হৈছে। উল্লেখযোগ্য

ভাষাৰ ব্যৱহাৰত উদাৰতা

গ. চ.-লিখিত 'কামৰূপীৰ পত্ৰ' শিৰোনামাৰ সৰু লেখাটি (পৃ. ৩০৩—৩০৫) কামৰূপৰ কথিত ভাষাত লিখা। অসমীয়া ভাষাৰ স্থানীয় কথিত ৰূপৰ লিখিত প্ৰকাশৰ নিদৰ্শন হিচাপে এই সৰু লেখাটিৰ এটি বিশেষ মূল্য আছে।

দৃষ্টিভংগী, বিষয়বস্তু, ভাষা, আৰু প্ৰকাশভংগী—এই সকলো কেইটি দিশৰ পৰাই "আসাম-বন্ধু"ৰে অতি কম সময়ৰ ভিতৰতে পাঠকক আকৰ্ষণ কৰিব পৰা হৈ পৰিছিল। অৱশ্যেই, দৃষ্টিভংগীৰ মাজত সমকালীন শিক্ষিত সমাজৰ মনো-জগতহে প্ৰতিফলিত হৈছে। কিন্তু, তাৰ মাজতো আমাৰ সাংস্কৃতিক-সামাজিক জীৱনৰ সমকালীন চিত্ৰ বিচাৰি পাব পাৰি। যিদৰে, এই অল্পায়ু কাকতখনে আমাৰ আধুনিক ভাষা আৰু সাহিত্যৰ ক্ৰম-বিকশিত ৰূপৰ স্বাক্ষৰ কঢ়িয়াই

---

৮৬ দ্ৰ. গোহাঞিবৰুৱাৰ "মোৰ সোৱৰণী", পৃ. ৩১

আনিছে, তেনেকৈ আমাৰ সামাজিক-সাংস্কৃতিক জীৱনৰ লগত সম্পৰ্ক থকা অনেক বিষয়ৰ সম্বাদ আৰু তথ্য-পাতিও কঢ়িয়াই আনিছে। এই ৰচনাসমূহৰ মাজত থকা দোষ-ত্ৰুটিবিলাকৰো সেইবাবে ঐতিহাসিক মূল্য অনস্বীকাৰ্য। অৱশ্যে, তাৰ মাজত থকা 'সমকালীনতা'ৰ কথা পাহৰিব নালাগিব।

## পুনঃপ্ৰকাশৰ প্ৰয়োজনীয়তা

আধুনিক অসম, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি আৰু অসমৰ সমাজ-জীৱনৰ বিষয়ে জানিবলৈ হ'লে ঊনবিংশ শতিকাৰ পুথি আৰু কাকত-পত্ৰৰ ওচৰ চাপিবই লাগিব। কেৱল ছবকাৰী নথিতে জাতীয় জীৱনৰ সকলো তথ্য-পাতি নাথাকে ; থাকিব নোৱাৰে। তদুপৰি, ব্যক্তি বা সমষ্টিৰ বাহিৰৰ ৰূপৰ আঁৰত থকা ভিতৰৰ বৌদ্ধিক বা মনোজাগতিক ৰূপৰ পৰিচয়েহে ব্যক্তিগত বা সমষ্টিগত জীৱনৰ প্ৰকৃত ৰূপৰ আভাস দিব পাৰে। আধুনিক অসম আৰু অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি সমন্বিতে অসমীয়া জাতীয় জীৱনৰ প্ৰাণৰ সন্ধেদো দিব পাৰে ঊনবিংশ শতিকাৰ নথি-পত্ৰ সমূহেহে। সেইবাবে এবি অহা শতিকা টোৰ সৰু-বৰ, ভাল-বেয়া, গ্ৰহণীয়-অগ্ৰহণীয় সকলোবোৰ ৰচনাৰ বিজ্ঞানসম্মত অধ্যয়নৰ প্ৰয়োজন আৰু গুৰুত্ব দিনে দিনে বাঢ়ি আহিছে। এনে এটি অৱস্থাৰ পৰিপ্ৰেক্ষিতত, যোৱা শতিকাৰ পুথি-পত্ৰবোৰৰ সংগ্ৰহ, সংৰক্ষণ আৰু পুনৰ্মুদ্ৰণৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য। "অৰুনোদই" আৰু "জোনাকী"ৰ মাজৰ সময়ছোৱাৰ সাহিত্য-সেতু স্বৰূপ "আসাম-বন্ধু"ৰ পুনৰ্মুদ্ৰণেও আমাৰ সমকালীন সামাজিক আৰু বৌদ্ধিক জীৱন-অধ্যয়নৰ কিছু সমল অনুসন্ধিৎসুসকলৰ হাতত তুলি দিব। আমি পূৰ্বে উল্লেখ কৰি অহাৰ দৰে, এই সমলবোৰৰ মাজত এতিয়াৰ দৃষ্টিত গ্ৰহণীয় আৰু বৰ্জনীয় দুয়োবিধ সমলকে আমি পাম। তাত হাত ফুৰাবলৈ গ'লে অতীতৰ সেই সময়ছোৱাত হাত ফুৰোৱা হ'ব। সেইবাবে, "আসাম-বন্ধু"ৰ পৃষ্ঠাসমূহ অক্ষতভাৱেই পুনৰ্সংগ্ৰথিত ৰূপত দাঙি ধৰা হ'ল।

অসম প্ৰকাশন পৰিষদে "অৰুনোদই" আৰু "মৌ"ৰ পিছতে "আসাম-বন্ধু"ৰ পুনৰ্মুদ্ৰণ প্ৰকাশ কৰি এটি ঐতিহাসিক আৰু গুৰুত্বপূৰ্ণ কাম কৰিছে। তাৰ নিমিত্তে, প্ৰকাশন পৰিষদৰ সচিব শ্ৰীযুত চন্দ্ৰপ্ৰসাদ শইকীয়া প্ৰমুখ্যে পৰিষদৰ সদৌটি সকলোৱে ধন্যবাদৰ পাত্ৰ হৈ ৰ'ব। আমি আশা কৰিছোঁ, এই সকলোৱে শেহত যিখন কাকতত আধুনিক অসমীয়া সাহিত্যই পূৰ্ণ ৰূপত আত্ম-প্ৰকাশ কৰিলে, সেইখনি কাকত "জোনাকী"ৰ পুনৰ্মুদ্ৰণৰে পৰিষদে ঊনবিংশ শতিকাৰ পৰিক্ৰমা সম্পূৰ্ণ কৰি তুলিব।

"আসাম-বন্ধু"ৰ পুনঃসংকলন আৰু সম্পাদনাৰ দায়িত্ব আমাৰ ওপৰত ন্যস্ত কৰাৰ বাবে পৰিষদৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে, যৈ যোৱা ত্ৰুটি-বিচ্যুতিৰ বাবে ক্ষমা বিচাৰিছোঁ। আমি অধিক বিস্তৃতভাৱে 'ভূমিকা'ত কিছু বিষয় সন্নিবিষ্ট কৰাৰ আঁচনি প্ৰথমতে লৈছিলোঁ। কিন্তু, সকলোৰোৰ বিষয় সামৰাটো সম্ভৱ হৈ নুঠাত 'ভূমিকা'ৰ আকৃতি আৰু প্ৰকৃতি দয়োটাকে সলাই "ঊনবিংশ শতিকাৰ পটভূমিত গুণাভিৰাম আৰু আসাম-বন্ধু"—এনে এটি শিৰোনামাৰ অধীন হোৱাকৈ যুগুত কৰা হ'ল।

১ মে', ১৯৮৪
ডিব্ৰুগড

নগেন শইকীয়া

# কৃতজ্ঞতা

"আসাম-বন্ধু"ৰ পুনৰ্মুদ্ৰণৰ ক্ষেত্ৰত সৰ্বপ্ৰথম কৃতজ্ঞতাৰ পাত্ৰী হৈ ৰ'ব গুণাভিৰাম বৰুৱাৰ নাতি-বোৱাৰী শ্ৰীমতী গুলমনো বৰুৱা। গুণাভিৰামৰ পুত্ৰ জ্ঞানদাভিৰাম আৰু জ্ঞানদাভিৰামৰ জ্যেষ্ঠপুত্ৰ মনোভিৰাম—এই তিনি পুৰুষে সযত্নে ৰক্ষা কৰা সংখ্যাকেইটি, স্বামী মনোভিৰামৰ মৃত্যুৰ পিছত নানাজনে বিচৰা সত্ত্বেও হাতৰ পৰা এৰি নিদি ৰক্ষা কৰিলে শ্ৰীমতী গুলমনো বৰুৱাই। জ্ঞানদাভিৰাম বৰুৱাৰ জন্ম-শতবাৰ্ষিকীৰ সময়ত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীযুত যতীন্দ্ৰনাথ গোস্বামীয়ে শ্ৰীমতী বৰুৱাক লগ ধৰি এই সংখ্যাকেইটি অসম সাহিত্য সভাক দিবৰ বাবে অনুৰোধ জনোৱাত, তেখেতে সানন্দে তুলি দিয়ে। সাম্প্ৰতিক সংকলনটি প্ৰকাশৰ বাবে আমি অসম সাহিত্য সভাৰ পুথিভঁৰালৰ পৰা লৈছোঁ। অসম প্ৰকাশন পৰিষদে "আসাম-বন্ধু" পুনৰ্মুদ্ৰণৰ বাবে পূৰ্বে লৈ থোৱা সিদ্ধান্তৰ ভিত্তিত সম্পাদনাৰ দায়িত্ব আমাৰ ওপৰত ন্যস্ত কৰাত শ্ৰীমতী বৰুৱাক আমি সৌজন্য-সূচকভাৱে সাক্ষাৎ কৰোঁ, তেখেতে এই কামৰ প্ৰতি সানন্দ-শুভেচ্ছা জ্ঞাপন কৰে আৰু ইয়াৰ লগত তেওঁৰ স্বামীৰ স্মৃতি-বিজড়িত হৈ থকাৰ কথা কয়। শ্ৰীমতী বৰুৱাৰ প্ৰতি কৃতজ্ঞতা জনাই আমি আমাৰ পুনঃ-সম্পাদিত ৰূপটি স্বৰ্গীয় মনোভিৰাম বৰুৱাৰ সোঁৱৰণত উছৰ্গা কৰিলোঁ।

"আসাম-বন্ধু"ৰ একত্ৰ-সম্পাদনাৰ কামত দিহা-পৰামৰ্শ পাইছোঁ প্ৰথিতযশা পণ্ডিত শ্ৰদ্ধেয় ড° মহেশ্বৰ নেওগ, অধ্যাপক শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, অধ্যাপক শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা আদি বিভিন্নজনৰ পৰা। সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

নগেন শইকীয়া

# সূচী-পত্র

## আসাম-বন্ধু

### মাসিক পত্র

"নচ জ্ঞানাত্ পবং বলম্।"

প্রথম ভাগ। আষ, শক ১৮০৬, ইংবাজী ১৮৮৫। প্রথম সংখ্যা।


| | | | |
|---|---|---|---|
| আবম্ভন | — আ, ব, | — | ১ |
| আসাম-বন্ধু | — ব, | — | ২ |
| আগব দিন এতিযাব দিন (প্রথম অধ্যায) | | — | ৪ |
| (দ্বিতীয় অধ্যায়) | | — | ৭ |
| আসাম বাসী | — ভ, দ, (কবিতা) | — | ১২ |
| দেশীয় পবিচ্ছদ | | — | ১৬ |
| সদানন্দব কলাযুদ্ধ | — স্যডানও | — | ২৩ |
| গোলাপ ফুল (কবিতা) | — স, ব, | — | ৩২ |
| গাবো-বৃত্তান্ত | | — | ৩৩ |
| খোবা পিদ্ধা (প্রথম অধ্যায়) | — ব, মহন্ত | — | ৩৬ |


প্রথম ভাগ। ফাল্গুন, শক ১৮০৬, ইংবাজী ১৮৮৫। দ্বিতীয় সংখ্যা।


| | | | |
|---|---|---|---|
| আগব দিন এতিযাব দিন | — জি, | — | ৩৭ |
| কবমেতি বাই | — স্ব, ব, | — | ৪১ |
| ভাষা | — স, ব, | — | ৪৫ |
| স্তুতি (কবিতা) | — ব, মহন্ত | — | ৫১ |
| সদানন্দব সানমিহলি টোকা | — S | — | ৫৪ |
| ক্ষেতি | — H. | — | ৫৮ |
| ছাত্র জীবন | — শ্রীল, না, ব, | — | ৬২ |
| যমি (কবিতা) | — শ্রীস, ব, | — | ৬৫ |
| গাবো-বৃত্তান্ত | — শ্রীব, ম, | — | ৬৭ |
| কহল্য | — | — | ৭২ |

প্রথম ভাগ। চত শক ১৮০৬, ইংরাজী ১৮৮৫। তৃতীয় সংখ্যা।


| | | | |
|---|---|---|---|
| আগর দিন এতিয়ার দিন (তৃতীয় অধ্যায়) | — | — | ৭৩ |
| তিনটা নাই উনুতি কেনেকৈ ? | — মা, শ, | — | ৭৮ |
| দুপর-নিশা (কবিতা) | — ব, বহন্ত | — | ৮১ |
| "বেল পরিয়াণে বাঢ়ে, তিল পরিয়াণে টুটে" | — দে, চ, ব, | — | ৮৫ |
| জাননী !! | — | — | ৮৬ |
| বিবেক (কবিতা) | — | — | ৮৮ |
| বঙো | —শ্রী নগঁরা | — | ৯০ |
| রহস্য | — | — | ৯৩ |
| ফঁকরা (উদ্ধৃত) | — | — | ৯৪ |
| বঙালী | — আ, ব, | — | ৯৫ |
| গরু ম'হ | — ক | — | ১০০ |
| নগর সাগর আরু সাগর নগর | — ন, পরিবর্ত্তিত | — | ১০২ |
| মধুর হাঁসি (কবিতা) | — শ্রীভ | — | ১০৭ |

প্রথম ভাগ। বৈশাখ শক ১৮০৭, ইংরাজী ১৮৮৫। চতুর্থ সংখ্যা।

| | | | |
|---|---|---|---|
| আগর দিন এতিয়ার দিন (চতুর্থ অধ্যায়) | — | — | ১০৯ |
| ধন (কবিতা) | — প, শ, | — | ১১৬ |
| শঙ্করদেবর রচনা—গীতা স্মরণ নাটক | — আ, ব, | — | ১১৮ |
| আসামর উনুতি কিবান—(কবিতা) | — গো, দা, দা, | — | ১২৫ |
| আমার মানুহ | — আ, ব, | — | ১৩০ |
| সদাবন্দর সমাচার | — | — | ১৩৬ |
| স্বাধীনতা নে স্বেচ্ছাচার | — ব, বহন্ত | — | ১৩৯ |
| কুলমি (কবিতা) | — ন, ব, | — | ১৪৩ |

প্রথম ভাগ। জ্যেষ্ঠ শক ১৮০৭, ইংরাজী ১৮৮৫। পঞ্চম সংখ্যা

| | | | |
|---|---|---|---|
| আগর দিন এতিয়ার দিন-(পঞ্চম অধ্যায়) | — | — | ১৪৫ |
| কিয়নো বাজাগৈ আমার মন (কবিতা) | — শ্রীভ | — | ১৫১ |
| বিহু | — বি, ব, | — | ১৫২ |

| | | |
|---|---|---|
| মনৰ ভাব (কবিতা) (পৰিবৰ্ত্তিত) | — ক, ভ, | — ১৫৭ |
| স্বাধীনতা নে স্বেচ্ছাচাৰ | — ব, মহন্ত | — ১৬১ |
| বিবেক | — শ্ৰীন, কু, | — ১৬৪ |
| উন্নতিৰ চাবিখান দুৱাৰ | — স, ন, | — ১৬৭ |
| গাৱোঁ বৃত্তান্ত | — ব, মহন্ত | — ১৬৯ |
| তিনাটি নাই উন্নতি কেনেকৈ ? (ক্ৰমশঃ) | — না, শ, | — ১৭৩ |
| আমাৰ শিল্প (ক্ৰমশঃ) | — শ, বা, | — ১৭৫ |
| যৱনৰ কথা | — আ, | — ১৭৭ |
| আখৰৰ সাঁথৰ | — হ, ন, | — ১৭৯ |
| ফকৰা | — শ্ৰীহঃ | — ১৭৯ |
| আসাম-বন্ধুৰ তৃতীয় সংখ্যাৰ ফঁকৰাৰ উত্তৰ | — শ্ৰীহঃ | — ১৮০ |


প্ৰথম ভাগ। আষাঢ় শক ১৮০৭, ইংৰাজী ১৮৮৫। ষষ্ঠ সংখ্যা।


| | | |
|---|---|---|
| আগৰ দিন এতিয়াৰ দিন | — | — ১৮১ |
| আমাৰ শিল্প | — শ, বা, | — ১৮৫ |
| টকা (কবিতা) | — ন, ন, মহন্ত | — ১৮৭ |
| সমালোচনা | — আ, ব, | — ১৮৯ |
| যৈনীৰ কৰ্ত্তব্য ও স্ত্ৰীশিক্ষা | — | — ১৯১ |
| পিয়াহ মৰা বস্তু | — আ, ব, | — ১৯৪ |
| শান্তি আৰু আশা (কবিতা) | — স, ব, | — ১৯৯ |
| সমালোচনাৰ উপকাৰ | — ঞ, চ, | — ২০২ |
| অলঙ্কাৰ পিন্ধাৰ যুক্তি | — ক, ব, | — ২০৫ |
| আকাশ (কবিতা) | — বা, স, | — ২০৭ |
| মৃত্যুশয্যা (কবিতা) | — ল, বে, ব, | — ২১১ |
| হালোৱা আৰু ডাঙৰীয়া | — ন, ন, মহন্ত | — ২১৩ |


প্ৰথম ভাগ। শ্ৰাবণ শক ১৮০৭, ইংৰাজী ১৮৮৫। সপ্তম সংখ্যা।


| | | |
|---|---|---|
| আগৰ দিন এতিয়াৰ দিন | — | — ২১৭ |
| কাৰাবদ্ধ ৰাজপুত্ৰ (কবিতা) | — শ্ৰীভঃ | — ২২১ |
| গাৰীৰ বুঢ়ীমাকৰ | — প, | — ২২৫ |

| | | | |
|---|---|---|---|
| সদানন্দৰ সমাচাৰ | — স্যাডানেণ্ড | — | ২২৮ |
| যৈনীৰ দুটি প্ৰশ্ন | — স, | — | ২৩২ |
| গাঁৱলীয়া বোৱাৰী (কবিতা) | — ৰ, | — | ২৩৯ |
| প্ৰমীলা | — শ্ৰীকঃ | — | ২৪৪ |
| পূৰ্ণিমাৰ জোন (কবিতা) | — স, ৰ, | — | ২৪৭ |
| যৈনীৰ কৰ্ত্তব্য ও স্ত্ৰী-শিক্ষা | — | — | ২৫০ |


প্ৰথম ভাগ। ভাদ্ৰ শক ১৮০৭, ইংৰাজী ১৮৮৫। অষ্টম সংখ্যা।


| | | | |
|---|---|---|---|
| আগৰ দিন এতিয়াৰ দিন | — | — | ২৫৩ |
| প্ৰমীলা। ঘোৰ নিশা। ঘৰতে বন্দী | — শ্ৰীকঃ | — | ২৫৬ |
| কাৰাবদ্ধ ৰাজপুত্ৰ (কবিতা) | — শ্ৰী ডঃ | — | ২৬১ |
| সদানন্দৰ নতুন অভিধান | — | — | ২৬৩ |
| দাহ | — দে, ৰ, (ৰ?) | — | ২৭০ |
| ধুমুহা-বতাহ (কবিতা) | — স, ৰ, | — | ২৭৩ |
| সমালোচনা | — আ, ৰ, | — | ২৭৭ |
| অসমীয়া আৰু বিদেশী সাজ | — ৰ, মহন্ত | — | ২৮২ |


প্ৰথম খণ্ড। আশ্বিন শক ১৮০৭, ইংৰাজী ১৮৮৫। নবম সংখ্যা।


| | | | |
|---|---|---|---|
| আগৰ দিন এতিয়াৰ দিন | — | — | ২৮৯ |
| কটকী উকীল তোলা | — | — | ২৯২ |
| পত্নী-বিলাপ (কবিতা) | — ৰ, মহন্ত | — | ২৯৮ |
| কীৰ্ত্তন | — | — | ৩০০ |
| কামৰূপীৰ পত্ৰ | — গ, চ, | — | ৩০৩ |
| আমালোক | — ন, ন, মহন্ত | — | ৩০৫ |
| মন্তব্য | — স, | — | ৩০৭ |
| বিশ্বাস (কবিতা) | — হে, | — | ৩০৭ |
| সমাজিক | — স, ৰ, | — | ৩১০ |
| যৈণীৰ কৰ্ত্তব্য আৰু স্ত্ৰী শিক্ষা | — ৰ, মহন্ত | — | ৩১৮ |
| সমালোচনা | — আ, ৰ, | — | ৩১৯ |
| সাঁথৰ | — ল, বে, ৰ, | — | ৩১৯ |
| আখৰৰা সাঁথৰ | — | — | ৩২০ |
| কিয় প্ৰভু সৃজিলাহা মন্ন মহা মূঢ়ক (কবিতা) | — ৰ, ৰ, | — | ৩২১ |

প্রথম খণ্ড। কাত্তিক শক ১৮০৭, ইংৰাজী ১৮৮৫। দশম সংখ্যা।

| | | | |
|---|---|---|---|
| আগৰ দিন এতিয়াৰ দিন | — | — | ৩২৫ |
| বেদ | — আ, ৰ, (ব?)স, | — | ৩৩৩ |
| জাহাজ (কবিতা) | — | — | ৩৩৭ |
| শক্তি বিজ্ঞান | — ক, ব, | — | ৩৪৩ |
| ভূমিকম্প | — ক, ৰ, | — | ৩৪৯ |
| মন (কবিতা) | — হে, চ, গো, | — | ৩৫১ |
| যৈণীৰ কৰ্ত্তব্য ও স্ত্রী শিক্ষা | — ৰ, মহন্ত | — | ৩৫৫ |

প্রথম খণ্ড। আষোন শক ১৮০৭, ইংৰাজী ১৮৮৫। একাদশ সংখ্যা।

| | | | |
|---|---|---|---|
| আগৰ দিন এতিয়াৰ দিন | — | — | ৩৬১ |
| পুৰণি গুৱাহাটী নগৰ | — অ, ৰ, | — | ৩৬৪ |
| পুৰণি গুৱাহাটী নগৰৰ অতিৰিক্ত আৰু সংশোধিত বিবৰণ | — স, | — | ৩৭৩ |
| সংসাৰত সুখ নাই (কবিতা) | — হ, গ, | — | ৩৭৪ |
| জান্তৱ-জীৱন | — ৰ, মহন্ত | — | ৩৭৯ |
| কপাল আৰু কৰ্ম | — ক, ভি, ৰ, | — | ৩৮১ |
| পৌৰাণিক আৰু তান্ত্রিক কামৰূপ | — আ, স, | — | ৩৮৬ |
| লৰা কাল (কবিতা) | — স, ৰ, | — | ৩৯২ |
| গাৰো বৃত্তান্ত | — ৰ, মহন্ত | — | ৩৯৬ |

প্রথম খণ্ড। পুহ শক ১৮০৭, ইংৰাজী ১৮৮৬। দ্বাদশ সংখ্যা।

| | | | |
|---|---|---|---|
| নৱযুগ | — আ, কা, শ, | — | ৩৯৭ |
| শাৰীৰিক শ্রম | — শ্র, ম, | — | ৪০১ |
| মেঘ আৰু বিজুলি (কবিতা) | — ৰ, মহন্ত | — | ৪০৫ |
| এটা কথা | — স, ৰ, | — | ৪০৭ |
| মনুষ্যৰ ক্ষুদ্রত্ব আৰু মহত্ব | — ৰ, না, ৰ, | — | ৪০৯ |
| বিশ্বপতি (কবিতা) | — | — | ৪১৩ |
| উপদেশ (কবিতা) | — ম, আ, | — | ৪১৪ |
| গীত | — এ, বি, ই, | — | ৪১৫ |
| ইডেন গার্ডেন (কবিতা) | — শ্রীকৃ, দু, | — | ৪২০ |
| আগৰ দিন এতিয়াৰ দিন | — | — | ৪২৪ |
| জান্তৱজীৱন | — ৰ, ম, | — | ৪৩০ |


দ্বিতীয় খণ্ড। মাঘ-ফাগুন শক ১৮০৭, ইংৰাজী ১৮৮৬। ১।২ সংখ্যা।


| | | | |
|---|---|---|---|
| আসাম-বন্ধু | — | — | ৪৩৩ |
| আগৰ দিন এতিয়াৰ দিন | — | — | ৪৩৬ |
| বাৰি বিজ্ঞান | — আ, স | — | ৪৪২ |
| সমালোচনা | — এ, বি, সি | — | ৪৪৬ |
| যৈণীৰ কৰ্ত্তব্য ও স্ত্রীশিক্ষা | — শ্রী ৰ, মহন্ত | — | ৪৪৯ |
| সংসাৰ সুখৰ ঠাই (কবিতা) | — ৰ, ম, | — | ৪৫৭ |
| অসমীয়া ভাষা বুৰঞ্জী | — জ, ন, | — | ৪৬১ |
| ৰজনী (কবিতা) | — শ্রীভঃ | — | ৪৬৭ |
| বিবাহ ৰহস্য নাটক | — | — | ৪৬৯ |
| স্তোত্র (কবিতা) | — ক, ৰ, | — | ৪৭৪ |
| স্ত্রী শিক্ষা | — প, শ, | — | ৪৭৬ |
| টীকা | — স, | — | ৪৮১ |
| গাৱো বৃত্তান্ত | — শ্রীৰ, মহন্ত, | — | ৪৮২ |
| কৃষক | — উ, ম, | — | ৪৮৩ |
| যৌৱন আৰু বৃদ্ধাৱস্থা (কবিতা) | — ক, ৰ, | — | ৪৮৬ |
| বিধবা-বিলাপ (কবিতা) | — শ্রী বে, ৰ, | — | ৪৮৭ |
| বিজুলী (কবিতা) | — শ্রী হ, | — | ৪৯০ |
| প্রকৃতি (কবিতা) | — শ্রী হ, | — | ৪৯৪ |
| বাৰি বিজ্ঞান | — | — | ৫০০ |
| মোৰ চিন্তা (কবিতা) | — স, ৰ, | — | ৫০১ |
| প্রথম বছৰৰ কিছু নির্ব্বাচিত লেখকৰ নাম | — | — | ৫০৪ |


দ্বিতীয় খণ্ড। চ'ত-বহাগ শক ১৮০৭-৮, ইংৰাজী ১৮৮৬। ৩য়-৪র্থ সংখ্যা।



| | | | |
|---|---|---|---|
| আগৰ দিন এতিয়াৰ দিন | — | — | ৫০৫ |
| ৰজনী (কবিতা) | — শ্রীভঃ | — | ৫০৯ |
| যৈণীৰ কৰ্ত্তব্য ও স্ত্রী শিক্ষা | — ৰ, মহন্ত | — | ৫১২ |
| মানৱ সুখ আৰু দুখ (কবিতা) | — স, ৰ, | — | ৫২৩ |
| ডেকা কাল (কবিতা) | — স, ৰ, | — | ৫২৫ |
| গাৱো বৃত্তান্ত | — | — | ৫২৮ |
| বাঞ্ছা (কবিতা) | — স, ৰ, | — | ৫৩১ |

| | | | |
|---|---|---|---|
| প্রকৃত লাভ কি ? | — স্ব, ব, | — | ৫৩৭ |
| সন্ধ্যা (কবিতা) | — ল, বে, | — | ৫৪০ |
| কৈশিকাকর্ষণ | — | — | ৫৪৪ |
| রাসায়ণিক আকর্ষণ বা সম্বন্ধ | — | — | ৫৪৫ |
| চৌম্বকাকর্ষণ | — | — | ৫৪৯ |
| তাড়িত বা বিদ্যুতাকর্ষণ | — | — | ৫৪৭ |
| ভাবকেন্দ্র | — | — | ৫৪৯ |
| ঈশ্বর স্বার্থ ক'ত ? (কবিতা) | — | — | ৫৫১ |
| বাজনা | — | — | ৫৫৫ |
| মেঘ (কবিতা) | — শ্রী ভ: | — | ৫৫৬ |
| নেপোলিয়ন বোনাপার্ট | — | — | ৫৫৯ |
| মেঘ-দূত (কবিতা) | — | — | ৫৬৫ |
| ছাত্র রচনা (কবিতা) | — পি, | — | ৫৬৯ |
| জড়বস্তুর বিশেষ বা নৈমিত্তিক গুণ | — | | ৫৭১-৫৭৪ |



রায়বাহাদুর গুণাভিরাম বরুয়া

জন্ম : ১২ জানুয়ারী, ১৮৩৪ ।। মৃত্যু : ২৫ মার্চ, ১৮৯৪



আসাম-বন্ধু সযতনে বাখোঁতা গুণাভিৰাম বৰুৱাৰ নাতি

**মনোভিৰাম বৰুৱা**

জন্ম : ১ আগষ্ট, ১৯১১ ।। মৃত্যু : ৩০ ছেপ্টেম্বৰ, ১৯৬৯

# আসাম-বন্ধু।

মাসিক পত্র।

"নচ জ্ঞানাত্ পবং বলম্।"

প্রথম ভাগ। ) মাঘ শক ১৮০৬, ইংরাজী ১৮৮৫। ( প্রথম সংখ্যা।

## আরম্ভন।

যি জনাই এই চরাচর জগৎ সৃষ্টি করি পালন করিছে, যি জনাই সদাই জগতর শুভ বিধান করিছে, সেই জনাই আমাক এই শুভ কার্য্যত সহায় করোক। এই আরম্ভন শুভ হওক।

আ. ব.

# আসাম-বন্ধু।

আপোনা-আপুনি মিত্রভাৱে সম্বন্ধ লগাই আমি ওলাইছোঁহি; এতেকে আমার অলপ পরিচয় দিব লগিয়া হইছে। আসামর বন্ধু অনেক; অনেকে অনেক প্রকারে আসামর হিত সাধন করিব লাগিছে। কোনো রজা ঘরর বিষয়া হই প্রজার সুশাসনর নিমিত্তে সদাই উদ্যোগী। কোনোএ বা পুথি-পাঁজি লেখি দুখীয়া মাতৃ-ভাষার উন্নতি সাধিব লাগিছে। কোনোএ বা মধ্যস্থ হই প্রজার দুখ-বিবরণ রজার আগত সহস্র মুখে কব লাগিছে। এইবিলাকেই বাস্তবিক আসামর বন্ধু। এই-বিলাকেরে সহিতে তুলনা করিলে আমার পক্ষে আসাম-বন্ধু নামে পরিচয় দিয়া ফিতাহি মাপোন। আমি শাসন, বিচার-আদি রাজনৈতিক বিষয়াবলাকত হস্তক্ষেপ করিব নোখোজোঁ। রাজনীতত আমি অনভিজ্ঞ। সাম্প্রদা-য়িক ধর্ম্ম সম্বন্ধে আমি মতামত প্রকাশ নকরোঁ। রচনা-চাতুর্য্য আমার নাই, আরু তাক দেখোৱা আমার উদ্দেশো নহয়। ব্যাকরণর সূত্র লই আমি ধাতুবিতণ্ডা নকরোঁ। পরর প্রশংসা বা পরর নিন্দার আমি ওচর নাচাপোঁ। বতরা কোৱাও আমার ধাব নহয়। আমার উদ্দেশ্য সামান্য। সেইয়ে,—সাধারণর মনোরঞ্জন আরু জ্ঞান-চর্চ্চা।

আন আন দেশত সাধারণর উন্নতির নিমিত্তে অনেক পন্থা আছে। বৈজ্ঞানিক সভা, শিল্পকর্ম্মর মেলা আরু সাময়িক পত্রিকা—এইবিলাকর দ্বারাই সভ্য-দেশত সাধা-

ৰণৰ বড় উপকাৰ হয়। কিন্তু দুভগীয়া আসাম দেশত এই-বিলাকৰ অনুষ্ঠান নোহোৱা যাবে ইয়াৰ মানুহৰ মন মাতেই সঙ্কীৰ্ণ। শিক্ষাৰ উন্নতি নথকা যাবেই এই দেশৰ পুৰণি শিল্প আৰু সাহিত্য প্ৰায় লোপ পালেহি। আন্দোলনেই শিক্ষাৰ উন্নতিৰ মূল। কিন্তু আন্দোলন কৰিবলৈকো ইয়াত কোনো উপায় নাই। আমাৰ দেশত যিবিলাক মেল হয়, সেই বিলাকত সমাজৰ আচাৰ-ৰীতিৰ সাংথান আন্দোলন হয়। সেই বিলাক মেলত বিজ্ঞান, শিল্প, সাহিত্যৰ আন্দোলন হোৱা প্ৰথা ইয়াত সমুলি নাই। এই আন্দোলনৰ অভাৱ মোচন কৰিবৰ আশা কৰি আসাম-বন্ধু আগবাঢ়িছে। আমি এই পত্ৰত সাহিত্য, বিজ্ঞান আৰু শিল্প সম্বন্ধে আলোচনা কৰিম। এই এই বিষয়ে সকলোএই নিজৰ মত ইয়াত প্ৰকাশ কৰিব পাৰিব। অনুকূল প্ৰতিকূল সকলো প্ৰকাৰৰ মতে ইয়াত ঠাই পাব। কোনো শ্ৰেণী ৰ কোনো বিশেষ সমাজৰ মানুহৰ আমি মুখপাত্ত নহওঁ। যিকতে আন্দোলনৰ দ্বাৰাত্ম জ্ঞানৰ উন্নতি হয়, আমি তাৰে চেষ্টা কৰিম।

ব,

---

# আগর দিন এতিয়ার দিন।

## প্রথম অধ্যায়।

### আৰম্ভন।

আমাৰ ভাৰতবৰ্ষ। কোনো এজনা বিখ্যাত পণ্ডিতে কইছে "কলিযুগত গত কাল ধনা।" কলিতাৰ্থে অকল ভাৰতৰ নহয়, প্ৰায় সকলো দেশৰে লোক সকলে "আগৰ দিন ভাল, এতিয়াৰ দিন বেয়া" বুলি কই থাকে। আমি যেতিয়া সৰু আছিলোঁ, তেতিয়া বুঢ়া সকলক আগৰ দিন ভাল এতিয়াৰ দিন বেয়া বুলি কোৱা শুনিছিলোঁ। আমিও আমাৰ সমনীয়া সকলে লৈ যেতিয়া আমাৰ সৰু কালৰ কথা আলোচনা কৰোঁ, তেতিয়া আগৰ দিনৰ কথা কই অতিশয় আনন্দিত হওঁ, আৰু সেই দিনক ভাল বুলি কওঁ। এতেকে আমি এই প্ৰস্তাৱিত আগৰ দিন আৰু এতিয়াৰ দিনৰ কথা আলোচনা কৰিম।

কোনো কোনো বিষয়ত আমি আমাৰ দিনক বেয়া বুলি পিতৃ সকলৰ দিনক ভাল বোলোঁ। পিতৃ সকলে আকৌ তেওঁবিলাকৰ দিনক বেয়া বুলি পিতামহৰ দিনক ভাল বুলিছিল। কোনো কোনো বিষয়ত আকৌ আমি আমাৰ দিনক ভাল পিতৃ সকলৰ দিন বেয়া আৰু পিতামহৰ দিনক আৰু বেয়া বোলোঁ। যেনে অৱস্থাৰ লোকক প্ৰশ্ন কৰোঁ, সেই লোকেই আগৰ দিন এতিয়াৰ দিনৰ বিষয়ে সেইৰূপ উত্তৰ দিয়ে। যি লোক পূৰ্ব্বে অতিনীচ বুলি পৰিগণিত হইছিল, যাৰ সামাজিক অৱস্থা অতি অনাদৰণীয় আছিল, সেই লোকে এতিয়া আগতকৈ উন্নত আৰু আদৰণীয় অৱস্থা পাইও আগৰ দিনক বহু প্ৰশংসা কৰে। আপোনাৰ পূৰ্ব্ব

পুৰুষৰ পৰিচয় কোনেও চীন ৰূপে নিদিয়ে। অতি সাধাৰণ লোকেও তাৰ আগৰ পূৰ্ব্ব পুৰুষৰ বল, বীৰ্য্য, গুণৰ পৰিচয় বড় গৌৰৱেৰে প্ৰকাশ কৰে। মনুষ্য-জাতিৰ এইটী স্বভাব।

আগৰ দিন বুলি কোন দিনক ধৰিম, এইটো কঠিন। পুৱাৰ পৰা ষোল্ল৷ ৰাতি আগৰ দিন, এই বৎসৰৰ পক্ষে ষোল্ল৷ বৎসৰ আগৰ দিন, এতিয়াৰ দিনৰ পক্ষে পঞ্চাশ বৎসৰৰ পূৰ্ব্বকাল আগৰ দিন; পঞ্চাশ বৎসৰৰ পাছে এই কাল আগৰ দিন হ'ব। আৰু পঞ্চাশ বৎসৰৰ সেই কাল আগৰ দিন হ'ব; আগৰ দিন কেতিয়াবা এতিয়াৰ দিন আছিল, আৰু এতিয়াৰ দিন কেতিয়াবা আগৰ দিন হ'ব। এতেকে আগৰ দিন এতিয়াৰ দিন, ই আপেক্ষিক কাল মাত্ৰ।

ৰাজ্য-শাসনৰ বৰ্ত্তমান নিয়ম মতে গৃহস্থ আৰু গোলা-ময় সমান শাৰীৰিক স্বত্ব। কৃতবিদ্য লোক চীন জাতিৰ ভলেও এতিয়া উচ্চ পদ পাইছে। এই উপলক্ষে আহোম ৰজাৰ দিনলৈ লক্ষ্য কৰি প্ৰাচীন সকলে কয় যে "আগৰ দিনত এনে হব নোৱাৰিছিল,' এতিয়াৰ দিনৰ পক্ষে আহোম ৰজাৰ ৰাজত্বৰ সময়ে সইতে আমাৰ সাক্ষাৎ সম্বন্ধ। আহোম ৰজা সকলৰ পৌত্ৰ সকলে এতিয়াও আমাৰ দেশৰ উৎপন্নৰ অংশ বৃত্তি-স্বৰূপ খাব লাগিছে। সেই লক্ষলে এতিয়াও আমাৰ দেশৰ লোকৰ মাজত "পূজনীয়" হই আছে। আহোম ৰজাই দিয়া বৃত্তি এতিয়াও অনেকে উপভোগ কৰিব লাগিছে। আহোম ৰজাৰ পৰা পোৱা উপাধি এতিয়াও লোক সকলে ধাৰণ কৰিছে। আহোম ৰজাই উগ্ৰ দণ্ড কৰা এতিয়াও কোনো কোনো লোক জীবিত

আছে। আহোম রজার নিজস্ব ব্রহ্মদেশীয় মানৰ আক্রমণৰ সময়ত দৌৰাত্ম্য সহ্য কৰা এতিয়াও অনেক লোক আছে। আহোম রজার দুখত দুখী সুখত সুখী হোৱা এতিয়াও কিছুমান লোক জীবিত আছে। আহোম ৰজাই নির্ম্মাণ কৰোৱা মন্দিৰ, বন্ধোৱা আলী আৰু গড়, খনোৱা পুখুৰি এতিয়াও আছে। আহোম ৰজাৰ শাসনৰ শিকলী, সমাজ-বন্ধনৰ প্ৰথা আৰু সামাজিক নিয়ম এতিয়াও অনেক অংশে আছে। এই কাৰণ আহোম ৰজাৰ দিনকেই আমি আগৰ দিন বুলি এই গ্ৰন্থত লেখিম।

মুৰব্বী পাঠ কৰিলে জানিব পাৰি যে ৰাজেশ্বৰসিংহ স্বৰ্গলেহৰ দিনেই আহোম দিবাকৰ গৌৰৱৰ উচ্চ কাল। লক্ষ্মী সিংহ ৰজাৰ দিনৰ পৰা যেন্তে জলস্থল আৰম্ভ হয়। আহোমৰ জয়-পতাকা এই সময়ত অচল হ'ল। ইয়াৰে পৰা আহোম শ্ৰীভ্ৰষ্ট আৰু পৰাক্ৰম-হীন হই শেষত ৰাজ্যভ্ৰষ্ট হয়। ৰাজেশ্বৰ সিংহ স্বৰ্গলেহে ১৬৯১ শকৰ ১০ জেঠ, ইংৰাজী ১৭৬৯ সনৰ ২জুনত স্বৰ্গী হয়। আৰু তাৰ পুত্ৰ দিমা লক্ষ্মীসিংহ স্বৰ্গদেউৰে সিংহাসনত আৰোহণ কৰে। এই সময়ৰ পৰাই গ্ৰন্থাৰম্ভ কৰা হয়, আৰু ইয়াত এক শতাব্দীৰ কেই বছৰমান অধিক কালৰ বিবৰণ সংক্ষেপে সন্নিবেশিত হব।

——

# দ্বিতীয় অধ্যায়।

আমি যি সময়র কথা বর্ণনা করিম, সেই সময়েই আহোম জাতির অসম দেশ শাসনর উন্নতির উচ্চ সীমা। এই সময়ত আহোমর বিদেশীয় আক্রমণ শেষ হইছে। এই জনা রজাই অনেক চিরস্থায়ী আরু সৎ কার্য্য করিলে। তেঁও সর্ব্ব প্রকার বিদ্যার উৎসাহ-দাতা আছিল। তেঁওর এই রূপ সৎকার্য্যত বকতীয়ানর গেছেলা বা কীর্ত্তিচন্দ্র বড় বড়ুৱাই সজ পরামর্শ দি সাহায্য করিছিল। এঁওর দিনতে রঙ্গপুর নগরত ঘনশ্যাম নামে ভাটীর মিস্ত্রি অনাই দুটা পকি তলাতল ঘর আরু দুতলীয়া রঙঘরর ওচরতে সরু এটী পকি রঙ ঘর করোৱা হল। বতি খোৱা বড় ফুকন, কাঠ-কটীয়া বড়ুৱা আরু ডেকা বড় বড়ুৱাই তিনটী আলী করালে। গুৱাহাটীর বশিষ্টাশ্রম, মণি-কর্ণেশ্বর আরু চিত্রাচলত মন্দির করোৱা হল। নেখেড়ী-জীজত এটী মন্দির নির্ম্মাণ করিবলৈ আরম্ভ করা হইছিল। মণি-পুর দেশর রজাই তেঁওর জীএকক রাজেশ্বর সিংহ রজার সৈতে বিবাহ দি মিত্রতা করিলে। দান-শক্তিত স্বর্গদেউ রাজেশ্বর সিংহ বিখ্যাত আছিল। এনে যে যেইএ যেতিয়া যি খোজে প্রায় তাকে দিছিল। রজা অনাই সময়ে সময়ে লেন মেলা রঙ চাবলৈ যোৱাত বা আন সকামে বাহিরলৈ ওলোৱাত কোনো লোকে ভিক্ষা করিলে তেতিয়াই দান দিয়া হইছিল। এই জনা রজাই অসমীয়া, দেৱনাগরি, পারসী আখরেরে মোহর করাইছিল। বিদেশীয় রজা সকলে সহিতে এই জনা রজার মিত্রতা করা বড় আবশ্যকীয়

কার্য্য আছিল। বিদেশীয় লোক আহিলে তাক স্নেহ করি থাকিবলৈ মাটী বাড়ী দিয়া হইছিল। মণিপুরীয়া কুঁৱরীর লগত যি যোৱা মানুহ আহিছিল, সেই যোৱাক দীঘৌচৰ কোখতে বহুজাই দিয়া হল। সেই ঠাইক এই পর্য্যন্তে 'মগলু খাত' বোলে। সংসারত কোনো বস্তু বা কার্য্য নিষ্কলঙ্ক নহয়। চন্দ্রত যেনে কলঙ্ক আছে সেইরূপে এই রজার দিনত অসম দেশর বুরঞ্জী দগ্ধ করা কার্য্যটো রাজেশ্বর রজার আরু কীর্ত্তি চন্দ্র বড় বড়ুৱার কুকীর্ত্তি বুলি চিরকাল ঘোষিত থাকিব।

রাজেশ্বর সিংহ স্বর্গদেৱ ১৬৯১ শকর ২০ জেঠত স্বর্গী হল। তার পাছ দিনা রুদ্র সিংহ স্বর্গদেৱর কনিষ্ঠ পুত্র লক্ষ্মী সিংহ স্বর্গ দেৱ সিংহাসনত উঠিল। এই সময়ত দেশ ধনে জনে পূর্ণ। ইয়াকেই লোকে সুখীয়া বা শান্তির কাল বোলে। এই সময়ত অসম দেশর সীমা এইরূপ আছিল :—উত্তরে ভোটর পর্ব্বত; দক্ষিণে নগা, মিকির, খাশীয়া আরু গাড়োর পর্ব্বত; পূর্ব্বে মিচিমী, চিংফৌ, খামতীর পর্ব্বত; আরু পশ্চিমে গোৱালপাড়া জিলর চাবড়া ঘাট পরগণা আরু মানাহা নদী। অসম রজার চারিও কালে চুবুরিয়া জাতিবিলাক কোনোএ মিত্র রূপে আরু কোনোএ করদ রূপে আছিল। চিংফৌ, খামতী, নগা, আবর, ডফলা প্রভৃতি পর্ব্বতীয়া জাতীয়ে সইতে আমার রজার মিত্রতা আছিল। এই বিলাক জাতীয়ে অসম রজার প্রাধান্য স্বীকার করিছিল। আরু নির্ভর দেশর উৎপন্ন দ্রব্য কর-স্বরূপ দিছিল। ই কালে আকৌ আমার রজার পরা নির্ভর প্রধান প্রধান লোক সকলে খাট-স্বরূপ বার্ষিক বৃত্তি পাইছিল। যেজিরাই এইরূপে

দিয়া নহয়, তেতিয়াই সিহঁতে নামনীলৈ আহি উপদ্রব করে। এই উপদ্রব-নিবারণর নিমিত্তে স্থানে স্থানে সৈন্য আরু সৈন্যাধ্যক্ষ আছিল; আরু সিহঁতে সইতে মিত্রতা রাখিবর কারণে কটকী আরু বড়ুৱা উপাধি দি কিছুমান লোক রখা হইছিল। আরু সময়ে সময়ে সেই সেই জাতীর ডাঙর ডাঙর কোনো লোকক আমার দেশর উপাধি দিয়া হইছিল, আরু সময়ে সময়ে সেই জাতির ডাঙর লোক সকলক অসম রজাব প্রতি ভক্তি কবিবলৈ শপথ খুৱাই হইছিল। সেই বিলাকে সেইরূপ শপথ ভাঙ্গিলে সিহঁতক দিস লগীয়া বস্তু দিয়া নাযায়। আরু সেই বিলাকক সময় পালে ধরি আনি বধ কৰা যায়। বি কোনোএ আবরি জাতিক বাই দিয়ে, সেই লোকে রাজসম্মান আরু অনুগ্রহ পাইছিল। কছারী, জয়ন্তা আরু মণিপুরর রজারে মিত্রতা আরু সন্ধি আছিল। মণিপুরীয়া রজাই নিজর কন্যা দি সেই মিত্রতা বিশেষকৈ দৃঢ় করিলে। খাশীয়া আরু গাড়োব রজা বিলাকেরেও রজার মিত্রতা আছিল; আরু ভোটর রজারেও মিত্রতা আছিল। সেই সেই জাতির ডাঙর লোক সকলে সইতে আমার স্বর্গদেৱ বিশেষ মিত্রতা করিছিল। সিহঁত কেতিয়াবা দেশলৈ আহিলে বিশেষ আদর আরু সম্মান করা হইছিল। পর্ব্বতীয়া লোক মাত্রেই অসভ্য আরু মহা লোভী, অথচ অহঙ্কারী। সময়ে সময়ে সেই সকলে আহি নামনীর লোকর ওপরত উপদ্রব করিছিল। এইরূপ নিবারণর অর্থে বি বিলাক কটকী বা দুৱরীয়া বড়ুৱা আছিল, সেই লোক সকল সতর্ক আছিল। মিকীর আরু মিরী জাতির লোক অতি শান্ত প্রকৃতির। সিহঁতেও আমার

স্বর্গদেৱৰ প্রাধান্য স্বীকার করিছিল। ৰাজেশ্বর ৰজাই ৰাজাধিৰাজ উপাধিৰে মোকৰ মৰাইছিল। আমাৰ ৰজাৰ অধীনে এই বিলাক ৰজা আছিল।—প্রথম দৰজৰ ৰজা; এওঁৰ ৰাজধানী মঙ্গলদই। এওঁৰ ৰাজত্ব উত্তৰে ভোটীয়া পর্ব্বত, পশ্চিমে বড় নদী, পূর্ব্বে চাৰি দুৱাৰ, দক্ষিণে ব্রহ্মপুত্র নদ আছিল। এই চাৰি সীমাৰ ভিতৰত এওঁৰ প্রায় ৰজাৰ দৰে স্বাধীন ক্ষমতা আছিল। সময়ে সময়ে অসম ৰজাক দৰজী ৰজাই পাইক যোগাই দিছিল। এই পাইক বোৰে গুৱাহাটীৰ বড় ফুকনৰ অধীনে নির্দ্দিষ্ট কার্য্য কৰিছিল। এজন দৰজী পাইকে ঘৰৰ পৰা খোৱা বোৱা বস্তু লই আহি আন এজনক সলনি কৰে। আজি পর্য্যন্ত "দৰজী পাইকৰ সদল" এই কথা ৰাষ্ট্র আছে। দৰজী ৰজাই কিমান পাইক দিছিল, তাৰ নিশ্চয় কৰা টান। যেতিয়া যি ৰজাই বিমান-সুবিধা পাইছিল, তিমান দিছিল, আৰু গুৱাহাটীৰ বড় ফুকনৰ আৱশ্যক মতে দিছিল। কোনো সময়ত কম কোনো সময়ত বেশী দিছিল। দহ হাজাৰ ঊৰ্দ্ধ আৰু তিনি হাজাৰ কম সংখ্যা আছিল। দৰজ প্রদেশৰ বাষিকীয় ৰাজস্ব আৰু শাসনৰ কার্য্য এই দৰজী ৰজাই কৰিছিল। দৰজী ৰজাই বিষয়া ভজা-পোতা কৰিছিল, বৃত্তি বিধান দান কৰিছিল। আৰু উচ্চ দণ্ড পর্য্যন্ত কৰিছিল। দৰজ প্রদেশৰ সীমাৰ মাজত ভোট আৰু ডফলাৰ উপদ্রৱৰ বিষয়ে দৰজী ৰজা দায়ী আছিল। দৰজী ৰজাৰ ঘৰ কোচবেহাৰ আৰু বিজনীৰ ৰজাৰ বংশৰ। বহুকাল পূর্ব্বে বিজনীৰ পৰা কাটি আহি দৰজত ৰাজত্ব কৰে। পৰিশেষত আকোম ৰজাৰ অধীন হয়। দক্ষিণ কালে বেলতলাৰ ৰজাও দৰজী ৰজাৰ

কৈদর। এজন দৰজী কোঁৱৰে আহি এই অঞ্চলত ৰাজত্ব করে। এই ৰজাও প্রধান আছিল। ডিমৰুৱা আৰু ৰাণীৰ ৰজাইও প্রায় বেলতলীয়া ৰজাৰ দৰেই। এই সকলৰ বাহিৰেও বড় দুৱাৰ, ছয় গাঁও, বকো, বনগাঁও, লুকী নামে কেইখন মান প্রদেশ আছিল। এই বোৰক দুৱাৰ বোলে। খাশীয়া আৰু গাৰো প্রভৃতি পৰ্ব্বতীয়া জাতি অহাৰ দুৱাৰেৰেই এই এই প্রদেশৰ নাম। সেই পৰ্ব্বতীয়া জাতি বোৰৰ উপদ্রৱ নিবাৰণ কৰাই এই সকল ৰজাৰ প্রধান কার্য্য। ডিমৰুৱা ৰজাৰ অধীনত পানবাড়ী নামে এখন ক্ষুদ্র প্রদেশ আছিল।

নেলী, শহৰী, আৰু গোড়া নামে তিনি খন ক্ষুদ্র প্রদেশ আছিল। এই কেই প্রদেশ এতিয়া নগাঁও জিলাৰ অন্তর্গত হইছে। বঘৰা, টোপাকুচী, ভু বন্ধা, বেতেলীয়া, মায়ঙ, শালমৰা প্রভৃতি স্থানত যি বোৰ শাসন কর্ত্তা আছিল, সেই বোৰক ৰজা-পোৱালি বোলে। নগাঁওৰ কছাৰি পাৰে ভুঁয়া আৰু লস্কৰ উপাধিৰ কছাৰ ৰজাৰ অধীন কিছুমান বিষয়া আছিল। এই বিলাক দাঁতীয়ালীয়া কার্য্যকাৰকে আপোন আপোন অধীন প্রদেশ শাসন-কৰিছিল। এই বোৰ শাসন কর্ত্তাই কৰ-স্বৰূপ পাইক খাটি-বলৈ আহোম ৰজাৰ অধীন গুৱাহাটীৰ বড় ফুকনক দিছিল। উত্তৰ কূলত এতিয়াৰ কামৰূপৰ অধীনত বাস্কা, বিজনী প্রভৃতি আহোম আৰু ভোটৰ সীমান্তঃপাতী স্থানত উজাৰ উপাধিৰ কেই জন মান বিষয়া আছিল। এই উজাৰ বিষয়া সকল ভোটৰ অধীন হলেও প্রায় আহোমৰ কৰতলীয়া আছিল।—( ক্রমশঃ )

# আসামবাসী।

(১)

হে আসামবাসি! মিনতি আমার,
নয়ন উন্মিলি দেখ একবার;
সদাই নিদ্রিত, অতি অসুচিত,
দেখ একবার নয়ন মেলি।
তোমা সব সম কোন্ হেন জাতি,
আলস্যার বশ; উলটি পালটি
কোন হেন জাতি, চির-শয্যা পাতি
শুইয়াছে; দেখ মস্তক তুলি।

(২)

কোন হেন জাতি অন্ধকারে পড়ি,
আলোক এ ভয়া করে ধড়ফড়ি?
কোনো নোহে এনে, সবেও যতনে
খাইছে পোহরে আন্ধার ত্যজি।
সবে সচেতন এড়িয়া আলস্য;
সবেও আনন্দে মুখে করি হাস্য
আত্মোন্নতি-রত, দেশোন্নতি-রত;
আসাম কেবল নিদ্রিত আজি।

(৩)

আসাম কেবল আজিও নিদ্রিত,
আসাম কেবল আজিও ঘূর্ণিত;
জড় বস্তু প্রায়, কিম্বা মৃত-কায়
স্বরূপ, আজিও আসামবাসী।

নাই পরিশ্রম নাই কোনো চেষ্টা,
ভাবিছে আলস্য পরম দেৱতা ;
নাহিকে উন্নতি, মাত্র অধোগতি ;
বন্ধন বিসর্গ, নাহিকে হাঁসি।

( ৪ )

মুখে 'নাই হাঁসি' ই কথাও নোহে,
পরর দুখত সবে কিন্তু হাঁহে ;
একর অনিষ্ট, আন জন তুষ্ট ;
আনর বিপদে অসীম হাঁস।
অসমীয়া সবে যতেক হাঁসয়
আনর কষ্টত, চিত্ত হর্ষময়,
এনে কোনো জাতি, নাই ত্রিজগতী ;
মিছা কথা মাত্র 'নাহিকে হাঁসি।'

( ৫ )

দেশোন্নতি যাত, নাই তাত মন ;
কৃষি শিল্প বাণিজ্যক বিসর্জ্জন
দিয়াছে ; মিস্তিরী, হালোৱা বেপারী
কিরূপে বা হুব, ল জর কথা !
"চালে বা বাঢ়ই বেপারী নহয়ে
"বোপা ককা মরি গল এনেকৈয়ে"
এড়ি নিজ মান, সামান্য সমান
কিরূপে ধরিব নতুন প্রথা !

( ৬ )

হে আসাম বাসি !
"বোপা-ককা মরি গল এই মতে"
এনে কথা আৰু নানিবা মুখত ;

তেনে বাক্যোচিত, করিছা রক্ষিত
আন কোন রীতি ? কহিও মোক।
চুলি কাটি কালা "আল্‌বার্ট্‌" সেওঁতা,
পিন্ধা বেদেশীয় বস্ত্র মোজা জোতা,
ব্যভিচার রাতি, মদো নাই বাকি ;
আরু কত কথা, কলে পাবা শোক।

( ৭ )

এড়া তেনে কথা, হোৱা সচেতন,
কৃষি শিল্প হেতু করিও যতন ;
স্বাধীন ব্যৱসা, হেতু করা আশা,
আলস্য-পিশাচ করিও দূর।
স্বদেশ বিদেশ করিও ভ্রমণ
বাণিজ্যর হেতু ; উন্নতি সাধন
করিও নিজর, করিও দেশর ;
হওক দেশর সর্ব্বাঙ্গ পুর।

( ৮ )

"বোপা-কক্কা মরি গল এই মতে"
এই কথা ধরি নমরা তেমতে ;
মেলিয়া নয়ন, কার্য্যে দিয়া মন
নাথাকা নাথাকা একেটা ভাবে।
চক্ষুর ওচরে করা দরশন,
জড় হিমাদ্রিরো পরিবরতন
আছয় ; ভূধর হোৱে শোভাকর
ঋতুএ ঋতুএ নবীনভাবে।

( ৯ )

ব্রহ্মপুত্র নদো সদা বহুমান
নিজ কার্য্যে ; দেখা সদা থাকমান,
বাঢ়িছে টুটিছে ভাঙিছে গঢ়িছে ;
কোনেও নাথাকে একেটা ভাবে।
কিয় তবে হায় ! তোমালোক সবে
ধরণীরতাৰ মাত্র হুই তবে
থাকিবা সদাই ? পরমুখ চাই
কিয়নো থাকিবা একেটা ভাবে?

( ১০ )

বিবেচনা করি দেখা মনে মনে
অলঙ্কৃত তোমাসব কোন্ গুণে ?
নাই বিদ্যা-গুণ, শিল্পে অনিপুণ,
নাম মাত্র কৃষি, বাণিজ্য নাই।
নাই উদারতা, নাই সহিষ্ণুতা
নাহিকে মমতা, পরোপকারিতা,
নাই সজনীতি, অনীতিত প্রীতি ;
কিবা আছে তোমাসবার ভাই ?

( ১১ )

থকার ভিতরে মূর্খতা-আন্ধার ;
আছে মাত্র হায় কুরীতি অপার ;
আছে হিংসা-ভাব, অমিল স্বভাব,
স্ব-অর্থপরতা উন্নতি-হুল।
আছে অহিফেণ, চির দরিদ্রতা,
আছে অহঙ্কার, "ফেশনে" মমতা,

বৃথা গম্ভীরতা, অবাচ্যে পটুতা,
আছয়ে আলস্য দারিদ্র্য-মূল।

( ১২ )

ছি ছি অসমীয়া! উঠা উঠা উঠ,
চির নিদ্রা এড়ি মেলা চক্ষু দুটা;
ছোৱা সচেতন, নাথাকা মগন
আলস্য-পিশাচ-ক্রোড়ে একতিল।
অনর্থর মূল অভিফেণ বিষে,
গোমাংস ভাবিয়া মনয় হাৰিবে
এৰা সর্ব্বজনে; কার্য্যে দিয়ামন;
কৰিও স্বদেশ উন্নতিশীল।

ভ, দ,

---

# দেশীয় পরিচ্ছদ।

পরমেশ্বরে সামান্য পশু-পক্ষী বিলাকক যেখোপযোগী শরীরাবরণ প্রদান করি তেওঁর অনন্ত বিজ্ঞতার পরিচয় দিছে। শীত-প্রধান দেশর পশু পক্ষীর লোম আরু পাখী বহু ঘন, আরু দীঘল; সেই বিলাকর দ্বারা সিহঁতে উত্তম-রূপে শীত নিবারণ করি জীবন ধারণ করিব পারে; কিন্তু গ্রীষ্ম-প্রধান দেশর পশু পক্ষীর শরীরাবরণ তদ্বিপরীত; সেই নিমিত্তেই গ্রীষ্ম-প্রধান দেশর পশু পক্ষী শীত-প্রধান

দেশলৈ, আরু শীত-প্রধান দেশর পশু পক্ষী গ্রীষ্ম-প্রধান দেশলৈ আনিলে অধিক দিন জীবিত থাকিব নোৱারে।

মানুহর দরে পশু পক্ষী বিলাকর শরীরাবরণ পরিবর্ত্তন করিবর শক্তি নাই। মানুহ জ্ঞান-সম্পন্ন প্রাণী। মানুহর কোনো প্রকারর স্বাভাবিক অঙ্গাবরণ নাই। ভেঁওক পরমেশ্বরে যি বুদ্ধি-শক্তি দিছে, সেই বুদ্ধির পরিচালনাত দেশোপযোগী পরিচ্ছদ প্রস্তুত আরু ব্যৱহার করি স্বচ্ছন্দে দিনপাত করিব পারে, আরু সেই দরে সংসার চলি আছিছে।

কাপোর পিন্ধার দ্বারা মানুহর চারিটী উদ্দেশ সাধন হয়। প্রথম শীত-নিবারণ, দ্বিতীয় বাহিরর ধূলি-মাটি আরু সূর্য্যর উত্তাপর পরা শরীর কিছু পরিমাণে রক্ষা করা, তৃতীয় লজ্জা-নিবারণ, চতুর্থশোভা-বর্দ্ধন। এই কেইটী উদ্দেশ যি প্রকার পরিচ্ছদর দ্বারা সম্পূর্ণরূপে সিদ্ধি হয়, দেশ-ভেদে আরু শীত-গ্রীষ্মানুসারে সেই সেই প্রকারর কাপোরকে ব্যৱহার করা উচিত। শীত-কালর কাপোর গ্রীষ্ম-কালত অনুপযুক্ত, আরু গ্রীষ্ম-কালর কাপোর শীত-কালর নিমিত্তে উপযুক্ত নহয়। সেই দরে শীত-প্রধান দেশর মানুহর কাপোর গ্রীষ্ম-প্রধান দেশর মানুহর, আরু গ্রীষ্ম-প্রধান দেশর মানুহর কাপোর শীত-প্রধান দেশর মানুহর কাপোরতকৈ সম্পূর্ণরূপে বিভিন্ন হোৱা উচিত। গ্রীষ্ম-প্রধান দেশর কাপোর লঘু, পাতল আরু ঘর্ম্ম-শোষক হব লাগে। কিন্তু শীত-প্রধান দেশত জাৰর গতিকে পাতল, আরু লঘু কাপোরর পরিবর্ত্তে ডাঠ কাপোর বা লোমর কাপোর আরু উষ্ম-থকা কাপোরর আৱশ্যক। বিশেষকৈ শীত-প্রধান দেশর মানুহর শরীরর সমুদায় অঙ্গ-

প্রত্যঙ্গ আচ্ছাদিত নহলে, জাবর নিমিত্তে থাকিবর উপায় নাই, কিন্তু গ্রীষ্ম-প্রধান দেশর নিমিত্তে এই প্রকারর পরিচ্ছদ অসুখ-জনক, প্রকৃতির বিরুদ্ধ আরু অস্বাস্থ্যকর।

ইংলেণ্ড প্রভৃতি শীত-প্রধান দেশর মানুহর পরিচ্ছদ তেঁও বিলাকর দেশোপযোগী। তেঁও বিলাকর ভরির আঙ্গুলিয়ে পরা মুরলৈকে গোটেইটো গা সমুলি ঢকা। বাস্তবিকো তেঁও বিলাকর দেশত সেই প্রকারর কাপোর বড় লাগতিয়াল; ভারতবর্ষর অনেক ডেকা মানুহে ইংরাজ বিলাকর ভাল, বেয়া সকলো বিলাক কার্য্যকে অনুকরণ করিবলৈ গই একেবারে সম্পূর্ণ ইংবাজি পোষাক পিন্ধিবলৈ আরম্ভ করিছে। ইয়ার দ্বারা তেঁও বিলাকর শোভা-বর্দ্ধন হব পারে হয়, কিন্তু স্বাস্থ্য-রক্ষা যে হব নোৱারে, তাক তেঁও বিলাকেও জানিব পারে।

এই নিয়মর দ্বারা দেশর দুটী বিষয়ে বড় অনিষ্ট হইছে। প্রথম বিদেশীয় পোষাক পিন্ধিলে পিন্ধাজনক পোষাকর পরা স্বদেশীয় মানুহ বুলি চিনা টান। সকলো দেশর মানুহরে এটি এটি দেশীয় বা জাতীয় পোষাক আছে, তার দ্বারা তেঁও বিলাক নো কোন দেশীয় বা কোন জাতীয় মানুহ তাক ভালকৈ চিন ধরিব পারি; কিন্তু ভারতবর্ষর বিশেষকৈ আমার আসাম দেশর মানুহর সেইটী চিন পাবলৈ নাই। কোনো বিলাক একেবারে সাহাব, কোনো বিলাক অর্দ্ধ সাহাব অর্দ্ধ মুচলমান; পোষাকর দ্বারা মানুহ চিনা টান। কিন্তু এই অবস্থা যে দেশর বিশেষ অপমানর বিষয় তাক কোৱা বাহুল্য মাত্র।

আমার দেশর পুরুষর পোষাক যদিও নানা প্রকারে সানসিহলি হইছে, তথাপি এতিয়ালৈকে অসমীয়া তিরু-

তার পোষাকত সেই দোষ নাছিল, তেঁও বিলাকক দেখা মাত্র অসমীয়া তিৰুতা বুলি চিন ধৰিব পারি, কিন্তু কি দুখর বিষয় আজি কালির অনেক শিক্ষিত ডেকাই নিজে নিজে ইচ্ছা করি তেঁও বিলাকক দুষ্টমীয়া করিবলৈ কার-বার লগাইছে। মেখেলা আরু রিহার পরিবর্ত্তে কোনো কোনোএ তিৰুতার অনিচ্ছা থকাতো শাড়ির ব্যৱহার করাইছে।

কাপোৰ পিন্ধার যি চারিটী ঘাই উদ্দেশ্য কথা ওপরত কোৱা হইছে, শাড়িৰ দ্বাৰা সেই কেইটী উদ্দেশ্যর এটী উদ্দেশ্যও যে ভালরূপে সিদ্ধি নহয়, তাক কোনে নাজানে? ভদ্র আরু অপক্ষপাতী বাঙ্গালী বিলাকেও শাড়ির অপ-কৃষ্টতার কথা স্বীকার নকরি থাকিব নোৱারে। এজন বিজ্ঞ বঙ্গালী গ্রন্থকারে অসমীয়া তিৰুতাৰ মেখেলা রিহা প্রভৃতি পোষাক যে শাড়িতকৈ অনেক গুণে শোভাবর্দ্ধক আরু লজ্জা-নিবারক, তাক স্পষ্টরূপে প্রকাশ করিছে। আজি কালির অনেক অসমীয়া গাভরুৱে রিহার তলত এটী কুর্ত্তা ব্যৱহার করাত, রিহার যি এফেরিমান দোষ আছিল, সিও নিবারন হইছে। বর্ত্তমান সময়ত অনেক উচ্চ শ্রেণীর ভদ্র বঙ্গালী মহিলাইও তেঁও বিলাকর লজ্জাকর শাড়ির ব্যৱহার এড়িবলৈ ধরিছে, কিন্তু আমার দেশর শিক্ষিত ডেকা সকলে হলে, শাড়িত গুণর ভাগ বেশীকে দেখিছে।

যদি ইউরোপীয় তিৰুতা বিলাকর পরিচ্ছদর অনুকরণ করিলে হেতেন, তেনে হলেও আমার বিশেষ আপত্তি নাই, কিয়নো তেঁও বিলাকর পরিচ্ছদ সর্ব্ব প্রকারে ভাল, তার দ্বারা কাপোর পিন্ধার যি বিলাক ঘাই উদ্দেশ্য সেই

বিলাক সর্ব্ব প্রকারে সিদ্ধি হয়। ভাল বিষয়র অনুকরণ অবশ্য কবিব লগিয়া, তাত কাবো আপত্তি নাই। যি সকলর ইউরোপীয় মহিলাব পোষাক অনুকরণ কবিবলৈ শক্তি আছে, তেঁও বিলাকে তাক কবাত দোষ নাই। কিন্তু মেখেলা বিহাব পবিবর্ত্তে নিতান্ত কুৎসিত শাড়িব ব্যবহার কবা সুকচি বুলিব নোৱাবি।

বিদেশীয় পোষাকব অনুকবণ কবাত আমাব যি প্রথম অনিষ্ট তাক যথা সাধ্যে ওপরত বর্ণনা করা হল, এতিয়া দ্বিতীয় বিধ অনিষ্টব কাবণ তলত লিখা যাব।

সম্প্রতি দেখা যাওক যে আমাব ডেকা সকলে যি ইউরোপীয় পবিচ্ছদ ব্যবহার কবিবলৈ আবম্ভ কবিছে, সি নো আমার এই গ্রীষ্ম-প্রধান দেশব স্বাস্থ্য-রক্ষার পক্ষে কিমান উপযোগী।

স্বাস্থ্য-বক্ষার ফালে চাব লাগিলে মানুহে বাহিবে ভিতরে ঋতুভেদে সদাই এক প্রকার গুণ-বিশিষ্ট কাপোব পরিধান কবা উচিত। এদিনর ভিতবতে তিনি চারি প্রকার গুণ-বিশিষ্ট পোষাক সলালে স্বাস্থ্যরক্ষা হোৱা টান। আমাব দেশ গ্রীষ্ম-প্রধান, ইয়াত জহকালি ইউরোপীয় শীত-প্রধান দেশব পোষাক পিন্ধি থকা বড় অসুখজনক। সেই নিমিত্তেই প্রায় অনুকবণকাবী এই ঘবর ভিতবত দেশীয় আরু বাহিবত ইংবাজি পোষাক পিন্ধাব নিয়ম করি লইছে। প্রচণ্ড রদত, ভয়ানক গ্রীষ্মত বড় অসুখ হলেও সভ্যতার অনুবোধত ইংবাজি পোষাক পিন্ধিবলৈ বাধিত হয়, কিন্তু যেই ঘবলৈ গল তৎক্ষণাৎ সেই বিলাক খহাই, উদঙ্গ-দেহে কিছু স্বস্থ হয়। অনেকে কার্য্য স্থানর পবা যাবব সময়ত বাটে বাটে কোট

পেণ্টুলনর বুতাম খহাই যাবলৈ তত্ নাপায়। যাস্ত বিকো বহাগ জেঠ মাহর ভয়ানক জহত বিশেষকৈ মধ্যাহ্ন কালত ইংরাজি পোষাক পরিধান করা যে নিশেষ কষ্টদায়ক তাক তেঁও বিলাকেও স্বীকার নকরি নোৱারে। আৰু এটী বড় আচরিত যে কোনো কোনো দেশীয় সাহাবে এই ভয়ানক গ্রীষ্ম কালতো "পশমি কোট পেণ্টুলুন" পিন্ধিবলৈ পাছুতরি নহয়।

যেনেকৈ বড় রদব পরা আহি কিছু পর বিশ্রাম নকরাকৈ হঠাৎ পানী খালে বা পানীত পরিলে মানুহে "ছর্দ্দিগর্ম্মি" হই তৎক্ষণাৎ মরিব পারে, সেই দরে মানুহর সর্ব্বাঙ্গ গরম কাপোরেরে আচ্ছাদিত রাখি, একেবারে হঠাৎ উদঙ্গ হলে যদিও নমরে হয়, তথাপি তার দ্বারা কাহ, জ্বর, অজীর্ণ প্রভৃতি নানা প্রকারর পীড়া জন্মিব পারে।

অনেকে কব পারে যে ইংলণ্ডীয় বিলাকে আমার এই গ্রীষ্ম-প্রধান দেশত তেঁও বিলাকর দেশী পোষাক পিন্ধি যদি সুস্থ শরীরে থাকিব পারে, তেনে হলে আমি নো থাকিব নোৱারবার কারণ কি? তার উত্তর এই যে ইংলণ্ডীয় বিলাকে যি পোষাক পিন্ধে, সেই পোষাক তেঁও বিলাকর দেশীয় বা জাতীয় পোষাক, সেই নিমিত্তে তাক তেঁও বিলাকে এড়িব নোখোজে। আমার দেশর মানুহে দেশীয় পোষাকর পরিবর্ত্তে বিদেশীয় পরিচ্ছদ পিন্ধা যেনেকৈ সভ্যতার লক্ষণ বুলি গণ্য করে, ইংরাজ বা অন্যান্য স্বাধীন জাতীয়ে তেনে বিবেচনা নকরে। তেঁও বিলাকর নিজ নিজ দেশর পোষাকক এটী এটী গৌরবর চিন যেন হে ভাবে, তথাপি তেঁও বিলাকেও এই দেশত অপেক্ষাকৃত লঘু আৰু পাতল কাপোর ব্যবহার নকরি থাকিব নোৱারে।

বিশেষকৈ তেঁওবিলাকে ঘরে বাহিরে সদা সর্ব্বদা একে প্রকারর কাপোৰ পিন্ধে, আমার মানুহর দরে ক্ষণেকতে তাক সলাবর আবশ্যক নহয়, কারণ ভারতবর্ষীয় প্রায় বিলাক ইংরাজেই দিনে রাতিয়ে বড় বড় পাংখার তলত থাকিবলৈ সমর্থ, এতেকে গ্রীষ্মকালতো তেঁওবিলাকে ইংলণ্ডীয় পরিচ্ছদ পরিধান করাত বিশেষ অসুখ নাপায়। আমার দেশীয় বিলাকর ভিতরত কেই জনে সেই দরে নিয়মত থাকিব পারে ?

ইত্যাদি কারণর পরা বুঝিব পারি যে ইংলণ্ডীয় পোষাক আমার মানুহর নিমিত্তে স্বাস্থ্যকর হব নোৱারে। পক্ষান্তরে ভাবি চাব লাগিলে পূর্ব্বকালর ভদ্র লোক সকলর যি দেশীয় পোষাক আছে, আজি কালি মানুহর রুচি আরু অবস্থালৈ চালে তাকো একেবারে স্বাস্থ্যপ্রদ, সুখজনক বা শোভাবর্দ্ধক বুলিব নোৱারি ; এতেকে আমার মানুহর বিদেশীয় শোভাবর্দ্ধক পোষাকর অনুকরণ নরি থকা টান। এতেকে আমার দেশীয় পোষাকরো কিছু পরিমাণে পরিবর্ত্তন করি, যেনেকৈ মানুহর রুচি, সভ্যতা আরু দেশরো উপযোগী হয়, এনেকুৱা এটী দেশীয় সাধারণ পোষাকর সৃষ্টি করিবলৈ, সমাজ-সংস্কারক প্রাচীন মহাশয় সকলর মনোযোগ আকর্ষণ হোৱা নিতান্ত আবশ্যক।

———

# সদানন্দর কলাঘুমটি।

কেতিয়াবা কানী-টিকিয়ার ছাট মারি ধোঁৱারে ঘর গোটাইটো ভরাই দিছিলোঁ; কেতিয়াবা টিকিয়া এড়ি পায়স, কুঁহিয়ার, গুড়, গাখীর, মালভোগ কল, ঘয়া-চাউলর পিঠা আদি করি সোৱাদ বস্তু খাই মুখ তপালি-ছিলোঁ; কেতিয়াবা বা লগরীয়া ভকত সকলে সইতে নানা বিষয়র মেল পাতিছিলোঁ,—আসামর উন্নতি, ভারতর একতা, বিদেশীর অত্যাচার, অসমীয়া সাহাব, মাচখোৱা, ভাত-খোৱা আরু কত কথার মেল; কেতিয়াবা কেতিয়াবা ধঁপাত, তামোল, ভাঙ, হলে ব্রাহ্মণ-সেৱালৈ অনা এটুপি ব্রাণ্ডী, অভাবৃত দুচকল চরাইর ভজা মজহ-আদি বিবিধ দেৱ-পূজার দ্রব্যেরেও দশ-ইন্দ্রিয়র পূজা করা গই-ছিল; মাজে মাজে কলা-ঘুমটিরে মিত্রতা করি কেতিয়াবা হলি, কেতিয়াবা পড়ি, কেতিয়াবা বরশি বাই, ঘামি কাঁহি, হাঁহি, হাঁমিয়াই, সংসারর লেঠালৈ একেবারে পিঠি দি পরমানন্দ-সাগরত ডুব মারিছিলোঁ;—আহা! কেনে সুখ, কেনে আনন্দ, কেনে দেৱ-দুর্লভ জীৱন!—এনে সময়ত,—এনে সুখর সময়ত কিয় আপুনি মোলৈ সেই চিঠিখন লি-খিলে? বোলোঁ সম্পাদক মহাশয়, কিয় আপুনি মোর কল-মটীয়া টোপনিটো ভাঙি মোক দুখ-সমুদ্রত ডুবাব ধরিলে? আহা! কেনে ঘুমটি! কেনে সুখর কলাঘুমটি!—বাক দেৱতায়ো নাপায়, কিন্তু বিধতার বরত কানীর গুণত অসমীয়ার হলে ঘরে ঘরে। এই কলাঘুমটির গুণত

অসমীয়া মানুহ কিমান সুখী! যি এই সুখর পরা বঞ্চিত হইছে, সি গর্ভতে নমরিল কিয়? উপজিলেও আপোন-ঘাতী নহল কিয়? আপুনি ইংরাজী পঢ়ি কামত ধরি কলা-ঘুমটি এড়ি কেনে দুর্কপলীয়া হইছে, ভাবি চাওক চোন। আপোনার দরে আরু জনাচারেক অসমীয়াই এনে অমৃতা সুখ এড়ি মরিবলৈ ধরিছে; কিন্তু সদানন্দ হলে বর টেঙ্গর। সদানন্দে বহুৎ ইংরাজী শিকিও, সেই বিদ্যারে বহুৎ ধন ঘটিও সাত-পুরুষীয়া কলাঘুমটি এড়ি দিয়া নাই। ময় বোপা-ককার সহজ এরিযেই কিয়? শাস্ত্রতো কইছে বোলে—

"শহজে কিল জে ৰিনিন্দিএ গহু দে কম্ম ৰিবুজ্জনীঅএ।
পশুমালণকম্মদালুণে অমুকম্পামিহুএ ৰি শোত্তিএ॥"—

যার যি কাম সহজ অর্থাৎ বোপা-ককারে পরা লাগি অছা, (যেনে সদানন্দব সাত-পুরুষীয়া কলা-ঘুমটি,) সেই কাম গর্হিত হলেও তাক এড়িব নাপায়; (তাব দৃষ্টান্ত দেখক,) বেদ-পঢ়া বাপু সকলর মন দয়ারে কোমল হলেও, তেঁও লোকে মহ, ছাগলি-আদি পশু বলি দিয়াত বর নিদারুণ। কার সাহ আছে, মোর কলা ঘুমটিক "ৰিনিন্দিএ" বোলে? ময় মুখেরে বক্তৃতা দিবলৈ, "ভারতর জয়, ভারতর জয়" করি ছিঞরিবলৈ, আসামর উন্নতি করিবলৈ, অসমীয়া বাতরিকাকতর সাহায্য করিবলৈ, আসামর পরা অত্যাচারী বিদেশী বিলাকক "এক দমসে নিকাল করি দিবলৈ"— আনক উপদেশ দিয়াত এফেরিও ত্রুটি নকরোঁ, এই কথা সঁচা; কারণ, তাকে নকরিলে মোক মানুহে Enlightened, Civilized, Patriot, (শিক্ষিত, সভ্য, দেশ-হিতৈষী মহাত্মা) বুবুলিব, আরু মান-সৎকারে নকরিব; তথাপি ময় আপোনা লোকর নিচিনাকৈ মোর

কলাঘুমটি নেড়োঁ। তাক এড়ি কামত ধরিলে মোর সাত-পুরুষে নকরা কাম করা হব, বড় বাবুসকলেও কাম নিদিব, মোর ওপরত কোৱা অময়া সুখর এক ধনিষ্ঠামানো নাথাকিব, আরু মাজে মাজে হজুর সকলর বঙ্গলা বা তীর্থ দর্শন করি স্বর্গ-লাভরো বাট বন্ধ হব; এইরূপে সদানন্দর ধর্ম্ম-অর্থ-কাম-মোক্ষ এই চতুর্ব্বর্গর নাশ হব। উঃ! বুদ্ধি নাজানিলে ইংরাজী শিকা কি বিপদ! তেন্তে পরমানন্দর বিষয় এই, অধিকখিনি অসমীয়া সদানন্দর নিচিনা বুদ্ধিমন্ত, দুয়ো কুল আরু চতুর্ব্বর্গ রক্ষা করিব জানে। সকলো কাম যিমান মুখতে করিব পরা যায়, তিমান ভাল; হাতেরে আরম্ভ কবিলেই লেঠা, চতুর্ব্বর্গ নাশরো আটক নাই। তার প্রমাণ দেখক, আপোনালোকে প্রায় ছমাহ আরম্ভ, চোৱা যাঠি মোন কথা খরচ, আরু এশ মহী চুঙ্গা সুদা করি যি কাকতখন উলিয়াবলৈ ধরিছে, তার দ্বারাই সদানন্দ, পূর্ণানন্দ, গজানন্দ, গাধানন্দ আদি করি কত আনন্দর কলাঘুমটি ভাগিব পারে; আরু যদি নাভাগে, তেন্তে আপোনালোকেও কাকত-কলম পেলাই আমার লগতে কলাঘুমটির ভাগ লব লাগিব। এই নিমিত্তে সদানন্দর পরামর্শ এই,মুখেরে যিমান পারে, তিমান কাকত বাহির করক, কিন্তু হাতেরে এখনো নকরিব; করিলেও কাকো লিখিবলৈ নামাতিব; মাতিলেও কাকো গ্রাহক নাপাতিব; আরু গ্রাহক পাতিলেও কাকতর দাম নিবিচারিব। কাকত ছুলিয়ালে যদি আপোনার গা নসয়, কাকত উলিয়াওক, আরু তাক পঢ়োঁতে কোনো লোক নাই যদি সদায় নিয়মিত সময়ত (অলপো পলম নকরি) মোলৈ পঠাই থাকিব। সি ভাল হলে তাক পঢ়া যাব, আরু কিছুমান

নিন্দা করা যাব ; বেয়া হলে মসলা বন্ধা হব, নাইবা চুৰা-পাতনীত ঠাই দিয়া যাব। কিন্তু মোলৈ কাকতৰ সম্বন্ধে কোনো চিঠি নিলিখিব ; কাৰণ, ময় চিঠিৰ কেতিয়াও উত্তৰ নিদিওঁ ; উত্তৰ দিলেই কাকত-চলাওঁতাবিলাকে দাম সাধিবলৈ ছল পায়, আৰু মোৰ এটা পয়সা ভগন হয়। আৰু আপুনি যে মোক আপোনাৰ কাকত লই তাৰ বেচ দিবলৈ, আৰু মাহে মাহে তালৈ লিখিবলৈ কইছে, মোক ধৰুৱা পাইছে নে কি ? লোকৰ লাভ হব, লোকৰ যশ হব, সদানন্দ আকৌ লেখি আৰু ধন ভৰি মৰিব কিয় ? যশ আৰু লাভলৈ আশা থাকে যদি সদাই বিনামূলে কাকত দান কৰিব ; সদানন্দে কেতিয়াও ওভোতাই নিদিয়ে। আই দেউ সকলৰ মাজত বহি গলটো হেঁকাৰি হেঁকাৰি হাতত বাতৰি-কাকত লই যেতিয়া ময় "বিবিধ সম্বাদ" পৰ্ব্ব পঢ়িবলৈ ধৰোঁ, আৰু যেতিয়া তেঁওলোকে অৰ্থৰ ভেদাভেদ পাই এটা কথাকে মুখে মুখে দহোটা কৰে, গাঁৱৰ তিৰুতা আটাই কেইজনীৰ পৰা নানা দৃষ্টান্ত দিবলৈ ধৰে, আচৰিত আচৰিত বাতৰি শুনি হাঁহিবলৈ ধৰে,—আঃ ! তেতিয়া সদানন্দৰ আনন্দ-সাগৰত তৰঙ্গ উঠে। আৰু কাকত নপঢ়িলে মানুহে ভেবা বোলে, Enlightened. ( শিক্ষিত ) নোবোলে। এই দুই কাৰণত ময় অনেক বাতৰি-কাকত লওঁ, কিন্তু কাৰো বেচ নিদিওঁ। এদিন "সুলভ সমাচাৰৰ" এজেণ্টে ধন খুজিছিল, ময় উচিত উত্তৰ দিলোঁ, "যোৱা ; এক পয়সাৰ কাকতৰ দাম সাধিবলৈ আহিছা, মোৰ অলপীয়া ধন দিবলৈ লাজ হে লাগে।" "আসাম নিউচৰ' দাম পাঁচ টকা, তাকো বৰ বেশি দেখি নিদিওঁ। ন মাহ "ইণ্ডিয়ান্ মিৰৰ" লই এদিন

এজন বন্ধুর দ্বারাই তার ওপরত Sadanand is dead, (সদানন্দ মরিল) এই কথা লেখাই ফিরাই দিলোঁ। চৌধ বছর 'আসাম-বিলাসিনী' পঢ়ি তার পয়সা এটাও নিদিলোঁ; কারণ, গোসাঁইর প্রসাদ আমি এনেই পাব পাওঁ। সি যি হওক, আপোনার নতুন কাকত-ডখর নিয়মিত সময়ত পঠাই থাকিলে বর বাধিত হম; লাগে যদি এফেরা ধনকে দিম; নাইবা টকার অভাবত সি বন্ধ হলে বেচর কথা বিচার করা হব। আরু যে মোক লিখিবলৈ কইছে, তার থাবর উত্তর দিয়া মোর পক্ষে বর টান। তার প্রথম কারণ, আপোনার কাকত অসমীয়া,—নহয় বঙ্গলা, নহয় ইংরাজী; সদানন্দর মাতৃ-ভাষা লেখা, কোৱা বা পঢ়া Beneath his dignity, (বর অপমানর কাম)। দ্বিতীয় কারণ, কু নাপালে যেনেকৈ তুঁহ-জুই নজলে, ব্রাণ্ডী নাপালে সদানন্দর প্রতিভা (আনর হলে বুদ্ধি) নজলে, কানী-টিকিরার জালত সদাই টলকা মারি পরি থাকে; আরু ব্রাণ্ডী নাখালে নোৱারোঁ করিব, খালে নোৱারোঁ লরিব, আরু খাই শুলে জগাবও নোৱারে মোক। তৃতীয় কারণ, কুম্ভকর্ণ ছ মাহ শুইছিল, কিন্তু সদানন্দর কলাঘুমটি বছরেকত তের মাহ ঘুগুছে। চতুর্থ, সদানন্দর উৎসাহ পার্ব্বতীয়া নৈর ঢলর পানীর নিচিনা। তার ঢল বছরেকত দুবার কি এবার মাথোন বর তমোময় হয়; গছ, পর্ব্বত, গড়া, সকলোকে ভাঙ্গি নিব খোজে। মোর উৎসাহ-পানীর চলো বছরেকত এবার কি দুবার; ময়ো তেতিয়া একে কোবতে আসামক সভ্যতা আরু উন্নতির টিঙত তুলি দিব খোজোঁ, আনর দরে পলমকৈ নাথাকোঁ। পঞ্চম, সদানন্দে সকলো কাম মুখস্তে করে, দেশর উন্নতি করোঁতে অলপো

আহরি নাপায ; কিন্তু হাতেরে হলে কোনো কাম আরম্ভ নকরে। আরু শেষ বা ষষ্ঠ কাৰণ, নিজ দেশৰ উন্নতি করিবলৈ কঁকালত কাপোৰ বান্ধি আরু হাতত ভলুকাবাঁহৰ টাঙ্গোন লই ওলালে আসামৰ শত্রু কিন্তু সদানন্দৰ অন্ন-পানীৰ গৰাকী সকলে বেয়া পাব। দেখক, বছৰেকৰ ছয় ঋতুত ছটা কাৰণ লাগি আছেই আছে ; এতেকে সদানন্দে কাকত লিখি আপোনাক ভালকৈ তৰাব, আপুনি আশা কৰক গাথোন। সি যি হওক, আপোনাৰ কথাত অমান্তি হলে etiquette. (দস্তুর) ৰক্ষা কৰা নহয়, কেৱল এই নিমিত্তেই তলত কিছুমান কথা লিখিবলৈ আগ বাঢ়িলোঁ। আপুনি এই কথা কাকো নকব ; কাৰণ মই অসমীয়া ভাষা লেখা বুলি জানিলে বঙ্গালী আরু এঙ্গ্লো-ইণ্ডিয়ান্ বন্ধু-বিলাকে মোক বৰ ঠাট্টা কৰিব। এনেবিলাক কাৰণ থকাতো যে মই আপোনাৰ চিঠিৰ উত্তৰ দিলোঁ, এই নিমিত্তে মোক Thanks (ধন্যবাদ) দিব পায় ; মোৰ নিচিনা অনেক ভদ্রলোকে চিঠিৰ উত্তৰ নিদি নিজ Dignity (সম্ভ্রম) ৰক্ষা কৰিছে, সি আপোনাৰ অবিদিত নাই।

এতিয়া লেখোঁ কি ?—"কলা ঝুমটি ?"—নহয়, এইটো প্রায় সকলো অসমীয়াই জানে। "বিদেশীৰ অত্যাচাৰ ?" তেনেহলে মোৰ চাউল নৰে। "ব্রাণ্ডীৰ সোৱাদ ?" ইয়াক আর্য্য-হিন্দুৰ কুল-তিলক ব্রাহ্মণসকলে হে ভালকৈ পাইছে। "ধর্ম্ম ?" ৰাম ! ৰাম ! ধর্ম্ম বড় অপবিত্র বস্তু। আজি কালি সভ্যতাৰ কোবত, বিজ্ঞান বা অজ্ঞানৰ বলত সক-লোৰে ধর্ম্ম এড়িছে ; প্রায় সকলো ঠাইৰে পৰা ধর্ম্ম বহিষ্কৃত হইছে ; দেখক, ইস্কুলত ধর্ম্ম নাই, কলেজত ধর্ম্ম নাই, সভাত ধর্ম্ম নাই, বাতৰি-কাকতত ধর্ম্ম নাই, ধর্ম্ম-মন্দিৰতো

ধর্ম্ম নাই; "ধর্ম্মর কথা লেখা নাযায়" এই বুলি জাননী নিদিলে তোমার কাকত কোনেও নলয়; যেই তুমি ধর্ম্মর কথা লিখিলা, তোমার কাকত সকলোৱে পরিত্যাগ করিবলৈ ধরিলে, তোমাক পগলা বুলি গালি পারিবলৈ ধরিলে। তেন্তে "ঈশ্বর"? ভেঁওরো দশা তথৈবচ। মিলর (Mill.) 'মি' টো মৌপাওঁতেই যেয়ে মিলর নাম শুনিছে, সেয়ে অনন্ত ঈশ্বরর অন্ত পাই নাস্তিক হইছে, আরু মনে মনে ভাবিছে—"ময়ো এজন মিল।" তেন্তে এতিয়া লেখোঁ কি? হে সরস্বতি আই! এতিয়া লেখোঁ কি? মোক এটা লিখিবলৈ বিষয় দিয়া। মই কাপত মহি ভরাই রই আছোঁ, কাকতত খোঁচ মারিবলৈ কোনো বিষয় বিচারি পোৱা নাই। হে আই মাতৃ! মোক এটি বিষয় দিয়া। ময় স্বর্গ-মর্ত্ত্য-পাতাল তিনিও ভুবনর বিষয় বিচারি চালোঁ, তেও এটা ভাল নাপালোঁ। আজি বার বা কি, তিথি বা কি, যোগিনী বা বহিছে কোন কালে? ময় একো চাবলৈ নহল। হে আই! তুমি সকলো অমঙ্গল দূর করি এটি বিষয় দেখাই দিয়া। "সরস্বতি, স্বরস্বতি, কণ্ঠেকলাপী, ভোগে বিলাপী, মরুৱার চন্দন লোকে বোলে সরস্বতী আমি বোলোঁ আই, যিখিনি পাহরোঁ দিবা সোঁৱরাই।" এঃ আই! তুমি মোক লাগ দিবা। হে আই মাতৃ! তুমি মোর ওচরলৈ আহাঁ। তুমি বাল্মীকির সরস্বতী নাহিবা; কিয়নো এই সভ্য-যুগত তোমার অলঙ্কারশূন্য শরীর শোভা নাপায়। আৰ্কো তুমি কালিদাসর সরস্বতীও নাহিবা; কিয়নো তুমি হেনো কুরুচিরে ভরা, এই সুরুচির দিনত তোমারো মান নাই। তুমি ব্যাসর সরস্বতীও নাহিবা; কিয়নো তোমার কথামতে যদি ময় এখন মহা যুদ্ধর

কাব্য লেখোঁ, তেন্তে রাজ্যর মাজত যুদ্ধ উত্তেজনা করা বুলি বগা-ঘরলৈ যাব লাগিব। এতিয়া আকৌ বিপদ! মাতোঁ কোন্ জনা সরস্বতীক? বাইরণর (Byron) সরস্বতী একা? নহয়; ডকো বিলাকে ভাল পালেও আদি-রসর বাহিরে তেঁওর আন রস প্রায় নাই। অৱশ্য বিলাতী সরস্বতী লাগিব, দেশী সরস্বতীরে গা নরয়। রবা—পালোঁ, পালোঁ, পঞ্চর সরস্বতী, (Punch) পঞ্চর সরস্বতী! এরা, এঁওরে হে কাম সিধ হব। দেশী সরস্বতীর এতিয়া মান কত? তেঁওলোকর পোন কথা শুনে কোনে? বিলাতী যি সকলো ভাল, দেশী যি সকলো বেয়া। সদানন্দর মতে দেশী অসভ্য পানী-বতাহ এড়ি বিলাতী সভ্য পানী-বতাহ কিনিবলৈ ধরা উচিত। বিলাতী সরস্বতীর গুণ ব্রহ্মাই চারি মুখেও কই শেষ করিব নোৱারে। হে পঞ্চর সরস্বতি আই; তুমি আহাঁ। আসাম-সমাজ এতিয়াও সভ্য হব নোৱারিলে; এতিয়াও বিলাতী পানী-বতাহ, বিলাতী হেট্-কোট, বিলাতী খানার মোল মুবুজিলে। সদানন্দর পোন পোন উপদেশ কোনেও মুশুনে; অতএব হে আই মাতৃ! তোমার কৃপা নহলে আসামর উন্নতি নাই। তোমার মূর্ত্তি দেখি যদি নপলায়, তেন্তে আসামর উপকার হবই হব। তোমাক দেখি কোনো হাঁহে, কোনো কান্দে; কিন্তু হাঁহা কন্দা দুইরো উপকার হয়। অতএব হে বিলাতী সরস্বতি আই! তুমি মোক Favour (অনুগ্রহ) করা।

সম্পাদক মহাশয়, আজি ময় বর বেয়া বেশেরে আছোঁ; হেট্ নাই, কোট্ নাই, সাহাবর বেশ একো নাই। চুবিয়া-চেলেঞ্জেরে বিলাতী সরস্বতীক সাক্ষাৎ করিলে তেঁও যদি "ডেম্ নিগর নেটিভ্" বুলি খঙ্গকৈ

উঠে, তেনে হলে মোর জ্বর-খাপরির আধ্যা পরিবও পারে। চুরিয়া-চেলেঞ্জরে থাকিলে ইংরাজী কথাও নোলায়; তার প্রমাণ দেখক, ময় বিলাতী সরস্বতীক দেশী তিরুতার দরে আই বুলিছোঁ। তেঁও শুনা হলে আজি সর্ব্বনাশ। আকৌ ময় জোতা এড়িও তেঁওক স্তুতি করা নাই। এইবিলাক কারণত আজি ময় এটা আখরকে লিখিব নোৱারিলোঁ, হাতর কলম হাততে থাকিল। লাগে যদি ভবিষ্যতে পঞ্চর সরস্বতীর সাহায্যেরে কেতিয়াবা কেতিয়াবা লেখিম। ময় এতিয়াই আসাম-বন্ধুর সম্পাদক, লেখক, গ্রাহক, উপগ্রাহক আরু নিন্দক—সকলোকে কই রাখোঁ, তেওঁলোকে যেন মোর সরস্বতীর কথাত বেয়া নাপায়; কিয়নো এওঁর নিচিনা হিতকাৰী কোনো নাই, আরু "হিতং মনোহারিচ দুর্ল্লভং বচঃ।"

Now good-by.

ময় পাওঁ ঐ সম্ভ্রম হবলৈ,

মহাশয়,

আপোনার অধিকতম বাধ্য চাকর,

সাডানণ্ড।

---

# গোলাপ ফুল।

হালিছে দুলিছে, নাচিছে হাঁসিছে
বতাহর লগত কি ?
ই ফালে আহিছে, সি ফালে গৈছে,
থমক্ খাই রৈছে কি ?
রূপেরে পোহর, করিছে নগর,
জোনর জিনি রূপ কি?
মনক মোহিছে, চকুক তোষিছে,
নাকক ভুলাইছে কি ?
একে বেলি চাই, আরু মন যায়,
হেপাহ নপলায় কি ?
চাওঁ মানে চাওঁ, অন্তকে নাপাওঁ,
রূপর ভঁৰালেরে কি ?
গছর আগত, পাতর মাজত,
মিটিকাই হাঁহিছে কি ?
ঠগ ঘূরণিয়া, এনে নো ধুনিয়া,
চালে চকু জুৰায় কি ?
একো একো পাহি, আছে জানো হাঁহি,
রূপর গৌরৱত কি ?
ৰবির তলত, কিম্বা ওপরত,
নাই যার তুলনা কি ?
ফুলনি-গুৰুনী, নৃমন-মোহিনী;
রূপর আহি যেন কি ?

শ্রীমনোহারিণী, খোপা-বিহারিণী,
বিষাদ-নাশিনী কি ?
যার গোঁধ পায়, ভোমোরা সদাই,
হয় অতি বিয়াকুল ?
গুণ গুণ করি, ফুরে ঘুরি ঘরি,
সেয়ে হে গোলাপ ফুল।

স, ব,

---

# গারো-বৃত্তান্ত।

## আরম্ভন।

গারোহুঁত এবিধ পর্ব্বতীয়া জাতি। আসামর দক্ষিণ ফালর পর্ব্বত শারিতেই প্রায় ইহুঁত থাকে। গুৱাল পাড়ার ভাটির ফালে ব্রহ্মপুত্রর উত্তরে আণ্ডিনিয়ো পাহাড় আরু চান্দোরডিঙ্গা নামেরে কেইটামান সরু সরু পর্ব্বত আছে, সেইবিলাকতো গারোহুঁতক থকা দেখি। সাধারণতঃ গারো-পাহাড়তেই ইহুঁতর মুল ঘর। ইহুঁতে প্রায় পর্ব্বতর টিঙত, পর্ব্বতর চেপত বা দাঁতিত হে থাকে। তৈয়ামর মাটির ওচরর গারোহুঁতে কেতিয়াবা নামনিতো মাটি খায় হি, কিন্তু ইহুঁতর সংখ্যা নিচেই তাকর। তৈয়ামর মাটি খোৱা বা তৈয়ামত থকা গারোহুঁতক "হামা" বোলে; কিন্তু আর-তার মুখে শুনিবলৈ পোৱা যায় যে ইহুঁত গারো আরু আন এবিধ পর্ব্বতীয়া জাতির সঙ্কর জাতি।

ইহঁতে তৈয়ামর মাটিতকৈ পর্ব্বতর টিঙর সেই দুর্ভেদ্য হাবিত থাকিবলৈ হে বড় ভাল পায়। ইহঁতে সেই দুর্ঘোর হাবিময় পর্ব্বতর টিঙত চাঙ-ঘর সাজি মনর সুখেরে দিন নীয়ায়। স্বভাবতেই পর্ব্বত এচলীয়া—ওপরলৈ ওখ তললৈ চাপর। গারোহঁতে সেই ওখফালে গড় দি তলর ফালে খুটা পুতি চাঙ সাজি লই সেই চাঙর ওপরত ঘর সাজি থাকে। সেই ভয়ানক হাবিয়নীত গারোর বাস-স্থানত রাতি হইছে—গারোর চোতালত বাঘ-ভালুকে নির্ব্বিঘ্নে কামোরাকামুরি করিছে হি, গারো গৃহস্থে নিশঙ্ক মনেরে শুনি আছে! দুৱারদলিত বহি বাঘে পহরা দিছে হি, গারোর কটাহিতেই নাই; মহাসুখে ভগা পজার ভিতরত টোপনিত সি অচেতন! ই পিনে বাঘে হাঁউরিয়াইছে, সি পিনে বনরীয়া গাহরীএ টেটাইছে, বা ভালুকে নাকটি ফুটাই ফুটাই উঁই খানি ফুরিছে, গারোৱে তাক উলটিও নাচায়—ভাবে যেন এই জাকে ঘরর বা গাঁৱর খরকালি মেজানি পোৱা পোহনীয়া গরু-ছাগলি হে! সিহঁতর থকা ঠাইর সেই অৱস্থালৈ মনত হলে বোধ হয় যেন সিহঁতর অধীনতেই বাঘ-ভালুক প্রভৃতি বনরীয়া জন্তুবোরে ওচরর হাবিয়নীত রাজত্ব করি আছে। নতুবা ইমানলৈ নগই মুঠতেই গারোহঁতকো বনরীয়া জন্তুরে এবিধ উন্নত জাতি বা মহাত্মা দার্ উইনর মতে—বান্দরে বনরীয়া সাজ সলাই জীৱনর ক্রমোন্নতি লভি মানুহর শারিত ভরি দিলে প্রথ-মতে যি জন্তু হয়, সেই জন্তুকে বুলি ধরি থবই পারি। শিক্ষিত বা উন্নত গারো ভাই! ময় তোমার জাতিক নিন্দিলোঁ বুলি গালি নাপারিবা বা অসন্তোষ নকরিবা। দার্ উইন সাহাবর মতে সমগ্র মাণব-জাতিরেই আদি-পুরুষ

বান্দর। এনে গারোহঁতে যে ছাবিত ফুরাত আরু পর্ব্বত উঠাত সুচকতা দেখুৱাব, সি একো টান নহয়। ছাবিত ফুরিলে ইহঁতক বাঘেই নে, ভালুকেই নে, মানুহেই প্রায় চিনি উঠাই টান—খেরর পাতর আঁড়ে আঁড়ে গা লুকাই লুকাই ফুরি থাকে, গার কাশেরে গলেও কোনেও সার-শঁহারিকে নাপায়। ইহঁতক পর্ব্বত উঠা দেখিলে আরু আচরিত হব লাগে। একেই সেই কাকিনী তামোলর আগর দরে ওখ পর্ব্বত, তাতে বাট নাই; যাব লাগিলে কাঁইটনী, বননী ভাঙ্গি যাব লাগে, মাজে মাজে উঠিব নোৱৰা শিল। ই পিনে বনৰীয়া জন্তুর উপদ্রব আছেই, বাৰিষা হলে আকৌ খেৱনী বতানীর আগর চিনা জোকে শৰীৰর তেজটুপিও শুহিব খোজে। গারোহঁতে এই বিলাক উপদ্রব অৱলীলাক্রমে পরাজয় করিও যেনেকৈ ডেৱা-ডেৰি করি জপিয়াই পিঠিত আহারীয় দ্রব্যর খাঞ্জ বা "আপা" একোটারে সৈতে একেশার "উস্" নোবোলাকৈ সেই বাট-নোহোৱা পর্ব্বতর ওপরলৈ উঠি যায়, দেখিলে আমার সমান ঠাইত থকা কোন মানুহর চকু ঠৰ নহব? কোনে বিস্ময় নামানি পারিব?

---

# প্রথম অধ্যায়।

## খোৱা পিন্ধা।

গাবো-ভোজন। ইহঁতর খাওন এনে কদর্য্য, শুনিলেই কেঁচুৱা-কালত খোৱা পিয়াহো পেটত থাকিক নোখোজো ইহঁতে গাহরিবিলাক ভরিএহাতে বান্ধি জুইত পেলাই দিয়ে। উৎকট যন্ত্রণাত গাহরিয়ে ধরফরা বলৈ ধরে। গারো-হঁতে তাতে রঙ্গ পাই চাপরি বজাই বিকটরূপে হাঁহি থাকে। ধরফরনি মরিলেই জন্তুটো জুইর পরা উলিয়াই কাটি কাটি খাবলৈ ধরে। আনর কথাই নাই, লোণর সোৱাদো নাথাকে, মজহো আধাকেঁচা রয়—সেইএ জানিবা সিহঁতর ইন্দ্র-ভোগ। ইহঁতে প্রায় রন্ধা-বঢ়ার জঞ্জাললৈ নাযায়। প্রায় পোড়া মজহ পোড়া আলুকচুৱেই ইহঁতর আঙ্গা। ইহঁতে ভাতকো রান্ধি নাখায়। বড় ডলুকা বাঁহর চুঙ্গা এটাত চাউল আরু পানী কিছুমান দিয়ে, পাচে ডালকৈ চুঙ্গার মুখত টানি টানি বর শোপা এটি দি জুইত দি থয়। চুঙ্গাটো আধা পোড়া হলেই জুইর পরা উলিয়াই আনে। পাছে চুঙ্গাটো বখলিয়াই লই ভাতর টোপোলা বান্ধিবলৈ ধরে। আমার দরে সিহঁতে কাঁহি বা কোনো মুকলি পাত্রত ভাত নাখায়। কলা বা আন কোনো এবিধ গছর পাতর সরু সরু টোপোলা করি ভাতবিলাক থই দিয়ে, আরু সময় মতে সেই টোপোলা মেলি হে ভাত খায়।

(ক্রমশঃ)

র, মহন্ত।

# আসাম-বন্ধু।

মাসিক পত্র।

"নচ জ্ঞানাত্ পবং বলম্।"

প্রথম ভাগ।) ফাল্গুন, শক ১৮০৬, ইংরাজী ১৮৮৫। (দ্বিতীয় সংখ্যা।

## আগর দিন এতিয়ার দিন।

(আসাম-বন্ধুর ১১ পিঠির পরা ক্রমান্বয়ে)

এই দাঁতীয়লীয়া বিষয়া সকলর নিজ নিজ নিয়মে বিষয় পায়। স্বর্গদেৱে এজনাক ভাঙি এজনাক পাতিব পারে। এইরূপ ভঙ্গা-পতা হলেও সেই সেঁই বংশর লোকেই হয়।

রজা সকলর এই নিয়ম আছে যে নিজ বংশর আরু নিজ মন্ত্রী অনুচর বর্গর পরিয়ালেই কেতবোর বিষয় পায়।

সেই সেই বিষয় বোর অতি বিশ্বাসী। এনে বিশ্বাসী বিষয় আমক বিশ্বাস কবি নিদিয়ে। আহোম রজা সকলে হিন্দু ধর্ম্ম গ্রহণ করি আরু প্রজাব প্রতি সকলো বিষয়র বাট মুকলি করিও কিছুমান বিষয় সুকীয়াকৈ থইছিল। এইরূপ বিষয় পোৱা বিষয়া এই এই।—বড় ফুকন, এঁও রাজ প্রতিনিধি। গুয়াহাটীতে থাকে। এওঁর রজার তলতে ক্ষমতা। গুৱালপাড়া পর্য্যন্ত সমুদায় কামরূপ, দবঙ্গ, নগাঁওর কলিয়াবর পর্য্যন্তে সমুদায় প্রদেশ অধীন আছিল। এই কেই বংশ বা ঘবর পরা বড ফুকন নিয়োজন করা হই-ছিল। লাজী, লালমাথরু, চেটীয়া, পিকচাই চেটীয়া, বুঢ়া গোহাই, খোঁডা কৌৱব, লুখবাসন সন্দিকৈ, দুৱৰা, পাতর, তরুণ দুৱৰা, দিহিঙ্গীয়া, বকতীযাল। এই কেই ঘর একে জনার সন্তান কিন্তু পবিয়াল সরহ হোয়াত নানা ঠাইত নানা জন থকাতে সেই সেই ঠাইর নামে অথবা আন কোনো বিশেষ পবিচয়র কারণে বংশ বা ফৈদর সংখ্যা বাঢ়িছে।

সদীয়াখোয়া গোঁহাই, বুঢ়া গোঁহাইর বংশর লোকেই এই বিষয় পায়। এইজনা গোঁহাই সদীয়াত থাকে। আরু অসম দেশর উত্তর পূর্ব্ব প্রদেশর বৈভাগিক শাসন কর্ত্তা এইজনা। সেই অঞ্চলর প্রান্তবাসী আরু মিশ্‌মী প্রভৃতি পর্ব্বতীয়া জাতি বিলাকে সইতে এইজনার সম্পক। মরঙ্গী খোয়া গোঁহাই, এই বিষয় প্রায় বড় পাত্র ডাঙ্গরীয়ার বংশর লোকেই পায়। এঁও মরঙ্গীত থাকে। ধনশিরী নদীব পশ্চিমর পরা সলাল গোঁহাইর সীমালৈকে এঁওর সীমা বিস্তৃত আছিল। নগা, কছারি, মিকীর প্রভৃতি পর্ব্বতীয়া জাতিরে এওঁর সম্পর্ক। এওঁর অধীনে ১০০০

লোক আছিল। সলাল গোঁহাই, বড় গোঁহাই ফৈদর লোকেই এই বিষয় পায়। এওঁ কলিয়াবরত থাকে। মরঙ্গী খোয়া গোঁহাইর সীমারে পরা বড ফুকণর সীমা পর্য্যন্ত এওঁর শাসন। উত্তর কূলতো চারি দ্বার বা চারি দুয়ার আরু ন দুয়ার বিভাগো এইজনা বিষয়ার অধীন। এওঁর অধীনে ১০০০ হাজার লোক থাকে। মিরী, ডফলা, আঁকা, মিকীর, কছারী জাতিরে এওঁর সম্পর্ক। এই কেই জনাও প্রান্তবাসী কার্য্যকারক হোৱাত নিজ নিজ বিভাগত বড় ফুকনর দরেই কিছু পরিমাণে স্বাধীন ক্ষমতাশালী আছিল।

কলঙ্গর দক্ষিণ মুখক কাজলীমুখ বোলে। সেই ঠাইত আরু জাগীত কাজলী-মুখীয়া আরু জাগীয়লীয়া দুজনা গোঁহাই থাকিছিল। ইয়ারে প্রথম জনা বুঢ়া গোঁহাই আরু দ্বিতীয় জনা বড় গোঁহাই ফৈদর। এওঁবিলাকে জয়ন্তীয়া রজা, গোভা, নেলি, মায়ঙ্গ প্রভৃতির স্থানীয় রূপে রজা উপাধি পোৱা বিষয়া সকলর কার্য্যর প্রতি দৃষ্টি রাখিছিল। এঁও বিলাকর অধীনেও কিছু কিছু লোক আছিল। এঁও বিলাকর বিষয়র বিভাগ বড় ফুকনর অধীন বিভাগত পড়িলেও বড় ফুকনে এঁও বিলাকর ওপরত সাক্ষাত্ রূপে একো কর্ত্তৃত্ব করিব নোৱারিছিল। এই সকল বিষয়ার ওপরত শাসন আরু সৈন্যাধ্যক্ষতা দুইও কার্য্যর ভার আছিল। এই সকলে রজার আজ্ঞা বিনা কোনো সন্ধি স্থাপন করিবা নোৱারিলেও দেশ রক্ষা করিব পারিছিল। এই সকলক এড়িও পর্ব্বতীয়া করঙলীয়া আরু মিত্ররাজ্যে সইতে কারবার করিবর অর্থে রহাত রহিয়াল বড়ুয়া, সোনাপুরত সোনাপুরীয়া বড়ুয়া, মিকীর হাটত মিকীরর বড়ুয়া, চাই দুৱারত চাই দুৱরীয়া বড়ুয়া, চাট-

গাড়ীত চাটগাড়ীয়া বড়ুয়া, প্রভৃতি বিষয়া আছিল। এই সকলে পর্ব্বতীয়া আরু ভিন দেশী লোক এই দেশলৈ অহা দুবাৰ বা বাটতে থাকি সেই সেই জাতির কার্য্যার প্রতি আরু উপদ্রব নিবারণর প্রতি দৃষ্টি কৰিছিল। সেই সেই দেশর লোকে আমার দেশে সইতে হাটত যে বেহা বেপার করে তার প্রতিও এই সকল বিষয়াই দৃষ্টি রাখিছিল। আরু সময় অনুসারি হাতী দাঁত, মজাঠী, মুগার সুতা, লা, লোণ প্রভৃতি বস্তুর মাসুল আদায় কৰি রজা ঘরলৈ পঠাই-ছিল। এই কেই জনক দুৱৰীয়া বড়ুয়াও বুলিছিল।

বঙ্গাল দেশর পরা অহা বাটত গুৱালপাড়ার ওচরত হাদীরা বা বঙ্গাল হাটত যি দুয়ার তাক বঙ্গাল হাট বা হাদীরা চকি বুলিছিল। ইয়ার বিষয়াইও সেই মাসুল তুলিছিল। এঁওর অধীনে সিপাহীও আছিল। আরু বঙ্গ আরু অসম দেশর মাঝত যি বেপার বাণিজ্য সি এই জনা বিষয়ার অধীনে হইছিল। আন দুৱৰীয়া বড়ুয়া-তকৈ সীমান্তঃপাতী হোৱার কারণে এঁওর বড় ক্ষমতা আছিল। আরু ইয়াত দুৱৰীয়া বা দুৱৰীয়া বড়ুয়া বুলিলে বঙ্গাল হাটর দুৱৰীয়াক হে বুঝায়। এই দুৱৰীয়া বঙ্গাল হাটর অধ্যক্ষ হোৱার কারণে এওঁক হাটখোৱাও বুলি-ছিল। বঙ্গাল দেশেরে আমার মিত্র ভাব আছিল। সকলো কথা বার্ত্তা এই দুৱৰীয়ারে চলিছিল।

তিনিও পিনে পর্ব্বত আরু পর্ব্বতীয়া জাতিরে বেড়ি থকা আরু এফালে বঙ্গাল দেশেরে সীমা থকা অসম দেশ এইরূপ প্রান্তবাসী বিষয়ার দ্বারা শাসিত হইছিল। এই সকলেই এই দেশর "দ্বারবান্" বা দ্বারপাল স্বরূপ আছিল। প্রান্তবাসী জাতি বোরর অধীন প্রান্ত বিভাগ

বোবত কিছু কিছু মাটী আরু গাঁও আছিল। তার কর আরু উৎপন্ন সেই সেই জাতি বোরে পাইছিল। আরু উৎপন্ন পোৱার বাবে বার্ষিক কিছু কিছু বস্তু কর স্বরূপে আছোম রজাক দিছিল। কামরূপত বাস্কা, বিজনী প্রভৃতি ভোটর দুৱার। দরঙ্গত কঁড়িয়াপাড়া, চাটগাড়ী দুৱার এইরূপে ভোটর অধীন আছিল। জারকালী কেই মাহ এই প্রদেশ বোর কিয়ৎ পরিমাণে ভোটর অধীন থাকিছিল। অঁকা, ডফলা, মিকীর, নগা প্রভৃতিরো এই নিয়ম আছিল। কিছু সময়র কারণে এই প্রদেশ সেই সেই জাতির অধীন হলেও তার ওপরত সাধারণ কর্ত্তৃত্ব অসম রজারেই আছিল। সেই জাতিয়ে সেই সেই প্রদেশত সরু সরু বিষয়াও পাতিছিল। নগাওত মিকিরহঁতে কিছুমান ধানর জলকর পাইছিল।

আগর দিনত বিদেশীয় জাতিরে আমার দেশর এইরূপ সম্পর্ক আছিল।

জি,

---

# করমেতি বাই।

ভারতবর্ষর দক্ষিণ ভাগত কোনো এখন দেশত খজল নামে এজনা রজা আছিল। তেঁওর পূজারী বামুণর নাম পরশুরাম। পরশুরাম পণ্ডিতর এজনী ছোৱালী আছিল, তেঁওর নাম করমেতি বাই। রজা আরু পরশুরামে বৈষ্ণব-

ধর্ম্ম মানিছিল। আগর কালত বৈষ্ণব সকলে ছোৱালী-বিলাকক লেখা পঢ়া শিকাইছিল। ছোৱালীএ লেখিব পঢ়িবলৈ শিকি ধর্ম্মর কিতাপ পঢ়িব এই তেঁওবিলাকর ইচ্ছা আছিল। করমেতিএ অলপ বয়সতেই লেখা পঢ়া ভালকৈ শিকিলে। তেঁওর সেই অলপ বয়সতেই বৈষ্ণব-ধর্ম্মর প্রতি ভক্তি হল। পণ্ডিত পরশুরামে তেঁওর বিদ্যা-ৱতী আরু ধর্ম্মৱতী ছোৱালীক সৎ পাত্রত দান করিলে। করমেতি বাইএ অনিচ্ছারে সইতে বিয়া করালে কিন্তু বিয়ার পিছত শহুরেকৰ ঘরলৈ যাবলৈ মুখুজিলে। তেঁওর এনে ৱাৱহার দেখি সকলোএ আচরিত মানিলে। করমেতি বাইএ নির্জ্জনে অকলৈ বহি কৃষ্ণর নাম জপ করে। তেঁও সদাই কৃষ্ণর কথা ভাবিছিল, কৃষ্ণক উপাসনা করি-ছিল। এনেকৈ কেই দিন মান গল, তার পিছত আকৌ তেঁওক শহুরেকর ঘরলৈ নিবলৈ সকলোএ চেষ্টা করিলে। করমেতিএ শহুরেকর ঘরক বিহর নিছিনা ভাবিছিল। তেঁও জানিছিল যে তেঁওর গিরীএক বড় ডাঙর মানুহর লরা, কিন্তু নাস্তিক, কোনো ধর্ম্ম নামানে। এই নিমিত্তে তেঁও বড় ভয় করিছিল। শোক আরু দুখত তেঁও অস্থির হল। তালৈ গলে তেঁওর ধর্ম্মর প্রতি যদি মন নাযায়, ধন সম্পত্তি পাই যদি তেঁওর মন ধর্ম্মর প্রতি নাযায়, এই ভাবি তেঁও অস্থির হল। "কৃষ্ণক ময় তালৈ গলে হেৰুয়াম, হায় হায় তেনে হলে মোর কি দশা হব; কি করিম" বুলি মাটীত পড়ি বড়কৈ কাঁন্দিবলৈ ধরিলে; পিছত এই ঠিক করিলে যে "লুকাই বৃন্দাবনলৈ পলাই যাওঁ।" এই স্থির করি যাবলৈ বাট বিচারিলে, সকলো দুৱার বন্ধ দেখি ওপ-রর পরা লাপিয়াই পড়িল। তেঁওর শরীরত আঘাত

লাগিল কিন্তু তেঁওর মনত নহল যে, তেঁওব কষ্ট লাগিছে। তলত নামি বৃন্দাবনর ফাললৈ যাবলৈ ধবিলে। রাতিপুয়া পরশুরাম পণ্ডিতে উঠি দেখে যে ছোৱালী নাই, সকলো ঠাইত বিচাবিলে কতো নেপালে। পিছত রজার তালৈ গই কলে "মহারাজ! মোর নাক কান কটা গল মোর ছোৱালী জনী কালি বাতি কলৈ গুছি গল, মমব দুঃখত বনলৈ গল কি পুখুবিত পড়ি মরিল কব নোৱাবোঁ।" রজাই এই কথা শুনি বড় দুঃখিত হই তেঁওক বিচাবিবলৈ চারিওফালে মানুহ পঠালে। বহুদূরৈব পবা করমেতিএ দেখিলে যে তেঁওক বিচারিবলৈ মানুহ আহিছে। কত লুকাব স্থির করিব নোৱারিলে। কেবল কবলৈ ধবিলে "কৃষ্ণ কৃষ্ণ! মোক রক্ষা করা।" পিছত সমুখত এটা মরা উষ্ট্র দেখি তাতেই বহুকষ্টে লুকাই কৃষ্ণনাম জপ করিবলৈ ধরিলে। দুর্গন্ধত তালৈ কোনো মানুহ নগল। কর মেতিএ তিনদিন একো নাখাই উপবাস করি তাত আছিল। পিছত উঠি গঙ্গাত গা ধুই ভাল কাপোর পিন্ধি আকৌ যাবলৈ ধবিলে। এনেকৈ বহু কষ্ট কবি বৃন্দাবন পালে-গই। বৃন্দাবন দেখিবলৈ তেঁওর বড় ইচ্ছা আছিল, বহু-দিনর আশা আজি পূর্ণ হল, আরু আনন্দর সীমা নাছিল। ব্রহ্মকুণ্ডর তীরত বনর মাঝত ধ্যান করিবলৈ বহিল আরু কৃষ্ণ নাম জপ আরম্ভ করিলে। পরশুরাম পণ্ডিতেও ছোৱালীক বিচারি বৃন্দাবনত উপস্থিত হল। তাত বহুত ঠাই আরু বনত তেঁও বিচারিলে, কতো নাপালে। এদিন এডাল গছত উঠি কিবা পাড়িছিল, এনে সময়ত ব্রহ্মকুণ্ডর তীরত অরণ্যর মাঝত ছোৱালীক দেখি, গছর পরা নামি সকলো মানুহক লগত লই তালৈ গল। তেঁও গই দেখে যে

ছোৱালীৰ পবিত্ৰ জ্যোতিত বন আলোকময়, ছোৱালীএ ধ্যানত মগ্না, আৰু ঝৰ ঝৰ কৰি তেঁওৰ চকুৰ পানী পৰিছে। পৰশুৰামৰ ইয়াক দেখি মন পসি গল, তেতিয়া কৰমেতিক আৰু তেঁওৰ ছোৱালী বুলি নাভাবিলে, ভাবিলে, এঁও দেবী। তেতিয়া তেঁও কৰমেতিৰ চৰণত ধৰি প্ৰণাম কৰি এই কলে—

কি বা লৰা কি ছোৱালী কোনো সৰু ন'য়।
কৃষ্ণৰ যি ভক্ত সেই পুৰুষোত্তম হয়॥

বহুত পিছত বাইৰ চেতনা হল। সম্মুখত বাপেকক দেখি প্ৰণাম কৰি তললৈ মুৰ কৰি ৰল। পৰশুৰামে বহুত বিনয় কৰি কলে "আই। ঘৰলৈ বলা, বনত সকাম কি? ঘৰত বহি কৃষ্ণক জপা কৰিবা। তুমি মোৰ ঘৰৰ লক্ষ্মী। আজি তোমাক দেখি বড় সুখী হলো।" কৰমেতিএ কলে "পিতা মোক ইমান স্তুতি কৰিছা কিয়? মনত কৰোক, ময় মৰিছোঁ, মোৰ শৰীৰটো ঘৰলৈ নিবৰ কাম কি? মোক আৰু যাবলৈ নকব। মোৰ আশা এড়ি ঘৰলৈ যাওক। যি মানুহ মৰিছে, তাৰ নিমিত্তে আৰু আশা কিয়? এতিয়া আপুনি ঘৰলৈ গই কৃষ্ণক সেৱা কৰোক। বিষ্ণু নাথাই, কৃষ্ণ নাম ৰূপ অমৃত পান কৰোক। তাত আপুনি সুখী হব, দিন দিন আনন্দ বাঢিব।" এই কথা কই তেঁও কৃষ্ণৰ নাম গাবলৈ ধৰিলে। পৰশুৰামে চোৱা-লীৰ এনে ভক্তি দেখি, তেঁওক ধন্যবাদ দি আপোনোক ধিক্কাৰ দিবলৈ ধৰিলে। পাণ্ডিতে কান্দি কান্দি ঘৰলৈ উভতি গই ৰজাক সকলো কথা কলে। ৰজাই সকলো কথা শুনি আপুনি বৃন্দাবনলৈ তেঁওক চাবলৈ গল। গই দেখে যে বাইএ যমুনা নদীৰ তীৰত বহি কৃষ্ণৰ নাম গান কৰিছে আৰু

চকুর পানীত সকলো কাপোড তিতি গইছে। রজাই তেঁওর ভরিত ধরি প্রণাম করিলে, করমেতিএও রজাক প্রণাম করিলে। রজাই বাইক ব্রহ্মকুণ্ডর তীরত এটি ঘর করি দিবর জন্যে শুদিলে। তেঁও মত নিদিলে, কলে "নহয়, এনে কাম কেতিয়াও নকরিম; ময় অরণ্যত ফলমুল খাই থাকিম, ঘর করিব নালাগে।" রজাই বহুত অনুনয় বিনয় করি এটী ঘর করি দিলে। সেই ঘরর চিন এতিয়ালৈকো আছে। তেঁও তাতে থাকিল আরু ঘরটল উভতি নগল। এইরূপে করমেতিবাইএ বহুদিন সেই অরণ্যত ফলমুল খাই, তপস্যা করি পিচত এই সংসার ত্যাগ করি স্বর্গলৈ গমন করিলে।

স্ব. ব,

---

# ভাষা।

ঈশ্বরর সৃষ্টির ভিতরত মানুহেই প্রধান। আন যোর জীব জন্তু কেবল মানুহক সহায় করিবলৈ সৃজা যেন হে দেখা যায়। কিয়নো পৃথিবীত এনে বিধ প্রাণী বা বস্তু নাই যি মানুহক এক প্রকারে সহায় নকরে। জীবির পশু পখী, পানীর মাছ মগর আদি করি সকলোএ মানুহর এটা এটা অভাব মোচন করিছে। ভাবি চালে ইয়ার পরা বুজিব পারি যে সৃষ্টিকর্ত্তাই মানুহ সৃজিবর মনেরে সিহঁতর সুখ আরু সুবিধার নিমিত্তে যি যি বস্তু লাগিব, সেই বোর বস্তুর সৃষ্টি করি শেষত মানুহ সাজিলে। এই জাতির গুণ আরু ক্ষমতা অশেষ। সিহঁতর দয়া মরম জ্ঞান বুদ্ধি সকলো

আছে ; ভাল বেয়া, যুগুত অযুগুত বিচারি চলিবরো শক্তি আছে। এই বোব গুণর বলত হে মানুহ সিহতর কীর্ত্তিরে বসুমতি ঢাকি পেলাইছে ; কিন্তু মানুহর সকলো ক্ষমতার ভিতরত কথাকোৱা ক্ষমতাটোএই প্রধান। ভাবি চালে ভাষাই মানুহ জাতির উদ্‌গতির জখলা। সি নথকা হেতেন আন বোর গুণ অকামিলা হই পাড় থাকিল হেতেন। ভাষাব বলত হে মানুহে মানুহ হইছে আরু সকলো জীব জন্তুব ওপরত একাধিপত্য করিব পারিছে। এই মহামায়া বাগ্‌দেবীর উৎপত্তি জানিবলৈ কার মন নাযায় ? কিন্তু তেঁও অযোনি-সম্ভৱা। জন্মর বিশেষ বৃত্তান্ত বিচারি পোৱা বড টান কথা। পৃথিবীর অনেক জ্ঞানী লোকে তাকে বিচারি জীবন নিয়াইছে, তেও তার সুংসুত্রকে উলিয়াব পারা নাই। তেঁওলোকর ভিতরত অনেকে একো নেপাই বেজারত বিচার ক্ষেত্রর বাজ হই গল। যি কেইজনে ধৈর্য্য ধরি আছিল তেঁওবিলাকর ভিতরতো মতব মিল নাই। কোনোএ কয় বোলে ভাষা কব পরা আছিল তাক মানুহে বিচারি উলিয়াব নোৱারে,,তাৰৈ পুরুষার্থ করাও বৃথা। কোনোএ বা মানুহর অসাধ্য কি আছে এই ভাবি কয় যে যদিও আজি কালি আমি ভাষার গুরি বিচারি উলিয়াব পড়া নাই তেও তাক মানুহর অসাধ্য বোলা যুগুত নহয়। কিয়নো কেতিয়াবা এনে দিন আহিব পারে যেতিয়া ভাষার গুরি আপোনা আপুনি ওলাই পড়িব। কোনোএ আকৌ ভাষা ঈশ্বরে দিয়া বস্তু বুলি কই বিচারর মুরকে মারিছে।

কিন্তু এই বোর বিষয়ত ঈশ্বরর গাত হাত দিয়া আরু নেজানো বুলি কোৱা একে কথা। এক প্রকারে চালে

ঈশ্বরে সকলোকে করিছে তেঁও নকরা বস্তু এই সৌর জগতত বিচারি পাবলৈ নাই। ভাষারো তেঁও বীজ স্রাজ দিছিল তার পরা মানুহে আপোন বুদ্ধি আরু যত্নর বলেরে বৃহৎ বৃক্ষ জন্মালে। ঈশ্বরে মানুহক ভাষা সৃষ্টি করিবর শক্তি মাথোন দিছিল, পিছে সিহঁতে সেই শক্তি খটাই তাক সাজি ললে। তেঁও জাতত চেকনি লই গছক গছ, পানীক পানী বুলিবলৈ শিকাই দিছিল এনে কথা নহয়। মানুহে তেঁও দিয়া শক্তির বলত গছক গছ আরু পানীক পানী বুলিলে। ঈশ্বরে আপোন হাতে স্রজা বস্তুর চিন বেলগ, দেখলেই চিন ধরিব পারি। তাক মানুহে বঢ়াব টুটাব বা বেয়া ভাল করিব নোৱাবে। কেৱল যি আছে তাকে উলট পালট, ভঙ্গে পতা মাথোন করিব পারে। পানী এবিধ ঈশ্বরে আপোন হাতে স্রজা বস্তু, তাক আমি কমাব বা সরহ করিব নোৱারো। সি প্রথমে যিমান আছিল এতিয়াও সিমানেই আছে আরু বোধ হয় আগলৈকো সিমানেই থাকিব। নতুনকৈ মানুহে পানীর এটোপো সাজিব নোৱারে। রসায়ন শাস্ত্রত যিবিলাক মানুহ পার্গত তেঁওলোকেও কেৱল কি কি বস্তু গোট খাই পানী হইছে তাকে হে উলিয়াব পারিছে; নতুনকৈ তার এটোপো গঢ়িব পরা নাই আরু আগলৈ যে কেতিয়া বা পারিব তারো ভরসা নাই। কিন্তু সেই পানীক মানুহে নানা প্রকারে ব্যৱহার করিব পারে। পুখুরি খানি নৈ করিব পারে বা নৈ বান্ধি পুখুরি করিব পারে। ভাষা কিন্তু তেনেকুৱা নহয়। তার ওপরত আমার সম্পূর্ণ অধিকার। আমি যি করোঁ যোলো তাকে করিব পারোঁ, কমাবও পারোঁ, বঢ়াবও পারোঁ। আদিতে ভাষা আকারে

নিচেই সরু আছিল পিছে মানুহর উন্নতির লগে লগে সিও ডাঙর হই আহিল। আজি কালি যি বোর অসভ্য জাতি আছে সিহঁতর ভাষাত বড় টানে দুশ শব্দ আছে কি নাই সন্দেহ। কিন্তু সভ্য জাতির ভাষাত তার সহস্র গুণ শব্দ ওলাব। আরু এতিয়া নতুন শব্দর সৃষ্টি হবই লাগিছে। অসভ্য জাতি বোবে গণনাত পাঁচ বা দহলৈ লেখে কিন্তু আমি অক্ষৌহিণীলৈকে লেখোঁ। ভাষা যদি ঈশ্বরে দিয়া বস্তু হল হেতেন তেনেহলে সি কেতিয়াও এঠাইত ডাঙর এঠাইত সরু নহয়। সকলো জাতির ভাষা একে নহলেও সকলো ভাষার শব্দর সংখ্যা সমান হল হেতেন। এই বোর দেখি শুনি ভাষা ঈশ্বরে সাজি দিয়া বুলি কব নোৱারি। কিন্তু মানুহেই বা সাজিলে কেনেকৈ? সিহঁতর জ্ঞান বুদ্ধি আদি করি কেতবিলাক ক্ষমতা আছে, তাবেনো সিহঁতে ভাষা যেন বস্তু এটা সাজিলেনে? তাক সৃজিবলৈ সিহঁতে গুণি গাঁথিতো চাব লগা হইছিল। কিন্তু দেখা যায় যে গণিব গুণিবলৈকো ভাষার সহায় লাগে। কারণ আমি কোনো কথা ভাবি চাওঁতে আপোনা আপুনি মনে মনে কথাহে কওঁ। ভবা আরু মনে মনে কথা কোৱা একে; একো ভিন নাই। কিন্তু বোধ বা অনুভব করোঁতে ভাষা নালাগে; এটা মানুহক আরু এটাই গালি পারিলে বা মারিলে যে বেজার বা দুখ পায় তাক অনুভব করিবলৈ ভাষার সহায় প্রয়োজন নকরে। বেজার আপোনা আপুনি মনত উঠিব, দুখ আপোনা আপুনি গাত লাগিব। সি তার বেজার বা দুখ লাগিছে বুলি জানিব মাথোন। কিন্তু কিয় মার খালে, কিয় গালি খালে, মারোঁতাই হকত মারিলেনে অহকত মারিলে

এই বোব কথা বিচারি ছাব খুজিলে ভাষার সহায় লব লাগিব।

পিছে, যেতিয়া কোনো মানুহর বেজার বা দুখ লাগে, তাক মুখেরে আনর আগত প্রকাশ করিবলৈ তার মন যায়। কিয়নো এই দরে প্রকাশ করিলে দুখর ভার কমি পাতল হই পড়ে। আরু মানুহর স্বভাব মতে বড় দুখ বা আনন্দ লাগিলে, লগরিয়ার আগত তাক ভাজি কবর ইচ্ছা হয়। সেই ইচ্ছা কেতিয়াবা এনে বলবতী হই উঠে যে নকই থাকিবই নোবারি। এনেকুবা অবস্থাত মানুহে কথা কবলৈ আরু এটা সহায় পায়।

আমার হাত ভরি আদি করি এটাই বোর অঙ্গরে একোটা ঈশ্বরে দিয়া শক্তি আরু নিয়ম আছে। সিহঁতে সেই নিয়ম অনুসরি হে শক্তি খটায়। এজন বহি থকা মানুহে উঠি যাবর মন করিলে তার ভরি আগেয়ে আগ বাঢ়ে। ভরিক বলেরে চলাব নালাগে। খোজ কাঢ়োঁতেও বল খটাব লগা হোবা হেঁতেন, অলপ দুবনিলৈ গলেই যুজি উঠা মানুহর নিচিনা ভাগর লাগিল হেঁতেন। কিন্তু আমার কেবল ভরি হোবিষায়, গার একো নহয়। হাতো তেনেকুবা। ভাত খাবর সময়ত হাত তোলোঁতে পেলাওঁতে আমি বল দিয়া যেন গম নেপাওঁ। আমি ভাত খাম বুলি ভাবিলেই হাতে ভাতর গরাহ তুলি লয়। এই দরে আমার ভিতরর যন্ত্র বোরো সদাই কাম করিবলৈ আগ বাঢ়ি আছে। আমি আজ্ঞা অর্থাৎ ইচ্ছা করিলেই কামত লাগি যায়। কথা কোবোঁতো সেই প্রকার। আমার বাক্-যন্ত্র বোর সদাই কামলৈ ওলাই আছে, আমি ইচ্ছা করা মাত্রেই ডিঙি, জিবা ওঁঠ আরু ভিতরর যন্ত্র বোর সকলো লড়িব ধরে।

প্রথমে যি জন মানুহে বস্তুর নাম দিলে, তেঁও হয়তো লতা বা গছ এজোপা দেখি সেই কথা আন এজন লগরিয়াক মুখেরে ফুটাই কবলৈ ইচ্ছা করিলে। ইচ্ছা বর প্রবল হই উঠিল, তেঁও ও বর যত্নশীল হল। তেতিয়া খোনা মানুহর মুখর পরা কথা ওলোৱার দরে 'গছ' এই কথাটো ওলাই পড়িল।

ইফালে হয়তো হাতেরে আঙুলিয়াই দেখুৱালে। তেঁওর লগরিয়া জনে বুজিলে যে তেঁও, ডাল, পাত থকা উদ্ভিদ্ ডালকে গছ বুলিলে। সেই দিনর পরা তেঁওলোকে গছক গছ বুলিব ধরিলে। এই দরে আন বস্তুরো নাম দি পরস্পরে আপোনার মনর ভাব প্রকাশ করিব পরা হল। পিছে লাহে লাহে এটা বস্তুরে অনেক নাম ওলাল। পানীক জল, বারি নীর আদি বহুত নাম দিলে।

আমার শাস্ত্রত বিবোর মূল-মন্ত্র আছে, সেই বোর চুটি চুটি এক্কোটা শব্দ মাথোন। মানুহর মুখেরে প্রথমে সেই বোরেই ওলাইছিল। সূর্য্যক দেখি প্রথমে মানুহে যি নাম দিলে, সেইটোএই তার মূল-মন্ত্র হল, চন্দ্রক দেখি যি নাম দিলে সেইটো চন্দ্রর মূল-মন্ত্র হল। এই দরে ভাষার সৃষ্টি হয়। আমার দেশর ঋষি-মুনি বিলাকেও বিচারি ইয়াকে থিরাং করি গইছে।

স, ব,

---

# স্তুতি।

নিরাকার হ'য়ো যেয়ে শরীরীর ঘরে,
সংসারর সব কাজ নিরন্তর করে,
চক্ষু নাই দেখিছে সকল
আকাশ পাতাল জলস্থল,
কাণ নাই সকলো শুনিছে,
হাত নাই সকলো ধরিছে,
ভরি নাই সর্ব্বত্রতে করিছে গমন,
ভজা তাক্ ভজা সদা হই শুদ্ধ-মন।
সংসারক জানন্ত যি জনে,
কিন্তু তাক কোনেও নাজানে,
পুরুষ-প্রধান হেন জন,
সৃষ্টি-স্থিতি-প্রলয়-কারণ,
ভজা ভাই! তাক্ সদা হই শুদ্ধ-মতি,
বোলা সদা "প্রভো! মোর ঘুচোবা দুর্গতি॥"
আকাশ পৃথিবী সব স্থানে,
ব্যাপি আছে প্রতি প্রাণে প্রাণে,
শরীরর প্রতি লোম-কূপে,
ব্যাপি আছে অনন্ত-স্বরূপে,
মহা-শক্তি রূপে থাকি প্রতি পদার্থত,
সংসারর ক্রিয়া-কাণ্ড চলায় সতত।
হেন মহা-পুরুষক নিত্যে,
উপাসনা করা শুদ্ধ চিত্তে,

ভজি তাঙ্ক শুদ্ধ করা মন,
করা তাঁর মহিমা কীর্ত্তন।
বোলা "মুর! সদা তাঙ্ক করা প্রণিপাত,
"অন্তর, সোঁৱরা তাঙ্ক পূজা করা হাত!"
বিষয়ীর শরীরে থাকয়,
বিষয়-বিকারে নোচোৱয়,
( পদুম-পাতর পানী-প্রায়
ভিন্নরূপে থাকে এক ঠাই )
যিবা মহা-পুরুষক ভজা তাঙ্ক নিত্যে,
ভজা ভাই! পবিত্র-অন্তরে ভক্তি-বিত্তে।
স্তুতিত সন্তোষ নাই যার,
নোচোৱয় গালিতো বিকার,
সমভাৱে আছে সর্ব্বদাই,
চেতনতো অচেতন প্রায়,
সেই মহাপুরুষক ভজা নিত্যে নিত্যে,
ভজা ভাই পবিত্র-অন্তরে হৃষ্ট-চিত্তে।
ইন্দ্রিয়াদি করিয়া দমন,
বিষয়ক করিয়া বর্জ্জন,
ধার্ম্মিক সকলে সর্ব্বদায়,
উপাসিয়া যাক সুখ পায়,
পবিত্র আনন্দ লভে, ভজা ভাই! তাক,
বোলাতা "সুমতি-বুদ্ধি দিয়োক আমাক।"
খ্রীষ্টীয়ানে পূজে "খ্রীষ্ট" বুলি,
বাইবেল-সুর তুলি তুলি,
"বিচমিল্লা" মহম্মদ নামে,
ভক্তিভাৱে পূজিছে "ইসলামে"

"রাম-কৃষ্ণ" বুলিয়া বৈষ্ণব হিন্দু পুজে,
শাক্তই সেবিছে বুলি "মাগোঁ দশভুজে!"
"রণ-চণ্ডী" "লোল-জিহ্বা" নামে,
রণুৱাই পূজিছে সংগ্রামে,
লাজামারা "ধরমাণী আই",
কছারিয়ে পূজে সর্ব্বদায়,
"লঙ্গদেও" "জাবী" আদি নানা সম্বোধনে,
অসভ্যত গারোয়ে পূজিছে হৃষ্ট-মনে।
ধনবানে পূজে অর্থ দিয়া,
নৈবেদ্যাদি বলি নিবেদিয়া,
দুখীয়াই পূজে খুদে কণে,
ভিকহুৱে মাগি অনা ধনে,
পক্ষী সকলে ও সেৱে নানা বোল বুলি,
বৃক্ষ সবে জড়-ভাৱে মুর তুলি তুলি!
মাখীসরা মসী-জীবী আমি,
কিহেরে পূজিম বিশ্বস্বামি,
অন্তরতো সার নাই তাতে,
অসার জীৱনো পর-হাতে,
পরর কৃপাত করি জীৱনক—দান,
কষ্টে-সৃষ্টে দিন কাটোঁ—যুগর সমান।
জাত্ত কাঁহর পাখী লই,
ঘাঁহি ঘাঁহি মন-কথা কই,
অন্তরর দুখীয়া ভাৱেরে,
দুখী আমি পূজিম সাদরে,
ইয়াত সন্তুষ্ট হয় জগতর নাথ,
কার্য্যত শকতি দিবা দৃঢ়তা কথাত। র, মহন্ত।

# সদানন্দর সানমিহলি টোকা।

শ্রীপঞ্চ-সরস্বতৈ নমঃ।

১। হাত্তী ধান খাবলৈ আহিল; তিন ডাল কেঁচা কলা-গছ তিন তার জোর করিলোঁ। এতারে শোহালে, এতারে ফোঁপালে, এতারে জুই দেখিএই মুমাল; জুই দেখি মুমাল ঘি তার, হাতী খেদি নিলোঁ সেই তারেরে।

২। এদিন এজনা রজা এখন ইস্কুল চাবলৈ গইছিল। ছাত্রবিলাকর আগত ইস্কুলর অধ্যাপকে দস্তুরমতে মুরর টুপি সোলোকাই রজাক সম্ভ্রম নকরিলে; কিন্তু বাটত আগ বাঢ়ি গই রজার ওচরত ক্ষমা প্রার্থনা করি কলে যে, তেঁও টুপি সোলোকাই রজার আগত মুর দোঁওৱা হলে ছাত্রবিলাকে ভাবিলেহেঁতেন যে সিহঁতর অধ্যাপকতকৈও জগতত এজন ডাঙর মানুহ আছে, আরু সেই নিমিত্তে তেঁওক কম মান করিলেহেঁতেন।

৩। এজনা মুনসিপ ডাঙরীয়ার কছারিত হরিপদ দত্তে কলে, "দেউতা, মোর নাম হরিপদ দত্ত, বাড়ী শ্রীহট্ট।" ডাঙরীয়াই গোচরর কাকত লেখোঁতে ফুটাই মাতিলে—"হরিপদ দত্ত(অ), বাড়ী শ্রীহট্ট(অ), গোল মরিচ(অ)।" হরিপদে লাহেকৈ উত্তর দিলে—"হয় দেউতা, খারণি হে নহয়।"

৪। এদিন এজনা মহাকবিয়ে তেঁওর বৈনীয়েকলৈ বর মরমেরে পদ্যত এখনি চুমাৰি কথার চিঠি লিখিবলৈ অভিলাষ করি প্রথম পাৰি লিখিলে—'চুমা চুমা অ মোর প্রিয়তম।' কিন্তু দ্বিতীয় পাৰি লিখিবৌ ভাবিও পুরাব

নোৱাৰিলে; পাছে বৈনীয়েকলৈ সেই কথা লিখি আৰু নিজেই সেই শাৰি পুৱাই লবলৈ প্ৰাৰ্থনা কৰি চিঠি খন পঠাই দিলে। বৈনীয়েকে এই উত্তৰটি দ্বিতীয় শাৰি কৰিলে—"খা গৈ ঘাঁহ গাধ খাবৰ যম।।"

৫। এদিন এটা শিকাৰীয়ে গঁড় গুলিয়াবলৈ যাওঁতে বৰঠিলৈত জুই দিবলৈ লগত এটা কলা মানুহ লৈ গৈছিল। যেতিয়া গঁড় ওচৰ পালেহি, তেতিয়া শিকাৰীয়ে ডাক কলে—"জুই দে, জুই দে।" কলাই বোলে—এঃ আজি ভাত খোৱা বেয়া হল।" "ওৰ কলা, জুই দে, জুই দে।" "এঃ ককাই, আজি ভাত খোৱা বেয়া হল।"

৬। এদিন দিন-দুপৰত এটা মদাহীয়ে আহি আন এটা মদাহীক শুধিলে, "ভাই, কোৱাচোন্ এইটো সূর্য্য নে চন্দ্ৰ? বয় বহুত্ পৰ ভাবিও ঠিক কৰিব পৰা নাই।" দ্বিতীয় মদাহীয়ে বহুত পৰ সূর্য্যলৈ চাই উত্তৰ দিলে "বয় অনেক দিন এই গাঁৱলৈ অহা নাই, এইটো সূর্য্য নে চন্দ্ৰ ঠিক কৈ কব নোৱাৰোঁ।।"

৭। এজনা ফোঁট-লোৱা ভকতক অহা দেখি এটা মানুহে শুধিলে "ভেৰি আইত, বপা, ফোঁটাল বলদ গৰু এটা দেখা পালে নে?" ভকতে ভেঁওকে গৰু বোলা বুজিব পাৰি উত্তৰ দিলে, "জানো, বয় বপা গৰুলৈ মন কৰিবলৈ নহল; কিন্তু কলা, লাওমুৱা গৰু এটাক সেই বাঁহ-জোপাৰ তলতে বিঠা খাই থকা দেখিলোঁ।।"

৮। এটা ধৰ্ম্ম-মন্দিৰত (নাম-ঘৰত) একালে তিৰোতা আৰু আন কালে মতা বহিছিল। মতা-দলৰ ভিতৰত কিজুমানে কথা পাতি হাই কৰাত আচাৰ্য্য বা বক্তৃতা দিয়া পুৰোহিতে বৰ খঙ্ কৰিলে। ইয়াতে এজনী তিৰো-

তাই মাত লগালে, "দেখক, আমার ভিতরত কোনেও মতা নাই।" আচার্য্যে উত্তর দিলে, "তেন্তে ই বর সৌভাগ্যর কথা; এই হাই বেগতে ভাগিব; কিন্তু তিরোতার দলত কোৱা হলে সি কেতিয়াও নাভাগে।"

৯। এদিন ঘরর ঘাই বাবু জমাই মদ খাই শুই থাকোঁতে বোধ হল যেন তেঁওর সোঁ ভরীটো কোনোবাই চুরুকৈ নিলে। তাতে তেঁও বর বেজাব করি চাকরহঁতক মাতিলে। চাকরহঁতো নিয়মীয়া মদপী। সিহঁতেও চালে, হয় বর বাবুব সোঁ ঠেঙ নাই। সিহঁতে নিয়মীয়া মদপিনী দৈনীহঁতক মাতিলে। দৈনীহঁতেও গোট ঘরত ঠেঙ বিচারি নাপাই কান্দিবলৈ ধরিলে। তার পাছে পুরোহিত বাপুৱে সেই ঠেঙ নিছে নে বুলি শোধা হল। নিয়মীয়া মদপী পুরোহিত বাপুৱে উত্তর দিলে, "ময় বাবুর দক্ষিণ চরণ খানি কেলেই আনিছোঁ? অনা হলে মানুহ পঠাব নালাগে, ময় নিজে গৈ কাণত করি দি আহিলোঁহেঁতেন।"

১০। ভাগ্যবান্ কোন্? উত্তর, বিষয়ার "শেলা" (খুর শালি)। বর লোকর "শেলা" (চেলা) সরু হইও বর, দুখীয়া হইও চহকী, মূর্খ হইও পণ্ডিত, অকামিলা হইও সকলো রাজকীয় কামর উপযুক্ত, আরু অতি ক্ষুদ্র হইও গপত গজাটোপর দরে ওফোন্দা। তুমি যি কাম এস, এ, পরীক্ষাত উঠিও নোপোৱা, বাবুর "শেলার শেলাই" পথম শ্রেণির গাধ হইও পায়। এটাইত এজন বিষয়ার তলত এটা কাম খালি আছিল। তেঁওর ভাইয়েকে কর্ম্ম-প্রার্থী হই তেঁওর তলত অনেক দিন কাম-শিকারু আছিল, আরু কাম-শিকারুরূপে সেই কালো অনেক দিন চলাইছিল।

এনেতে বিষয়ার "শেলা" আহি সেই কামলৈ প্রার্থনা করিলে। যদিও ভাইএক সম্পূর্ণরূপে উপযুক্ত আছিল, আরু খুবশালিএক চতুর্থ শ্রেণীর গরু আছিল, তথাপি বিষয়াই খুবশালিএকক কাম দিলে; আরু ভাইয়েকক কলে, "তই এতিয়া কামর উপযুক্ত নৌ হ, আরু বছর চারেক কাম শিক, এই বার খালি হলে পাবি।" ভাইএকে উত্তর দিলে, "ককাই এই কেই বছর কাম শিকাবেই যি ফল পালোঁ পালোঁ, আরু তোর তলত কাম নিশিকো, আরু তোর ওচরলৈকো নমরোঁ মানে নাহোঁ; কিন্তু শেলা যদি কেতিয়াবা তোর "শেলা" হব পারোঁ, তেতিয়া হলে তোর ওচরত কাম বিচারি আহিম।" এই বেজারত বপুবাই নিজ দেশো পরিত্যাগ করিলে। হে ফেমিলির ভাইএক! তোমার আগত মানুহে নিজ বংশ নেদেখে, বিদ্যা-বুদ্ধি নেদেখে, ভাল বেযা নেদেখে, একো নেদেখে, কেবল তোমাক হে দেখে। তুমি এই জগতত সকলোতকৈ বেচি ভাগ্যবন্ত জীব; এতেকে তোমার শ্রীচরণত সদানন্দর কোটি কোটি দণ্ডবৎ।

টীকা।—যি পরর করে, ঘরর খায়, খাপ লওঁতে দিন যায়, তার নাম কাম-শিকারু। ফেমিলির ( Family ) অর্থ পরিয়াল, পরিয়ালর সার যৈনী; এতেকে বাবু সকলর মতে যৈনীয়েই হে পরিয়াল; যৈনীর ভাই "শেলা"; অতএব ফেমিলির ভাইএকর অর্থ "শেলা"। কিন্তু সদানন্দে 'শেলা' বুলি বর লোকক অপমান করিব নোখোজে।

S.

---

# ক্ষেতি।

আমালোকর দেশর ক্ষেতির বিষয় আলোচনা করাও এই ক্ষুদ্র পত্রিকা খানর এটি মহৎ উদ্দেশ। সেই নিমিত্তেই আজি এই কেই সারী আসামর ক্ষেতির দুরবস্থার কথা পাঠক সকলক উপহার দিলোঁহকঁক। যদি আজি কালি অন্য কোনো বিষয়তে আসামর অলপ উন্নতি হইছে, ক্ষেতির বিষয়ে একেবারেই নাই ; বরং অধোগতিহে।

ভাবি দেখিলে তার কারণ দুটা। প্রথম ক্ষেতিয়ক বিলাকর আখরেরে সইতে পরিচয় নথকা। দ্বিতীয় ক্ষেতি করা সকলোএ নীচ বলি ভবা।

ক্ষেতিয়ক বিলাকে লেখা পঢ়া নেজানে গুণেই ভাবিবও নোৱারে যে পৃথিবীর ভিতরত মানুহর যদি কিবা নিতান্ত প্রয়োজনীয় বস্তু আছে, তেনেহলে সি একমাত্র ক্ষেতি। আরু তেঁও লোকে এইটোও নেজানে যে, যি জীবিক নির্ব্বাহর নিমিত্তে মানুহে রাতি পুৱার পরা গধূলিলৈকে সাধ্যমতে পরিশ্রম করি ধন উপার্জ্জন করে, সেই জীবিকা কেৱল ক্ষেতিত উৎপন্ন হোৱা বস্তুর ওপরত। আমার দেশর মানুহ অলপমান শিকা বুজা হলেই তেঁওবিলাকর মনত ক্ষেতিলৈ অশ্রদ্ধা ভাৱর উদয় হয়। কিন্তু তেঁওবিলাকে নাভাবে যে তেঁওবিলাক শিক্ষিত হই ক্ষেতির উন্নতির চেষ্টা করিলে শীঘ্রে সিদ্ধি হব পারে। আমালোকর দেশর মানুহ শিক্ষিতেই বা হইছে কি? আসামর অতি উচ্চ শিক্ষা এণ্ট্রেন্স পর্য্যন্ত। ধনী আরু ভদ্রলোক সকলে লরাক এণ্ট্রেন্স পরীক্ষাটি পাস করাব পারিলেই, তেঁও-

বিলাকে টকা ঘটার সার্থক ফল আরু লরা পচাব লগা ধারর পরা মুক্ত ফল যেন বিবেচনা করে। এনে স্থলত ক্ষেতির বিষয়তে বা অন্য কোনো বিষয়তে উন্নতির আশা করা যে নিতান্ত ভুল, ইয়াক কোৱাবে আৱশ্যক নাই। কিন্তু সেই নিমত্তেই যে ভবিষ্যতর উন্নতৈকো আশা নকরিমহঁক এনে নহয়। সকলো সময়র পরাহে ডাঙর হয়। সকলোরে আদিও আছে অন্তও আছে। কেতিয়াবা এনেকুৱা দিনো আহিব পাবে, যেতিয়া সকলো আসামবাসীয়ে একেমন একেপ্রাণ হই আপোন আপোন অভাব বুজিব পারি সকলোএ দেশর অভাব মোচন করিবর নিমিত্তে বদ্ধপরিকর হব। আমালোকে ক্ষেতির অবস্থা বুঝাবলৈ আহি অন্য কথাত পরিলোঁহঁক। মানুহর ক্ষেতিলৈ ইমানে ঘিণ কিয়? লাভ নাই। লাভ নাই কিয়? আমালোকে ক্ষেতি করিবর নিয়ম নেজানো। তেনেহলে আমালোকর গাত দোষ নে, ক্ষেতির গাত দোষ? যদি আমালোকর গাতেই দোষ, তেনে হলে ক্ষেতিলৈ অশ্রদ্ধা করোঁহঁক কিয়? এইটো আমালোকর অলপ শিক্ষার ফল। এনে শিক্ষাতকৈ শিক্ষা নকরাই শ্রেয়। যি শিক্ষার পরা সহজে স্বাধীন ভাৱেরে আরু সুখেরে ধন উপার্জ্জন করিব পরা উপায়লৈ অশ্রদ্ধা জন্মিছে, তেনে শিক্ষা নোহোৱাই ভাল। অন্য কি আজি কালি গাঁৱলীয়া পাঠশালাত পঢ়া লরাইও ক্ষেতি করা লাজ যেন বিবেচনা করি চাকরি বিচারি ফুরিছে। এই বিলাক মানুহর বিশ্বাস আছে যে যি মানুহে লেখা পঢ়া নেজানে বা যি একো কামকে করিব নেজানে, ক্ষেতি করা সেই মানুহর হে কাম। কিন্তু এই বিলাক অন্ধবিশ্বাসর

পরাই যে দেশত সর্ব্বনাশ উপস্থিত হইছে, সেই ফালৈ কারো দৃক্‌পাত নাই। আমালোকর দেশর মানুহে "ক্ষেতি" বুলিলে সাধারণতঃ ধান সরিয়হ, মাহ, আরু কুঁহিয়ারর ক্ষেতিকে বুজে। সেই বোরর বাহিরেও অন্য বস্তুর যে ক্ষেতি করিব পারি, তাক নেজানেও আরু জানিবলৈকো চেষ্টা নকরে। হয়তো আমালোকর কিছুমান পাঠকেও বিশ্বাস করিবলৈ সংশয় করিব যে আজি কালি সকলো বিষয়তে যি "বিলাত" সভ্যতার অতি উচ্চ টীঙত উঠিছে, সেই বিলাতর মানুহর মাজতো সকলো বিষয়ত কৈ ক্ষেতিত হে আদর বেসি। আরু তেঁওলোকে ক্ষেতি নকরে, প্রায় এনেকুৱা বস্তু নাই।—সেই বোরর ভিতরত প্রধান এই কেইটা—গাখীর, মজহ, মৌ, ঘাঁহ, গোমধান আরু আলু। এনেকুৱা ক্ষেতি করিয়েই ইমান লাভ করে যে, যদি এজন গৃহস্থর ওপরত লিখা কেইটার এটামানো ক্ষেতি থাকে তেনেহলে আরু তেঁও জীবিকা নির্ব্বাহর অন্য উপায় বিচারিব লগাত নপরে। কিন্তু আমালোকর দেশত মানুহে ২।৩ বিধকৈ ক্ষেতি করিও অন্তত নিজে খাবর নিমিত্তে কিনিব লগাত পড়ে। ইয়ার কারণ কি? তেঁওলোকে ক্ষেতি নিয়ম বুজি নকরে। আমালোকে ক্ষেতি করার নিয়ম বুজ নেপাওঁহঁক। সেই নিমিত্তেই আমালোকর দেশর মাটি ইমান "সারুৱা" থকাতো মানুহে ক্ষেতি করি লাভ করিব নোৱারে। সেই নিমিত্তেই ক্ষেতি আমালোকর দেশত সাধারণ মানুহর কামর লগত গণ্য। যদি আসামর মানুহে মাটির গুণাগুণ বুজি অর্থাৎ কি গুণর মাটিত কি শস্যর ক্ষেতি করিলে ভাল হয়, ইয়াক জানি ক্ষেতি করিলেহেঁতেন, তেতিয়া বোধ হয় সকলো মানুহে আসামক অন্যান্য দেশতকৈ সারুৱা বুলিবলৈ

খাধ্য হলহেঁতেন। কিন্তু সেই আশার পথত অনেক বিঘ্ন আছে। প্রথমতঃ দেশীয় মানুহ বিলাক শিক্ষিত হোৱা আৱশ্যক; আৰু দ্বিতীয়তঃ শিক্ষিত হই ক্ষেতিক অশ্রদ্ধা নকৰিবলৈ শিকা আৱশ্যক। আজি কালি অনেক ভদ্র লোকে (যিবিলাকে গভর্ণমেণ্টৰ চাকৰি ঘিণতে নকৰে, বা কৰিবলৈ নাপায় বুলিএই নকৰে) দুজন, চাৰি জনে সইতে গোট খাই কুম্পানি খুলি জোতা, নাৰিকল, লোণ, তেল ইত্যাদিৰ ব্যৱসায় কৰে। অৱশ্যে ব্যৱসায় কৰা বেয়া নহয়। ব্যৱসায় ক্ষেতিতকৈও দেশৰ উন্নতিকাৰক। কিন্তু আমাৰ বিবেচনায় আগেএ ক্ষেতি পিছে কে ব্যৱসায়। কাৰণ দেশজাত বস্তুৰ ব্যৱসায়ৰ দ্বাৰাই দেশীয় মানুহৰ যিমান মান আৰু দেশৰ উন্নতি বৃদ্ধি হয়, অন্য বস্তুৰ দ্বাৰাই সিমান নহয়। কিন্তু ক্ষেতি নহলে ব্যৱসায় কৰিবলৈ বস্তু পাব কত? অতএব ক্ষেতিএই ব্যৱসায়ৰ মূল। আসা-মত কি উপায়েৰে নো ক্ষেতি কৰিলে মানুহৰ অলপ লাভ হব, অহা বাৰলৈ সেই বিষয়ে লিখিবলৈ চেষ্টা কৰিমহঁক। পৰমপিতা পৰমেশ্বৰৰ ওচৰত এই ক্ষুদ্র পত্রিকা খানৰ দীর্ঘায়ু কামনা কৰি প্রবন্ধ শেষ কৰিলোঁহঁক।

H.

---

# ছাত্রজীৱন।

ছাত্র-জীৱনক দুভাগ করিব পরা যায়; নীচেই লরা কালরে পরা কিছু জ্ঞান হোৱালৈকে ৱা পোন্ধর ষোল বছর-লৈকে এভাগ, আরু দ্বিতীয় খণ্ড বাকি গোটেই ভাগ। প্রথম খণ্ডত আমি শিক্ষক ৱা আই-বোপাইর দণ্ডিত হে পঢ়োঁ, আরু যেইএ যি শিক্ষা দিয়ে তাকে লওঁ। কিন্তু এই সময়ত আমি নিজে কি ভাল কি বেয়া তাক বাচি লব নোৱৰা গতিকে সৎসঙ্গত পড়িলে জ্ঞানী আরু কুসঙ্গীর লগত পড়িলে মূর্খ হওঁ। এই অৱস্থাত আমি যেনে স্বভাৱর হই উঠোঁ, ডাঙ্গর হলে সেই স্বভাৱ কেতিয়াও ভালকৈ যুগুছে। এতেকে এই অৱস্থাত যি লরা বেয়া হয়, সি কেৱল শিক্ষক আরু মাক-বাপেকর দোষত হে হয়। লরার মন চহোৱা মাটির দরে, যি বস্তুরে গুটী পেলোৱা সেইএ তাত জন্মির। লরা ডাঙ্গর আরু বুদ্ধা হই আহে মানে ক্রমে ধর্ম্ম, নীতি আরু বিদ্যার আলোচনার দ্বারায় তার মন পোহরলৈ আনিব লাগে। নীচেই সরু-কালরে পরা লরাই যাতে মিছা কথা নকয়, আরু ডাঙ্গরর উপদেশ গ্রহণ করে, তার নিমিত্তেও যত্ন করা উচিত। এই বাল্য-শিক্ষায় অভাৱত হে বহুত লরাক বাট এড়ি অবাটে যোৱা দেখা যায়। আরু লরার যি শিক্ষা ছোৱালীবিলাকর পক্ষেও সেই শিক্ষাই হব পারে। পোন্ধর ষোল বছরলৈ লরাই নিজর শারীরিক, মানসিক আরু আধ্যাত্মিক উন্নতির নিমিত্তে নিজে চিন্তা করিব নোৱৰা হই থাকে, তার

পিছত বেয়া সমাজৰ ভিতৰত সদাই মুফুৰিলে লৰা নষ্ট হবৰ বড় ভয় থাকে। এনেকৈ ছলে মানুহে সমস্ত জীৱনটোতে লোকৰ অনুকৰণ কৰে, আৰু সদাই ভাল সঙ্গত থকা অসম্ভৱ, এই নিমিত্তে তেঁওলোকৰ স্বভাৱ বেয়ালৈ পৰিবৰ্ত্তন হব পাৰে; কিন্তু ২৫-৩০ বছৰলৈ ভালে থাকিব পাৰিলে সিফালে তিমান সঙ্কট নাই। প্ৰথম অৱস্থাতে স্বভাৱৰ এই দৰে গঢ় লাগিলে, আৰু মাকে-বাপেকৰ তলত নিশ্চিন্ত হই বিদ্যা শিক্ষা কৰিব পাৰিলে, লৰাৰ বুদ্ধি চোকা হই কালত তেঁও এজন বিদ্যাৱন্ত হব পাৰিব। কোনো কোনো মানুহে কয় যে কঁপালে মানুহৰ ভাল বেয়া কৰে, আৰু যাৰ ভাল হব লগিয়া তাৰ গুড়িবে পৰা ভাল হৈ আহে; কিন্তু প্ৰকৃত পক্ষে ওপৰত কোৱা মতে যি লৰাই শিক্ষা পায়, সেইএ ভাল হয়। কঁপালক ধৰাব আৰু আন একো অৰ্থ নাই যেন বোধ হয়। ষোল বছৰৰ ঊৰ্দ্ধ হলেই লৰাই কি কৰিলে নিজৰ উন্নতি হয়, তাক জানিব পৰা হয়। অতএব আমি বাল্য বা ছাত্ৰ-জীৱনত সুন্দৰ স্বভাৱ আৰু সুন্দৰ শিক্ষা লভিলে, আমাৰ আগলৈ বাঢ়ি অহা জীৱন-স্বৰূপ গছৰ গুড়ি শকত হয়, আৰু শেষত সুন্দৰ ফল-ফুল ধৰে। সুস্বভাৱযুক্ত হোৱা এটী ঘাই কথা, তাৰ পিছত হে বিদ্যা। বিদ্যা অৰ্থে অকল লেখা-পঢ়াক ধৰা যায় যদি, বিদ্যা শিকি বহুতৰ ভাল চৰিত্ৰ নোহোৱাও দেখা গইছে। লেখা-পঢ়াৰ দ্বাৰাই আমি সকলো ভাল বেয়া জানিব পৰা হওঁ হয়, কিন্তু কেৱল অমুকটো কৰা ভাল অমুকটো বেয়া, এই মাত্ৰ জনাৰ পৰা একো বিশেষ গুণ নধৰে। যি কাৰ্য্য ভাল বুলি জনা যায়, সেই কাৰ্য্য নিজে কৰি অন্যক দৃষ্টান্ত দেখুৱাও এটা

প্রধান কার্য্য, আৰু ইয়ার দ্বারাই আমাক দেখি বহুতে ভাল হবর সম্ভাৱনা। ছাত্র-অৱস্থা বড় সুখর কাল। এই কালত আমাৰ মনত সকলো ভাল বস্তুৰ গুটী কুই শেষত অর্থাৎ সাংসাৰিক অৱস্থাত তাৰ ফল ভোগ কৰিবর সময়। সাংসাৰিক অৱস্থা যে কি অসুখজনক, তাক ছাত্রবিলাকে ভালকৈ বুজি উঠিব নোৱাৰে। বিয়া করাই আসি যেতিয়া গৃহস্থ হওঁ, তেতিয়া যে কি চিন্তা, কি ভয় আৰু কি সতকতার আৱশ্যক, তাক ভাবি চালে সেই অৱস্থা জীৱনৰ মহলা বুলি হে জ্ঞান হয়। সংসারত সোমাইও শিকিব লগিয়া বহুত কথা আছে; তাত প্রকৃত ঘটনা দেখি শুনি প্রকৃত জ্ঞান হয়, কিন্তু ছাত্রাৱস্থাত সেই সেই কার্য্য বা ঘটনা নঘটার আগেয়ে কি উপায়র দ্বারাই সেই সকল সিদ্ধ হব, তার শিক্ষা হয়।

পূর্ব্বে কোৱা হইছে যে ছাত্র-জীৱন বড় সুখৰ কাল। এই কালৰ শিক্ষার ওপরত আমার ভবিষ্যতৰ মঙ্গলামঙ্গল বিশেষকৈ নির্ভর করে। এতেকে এই সময়ত আমার কি কি প্রধান গুণ থকা উচিত, তার বিষয় অলপ কই এই প্রসঙ্গ শেষ করা হল। নম্রতা, সন্তোষ, ভক্তি আৰু পরিশ্রম, এই চারিটী গুণ ছাত্রৰ পক্ষে চারিটী মকাৰত্ন। অহঙ্কারী হলে মন সদাই নিরানন্দ হই থাকিলে, গুৰুৰ বাক্যলৈ আওকাণ করিলে আৰু নিজে যত্ন নকরিলে বিদ্যারত্ন কেতিয়াও লাভ নহয়। অহঙ্কারী মানুহে আপোনাকে আপুনি বহুত জনা শুনা ডাঙ্গৰ মানুহ যেন জ্ঞান করে; এতেকে সি চিরকাল মূর্খ আৰু সকলোরে ঘৃণনীয় হই থাকে। যাৰ মন সদাই চঞ্চল, তারো কোনো কথাই ভাল নালাগে দেখি স্থির হই বিদ্যা শিকা টান হয়। অৱ-

শেষত গুৰু বা শিক্ষকৰ বাক্য অৱহেলা কৰিলে আৰু নিজে যত্ন নকৰিলে কোনো বিদ্যাকে শিকা অসাধ্য। সৰ্ব্বশেষত আৰু এটী কথা আছে যে প্ৰায় সকলো ছাত্ৰকে তেঁওলোকৰ সেই পঢ়া অৱস্থাত যেনে কোমল-হৃদয় আৰু উদাৰ-স্বভাৱ দেখা যায়, তেনে মানুহ সংসাৰত পোৱা বড় টান। এই দেখি তেঁওবিলাকে যেন তেঁওলোকৰ এই সত্যপ্ৰিয়, অপক্ষপাতী আৰু কৰুণ-হৃদয় হোৱা স্বভাৱটী সংসাৰত সোমালেও নুগুছে, ইয়াৰ নিমিত্তে চকু ৰাখে, এই আমাৰ একান্ত বাঞ্ছা।

শ্ৰী ল, না, ব,

---

# ঘৰি।

টক্ টক্ কৰি, চলি যায় ঘৰি,
আমনি নালাগে তাৰ।
ভাগৰ বেজাৰ, নাই জ্ঞান তাৰ,
ঘূৰি ফুৰে অনিবাৰ॥
আপত্তি ওজৰ, হেলা হানিকৰ,
নকৰে কেতিয়াও সি।
কায়-বাক্য-মনে, চলিছে সঘনে,
ত্ৰিলোকো নাথাকে বলি॥
নিৰ্দ্ধাৰিত ঠাই, যেতিয়া গই পায়,
টং টং বাজে ঘৰি।

ঘুর্ ঘুর্ করি, বিমান চকরি,
ঘুরে লরালরি করি ॥
যজ্ঞা হলে তার, ধরে পুনর্ব্বার,
করিব' আপোন কাম।
আকৌ সেই দরে, ঘুরি ঘুরি ফুরে,
দিন-রাতি অবিরাম ॥
মাহ পক্ষ কত, হই যায় গত,
তেও ঘরি চলি যায়।
বছরো যে কত, ক্রমে ক্ষয়গত,
তথাপি টকটকায় ॥
তার পিছে হায়! দিন আহি পায়,
ঘরিএ পাহরে মাত।
টক্ টকি নাই, হাতো ঘুঘুরায়,
এড়ালে সংসার-হাত ॥
ঘরির নিচিনা, নরর বাসনা,
থাকে কিছু দিন মাতি।
তার পিছে লয়, লাহে লাহে হয়,
শেহত হয় গৈ কাতি ॥
ঘরির গমন, নরর জীবন,
দেখি একে যেন প্রায়।
"পেণ্ডুলাম" তার, নিশ্বাস আমার,
একো ভিন ভাব নাই ॥
চকরি-মণ্ডল, নর-যন্ত্র স্থল,
স্বরূপতে একে দয়।
কিন্তু আছে-চিন, কিছু আছে ভিন,
ঘরি আরু মানুহর ॥

ঘরি বর কামী, এলেছুরা আমি,
কামত নপরে মন।
বহি শুই খাই, দিন রাতি যায়,
কাম মাত্র আর্জ্জোঁ। ধন॥

শ্রী স, ব,

---

# গারো-বৃত্তান্ত।

( ৩৬ পিঠির পরা ক্রমান্বয়ে। )

কোনো ঠাইলৈ যাব লাগিলে ও খাজর ওপরত বা বোকোচার ভিতরত সেই ভাতর টোপালাটি লই হে খোজ ডাঙ্গে। পাত বা কাঁহিত জুরাই ভাত খাবলৈ বোলে গারোহঁতর ঘিণ লাগে। আমার ঘরে রান্ধি উঠিএই সিহঁতে ভাত নাখায়। দুপরীয়া ভাত রান্ধি থই দিএ, সেই ভাত গধূলি খায়, আরু গধূলি ভাত খাবলৈ বহি পুৱাৱৈ সেই দরে ভাতর টোপোলা বান্ধিবলৈ ধরে। গারোহঁতে এই দরে এসাঁজর ভাত এসাঁজে খায়। বাহি বা ফর্করা ভাত গারোহঁতর বড় আদরর বস্তু।

"হিওল আরু মদর জোঙ্গা" গারোহঁতর বর আদরর বস্তু। তুমি আমি টকা এটা পালে যিমান সন্তুষ্ট হম, সিহঁতে মদর "জোঙ্গা" এটা পালেই সিমান সন্তুষ্ট হয়। "হিওল" ইহঁতর চিরকলীয়া আঙ্গা। গারোহাট-বজারত "হিওল" বা শুকান মাছ গুড়ি ভরোয়া চুলা আরু মদর

"জোন্ধার" ( মদ্য-ভাণ্ড ) বিনে একোকে নাপায়। সাধারণ মদতকৈ পোহনীয়া মদত ইহঁতর বড় হেপাহ। ইহতে বড় কষ্টেরে একো জোন্ধা পোহনীয়া মদ করে। এই পোহনীয়া মদ এটা পোকর রস। ইয়াক করিব লাগিলে ইহঁতে মদর জোন্ধা এটা সাঁচি থই দিয়ে। সেই মদ-জোন্ধাত পোক লাগিলে ও ঘুলিয়ায়। পাচে গেলি পচি, পোক লাগি, মদর ভিতরর এটা পোকে আন এটা খাই চারি পাঁচ বছরর মুরত সেই মদর পাত্রটোত এটা বর ডাঙর পোক হই থাকে। সেই পোকটি উলিয়াই আনি ফুটায়। ফুটালে পোকটোর পেটর পরা ঘি রস ওলায়, তাকে ইহঁতে পোহনীয়া মদ বোলে। এই পচা, পোক দিয়া মদবিলাককো সিহঁতে বর স্পৃহারে খায়। এই পচা দুর্গন্ধ মদেই সিহঁতর পক্ষে ইন্দ্রর অমৃত; আনে হলে দুর্গন্ধত তিনি আলির মুরর পরা নাক কোঁচায়। ইহঁতে চড়াইবিলাক মারি মোট বখলিয়াই জুইত ধরি থাকে, কলা পরি আহিলেই অখলিয়াপখলিয়া করি কামুরিখলৈ ধরে। ইহঁতে গরু, মহ, কুকুর, সকলো খায়। ইহঁতর গঢ়-গতি দেখি বোধ হয় ইহঁতে সমস্তমতে মানুহর মস্তহকো আত্মসাৎ করিব পারে। ইহঁতর আকার-প্রকার, আচার-ব্যবহার দেখিলেই বোধ হয়, এই বিলাকেই আমার শাস্ত্রাদিত লেখা অসুর আরু দানববিলাকর সঁচ।

গারো-পিছন। ইহঁতে পর্ব্বতত থাকিলে গোটাই নাঙট হই থাকে; গাত কপোরর সঁচো নাথাকে। ভিরুতা মুনিহ, লয়া ছোৱালী সকলো বিবস্ত্র, যেন পিশাচর দল হে! সকলোএ প্রায় একেটা পজাতে থাকে। নাক-

বাপেক এফালে থাকে, পুতেক মোৱারীএক এফালে থাকে। ভৈয়ামলৈ নামিলে ইহঁতে প্রায় কঁকালতে একো ডোখর কপিং মেরাই আছে। এই দরে কপিং ধরা মানুহ এটিক পিঠিত খাজেরে দেখিলেই জানিবা, এখেত গারো। খাংটি এঁওর সর্ব্ব সম্পত্তির ভঁড়াল। সর্ব্বস্বর ভিতরত আলু, কছু বা আদা কেডোখরমান, তাত কেটেপামান, শুকান জলকীয়া কেটামান, আরু তার ওপরত মেরাই বান্ধি থোৱা গছর ছাল একো ডুখরি। আর কালি এই গছর ছালখনিকে জানিবা কাপোর করে। ছালখনি কলা পুরণি কম্বলর দরে বর কোমল, আরু কাপোরর দরে বর লেতু সেতু। এই বিলাক দেখিলে আমার আগর মুনি ঋষিবিলাকর পরিধানলৈ মনত পরে। শকুন্তলাদি মুনি-কন্যাবিলাকে কেনেকৈ গছর ছাল পিন্ধিছিল, রাম-লক্ষ্মণে কেনেকৈ গছর বাকল পিন্ধিছিল এইবিলাক দেখিছে বুজি পাইছোঁহি।

গারোর নরিয়া। এই গারোগাঁওবিলাকত গা-উখহা খহ-জোৱা আরু দূষিত রক্তর নরিয়ার-ভাগেই প্রায় সরহ। কুষ্ঠরোগর প্রাবল্য ও কম নহয়। ঘা-লগা গারো প্রায়েই কুষ্ঠীয়া হব। জঘন্য আহার, জঘন্য রূপে থকা, নির্ম্মলতার ঊণা কব মোৱরা, এই বিলাকেই যে এই বিলাক রোগর প্রধান কারণ, তাক আরু কব নালাগে। এই পর্ব্বতীয়া ঠাইবিলাকত বহুতর "গরমী" (উপদংশ) আরু বিবিধ "ঔন্দ্রিয়িক রোগ" হোৱা ও দেখি, কিন্তু ইয়ার কারণ কি ঠাৱর করিব নোৱারিলোঁ। সাধারনতঃ যি যি কারণর পরা এই রোগ ঘোর হয়, অসভ্য গারো আরু হানাইঁতর ভিতরত সেইবিলাকর প্রাবল্য অনুমান করিবলৈ মনত

সন্দেহ হয়। ইন্দ্রিয়-ভোগর অতিশয়্যাত এই রোগে লেচু পায়। সভ্যতা আরু শিক্ষার অতিব্যাপ্তি থকা দেশতেই প্রায় এই নরিয়া-ভোগী সরহ। শিক্ষা লভিলে আরু সভ্যতা শিকিলে আজি কালি প্রায় মানুহেই অধিক বিলাসী হয়, ইন্দ্রিয়সুখ বিচারে, আরু এই ইন্দ্রিয়সুখত একেবারেই আত্মবলি দিলে শেষত উপদংশপ্রমেহাদি উৎকট ধাতু-রোগত জীবন অসুখীয়া করি, মনুষ্যত্ব নাশ করি, শরীর অসার করি, বিবিধ যন্ত্রনা পাই ললাট ভুক্তি বহুত দিনর মুরত নীরোগী ঠাইলৈ গই বোগব পরা মুক্তি লাভ করে। আমার ফালর গাঁৱলীয়া চহা আরু ছোজা হালোৱা বিলাকে প্রমেহ বা গরমী কি ব্যাধি হয়তো তার ভু নেপাএই বহুতে বুঢ়া হই মরিছে—কিন্তু নগরলৈ অহা, আরু লেখাপঢ়া জনা চতুর চৌধ বছরীয়া লবা এটিক শোধাহি, তেঁও তো-মাক এই ধাতু-জনিত নবীয়াবিলাকর আদি-অন্ত গোটেই বুজাই দিব, আরু যদি বিশেষ তত্ত্ব লৈ ফুরা, তেনেহলে জানিব পারিবা যে এনে বহুত কুমলীয়া বয়সর লরাইও পেপা বলিবর সময়তে সেই বিলাক ভয়ানক রোগর যন্ত্রণা ভুক্তি জীবনক চিরকালর নিমিত্তে নষ্ট করি পেলাইছে। যাওক, গারোহঁতর ভিতরত কিয় এই ঘোর রোগ ইমান সরহ, তার তত্ত্ব উলিয়াব নোৱারিলোঁ। ই বৈদ্য-রাজর কাম।

গারোর অন্ত্যেষ্টি-ক্রিয়া। মানুহ মরিলে গারোবিলাকে যি নিয়ম আচরে, দেখিব নালাগে তার কথা শুনিলেই গার লোম ভুবরি উঠে। মরা মানুহটোক ইহঁতে দুই তিনি বছরলৈকে ঘরর ভিতরত চাঙ এখনত কাপোর দি আঠুৱা তরি শুৱাই থয়। মরাটোর জ্ঞাতি বংশ যদি

কোনোবা দুরৈত থাকে, সিহঁতক বাতরি দিয়ে। দুরৈর পরা সিহঁত নাহে মানে শটোক একোকে নকরে। লাহে লাহে মরা শটো উখহে, গেলে, পচে, তাক পোক দিয়ে, আরু মজহবিলাক এডোখর এডোখর হই খহি যাবলৈ ধরে—তেও কটাহিত নাই, সিহঁতে সেই বিকৃত শটোকে আগত দুই ঘুন্তে থকার দরে খাকিব, তার গুচরত খাব, তাকো খুব্বাব, তার লগতে গুব!!! মরা শটো যদি কারবার তিরুতা হয়, তেনেকলে মুনিহটোরে পচি খহি নাযায় মানে সেই শটোর লগত জীবিতর দরে ব্যবহার করিব; আরু যদি কোনো গারোরুণীর মুনিহ হয়, তেন্তে তাইও সেই নিয়মকে আচরিব। মরা শটোক ইহঁতে নিতৌ তেল ঘহি কাপোর পিন্ধাই বর পীড়ার ওপরত বহুরাই পাল পাতি গিরীয়েক বা দৈনীয়েকে, মাক বা বাপেকে ভাত কঁটিয়াব। মরা শই আরু কেতিয়াবা ভাত খাব পারে নে? ভাত নাখালেই পারে মানে কান্দিব। দুটেপা বা এটেপা ভাত কঁটিওকা হলে আকৌ আগর দরে চাঙর ওপরত, আঠুরার ভিতরত গুরাই থয় নি, পাছে হে নিজে ভাত খাবলৈ বহে। যেতিয়া শটো বড়টেক উখহে, গাত ছোলা থাকিলে সি ফাটিবলৈ ধরে, হাত দিলেই মজহ উঁহলি যায়, তেতিয়া ভাত কঁটিয়াবলৈ এড়ে। এই আচারটো দেখিলে গারোহঁত যে কিমান অঁজলা, তাক বুজিব পারি, আরু সিহঁতর অজ্ঞতাক উপলব্ধ করি; আপোনাআপুনি মনতে হাঁহি উঠে! যি কি হক, গারোর প্রেম আরু গারোরস্নেহর এইটো উজ্জ্বল প্রমাণ। দুই তিনি বছরর মুরত দুরৈর জাতিবিলাক আহিলে মরা শটোর হাড় কেডাল (মজহবিলাক

টো আগেএই খঁহি যায় ) পুড়িবলৈ নিয়ে। কোনো কোনো ঠাইত ছোৱালীর বা লয়ার হাৰ কেডাল মাক বাপেকক শোধাইও দিয়েগৈ। ইয়ার পরাই বোধ করোঁ "হার-শোধোৱা" কথাটো আমার ইয়াত প্রচলিত হৈছে। গারোবিলাকে এই দরে মরা মানুহর সৎকার করে।

শ্রী র, ম,

---

# রহস্য।

১। খাতা পরগণার গৌরীচন্দ্র চৌধারীর পুতেকর বিয়ার ধন তুলিবলৈ চৌধারীএ ভেঁওর পরগণার রায়তক মতাই আনিলে আরু সকলোরে পরা বরজণি ধন ললে। গাপপারা নামে কছারী এটাই ধন দিব নোৱারত চৌধারীএ তাক বন্দি করি থলে। গাপপারা ঘরলৈ যোৱাত পলম দেখি তাক মাতিবলৈ তার ভাইএক মোখোরা আহিল। গাপপারাই চৌধারীক কলে, "বাপ, মোক এড়ি দিঁ। মোর গুড়গুড়ীয়া ভাইটোকে পঠা থই যাওঁ। ঘরর পে ধন আনি তোক দেওঁ।" চৌধারীএ সুধিলে, "গুড়গুড়ীয়া ভাই কি অ?" গাপপারাই কলে, "বাপ, "তোর মাইএক জেনবা মোর বাপাই আনলাক, তর জেনরা মাইএর লগত আহিলি, তর মোর গুড়গুড়ীয়া ভাই হলি।" গৌরীচন্দ্র আশ্চর্য্য হল।

( ক্রমশঃ )

# আসাম-বন্ধু।

মাসিক পত্র।

"নচ জ্ঞানত্ পৰং বলম্।"

প্রথম ভাগ।) চত্ত শ'ক ১৮০৬, ইংৰাজী ১৮৮৫। (তৃতীয় সংখ্যা।


## আগৰ দিন এতিয়াৰ দিন।

### তৃতীয় অধ্যায়।

### প্রজা।

### আসাম-বন্ধুৰ ৪১ পিঠিৰ পৰা।

অসম দেশৰ প্রজা প্রধানকৈ দুই ভাগে বিভক্ত। প্রথম কাঁড়ী দ্বিতীয় চমুৱা। কাঁড়ী খেলেই আহোম বিলাকৰ শাসনৰ নিয়ম মতে অতি তলতীয়া শ্রেণীৰ বা সাধাৰণ প্রজা। পূর্ণানন্দ বুঢ়া গোঁহাই ডাঙৰীয়াই কইছিল বোলে "কাঁড়ী কটীয়াতলী।" কাঁড়ীৰ পৰা মানুহ গই চমুৱা হয় আৰু চমুৱাৰ পৰা বিষয়া হয়। কাঁড়ী শাইক বজা আৰু বাজাৰ অধীন। বাজকীয় কার্য্য কাঁড়ীএ কৰে। আৱশ্যক হলে অস্ত্র

লই যুদ্ধলৈকো যায়। চমুৱা পাইকে নির্দ্দিষ্ট কার্য্য মাত্র কৰে। কিন্তু সিপাহী নহলে অস্ত্র ধৰি যুদ্ধলৈ নাযায়। কোনো এক সময়ত এই দেশৰ এনে অৱস্থা আছিল যে সকলো প্রজাই সকলো ৰাজকীয় কার্য্য কৰিছিল। তেতিয়া শিক্ষিত আৰু বিশেষ সৈন্য নাছিল। দেশৰ সকলো প্রজাই অস্ত্র লই যুদ্ধলৈ গৈ বিদেশী লোকৰ সৈতে যুদ্ধ কৰিছিল। বিশেষ বিশেষ কার্য্যৰ নিমিত্তে লোকৰ আৱশ্যক হোৱাত চমুৱা শ্রেণী হল। আৰু সেই সকল লোকৰ দ্বাৰাই কার্য্য কৰাবৰ কাৰণে কেতবিলাক বিষয়া নিয়োজন কৰা হইছিল। বিষয়া সকলে মাসিক নির্দ্দিষ্ট টকা পাপাইছিল। সেই সকলে নিজে প্রতিপালন হবলৈ কেতবিলাক পাইক বা মানুহ পাইছিল। সেই মানুহৰ দ্বাৰাই ডেঁও বিলাকৰ প্রয়োজনীয় সকলো কার্য্য কৰাইছিল। আৰু ৰজা আৰু ৰাজ্যৰ অর্থে যি নির্দ্দিষ্ট কার্য্য কৰিব লাগে তাকো সমাধা কৰিছিল। এইৰূপে বিষয়াৰ অধীনৰ চমুৱা মানুহবোৰে নির্দ্দিষ্ট কার্য্য মাত্র কৰিছিল। কাঁড়ী-মানুহবোৰৰো সেইৰূপ নির্দ্দিষ্ট কার্য্য আছিল। চমুৱা খেলতো কাঁড়ী বা অতি তলতীয়া শ্রেণীৰ প্রজা আছিল। কাঁড়ী শব্দৰ নানা জনে নানা অর্থ কৰে। সেই কালৰ যুদ্ধৰ প্রধান অস্ত্র কাঁড় লই যুদ্ধলৈকো যাব পাৰা কাৰণেই বোধ হয় কাঁড়ী বুলিছিল। চমুৱাহলে মানুহ বিশেষে কোনো এটা নির্দ্দিষ্ট কার্য্য কৰা লোকৰ শ্রেণীলৈ যায়। সি আৰু সাধাৰণ কার্য্য কৰা লোকৰ শ্রেণীত নাথাকে। কিয়নো কাঁড়ীয়ে সকলো কার্য্যকে কৰে। কোনো সময়ত আৰ্কো কোনো নির্দ্দিষ্ট কার্য্য কৰা শ্রেণীলৈ মিনিয়াকৈও ৰজাই চমুৱা কৰিব পাৰে আৰু কৰিছিল। চমুৱাৰ অনেক খেল বা বিভাগ। কার্য্য বা

ব্যৱসায় অনুসাৰে খেল বোলে। যেনে লোহাৰীৰ খেল, গায়নৰ খেল। অনেক চমুৱা খেল একত্ৰ হই বিজন বিষয়াৰ অধীন, সেই সকল খেলকে সেই বিষয়াৰ খেলৰ লোক বোলে। যেনে ঢেকিয়াল ফুকণৰ খেলৰ লোহাৰীৰ খেল। বিশেষ বিশেষ কেতবিলাক খেল একে লগা হই কোনো ঠাইত থাকিলেও কেতিয়াবা সেই সমুদায়ক এখন খেল বুলিছিল। যেনে বড় ফুকণৰ খেলৰ গৰীয়া খেল। কোনো খেলৰ সকলো মানুহ একে লগে নাথাকে। একে খেলৰ মানুহ অনেক ঠাইত থাকিব পাৰে। তাৰ দ্বাৰা তাৰ খেলৰ স্বত্বৰ ব্যাঘত নজন্মে। কেৱল সেই লোকে সেই খেলৰ নিৰ্দ্দিষ্ট কাৰ্য্য মাত্ৰ কৰি থাকিব লাগে। যদি কোনো লোকে এইৰূপ কাৰ্য্য নকৰে তাক "ভগনীয়া" বোলে। ভগনীয়াক খেলৰ বিষয়াই বলেৰে নিৰ্দ্দিষ্ট কাৰ্য্য কৰাব পাৰে। ব্ৰাহ্মণ সকলৰ মাজতো কাঁড়ী আছিল। কিন্তু সেই সকলে হীন কাৰ্য্য নকৰিছিল। আম কাঁড়ী বুলিলে সকলো কাৰ্য্যকে কৰিব লাগে। কাঁড়ী আৰু চমুৱাৰ নিৰ্দ্দিষ্ট কৰা পীয়লৰ কাকত আছিল। কাঁড়ীৰ পৰা চমুৱালৈ যদি কোনো লোক যায় তাৰ নাম কাঁড়ীৰ কাকতৰ পৰা কটাব লাগে। আৰু কটোৱা বিধানো আছিল। গ্ৰাম নকটালে সি যেই কি বিষয় পাওক কাঁড়ীএই থাকিল। বকতীয়ানৰ বড়বড়ুৱাই এদিন কাঁড়ীৰ হিসাব লোৱাত এক দল কাঁড়ীৰ মাজত এটা পাইক নোলাল। সেই পাইকটো কলে গল এই বিষয়ৰ অনুসন্ধান হবলৈ ধৰিলে। কাঁড়ী গোপন কৰা এটী গুৰু অপৰাধ। বিষয়াৰ প্ৰতি বড়বড়ুৱাৰ বড় ক্ৰোধ হ'ল আৰু তাৰ দণ্ড কৰিবৰ স্থিৰ হল। সেই বড়বড়ুৱাই যে সেই জন কাঁড়ী পাইক তাক কোনেও

কব নোৱাবে। পাছে বড় বড়ুৱাই যেতিয়া দণ্ড বিহিবলৈ মন কবিলে তেতিয়া এটা বড়াই মবণত শৰণ দি আঁঠুকাঢ়ি বড়বড়ুৱাত জনালে দেৱতা ঈশ্বৰ "ছাঁ লেখিছে গা লেখি-লেই পাইক ওলাব।" এই কথা শুনা মাত্রই বুদ্ধিমান বড়-বড়ুৱাই জানিলে যে নিজেই সেই কাঁড়ী পাইক। পাছে বাজেশ্বৰ সিংহ স্বৰ্গদেৱত জনাই কাঁড়ীৰ কাকতৰ পৰা ওলাই চমুৱাত সোমাল।

কাঁড়ীৰ পৰাই নাম কাটি বজাই সত্ৰ বা দেৱালয়ৰ পাইক বা ভকত কবে। কোনো লোকক বন্দী দিয়ে। চাইটা মানুহে এটা গোট পাইক হইছিল আৰু এটাই এপোৱা। কাঁড়ী কি চমুৱা উভয়তে এইৰূপ পাইকৰ গোটগণনা। প্ৰতি কাঁড়ী-পাইকে এটী নিৰ্দ্দিষ্ট সময় পৰ্য্যন্ত বজাৰ বা বিবয়াৰ কাৰ্য্য কবিব লাগে। সেই কাল অতীত হলে আন পাইকে তাক সলনি কবে। খাটনীৰ কাল দহ দিনেই অতি ন্যূন। চমুৱা হই বিবিলাক মানুহ কোনো বিশেষ খেলত সোমায় সিও এইৰূপেই কোনো এক সময়ত খাটনি কবে। সময়ে সময়ে খাটনি কালৰ ন্যূনাধিক হয়। চমুৱা খেলৰ লোক সকলে সেই খেলৰ লোকে যি কাৰ্য্য কবিব লাগেসেই কাৰ্য্য শকৰে পৰা শিক্ষা কবে। শিক্ষিত হলেই সেই কাৰ্য্যত প্ৰবৃত্ত হয়। যেতিয়ালৈকে শিক্ষাত নুঠে তেতিয়া-লৈকে সি কাৰ্য্যত হাত নিদিয়ে। যেনে সোনাৰীৰ খেলৰ লোক সকলে শকৰে পৰা সোনাৰীৰ কাৰ্য্য শিক্ষা কবে। যেতিয়া বজাঘৰীয়া কাম কবিব পৰা হয় তেতিয়াহে সেই কাৰ্য্যত সোমায়।

কাঁড়ী পাইকৰ এটা নিয়ম এই যে ১৬ বছৰ সময় মাজে সি পাইকৰ গণনাত থাকে। ১৬ বছৰ হই গলেই

সি পাইকৰ গণনাত পড়ে। পাছে পাইকৰ গণনাত পড়ে এই ভয়তে মুনিহ লৰা বিলাকে অনেক বয়সলৈকে কাপড় নিপিন্ধিছিল। অধিক কি অনেক সময়ত ডাঙৰ লৰাই খুটা বেড় ইত্যাদিৰ আড় লই ফুৰিছিল। কাঁড়ী পাইকৰ ওপৰত যি বিষয়া থাকে সেই বিষয়াই সময়ে সময়ে খাটনি খাটিবৰ যোগ্য মানুহ বিচাৰি ফুৰিছিল। অনেক বিষয়াই আকৌ পাইক গোপন কৰিছিল। ধৰা পৰিলে সেই বিষয়াই উগ্রদণ্ড পাইছিল। কাঁড়ী আৰু চমুৱা বিনে মহন্ত, ভকত 'দেৱলীয়া' পাইক আৰু গোলাম এই কেই বিধ প্রজাও আছিল। এক প্রকাৰে এই পাঁচ বিধ প্রজাও চমুৱা। কোনো সত্র বা ধর্ম্মালয়ত যি সকলে ধর্ম্ম চর্চ্চা কৰে আৰু দেশত ধর্ম্ম প্রবর্ত্তায় সেই সকলেই মহন্ত। সেই সত্রৰ আৰু মহন্তৰ সেৱা শুশ্রূষা কৰিবলৈ যি লোক নিযুক্ত হয় সেই বোৰ ভকত। কোনো দেৱতাৰ বা দেৱমন্দিৰৰ কর্ম্ম কার্য্য চলাওঁতালোকক দেৱলীয়া বোলে। সত্র আৰু দেৱালয়ৰ অথবা কোনো কোনো অৱস্থাৰ আন কোনো বিষয়াৰ কাজ কাম কৰা লোক সকলক পাইক বোলে। কোনো লোকৰ দাসত্ব কৰা লোক সকলেই গোলাম। গোলামৰ ওপৰত গৃহস্থৰ সম্পূর্ণ কর্ত্তৃত্ব। তাক দান বিক্রয় হস্তান্তৰ কৰিব পাৰে। পুত্র কন্যাৰ ওপৰতো পিতৃ মাতৃৰ সেই রূপ স্বত্ব। যি সকল লোকক ৰজাই কোনো ধর্ম্মালয় বা দেৱালয়ত অথবা আন কোনো লোকক সমর্পণ কৰে তাৰ ৰাজদণ্ড বিনে ৰাজকীয় সকলো বাৰ গুছে। অর্থাৎ ৰজা মৰৰ কৰ কাটল, পদ, পঞ্চক, বেঠ, বেপাৰ, জলকৰ, মৰক্ষাৰ, চোৰ, ছিনলা, ধুমছি, মাড়েশা, দান, খুন্ত, দণ্ড, বন্ধ, ছাট, ঘাট, চকী, ফাট এই সকলৰ দায়ৰ পৰা সেই

বোৰ মানুহ মুক্ত হয়। যাক সেই বোৰ মানুহ দিয়া হয় সেই সকলেই এই বোৰ বাব লব পাবে। আমি যি সময়ব কথা লেখিছোঁ সেই সময়ত অসম দেশব প্রজা সংখ্যা ২৪ লক্ষব অধিক নাছিল। (ক্রমশঃ)

---

# তিনটী নাই-উন্নতি কেনেকৈ?

এই জগতত প্রাণী বিলাকব উন্নতিব দুটি পথ। এটি মোক্ষ-প্রাপ্তি—আনটি সাংসাৰিক সুখব বৃদ্ধি। এই দুয়ো পথ পৰস্পৰ বিৰোধী। সংসাৰব সুখত থাকি মোক্ষ পাবলৈ ইচ্ছা কবা বামনে চন্দ্র ধবিবলৈ ইচ্ছা কবাব নিচিনা। মোক্ষলৈ হাবিলাষ কবিলে সংসাৰব সুখ-বাশিত জলাঞ্জলি দিবলাগে। যাব মন সদাই সেই জগৎকর্ত্তাত মগন হইছে—সুখত, দুখত—ভোজনত, উপবাসত—নিদ্রাত, জাগবণত—গমনত, বিবামত—একোতেই সেই জগৎ-পালকব পবা নিবৃত্ত নহয়, তেঁৱেই মোক্ষাভিলাষী—উন্নত-মন—মনুষ্যব কর্ত্তব্যজ্ঞ আৰু সংসাৰব কার্য্যত বিমুখ। তেঁও নিজেও বঞ্চিত অইন কোনোৱেও তেঁওব পবা সাংসাৰিক সুখ নেপায়। যদি তেওঁৰ পাচ লবলৈ খোজা তেন্তে ঘব-বাড়ী—ভাই, ভগিনী—পিতৃ, মাতৃ—শত্রু, মিত্র—বন্ধু, বান্ধব—এটাইকে পাচ পেলাই লেঙটি লই সেই জনব ওচবলৈ যোৱা।—তোমাব আশা সফল হব—পবব আৰু নিত্য আনন্দত মন মগন হব—সাংসাৰিক দুখে তোমাক চুবলৈকো নোৱাবিব—অন্তত মুক্তি হব। ইফালে যদি তুমি হবিণ-নয়নাৰ প্রেমবস

পাবলৈ ছাবিলাৰ কথা—পুত্ৰৰ গদ্গদ কথা শুনি শৰীৰ জুৰাবলৈ ইচ্ছা কৰা—পৰম আৰু সুস্থিৰ বস্তু খাই মনক তৃপ্তি দিবলৈ খোজা—অথবা যদি আন কোনো ক্ষণিক সুখত তত হেকৰাব খোজা,—তেন্তে প্ৰথম জনৰ ওচৰলৈ যোৱা—তেওঁৰ পৰা উপকাৰ পাবলৈ ইচ্ছা নকৰিবা—গই অনৰ্থক সময় নষ্ট নকৰিবা—কিয়?—তোমাৰ উদ্দেশ ভিন্ন—সঙ্কল্প ভিন্ন—মনৰ গতি ভিন্ন—তুমি ভিন্ন।।

প্ৰথম পথটি কঠিন,—কিন্তু তাৰ ফল অমৃত-ৰস—অপৰিণত অনন্তকালিক আৰু এক।

দ্বিতীয়টিৰ ফল—প্ৰথমে আপাত-মধুৰ—পিচত ক্ষষায়-ৰস— ক্ষণিক আৰু অনেক।

প্ৰথমটি যেনে উন্নত, তেনে তাক পাবৰ উপায় বিলাকো অতি কঠিন। এই কাৰণে মানুহৰ মন প্ৰায়েই তাৰ ওচৰলৈ যাব মোখোজে—গ'লেও অনায়াসে কৃতকাৰ্য্য হোৱা কঠিন আৰু বহুত বিঘ্ন। বিঘ্ন কি?—তেওঁৰ মন সংসাৰাবদ্ধ। সহস্ৰ চেষ্টাতো তাক হঠাৎ এৰিব মোৱাৰে। যাৰ চিত্তে সংসাৰ এৰি অইন ঠাইত চৰিব লাগিছে—তেওঁ বিধিনিৰ পৰা উত্তীৰ্ণ—এতেকে প্ৰাপ্ত-মোক্ষ। আমি প্ৰথম পথৰ ওচৰলৈকো যাব পৰানাই, সেই কাৰণে তাক পোৱাৰ উপায়ৰ আলচ কৰিবলৈও ইচ্ছা নকৰো। দ্বিতীয় পথত আছোঁ, এই কাৰণে সেই বিষয়ে গোটাদিয়েক কথা কম। আগেয়ে কোৱা হইছে সাংসাৰিক উন্নতি কি?—মে সুখৰ বৃদ্ধি। সুখ কিহেৰে হয়?—সৎশিক্ষা—সৎসাহস—সৎআচৰণ। তেন্তিয়া যাৰ এই তিনিটি লোপ পায়—তেন্তিয়া তেওঁ বৃৎপিণ্ড—নাইবা জ্ঞানহীন ভূমাণ্ড। আমি যি কালত পাড়িছোঁহি—ইত্ত সেই।

মহাৰাজ জন্মেজয়ে মহৰ্ষি বেদব্যাসৰ মুখে ভবিষ্যতৰ মঙ্গলামঙ্গলৰ ব্যাখ্যা শুনি যেতিয়া কলিকালৰ মানুহৰ—আচাৰ, ৰীতি, নীতি, চেষ্টা, চৰিত্ৰ, আকৃতি, প্ৰকৃতি, পৰমায়ুৰ সীমা আৰু কেনেকৈ আকৌ সত্যযুগ হব,—এই যোৰ প্ৰশ্ন কৰিলে, তেতিয়া তেওঁ কলে ;—জন্মেজয়! কলিকালৰ মানুহবোৰে যেতিয়া অন্যায় আচৰণ কৰিব—তেতিয়া তেওঁলোকৰ পৰমায়ু লাহে লাহে কমি যাব—আয়ু কমিলে বলক্ষয়—বল গুছিলে মলিন—তাৰ পিচত ব্যাধি আৰু ব্যাধি হলে মনৰ অবসন্ন ভাব হব—এনেকৈ আকৌ যুগৰ পৰিবৰ্ত্তন হোৱাৰ আৱশ্যক হোৱাত সেই যুগৰ সৃষ্টি হব। পাঠক! সেই দূৰদৰ্শী মহাত্মাৰ কথাবোৰ আপুনি ঐতিহাসিক নাইবা উপন্যাস কথা বুলি নেভাবিব। আজি কালিৰ দেশৰ অৱস্থা দেখিলে—ই যে প্ৰকৃত বেদবাক্য তাত একনো সংশয় নাই।

মন উন্নত হোৱাৰ মূল—সৎশিক্ষা, ই স্বীকাৰ কৰিব লগা কথা। যেনেকৈ মূল নাথাকিলে কোনো বস্তু ক'তো ব'ব নোৱাৰে, তেনেকৈ সৎশিক্ষাৰ অভাৱত মন উন্নত নহয়—ক'তো চাৰিব নোৱাৰে। আজি কালিৰ শিক্ষা প্ৰবৃত্তিবোধক নহয়—ইন্দ্ৰিয়ৰ উত্তেজক—উত্তেজক পদাৰ্থ মাদক—মাদক পদাৰ্থে ইন্দ্ৰিয়ৰ অসৎ প্ৰবৃত্তি বৃদ্ধি কৰে,—এই কাৰণে ভাবে শেষত অনেক অনিষ্ট হয়।

অৱশ্যতো এই নতুন শিক্ষা প্ৰণালীৰ দ্বাৰাই—সৰা বিলাসিকৰ, বিলাস, সুখভোগ, ইন্দ্ৰিয় সেৱা আৰু অনুকৰণ বৃত্তি সকলে পৰা অনেক পৰিমাণে প্ৰবল হয়। সেই বৃত্তিবোৰে তেওঁলোকক প্ৰায়ে প্ৰকৃতিক সেৱাখি ল'বলে পৰা—ইন্দ্ৰিয় সেৱা—অপেয় পান আদি অনেক জীৱন-নাশক কাৰ্য্যলৈ

টানি নিয়ে। এই কাৰণে অনেকে সৎভাৱত থাকিব নোৱাৰি অৱশেষে অনেক অসৎ কার্য্যত মগন হই অন্তত, অনেক কাৰণে জীৱন হেৰুৱায়।

আমি স্বীকাৰ কৰোঁ—এইবোৰো সাংসাৰিক সুখ; কিন্তু তাৰ থল আৰু সময় আছে। পূর্ব্বকালৰ সেই ভীম, অর্জ্জুন, ভীষ্ম, কর্ণ, জৰাসন্ধ আদি মহাত্মা সকলৰ শৰীৰলৈ, কার্য্যলৈ, সাহসলৈ আৰু প্রতিজ্ঞালৈ অলপ আলচ কৰি চোৱা। তেঁওলোকেনো এনে শৰীৰনাশক কার্য্য কৰি শীঘ্রে প্রাণ হেৰুৱাব নোৱাৰিলে হেতেন নে? তথাপি কিয় অনেক কষ্ট স্বীকাৰ কৰিও নিজ প্রতাপত আনক কঁপাবলৈ গুৰুৰ চৰণত আত্মা সমর্পণ কৰিছিল। সকুৰে পৰা সুন্দৰীৰ প্রেম পাশত বদ্ধ আছিল নে, নিজ জাতীয় শিক্ষাত মন মগন কৰিছিল?—তাত কি হইছিল—শৰীৰ হৃষ্ট, পুষ্ট, বলিষ্ঠ—মন উন্নত আৰু সাহস পূর্ণ—দীর্ঘায়ুঃ আৰু কীর্ত্তি!! (ক্রমশঃ)

না, শ,

---

## দুপৰ-নিশা।

১

কতো সাৰ-সুৰ নাই
জানিবা মৰাৰ প্রায়,
নিদ্রাৰ কোলাত সব প্রাণী অচেতন।

নানাবিধ চিন্তা করি,
দুখীয়া শয্যাত পড়ি
দুখীয়া গৃহস্থ শোৱে চিন্তাকুল মন।
মাজে মাজে—বৈনী আই
কন্দা লৰা নিচুকায়,
টোপনি ভাঙিব বুলি হৃদয়-রতন
পুত্রমুখে স্তন ধৰি
মুখে গুণ্ গুণ্ কৰি
গৃহস্থৰ পাশে শয্যা করিছে শোভন।

২

গৃহকর্ম্ম হাতশাৰি
যত বোৱাৰী জিয়াৰী,
সাধু কথা শুনি শুনি ভাগৰ পলাই,
কথা শুনা সাঙ্গ কৰি
বিবিধ মেলত ধৰি
লাহে লাহে ভাগৰুৱা দেহক শুৱায়।
মাজে মাজে দুখীয়াই
সপনত বস্তু পাই
আনন্দতে টোপনিতে হাঁহে মিটিকাই,
সাৰ পাই খপিয়াই
হাত মেলি মেলি চাই
নেপাই একোকে শোকে বুকু দুকুৱায়।

৩

মাজে মাজে চেগা বুজি
বাৰে কাণে শুজি গুজি,
চুব কৰিবৰ মনে চোৰ বপুৱাই,

গৃহীসব শুইছেনে
সাৰে আছে, মনে-মনে
সহাবি বুজিয়া কুৰে—আছে আৰু যায়।
চকুত টোপনি নাই
কুৰে ধুম্-খুলি বাই
কাক মাৰে কেনে কৰি চিন্তিছে উপায়,
প্ৰভু-ভক্ত ঢেকুৰাই
লগ পালে প্ৰাণ যায়,
অৰ্থ-আশা পৰিহৰি কতোবা পলায়।

৪

গছৰ ডালত থাকি
ডোকাৰ আড়লে ঢাকি,
কপোত কপোতী দুয়ো—কনিক উমাই
মহা সুখে নিদ্ৰা যায়,
আনো পক্ষী সমুদায়,
কেৱল কোঢ়াল কৰে যতেক ফেঁচায়।
গালিকে পাৰিছে কিবা
মাত-বোল মুশুনিবা
আন পক্ষী সকলক শুনায় শুনায়?
প্ৰকৃতিৰ সুশোভন
মূৰ্ত্তি কৰি নিৰীক্ষণ,
আনন্দে মজিয়া কিবা ঈশ গুণ গায়?

৫

যতেক জোনাকীকুল
আনন্দতে বিয়াকুল,
উড়ে ঘুৰি ঘুৰি ঘনে উঠে ঘনে নাই;

জোনৰ জোনাক চাই
আপোনাকো পোহৰাই
নিজকো একন জোন বুলি ওফোন্দায়!
পৰ্ব্বতৰ কেউ-কাশে,
উড়ি ফুৰে মহোল্লাসে,
দেখিলে সি সৌন্দৰ্য্যক মনত খেলায়,
প্ৰকৃতি-দেবীৰ খোপাত,
শোভা কৰে অসংখ্যাত
সোণৰ কুসুম যেন চকু চমকায়!!

৬

ধীৰ বায়ু ধৰে তান,
জিলীএ কৰিছে গান,
শুনি জগতৰ যেন প্ৰাণী সমুদায়,
মোহ গাই নিদ্ৰা যায়,
কাৰো গাত তত নাই,
হাই-উৰমিৰে ভৰা বিশ্ব মৃত-প্ৰায়!
চাতক-চাতকী সুখে,
আকাশত ঊৰ্দ্ধমুখে,
জোনৰ বিমল কৰে শৰীৰ বুৰাই
জুড়াইছে মন-প্ৰাণ
—অমৃত কৰিছে পান,
নেত্ৰ ভৰি চোৱা সবে নয়ন জুড়ায়!

ৰ, মহন্ত।

---

# "বেল পৰিমাণে বাঢ়ে, তিল পৰিমাণে টুটে"।

"বেল পৰিমাণে বাঢ়ে, তিল পৰিমাণে টুটে" এই পটন্তবটী সকলোবে মুখে মুখে আছে; আৰু মানুহব নৰিয়া বা কোনো বেদনা হলে সকলোএ ইয়াকেই কয়। কিন্তু স্বভাৱত চাবলৈ গলে এই পটন্তবটীব দুটী অর্থ দেখিবলৈ পোৱা যায়। প্রথমতে বোগীব আবাম যে অতি লাহে লাহে হয়, আৰু লাহে লাহে আবাম হবলৈকে যে ধৈর্য্য লাগে, সেই নিমিত্তে বোগীব সান্ত্বনা আৰু ধৈর্য্য হবলৈ এই কথাটী (স্বরূপত সঁচা হওক বা মিচা হওক) কোৱা যায়, আৰু কোৱাব পবা উপকাবো পোৱা যায়। দ্বিতীয় অর্থ হইছে যে বোগ হওঁতে অতি শীঘ্রে হয় কিন্তু ভাল হবলৈ বহুত দিন লাগে। স্বরূপত চাবলৈ গলে এই অর্থত এই পটন্তবটী নিতান্ত ভুল। কোনো মানুহব বোগ একে দিনাই বা অতি কম সময়ব ভিতবত নহয়। নৰিয়া ভাল হবলৈ যিমান দিন লাগে, নৰিয়া হবলৈকো সিমান দিন লাগে। নৰিয়াব গুটী মানুহব গাত যেতিয়া হয় তেতিয়া সেই গুটী দেখিবলৈ পোৱা নাযায়। যেনেকৈ এখন চহাই-থোৱা মাটীত কেৱল মাটীহে দেখিবলৈ পোৱা যায়, আৰু তাত যিবোব গছব গুটী থাকে সেই বোব দেখিবলৈ পোৱা নাযায় মানুহব গাতো কেৱল গাকেহে দেখিবলৈ পোৱা যায় আৰু বোগব গুটী দেখা নাযায়। কিন্তু এজাক ববষুণ দিলে যেনেকৈ গুটীবোব গজি আহে, সেই দবে যিদিনা মানুহব বহুত অপক্ষ হয় সেই দিনা বোগব গুটী বোবো

গজি আহে; আৰু তেতিয়াহে নবিয়া হইছে বুলি বোগীএ জানিব পাবে। যদি এই বোগৰ পুলি হওঁতেই অর্থাৎ প্রথম অৱস্থাতে সাৱধান হোৱা যায় তেনে হলে সি উদ্গতি কবিব নোৱাৰি ক্রমে সামকাটিবলৈ ধবে।

এই সময়তে পাঠক সকলে সুধিব পাবে "কেতবোৰ মানুহ বড় সুখীয়া আছে; আৰু তেওঁ বিলাকে যদি কেতিয়াবা বড় টান বদত এদিন ক্ষুবিবলৈ যায় বা বৰঘুণত তিতে, তেনেহলে তেও বিলাকৰ নবিয়া অতি অলপ সময়ৰ ভিতৰতে কিয় হয়?" এই সুখীয়া মানুহবিলাকৰ সুখেই বোগ; তেওঁবিলাকৰ গাত সুখৰূপ বোগ সদাই আছে; আৰু সুখৰূপ বোগৰ দুঃখ ব্যতিক্রম। সেই কাৰণে তেঁও বিলাকৰ অলপ দুখতে বোগ হয়।

অৱশেষত আমি কওঁ যে "বেল পৰিমাণে বাঢ়ে তিল পৰিমাণে টুটে" এই পটন্তবটীৰ বাবে যদি "তিল পৰিমাণে বাঢ়ে আৰু তিল পৰিমাণে টুটে" এনেকুৱা এটী পটন্তব থাকিল হেতেন তেনেহলে বোগীবো ধৈর্য্য ধবিবলৈ সান্ত্বনা হল হেঁতেন, আৰু মানুহেও শবীৰৰ নিয়ম লঙ্ঘন কবিবলৈ ভয় কবিলে হেঁতেন। দে, চ, ব,

---

# জাননী!!

লাগে এটা ডাঙৰ হাকিমী কাম। দবমহা ২৫০ টকাৰ কমত আবম্ভ কবা নাযায়। ময় সকলো ডাঙৰ সবকাৰী কামৰ লায়ক; কিয়নো মোৰ বড় ডাঙৰ পেট আছে, আৰু বিদ্যা-বুদ্ধি বড় কম থকাত খটা-লোটা বিদ্যাত মই অতি পাৰ্গত, জগৎ বিখ্যাত; খটা-লোটাৰ অর্থে মই কবিব

নোৱাবো,এনে সক কাম নাই,সাহাব হাকিম সকলব ভবিয়ে মোব হাতবে বিচ্ছেদেই নাই। এনে দুটা গুণ একেজন মানুহতে পোৱা টান; অতএব যাব কাম খালি আছে, তেঁও এই ছেগ নেড়িব, মোক সোন কালে জনাওক। ময় অনেক চার্টিফিকেট পাইছো জগৎ বিখ্যাত শ্রীল শ্রীযুক্ত মহামান্য সদানন্দ এক্‌স্ ওয়াই জেড্ এচ্ ফেচ্ হেচ্ মহাশয় প্রবল মহিমার্ণবব চার্টিফিকটব ( খোচনামি কাকতব ) আচল নকল।

এই:—

" ইয়াব দ্বাবায খোচনাম লেখা যায় যে শ্রীযুত স্থূলোদব চন্দ্র বাবুব পেট দুর্জ্জয় (Gigantic) তেঁওব গাব গঢ় বডকৈ ওকন্দা গঙ্গাটোপব নিচিনা; তেঁওব ফটোগ্রাফটো ( চিত্রটো ) এখন ঘুবণীয়া ক্ষেত্র যেন দেখি। এদিন দহোটা মানুহে ধবি তেঁওক হাতীব ওপবত তুলি দিয়া হৈছিল। এজনী তিকতাই সক লবা এটা আনি এই হাতীটো দেখুৱাইছিল।—"বোপাটি, চোৱাচোন্, সেঁা টো হাতী আহিছে।" " আই, কোন্ টো হাতী, কোন্ টো হাতী, ওপবব টো নে, তলব টো ?" " যেই ঘিটোব পেটটো ডাঙ্গব।" "দেখোন্ আই, দুইটাবে পেট সমান।" ইয়াব দ্বাবায়েই সর্ব্ব সাধাবণে তেঁওব পেটব জোখ জানিব পাৰিব। এতেকে এওঁব সমান ডাঙ্গব সবকাবী কামব লায়ক মানুহ কোনো নাই; কিয়নো শাস্ত্রতে কইছে" অস্থিস্থো বা সস্থিস্থো বা স্থূল-কায়ঃ প্রশস্যতে।" এওঁব সবস্বতী আইবে সদাই বিবাদ; অৱশ্যতে এওঁ " ভো ভো পণ্ডিত, লেখাপঢ়া-বর্জ্জিত।" সকলো বিদ্যাব সলনি এঁও খটা-লোটা-বিদ্যাত ব্যাস; তেঁও সকলোকে এই বিষয়ত চেষ পোনাব, তাত কোনো সংশয় নাই, ময় এই কথা সপাব খাই কওঁ। এওঁ এখাব এজন বড় সাহাবব

তাৰিব ওচৰত আঁচু কাঢ়ি হাত যোড় কৰি কৱলৈ ধৰিলে,—"হুজুৰ খোদাবন্দা দুনিয়াৰ মালিক গৰীপৰ Father mother" (মাইকি-বাপেকি), "you live I live, you die I die." (আপুনি কাম এটা দি জীয়ালেই জীও, নিদি মাৰিলেই মৰোঁ)। "বাল্য-কালে Espelling book reading, লেকিন কিন্তু এখন little little forgetting (সক কালত ইংৰাজি আখৰ খোটোৱা কিতাপ পঢ়িছিলো, কিন্তু এতিয়া তাৰে অলপ অলপ পাহৰিছোঁ।) এই কথা কই ওলগা এটা লই পেটটো ছিপ্ মাৰি দাজি সাহাবক দেখাৰ ধৰোঁতেই সাহাবে কলে; "বস্, বস্, হাম ডেকা।" টোম আটছা আডমি আছে। কোৱা বাহুল্য যে এই বাৰ ভেঁও এটা বড় ডাঙৰ কাম পাইছিল; কিন্তু এই কাম পেট-পেলোৱা কাম নাছিল, উঠিলৰি কৰা কাম আছিল; এই নিমিত্তে ভেঁও তাক সমুদি চলাব নোৱাৰিলে; তথাপি সেই সাহাবৰ অনুগ্ৰহতে বহুৎ টকা ঘটিলে। সি যি হওক, এওঁ বড় উপযুক্ত মানুহ; কিয়নো ভেঁওৰ ডাঙৰ পেট আছে আৰু বিদ্যা নথকাত খোচামোদ কৰাত বড় পাৰ্গত।"

---

## বিবেক।

১

কোন সিটী সঙ্গে সঙ্গে মানব অন্তৰে
সদাই কৰিছে বাস? মুহূৰ্ত্ত কাৰণে
কোনো কালে কোনো ক্ৰমে নাযায়ন্ত দূৰে,
আছে চিৰকাল বসি হৃদয় আসনে?

বয়সে প্রবীণ অতি, বহুদর্শী জন,
চিন্তা খানী যেন তাঁর জ্ঞানেরে গঠন ;
সুস্থির মূরতি, জ্ঞান-গর্ব্বিত বদন,
অটল সাহস, মেঘ গম্ভীর বচন।

২

রাজার নকরে ভয় প্রজার নকরে,
বণোন্মত্ত বীরজনে তুচ্ছ ভাবে মনে ;
সদা সুমন্ত্রণা মাত্র দয়িত অন্তরে
দিয়া থাকে জ্ঞান-পরিমার্জ্জিত বচনে।
অন্যায় অধর্ম্ম পাপে যদি নর মন
হোয়ে প্রলোভিত ; ক্রোধে করিয়া গর্জ্জন
নিমিষে অন্তর থাকি বিদারি হৃদয়
"নাযাইবি" "নকরিবি" এই কথা কয়।

৩

বারণ নুশুনি তাঁর যদি নরগণ
লিপ্ত হোয়ে সেহি কার্য্যে ; সন্তাপ-অগনি
অটল সাহসে দিয়ে করিয়া জ্বলন
রাজা প্রজা ধনী দীন একোকে নগণি।
দিয়ে গালি নানারূপ করিয়া গর্জ্জন,
কর্কশ বচনে করে অন্তর দাহন ;
কি ধনী কি মানী সুখী রাজা প্রজা বীর
সেহি তিরস্কারে সবে হোয়ে নতশির।

৪

জ্ঞানেরে রচিত দেহ, জ্ঞানেরে হৃদয়,
কোন প্রিয় বন্ধু এই অন্তর ভিতরে,

অন্যায় দেখিলে ক্ষণে বারণ করয়,
যতে ততে সর্ব্বদাই হিত চিন্তা করে ?
জানিছোঁ বিবেক নামে সেহি বিজ্ঞজন,
করে হিতাহিত জ্ঞান নরে নিতরণ।
ধন্য হে বিবেক তুমি ধন্য মন্ত্রীবর;
ধন্য তুমি চিরবন্ধু হীন মনুষ্যর।

---

বন্ধো !

সিদিনা শিক্ষিত ডেকা এজনা ডাক ঘরর পিয়ন এটার হাতত ধরি অকস্মাৎ আমার ঘরত ওলালহি। থির দিয়েই "বন্ধু" বুলি টলকাই সাদরর মাত আমার লগালে, আমার মনটো হরষাই উঠিল। আথ্ বেথ্কৈ হস্তরূপ পদ্মাসনকে আগ বঢ়াই দি বহুরালোঁ, বন্ধুত্বে আপুনি আপোনার পরিচয় করলৈ ধরিলে। মোর নাম আসাম-বন্ধু। নগাঁয়েই মোর জন্ম ভূমি। গুণ-বন্ত মোর জনক। প্রবৃত্তি মোর জননী। শ্রীকৃষ্ণর নন্দালয় গমনর দরে ময়ও উপজিয়েই কলিকাতা রাজধানিলৈ যাও তার পরাহে এতিয়া ওলাইছোহি। গর্গর নিচিনা ভাল ভাল পণ্ডিতে গণি পঢ়িছে মোরো এই নামটী রাখিছে। মই বড় ডাঙর কার্য্যর মানুহ নহঁও তথাপি নামর দরেই কাম করিম বুলি থির করিছোঁ। লোকর হিত সাধনা মোর ব্রত। শিল্প সাহিত্যর আলোচনা, জ্ঞানর চর্চ্চা এইয়ে মোর কার্য্য। রাজনীতি, ব্যাকরণ, পরর স্তুতি, নিন্দা, ধর্ম্ম, এইবিলাকর গুড়িলৈকে নাযাঁও। বিদেশত ডাঙর দুই অহার বারে মোর বেশ ভূষাত, গাত, মাত কথাত অলপ বঙ্গালি চিন থাকিব পারে। মানুহ হলে ময় শুদ্ধ অসমীয়া।

বন্ধুৰ কথা শুনি মোৰ মনৰ সন্তোষটো ক্ৰমে কিমাই গল ; আমাৰ পুৰণি পণ্ডিত বিলাকে কয়, উৎসবাদি দুয়ট কাৰ্য্যত যাক উপস্থিত পোৱা যায় সেইএ প্ৰকৃত বন্ধু। (উৎসবে ব্যসনে চৈব দুৰ্ভিক্ষে শত্ৰুবিগ্ৰহে, ৰাজদ্বাৰে শ্মশানেচ যঃ তিষ্ঠতি স বান্ধবঃ)। আমাৰ বন্ধু দেখোন ইয়াৰ সকলোটীতে আতঁৰ। সত্য, শৌচ, ক্ষমা, দয়া, এই চাৰিটীএই মনুষ্যধৰ্ম্মৰ পদ। এই চাৰিওএই জ্ঞানমূলক। এই চাৰিৰ সাধনাত ধৰ্ম্মাৰ্থকামমোক্ষ চাৰি বৰ্গৰ সিদ্ধ হয়। মনুষ্য প্ৰতি গুৰুৰ স্নেহ, মনুষ্য দ্বাৰা গুৰুৰ সেৱা, দুঃখিৰ প্ৰতি ভাগ্যবন্তৰ দয়া, দোষীৰ ওপৰত ক্ষমা, এই বিলাকৰ আত্মিক ব্যৱহাৰত ধৰ্ম্ম, অসাত্মিকতাত্ অধৰ্ম্ম উৎপত্তি হয়। অধৰ্ম্ম বিনাশৰ মূল। ধৰ্ম্ম মনুষ্য জাতিৰ মূল ঐশ্বৰ্য্য ; ধৰ্ম্মৰ দ্বাৰা লোকৰ ঐহিক পাৰত্ৰিকৰ সুখোদয় হয়। এই ধৰ্ম্ম কিহেৰে লাভ হব পাৰে তাৰ বাবে বন্ধুৰ দেখোন একোকে মামাতো যোলে ; ভেন্তে আৰ মোৰ কি জানৰ চৰ্চ্চা কৰিব ? ৰজা-প্ৰজা, পিতা-পুত্ৰ, গুৰু-শিষ্য, ভাৰ্য্যা-স্বামী, দুঃখি-ধনি, বৈদ্য-ৰোগী, ভৃত্য-প্ৰভু, দাতা গ্ৰহিতা, বলি-নিৰ্ব্বলি ইত্যাদিৰ পৰস্পৰে যেনেবা ব্যৱহাৰ কৰিলোক তালৈ সমূলী ভেঁও নাচায়। চোৰডকাইত ইত্যাদিএ বি মকলোক, গুণৱন্তৰ গুণ যশ বিমান প্ৰকাশ সহ্যকৰ, ৰাজনীতি যা ভূতি নিন্দাৰ ভয়ত তাতো মুখ মেলেলে। লোকে পাপ কৰোক কি পুণ্য কৰোক তাতো একো মোৰোলে। পাপ পুণ্যৰ পথ দেখুৱাবলৈকো নাযায়। মানুহ শুচি থাকিব মোৱাবিলে তাক যোগে আশ্ৰয় কৰে, সাধাৰণৰ অশ্ৰিয়-ভাজন হয়, আমাৰ বন্ধু সেই সেই সময়তো একেবি হিত উপদেশ দিবলৈ নাযায়। আমি সেইবি পাছৰ আগো যা

নাজানো আমাৰ মাত কথাৰ ভাঁজ কাজ যেনেৱা নহওক, আমাৰ পুথি পাঁজি বিলাক শুদ্ধ হওক বা অশুদ্ধ হওক, ব্যাকৰণৰ বাক্ বিতণ্ডাৰ ভয়ত তাতো একো নকয়। আমি যোগ শয্যাত কষ্ট পাওঁ, দুর্ভিক্ষত খাবলৈ নাপাই মৰিএই যাওঁ, তেও একো হামি নাই, তাত তেঁও মাত মাতিলে বা সহায় কৰিলে কেনেবাকৈ ধর্ম্মৰ দোষে চুব। আমি খালত পড়ি মৰোঁ। তেঁও তুলি নধৰে; ধর্ম্মে চুব পাবে। মনুষ্য জাতিৰ আগেই সকলো বিষয়ৰ মূল, মানুহৰ সাম্বিক কার্য্য কিহেৰে হব তাক জানিবৰ নিমিত্তেই জ্ঞান শিক্ষাৰ আৱশ্যক। এই জ্ঞান কেৱল বিদ্যাৰ দ্বাৰা উপার্জ্জন হয়। আমাৰ বন্ধুএ ধর্ম্মৰ হাত সাবি কেনেকৈনো বিদ্যাৰ আলোচনা কৰিব, কেনেকৈনো জ্ঞানৰ চর্চ্চা কৰিব, কেনেকৈনো সাহিত্যৰ উপকাৰ সাধিব, আমি একো বুজিব পৰা নাই। আমি আশা কৰোঁ। গ্রাহকৰ বন্ধুএ সকলো বিষয়তে আমাৰ সহায় হবলৈ পাছ্ তাকৈ নকৰিব। অথবা জন্ম পত্রিকা খন আকৌ এবাৰ চাই নাবটোকে সলাই লব।

নগাঁও ২৬ ফাল্গুন। ১২৯১। } দীন শ্রী—নগাঁৱা।

টীকা—সাম্প্রদায়িক ধর্ম্ম সম্বন্ধে আমি আন্দোলন আৰু মতামত প্রকাশ নকৰোঁ। যাৰ যি সাধ্য তাৰ বাহিৰে ঘোষা অনুচিত আৰু অসার্থক। কেৰ্কেটুৱাৰ ধাঁহৰ পাত যেনে তেঁটি আমাকো সেইৱাপ।—স, আ, ব,

# ৰহস্য।

( আহাৰ বন্ধুৰ ৭২ পিঠিৰ পৰা )

গৌৰীচন্দ্ৰে তামোল চোবাই আছিল। ওঠত চুণ লাগি-ছিল।—কাৰো ওঠত চুণ লগা দেখি মোকোৱাটো মহা দোষ। গাপপাবাই চৌধাৰীত কলে "বাপ! তোৰ অঁচত চুণ লাগিছে।" চৌধাৰীএ খঙকৈ তাক আৰু ধন দাঁড়িলে। তাতে মোখোৱাই কলে "কাকা! তাৰ মুখত চুণেই লাগক্ বা—লাগক আমাৰ কৰা নালগে।—

২। হাজোলৈ মাঘ মহীয়া অনেক যাত্ৰী যায়। এদিন মাধৱ মাক গোবেৰী আন যাত্ৰীৰ লগত হাজোলৈ গ'ল। হাজোৰ দেৱালয়ৰ যে কি দেৱতা তাক মাধৱ মাকে নাজা-নিছিল। নাটমন্দিৰলৈ গই জানিলে যে হাজো দেৱালয়ৰ দেৱতা মাধৱ। সকলো যাত্ৰী যেতিয়া গোঁসাইৰ আগলৈ গ'ল পাণ্ডাই সকলোকে আঁচু কাঢ়ি সেৱা কৰিবলৈ কলে। তাই আঁচু না কাঢ়ি থিৰ হই থাকিল। পাণ্ডাই সুধিলে "কিয় আঁচু নাকাঢ়া।" গোবেৰীএ কলে "বাপাৰ আয়ুঃ নষ্ট হব ময় সেৱা কৰিব নাপাওঁ"—পাণ্ডাই সুধিলে কিয়? গোবেৰীএ কলে মোৰ আপাৰ নামো মাধৱ এই গোঁসাইৰ নামো মাধৱ। ময় তাৰ আমেএক হওঁ।—পাণ্ডাই চমৎকাৰ মানি এনেই নিৰ্ম্মালি দিলে।—আৰু দক্ষিণা ললে।—গো-বেৰীৰ কেনে প্ৰগাঢ় ভাৱ?

---

# ফঁকৰা।

১। বাবে হাত জালৰ তেৰে হাত ফটা, তাল মাৰিলি বাপৰ বেটা। পুঠি খলিছা পাছে পাছে বল, বৌ ৰবাপি সৰকি গ'ল॥

২। ছল চাই কঠিয়া, পাৰিবা কলিয়া, গাত মেপেলাবা পাৰি। চুৰকৈ আনিবা, দেখুয়াই খুৱাবা, ডাকেছে মাৰিবা জাৰি॥

৩। জলত উপজি থলত বাস। ব্ৰহ্মা বিষ্ণুএ বোলে কিনো অদ্ভুত? মাকে চুলে নিজীয়ে পুত।

৪। শিল গোট উটি আছে জলৰ ওপৰে।
তাতে বহি গীত গায় মদুৱা বান্দৰে॥

৫। তিমি খুন্দা খাই ভকত বোলায়।
সাত খুন্দা খাই মহন্ত (ছই দেশ) বেড়ায়॥

৬। কন্যা এটী আছে মোৰ পঞ্চ বৰ্ণ ধৰে।
স্বামীৰ শিৰত ধৰি আশীৰ্ব্বাদ কৰে॥

৭। ভকত! ভিক্ষা দিও আহাঁ।
দহ সজিয়া ভেকোলা মৰি আছে তাৰ কথা কোৱা।

৮। মুছুই ডুমুনী ভুলি দিলে বোজা।
নপাচি মুণ্ডমি হ'লগই ওজা॥

মন্তব্য। কোনো জনে ইয়াৰ অৰ্থ লেখিলে তাক ছপাত আপত্তি নাই। (উদ্ধৃত)

---

# বঙালী।

আমাৰ দেশৰ পূব দক্ষিণ উত্তৰ কালে খামতী, চিংফৌ, নগা গাড়ো, খাশিয়া, ভোট আৰৰ প্ৰভৃতি পৰ্ব্বতীয়া জাতি। পশ্চিম ফালে বঙাল দেশ।—গোৱালপাড়াৰ ইপাৰে হাদীবাচকী বা বঙাল হাট।—সেই পৰ্ব্বতীয়া জাতি বোৰক আমি যেনে ভাবে ভাবোঁ বঙালকো আমি সেই ভাবেই ভাবোঁ।--ইহঁতো বিদেশী, অসভ্য, অশুচি। সিহঁতো বিদেশী, অসভ্য, অশুচি। আমাৰ দেশৰ মানুহ আৰু সেই পৰ্ব্বতীয়া মানুহক এৰি পৃথিবীৰ আন যি মানুহ সেই সকলেই বঙাল। বঙাল বুলিলেই অশুচি অপবিত্ৰ জাতি। এই কাৰণে কোনো আধুনিক কবিএ লেখিছে "দেশে সিংহসমা, বনে পশুসমা, দেশান্তৰে জম্বুকাঃ। আহাৰে বক-কাক-শূকৰ-সমাঃ ছাগোপমা মৈথুনে। ৰূপে মৰ্কটবৎ পিশাচ বদনাঃ বক্তাঃ খলা, দুৰ্জ্জনাঃ। বাঙ্গালা যদি মানুষা হবি-হবি, প্ৰেতাস্তদা কীদৃশাঃ॥"

মোৱামৰীয়াৰ বিদ্ৰোহৰ সময়ত আমাৰ দেশলৈ কাপ্তান ওয়েলস্ সাহাৰ আহে। তেওঁৰ লগত হিন্দুস্থানী সিপাহী আৰু বঙালী মানুহ আহে। মানক খেদি যেতিয়া ব্ৰিটিশ গাৱৰ্ণমেণ্টে এই দেশ ললে, তেতিয়া অনেক বঙালী আমাৰ দেশলৈ আহে।--অধিক কি আমাৰ দেশত ইংৰাজৰ অধিকাৰ হলেও আমাৰ সাধাৰণ মানুহে বঙালৰ দিন বুলিহে কয়। ব্ৰিটিশ পতাকাৰ লগত আৰু তাৰ পাছে কিছুমান দিনলৈকে যি বোৰ বঙালী আমাৰ দেশলৈ আছিছিল সেই সকলে আমাৰ মানত ইংৰাজৰ তলতে মৰ্য্যদা ললে। বঙালী আৰু ইংৰাজৰ ভিতৰত আমাৰ মানুহে সহজে বঙালীবেই সাক্ষাৎ

সাদৃশ্য। ইংৰাজৰ আচাৰ ব্যৱহাৰ আমাৰ দেশতকৈ দহ হাজাৰ মাইলৰ দূৰৈ। বঙালীৰ আচাৰ ব্যৱহাৰেৰে অনেক সাদৃশ্য।—এই কাৰণে বঙালী আচাৰ আমাৰ অনুকৰণীয় হল। কছাৰীৰ আমলা আৰু আন বিষয়া বঙালী। ইস্কুলৰ শিক্ষক বঙালী। ইস্কুলৰ ভাষা হ'ল বঙালী।—আমাৰ শিক্ষাৰ আদৰ্শ প্ৰায় সৰ্ব্ব প্ৰকাৰে বঙালী হ'ল।—আমাৰ নিজৰ দেশৰ লোক সকলে সেই সময়ত ইংৰাজৰ নিয়মে বড় অথবা লাগতিয়াল বিষয় পালিবলৈ অসমৰ্থ আছিল। ইংৰাজৰ দিনত সকলো কথাই লেখা পঢ়াৰ কাম। আমাৰ পূৰ্ব্বৰ বিষয়া সকলে সেই ৰূপ শিক্ষা পোৱা নাছিল। যি সকলে বিষয় কৰ্ম্ম কৰে, শিক্ষা দিয়ে, সেই সকলেই সমাজৰ নেতা। আমাৰ মামুহে সেই ৰূপ উচ্চ অথবা সাধাৰণৰ লগত সদাই লগ লাগি থাকিব পৰা বিষয় নকৰাত বঙালীএই এক প্ৰকাৰে আমাৰ সমাজৰ নেতা হল। খোৱা, পিন্ধা কুৰা, কথা-কোৱা, লেখা পঢ়া, ধেমালি, সম্ভাৱ-ৰক্ষা, বিলাস, আমোদ সকলো বিষয়তে বিদেশী বা বঙালী ৰীতি নীতি আৰু কাৰ্য্য ক্ৰমে আমাৰ ভিতৰত সোমাল। উচ্চ শ্ৰেণীৰ লোকেই প্ৰথমে সমাজৰ নিয়ম পৰিবৰ্ত্তন কৰে। পুৰণি গুছাই ন কথা উলিয়ায়। পাছেহে সেই কথা সামান্য শ্ৰেণীলৈ বই যায়। সেইৰূপে ওখ থাকৰ লোকৰ ভিতৰতে প্ৰথমে পৰিবৰ্ত্তন সোমাবলৈ ধৰিলে। আদকৰীয়া, চেঙাশাক মাছৰ আঞ্জা, খড়িকাত দিয়া মাছৰ লগালৈ ডালমা, কড়ি, চাটনী, মোচাৰ ঘণ্ট, কালিয়া, কাবাব, পোলাও সোমাল। ভিন-পীঠা, খোলা চাপাড়ি পীঠা, সান্দহ, দোৱা-ভজাচীড়া, কড়াই গুড়ী, পীঠা গুড়ী, কোমল চাউল, গুড়ৰ লগালৈ কটী, পুৰী, জিলিপী, সন্দেশ, মস্তিচুৰ, ছানাবড়া আহিল। কপালী

মুগা পাটৰ চুৰীয়া, বুকুচোলা, আঙা, বচোৱাল, টঙালী খনীয়াৰ লগলৈ মলমল ডাৱৰ ধুতী, * কুৰ্ত্তা কামিজ, বাৰ্ণিয়ান, চাপকন চোলা, আমাসা, মোড়াশা, টুপী, শাল, কমাল জোতা মুজা, পাওজামা সোমাল। বিয়াহৰ ওজা আওনাৰ লগলৈ যাত্ৰা, বাই গান আহিল। হোলোঙ নাও, দোলা, ঘোড়াৰ লগলৈ পামলৈ নাও, গাড়ী, পালকী আহিল। লীলা মালা, গুণমালা, স্তমন্ত-হৰণ, অসমীয়া পদ্ম-পুখীৰ ঠাইলৈ আন বঙালী পুথী আহিল। সাঁচিপতীয়া পুথী চাঙলৈ গল। পাঁচি, চৌপট, বাঘবোল, ভটাগুটীৰ লগলৈ তাস, সত্ৰঞ্জ, "বেট বল" আহিল। আমাৰ দেশত ইজমে সিজমৰ ঘৰত খোৱাৰ যি বাধা আছিল সি গুছিবলৈ ধৰিছে। তামোলৰ পৰিবৰ্ত্তে মলাধপাঁত হৰ ধৰিছে। পূৰ্ব্বে যি কাৰ্য্যত ৮ বেমু প্ৰায়শ্চিত্ত লাগিছিল সেই ৰূপ অনেক কাৰ্য্য বিলাক আজ আমোদৰ কাৰ্য্য হ'ল। বঙালী ব্যাধি প্ৰভৃতি মা ভূত মা প্ৰেত অনেক ব্যাধি আমালৈ আহিল। চীনৰ বাসন বেলোৱাৰী বাসনৰ ব্যৱহাৰ বজাৰৰ মিষ্টান্ন ব্যৱহাৰ চলিল। পাহৰখা, দীঘল চুলি অথবা টীকী ৰখাৰ ঠাইত মুৰত শক চুলি হ'ল। গোফ দাড়ী ৰখাৰ ব্যৱহাৰ চলন হই আহিছে। কালৰ গতিত অনেক ন ন কথা আমাৰ মানুহে ল'ব অথবা কৰিব লাগিছে। অনেক বিদেশী অথবা বঙালী কথা আমাৰ ভিতৰত সোমাইছে। কেত বিলাক ভাষে আকৌ এনে ভাৱে সোমাইছে যে হঠাৎ আমি এড়িব নোৱাৰোঁ।

* নোট—এই কাৰণে এজনা পণ্ডিতে কইছে। "মলমল ডাৱৰ ধুতীৰ যোগত কুড়ী টকা, তিনা বনাতী জোতা ৷ উজাগি ৷

এই দেশলৈ আহিবলৈ বিদেশীয়া লোকৰ পক্ষে ভেনে সুযোগ নাছিল। ক্রমে অনেক সুবিধা বাঢ়িছে। যেতেকে সুবিধা বাঢ়িছে তেতেকে বিদেশী লোক সৰহ আহিব লাগিছে। আমাৰ মানুহো সৰহ পৰিমাণে বিদেশলৈ ধাৱলৈ ধৰিছে। আমাৰ মানুহেৰে সেই বোৰ মানুহৰ নানা কাৰ্য্যত ইমান লগা-লগা হইছে যে তাক গুছাব নোৱাৰি। যি বিলাক পৰিবৰ্ত্তন হইছে তাৰ অনেক বোৰ নিৰ্দ্দোষি। কিছু পৰিমাণে দূষণীয়ও আছে। যদিচ বঙালী বা বিদেশী লোকক আমি অতি অশুচি অপবিত্ৰ অসভ্য দেখো আৰু ওপৰত দিয়া আধুনিক কবিৰ দৰে আমিও বিবেচনা কৰো তথাপি অযাচিতে অজস্ৰে আমি সেই বোৰ বিদেশী নিয়ম লইছোঁ। মানুহে লোকক দেখি কাম কৰে সেই কাৰণেই আমিও সেই বোৰ দেখি কাম কৰিছো। যি সময়ত আমি বিদেশী আচাৰ নীতি লও সেই সময়ত বিদেশী ভাৰ আমাৰ মাথাকে। সুগম, সুচল, সুবিধাৰ নিয়ম বা বিধানকে আমি ধৰোঁ।—ক্রমে ধৰিব লাগিছোঁ। এড়িব নোৱাৰোঁ। এই ৰূপ ছোৱাতো আমি অনেক সময়ত দেখিবলৈ পাওঁ যে দুৰ্ভাগ্য বিদেশী বা বঙালী বিলাক তেও আমাৰ মানত ঘৃণিত।

আমাৰ দেশত এতিয়া যি সমস্ত লোক আছে সেই সকলোবোৰ যে আদিবাসি এনে নহয়। কোনোএ বা আজি, কোনোএ বা পাঁচ শ বছৰৰ পূৰ্ব্বে ইয়ালৈ আহি ইয়াৰ মানুহে সইতে মিহলি হইছে। নানা দেশৰ লোক আহি ইয়াত বসতি কৰি ইয়াৰ মানুহ হই গইছে। আমাৰ দেশৰ প্ৰায় ব্ৰাহ্মণ মহন্ত সকলোএ কনৌজপুৰ বা কাণ্যকুব্জৰ পৰা আহা বুলি কয়। অনেক ভাল ভাল লোকৰ কোনোএ

নদীয়া শান্তিপুৰৰ, কোনোএ বিক্রমপুৰৰ, কোনোএ মেপালৰ, কোনোএ জনকপুৰৰ, কোনোএ বেহাৰৰ শ্রীক্ষেত্রৰ পৰা অহা বুলি কয়।—এনে কওঁতে তেওঁ বিলাকে এনে গৌৰৱেৰে কয় যেন এই দেশৰ হীনাৱস্থা মুক্তি কৰিবলৈহে যেন তেওঁ বিলাক আহিছিল। পূৰ্ব্বকালত যি সকল বঙালী বিদেশী আমাৰ দেশলৈ আহিছিল সেই সকলক সেই কালৰ মানুহে আদৰ কৰি মাটী বাড়ী ছোৱালী দি পাতিছিল। কত্র সিংহ স্বৰ্গদেৱে অনেক বিদেশী মানুহ আনি দেশত নানা কথা চলাইছিল আৰু পাতিছিল। আন আন বজা আৰু বিষয়া সকলেও বিদেশীক বড় শ্রদ্ধা আৰু মৰম কৰিছিল। সেই কাৰণেই সেই সময়ত এই দেশলৈ অহা বিদেশী লোকে ইয়াত বসতি কৰিছিল। বঙালৰ দিনতো প্রথমে অনেক বঙালী মানুহে আমাৰ দেশত মিত্র সম্বন্ধ কৰি যেনে তেনেকৈ অনেকে থাকিল। সেই কাৰণে আমাৰ দেশৰ অনেক চাইভ গোতোজ ঘোষ, বামলোচন সেন, ভোলাই বসু, ডেবেৰা ওসওৱাল পোৱা যায়। বামধন মুখোপাধ্যায় আৰু নাদুকী যুগীৰ পুতেক, গোবিন্দ চন্দ্র দাস. যতি সিং ছত্রী আৰু চন্দ্রা কলিতামীৰ পুতেক চান্দ সিং এইৰূপ অনেক লোক আছে। সেই সকলে আমাৰ দেশৰ খেলত সোমাই বড় চক খাই মিতিৰে কুটুমে ভালে আছে। এতেকে এইটো সিদ্ধান্ত কৰিব পাৰি যে বিদেশী বঙালী বুলি কাৰ্য্যতঃ আমাৰ মানুহে বড় ঘৃণা নকৰে।

কিন্তু এনেই যদি দেখা যায় বঙালী বুলিলে আমাৰ মানুহৰ পক্ষে বড় ঘৃণাৰ কথা। কিছু কাল পূৰ্ব্বে বঙালী কিছুমান অশিক্ষিত আৰু নীচ প্রকৃতিৰ লোকে আমাৰ দেশলৈ আহি অনেক সময়ত অনেক কুকার্য্য কৰিছিল সেই

কাৰণেই বঙালীৰ প্ৰতি সাধাৰণৰ তেমে ঘৃণাৰ ভাব হ'ল। আৰু ইমান হ'ল যে কবিৰ কল্পনাই ঠাই পালে। সেই ভাব এতিয়াও উন্মোচিত হোৱা নাই। বঙালীৰ আচাৰ নীতি বস্তু অজস্ৰে আমাৰ মানুহে লয় কিন্তু লোকক ঘৃণা কৰে। ইয়াৰ কাৰণ কেবল সেইটো মাত্ৰ অনুমান হয়। ক্ৰমে বঙালী শিক্ষিত লোক যিমান এই দেশলৈ আহিব, আমাৰ মানুহ যিমান বিদেশলৈ যাব, আৰু শিক্ষাৰ দ্বাৰাই সংকীৰ্ণ ভাব যিমান গুছিব আৰু ঈশ্বৰৰ পিতৃত্ব, মনুষ্যৰ ভ্ৰাতৃত্ব ভাব ব্যাপক হ'ব তিমান ঘৃণনীয় ভাব গুছিব। আমাৰ কৰ্ত্তব্য এইটোহে দেখা যায় যে বঙালীকো ভাই ককাই যেন দেখোঁ।

হিমালয়ৰ গৰ্ভত উৎপত্তি হই ব্ৰহ্মপুত্ৰ নদ যেনে ৰূপে আমাৰ দেশেৰে বই গই পদ্মা নদীৰে লগলাগি সুবিস্তাৰ মেঘনা নাম ধৰি মহাসমুদ্ৰত পৰিছে সেই ৰূপে আমি সংকীৰ্ণ ভাব এৰি বিদেশী বঙালীৰে মিহলি হই উন্নতি সমুদ্ৰত পৰো এই কথা সাৰোগত কবিৰ পাৰিলে দেশৰ মঙ্গল হয়।

আ, ব,

---

## গৰু ম'হ।

খেতিৰ প্ৰধান অঙ্গ বা সাধক গৰু ম'হ। আমাৰ দেশৰ প্ৰায় প্ৰজাই কৃষিজীবি। বঙ্গৰ পৰা প্ৰজাসকলোৰে অনেক অংশ অচৰপ খেতি আছে। গোৱালীয়া চাইজনী কাঁৰজি গাই, হুহাল গৰু, এহাল ম'হ পুহিব, হুজনী ম'হ ৰখব, আৰু ভাল পাই হলেই আমি চহকি। তাতে আকৌ থাকবহি ভাল নিয়েক, হালুলিহাল পাই মুনাৰ কাণৰ অলেই

সোণৰ ওপৰত সুৱগা। কৃষিজীবিৰ পক্ষে গৰু মহ নিতান্ত প্রয়োজনীয়।

আমাৰ গৰুৰ অৱস্থালৈ চালেই আমাৰ ক্ষেত্ৰিৰ অৱস্থা জানিব পাৰি। আমাৰ দেশ অৰণ্যময়। ঘাহৰ কোনো অভাৱ নাই। তেও দুঃখৰ বিষয় এই যে গৰু বোৰ প্রায়েই চেৰেলা। হৃষ্ট পুষ্ট নহয়। শৰু, দুৰ্ব্বল, প্রায় উজাটিত পাঁজৰা, চেঙত চেঙ লগা। অথচ ম'হ বিলাক তাৰ বিপৰীত। ম'হ বোৰ ডাঙৰ, বলি, শকত আৰু বলৱন্ত। কিন্তু গাখীৰৰ পক্ষে হলে আন দেশেৰে তুলনা কৰিলে ম'হগাৰু দুইও হীন। যেতিয়ালৈকে ইয়াৰ অৱস্থা ভাল কৰিব নোৱাৰি তেতিয়ালৈকে ক্ষেত্ৰিৰ অৱস্থা ভাল নহয়। তাৰ উন্নত অৱস্থা খপুপৰ দৰেই থাকিব। গৰুৰ দুৰবস্থাৰ প্রধানকৈ দুটী কাৰণ। প্রথম—অকাল উৎপত্তি, দ্বিতীয়—গৃহস্থৰ অসাৱধানতা আৰু অপ্রতিপালন। পশু পক্ষী নৰ সকলো প্রাণীৰে শিশু, যুৱা, বৃদ্ধ, এই তিনি অৱস্থা। অৱস্থা ভেদে বল শক্তি কাৰ্য্য সকলোৰে ভেদ। আমাৰ দেশৰ মানুহৰ দৰে গৰুকো পূর্ণ বয়স নৌহওতেই সন্তান উৎপাদনত প্রৱৃত্ত হবলৈ দেখা যায়। সেই কাৰণে তাৰ পোৱালি বোৰ শৰু আৰু দুর্ব্বল হয়। দুর্ব্বল হলেই সকলো প্রকাৰ বোগে আক্রমণ কৰে আৰু বোগী হলেই অল্পায়ু হয়। পাছে আকৌ এইৰূপ দুর্ব্বল প্রাণীৰ সন্তান হই ক্রমে অতি হীন হয়। যাৰ গৰু আছে সেই সকলে পশুপালন শাস্ত্রালে বুলি কলেও দোষ নাই। গোহালিত প্রায় বেলি ১২ বছৰ মানলৈকে গৰু থাকে। গোহালিৰ অৱস্থা অতি শোচনীয়। গোহালীৰ ওচৰতে গোবৰৰ ভেটী, তাক সদা পোতা নাই। আন বাৰী বা ঘাঁহনি আদি গৰুক দিয়া হৈছে থাকক, গৰুৰ তাতৰ দেশ পাকিলে

যদি খুদকণাকো দিয়া নহয়। জাগা কেবল বছেৰেকলৈ চতৰ বিহুৱ দিনা দিয়া হয়। এনে মূল্যবান সম্পত্তি তাৰ বক্ষক প্ৰায়েই লখা ছোৱালী, সিহঁতে যদি গৰু ভালকৈ চবালে ভাল, নাই নাই, গৃহস্থৰ মুজ নাই। আপুনি যি খায় সেই মতুৱা আদ কোনো বস্তু দিয়া নহয়। গৰুৰ ভক্ষ্য এনে যে তাক আহৰণ কৰাত ৰমুএ মিচাকে মাতিব দিছে। এনে গৰুৰ ভক্ষ্য আহৰণ আমাৰ দেশত নাই। ছালোৱা গৰু হালৰ পৰা মেলি দি আৰু মুজ লোৱা মাধাৰ। একেবাৰে গধূলি অনা হয়। আমাৰ মানুহে গো সেৱা গো প্ৰতিপালন ভালকৈ নাজানে সেই কাৰণেই কোনো এজন চিন্তাশীল লোকে কইছে "অসমৰ গৰু ভোটৰ চক অতি জঘন্য।" আমাৰ যি জনী ক্ষীৰতি গাইএ /৸০ তিনি পোৱা গাখীৰ দিয়ে সেই জনী বড় ক্ষীৰতি। ম'হৰ পক্ষে ও যদি গৃহস্থৰ সেই ৰূপ প্ৰতিপালন হই থাকে তথাপি সি ডাঙৰ জন্তু। যথেচ্ছা ক্ৰমে চৰে পুৱাই মেলি দিয়া হয়। ডাঙৰ মানুহে চবায়। বলবীয়া বলিষ্ঠ ম'হৰ ৱাবাই ৰবছিয়া ম'হৰ পোৱালী হয়। এই কাৰণে ইহঁত বলিষ্ঠ শকত ডাঙৰ আৰু দেখিবলৈ চিকুণ। ম'হৰ দৰে গৰুকো যদি খুটীৰ নিয়মে ৰখা যায় আৰু প্ৰতিপালনৰ নিয়ম উন্নত কৰা যায় গৰুৰ অৱস্থাও ভাল হৰ সন্দেহ নাই। প্ৰতিপালনৰ উপায় বিষয়ে পাছে লেখা যাব। ক্ষ

---

## নগৰ সাগৰ আৰু সাগৰ নগৰ।

কালৰ গতিত, নগৰ সাগৰ, সাগৰ নগৰ হয়।
ইয়ো পৃথিবীত চিৰকাল কাৰো, সমভাবে নাহি ৰয়।

পাঠক! ওপৰত কোৱা কথা যে সঁচা ইয়াৰ ফল হাতে হাতে পাব পাৰি। কাৰো চিৰকাল সমানে যায় না। গগণস্পৰ্শী গিৰি শৃঙ্গও ভূমিকম্পৰ দ্বাৰা সময়ে সময়ে সাগৰ ৰূপে পৰিণত হয়, আৰু অতলস্পৰ্শী-সাগৰ গৰ্ভও সময়ত নগৰ হই উঠে। নদ, নদী, সাগৰ-গৰ্ভত মনুষ্যৰ আবাস ভূমি হয়, আৰু অট্টালিকাদি সুশোভিত নগৰতো মকৰ কুম্ভীৰাদি বাস কৰে; কালৰ গতিৰ মহিমা বুজা মনুষ্য-শক্তিৰ বহির্ভূত।

তোমাৰ পূৰ্ব্ব পুৰুষ সকল দেশৰ ভিতৰত গণ্য মান্য আৰু অতুল সম্পত্তিৰ অধিকাৰী আছিল, ভেঁও বিলাকৰ ইঙ্গিততে কাৰো সৰ্ব্বনাশ আৰু কাৰো সৰ্ব্বকাৰ্য্য সিদ্ধি হইছিল। কিমান গৃহস্থ ভেঁও বিলাকৰ পৰা প্ৰতিপালিত হইছিল, হয়তো তুমি এতিয়া ভিক্ষাজীবী, তুমি আজি পৰিচয় দিলেও তুমি যে তোমাৰ প্ৰতাপান্বিত পূৰ্ব্ব পুৰুষ বিলাকৰ বংশধৰ, তাক মানুহে বিশ্বাস নকৰে। অথবা তোমাৰ পূৰ্ব্ব পুৰুষ সকল নিতান্ত দুঃখিত আছিল, কিন্তু তুমি এতিয়া দেশৰ ভিতৰত এজন গণ্য মান্য হই উঠিছা, তোমাৰ পূৰ্ব্ব অৱস্থা পাহৰি তোমাক সকলোএ মান্য কৰিছে, তোমাৰে সাক্ষাত আৰু কথা বাৰ্ত্তা হবলৈ পালেও অনেকে চৰিতাৰ্থ হইছে।

সবহ দিন হোৱা নাই, আমাৰ আসাম-ৰজা কি আছিল আৰু আজি ভেঁও বিলাকৰ সন্তান সন্ততি সকলৰ কি অৱস্থা হইছে। আসাম দেশৰ অসংখ্য প্ৰজাৰ ধন-প্ৰাণ যাৰ হাতত মুঠিৰ ভিতৰত আছিল, যাৰ আজ্ঞা মাত্ৰ অসংখ্য লোক সমবায়িত জাপ দিবলৈকো পৰাঙ্মুখ হইছিল, যাৰ আদেশ শত অনীম মহা প্ৰাণী বিনষ্ট হইছিল, ভেঁওৰ সন্তানে আজি

দুরবস্থা দেখিলে তেঁও বিলাক যে সেই মহা প্রতাপান্বিত বংশর সন্তান তাক বিশ্বাস করাই টান।

আসাম এখনি ক্ষুদ্র দেশ, এই দেশর কথা এড়ি দি ভারতবর্ষ আরু ইংলণ্ডর অবস্থার প্রতি মনোযোগ দিয়া। এই দুখন দেশ কি আছিল আরু এতিয়া কি হইছে।

এক সময়ত ভারতবর্ষ পৃথিবীর মুকুট স্বরূপ আছিল, ভারতবাসীর কার্য্য কলাপ পৃথিবীর অন্যান্য জাতির আদর্শ হইছিল, ভারতত কোনো বস্তুরে অভাব নাছিল। ধন-সম্পত্তি, উৎসাহ, বীরত্বত ভারত বাসী সমুদয় পৃথিবীবাসী অপেক্ষা অগ্রগণ্য আছিল। শস্ত্র বিদ্যা, শাস্ত্র বিদ্যা বিজ্ঞান প্রভৃতিতো ভারত অদ্বিতীয়। ভারতর সমকক্ষ কোন আছিল? দয়া দাক্ষিণ্য, রাজনীতি, সমাজনীতি, সাহ, বীরত্ব, বর্ণনৈপুণ্যাদি সদ্‌গুণত ভারতবাসী অলঙ্কৃত আছিল।

ভারত অসাধারণ দেশ। ভারতবাসী বিলাকে স্পর্দ্ধা করি নিজ মাতৃ ভূমি ভারতক সমুদয় পৃথিবী বুলি উল্লেখ করি গইছে। বাস্তবিক তেঁও বিলাকর এই উক্তি নিতান্ত অন্যায় নহয়, পৃথিবীর ভিতরত ভারতবর্ষর দরে আচরিত নাই। পৃথিবীর নানা দেশত যি বিলাক নানা বিধ পদার্থ আছে সেই সকলোকেই প্রায় ভারতবর্ষত পোৱা যায়। ভারত প্রকৃতির ভণ্ডাল। চির হিমাবৃত পর্ব্বত শৃঙ্গ, বিস্তৃত মরুভূমি, তাজর নদী, সরোবর, সোম, রূপ, হীরা মুকুতার আকর, আফ্রিকার সদৃশ গ্রীষ্ম, গ্রীণলণ্ড প্রভৃতি দেশর দরে ভয়ানক শীত, রুশিয়ার দরে সমভাল চাই, আইস-লণ্ডর দরে উষ্ণ প্রস্রবণ, শীত আরু গ্রীষ্ম প্রধান দেশর নানাবিধ ফল মূল, সহস্র প্রকারর জানুর, অনেক প্রকারর ভাষা, ভারতর বাহিরে আরু কোন দেশত আছে? এতেকে

সমুদয় পৃথিবীর ভড়াঁল স্বরূপ ভারতবর্ষকে পৃথিবী বুলি নির্দ্দেশ করা অন্যায় বুলির নোৱাৰি।

ভারত প্রকৃতির দুর্গ; সেই নিমিত্তেই বিদ্যা বুদ্ধি সম্পন্ন পরাক্রমী আরু পূজনীয় আর্য্য সকলে ভারতবর্ষত প্রথমতে উপনিবেশ সংস্থাপন করে। ভারতর উত্তরে চির হিমাবৃত হিমালয়, উত্তর পশ্চিম ফালে অলঙ্ঘ্য পর্ব্বত শ্রেণী, পূর্ব্ব সীমাও আসামর পূর্ব্ব সীমাস্থ পর্ব্বত আরু নিবিড় অরণ্য, দক্ষিণ ফালে মহা সমুদ্র, এই চতুঃসীমার ভিতরর ঠাই ভারতবর্ষ। পুরণি পুথীত ইয়ার যেনে বিবরণ পোৱা যায়, তাক পঢ়িলে জানি যে আজি যদি রামচন্দ্র, ভীষ্ম, যুধিষ্ঠির প্রভৃতি আর্য্য প্রধান সকল চিন্তা-ভস্মর পরা আধুনিক ভারতর চতুর্দ্দিগে পরিভ্রমণ করে, তেন হলে পূর্ব্বর ভারতবর্ষই যে এই দেশ তাক শপথ খাই কলেও পতিয়ার নোৱাৰিব।

খৃষ্টাব্দর প্রায় ৩৫০ বৎসরর পূর্ব্বে যেতিয়া মহাবীর সেকন্দর সাহ পারস্যাদি রাজ্য জয় করি, উপস্থিত হয়, তেতিয়া তেঁও ভারতর সমৃদ্ধি আরু সভ্যতা দেখি একে বারে আচরিত হইছিল। ভারত-বাসীর অতুলনীয় রূপ গুণ, বিদ্যা, বুদ্ধি, আচার, ব্যবহার, সাহ, বীরত্ব, আত্মশ্লাঘিত্ব আরু ভৃত্য গীতাদি সদ্‌গুণ আরু সৎকার্য্যত তেঁও মোহিত হইছিল। সেই সময়ত ভারতর মহা মহা নগর বিলাক সকলো প্রকারে অমরাবতী তুল্য আছিল।

চতুষ্পদ জন্তুর ভিতরত সিংহ যেনে শ্রেষ্ঠ, সেই দরে ভারত-বাসী আর্য্য পুরুষ সকলো পৃথিবীর সকলো জাতির ভিতরতে সিংহরর শ্রেষ্ঠ আছিল, তেঁও বিলাকর অধাগ্রত আছিল তবে এনে ভাবো নাযায় নাছিল।

ভাৰত যে এক সময়ত বিদ্যা বুদ্ধি সম্পন্ন সমৃদ্ধিশালী স্বাধীন ৰাজ্য আছিল এই কথা এতিয়া কবি কল্পনাৰ সদৃশ হইছে। বিদেশীয় বিলাকৰ কথাকে নকও আমাৰ স্বদেশীয়, স্বজাতীয় বিলাকেও ভাৰতৰ পূৰ্ব্ব গৌৰৱৰ কথা কবি কল্পনাত হে পেলাৰ খোজে।

খৃষ্টৰ ৫৫ বৎসৰৰ পূৰ্ব্বে যেতিয়া জুলিয়স সিজৰে ইংৰাজৰ দেশ ব্রুটন আক্রমণ কৰিবলৈ যায়, তেতিয়া ব্রুটন-বাসী বিলাকৰ দুৰবস্থা দেখি তেঁও বড় লজ্জিত হৈছিল। তেঁও দেখিলে যে তেঁও বিলাকে যি বিলাক মানুহেৰে যুদ্ধ কৰিবলৈ আহিছে, সিহত অৰ্দ্ধ পশু আৰু অৰ্দ্ধ মনুষ্য, সিহতৰ ঘৰ পৰ্ব্বতৰ গুহা, কাপৰ গছৰ বাকলী আৰু পশুচৰ্ম্ম, আহাৰ কেচা বা আধা পোড়া মঙ্গহ, অলঙ্কাৰৰ পৰিবৰ্ত্তে শৰীৰৰ সকলো অঙ্গ প্রত্যঙ্গ কলা, বঙ্গা, ছালখিয়া বজেৰে বঞ্জিত, মুখৰ আকৃতি বান্দৰৰ তুল্য, আৰু ভাষা তত্তোধিক শ্রুতিকষ্য। কিন্তু আজি ইংলণ্ডৰ তুলনা দিবৰ ঠাই নাই। যেনে হীনাবস্থা আছিল, এতিয়া তেনে অতুলনীয় উৎকৃষ্টাবস্থা প্রাপ্ত হৈছে। যি ইংলণ্ডৰ পজা দেখি ৰোমান আৰু নৰ্ম্মাণ বিলাকে উপহাস কৰিছিল, সেই ইংলণ্ডও আজি গগণস্পর্শী প্রকাণ্ড প্রকাণ্ড অট্টালিকা বাজিৰ সংখ্যা কৰা কঠিন। যি ইংলণ্ডৰ কেচা মঙ্গহেই উৎকৃষ্ট খাদ্য আছিল, সেই ইংলণ্ডও আজি কালি ইমানবিধ বাজৰোগ্য উৎকৃষ্ট খাদ্যৰ ব্যৱহাৰ হইছে যে তাৰ নাম কই অন্ত কৰাই টান। ইংলণ্ড এতিয়া ইমান ঐশ্বর্য্যশালী হৈছে যে তাক পৃথিবীৰ কোনো দেশেৰেই তুলনা দিব নোৱাৰি। ধন ৰোলা, সাৰ ৰোলা, বীৰত্ব ৰোলা, সকলো ওপৰতে ইংলণ্ডবাসী বিলাকৰ সমকক্ষ জাতি পৃথিবীত নাই বুলিলেও অত্যুক্তি নহয়।

যি আমেৰিকা চাৰিশ বছৰ পূৰ্ব্বে অৰণ্যময় আছিল সেই আমেৰিকা এতিয়া উন্নতিশীল লোকেৰে পৰিপূৰ্ণ। অষ্ট্রেলিয়াৰো সেইৰূপ কথা। ফনিচিয়া, গ্রিস, ৰোম, কার্থেজ, ট্রয় প্রভৃতি যি ৰাজ্য এক কালত অতি প্রধান আৰু আদর্শ স্বৰূপ আছিল সেই ৰাজ্যৰ এতিয়া নামো নাই। সময়ে সময়ে অনেক দ্বীপ সমুদ্রৰ গর্ভত লয় পাইছে। আৰু অনেক ন ন দ্বীপ সমুদ্রৰ মাজতে ওলাইছে। অনেক বিল খাল এতিয়া মাৰ গই ক্ষেতিৰ ঠাই হইছে। আমাৰ দেশৰ মাজুলীৰ যি ঠাইত আউনিআটী সত্র আছিল, যি এখান নগৰৰ দৰেই আছিল সি এতিয়া লুইতৰ গর্ভত। আৰু যিঠাইত এতিয়া সত্র হইছে সেই ঠাই অৰণ্যময় আছিল। কালৰ বিচিত্র গতি। ৰথচক্রৰ গতি যেনে কালৰ গতি তেনে। কি নিয়মে এই সমস্ত ঘটনা ঘটে তাক কালৰো যি জন অন্তক তেঁওহে জানে। ইতি।

ন, পৰিবর্ত্তিত।

---

## মধুহাঁসি।

হাঁসা হাঁসা, শিশু, হাঁসা পুনৰ্ব্বাৰ,
তব মধুহাঁসি পৰাণ আমাৰ
জুড়ায়; পুনৰ খিলি খিলি কৰি
হাঁসা প্রিয় শিশু হাঁসা আকৰাৰ।

মুকুতা প্রায় তব ক্ষুদ্র দন্ত কিটী
ৰক্ত ওষ্ঠ মাজে কৰি প্রদর্শন,

নীলাজ বৰণ মেঘৰ কোণ ফুটি
দেখোৱা আমাক হাঁসিত বদন।

কোনে কয় পদ্ম অতি শোভাকৰ?
গোলাপ কুসুম বৰণ অমল
শোভাময় কোনে কহয়; থাকোঁতে
শিশুৰ সহাস্য বদন কমল?

কিবা দৃশ্য আছে হোৱে মনোহৰ
শিশুৰ হাঁসিত বদন সমান?
যদি আছে বোলে, বোলোক অপৰে,
আমি কিন্তু ভাবি নাহি পাওঁ আন।

হাঁসা হাঁসা, শিশু, হাঁসা পুনৰ্ব্বাৰ,
তব মধু হাঁসি পৰাণ আমাৰ
জুৰায়; পুনৰ খিলি খিলি কৰি
হাঁসা প্ৰিয় শিশু হাঁসা আকৰাৰ।

শ্ৰীত

# আসাম-বন্ধু।

মাসিক পত্র।

"নচ জ্ঞানত্ পরং বলম্।"

প্রথম ভাগ। ] বৈশাখ শক ১৮০৭, ইংরাজী ১৮৮৫। [ চতুর্থ সংখ্যা।


## আগৰ দিন এতিয়াৰ দিন।

### চতুর্থ অধ্যায়।

#### ৰাজধানী – ৰঙ্গপুৰ নগৰ।

মুংবিং মুংজাও দেশৰ ৰজা চুকাফাই তেঁওৰ বংশৰ ৰজাৰ কৌৱৰৰ লগত বিবোধ হোৱাত ভটীয়াই আহি দেশ জয় কৰিবলৈ ইচ্ছা কৰিলে। আহোমৰ উপাস্য দেৱতা চোম দেৱ, মুংকঙ দেশৰ ৰজাৰ হাতত আছিল। সেই চোম দেৱ দেৱতাক চুৰ কৰি মুংকঙ দেশৰ পৰা চুকাফাই আনিছিল। বুঢ়া গোঁহাই, বঢ় গোঁহাই দুজন সেনাপতি আৰু মন্ত্ৰীএ লৈতে ৰঙালি ভাতী। মোটা আঠ ১০৮০ মানুহ লগত কৰি চুকাফা পশ্চিমৰ ফালে আহিল, বাটত নাগা পৰ্ব্বতীয়া লোকে

ডেঁওক অবরোধ করিছিল কিন্তু সেই সকলোকে চুকাকাই পরাস্ত করি কামরূপলৈ আহিল। তাতে কিছুদিন থাকিল। পাছে ক্রমে তিপাম, শলগুড়ী, হাবুজ আৰু শিমলু গুড়ীত কিছু কিছু দিন থাকি শেষত চড়াই দেৱলৈ আহিল। সন ১২৩৮ ইংৰাজী আৰু ১১৬০ শকত সেই ঠাইতে নগৰ কৰিলে।

আহোম বিলাক পৰ্ব্বতীয়া মানুহ। পৰ্ব্বতীয়া লোকৰ প্ৰায় ওখ চাঙ-ঘৰত থকা অভ্যাস, সেই কাৰণেই আহোম ৰজা সকলে চাঙ-ঘৰত বাস কৰিছিল। ১৩২০ শকত চুডাঙ্ফা ৰজা সিংহাসনত উঠিল। এওঁৰ দিনত ল'বা ৰজাই দেশ আক্ৰমিবলৈ আছে; পাছে চুডাঙ্ফাই ল'বা ৰজাৰে সইতে সন্ধি কৰে। এইজনা ৰজা এজন ব্ৰাহ্মণৰ ঘৰত সকতে প্ৰতিপালিত হইছিল। আৰু সিংহাসনত উঠিও সেই ব্ৰাহ্মণক লগত লই নগৰলৈ আহিল। ব্ৰাহ্মণৰ আগৰ ব্যৱহাৰ আৰু ধৰ্ম্মৰ প্ৰতি ৰজাৰ মন ঢাল খোৱা আছিল। শত্ৰুৰ আক্ৰমণৰ হাত সাবিবৰ অভিপ্ৰায়ে আৰু চড়াই দেৱৰ ব্ৰাহ্মণ ধৰ্ম্মৰ লোক তাকৰ হোৱাত চুডাঙফা ৰজাই ১৩২৫ শকত চৰগুৱাত নগৰ কৰিলে। চৰগুৱা দিহীজৰ ওচৰত। ক্ৰমে আহোমৰ পৰাক্ৰম বৃদ্ধি আৰু প্ৰায় কামৰূপ পৰ্য্যন্ত ৰাজ্য বিস্তাৰ হৰলৈ ধৰিলে। চুহুমুঙ নামে এজনা ৰজাই তিহিঙ চাৰিঙ, তিপাম আৰু ভুঞখাঙ নামে চাৰিখনি সক নগৰ কৰি তাত ডেঁওৰ চাকি জনা কোঁৱৰ পাতিলে। সেই কোঁৱৰ সকলৰ সন্তান সন্ততি সেই নগৰৰ নামেই পৰিচিত হ'ল। ১৪৬১ শকত চুহুমুঙ ৰজাক ডেঁওৰ পুত্ৰ চুকেনমুঙে এটা লিখিবাৰ হুতুৰাই প্ৰাণ বধ কৰালে। আৰু নিজে সিংহাসনত উঠিল। চৰগুৱা নগৰত এই জনা ৰজা

থাকিবলৈ ইচ্ছা নকৰিলে। সেই ঠাইৰ মাটি কালৈ চায় সেই কালেই যেন তেওঁ তেওঁৰ তেজ দেখে এনে হল। তেওঁ সকলোৰো অপ্রিয় হ'ল। আন এঠাইলৈ নগৰ নিবলৈ ইচ্ছা কৰি চুক্লেমুজে গড় গাঁওকে নগৰৰ উপযুক্ত দেখি তালৈ নগৰ নিলে। ৰজাৰ নগৰৰ চাৰিও কালে গড় বান্ধি নগৰ কৰাত নগৰৰ নাম গড় গাঁও হ'ল। গড় গাঁও নগৰৰ ক্রমে শ্রীবৃদ্ধি হ'ল। মীৰ জুমলা নৱাৰ যেতিয়া এই দেশ আক্রমিবলৈ আহে তেতিয়া ইয়াৰ পৰা জয়ধ্বজ সিংহ ৰজা পলাই গইছিল।

অনেক বছৰৰ পাছত চামগুড়িয়া কৈদৰ চুনিকৃষ্ণা ল'ৰা ৰজা সিংহাসনত উঠে। এই জনা ৰজাৰ অত্যাচাৰৰ নিমিত্তে দেশৰ প্রধান লোক সকলে বিৰক্ত হই গদাধৰ কোঁৱৰক ১৬০৩ শকত ৰজা পাতিলে। এই সময়ত দেশত এক প্রকাৰ ছনজুল ছোৱালী গদাধৰে বড়কলা নামে ঠাইত নগৰ কৰিলে। আৰু তাতেই সিঙ্গৰী ঘৰত উঠিল। বড়-কলা বড় আছিল ঠাই। সেই কাৰণে এই জনা ৰজাই মেটেকা নামে এঠাইত এখন নগৰ কৰে।

১৬১৭ শকত গদাধৰ সিংহ স্বর্গদেৱ স্বর্গী ছোৱালী তেওঁৰ পুত্র ৰুদ্র সিংহ সিংহাসনত উঠিল। আৰু বড়কলাৰ পৰা নগৰ সেই মেটেকালৈ নিলে। আৰু এই নগৰৰ নাম ৰঙ্গপুৰ থ'লে। কামৰূপৰ ৰজা ভগদত্তৰ ৰাজধানী প্রাগ্‌জ্যোতিষ-পুৰ। তেওঁ জীয়কালি থাকিবলৈ ৰঙ্গপুৰ নামে এখন নগৰ কৰে। সেই নগৰ অদ্যাপিও প্রসিদ্ধ হই আছে। ৰুদ্র সিংহ স্বর্গদেৱেও সেই অনুসৰি মেটেকাত কৰা নগৰৰ নাম ৰঙ্গপুৰ থ'লে। এই জনা ৰজাই এই নগৰৰ বিশেষ উন্নতি কৰে। এওঁৰ পাছতো শিৱ সিংহ, প্রমত্ত সিংহ, আৰু ৰাজেশ্বৰ

সিংহ স্বর্গদেৱে ইয়াৰ উন্নতি সাধে। ৰাজেশ্বৰ সিংহ স্বর্গদেৱৰ মৃত্যুৰ সময়ত অর্থাৎ ১৬৯১ শকত ৰঙ্গপুৰ নগৰৰ অৱস্থা এইৰূপ আছিল।

ৰঙ্গপুৰ নগৰ দিখৌ বা দিক্ষু নদীৰ ওচৰত। ই দীঘলে তিনি মাইল মান আৰু পখানিএ এমাইল মান আছিল। ইয়াত ডাঙৰ আলি দুটা আছিল। সৰু সৰু আলিও কিছুমান আছিল। শ্রেণী মতে বজাৰ বা দোকান নাছিল। বজাৰ নগৰলৈ যোৱা আলিৰ কোষৰতে মুসলমানৰ ঘৰ আছিল। সেই সকলৰ কোনো কোনো তিৰুতাই বজাৰত বীহা, মেখেলা, কাপোড়, কেৰু মণি প্রভৃতি বস্তুৰ পোহাৰ দিছিল। শাক পাছুলি, চাউল, ধান, লোণ, তেল, শৰিয়হ, লা প্রভৃতিৰ পোহাৰ নাছিল।

নগৰৰ সাধাৰণ লোক সকলৰ দোখোটলিয়া বা তিনি খোটলিয়া এটা বা দুটা ঘৰ আছিল। প্রায় লোকৰে ঘৰৰ ওচৰতে তামোল, পাণ, আম, কঠাল, শাক পাছুলীৰ বাড়ী আছিল। সৰহ পৰিমাণ থকা চহকি মানুহবোৰে তিনটাৰ অধিক ঘৰ আছিল। নগৰ বাসী লোক সকলৰ ঘৰবোৰ ভেমে শ্রেণীবদ্ধ ৰূপে সজা নহয়। বজাৰ যি বিলাক বিষয়া নগৰত থাকে তেও বিলাকৰ ঘৰ বজাৰ নগৰৰ পৰা দূৰৈত। ৰাজধানী নগৰৰ উজনীৰ কালে বজাৰ নগৰ। ইয়াৰ চাৰিওঁ কালে ইটাৰ গড়। এই নগৰ দীঘলে এক মাইলৰ কিছু অধিক। এই নগৰ প্রবেশ কৰিবলৈ তিনি খন দুৱাৰ। দক্ষিণৰ খনক বড় দুৱাৰ, পুবৰ খনক পানী দুৱাৰ, পশ্চিমৰ খনক ন দুৱাৰ বোলে। উত্তৰ কালে দুৱাৰ নাই। ঘৰৰ পাছ দেখি ঘৰকাৰেঙ্গ বোলে। বড় দুৱাৰ পাৰ হই গ'লেই মানুহৰ ঘৰ পায়। সিপাহী, টেকেলা, বজা প্রভৃতি

ৰজাৰ কৰ্ম্মচাৰী সকল ইয়াত থাকে। ৰজাৰ বড় চ'ড়াৰ মুখতে এটা বাট চ'ড়া। এই বাট চ'ড়া সোমাই বড় চ'ড়া পায়। ইয়াৰ চাবিও ফালে সুদা ঠাই। তাক খলা বোলে। এই খলাৰ কাণতে কুকন বড়ুৱা কি আন যি সকল বিষয়াই বাতি নগ-ৰত থাকে সেই সকলৰ বহা বা পালি ঘৰ। বড় চ'ড়াত উঠি-ৰৰ পূৰ্ব্বে যি সকল বিষয়াই ভৰি ধোৱে সেই সকলৰ বহাও সেই ঠাইতে। এই বোৰ ঘৰক পানীচোৱা ঘৰ বোলে।

বড় চ'ড়াৰ ভেটী বড় ওখ। এই ঘৰটো কেবা খোটালিও। ই দীঘলে টুপে সইতে ১২০ হাত আৰু পথালীয়ে কাথিৰে সইতে ৪০ হাত। বড় চ'ড়াৰ পৰা কিছু দূৰৈত ৰজাৰ টোল বা গড় ভিতৰ। ইয়াৰো চাবিও ফালে প্ৰাচীৰ। ইয়াটৈ প্ৰবেশ কৰাৰ তিনি খন দুৱাৰ। প্ৰথম ডঁবিকা দুৱাৰ। ইয়াক পাৰ হই দোলা কাসৰিয়া চ'ড়া। ইয়াত দোলা কাসৰিয়া আৰু সেই সকলৰ অধ্যক্ষ প্ৰহৰি স্বৰূপ থাকে। বড় দুৱাৰৰ অধ্যক্ষ কুকুৰা চোৱা বড়ুৱা। এওঁৰ অধীনতে নিৰ্দ্দিষ্ট কৰ্ম্মচাৰীএ সময় নিৰূপক দৰা কোৱায়। গড় ভিতৰৰ উজনী আৰু মামনীত দুখান দুৱাৰ। ইয়াক চাউডাঙ্গৰ দুৱাৰ বোলে। ৰজাৰ চাউডাঙ্গ বা অস্ত্ৰধাৰী, প্ৰহৰি আৰু ৰক্ষক থাকে। এই চাউডাঙ্গ দুৱাৰৰ উজনী খনক কালুগাঁয়া দুৱাৰ, লিগিৰী দুৱাৰ আৰু মাটী ঘৰৰ দুৱাৰো বোলে। মামনী খনক কমলা ৰড়ীয়া দুৱাৰো বোলে, গোঁসাই ঘৰীয়া দুৱাৰো বোলে। উজনী খন দুৱাৰে কুকন বড়ুৱাৰ যৈনী সকল গড় ভিতৰলৈ যায়। এই দুৱাৰে গলেই কঁৱৰী সকলৰ টোল পায়। মামনী খন চাউডাঙ্গৰ দুৱাৰে গলে গোঁসাই ঘৰ পায়। পৰ্ব্বতীয়া গোঁসাই প্ৰভৃতি ৰজাৰ গুৰু কেইজনা এই পিনে যায়। ডঁবিকা দুৱাৰেই গড় ভিতৰৰ প্ৰধান পথ। চাউডাঙ্গ দুৱা-

ঘৰ সম্মুখতে চাউডাঙৰ চ'ড়া। চাউডাঙৰপৰা এই দুৱাৰ ৰক্ষা কৰে। পৰিয়া ঘোৰে সময়ে সময়ে পথ দিয়ে। দুৱাৰৰ সম্মুখৰ চ'ড়া এড়ি গলেই ৰড় বাট-ঘৰ পায়। তাৰ পৰা জখলা মুখ। গোঁসাইৰ ঘৰ, কুঁৱৰী সকলৰ ঘৰ, চাঙমাই শাল চাঙ ঘৰ মহল। বজাৰ খোৱা, শোৱা, বহা, আমোদ প্ৰমোদ কৰা, মৰাঙ বা শৌচাগাৰ এই সকলোবোৰ চাঙ ঘৰ। কেৱল গোঁসাই ঘৰলৈ জখলাৰে নামি স্বৰ্গদেৱ আদি মাতী ঘৰত পূজা কৰে। বজাৰ চাঙতে এটা ঘৰ আছে; তাক বড় ঘৰ বোলে। এই ঘৰৰ টুপতে স্বৰ্গদেৱ বহে আৰু ইয়াতেই ভিতৰুৱাল মেল হয়। বজাৰ বড় ভঁড়াল চাঙ ঘৰ। বেজঘৰ বা ঔষধালয় চাঙ ঘৰ; এই ঘৰৰ অধিকাৰ বেজ বৰুৱা। তেঁওৰ অধীনে বহা বেজ থাকে। এই বেজে বস্তুৰ ভাল বেয়া বাছি দৰব কৰে। বজাৰ লিখিৱা আৰু লিখিৱী, কুঁৱৰী সকলৰ লিখিৱী, এই সকলো বজাৰ টোলৰ ভিতৰতে থাকে। কোনো কোনো লিখিৱা বজাৰ টোলৰ বাহিৰেও থাকে। চাঙমাই, বেজ, গোঁসাই ঘৰীয়া, জখাধৰা, মৰঙ্গ চোৱা, প্ৰভৃতি যি বোৰ লোকে টোলত বজাৰ কাৰ্য্য কৰে সি সকল প্ৰায় টোলৰ বাহিৰে বাস কৰে। ঘৰত হলে অতি বিশ্বাসী লিখিৱা বিনে আন পুৰুষ বাতি নাথাকে। দিনতো তাকৈ পুৰুষ সহসা যাব নোৱাৰে।

মগৰ প্ৰান্ত ভাগত বজাঘৰৰ কৰ্ম্ম কৰা কাঁড়ী পাইকৰ চালী। সিহঁতে প্ৰতিদিনে বজা ঘৰত যায় যি সেই বাৰৰ কৰ্ম্ম কৰে। বজাৰ চাঙলৈ সকলোএ উঠিব নোৱাৰে। নিয়ম সকলেও উপযুক্ত ক্ষমতা পালেহে উঠিব পাৰে। বজাৰ কৰ্ম্মচাৰী সকলৰ ভিতৰত চাঙমাই, জখাধৰা, লিখিৱী প্ৰভৃতি কৰ্ম্ম আহোম জাতিৰ মানুহে কৰিব পাৰে।

আন কৰ্ম্ম হিন্দুমাত্রই কৰে। পাছলৈ যেতিয়া বঙ্গা প্ৰকৃত হিন্দু ধৰ্ম্মত ভালকৈ দীক্ষিত হ'ল আৰু হিন্দু আচাৰ ব্যৱহাৰ ল'লে তেতিয়া কেঁওট কলিতা প্ৰভৃতি জাতিৰ লোকেই সেই সেই কাৰ্য্য কৰিব পৰা হ'ল।

বঙ্গ ঘৰ, তলাতল ঘৰ নামে যি পকী ঘৰ সিও বঙ্গাৰ নগৰৰ ভিতৰতে; বঙ্গাই তাত বাস কৰিছিল। কেৱল সময়ে সময়ে তালৈ গইছিল। এই দুটী বড় উৎকৃষ্ট প্ৰকাৰৰ ঘৰ। বঙ্গাৰ খোৱা, শোৱা, ৰঙ্গৰেঙ্গালী কৰা প্ৰভৃতি সকলো কাৰ্য্যৰ নিমিত্তে এই ঘৰ প্ৰস্তুত। এই দুটী ঘৰ নিলে নগৰত চাৰৰ নিমিত্তে কোনো আশ্চৰ্য্য ঠাম নাছিল। বঙ্গাৰ হাতী ঘোৰা থিবোৰ নিতান্ত আৱশ্যকীয় সেই বোৰ বঙ্গপুৰ নগৰৰ ভিতৰতে আছিল। আন বোৰ নগৰৰ বাহিৰে বথা হইছিল।

সাধাৰণৰ শিক্ষাৰ নিমিত্তে কোনো বিদ্যালয় নাছিল। কুলেশ্বৰী কুঁৱৰীৰ যি পঢ়াশালী সিও ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ দিনত প্ৰায় নাই বুলিলেই হয়। নগৰৰ ভিতৰত বিষয়া সকলৰ কোনো কোনো জনাৰ ঘৰতে বা আঁতৰত ছাত্ৰৰ শালী আছিল। আৰ সকলো ১০ জন কতো ২০ জন ছাত্ৰ আছিল। এই ছাত্ৰ শালীৰ সংখ্যা জাতিৰ সোঁতাৰি। ছাত্ৰ শালাত প্ৰায় ব্ৰাহ্মণৰ ল'ৰাই পঢ়ে। কচিৎ কায়স্থ, কলিতা, আহোম জাতিৰ বিষয়াৰ ল'ৰাই পঢ়ে। অসমীয়া ভাষা শিক্ষাৰ কোনো পাঠশালা নাছিল। মাতৃৰ পিতৃলৰ অৱ কাকতি আৰু মজুমদাৰৰ ঘৰৰ ল'ৰা কিছুমানে শিক্ষা কৰিছিল। শিল্প বিদ্যা, গীত, বাদ্য প্ৰভৃতি শিক্ষাৰ নিৰ্দ্দিষ্ট ঠাই নগৰত নাছিল। সেই সেই ব্যৱসায় কৰা লোকৰ থেলে থেলে মানুহ বোৰে নিজৰ ঘৰতে বা গাওঁত সেই সেই বিদ্যা শিক্ষা কৰিছিল। বঙ্গপুৰৰ উত্তৰী আৰু দাক্ষীত দুখান

চকী আছিল। এই চকী পাৰ হলেই নগাৰৰ সীমা পোৱা যায়। এই চকীতে নগাৰলৈ প্ৰবেশ কৰিব পৰা লোক বচা হয়। বঙ্গপুৰ নগাৰৰ প্ৰজা সংখ্যা ১০,০০০ জনৰ অধিক নাছিল।

---

## 'ধন'

জগতৎ বন্ধু নাই ধনৰ সমান।
পূজ্য হোৱে সৰ্ব্ব স্থানে নৰ ধনৱান॥
ব্ৰহ্মহা হলেও পূজ্য ধনৰ বলত।
ধনীৰ নাহিকে দুঃখ পৃথিবী মধ্যত॥
নীচ কুলোদ্ভৱ লোক হলে ধনৱান।
সমাজত তেহোঁ ভুঞ্জে অনেক সম্মান॥
ভদ্ৰবংশী যদি হোৱে ধনত বঞ্চিত।
অনাদৃত হোৱে তেহোঁ ই কথা নিশ্চিত॥
ৰাজঘৰে গুৰুঘৰে কিম্বা সমাজত।
সৰ্ব্বত্ৰ আদৃত ধনী, ধন প্ৰভাৱত॥
সৰ্ব্ব শাস্ত্ৰবেত্তা যিতো অতি জ্ঞানী নৰ।
তেহোঁ কভু নোহে জানা ধনী সম সৰ॥
হেন কৰ্ম্ম নাই জানা পৃথিবী ভিতৰে।
ধন ব্যয়ে সিদ্ধি তাক কৰিবাক নাৰে॥
ধনৰ মহিমা কৈতে শক্তি আছে কাৰ।
ধনে পুত্ৰ লাভ হয় ধনে অনাচাৰ॥
ধনে দম্ভ অহঙ্কাৰ অৱজ্ঞা প্ৰচুৰ।
মদমাৎসৰ্য্যাদি বৃদ্ধি হোৱে নিৰন্তৰ॥
ধনে লোভ, ধনে মোহ, ধনে বাঢ়ে ক্ৰোধ।
ধনৱান হলে নৰ হোৱয় অবোধ॥

ধনে সাহ, ধনে মান, ধনে ধর্ম্ম ক্ষয়।
যদি ধনী ভ্রমে নাহি জ্ঞান উপার্জ্জয়॥
প্রথমতে জ্ঞান আর্জ্জে করিয়া যতন।
তবে সে ধনীর হয় সফল জীবন॥
ধনবান নর যদি হোয়ন্ত অজ্ঞান।
সেহি ধনে করে নানা পাপ আচরণ॥
কানি, ভাঙ্গ, মদ খাই রোগগ্রস্ত হয়।
কিম্বা বেশ্যা সেব্রি করে সেহি ধন ক্ষয়॥
চিরকাল রোগ ভুঞ্জি অন্তে যমালয়।
যান্ত মহা দুঃখে থই পুত্র ভার্য্যা চয়॥
কিম্বা খেদি পাশা যুব্রা তাচ্ আক কড়ি।
আক আনি আন পাপ কর্ম্ম সমাচরি॥
ইহলোকে অপযশ আক দুঃখ ভোগ।
নরকে পচয় অন্তে গৈয়া যমলোক॥
কিম্বা সেহিজন হয়া অত্যন্ত কৃপণ।
ধন সাঁচি কষ্টে করে কালক যাপন॥
কৃপণর মনে সুখ নাই কদাচন।
সদাই ভাবনা থাকে চোরে নিব ধন॥
চন্দুকত ভরি কিম্বা মাটীর তলত।
পুতিয়া রাখন্ত ধন করিয়া গুপ্তত॥
পরকো নোব্রাবে দিব মুত্যুকো আপুনি।
সেই ধন পাই চোর হয় মহা ধনী॥
পোতন্তে থাকন্ত কিম্বা পৃথিবী মধ্যত।
কিম্বা দাহ করে অগ্নি লাগিয়া সরত॥
কিন্তু যদি জ্ঞানী হয় ধনবান জন।
তাঁহার পুণ্যর কথা নাযায় কথন॥

ধন ভাজি কবে সেহি সুস্থ বোগী জন।
দবিদ্রব দবিদ্রতা কবয় মোচন॥
দেশব উন্নতি কবে স্থাপি বিদ্যালয়।
পথিকব হেতু পথে থানে জলাশয়॥
থানে থানে সাজি দিয়ে বিশ্রাম মন্দিব।
বাটকবাই দুঃখ শেদে হৈ তাত থিব॥
বৈদ্যশালা আদি স্থাপে ব্যয় কবি ধন।
ধম দামে ভুষ্ট বাখে গঁয়া ভূঁয়া গণ॥
পৃথিবীত পুণ্য কর্ম্ম আছয় যতেক॥
ধনী যদি জ্ঞানী হয় আচবে ততেক?

প, শ,

---

## শঙ্কব দেবব বচনা—সীতাস্বয়ম্বব নাটক।

সুবিখ্যাত কুসুমবব ভূঁয়াব ঘবত শকাব্দা ১৩৭১ শকত শঙ্কব দেবব জন্ম হয়। তেঁও এই দেশতে সংস্কৃত ভাষা শিক্ষা কবি বিদেশলৈ যায়। তাব পবা আহি বৈষ্ণব ধর্ম্ম প্রচাব কবিবলৈ ধবে। সেই সময়ত সংস্কৃত ভাষা শিক্ষা কেবল ব্রাহ্মণব মাঝতে আছিল। সাধাবণ লোক সকল অশিক্ষিত আছিল। আমাব ধর্ম্ম পুস্তক সকলোবোব সংস্কৃত ভাষাত লেখা। সেই কাবণে ধর্ম্ম বিষয়ক কথা আৰু ধর্ম্মও সেই কালত অতি অলপ লোকে জানিছিল। সাধাবণ লোক সকল অজ্ঞান-সমুদ্রত পৰি আছিল বুলিলেও হানি নাই। ধর্ম্ম প্রচাবই শঙ্কব দেবব মুখ্য ব্রত। পাছে এই

কার্য্যত বিঘ্ন জন্মে এই কাৰণে তেঁও তেওঁৰ পৈতৃক পদ আৰু বিষয়কো ত্যাগ কৰিলে। ধর্ম্ম প্রচাৰৰ নিমিত্তে তেঁও নানা উপায় কৰিছিল। সাধাৰণৰ মাজত ধর্ম্ম প্রচাৰ হৰৰ কাৰণে তেঁও সৰল ভাষাৰে ভাগৱত, পুৰাণ প্রভৃতি নানা গ্রন্থ অনুবাদ কৰি প্রচাৰিছিল। মাধৱ দেৱ, নাৰায়ণ দাস প্রভৃতি তেঁওৰ শিষ্য সকলেও তেওঁৰ উপদেশ আৰু আদর্শ অনুসৰি সেই ৰূপ উপায় কৰিছিল। পুস্তক পাঠ আৰু আলোচনা কৰি আৰু নানা স্থানলৈ শিষ্য পঠাই তাৰ দ্বাৰাই তেঁও ধর্ম্ম প্রচাৰ কৰিছিল। ৰাম, কৃষ্ণৰ কোনো কোনো বিষয়ক তেঁও নাটকৰ আকাৰে ৰচনা কৰি অভিনয় কৰিছিল। এইৰূপ অভিনয় কৰোঁতে গীত বাদ্যৰ ব্যৱহাৰ হোৱাত সাধাৰণৰ মন একেবাৰে আকৃষ্ট হইছিল। ধর্ম্মকথাৰ আলোচনা অতি নীৰস আৰু পুস্তক পাঠো তিমান সুলভ আৰু সুগম নাছিল। এইৰূপ নাটকৰ অভিনয় কৰাৰ দ্বাৰাই ৰাম কৃষ্ণৰ প্রধান প্রধান কার্য্য আৰু চৰিত্র, সকলোৰে প্রিয় আৰু আলোচ্য হ'ল।

উজনীত কিছুদিন ধর্ম্ম প্রচাৰ কৰি শঙ্কৰদেৱ কামৰূপৰ পাটবাউসীলৈ গ'ল। তাতো সেইৰূপ নিয়মেৰে কৃষ্ণ গুণ আৰু নাম প্রচাৰিলে। তাৰ পৰা কোচবেহাৰলৈ গই তাতো সেইৰূপে বৈষ্ণৱ ধর্ম্ম প্রচাৰ কৰিলে। তেঁওৰ প্রিয় শিষ্য সকলেও তেঁওৰ কার্য্যত যোগ দান কৰিছিল। তেঁওৰ প্রচাৰ কার্য্যৰ ফল অলপতে দেখা গ'ল। হৰিভক্তি আৰু হৰিনাম সাধাৰণৰ মনলৈ গ'ল। সেই সময়ত মানুহৰ যি নাম বথা হইছিল সি অতি নীৰস আছিল। কিন্তু শঙ্কৰ দেৱৰ প্রচাৰৰ অল্প পাছতে ভাল ভাল নাম দিয়া হল। মানুহৰ আচাৰ পৱিত্র আৰু নির্ম্মল হ'ল। কালক্রমে ১৪৯১ শকত কোচবেহাৰত শঙ্কৰ দেৱে মানৱ দেহ পৱিত্যাগ

কবিলে। তেঁওব ধর্ম্মই মূল মহাপুৰুষীয়া বৈষ্ণৱ ধর্ম্ম নামে পবিচিত হ'ল। শঙ্কৰ দেৱে সীতা স্বয়ম্বৰ, পাৰিজাত হৰণ, ৰুক্মিণী হৰণ প্ৰভৃতি সাত খানি নাটক বচনা কবে। ভাগৱত আৰু কোনো কোনো পুৰাণ আৰু পৌৰাণিক বিবৰণ সংস্কৃতৰ পৰা অনুবাদ কবে। এই সকল অনুবাদ একেবাৰে শ্লোকে শ্লোকে প্ৰকৃত অনুবাদ নহয়। অনেক ঠাইত ভাব মাত্ৰ লখা হইছে। কীৰ্ত্তন, দশম নামে দুইখানি গ্ৰন্থও সেইৰূপ সঙ্কলিত বিবৰণ মাত্ৰ। শঙ্কৰ দেৱৰ জন্ম আমাৰ দেশৰ আলী পুখুৰী, টেঙ্গুয়াণী বা বড়দোৱাত। বড়দোৱাৰ শিলিখাতে আউজি তেঁও কীৰ্ত্তন বচনা কবে। আমাৰ দেশেই তেঁওৰ লীলাৰ স্থান। আমাৰ দেশতেই তেঁও ধৰ্ম্ম প্ৰচাৰ কবে। আমাৰ মানুহেই তেঁওৰ প্ৰচাৰিত "কৃষ্ণ কৃষ্ণ ৰাম ৰাম" নাম লইছে। কোচবেহাৰৰ সিফালে তেঁওৰ প্ৰচাৰ কাৰ্য্য যোৱা নাই, উজনী, কামৰূপ আৰু বেহাৰেই মহাপুৰুষীয়া সকলৰ "তিনি বাইজ"। এতেকে তেঁওৰ পুস্তক সকলো আমাৰ অসমীয়া পুথী। কিন্তু সেই পুথীৰ ভাষাৰৈ চালে এইটো চাত্ৰৰ জানি যে ভাৰতবৰ্ষৰ যি যি জাতিৰ সংস্কৃত ভাষাই মূল সি সি জাতিৰেই শঙ্কৰ দেৱৰ পুস্তক সকল সম্পত্তি। সেই সকলে অতি অল্প শ্ৰমতে তাক বুঝিব পাৰে। সেই ভাষাই সেই সময়ৰ "সাধু ভাষা" অৰ্থাৎ সাধু সমাজৰ ভাষা।

শঙ্কৰ দেৱে যি বোৰ নাটক বচনা কবিছে সেই বোৰৰ ভাষা তেনে নহয়। অধিক কি, সেই আদৰ্শ লই তেঁওৰ শিষ্য আৰু আনে সেই সময়ত আৰু তাৰ পাছে যি যি নাটক বচনা কবিছে তাৰ ভাষা হিন্দুস্থানী। প্ৰকৃত পক্ষে মৈথিলী বা ত্ৰিহুতী ভাষা মিশ্ৰিত ব্ৰজ ভাষা। বৃন্দাবনতেই প্ৰথমে কৃষ্ণ

লীলা নাটকৰ অভিনয় হয়। ৰাম লীলাৰ অভিনয়ও সেই অঞ্চলতে। হিন্দুস্থানত দুর্গোৎসৱৰ নৱ ৰাত্রিত যি ৰামলীলা হয় সেইটো আমাৰ শঙ্কৰ দেৱে প্রচাৰিত ভাৱনাৰ দৰে। আমাৰ ভাৱনাৰ নেতা সকলে যেনেকৈ শৰীৰত বর্ণ দি আৰু প্রাচীন পৰিচ্ছদ আৰু বেশ অনুকৰণ কৰে তাতো সেইৰূপ। এতেকে সেই আদর্শেই শঙ্কৰ দেৱে ভাৱনাৰ অভিনয় এই দেশত চলালে।

ভাষাৰ প্রথম ৰয়সত পদ্য আৰু নাটক ৰচনাৰ ৰুচি হয়। নানা দেশৰ ইতিহাস আৰু অৱস্থাত এই কথাৰ বিশেষ প্রমাণ পোৱা যায়। ক্রমে পদ আৰু নাটকৰ দ্বাৰা ভাষাৰ প্রতি যেতিয়া সাধাৰণৰ মন যায় তেতিয়া গদ্য গ্রন্থৰ সৃষ্টি হ'বলৈ ধৰে।

আমি ওপৰত কইছো, শঙ্কৰ দেৱৰ নাটকৰ ভাষা ব্রজ ভাষা মিশ্রিত মৈথিলী ভাষা। তাৰ লগত উড়িয়া ভাষাৰো অনেক কথা মিহলি আছে। প্রতি ৰচনতে তাৰ উদাহৰণ পোৱা যায়। এজন অসমীয়া পণ্ডিতে কইছে "অটে ৰাঢ়ে বটে গৌড়ে (বঙ্গে) মিথিলায়াং থিক থিক" "আকা উকাচ সৌমাৰে, কামৰূপে ছেবি ছেবি।" প্রকৃতে সীতাস্বয়ম্বৰ প্রভৃতি নাটকৰ ৰচনাত এনে "থিক" শব্দ অনেক ঠাইত পোৱা যায়। প্রাচীন কালত নাটকৰ ভাষাই এইৰূপ আছিল। "তোহোৰ, মোহোৰ, যাকেৰি কয়লি, ঐসন ভেল, ছামাৰ, যৈসে" প্রভৃতি কথা তীৰথ, অঞ্চলত প্রচলিত। ভাওক, যাওক, প্রভৃতি শঙ্কৰ দেৱৰ কথা উড়িষ্যা দেশত চলিত। এইৰূপ ভাষাৰে নাটক ৰচনা কৰি যে শঙ্কৰ দেৱে আমাৰ দেশৰ সম্পত্তি কৰিলে এনে নহয় ব্রজ ভাষাৰ যি যি ঠাইত আদৰণীয় আৰু আদর্শ সি সি ঠাইৰ লোকৰো সেই সমস্ত গ্রন্থ আৰু ৰচনা সম্পত্তি।

পশ্চিমৰ ফালে ভাট নামে একদল ব্যবসায়ী লোক আছে। এই ভাট হিন্দু আৰু মুসলমান দুই জাতিতে আছে। হিন্দু ভাটক ব্ৰহ্মভাট, মুসলমান ভাটক ৰাজভাট বোলে। ভাট বিলাকে নানাবিধ পদ্য আৰু গীতছন্দে পৌৰাণিক কথা, ইতিহাস, গ্ৰাম নগৰাদিৰ বিবৰণ গাই শুনায়। সেই সমস্ত বিবৰণ অতি উত্তম। শঙ্কৰ দেৱৰ আৰু তেঁওৰ পাছৰ নাটক ৰচয়িতা সকলৰ নাটকত এইৰূপ ভাটৰ উক্তি পোৱা যায়। এই উক্তিক ভটীমা বোলে। শঙ্কৰ আৰু মাধৱৰ নানা সময়ৰ ৰচিত অনেক ভটীমা পুথীৰ আকাৰেৰে সঙ্কলিত হইছে। এনে অনেক ভটীমা আছে যাক শঙ্কৰ বা মাধৱে বা এই দেশৰ আনে ৰচনা কৰা বুলি আমি বিশ্বাস কৰো কিন্তু ভাটীৰ পৰা যি ভাট আমাৰ দেশলৈ আহে তাৰ মুখে সেই ভটীমা শুনা যায়। "প্ৰাতুঃ সময়ে যশোৱা জননী, মুখ চুম্বই শ্যাম জগাৱনকো উঠ মেৰি লাল, মদন গোপাল ইত্যাদি।" আমাৰ ভটীমা পুথীত এইটো ভটীমা থকাত আমি তাক শঙ্কৰ দেৱে কৰা বুলি জানিছিলোঁ। পাছে ভাটীয়লীয়া ভাটৰ মুখে এই ভটীমা শুনি এনে অনুমান হয় পশ্চিম অঞ্চলৰ ভাটৰ উক্তিকে অনেক সময়ত শঙ্কৰ দেৱে অবিকল গাইছিল আৰু পুথীতো সেইৰূপেই অবিকল তোলা হইছে। কোনো কোনো ভটীমাত সংস্কৃত কাব্যৰ কোনো কোনো অংশ অবিকল উদ্ধৃত কৰা হইছে। যেনে জয়দেৱৰ গীতগোবিন্দৰ "গোপীপীনপয়োধৰমৰ্দ্দিতনিৰ্দ্দয়কৰযুগশালি।"

এইৰূপ হলেও শঙ্কৰ দেৱে তেঁওৰ ৰচনাৰ দ্বাৰা সুন্দৰে কৃতকাৰ্য্য হইছে। তেঁওৰ পদ্য পুথী ব্যৱহাৰ নহয় আমাৰ এনে কোনো সকাম নাই। তেঁওৰ পদ্য পুথীৰ অনেক ৰচনা

আজ ভাগ্য আমার পণ্ডিত কি চহা সকলোরে কণ্ঠস্থ শুনা যায়। খড়িকটীয়াই খড়ি কাটোঁতে ডোমে মাছ মাৰোতে, বিয়া, সভা, উৎসব্র সকলোতে শঙ্কর দেবর পদ ব্যবহৃত। ভেঁওক যি বিলাকে নামানে সেই বিলাকেও সেইরূপ কার্য্যত ভেঁওর পদ ব্যবহার করে। তেওঁর পুথী সাহিত্য বুলিলেও বা কি, ধর্ম্মশাস্ত্র বুলিলেও বা কি, একে রূপে আমার দেশত আদরণীয়। শঙ্কর দেবে সীতা-স্বয়ম্বর পারীজাত-হরণ রুক্মীণী-হরণ প্রভৃতি সাত খানি নাটক রচনা করে। তারে সীতা স্বয়ম্বর নাটক খানি তেজপুরর শ্রীযুত হরি বিলাস গুপ্ত দ্বারা ছাপা করা হই প্রচারিত হইছে। এই জনাই অনেক পুরনি পুথী সংগ্রহ করি মুদ্রিত করিছে। আমার পুরণি পুথি বোর এইরূপে মুদ্রিত আক প্রচারিত হলে দেশর অনেক উপকার হয়। আমার সকলো লোকে এই কার্য্যত প্রচার-কক সাহায্য করা উচিত। এই নাটক কেতিয়া রচনা করা হয় তার নির্ণয় নাই। ইয়ার শেষত মুক্তি মঙ্গল ভটীমাত দেখা আছে।

"রামক পরম ভকতি বস জান।
"শ্রীশুক্লধ্বজ নৃপতি প্রধান।
"রামক বিজয় করাব্রত নাট।
"মিলর তাহে বৈকুণ্ঠক বাট।"

ইয়ার দ্বারা কোঁছবেহারর শুক্লধ্বজ বা চিলারায় রজা বা হেরামর অনুমতি মতে এই নাটক রচিত আক অভিনীত হইছিল। ১৪২০। ২৫ শকত শঙ্কর দেব উজনীর পথা ভটি-য়াই গই পাটবাউসীত বাস করে। ১৪৫০ শকত মধ্যাহ্নকাল রজা কোঁছবেহারর সিংহাসনত উঠে। এওঁ রে ভাতৃ শুক্লধ্বজ। শঙ্কর দেবর মৃত্যু ১৪৯১ শকত হয়। সেই এ হলে ১৪৫০

আৰু ১৪৯১ শকৰ মাঝৰ কোনা সময়ত এই নাটক ৰচনা কৰা হয়।

সংস্কৃত নাটকৰ সূত্রধাৰ প্রধান নেতা। শঙ্কৰ দেৱৰ নাটকতো সেই সূত্রধাৰ এজন প্রধান নেতা। হিন্দু নাটক মাত্রতে সূত্রধাৰৰ প্রাধান্য। নৱদ্বীপৰ ভাৰতচন্দ্র কবিএ ১৬৭৪ শকত চণ্ডীনাটক নামে যি নাটক ৰচে তাতো সূত্রধাৰ আছে। সূত্রধাৰে নাটকৰ বিৱৰণ প্রথমে প্রকাশ কৰে। যি নেতা যেতিয়া প্রবেশ কৰে, যি কয় আৰু কৰে তাক সূত্রধাৰে সূচাই দিয়ে। এই নাটকত প্রথমে সূত্রধাৰে নান্দী গাই নাটকৰ বিৱৰণ কোৱাৰ পাছত ৰামলক্ষ্মণ, সীতা আৰু সখী দশৰথ ৰজা প্রবেশ কৰে। পাছত সশিষ্যে বিশ্বামিত্র ঋষি প্রবেশ কৰি দশৰথ ৰজাত ভিক্ষা মাগে। ৰজাই ভিক্ষা দিম বোলাত ঋষিএ কিছু দিনৰ কাৰণে ৰাম-লক্ষ্মণক তেঁওৰ যজ্ঞ ৰক্ষাৰ কাৰণে নিব খোজে। দশৰথ ৰজাই এই কথা শুনি অমাস্তি হ'ল। তাতে ঋষি মহা অসন্তুষ্ট হই কোপিত হয়। পুত্র বৎসল দশৰথ ৰজাই যি ৰূপে ঋষিৰ লগত পুত্রক পঠাব লাগিব বুলি মূৰ্চ্ছিত হইছিল আৰু ঋষিএ যি ৰূপে কোপ প্রকাশ কৰিলে তাক শঙ্কৰ দেৱে অতি সংক্ষেপে ভালকৈ বুঝাই দিছে। দশৰথ ৰজাৰ চৰিত্র আৰু পূৰ্ব্বকালৰ ঋষি সকলৰ বিশেষতে বিশ্বামিত্র মুনিৰ হঠাৎ ক্রোধৰ পৰিচয় পোৱা যায়। পূৰ্ব্ব কালৰ ঋষি সকলে দহ হাজাৰ বৎসৰ বায়ু ভক্ষণ কৰি তপস্যা কৰে অথচ অকস্মাৎ কাম বিপুৰ বশীভূত হয়। অনেক প্রাচীন ঋষি সকলৰ বিষয়ে এই ৰূপ কথা আছে। বিবাহৰ সময়ত সীতাৰ মুখচন্দ্রিমা নিৰীক্ষণ কৰি বিশ্বামিত্রৰ অৱস্থাই তাৰ পৰিচয়।

সীতা সাধ্বী আৰু তেঁওৰ অতি কষ্টতো ৰামৰ প্ৰতি অবিচলিত প্ৰেম। পূৰ্ব্বজন্মৰ পৰা এই প্ৰেম চলিছে। ৰামচন্দ্ৰে যেতিয়া ধনু ভাঙিবলৈ ধনু হাতত লয় তেতিয়া তেঁওৰ পাছে কষ্ট হয় এই ভাবি সীতাৰ যেমে উগুল খুগুল হইছিল তাক শঙ্কৰ দেৱে সুন্দৰকৈ দেখাইছে। ৰামৰ সত্য-প্ৰিয়তা, পিতৃভক্তি, গুৰুভক্তি, বীৰত্ব আৰু প্ৰেম, দশৰথৰ পুত্ৰবৎসলতা, সীতাৰ নিৰ্ম্মল সাধু পতিব্ৰতা গুণৰ পৰিচয় কবিএ দেখুৱাত কৃতকাৰ্য্য হইছে। আদ্যোপান্ত ৰামায়ণ পঢ়িলে ইয়াৰ কোনো কথাত নড় চড় পোৱা নাযায়। সাতকাণ্ড ৰামায়ণ পঢ়ি যেনে যাব চৰিত্ৰ মনত অঙ্কিত হয়, সেই চৰিত্ৰ শঙ্কৰ দেৱে এই ক্ষুদ্ৰ পুথী খনিতে দেখুৱাইছে। এই নাটকত অনেক বিবৰণ পদেৰেও কোৱা হইছে। যি বিলাক সংস্কৃত শ্লোক এই নাটকত আছে সেই বোৰ অতি মধুৰ। আৰু গীত বোৰো সেইৰূপ কোমল আৰু সংক্ষেপ। এই নাটক আমাৰ দেশৰ যি সকলে অভিনয় কৰে সেই সকল অশিক্ষিত আৰু চহা। যদি শিক্ষিত সমাজত উন্নত আৰু শিক্ষিত প্ৰকাৰে ইয়াৰ অভিনয় হয় তেন্তে সি নিসংশয়ে আৰু উন্নত ভাব ধাৰণ কৰিব। আ, ব,

---

# আসামৰ উন্নতি কিমান।

ভাই অসমীয়া, গাঁথি তোলা জোন্ধ,
উন্নতি তোমাৰ কিমান হল।
ইংৰাজৰ নীতি, ইংৰাজৰ নীতি,
শিকাত সময় কিমান গ'ল। ১।

ইংৰাজী পোশাক, ইংৰাজী আহাৰ,
ইংৰাজৰ চিন, হইছে সব।
কিন্তু ইংৰাজৰ, জ্ঞান বুদ্ধি বল,
একতা উদ্যম, ক'ত নো তৰ? ২।
ইংৰাজী "মেজাজ," ইংৰাজৰ চোলা,
ইংৰাজৰ টুপি, ইংৰাজী খোজ।
ইংৰাজৰ কাঁটা, ইংৰাজী চামচ,
খাইছা অনেকে, লুকাই ভোজ। ৩।
ইংৰাজী পাতলুন, ইংৰাজৰ জোতা,
ইংৰাজী দস্তানা, ইংৰাজী মাত।
আৰ্য্যৰ উপাধি ঘিণ কৰি এড়ি,
খুজিছা হৰলৈ, ইংৰাজী জাত'। ৪।
আজি ধৰা ধামে ইংৰাজ ব্ৰাহ্মণ
দ্বিজ পাদোদক মুক্তিৰ হেতু,
দ্বিজ পদ ৰজঃ সৰ্ব্বৰোগ নাশে
ভৱৰ সেতু। ৫।
আৰ্য্য কুল জাত, আৰ্য্য সুত তুমি,
আৰ্য্যৰ নিয়ম, এড়িলা কিয়?
ইংৰাজৰ গুণ সব নোৱাৰিলা
ইংৰাজী দোষকে কৰিলা প্ৰিয়? ৬।
ভাই অসমীয়া, গাখি চোৱাচোন,
উন্নতি তোমাৰ কিমান হল!
ইংৰাজৰ ৰীতি, ইংৰাজৰ নীতি,
শিকাত সময় কিমান গ'ল। ৭।

আৰ্য্য কুল খ'বি  মাড় গাঁল হেৰি
আৰ্য্য নাম শুনি  লাগে যে ঘিণ ? ১।
আজি আৰ্য্য জাতি  অতি অবনত
সি হেতু এড়িছা  আৰ্য্যৰ চিন ? ২।
সোৱা বাজ বেশ,  সোৱা বাজ ভাষা,
বেজাৰ আঘাৰ  একমো নাই।
কিন্তু কোৱা চোন,  ইংবাজী আধিপত্য,
ইংবাজী ৰবণ,  ক'ত মো ভাই ? ৩।
উনৈশ শতিকা,  ইংবাজী পতাকা,
মগৰে মগৰে  উৰাই দিলে।
এতিয়া ইংবাজ  জগতৰ গুৰু,
ইংবাজৰ ভুল  ক'তো নিমিলে। ৪।
ইংবাজৰ দেশ  পুণ্যভূমি আৰ্য্যি,
বিজ্ঞানৰ বলে  ভুৱন-জয়ী
মিশিকি বিজ্ঞান  অজ্ঞান আঁধাৰে
আছা অসমীয়া  পণ্ডিত হই। ৫।
বিলাতী কাপোৰ  পিন্ধিছা ৰবিবে
কবিতে অযুত  শকতি নাই।
উন্নতি উন্নতি  কবি দিন যাতি
ভুমে বাঁধি সদা  কথিছা ভাই। ৬।
ইংবাজী চাষচ  ইংবাজৰ কাঁটা
ইংবাজী কটাবি  লইছা কৰে।
ইংবাজী চাবোন  প্ৰিয় বস্তু জন
যুগুত কৰে। ৭।
ভাই অসমীয়া  গাঁথি চোৱাচোন
উন্নতি তোমাৰ  কিমান হ'ল।

ইংৰাজৰ ৰীতি, ইংৰাজৰ নীতি,
শিকাত সময়, কিমান গ'ল। ৮।

---

ভাই অসমীয়া, দেশ বাসী মোৰ,
চকু মেলি চাই, কিয় নে দেখা ?
গোটাই ভাৰত, জাগৰিত আজি,
টোপনি যাম নে আমিহে একা ? ১।
ভাৰত বৰ্ষৰ আন আন জাতি
উন্নতি সোপানে বাঢ়িছে আগ।
সম্পদ সভ্যতা পাব সি বিলাকে
আমি নো কেলেই নলঁও ভাগ ? ২।
যিবাটে দি গই, আন ভাৰতীয়ে
দেশৰ উন্নতি কৰিছে ফুৰি,
সেই বাটে গ'লে অৱশ্যে আমাৰো
ছিগিব টেঁটুৰ বিপদ জৰি। ৩।
মন্ত্ৰৰ সাধন শৰীৰ পাতন
ন কৰিলে কেওঁ সিদ্ধি না পায়।
উদ্যম নহলে কাঁইট মুছুলে
মুকুতা গোলাপ পোৱা না যায়। ৪।
আৰ্য্যৰ নিয়ম, আৰ্য্যৰ ধৰম,
শিকা যতনেৰে, আৰ্য্যৰ ভাষা।
অনাৰ্য্য সভ্যতা, শিকা হানি নাই,
নলবা আচাৰ ধৰম নাশা। ৫।
আৰ্য্যৰ পুৰাণ, আৰ্য্য ভাগৱত
শ্ৰুতি, স্মৃতি, বেদ, যতনে পঢ়া।

আৰ্য্য শিল্প বোৰ, যতনেৰে শিকা,
দেশকো শিকোৱা, যন্ত্ৰৰ * গঢ়া। ৬।
ভাই অসমীয়া, গমি চোৱাচোন,
উন্নতি তোমাৰ কিমান হ'ল।
ইংৰাজৰ নীতি, ইংৰাজৰ ৰীতি,
শিকাত সময় কিমান গ'ল। ৭।

---

আমি অসমীয়া, গৰব আমাৰ,
স্বৰ্গৰ নামনী থাকত থকা,
ভাটিৰ প্ৰদেশ ম্লেচ্ব মুলুক
ভাটিৰ মানুহে অনাৰ্য্য পকা! ১।
আসাম বঙ্গাল, স্বৰগ নৰক,
অসমীয়া দেৱ বঙ্গালি ভূত।
উড়িয়া মান্দ্ৰাজী, পঞ্জাবী নেপালী,
মৈথিলী বেহাৰী নৰক-দূত। ২।
এনে অহঙ্কাৰে গোলিছে আসাম,
আমি অসমীয়া মৰিছোঁ হাৰ।
মাজালোঁ কেতিয়া এনে অজ্ঞানতা
গুছিব আমাৰ কিনো উপায়ে? ৩।
সকলোকে এড়ি, আমি অসমীয়া,
সাগৰ মন্থনে বাঢ়িছোঁ আগ।
অসন্তৱ আশা কৰিছোঁ মনত
আনক নিদিয় সুধাৰ ভাগ। ৪।
মাজালো পুৰাণ, বুৰঞ্জি মামালোঁ,
নিচিনো আপোন ককাই ভাই,

* যন্ত্ৰ।

কবোঁ মৰামৰি, পাড়োঁ নানা গালি,
আৰ্য্য সুত গণে মৰম নাই। ৫।
হায় কেতিয়ানো আমাক সুমতি
পৰম ঈশ্বৰে দিবনো বুলি?
দিমনো কেতিয়া ভাৰত-সন্তানে
ভাই বুলি সুধা মুখত তুলি! ৬
হায় কেতিয়া নো আৰ্য্য সুত গণে
সহোদৰ বুলি কৰিম লেখ?
হম নো কেতিয়া, উড়িয়া বঙ্গালি
মৈথিলী বেহাৰী, সইতে এক? ৭।
ভাই অসমীয়া, গৰ্মি চোৱাচোন
উন্নতি তোমাৰ কি মান হল।
ইংৰাজৰ ৰীতি, ইংৰাজৰ নীতি,
শিকাত সময় কিমান গ'ল।

গো, না, দা। *

---

## আমাৰ মানুহ।

অতি পূৰ্ব্বে আমাৰ দেশেৰে আন দেশৰ লোকৰ চলাচলৰ উপায় বড় অসুচল আছিল। বাট পথ ভাল নাছিল, চোৰ ডকাইতৰ ভয় আছিল। নাৱেৰে অহামেলাবো বড় কষ্ট আছিল। গুৱাহাটীৰ ভাটী হাতীমুখাৰ ওচৰত লুইতৰ দুইও পাৰে দুটা পাক বা ওভোতনী আছিল। ইয়াৰ

* এই প্ৰবন্ধত আৰ্য্যশব্দৰ ব্যাপ্তি কিমান তাক জনা টান হইছে। স.

নাম "লাহ বিলাহ পাক" সেই সময়ত নৌকা পথে অহা যোৱাৰ এনেই অসুবিধা তাতে আকৌ এই দুটী ভয়ানক বাধা। গুৱালপাড়াৰ ভাটী পগলাটেকৰ পৰা আমাৰ দেশলৈ অহা দুইও পাৱে পৰ্ব্বত; অনেক ঠাইত পানীৰ বান্ধ টান। পগলাটেক লাটুমাৰ শিল, সৰাই পৰ্ব্বত শগুণ ঠুটী বোন্ধা, পানীখাইতী, তাতীমৰা, ধলপুৰ, শিঙ্গৰী, শিলঘাট. কত্রেশ্বৰ প্রভৃতি শিলৰ পানী বড় টান আছিল। নাব্রেৰে উজাই অহা বড় উজু নাছিল। এনেকি যে গুৱহাটীৰ পৰা বঙ্গপুৰলৈ যি পুৰুষে নৌকা বাই তিনিবাৰ উজাই গইছে সি দুর্ব্বলী বুলি গণ্য হইছিল আৰু ছোৱালী নাপাইছিল। বামে আকৌ ছাবি আৰু বাটবো তেনে সুগম নাছিল। এই কাৰণে বিদেশী লোকৰ চলাচল তিমান নাছিল। যি আহিছিল সি প্রায় আৰু দেশলৈ উভতি নগইছিল। মীৰ-জুমলা প্রভৃতি বিদেশীয় আক্রমণকাৰীএ যে পৰাস্ত হই যোৱা মুখ্যকীৰ পৰা জানি, তাৰ ইও এটী কাৰণ। বঙাল দেশৰ ফালে যে কামরূপক ডাকিনী যোগিনীৰ ঠাই সিংহে বিচৰণ কৰা তিৰুতাৰ বাজ্য বুলি প্রবাদ আছে তাৰো এই কাৰণ অনুভৱ হয়। দেশৰ এইরূপ অবস্থা হোৱাতো বাজে-শ্বৰ সিংহ স্বর্গদেৱৰ দিনত ইয়াৰ প্রজা সংখ্যা ২৪ লক্ষ বুলি কোৱা আছে। মৰাণৰ উপদ্রৱতে অনেক লোক ভাগে। সেই সময়ত মানুহ দাঁতীয়ে দুৱাৰে গ'ল। বঙাল দেশ-লৈকো অনেক গ'ল। প্রজা ইমান কমিল যে চাবিটা মানু-হৰ ঠাইত তিনটা মানুহে এটা গোট পাইক হ'ল। ইয়াৰ দ্বাৰা এইটো সিদ্ধান্ত কৰিব পাৰি যে পাইক খটা লোকৰ চাবি ভাগৰ এভাগ মানুহ দেশৰ পৰা আন ঠাইলৈ গই অথবা মৰি নষ্ট পালে।

মোব্রামবীয়া বা মবাণব উপদ্রবব পবা দেশ সুথিব নৌঁওতেই মানব আক্রমণ আৰু দেশ ভগন হ'ল। এইবাব প্রজাব অশান্তিব সীমা নোহোৱা হ'ল। অনেক লোক ভাগি ভটীয়াই গ'ল, অনেক লোকক মানে মাবিলে আৰু অনেক লোক মানে বন্দী কবি লই গ'ল। দেশ উছন্ হোৱাব দবে হ'ল। হাবীব মাৰত অনেক ঠাইত গাওঁব পুখুবীব বাড়ীব চিন দেখি। অনেক সমাজ আৰু খেল শূন্য হ'ল। শিল্পকব লোকব খেল ভাগিল বা উপাস্ত হ'ল। প্রজাব ইমান ক্ষয় হ'ল যে ব্রিটিশ গবর্ণমেণ্টে যেতিয়া দেশ ললে, তেতিয়া যদিচ ভগনীয়া লোকক ঘুবি দেশলৈ আহিবলৈ আজ্ঞা প্রচাব কবা হইছিল তথাপি সমুদায় দেশব প্রজা সংখ্যা বাব লক্ষ মানহে আছিল। এইরূপ প্রজা ক্ষয়ব কাল কেবল দুকুড়ী মান বছব।

ব্রিটিশ শাসনব নিমিত্তে দেশত পথ ঘাট ভাল হইছে। বামে কি নাৱে যোৱা অহাব বড় সুবিধা হইছে। এনেকি গোটেইখান দেশব ইমুবলৈ আহি ঘুবি সিমুবলৈ যাওঁতে আজি কালি দহদিনেই অধিক। কালব বিচিত্র গতি! যিচাইত আগেএ বড় সঙ্কট আছিল সেই বোৰো প্রায় সুচল হইছে। ব্রিটিশ মূল ধনেৰে অবণ্যময় প্রদেশ বোৰ ভাল হইছে। চাহব কৃষি আৰু বাণিজ্যব দ্বাবা দেশব মহৎ উপকাব হইছে। চাহবাড়ী বোৰ এতিনিও গবর্ণমেণ্টব আন অনেক বিভাগ সৃষ্টি হইছে দেশব আয় উৎপন্নব বেছা বেপাবব অনেক বাট ওলাইছে। সেই কাবণে বিদেশব পবা ঝুমে ঝুমে লোক আহিছে। যদিচ কিছুমান আকৌ বিদেশলৈ গইছে তথাপি অনেক লোক এই দেশতে থই গইছে। ইয়াব দ্বাবা প্রজাসংখ্যা বৃদ্ধি হ'ব লাগিছে।

এতিয়া আমাৰ প্ৰজাসংখ্যা প্ৰায় ২০ লক্ষ বুলিব পাৰি। আমি আশা কৰিছোঁ তলত লেখা তিনিটী কাৰণৰ নিমিত্তে আমাৰ প্ৰজাসংখ্যা ক্ৰমে সৰহ হ'ব।

প্ৰথম—আমাৰ দেশৰ মাটী উৰ্ব্বৰা; খাজানা কম আৰু এই মাটীভোগ কৰোঁতে আমাৰ চুবুৰিয়া বঙাল দেশৰ দৰে অধিক ব্যয় নালাগে। আমাৰ হাবি মাটী অনেক। অল্প শ্ৰমতে তাক ভাঙ্গি লোকে ক্ষেতি কৰিব পাৰে। অতি কম হলেও আমি আমাৰ হাবি মাটীৰে প্ৰায় এতিয়াৰ সমান প্ৰজা চহকি কৰিব পাৰোঁ। মুঠৈক কব লাগিলে আমাৰ মাটী সাস্তা।

দ্বিতীয়—আমাৰ দেশত শিল্পকৰ আৰু বনকৰা শ্ৰমজীবী যি আছিল তাৰ অনেক নষ্ট পাইছে। এতিয়া চাহবাড়ী, ৰেইলওৱে প্ৰভৃতি বিভাগত কাম কৰিবলৈ বিস্তৰ লোকৰ প্ৰয়োজন। আৰু এনে লোকৰ প্ৰয়োজন যি উন্নতৰূপে কাৰ্য্য কৰিব পাৰে। আমাৰ তেমে অসমীয়া মানুহ নাই। যি আছে সি ধন লই পৰৰ চাকৰি কৰাৰ অভ্যাস মথকাৰ কাৰণতে হওক বা অহঙ্কাৰ এলাহৰ বশবৰ্ত্তী হোৱাৰ কাৰণতে হওক বা আপোনাৰ পৰিয়াল পালি আন কাম নকৰিবলৈ ইচ্ছুক নোহোৱাতে হওক অথবা বহু অভাব নোহোৱাতে হওঁক এতিয়া ন'কে ওলোৱা কাম কৰিব নোখোজে। আমাৰ মাটী সাস্তা। প্ৰায় লোকেই ক্ষেতিয়ক। প্ৰজাই আপোনাৰ যি মাটী আছে তাৰে ক্ষেতি কৰি যি অলপ অভাব আছে তাক মাৰি থাকে। যদিচ পূৰ্ব্বতকৈ আমাৰ মানুহৰ অনেক অভাব বাঢ়িছে তথাপি এই পৰিমাণে বঢ়া নাই যে আনৰ কাম কৰে। ক্ষেতি কৰি যি পায় তাতেই আমাৰ অধিকাংশ লোক সন্তোষ। যি দেশত মাটী সাস্তা,

আৰু ক্ষেত্ৰিয়ক লোকৰ সংখ্যাই যি অলপ সৰহ, সেই দেশত আন কাৰ্য্যে ঠাই নাপায়। আমাৰ দেশৰ মাঝত কৃষিৰ ইমান প্ৰভাৱ যে ধোবা, নাপীত, চমাৰ, কমাৰ, কুমাৰ প্ৰভৃতি-এও জাতীয় ব্যবসায় এড়ি ক্ষেতি কৰে। আমাৰ যি অলপ শিল্প আছে সিও কেবল সামান্য অভাব মোচনৰ উপযোগী মাত্ৰ। দেখি শুনি এতিয়া বেপাৰ কৰা আৰু উচ্চ শ্ৰেণীৰ লোকৰ যিৰূপ শিল্প যন্ত্ৰৰ আবশ্যক সেইটো আমাৰ নাই। সুতৰাং ভিন্ন দেশৰ পৰাহে তেনে মানুহ আহিব লগীয়া হইছে। ভাল মিস্ত্ৰী বা বাঢ়ৈ চমাৰ, কমাৰ, বাজ মিস্ত্ৰী সকলো বিদেশী লোক। এইবোৰ মানুহ নহ'লে আমাৰ সমাজ এতিয়া থাকিব নোৱাৰা হইছে। চাহৰ কুঠী আৰু বেইলওৱে প্ৰভৃতিত যেনে যেনে বন কৰোঁতা লোক লাগে তেনে লোক আমি যোগাব নোৱাৰোঁ। সেই বোৰ মানুহো বিদেশৰ পৰা আহিব লগীয়া হইছে। যি সকলক সেই বোৰ লোক লাগে সেই সকলৰ ধন সৰহ। আন ঠাইৰ পৰা লোক আহিলে সৰহ ধন নিদিলে মানুহ নাহে এই কাৰণে সেই সেই শ্ৰেণীৰ লোকে সৰহ ধন পায়। এই হকে আমাৰ দেশত কাম আৰু কাম কৰা মানুহ মৰগ; ধন সস্তা। আমাৰ দেশত মিস্ত্ৰী বাঢ়ৈ, কুলী প্ৰভৃতিৰ যিমান মাহিলি উৎপন্ন ভাটী দেশত দুমাহতো তিমান নাপায়। বস্তুও আমাৰ দেশত মৰগ। এতিয়া দেখি শুনি আমাৰ যি অভাব হইছে সেই অভাব মোচন কৰিবলৈ যি যি বস্তু লাগে তাক কিনোতে আমি ভাটী দেশতকৈ অপেক্ষাকৃত সৰহ ধন দিওঁ। অকল যে সেই বস্তুৰ মূলধন আৰু তাৰ বিয়াজ বা উৎপন্ন দিও এনে নহয় তাৰ ওপৰত আৰু কিছু দিওঁ। এতিয়া যিৰূপে দেশত উন্নত কাৰ্য্য আৰু ব্যবসায় চলিবলৈ ধৰিছে তাৰ দ্বাৰা

ক্রমে বিদেশী লোক আমাৰ দেশলৈ আহিব যে তাৰ সংশয় নাই।

তৃতীয়—আমাৰ দেশত বিবাহৰ নিয়ম টিলা হোৱাৰ কাৰণে বিদেশীয় লোকে বসতি কৰিবলৈ সুচল পায়। দেশীয় লোকে ছোৱালী খুজি বিয়া বাৰু কৰাওঁতে অনেক ব্যয় কৰিও কেতিয়াবা কৃত কার্য্য নহয়। কিন্তু বিদেশী লোকে প্রায় তেনে অকৃত কার্য্য নহয়। ইয়াৰ কাৰণ এই যে আমাৰ কোনো শ্রেণীৰ মানুহতকৈ বিদেশীয় সেই শ্রেণীৰ প্রায় মানুহৰ উৎপন্ন সৰহ। আমাৰ মানুহে বিদেশীয় লোকেৰে মিতিৰ কৰিবলৈ তেনে বড় বেয়া যেন প্রায় নাপায়। অনেক সময়ত জাতি বা কুল মর্য্যদাকো কাতি কৰি থই কাকো কাকো মিতিৰ কৰা দেখা যায়।

ওপৰত যি কাৰণ দেখুউৱা গ'ল তাৰ দ্বাৰা এইটো নিশ্চয় জানি যে আমাৰ দেশৰ প্রজা সংখ্যা বৃদ্ধি হ'ব বড় সুগম উপায় হইছে। আমাৰ দেশলৈ ভিন্ন দেশৰ লোক আহিবৰ যিমান সুগম উপায় হ'ব তিমান ভাল। আমাৰ মানুহে বিদেশলৈ যিমান যাবলৈ সুবিধা পাব তিমান ভাল। বিদেশীয় লোকৰ প্রতি আমাৰ বিবাহৰ নিয়ম দৃঢ়ৰূপে চলাব পাৰিলে দেশৰ আৰু উন্নতি হয়। আমাৰ দেশকে খামোচ মাৰি ধৰি থাকিলে আমাৰ উন্নতি তিমান শীঘ্রে আৰু ভালকৈ নহয়। বিদেশীয় লোকে সইতে পৰস্পৰ সকলো বিষয়তে সহায় দিয়া দি কৰিলে আমি উন্নতিৰ বাটত ভালকৈ খাব পাৰোঁ।

আ, ব,

---

শুদ্ধাশুদ্ধী—১৩২ পৃঃ ২১ শাৰিত "এতিমিও" ৰ স্থলত "এতিলেও" হব।

# সদানন্দৰ সমাচাৰ।

মই এদিন যখন পথা বতাহ লবলৈ ওলাই গই দেখোঁ যে এঠাইত এজাক মানুহে বৰকৈ গিৰ্জ্জনি মাৰি হাঁহিছে। তাত কি হইছিল জানিবৰ নিমিত্তে মানুহ বিলাকৰ মাজত সোমাই গই দেখোঁ যে এটা ডাকোৱালে চিঠি এখনৰ দিনটো গৰাকি বিচাৰি ফুৰিছে, আৰু যাকে চকুৰ আগত দেখিছে তাকে মাতি শুনাইছে; ইয়াতেই সকলো মানুহে ইমানকৈ হাঁহিছিল, আৰু হাই কৰিছিল; কিয়নো তাৰ ওপৰৰ কথা বিলাক আৰু আখৰ খিনি অলপ অদ্ভুত ৰকমৰ আছিল। যাৰ নামে সেই চিঠি আহিছিল, তাৰ নামটো ডেৰ হাতমান দীঘল; কুকুৰা ঠেঙীয়া আৰু উটেঙীয়া আখৰেৰে লিখা ছোৱালী সি আঢ়ৈ হাত মান চাই ফুৰিছিল। মই সোমোৱা মাত্ৰকে মোকো সেই ডাকোৱালে সেই চিঠিখন দেখালে। মই আধা ঘণ্টা মান পুৰুষাৰ্থ কৰি দুটামান আখৰ হে মাতিব পাৰিলোঁ; কিন্তু এটা কথা তালকৈ বুজিব পাৰিলোঁ যে ই কোনোবা শিক্ষিতা আই দেউৰ চিঠি। পৰৰ তিৰতাৰ চিঠি পঢ়া ব্যাধিটো সকলোৰে আছে; তিৰতাৰ চিঠি পঢ়িবলৈ, আখৰ কেইটাৰ গঢ়, চিঠিৰ ভাষা, লেখিকাৰ নাম, ইত্যাদি কথা সমালোচনা কৰিবলৈ তাকে আশ্ৰয় কৰি নানা কথা উলিয়াই বহু ধেমালিকৈ দিনটো নীয়াৰলৈ সকলো ডেকাই লোভ কৰে। এই সোঁচোৱা ৰোগ সদানন্দৰো আছে। এই নিমিত্তে সেই চিঠি খন পঢ়াৰ লোভত ডাকো-ৱালক টপৰাই মাত লগাই কলোঁ, "হেৰ, এইখন দেখোন মোৰে চিঠি, তয় ইমান পৰে দিয়া নাই কিয়?" মই মোৰ নিজৰ নামকে মাতিৰ লোভত সি জানিলে যে সেই চিঠি

মোৰ নহয়, তথাপি এজন গাঁৱকি পোৱাত তাৰ বাৰ সাৰি-বলৈ ছল পাই মোৰ মুখলৈ চাই চিঠিখান মোক দি পাছলৈ নাচাই লব ধৰিলে। তাক যোৱা দেখি ময় চিঠিখন মেলি লৰালৰিকৈ নামটো দেখিলোঁ; মোৰ কঁপালত এটা নহয় দুটা নাম ওলাল; কিন্তু নাম পঢ়ি একো অর্থ পদার্থ ধৰিব নোৱাৰিলোঁ। প্রথম নামটো "শ্রীমতী মনিৰাম শর্ম্মা;" এই নাম পঢ়ি এঁও মতা নে তিকতা, তাকে ঠিক কৰা হব টান হ'ল। "শ্রীমতী" স্ত্রী-লিঙ্গ, "মনিৰাম শর্ম্মা" পুং-লিঙ্গ; এঁও লেখক নে লেখিকা তাক জনাৰ উপায় কি? এইৰূপে ভাবি লেখক বা লেখিকাক নেদেখিলে লিঙ্গ-নির্ণয় কৰা অসাধ্য দেখিলোঁ। দেখিলেই বা জানিম কিৰূপে? আজি-কালি মতা-তিকতাৰ সাজত বিভিন্নতা উলিওৱা প্রায় অস-ম্ভৱ। দ্বিতীয় নামটো "শ্রীমতী কুমাড়ী মত্তমাতঙ্গিনী বড়ুৱা দেবী সুন্দড়ী"। এই নামৰ লিঙ্গ-নির্ণয় কৰিবলৈ ব্যাকৰণ আৰু অভিধান খোলোঁতে খোলোতে মোৰ মুৰ ঘুৰিবলৈ ধৰিলে। সেহত ময় এই স্থিৰ কৰিলোঁ, হয় এঁও মতা, নহয় তিকতা (কোনোবা বকৱানী); আৰু যদি এঁও কোনোবা তিকতা হয়, তেন্তে (উনবিংশ শতাব্দীৰ) মতা-তিকতা। এই ৰূপে নাম এড়ি চিঠিখন পঢ়িবলৈ ধৰিলো; কিন্তু তিনি ঘণ্টাৰ মুহুতে তিমটা আখৰো সংশয় নাৰি পঢ়িব নোৱাৰিলোঁ। তাৰ পাছত ময় আঠজন ডেকাৰ সহায় খুজিলোঁ; তেঁওলোকেও তিকতাৰ চিঠি বুলি শুনি অতি বঙ্গ মনেৰে মোক সহায় কৰিলে। এই মন্ত্রবত্তে (ময়ো এই লগতে) ন ঘণ্টা খাটি কেঁৱাই চিঠি পঢ়াৰ দৰে চিঠিখান এইদৰে পাঠ কৰিলো:—

"প্রাণাধিক পৃথুত্তমেষু—

"আপোনাড় আসাম নিউচতে ওলোআ ২৫ আত্রনৰ পত্রড়

"পাথ কড়ি ও মর্ম্ম অবগত হই এবং অন্যান্য মানুহক দর্শন
"পূর্ব্বক ঝনা ঝাই জে "পবা আসাম বন্ধু" নাম দিয়া এখন
"মাচিক পত্রিকা প্রকাচমান হবেক ঐ পত্রিকাৎ নো কি কি
"বিচই থাকিব তাক জনা ঝাৎ নাহি পোয়া—কেয়ল বিজ্ঞান
"সাহিত্য এবং শিল্প কি জানো কি তিণ্টা অর্থ বুঝিব
"নোআড়িলাম—ইহাতে বিআব কথা থাবিব কিনা এবং
"কিতাপড় বিগ্যাপন্ দিবলই পাড়িমহকনে কি মই কর্ত্তৃক
"কড়া কিতাপ আছে অচমিআ ভাচাব আপোনাকেও দিম
"ঝানাই অধিনি হৎকে নিতান্ত বাধীৎ কড়িবেন আড় এখান
"কাগচ আমালোকড নামক মাচিক মাচিক পথাই দিব
"আমবা আমাব অচমীয়া ভাচাব উন্নতি ব্রতে ব্রতনী হই
বহিছোহক—আউঁসি একাদশীব ব্রততকৈ টান বৰত—
কাগচ না পথাইলে তিবিব সাও লাগিব অতি লোন কালতে
উত্তব লিখিব এতদর্থে আজিলই ইমানকছে চবিমই নিবেদনং
ইতি ১ ফাল্গুণ চন এক আঠ আঠ বাণ। শ্রীমতী মণিবাম শর্ম্মা
শ্রীমতী কুমাড়ী মত্ত মাতঙ্গিণী বড়ুৱা দেবী সুন্দড়ী" চিঠি খানব
ওপবত এই কথা লিখা আছিল, "প্রানাধিক পূরতম শ্রীযুক্ত
বাবু 'বৈকুণ্ঠ নাথ দত্ত ১০ আর্মিনিয়ান ইষ্ট্রীট কলিকাতা
এজেণ্ট লম্বোদৰ বড়া বি এ ৩৪ আমহর্ষ্টে ইষ্ট্রীট মধু সূদন
গুপ্ত এজেণ্ট নয়াও' ডাজবিয়া মহাচই মহিমা বড়াবড়েষু
লিখনং কার্য্যঞ্চ পবে।

চিঠিখান সম্পূর্ণরূপে পাঠ কবাব পাছত জনা গ'ল যে
তেঁওলোক বাস্তবতে তিকতা। মর বহুৎ মানুহক ওচৰি
জানিব পাবিছোঁ যে শ্রীমতী মনিবাম শর্ম্মা আমাব মৃত মনি
বাম বাবুব সকজনী ঘৈণীএক; নাম সুলতা; বহুৎ তিকতাই
এলাহী বুলি যাওঁ। শ্রীমতী মণিবাম শর্ম্মা বুলিলে মণিবাম

শৰ্ম্মাৰ যৈণীএকক বুজায়। কোন্ জনা পাণিনিৰ 'বিয়াকৰ্ণ' মতে, তাক হে জানিব পৰা নগল। দ্বিতীয় লেখিকাৰ আগৰ নাম হেনো নাহুকী আছিল; এই নাম দুটি আৰু চহা অসমীয়া নাম হোৱাত নতুন দস্তুৰ মতে 'মত্ত মাতঙ্গিনী' এই উৎকৃষ্ট নাম দিয়া হইছে। আমাৰ নৱৰত্নৰ এক বন্ধুে কইছে বোলে বামুণৰ তিৰুতা বিলাকে দেবী লিখে; আৰু শূদিৰৰ অবিবাহিতা ছোৱালী বিলাক ফেদেলী বা বান্দৰী হলেও সুন্দৰী লিখাৰ প্ৰথা চলিছে। দেবী আৰু সুন্দৰী দুইও লিখাৰ কাৰণ কোনো বন্ধে কব পৰা নাই।

আজি ইমান দিনে এই চিঠিৰ গৰাকিক বিচাৰি পোৱা নাই। তাক বাতৰি কাকতত ছাপি দিলে কি জানি অসমীয়া ভাষাৰ বিধতা সকলে লেখিকা সকলক ধঁটা দি সেই চিঠি ইস্কুলৰ পঢ়া কিতাপৰ শাৰিত পেলায়, আৰু তাৰ ভাষা পঢ়ি অসমীয়া লৰা বিলাক "জ্ঞানান্ধ" হয়, এই ভয়তে ময় ইমান দিন মনে মনে আছিলোঁ; এতিয়া আসামৰ ইস্কুলত অসমীয়া ভাষা চলাৰ ভয় গুছাত এই চিঠি আসাম-বন্ধুলৈ পঠালোঁ। বন্ধুএ তাক ছপালে ময়ো " তিৰিৰ সাওৰ " পৰা বক্সা পাওঁ, আৰু শিক্ষিতা লেখিকা সকলৰ " প্ৰানাধিক্ পূৰ্ত্তমে " ও সেই চিঠি দেখা পায়। স্যাডানেও।

---

## স্বাধীনতা নে স্বেচ্ছাচাৰ।

আজি কালি ইংৰাজী শিক্ষাৰ প্ৰাবল্যত [illegible] স্কুলে শিক্ষিত-সাধাৰণৰ বড় কপাছুটি পাৰিবলৈ [illegible] খাটে, খাটে, সকলো ঠাইতে শিক্ষিত [illegible] [illegible]

মুকলি কৰিবলৈ আলচ কৰি থাকে। ওড়নি গুছাই গিৰিয়েকে ঘৈনীয়েকে হাতত ধৰাধৰি কৰি বাজ-বাটেৰে "ৰতি-কন্দৰ্পৰ যুগল মূৰ্ত্তিৰ দৰে" আজি-কালি যেইএ কুৰিব পাৰে, শিক্ষিত ডেকা সকলে তেঁওকে সুশিক্ষিত, সভ্য আৰু উন্নতমনা বুলি বিবেচনা কৰি থাকে। আমাৰ আজিৰ এই প্ৰবন্ধৰ মূল উদ্দেশ্য এই যে, আমাৰ তিৰুতাবিলাক সম্প্ৰতি যি অৱস্থাত থাকে সেই অৱস্থা স্বাধীন নে পৰাধীন, তেঁও লোকৰ উপযোগী নে অনুপযোগী, আৰু তেঁও লোকক বিদেশীয় অনুকৰণেৰে আজি কালি শিক্ষিত ডেকা বিলাকে যিফেৰি স্বাধীনতা দিবলৈ মন মেলিছে, সি কিমান যুক্তি-সঙ্গত তাৰে বিচাৰ কৰা।

অসমীয়া-গৃহস্থৰ ঘৰত সম্প্ৰতি ঘৈনীয়েই সৰ্ব্বময়ী কৰ্ত্ৰী। পৰিয়ালৰ ভিতৰৰ সকলোৰেই ঘৈনীৰ হাতে তোলা বস্তু খাব লাগে; কোনো বস্তু লাগিলেও ঘৰৰ ঘৈনীএ সেই বস্তু নিদিলে আন কোনেও দিওঁতা নাই। অসমীয়া ঘৈনীএ গিৰিয়েকৰ ঘৰলৈ আহি কিছুমান দিন শাহুৱেকৰ আল-পৈচান ধৰিয়েই আখলৰ ভাৰ মুৰত লয়। পৰিয়ালৰ ভিতৰত ঘৈনীত বাজে আন কোনেও ভোকত ভাত আৰু পিয়াহত পানী দিব নোৱাৰে। পথাৰৰ পৰা হাল মেলি অহাত পৰিশ্ৰমত হালোৱাৰ তালু শুকাই আছিছে, ভোকত পেটৰ নাড়ী ডাল ডাল সেই সময়ত হালোৱাৰ দুঃখ বুজি ঘৈনীএ ভাত দুটামান আৰু পানী এটুপিৰে তাক পুৰ্তো নকৰিলে, আন কোনে হালোৱাৰ মৰম পতিয়াৰ? স্বাধীন গৃহস্থৰ সেই সময়ত হয়তো জাৰ কালি হলে চোতালৰ আগত বহি পিঠিত বজ-বদ লগাই মোৰা-খোৱাৰ লগত মধুৰ আলাপত মগ্ন বা সময়াভাবে কাৰ্য্যান্তৰত বন্দী। বাতি পুৱাল; কেচুৱা লৰা-ছোৱা-

লীএ ধাৰিপাটিতে "আই ভোক" "বো মাম" কৰি চিঁৰবিবলৈ ধৰিলে ; ঘৈনী ব্যতিব্যস্ত হই উঠিল ; সোনকালে শয্যা এড়ি লৰা-ছোৱালীৰ জেজা-জোট ভাঙ্গিবলৈ ধৰিলে। ঘৈনীএ সাংসাৰিক প্ৰাতঃকৃত্য কৰি উঠিল ; স্বাধীন গৃহস্থ তেতিয়ালৈকে সুখ-শয্যাত টোপনিৰ কোলাত অচেতন। এই দৰে সকলো কাৰ্য্যতে আমাৰ ঘৈনী ঘৰৰ সৰ্ব্বময়ী কৰ্ত্ৰী, গৃহস্থৰ লক্ষ্মী-স্বৰূপা, সংসাৰৰ অধিষ্ঠাত্ৰী দেবী। তেঁওলোক বাহিৰলৈ ওলাই মুকলি-মুৰীয়া হই কুৰিৰ নোৱাৰিলেও তেঁওলোক অন্তঃপুৰত আবদ্ধ থাকি কোনো কষ্ট নেপায়। সেই অবস্থাতেই তেঁওলোকে গৃহস্থৰ সংসাৰৰ ওপৰত যিমান ক্ষমতা চলায়, মুকলি-মুৰীয়া স্বাধীন গৃহস্থ সিমান ক্ষমতাৰ অধিকাৰী নহয়। আজি কালি ইংৰাজী শিক্ষাৰে যিবিলাক শিক্ষিত হইছে, যিবিলাকে নিজৰ সকলো বেয়া—ভালো বেয়া লোকৰ বেয়াও ভাল বুলি বিবেচনা কৰি থাকে, তেঁও লোকে আমাৰ ঘৈনী সকলক "সজাৰ ময়না" বুলি ভাবিব পাৰে, আৰু গৃহিনীক গৃহস্থৰ লক্ষ্মী-স্বৰূপা বোলাত তেঁওলোকে অযথা বৰ্ণনা কৰিছোঁ বুলি বিবেচনা কৰিব পাৰে, কিন্তু বাস্তবিকেই যদি এনে বিবেচনা কৰি থাকে তেঁওলোক ভ্ৰান্ত।

আমাৰ ঘৈনীবিলাকে পতিগৃহাগতা হইএই অবশ্য একেবাৰেই সংসাৰৰ ঘৈনী হই পৰিব নোৱাৰে। কেই বছৰ মান তেঁও লোক পৰীক্ষাৰ তলতীয়া হই থাকিব লাগে। ই সাংসাৰিক কাৰ্য্যৰ মহলা ; শাহু, জেশাহু, আৰু অন্যান্য মান্য জন এই মহলাৰ পৰীক্ষক। যেতিয়া পৰীক্ষক সকলে দেখিলে যে বোৱাৰী চাবতিয়াল হই উঠিছে, সংসাৰ কি বুজিছে, গৃহিনীৰ আবশ্যকতা জানি উঠিছে, স্বামী কি বস্তু তাৰ মোল বুজিছে, সংক্ষেপতঃ যেতিয়া গৃহিণীয়ে গৃহাশ্রমৰ

তত্ত্ব-ভেদ কৰি উঠিছে বুলি সাহু-শহুৰে জানিব পাৰে, তেতিয়াই লাহেকৈ বৃদ্ধা শাহুএ সাংসাৰিক কাৰ্য্যৰ ভুঁৰুলি গাভৰু বোৱাৰীয়েকৰ কান্ধত দিয়ে; তেতিয়াই যৈনী গৃহস্থৰ সংসাৰৰ কৰ্ত্রী, পৰিয়ালৰ শক্তিৰূপা হই পড়ে। এই পৰীক্ষাৰ সময় ফেৰি বোৱাৰীৰ পক্ষে অৱশ্যে কিছু কষ্টৰ সময়; এই খিনি সময়তে বুলিলে তেঁও লোকক "সজাৰ ময়না" বুলিব পাৰি কিন্তু বিশেষকৈ গমি চালে ই একো নিন্দনীয় কাৰ্য্য নহয়। সংসাৰ সুখময় কৰিবৰ নিমিত্তে, গৃহস্থ-যৈনীৰ ভবিষ্য-জীৱন ও সাংসাৰিক বন্ধন অতুল আনন্দ মিশ্রিতকৰিবৰ নিমিত্তেই শাহুআদি মান্য জনৰ হাতত ছোৱালী যৈনীৰ পৰীক্ষা। সাংসাৰিক কাৰ্য্যত উত্তীর্ণা আৰু সংসাৰাশ্রমত বুঢ়া হোৱা শাহু-শহুৰৰ হাতত নতুনকৈ সংসাৰাশ্রমতে মুৰ- শুমুৱা বোৱাৰীৰ পৰীক্ষা। এই দৰে পৰীক্ষাত উঠি দুই তিনি ল'ৰাৰ মাইকী হলে বোৱাৰী গৃহস্থৰ দক্ষিণ হাত হই পড়ে, সংসাৰাশ্রমৰ মূলীভূতা হয়।

আমাৰ এনে বোৱাৰীবিলাকে কোনো স্কুলৰ শিক্ষা নেপায়, তথাপি তেঁওলোকে সংসাৰাশ্রমৰ অতি লাগতিয়াল সকলো বিষয়তে আজি কালিৰ স্কুলৰ শিক্ষা পোৱা বোৱাৰী জিয়াৰী বিলাকতকৈও বহুত গুণে শ্রেষ্ঠৰূপে শিক্ষিতা হই উঠে। আহা !! তেঁও লোকৰ গুৰুজনত ভক্তি, ধর্ম্মত মতি, কার্য্যত ৰতি আৰু সংসাৰত প্রীতি দেখিলে মনত কেনে বিমল আনন্দ ওপজে। যিবিলাক নব শিক্ষিতে বালিকা আৰু অপক্কা গৃহিণীক সংসাৰত স্বাধীনা কৰি শাহু-শহুৰৰ ওপৰতো যৈনী কৰি দিব খোজে আমি সিবিলাকৰ মস্তত কেতিয়াও মাস্তি নহওঁ আৰু প্রার্থনা কৰোঁ যেন আমাৰ অসমীয়া দেশত চিৰ-প্রচলিত অসমীয়া নিয়মৰ অন্ত পেলাই

এনে আচহুৱা নিয়ম নচলায়। সংসাৰাশ্রমগত দেশীয় নিয়ম! তুমি আমাৰ দেশীয় যৈনীৰ শৰীৰত স্ত্রীজনোচিত লজ্জা, শ্রমশীলতা, আৰু কার্য্য-কুশলতা দি তেঁওলোকক ভূতপূর্ব্ব আর্য্য ৰমণী বিলাকৰ উপযুক্ত জিয়াৰী বুলি চিনাকি দিয়াইছা, তোমাক শত-সহস্র দণ্ডবৎ। তুমি ভাৰত ৰমণীক ৰমণীকুলৰ শিৰোগতা কৰিছা, তোমাৰ অস্তিত্বৰ নিমিত্তেই জগতৰ ৰমণীকুলে সাংসাৰিক কার্য্যত ভাৰত-ৰমণীৰ শিক্ষা লভিব লগিয়া কৰিছা, তোমাক প্রণাম।— (ক্রমশঃ)

ৰ, মহন্ত।

---

## ফুলনি।

কি অপূর্ব্ব শোভা মুনি মনো লোভা
আজি মোৰ ফুলনিত।
চকু তৃপ্তিকৰ, অতি মনোহৰ
দেখি মন হৰষিত॥
যেই ফালে চাঁও, ৰ লাগি ৰও
লৰিব নোখোজে চকু।
শৰীৰ অচল, কিন্তু টল মল
কৰে আনন্দত বুকু॥
জোনৰ পোহৰে, প্রাণ জুৰ কৰে
তাতে সুশীতল বাত।
গোন্ধ উকৰাই, ধীৰে বই যায়
অমৃত ঢালিয়া গাত॥
গোলাপ ইপিনে, হৰষিত মনে
প্রিয় তোমোৰাক লই।

লয় লাস কবে, যত মনে ধবে
বসত বলিয়া ছই ॥
ইফালে টগব, ঠগ মনোহব
জোনব মুখলৈ চাই।
আপোনাব কপ, দেখি একে কপ
হাঁহি মাবে মিটিকাই ॥
জুতি জাঁই ফুল, ছই বিয়াকুল
বিধু-মধু পান কবি।
হাত তুলি তুলি, নাচে ঢুলি ঢুলি
বতাহব ডিণ্ডি ধবি ॥
আকৌ এই ফালে, পাস ঘুবি চালে
দেখোঁ শোভা বিতোপন।
চম্পা কপবতী, সুন্দবী মালতী
মোহি নিয়ে মোব মন ॥
বজনি গন্ধাব, আনন্দ অপাব
মুখত নধবে হাঁহি।
কপ ববণীয়া, জোনকো জিনিয়া
ফুলি আছে তিনি পাহি ॥
বতাহত হালি, কবে কোলা কোলি
ইডালে সি ডাল ধবি।
চুমা আলিঙ্গন, দিয়ে অগণন
সাপটা সাপটি কবি ॥

স, ব,

# আসাম-বন্ধু।

মাসিক পত্র।

"নচ জ্ঞানাত্ পৱং বলম্।"

প্রথম ভাগ।] জ্যৈষ্ঠ শক ১৮০৭, ইংরাজী ১৮৮৫। [পঞ্চম সংখ্যা।


## আগৰ দিন এতিয়াৰ দিন।

### পঞ্চম অধ্যায়। *

#### ৰাজ কর্ম্মচাৰি—বিষয়া।

দেশৰ শাসন আৰু ৰজাৰ কার্য্য চলোৱাৰ নিমিত্তে অনেক বিষয়া আছিল। বুঢ়া গোহাঁই, বড় গোহাঁই, বড় পাত্র গোহাঁই এই তিনি জনা প্রধান। এই তিনি জনাৰ প্রথম দুজনাৰ পূর্ব্ব পুৰুষ খুনলুঙ্গ খুনলাইএ সইতে স্বর্গৰ পৱা নামি অহা বুলি প্রসিদ্ধ। বড় পাত্র গোহাঁই চুপিম্ফা ৰজাৰ অজাত পুত্র কমচেঙৰ সন্তান। এই তিনি জনাক

* এই অধ্যায়ৰ পৱা অন্তিম অধ্যায়লৈকে তাম্বুলী ফুকনৰ বুৰঞ্জীৰ আধেক আহাৰ্য্য লোৱা হইছে।

ডাঙ্গরীয়া বোলে। তিনিও জনাব সমান মর্য্যাদা। ইয়াব ভিতবত যি জনাই বাজ মন্ত্রী বিষয় পায় তেঁও প্রধান। জকাই চুকিয়া ১০০০ মানুহ পায়। এই কেইজনে কেঁকোবা দোলা, বাঁহব উকা গামেছা লগোৱা আড়োৱাল, সোনব চুলাবে পানী জাপী, পাখী বিছনী, নাল লগোৱা বিছনী, কেপ কবা তলচা পায়। এঁও বিলাকব থৈণী সকলে পাৰ্হিচাজি আৰু বৰে দিয়া সোনব চুলাবে জাপী পায়। এই কেই জনক বজাই "ডাঙ্গৰীয়া" বুলি সম্বোধন কবে। আৰু এঁও বিলাকে বজাক "স্বৰ্গদেৱ" বোলে আৰু নিজব কথা কব লাগিলে "স্বৰ্গ দেবৰ পাইক" বুলি কয়। এই তিনি জনা ডাঙ্গৰীয়াই সেৱা কবিলেহে বজা অভিষিক্ত হয়। এই কাবণে তিনিও জনে একে লগে বজাব নগবত কি আন ঠাইত দেখা দেখি হব নোৱাবে। বজাব সম্মুখত বড় চডাত বা নগবব ভিতবত সাক্ষাৎ পায়। পাছে এই তিনিও জনে গোপনে ইঙ্গিতে মেল কবে এই ভাবি বড চড়াত এঁও বিলাকক পীক পেলাবলৈ সম্মুখত পীক পেলাবব ঠাই দিয়া হয়। এই কেই জনে পবস্পৰে "আপ" বুলি সম্বোধন কবে। এই কেই জনাই বজাব আগলৈ গলে ছাতী ঘোড়া দোলাত উঠি যায়। আগত বিলভীযা গায়নে গাই যায়। নগৰ সোমালে ক্রমে ক্রমে একো একো পদ এৰে। বজাব ভিতবলৈ গলে এজন তামুলী লিগিবাই হাঁচটী লই যায়। বড় চড়ালৈ গলে তবি ধুই বুলনী কাপড়ব ওপবে যায়। তিনি খনীয়া কঠব তলীয়বী গুছাই বড় কাপড়ব মচুলা লই সডাত পশ্চিম মুখে বহে। এই তিনি জনা ডাঙ্গৰীয়াই বজাব প্রধান মন্ত্রী। স্বৰ্গদেৱে বড় চড়াত দক্ষিণ মুখে সিংহাসনত বহে।

এই তিনি জনা ডাঙ্গৰীয়াৰ তলতে সদীয়া খোৱা, মৰঙ্গী খোৱা আৰু শলাল গোহাঁই। এই কেই জনাৰ সমান মর্য্যদা। কিন্তু মর্য্যদা অনুসাৰে বস্তু পোৱাৰ কিঞ্চিৎ তাৰতম্য আছে। দাঁতীয়লীয়া বিষয়া বুলি এঁও বিলাকক কিঞ্চিত বিশেষ ৰূপে চিহ্নিত কৰা হইছে। এই কেই জনাৰ (প্ৰকৃত প্ৰস্তাবে হলে তিনি জনা ডাঙ্গৰীয়াৰ) তলতে বড় বড়ুৱা। এঁও দেশৰ প্ৰধান বিচাৰক। এঁও মগৰলৈ গলে লগত টাঙ্গন ধৰা যায়। ৰূপৰ চুলাৰে পানী জাপী টুপী জাপী ফেৰৰ পাখী বিছনী, পাঁচনী হতীয়া বিছনী, আগ ধঁৰা ৰূপৰ বেৰি দিয়া লাখুটী লই আছে। বড় দুৱাৰৰ পৰা মাটীৰে নগৰ সোমায়। ওপৰত পাছৰ পৰা বড় জাপী ধৰি আছে। বড় চড়াললৈ যাৰৰ পূৰ্ব্বে ভৰি ধুই যায়। বড় চড়াত তিনি খনীয়া মেলা চান কঠত বানতৰ মচুলা লই বহে। আগতে কল পাতত বালি দিয়ে তাতে পীক পেলায়। বড় বড়ুৱাই সদাই বড় চড়াত বহি মেল সোধে। এও মহলে স্তায় সোধা ফুকনে বহি সোধ সোধে।

মাও বৈচা ফুকন বঙ্গাৰ মাও বৈচা খেলৰ অধিপতি। পানী ফুকন গুৱাহাটীত পানী চকি নামে অখ্যাতত যি চকী আছিল তাৰ গৰাকি। ভিতৰুৱাল ফুকন বঙ্গাৰ ভিতৰুৱাল লোক সকলৰ গৰাকি। এই সকলত বাজেও দুজনা দিহীজীয়া ফুকন। এই দুজনাই দিহীজ অঞ্চলৰ কৰ্ম্ম কাৰ্য্যৰ প্ৰতি দৃষ্টি কৰে। দুজনা ডেকা ফুকন—ন ফুকন আৰু চেউৱা ফুকন। এই কেই জনা ফুকনেই প্ৰধান। এঁও বিলাকে পাৰ্ষি চাদ্দী, উকা বড় জাপী, ৰূপৰ চুলাৰ পানী জাপী ফেৰ বিছনী, পাখী বিছনী, টুপী জাপী, দীঘল মনীয়া খৰা বিছনী, চান কঠ, বনাতৰ মচুলা, ৰূপৰ বেৰি দিয়া লাখুটী

মর্য্যদা পায়। মেওগা ফুকন এই সকলর গবাকি। ন্যায় সোধা ফুকন বিচারক। চাজরঙ্গ ফুকন এই তিনিও জনা সমান। এই কেই জনারে সমান মর্য্যদা। নিবুকীয়াল বাজ খোয়া আৰু বচা বাজ খোয়া এই দুজনা সমান। এঁও বিলাকে বচা আৰু নিবুকীয়াল নামে দুই সীমান্তপাতি ক্ষুদ্র বিভাগ শাসন কবে। এঁও বিলাকে লোৱ ঢেকৰ লগোয়া চাঙ্গি পায়। এই দুজনাত বিনে দিহীঙীয়া দুজনা, শল-গুড়ীয়া দুজনা, অভয় পুৰীয়া তিনি জনা, নাম ডঙ্গীয় এজনা, দিখৌ মুখীয়া এজনা, ঘিলাধৰীয়া এজনা, গজ পুৰীয়া এজনা, দৈখঙ্গীয়া তিনি জনা; সৰ্ব্বমুঠে ১৪ জনা বাজ খোৱা। এঁও বিলাকৰ মর্য্যদা সমান। গুৱাহাটীত থাকিলে পৰ্হিচাঙ্গি পায়। এই কেই জনাই দিহীঙ, শলগুড়ি, অভয়পুৰ, নাম ডাঙ, দিখৌ মুখ, ঘিলাধাৰী, গজপুৰ, দৈয়াঙ্গ বিভাগৰ শাসন কার্য্য কবে। দুজনা চেটীয়া পাত্র বড়ুয়া, দুজনা ঘৰ ফলীয়া বড়ুয়া আৰু এজনা চাঙ্গ কঙ্গৰ বড়ুয়া এই কেই জনাৰ সমান মর্য্যদা। ওপৰত কোৱা বিষয়া কেই জনাক "বাজুয়া বিষয়া" বোলে। এঁও বিলাকৰ ওপৰত প্রদেশিক শাসন আৰু বিচাৰৰ ভাৰ। স্বর্গ দেৱৰ ভিতকয়াল অর্থাৎ নিজৰ কর্ম্মকাৰী কেই জন মান বিষয়া আছে। সেই সকল এই। ঢোলা ধৰা ফুকন—স্বর্গ দেৱৰ পৰিচ্ছেদাদি তত্ত্বাবধাৰক আৰু খেলৰ গবাকি। ফাৰ ধৰিয়া ফুকন—ফাৰ বাকদ ও অস্ত্রাদিৰ তত্ত্বাবধায়ক। ঢেকিয়াল ফুকন—ঢেকিয়াল নামে খেলৰ গবাকি। নাও শলীয়া ফুকন—নৌকাদি নির্ম্মান কৰা লোকৰ খেলৰ গবাকি। তামুলী ফুকন—বজাৰ তামুলী খেলৰ অধ্যক্ষ। এই পাঁচ জনা সমান বিষয়া। রূপৰ চুলাৰে পানী জাপী পায়। চাঙী, ফেৰ টপী জাপী, পানী বিজুলী, দীঘল দুবলীয়া

বিছনী, ৰূপৰ বেড়ি দিয়া লাখুটী, চান কঠ, এই কেই জনা বিষয়াই মৰ্য্যদা স্বৰূপ ব্যবহাৰ কৰিব পাৰে। চিৰিঙ্গ ফুকন—আহোমৰ পূজা সেৱাৰ কাৰ্য্য কৰা লোক সকলৰ গৰাকি। কাঠ বড়ুৱা, কাকতী আৰু মজুমদাৰ প্ৰভৃতিৰ ওপৰত। শুল পানী বড়ুৱা—বড় ভড়ালৰ গৰাকি। এই তিনিও জনা সমান এঁও বিলাকে ৰূপৰ চুলাৰে পানী জাপী পায়। পৰ্হিচাঙ্গি, ৰূপৰে বেড়ি বন্ধা লাখুটী ও দীঘল নলীয়া ফুল কটা বিছনী পায়। জাল ভাবি ফুকন—বজাই ধৃগয়া কৰাৰ জাল ইত্যাদিৰ কাম কায কৰা খেলৰ গৰাকি। গন্ধিয়া বড়ুৱা—সুগন্ধ দ্ৰব্যাদি প্ৰস্তুত কৰা আৰু যোগণীয়া খেলৰ গৰাকী। মজুমদাৰ বড়ুৱা—কাকতি প্ৰভৃতি খেলৰ গৰাকি। খনিকৰ বড়ুৱা—খনিকৰৰ খেলৰ গৰাকি। সেন চোৱা বড়ুৱা—বজাক সেন মেলি বজ দেখুৱা খেলৰ লোকৰ গৰাকি। এই কেই জনাই ঢেঁকৰ দিয়া চাঙ্গি দোলা পায়। বজাৰ জোঁৱাই সকলে বিষয় আপালেও বড় ভড়ালী বড়ুৱাৰ সমানে মৰ্য্যদা পায়।

তিনি জনা গোঁহাইৰ ল'ৰি গোঁহাই সকলে ৰূপৰ চুলা ঢেঁকৰ দিয়া পৰ্হি চাঙ্গি, বানত দিয়া বহা কঠ পায়। চাঙ্গ মাই বড়ুৱা—বজাৰ চাঙ্গ মাই খেলৰ গৰাকি। তিপমীয়া বাজ-খোৱা তিপমীয়া খেলৰ গৰাকি। হাতী বড়ুৱা—হাতী ধৰা মানুহ মাউত ইত্যাদি খেলৰ গৰাকি। খোঁড়া বড়ুৱা—খোঁড়া শিকোৱা আৰু অথা মানুহৰ খেলৰ গৰাকি। কুকুৰা চোৱা বড়ুৱা—কুকুৰা চোৱা প্ৰহৰি খেলৰ গৰাকি। এওৰ অধীনেই যাৰ পাৰ নথা মানুহ থাকে। এই কেই জনা সমাজ মৰ্য্যদাৰ বিষয়া।

[illegible] বড়ুৱা—[illegible]

চাউ ছাদ বড়ুয়া—চাউ আদর খেলর গবাকি। জলবীয়া বিলাকর মঙবন্ধাদি কার্য্য নিমিত্তে কবা আক সান্তি যজ্ঞা কবাই চাউ তাদর কর্ম্ম।

জবা ধবা বড়ুয়া—বজার ভোগজবা প্রভৃতি লগত লই যোয়া আক তাকে বথা লোকর খেলর গবাকি।

দবর ধবা বড়ুয়া—যি সকল লোকে বজার আগত বজাই খোয়া দধ আগবঢ়াই দিব পারে সেই খেলর গবাকি।

কাঠ কটীয়া বড়ুয়া—কাঠ কটীয়া খেলর লোকর গবাকি। মলিয়া বড়ুয়া—ফুল মালা ইত্যাদি যোগোয়া খেলর গবাকি। ঘিউ বড়ুয়া—ঘিউ চিণী প্রভৃতি খাদ্য দ্রব্য জোগোয়া আক বণা মানুহর খেলর গবাকি। এই কেই জনা বড়ুয়ার সমান মর্য্যদা। গজ পুবীয়া বড়ুয়া—গজ পুবীয়া খেলর লোকর গবাকি। শিলা কুটি বড়ুয়া—শিলর কার্য্য কবা লোকর গবাকি। চড়াই মবীয়া বড়ুয়া—চড়াই মবীয়া খেলর গবাকি। ধেনু চোচা বড়ুয়া—ধেনু চাচি সজা লোকর খেলর গবাকি। যুতকীয়া বড়ুয়া—বজার যৌতুকত অহা লোকর খেলর গবাকি। দুয়রী বড়ুয়া—দুয়রী লোকর খেলর গবাকি। এই কেই জনা বিষয়া সমান। এই সকল বজার নিজর কার্য্য সম্পাদক বা ভিতকয়াল বড়ুয়া।

বজার কুঁৱরী আক বজা হব পবা কোঁৱর সকলর খেলেগা খেলেগা খেল আছে। সেই খেলর লোক সকলে সেই সেই কুৱরী সকলর সকলো কর্ম্ম সম্পাদন কবে।

বাই দজীয়া কুকন—বাই ডজীয়া কুঁৱরীর খেলর গবাকি। পর্ব্বতীয়া কুকন—পর্ব্বতীয়া কুঁৱরীর খেলর গবাকি। খজিয়া কুকন—এজনা কুঁৱরীর (খজিয়া) খেলর লোকর গবাকি।

---

# কিয়নো নাজাগে আমার মন।

(১)

অরুণ উদিছে, জগত জাগিছে,
অরণ্যে বিহঙ্গ গাইছে গীত।
যত পশুগণে, চড়িছে কাননে,
ফুটিছে কুসুম মোহিয়া চিত॥
মধুর সুঘ্রাণ, করি সবে দান,
বহিছে ধীরি ধীরি প্রভঞ্জন।
সবেও জাগ্রত, নিজ কার্য্যে রত,
কিয়নো নাজাগে আমার মন?

(২)

ক্রমে ভানুকর, হইছে প্রখর,
ক্রমেই ধরণী উত্তপ্ত অতি।
গল ছায়াতলে, জীব দলে দলে,
প্রচণ্ড কিরণে সভয় মতি॥
পুরা এক ভাব, এবে আন ভাব,
কালে ঘটে সদা পরিবর্ত্তন।
কিন্তু পরিবর্ত্ত, নাই ই মনত,
কিয়নো নাজাগে আমার মন?

(৩)

আছে রবিকরে, জগত পোহরে,
পুনঃ পরিবর্ত্ত করিছে মেঘে।
বিশ্ব অন্ধকার, মৃত্যু চপলার,
গরজনে জীব বিস্ময় দেখে॥
ক্ষণে পুনর্ব্বার, যায় রৌদ্রধার,
আঁতরয় মেঘ, স্থির গগন।

কত পরিবর্ত্ত, ঘটে নিমিষত;
কিয়নো নাজাগে আমার মন?

(৪)

গ'ল দিনমণি, আছিল রজনী,
কুটিল অম্বরে নক্ষত্র মালা।
করি মধু হাঁসি, উদিলেক শশী;
যত নিশাচর হর্ষে উতলা॥
শ্রম করি দিনে, এবে হর্ষ মনে,
লভিছে বিশ্রাম মানব গণ।
শ্রম কথা দূর, চির নিদ্রাতুর
কিয়নো নাজাগে আমার মন?

(৫)

দিন, রাতি যায়; সূর্য্য, চন্দ্র, ধায়;
পক্ষ মাস বর্ষ কত অতীত।
তেও মোর মন, কিয় অচেতন,
আছয় কেবল চির নিদ্রিত?
ইপোনে সিপোনে, চাওঁ যেই পোনে,
পকরা পিপরা পরাণীগণ।
সবে কার্য্যে রত, আছয় জাগ্রত;
কিয়নো নাজাগে আমার মন?

শ্রীভ।

---

# বিহু।

পণ্ডিত সকলে আকাশ মণ্ডলক দ্বাদশটা রাশিরে ভাগ করিছে আরু তাত বিষুব, মকর আরু কর্কট রেখা নামে

তিনটা রেখা কল্পনা করিছে। আকাশ মণ্ডলত সূর্য্যক পৃথিবীএ সদাই প্রদক্ষিণ করিব লাগিছে। এটা রাশিত সূর্য্য এমাহ থকা যেন দেখি। এটা রাশি পরিত্যাগ করি আন এটা রাশিলৈ যোৱাৰ দিনকে "সংক্রান্তী" বোলে। ৰাৰ মাহত বাৰটা সংক্রান্তী। পৃথিবীএ সূর্য্যক প্রদক্ষিণ করোতে কেতিয়াবা সূর্য্যে সইতে পোন কেতিয়াবা কতিয়া হয়। বিষুব রেখাৰ উত্তৰত যেতিয়া সূর্য্যক থকা দেখি তেতিয়া উত্তৰায়ণ আৰু তাৰ দক্ষিণত থাকিলে দক্ষিণায়ণ বোলে। পুহ মাহৰ ধনুৰাশি এড়ি মাঘ মাহৰ মকৰ ৰাশিলৈ আহিবৰ দিনা মাকৰ (মাঘ) সংক্রান্তী; চৈত্রৰ মীন ৰাশি এড়ি বৈশাখৰ মেষ ৰাশিলৈ আহিবাৰ দিনা মেষ (বিষুব) সংক্রান্তী, আহিনৰ কন্যা ৰাশিক এড়ি কার্ত্তিকৰ তুলা ৰাশিলৈ অহাৰ দিনা তুলা সংক্রান্তী বোলে। আহাৰ গই শাওন সোমাবৰ দিনা দক্ষিণায়ণ সংক্রান্তী; মকৰ সংক্রান্তীৰ আৰু এটী নাম উত্তৰায়ণ সংক্রান্তী।

সূর্য্যৰ আৰু পৃথিবীৰ পৰস্পৰ স্থিতি অনুসাৰে ঋতু হয়। আষোন পুহত জাৰ। পুহ গই মাঘ সোমালে জাৰে বুঢ়া অবস্থা প্রাপ্ত হয়। পাছে ক্রমে গুছে। আষোন পুহত প্রজা সকলে শালিধান কাটি নানাবিধ শাক পাছলি আৰ্জ্জে। সেই কাৰণে উত্তৰায়ণ সংক্রান্তী বা বিহু "ভোগালী" কিয়নো ন ধান, ন মাহ, ন তিল, ন আলু প্রভৃতি বস্তুৰে নানা-বিধ উপাদেয় পীঠা লাড়ু প্রভৃতি খোৱা বস্তু কৰি খাব পাৰি। মাঘ মাহৰ পৰা সূর্য্যৰ গতি ক্রমে উত্তৰ ফালৈ হয়। দিন দীঘল হ'বলৈ ধৰে। ক্ষেতিয়কে নমাটী লয়। বজুয়া মৰকিয়া লয়। ক্ষেতিৰ বহুৰ আৰম্ভ হয়। সকলোৰে ন ধান ন মাহ ইত্যাদি গোটাবৰ কাৰণে অঞ্চল অবস্থা হয়। জাৰ

কালি প্রাণী বৃক্ষ লতা সকলোএই মুজুবা অপবিস্কাব আক ক্ষীণ হয়। মাঘ মাহ পাঁচিলেই সেই অবস্থা গুছে সকলো ডাল হই আহে। সকলোবে মনত আক শবীবত এটা উত্তেজক স্বাধীন আক স্ফূর্ত্তিব ভাব উদয় হয়। অধিক কি গাক মহকো উদঙ্গ মেলা হয়। জাব গুছি বসন্ত কালব উদয় হয়। এই সকল কাবণত মাঘ "পুন্ত মাহ"। মাঘব বিহুবে পবা সকলোএ মিতিব কুটুমব ঘবলৈ যায়। খোৱা লোৱা আমোদ কবে। শীতব কষ্টব পবা মুক্ত হোৱাব বাবে প্রকৃতিএ নব শোভা ধাবণ কবে। সূর্য্যব তেজব নিমিত্তে প্রকৃতিব এইরূপ অবস্থা হোৱাত আক আগলৈ আক ডাল হ'ব এই আশা কবি আগব ঋষি সকলে মাঘী সপ্তমীত সূর্য্যক সকৃতজ্ঞ চিত্তে অর্ঘ্য দান কবিছিল কিয়নো সূর্য্যব তেজব মহিমাত সকলো ভূত বা প্রাণী পদার্থে নব জীবন পালে।

ক্রমে সূর্য্যব তেজ বৃদ্ধি হয় তাব লগে লগে প্রকৃতিবো শোভা আক বৃদ্ধি হ'ল। গছ বৃক্ষ লতা অধিকাংশব ন পাত ওলায় আম জাম কঠাল প্রভৃতিব মুল ওলাবলৈ ধবে। মাঝে মাঝে দুৰাক এৰাক ববষুণ পবিবলৈ ধবিলে পথাবব মাহ দুবৰী সতেজ হয়। প্রজাই সবিয়হ সংগ্রহ কবিলে প্রকৃতিব কত্রমূর্ত্তি তিবোহিত হয়। কাণ্ডনব অজোন ওলালে লোকব আক আশা বৃদ্ধি হয়। আক উৎসাহ বাঢ়ে বি বাবুএ জাব কালি গা ঠেবঙা লগাইছিল সেই বাবু স্নিগ্ধ হবলৈ ধবিলে। বসন্ত কাল পড়িল; ইফালে ভড়ালত ধান, সিফালে জাব কালিব দুঃখ গইছে; ভবিষ্যতলৈ ভাল দিনব আশা হইছে; প্রকৃতি সতেজ হইছে। সকলো প্রাণী উৎসাহিত ও উল্লাসিত হল। কুলি, সমীয়ৰী প্রভৃতি চড়াবিল

গছত পড়ি সুন্দৰ সুৰ বান্ধি মাতিবলৈ ধৰিলে। নানা বিধ বনপুষ্প কুলি ঝকমকাবলৈ ধৰিলে প্ৰকৃতি উল্লাসিত হল। ভগবানে নৱ ৰূপ ধৰিও বৈকুণ্ঠৰ শোভা পাহৰি পার্থিব প্ৰকৃতিৰ লগত ধূলি মাটী পানীৰে গীত পদগাই খেমালি কৰিলে। আন মানুহ কি পদার্থ? সকলোএ সেইৰূপ গীত পদ গাই খেমালি কৰিবলৈ আৰম্ভিলে। নানা গীত নানা লোকে নানা মতে নাচি গাবলৈ ধৰিলে। প্ৰেমিকৰ প্ৰেম, ভক্তৰ ভক্তি উদয় হল। সেইৰূপে আপোনাৰ মনৰ ভাব প্ৰকাশিত হবলৈ ধৰিলে; ভাৰতবৰ্ষৰ সকলো ঠাইলৈকে চোৱা এইৰূপ দেখিবা। কোনো ঠাইত "হলি" কোনো ঠাইত "কার্ত্তিক পুজা" কোনো ঠাইত "মদন চতুর্দ্দশী" বা "মদন কামেৰ বাঁশ" মহা উৎসব। স্বাভাবিক অৱস্থাত যাক অশ্লীলতা বোলা যায় এই অৱস্থাত তাৰ ভাব ঢিলা। "সংহতি কার্য সাধিকাৰ" ৰূপক মূর্ত্তিৰ পূজাত আর্য্যাবর্ত্ত প্রবাহিনী হই যায়। সূর্য্যৰ গতি ক্রমে উত্তৰ ফাললৈ হবলৈ ধৰিলে—দিনৰ পৰিমান দীঘল বাতিৰ পৰিমান ছুটী হল। ক্রমে ভাল দিন পাই লোক সকলে আহু কেতিলৈ মন দিলে। কুহিয়াৰ পেড়া হল। ইক্ষুৰস গুড়ত পৰিনত হল। ক্রমে মীন বাশি এড়ি সূর্য্য মেষলৈ গতি কৰিবলৈ ধৰিলে। লোকৰ নাচ, বাগ, গীত, বাজনাৰ বৃদ্ধি হল। কোনো ঠাইত "চড়ক" কোনো ঠাইত আন কোনা প্রকাৰ খেমালী। চতৰ ২৯ তাৰিখে "উড়ুকা" বা বিহুৰ অধিবাস। বুঢ়া বুঢ়ী, ডেকা ডেকেৰী কোনোএ বঙ্গে খেমালিএ মাছ মাৰিবলৈ গ'ল। বোৱাৰী ঝীয়ৰীএ কাপড় কানি ধুই ঘৰ দুৱাৰ পৰিষ্কাৰ কৰিলে। গৰাই গৰু গাই বিচাৰিলে। বাত্রি প্রভাত হ'ল। দেশ উৎসাহত

পূর্ণ। কৃষিজীবীৰ সংখ্যাই এই দেশত অধিক। মাহ হালধিৰে গৰুৰ স্নান সমাপন কৰি লাউ বেঙেনা হালধি গাত চটিয়াই এড়ি দিয়া হ'ল। গধূলি ন পঘা পালে। লোক সকলে গাধুই নাম কীর্ত্তন কৰি অবস্থা অনুসাৰে ভাল বস্তু খালে। পিতা মাতা গুৰু জনক সেবা ভক্তি কৰিলে। ৩০ চৈত্রত পুৰণি বছৰ গল। গৰুৰ বিহু গ'ল। পাছ দিনা নৱ বর্ষ প্রবেশ। দেশত মহা আনন্দ মিতিৰ কুটুমৰ ঘৰলৈ যোৱা, গোসাই ঘৰলৈ যোৱা, প্রিয জনক কাপড় দিয়া, আদৰ সম্মান কৰা সম্পূর্ণ আমোদ। বিশেষকৈ ডেকা ডেকৰীৰ নাচ গীতৰ প্রভাৱ বাঢ়িল। যন্ত্র অসম্পূর্ণ হলেও নাচ গীতৰ আমোদ প্রবল। এই কাৰণেই চতৰ বিহু "বঙ্গালী"। এইৰূপে কিছু দিন আমোদ আহ্লাদ বঙ্গ ধেমালিত গ'ল। সূর্য্যৰ তেজ প্রখৰ হ'ল। কৃষি আৰু আন কার্য্যলৈ লোকৰ মন গ'ল। গ্রীষ্মৰ প্রভাৱত কার্য্যৰ বেগত প্রকৃতি উত্তেজিত হ'ল। বসুমতি ঋতুমতি নববর্ষৰ শস্য উৎপত্তিৰ নিমিত্তে প্রস্তুত। সূর্য্য প্রখৰ জ্যোতিৰে সমুদ্রৰ জলৰাশি আকাশলৈ নি মেঘৰ দ্বাৰাই পৃথিবীত ঢালিবলৈ ধৰিলে। পৃথিবী জলপূর্ণ। পথাৰ শস্য পূর্ণ। ক্ষেতিয়ক উৎসাহ পূর্ণ। বর্ষা কাল গল। জন্মাষ্টমীৰ উৎসব শেষ হ'ল। পিতৃ লোকৰ প্রতি কৃতজ্ঞতা প্রকাশ হোয়াৰ পাছত নববাত্রি অতিৰিক্ত শ্রম আৰু অতিৰিক্ত বর্ষাৰ কাৰণে লোকৰ মন শিথিল। কিন্তু কন্যা পৰিত্যাগ কৰি সূর্য্য তুলালৈ যায়। "কাতি বিহু" আমোদ তিমান নাই। উৎসাহ তিমান নাই। ভড়ঁালত ধান তাকৰ। কেবল শাস্ত্র সমস্ত বিহু পালন। এই নিমিত্তে "কাতি বিহু কঙালি।"

বৈজ্ঞানিক অথবা সমাজিক যি ভাৱে চোৱা সেই ভাৱেই

"বিহু" চিন্তাৰ বিষয়। প্ৰকৃতিৰে সহিতে উন্নসিত হই আমি "বিহু" প্ৰতিপালন কৰো। সকলো অনুষ্ঠানৰে প্ৰথম অবস্থা সামান্য আৰু ভাল। ক্ৰমে কালৰ গতিত কেতো বিলাক অকামিলা কথা যোগ হই অনুষ্ঠান খোৰ দুষিত কৰে। এতেকে সমাজ সংস্কাৰক সকলে বিহুৰ সাৰ ভাগ বাখি অসাৰ ভাগ পৰিত্যাগ কৰিবলৈ যত্নবান হোৱা উচিত।

বি, ৰ,

---

( খাসিয়া পৰ্ব্বতৰ ওপৰত থিয়দি )

## মনৰ ভাব।

কিয় চক্ষুৰ পাণী বহিছে সঘণে,
কিয় চক্ষু একে ঠৰে চাইছা সেই পোণে!
দেশৰ অবস্থাত দুখী, বুজি তোমাৰ আৰ্থি,
তাতে বুজি কান্দি, চাহা দুঃখ অভিমানে!

কি দেখিছা! সোণাৰ আসাম মাটী,
সুবৰ্ণ প্ৰসূতি ভূমী তেও ভিখাৰিণী!
কি দেখিছা! সোৱোপা আসাম বাসীক,
অচেতন, অজীবন, অচল ধমনী॥
কি দেখিছা! কাঙ্গাল বিদেশী জন
হেথা আসি ধনী সিও লভিছে প্ৰভুত্ব উচ্চ অভিমান।
ধিক্ আমি অসমীয়া নিৰ্জ্জীব পৰাণ॥

কি দেখিছা! মহৰি, কেৰাণি ধৰি কলম কানত,
আধাপেটী ভাত মাত্ৰ কথাত পাৰ্ব্বত,

কাছুটী, চেলেজ নৱই খোজৱ বেগত।
ঊৰ্দ্ধশ্বাসে লৱড়িছে নিজ আপীসত॥
হজুৱৰ বাগ আৰু গড় ছাজিৱ মাত্ৰ কৰিছে ধ্যান।
ধিক্ আমি অসমীয়া নিৰ্জ্জীৱ পৱাণ॥
এই দৱে মাহ শেষে দৰমহাৰ দিন
কেঁয়া মুদি ধৰুয়াই সাৰিলেহি ঋণ
লম্বা বঙ্গা খাতা মেলি দিছে সমিধান।
ধিক্ আমি অসমীয়া নিৰ্জ্জীৱ পৱাণ॥

কি দেখিছা! অসমীয়া! খুছুৱা দোকানীগণ
সিও তোমাক ঋণ জালে কৰিছে বন্ধন।
পৱৱ গোলাম মাত্ৰ দেশী ভদ্ৰগণ,
মৌজাদাৱ, মহৰি সবে কাপ কাঁঠিত মন
স্বাধীন বৃত্তিৱ প্ৰতি সবে অচেতন
ধিক্ আমি অসমীয়া নিৰ্জ্জীৱ পৱাণ।

কি দেখিছা! অসংখ্য জাহাজ, নৌকা নদীৱ বক্ষত,
সৱিহ, কপাঁহ, লাহা ৱৱৱ বোঝ, ভৱাই বুটত
শুহিছে বিদেশীয়ে, এইৰূপে প্ৰতি বোজ,
দেশিৱ আকাল বিদেশিৱ মহাভোজ।
নিদ্রিত আসাম মন নাই নকৱে কান
নিজৱ ধন লোকে খায় নাই একো জ্ঞান
ধিক্ আমি অসমীয়া নিৰ্জ্জীৱ পৱাণ।

কি দেখিছা! কাণীৱ খোলাত বহি কত জন,
কৱিছে কুচুৱি গপ অকথ্য কথন
কতো হইছে, ক্ষেতিয়ক ছাজাৱ পুৱাৱ,
কতো হইছে বেপাৰি সহস্ৰ টকাৱ

কোনোএ কবিছে গপ দুজনে এজনে,
কোনোএ বা ওলাইছে দেশ পৰ্য্যটণে,
কতো ভাঙ্গি কতো পাতি গৈলা ঠাৰে ঠাৰ
ধিক্ আমি অসমীয়া নিৰ্জ্জীব পৰাণ।

কি দেখিছা! শিক্ষিত যুবক যিবা কেই জন
সমাজৰ ভয়ত সদা সঙ্কুচিত মন।
বোপা ককাৰ নিয়মক দৃঢ় মনে ধৰি,
থইছে সত্যক লুকাই ধৰ্ম্ম অনাদৰি
সত্যৰ আশ্রয় বিনা সুসাহস কাৰ?
মিছা ৰূপ কাঁইট জেঙ্গে ভেটি সত্য দ্বাৰ,
নিজোন্নতি, দেশোন্নতিৰ থাইছে মুৰ
দুনাও দুৰ্ভৰী কবি সদায় আতুৰ,
কবোঁ বুলি ধৰোতেই হেকয়ালে মোৰ।
ঊনবিংশ শতৰ প্রায় পৰিলহি ওৰ
নিজৰ আৰু দেশৰ প্রতি নাই মন কাণ,
ধিক্ আমি অসমীয়া নিৰ্জ্জীব পৰাণ।

শিবিক সম্বোধি হঠাৎ শব্দ-শুনোকাৰ
অকস্মাৎ শুধিলে মোক, "আসাম আজিকাৰ"
হায়! কি বিষাদ কথা শোকৰ সাগৰ
ভাষাছা ভাবুক আসাম কি তোমাৰ?
ভাষাছা ভাবুক তোমাৰ কোন অধিকাৰ?
জেহ্ খড়িৰ জন্ত আমি কবিছো হাহাকাৰ!
বল শক্তি জ্ঞান বুদ্ধিত সমান অধিকাৰী
তত্রাচ অসমীয়া কীয় দৰিদ্র ভিখাৰি?
ধিক্ মান হীন আমি আসাম নিৱাসী।

যবত থাকিও আমি সদায় প্রবাসি
বাগীছাব সাহাব জমীদাব, তাবো ধন মাব
ধিক্ আমি অমমীয়া নির্জ্জীব পবাণ।

এতিয়াও আছে কিছু আমাব উপায়
উঠা অসমীয়া হই এক মন কায়।
দেশব নিমিত্তে সদা কবাহা যতন
এলাহত পবি কাল নকবা হবণ
জি জাতিত নাই "একতা" "জাতী'তা"
সি জাতিব মান—পবব অধীনতা
অতএব সবে কবা দৃঢ় পণ,
স্বদেশব হীত চিন্তা সর্ব্বক্ষণ
ন হয় কি দুখ মনত উদয় এবাব ?
ভাবি দেখা যেবে "আসাম আজি কাব" ?
দেখা বঙ্গে কেনে বঙ্গে উন্নতি সাধয়
বাখিছে নিজব সত্ব পবক নেদয়
শিল্প বাণিজ্যাদি যত উন্নতিব পথ
সকলোতে বঙ্গ বঙ্গে সিদ্ধ মনোবথ
নতুন নতুন কত বাতবি কাকত
সাধিছে দেশব হিত হইয়া বেকত
আসাম তোমাব কপালব গতি, দেখা—
"মিষ্টচ" খনি মবো মবো প্রায় সদায় আধা লেখা ॥
"মিহিব" "দর্পণ," বিলাসিনী" (কলৈ) গল
হায় ! বিস্মৃতিব বক্ষত সকলো ছবিল !
কিমো বিধাতাব কোপ তোমাব প্রতি,
কিয় নহয় দেশীয়ব সজ বুধি মতি ?

বাতৰি কাকতত যাৰ নাই ভাৰষা,
সি দেশত বৃথা উন্নতিৰ আশা ?
কি লেখিলে বিধতায় তোমাৰ কপালে ?
আসাম বাসীক সৰ্ব্বসাশে পালে
বিদেশীয়েই কি নিব সৰ্ব্বস্ব তোমাৰ ?
ভাবুক এবাৰ ভাবা আসাম "আজিকাৰ" ?
আসামৰ মাটী পৰম উৰ্ব্বৰা
এনে ভূমীৰ যদি আদৰ নকৰা
ভাটীৰ চাউল আমদাণি নহলে ?
ধিক্ অসমীয়া তোমাৰ জীবন নচলে।
নিদ্রা পৰিহৰি এবাৰ ভাবা কি হল !
" যবত জুই ধোদ এলাহত তেও বিহ্বল।
এতিয়া নকৰা মন নিচিন্তা উপায়,
পিচত পস্তাবা সবে খাবলৈ না পায়।
লাগিব হুবগৈ সবে বিদেশীৰ চাকৰ
ভেতিয়া বুঝিবা সবে আসাম " আজিকাৰ" ?

( পৰিবৰ্ত্তিত ) ক, ভ,

মন্তব্য। পৰ্ব্বতৰ শিখৰত উঠি এই জনা লেখকে অপূৰ্ব্বৰূপে এই ভাব প্রকাশ কৰিছে। লেখকৰ ভাব আৰু ছন্দ দুয়ো ন।

---

# স্বাধীনতা নে স্বেচ্ছাচাৰ।

( ১৪৩ পৃষ্ঠাৰ পৰ। )

যাৰ অনুগ্রহত ভাগৰুৱা জীবনে ভাগৰ পলুয়ায় ক্ষুধা-তুৰে আহাৰ পায়, তৃষ্ণাতুৰে পানী পায়, হায় ! কেনেকৈ ভেঁওক পৰাধীনা বুলিম ? সাবিত্রী, সীতা, শকুন্তলা, ইত্যাদি আৰ্য্য ৰমণীবিলাক পৰাধীনা ? এওঁলোকেই যদি পৰাধীনা

হব লাগিল. সংসাৰত স্বাধীনা তিৰতা কোন? স্বাধীন শব্দ-বেই বা অর্থ কি? আহা! পতি-ভক্তি, গুৰুজনৰ প্ৰতি শ্ৰদ্ধা, সাংসাৰিক কাৰ্য্য কুশলতাই এঁও লোকৰ জীবনক কি পবিত্ৰ কৰি তুলিছিল, কি মধুৰ সজ্জাৰে সজাই, স্বৰ্গীয় ভাবেৰে অনুপ্ৰাণিত কৰি অমৰ-বাঞ্ছনীয় কৰি তুলিছিল! সেই নিমিত্তেই সাবিত্ৰী জগৎপূজনীয়া; সীতা লক্ষ্মীস্বৰূপা। আজি কালিৰ অবৰোধ প্ৰথাৰ বহির্ব্বৰ্ত্তিনী গাভৰুএ নতুন শিক্ষাৰে শিক্ষিতা হই গিৰিয়েক যোগেশ্বৰ বাবুক হয়তো "প্ৰাণৰ যোগেশ" বা "প্ৰাণনাথ" "প্ৰিয়তম" (ডার্লিঙ্গ) বুলি তেঁওৰ মন তুষিব পাৰে, কিন্তু আমাৰ চহা নিয়মৰ তলতীয়া সাধাৰণ অসমীয়া গাভৰুএ যি ভয়, ভক্তি ও প্ৰেম মিশ্ৰিত ভাবেৰে গিৰিয়েকক দেখে ও তেঁওৰ লগত ব্যবহাৰ কৰে, নব শিক্ষি-তাৰ অন্তঃকৰণত সেই ভাব নাই—তেঁও গিৰিয়েকক জীব-নৰ সঙ্গী এজন বুলি অনুমান কৰে, আমাৰ চহা বোৱাৰীএ গিৰিয়েকক তাইৰ জীৱনৰ অধিকাৰী বুলি ভাবে; "সুলো-চনা" বোৱাৰীএ গিৰিয়েকৰ লগত লগবীয়াৰ ব্যৱহাৰ কৰে, "ৰূপহীএ" তেঁওক ইষ্টদেৱৰ দৰে দেখি চকুলৈ চাই কথা কবৰ সাহ নেপায়। এজনাই শাহু-শহুৰক সামান্য বুঢ়াবুঢ়ীৰ লগত গণ্য কৰি কাপড়ৰ বাতে উড়াই নিব খোজে, আন জনাই তেঁও লোকক পিতৃ-মাতৃৰ দৰে গুৰুজন ভাবি তেঁও লোকৰ পদধূলি গ্ৰহণ কৰি নিজক ভাগ্যবতী বিবেচনা কৰে। এজনাই শাহু-শহুৰে কেনেবাকৈ দেখা পায় বা মাত শুনে বুলি সদাই সঙ্কুচিতা হই ফুৰে, আন জনাই সিহিলাকক মানুহ যেনকে নেদেখে। চহা, আৰু নতুন শিক্ষাৰ ইমান প্ৰভেদ! মনোমত গহনা দি সন্তুষ্ট কৰি থাকিব নোৱা-ৰিলে এজনাই গিৰিয়েকক বিষ চকুৰে দেখে, আন জনাই

গিবিয়েক আৰু সিন্ধুবৰ ফোটটোকো সৰ্ব্ব-সম্পত্তি বিবেচনা কবি যি অবস্থাত থাকে, তাতে কপালক থিয়াই মনব সুখেবে দিন কটায়।

সেই নিমিত্তেই দুঃখিত অন্তঃকবণেবে কওঁ যে আজি কালিব তিব্বতাবিলাকক যি বিধৰ স্বাধীনতা দিবলৈ উলিয়াইছে, সি "স্বাধীনতা" নহয় "স্বেচ্ছাচাবিতা।" তিব্বতাক নিজব ইচ্ছাব তলতীয়া কবি দিব না লাগে; শাহু শহুবক তল পেলাই গাভৰু বোৱাৰীক সংসাবৰ সৰ্ব্বময়ী কৰ্ত্রী কবি দিয়া একেবাবেই অযুক্তত। সেই নিমিত্তে মহৰ্ষি মনুয়ে হাত ডাঙ্গি ডাঙ্গি মনু-সংহিতাত "নস্ত্রী স্বাতন্ত্র্যমর্হতি" "পিতা বক্ষতি কৌমাবে ভর্ত্তা বক্ষতি যৌবনে" ইত্যাদি ৰূপে উপদেশ দি গৈছে। এই বিলাক কথাত যে অল্প সাব আছে, আমি তাক ভাবি চাব লাগে। সীতা, সাবিত্রী শিক্ষিতা বোৱাৰী আছিল—তেঁও লোকৰ ভিতৰত স্বয়ম্বৰ পাতি পতি বাচিও লইছিল, কিন্তু তেঁও লোকে কেতিয়াও মান্য জনৰ মানত আঘাত কবা নাছিল তেঁও লোকে ভক্তি জল সিঁচি সেই মানক অধিক কবি পবিপুষ্ট কবি তুলিছিল। পৰপুৰুষক তেঁওলোকে ভাই বা পিতাকৰ দবে দেখিছিল, কিন্তু আজি কালিব নবশিক্ষীতাই গিবিয়েকৰ লগৰীয়া দুজন বা এজন ডেকাৰ লগত মুখ চুপতি মবা বা দুই চাবিটা বহস্য কবা একো অসৎ কার্য্য যেন অনুমান নকবে। হায়! কালৰ কি পবিবর্ত্তন! সময়ৰ কি বৈচিত্র্য! আই সাবিত্রি! এবাৰ এই মর্ত্ত্যভূমিলৈ নামি আহি তোমাৰ বোৱাৰী জীয়াৰী বিলাকক চাই যোৱাহি, তেঁও লোকে লাহে লাহে কেনেকৈ বিপথা হবলৈ ধবি তোমালোকৰ জগৎ-পূজ্য নামত কলঙ্ক আনিবলৈ ধবিছে। তুমুকি মাবি চাই তাৰ প্রতিকাৰৰ

উপায় কৰি যোৱাহি। নৱ ডেকা! তোমাৰ ভ্ৰম বুজা, তোমাৰ স্ত্ৰীক শিক্ষা দিয়া কিন্তু স্বাধীনতাৰ ছল কৰি স্বেচ্ছাচাৰ নিদিবা বা দেশী শিক্ষা এড়ি বিদেশী শিক্ষা নিদিবা।

ৰ, মহন্ত।

---

# বিবেক।

ময় এদিন ফুৰোঁতে ফুৰোঁতে এটা চাৰি আলীৰ মুৱত উপস্থিত হলোঁগাই। তাতে সৌভাগ্যক্ৰমে এজন অসাধাৰণ পণ্ডিতৰ লগত মোৰ দেখা হল। পণ্ডিত জন বুঢ়া আছিল। আহা! তেঁওৰ কি শান্ত গম্ভীৰ প্ৰকৃতি! কি সৰল স্বভাৱ! দেখিলেই ভক্তিৰ উদয় হয়। এনে বোধ হয় যেন সংসাৰৰ লগত তেঁওৰ কোনো সংস্ৰৱ নাই অথচ সকলোৰে হিতাকাঙ্ক্ষী। ময় সেই মহাপুৰুষ জনৰ ভৰিত দীঘল হই পড়ি হাত যোড় কৰি সুধিলোঁ। মহাশয়! এই ঠাইৰ নাম কি? আৰু আপুনিৰা কোন এই চাৰি আলীৰ মুৱক শোভিত কৰিছেহি? পণ্ডিত জনে মিচিকিয়াই হাঁহি উত্তৰ কৰিলে হেৰা পথিক! তুমি মোক চিনিব পৰা নাইনে? মোৰ নাম "বিবেক"। ময় সদায় জ্ঞান চৰ্চ্চাতেহে দিন মিয়াঁও। মোৰ কেইটামান প্ৰিয় ছাত্ৰ আছে তেঁও বিলাকে মোৰ ইয়াতেই জ্ঞান আলোচনা কৰিবলৈ সদাই আহে। এই চাৰি আলীৰ ওচৰতে মোৰ পঢ়াশালী, এখন আছে। আৰু এই চাৰি আলীৰ মুখৰ নাম "ভ্ৰম"। দুৰ্ভাগ্যক্ৰমে ইয়াৰ পূৰ্ব্বে মোৰ এই পণ্ডিত শ্ৰেষ্ঠৰ লগত কেতিয়াও দেখা হোৱা নাছিল তেঁওৰ নামো কেতিয়াও শুনা নাছিলোঁ তেঁও কৃপা কৰি মোক তেঁওৰ

পরিচয় দিলে তথাপি মর এতিয়াও তেঁওক ভালকৈ চিনিব নোৱাৰিলোঁ। তেঁওক দেখিবৰে পৰা মোৰ মনত ভক্তিৰ উদ্ভৱ হইছে। মোৰ মনৰ সকলো কথাকে এই দৰে তেঁওৰ আগত ভাঙি কবলৈ ধৰিলোঁ। মহাশয়! মই ৰোগ, শোক, ভয়, দাৰিদ্র্য প্রভৃত সাংসাৰিক কষ্ট সহ্য কৰিব নোৱাৰি এই পর্য্যটন ব্রতৰ আশ্রয় লইছোঁহি। কলৈ যাম কি কৰিম একোকে থিৰ কৰিব পৰা নাই। বহু দিন এই দৰে ঘুৰি ঘুৰি আজি আহি আপোনাৰ ওচৰ পাইছোঁ। এই বাটটোৰ নাম কি তাক মই নাজানোঁ। সৌৱা যে আৰু তিনটা আলী দেখা গইছে তাৰেই বা নাম কি? আৰু তাৰ ভিতৰৰ কোনটোৱে গলে কোন ঠাইত উঠিব পাৰি তাকো নাজানোঁ। এতেকে মোক অনুগ্রহ কৰি ইয়াৰ সবিশেষ বৃত্তান্ত জানিবলৈ দিলে চৰিতার্থ হম।

বিবেকে কলে "পথিক! তোমাৰ কথা শুনি মই বড় দুঃখীত হলোঁ। তুমি ডেকা মানুহ; এই হেন বয়সত তুমি সংসাৰিক দুঃখ, শোক আদি সহিব নোৱাৰি অবশ্য কর্ত্তব্য সংসাৰ ধর্ম্ম পৰিত্যাগ কৰি ভাল কৰা নাই। পৃথিবীত যিমান আশ্রম আছে তাৰ মাজত গৃহস্থাশ্রমেই সকলোতেকৈ প্রধান। যি হওক তুমি যি বাটেৰে ইয়ালৈ আহিছা তাৰে অল্প দূৰতে এজন ভাল অধ্যাপক এখন পাঠশালী আছে মোৰ বোধ হয় তুমি সেই অধ্যাপক জনৰ চকুত নপৰিলা পঢ়া হলে তোমাৰ অন্তৰত ঔদাসীন্ত ভাব অল্প মানো থাকিব নোৱাৰিলে হেতেন। তেঁওৰ নাম "ধৈর্য্য"। ধৈর্য্য মোৰ এজন প্রধান শিষ্য"।

"তুমি যি বাটেৰে ইমান দূৰৈলৈ আহিছা তাৰ নাম "দুশ্চিন্তা"। সংসাৰৰ বিঘ্ন বিলাক অতিক্রম কৰিব নোৱাৰি

তোমাৰ দৰে আৰু বহু বহু ডেকাই সন্ন্যাসীৰ বেশ ধৰি এনেকৈ আছে হয় কিন্তু ভাগ্যগুণে যাৰ লগত মোৰ প্ৰিয় শিষ্য ধৈর্য্যৰ দেখা হয় তেঁও কেতিয়াও ইমান দূৰৈলৈ আহিব নোৱাৰে। ধৈর্য্যে তেঁওক অশেষ প্ৰকাৰ শাস্ত্ৰনাৰ দ্বাৰাই ক্ৰমে সুশিক্ষিত আৰু স্থিৰ কৰি সংসাৰলৈ ওভোতাই পঠাই দিয়ে।

"মোৰ প্ৰিয় শিষ্য ধৈর্য্যৰ পাঠশালীলৈ মই সদাই অহা যোৱা কৰি থাকোঁ আৰু মাজে সময়ে তেঁওৰ ছাত্ৰ বিলাকৰ পৰীক্ষা লওঁ। যি ছাত্ৰে মোৰ পৰীক্ষাত উত্তীৰ্ণ হব পাৰে তেঁওক মই পুৰস্কাৰ আৰু এখন প্ৰশংসা পত্ৰ দি বিদায় দিও। এই দৰে মোৰ মৰমৰ পাত্ৰ ইহ বেইএ আকৌ গৃহস্থাশ্ৰমৰ আশ্ৰয় লয় তেঁওৰ সাংসাৰিক সুখৰ সীমা নাথাকে। কিন্তু দুৰ্ভাগ্যক্ৰমে যি জনে ধৈর্য্যৰ বা মোৰ আগত নপড়ে তেঁওৰ বড় দুৰ্গতি হয়। তুমি সমুখতে যি তিনটা আলী দেখিছা তাৰ এটাৰেও তুমি নাযাবা, গ'লেই তোমাৰ বিপদ ঘটিব।

পথিক! দুশ্চিন্তা পথৰ ওচৰত যি বাটটো দেখিছা তাৰ নাম "উন্মাদ"। উন্মাদ পথ কিমান দুৰৈত কত উঠিছে কোনোএ কব নোৱাৰে। এই বাটৰ মুৰতে যি বিলাক ডাঙৰ ডাঙৰ ঘৰ দেখিছা সেই বিলাক ঘৰ বিপদৰ ভণ্ডাৰ মানুহে তাক "মদৰ দোকান" বোলে। মোৰ লগত তোমাৰ দেখা নহলে তুমি অবশ্যেই তালৈ গ'লা হেতেন গ'লেই তোমাৰ বক্ষা নাছিল। নাজানি মুগুমি বহু মানুহে সেই বাটেৰে গই বিপদত পড়িব লাগিছে। পথিক! এই পিনে চোৱা সাপৰ দৰে যি বেঁকা বেঁকী এটা বাট দেখিছা তাৰ নাম "আত্ম হত্যা। মোৰ লগত দেখা নোহোৱাত তোমাৰ নিচিনা বহু মানুহে সেই বাটেৰে গ'ই প্ৰাণ হেকৰাইছে। যই

তোমাক যি অত্মহত্যা নামে বাটৰ কথা কলোঁ তাৰ মুখতে "দুৰ্ম্মতি" নামে এজনী কপবতী বেশ্যাৰ ঘৰ আছে, তাই এই অবস্থাৰ বাটকৰা মানুহ লগ পালেই তাক তৎক্ষণাৎ বিমোহিত আৰু জ্ঞান শূন্য কৰি, দয়া, ধৰ্ম্ম ইত্যাদি ভেঁওৰ গাত যি যি বহু মূল্য অলঙ্কাৰ থাকে তাকে ছলে বলে কাঢ়ি লই তাৰ পৰিবৰ্ত্তে তাই হিংসা, অধৰ্ম্ম, খলতা, পৰনিন্দা কপ ভয়ানক হলাহল হাতত দি ভেঁওক বিদায় দিয়ে। বিদায় কৰি দিয়াৰ পিছে পখিকে আৰু বহু দূৰৈলৈ যাব নোৱাৰে। সোন কালেই মৃত্যু আহি লগ ধৰি পৃথিবীৰ পৰা চিৰ দিনৰ নিমিত্তে ভেঁওক আতৰাই লই যাব। শ্রীন, কু,

গুৱাহাটী।

---

# উন্নতিৰ চাৰিখান দুয়াৰ।

মনুষ্য জাতিৰ এতিয়া যেনে অবস্থা চাৰি বা পাঁচ বছৰ পূৰ্ব্বে তেনে নাছিল। সেই সময়ত এতিয়াৰ দৰে চাৰি খনি দুয়াৰ মুকলি নাছিল বা নহইছিল। মনুষ্য ইতৰ প্রাণীতকৈ বিবেচনা আৰু বুদ্ধিত শ্রেষ্ঠ। এই বুদ্ধিৰ ক্রমোন্নতি আছে। পশু পক্ষীৰ মাজতো বুদ্ধিৰ বিশেষ পৰিচয় পোয়া যায়। কিন্তু তাৰ উন্নতি নেদেখি। পাঁচশ বছৰ পূৰ্ব্বে টোকোৱা চৰাইৰ বাহ যেনে এতিয়াও তেনে। কিন্তু মানুহৰ বুদ্ধি কৌশল উন্নতিশীল হোৱাত সেই কালৰ ঘৰৰ অবস্থা এতিয়াৰ ঘৰৰ অবস্থাৰে একে নহয়। আমাৰ উন্নতিৰ, যি বিলাক বাট উলিওৱা হইছে তাৰ মাজত এই চাৰিটী বাট প্রধান।

প্রথম কল্পাস বা দিক্ নিৰূপক যন্ত্র। সমুদ্রত জাহা-

জেবে অহা যোৱা কবাত পূর্ব্বে বড় অসুবিধা আছিল। আজি চাবিশ মান বছৰ হইছে চুর্ব্বক বা মেগনেট্ লো আবিষ্কাৰ হল। ইয়াৰ কাইটৰ মুখ সদাই উত্তৰ কালৈ পোন হই থাকে। এই কাইটৰ দ্বাবা কম্পাস যন্ত্র প্রস্তুত হ'লত তাবে যিঠাইত যেতিয়া থকা যায় দিক্ নিরূপন কবা ঢিলা হ'ল। সেই কাবণে সমুদ্রেদি নানা দেশলৈ যোৱা অহা সুচল হ'ল। বেপাৰৰ সুগম উপায় হল। নানা ঠাইৰ বস্তু নানা ঠাইলৈ আমদানি বপ্তানি হবলৈ ধবিলে নানা দেশৰ সানুহ নানা দেশলৈ যাবলৈ ধবিলে। এই রূপ হোৱাত সভ্যতা বৃদ্ধিৰ এখান বড় দুৱাৰ মুকলি হ'ল।

দ্বিতীয়—পূর্ব্বে মানুহে হাতেবে পুথী লেখিছিল তাবে পুথীৰ জ্ঞান সাধাবণত প্রচাৰ হবৰ সুচল উপায় নাছিল। কোনো দেশৰ বা সময়ৰ জ্ঞান বা জ্ঞানৰ কথা সেই সময় বা সেই ঠাইতে আছিল। কিন্তু ছাপাৰ যন্ত্র প্রচাৰ হলত সেই অসুবিধা নিবাৰণ হল। এক দেশৰ এক সময়ৰ জ্ঞানৰ কথা আৰু জ্ঞানীৰ মনৰ ভাব নানা দেশলৈ যাবলৈ ধবিলে। ছাপা যন্ত্রৰ দ্বাবেই হাজাৰ হাজাৰ পুথী প্রচাবিত হ'ল। সময়ৰ দূৰতা গুছিল।

তৃতীয়—বাষ্প বা ভাপৰ যন্ত্র। ইয়াবে নানা ঠাইলৈ যাৱ পাবা নানা কার্য্য সাধিব পবা অনেক উপায় সৃষ্ট হইছে। ভাপৰ জাহাজ, ভাপৰ গাড়ী, ভাপৰ যন্ত্র এই বোৰৰ দ্বাবা মনুষ্যৰ কিমান উপকাৰ সাধন হব লাগিছে তাক সকলোএ জানে।

চতুর্থ—তাড়িত যন্ত্র—বিজুলী যন্ত্র তাক। ইয়াৰ দ্বাবাই টেলিগ্রাফত বার্ত্তা অহামেলাৰ যি উপায় হইছে তাক কোৱা বাহুল্য।

এই কেই বিধ আবিষ্কাৰৰ দ্বাৰা স্থান আৰু সময়ৰ দূৰত্ব একে বাৰে গুছিছে। উন্নতিৰ বাটৰ যি কাইট আৰু বিঘ্ন আছিল সি গুছিছে মানুহৰ এতিয়া এনে সময় হইছে। বিশ্বনিয়ন্তা পৰমেশ্বৰে আগলৈ কি উপায়েৰে ভেঁওৰ পৃথিবীৰ শোভা বৰ্দ্ধন কৰে তাক জনা টান। ভেঁও মাত্ৰ জানে।

স ম।

---

# গাৰো বৃত্তান্ত।

## ২য় আধ্যা।

### সমাজ।

সামাজিক পৰিবৰ্ত্তন আৰু খ্ৰীষ্ট ধৰ্ম্মৰ প্ৰচাৰ। গাৰো সমাজত লাহে লাহে বড় পৰিবৰ্ত্তন হব লাগিছে। আজি কালি বহুত গাৰোএ খ্ৰীষ্ট ধৰ্ম্ম ভজিবলৈ ধৰিছে। বহুতে পাদুৰি সাহাবৰ লগ পাই অল্প অচৰপ লেখা-পঢ়া শিকিবলৈকো ধৰিছে। এই খ্ৰীষ্টীয়ান গাৰোবিলাকৰ আধিক্যত লাহে লাহে, আগৰ আধ্যাত লেখি অহা কদৰ্য্য নিয়ম বিলাকৰ অন্ত পড়ি আহিবলৈ ধৰিছে। খ্ৰীষ্টীয়ান গাৰোএ দেখুৱাই মদ নাখায়। আৰু সেই যিন লগা নিয়ম বিলাকো নীচৰে। এই হেন পৰ্ব্বতৰ চেচাতো খ্ৰীষ্ট ধৰ্ম্মৰ পোহৰ পাইছেহি। বছৰে বছৰে পাদুৰি সাহাব আৰু দেশীয় প্ৰচাৰকে গাৰোৰ প্ৰতি ধৰ্ম্ম প্ৰচাৰ কৰিব লাগিছে। একো জঞ্জাল নাই, একো হাই পেঁচাল নাই, দুটা সুখৰ মুখ দেখুৱাইছে, মিঠা মুখেৰে দুটা সুন্দৰ কথা কইছে. হোৱা

গাৰো সহজ মনেৰে বিশ্বাসী খ্ৰীষ্টীয়ান হ'ল। আকৌ এমেও আছে যে বহুত খ্ৰীষ্টীয়ান গাৰোএ খ্ৰীষ্টৰ নামকে মাজানে, সিহঁত কি হইছে একো কব নোৱাৰে। সিহঁতে ইয়াকে জানে যে দহোটা খিপিনে গইছে, সেই পিনে গলেই ভাল তেহেলৈ হুলেই থাকোক বা জোঙেই থাকোক। ইহঁতে আৰু এটি কথা জানে—দেৱবাৰে গিৰ্জা ঘৰলৈ গই "পাখনা" কৰিবগৈ লাগে।

গাৰোৰ ভিতৰত তিকতাৰ মৰ্য্যাদা। তিকতা গাৰো-সমাজৰ মহাশক্তি। গাৰোহঁতৰ ভিতৰত লৰাতকৈ ছোৱালীৰ আদৰ অধিক। ছোৱালীয়েই সিহঁতৰ সৰ্ব্বসম্পত্তিৰ গৰাকী। আমাৰ মাক-বাপেকে লৰা হলে আনন্দত মগ্ন হয় ছোৱালী হলে কেৱে নৈত উটাই দিবলৈ কয়। গাৰোহঁতে ছোৱালী হলে তুলি-তালি ডাঙৰ-দীঘল কৰি-বলৈ দিয়ে, আৰু লৰা হলে বাতৰিকে নলয়। আমাৰ পুতেকৰ পুতেক উত্তৰাধিকাৰী, গাৰোহঁতৰ ঝীয়েকৰ পুতেক বা ভাগিনীয়েক সৰ্ব্ব-সম্পত্তিৰ গৰাকী। তিকতাৰ সামাজিক অবস্থালৈ চালে অসভ্য গাৰো সমাজ সভ্যতম ইংৰাজ-সমাজৰ লগত বহুত মিলে। অমিল অল্প গাৰোৱ্ৰণীয়ে লেখা-পঢ়া কাক বোলে কব নোৱাৰে, গাৰোৱ্ৰণীয়ে গা চিকুলাব নেজানে। বিবি বিলাকে জানিবা লেখিব পঢ়িব জানে, আৰু উন্নত কচিব দাসী হই গাৰ ধুন বঢ়োৱাত ঘৰ কাজি। ইয়াত বাজে সকলো একে বুলিলেই হয়। ইংৰাজ-সমাজত তিকতাৰ যিমান আৱম্, যিমান মান, গাৰো-সমাজত গাৰোৱ্ৰণীৰো সিমান আৱম্, সিমান মান। সাহাব আৰু মেমে হাতত ধৰাধৰি কৰি ঘুৰিলে যেনেকৈ ইংৰাজ সমাজে নিন্দা নকৰে, গাৰোৰ লগত গাৰোৱ্ৰণীয়েও গাৰোৰ

দুঃখৰ অৰ্দ্ধ ভাগিনী হই লগে লগে ফুৰিবলৈ গাৰো-সমাজে গৰ্হিত বেন বিবেচনা নকৰে। ইংৰাজৰ দৰে গাৰোএ খাৰৰ সময়তো সকলোএ একে পাততে খাবলৈ বহে। এদিন গাৰোৱ্ৰণী এজনীয়ে খাই থোৱাত ভাইৰ পাততে বহি ভাইৰ গিৰিয়েকক খোৱা দেখিছোঁ, তিকতাক সম্মান কৰা গাৰোইঁতৰ আদৰণীয় নিয়ম; গাৰোবিলাক খিমালকৈ খ্রীষ্টীয়ান হব লাগিছে, বোধ কৰোঁ অৰ্দ্ধ-শতিকা মানৰ পাছত প্রকৃত গাৰোৰ সঁচ এটিও নাথাকিব। আৰু চিৰ-কাল এই দৰে চলি থাকিলে যে গাৰো-সমাজ এদিন ইংৰাজৰ দৰে উন্নত সমাজ হব, তাক খিবাং কবি কব পাবি।

গাৰোবিলাকৰ মাজত, আমাৰ কোনো গোঁসাই বা মহন্ত সকলে ধর্ম্ম প্রচাৰ কৰিলে সিহঁতে হিন্দু ধর্ম্মও গ্রহণ কৰিব পাবে। ধর্ম্ম প্রচাৰকৰ এনে বৃত্তিত লাভৰ বাটো আছে। গাৰো বিয়া। ওপৰত কইছোঁ যে গাৰোতকৈ গাৰোৱণীৰ মর্য্যাদা সবহ। বিয়াতো গাৰোৱ্ৰণীৰ হাত ওপৰ। আমাৰ হলে সবাই বিয়া কৰায়, গাৰোইঁতৰ ছোৱালীএ বিয়া কৰায়। আমাৰ কালে দবাই ছোৱালী বাচে, গাৰোইঁতৰ ছোৱালীয়ে দবা বাচে। আমাৰ ছোৱালী দবাৰ ধৰণৰ গৈ দবাৰ ধৈণী হয় সিহঁতে দবাক কন্যাৰ ধৰণৰ নি ধৰজীয়া বাখে। ইয়াৰ পৰা সকলোৱে অনুমান কৰিব পাৰে যে অসভ্য গাৰোইঁতে সভ্যতাৰ ভাৰ দেখুৱা বহুত অসমীয়া আৰু বঙ্গালী ভায়াইঁতৰ দৰে পেটৰ পোৱালীক অৰ্থৰ সামৰিব নোৱৰা লোভত মুগ্ধ হৈ চিৰকালৰ নিমিত্তে দুঃখৰ অতল সাগৰত মেপেলায়। গাৰো-মাক-বাপেকে ছোৱালীৰ গাৰ ধন লব নোৱাৰে, গতিকেই বুজিব পাৰি ন ভিয়হৰ জালিৰ দৰে ফুমলীয়া গাৰো-ছোৱালী কেতিয়াও

[illegible] পৈশাচিক [illegible] [illegible] [illegible] [illegible] পঞ্চাচুলীয়া, দাঁড়-লোলোয়া আর গাব [illegible] [illegible] ওপুরি দিয়া ভুয়াড় পাবি [illegible] [illegible] [illegible] [illegible]

যদি জপিয়াই কোনোবা এটা দূবৈত মবেগৈ। তেনে হলে সেই লগা ভাঙ্গি যোৱাতো মতা হলে দম্পতিব সুখব ঘবত দবাই বিপদ ঘটাব, আৰু মাইকী হলে কন্যাব পবা এই বিপদব সম্ভাবনা কবা যাব। এই শোপা দুই গলে ববা গাহবি বা গৰু আৰু কুকুবা চড়াই কিছু মানেবে উদব পূজা কবি গাৱোহঁতে বিয়াব কায সমাধা কবে। গাৱো-সমাজত বাল্য বিবাহ নাই বুলিও লেখিব লাগিছে নে? যি সমাজত বিয়াব এনে নিয়ম, তাত মুনিহ বা তিৰুতা কোনোবা বড় কুস্বভাৱব হলে যে এটাই এটাক এড়ি আন এটাক বিয়া কবাব পাবে তাকো নেলেখাকৈয়ে সহজে অনুমান কবি লব পাবি।

ব, মহন্ত।

---

# তিনটি নাই—উন্নতি কেনেকৈ?

শিক্ষা নাই—শিক্ষা নাই—এই চীৎকাব কিয়? সাহিত্য, গণিত, ভূগোল, ইতিহাস, বিজ্ঞান আদি কবি কিমান অসংখ্য বিষয় আছে; তাবে ক্রমে ভাষাব নিয়ম প্রণালী, গ্রহ-নক্ষত্রাদিব দূবত্ব পবিমাণ, পৃথিবীব স্থান নিৰূপণ, ঐতিহাসিক ঘটনাব চবম-ফল, যৌগিক বস্তুব মূল নির্ণয়, ইত্যাদি অনেক বিষয় জমা যায়; তথাপি শিক্ষা নাই—শিক্ষা নাই—এই বিফল চিএবণীব সকাম কি? ভাল মানিলোঁ, উচ্চ উচ্চ বিষয় আছে, উচ্চ উচ্চ শিক্ষা আছে, তুমিও এই এটাই বোৱকে জানা; কিন্তু এই শিক্ষাবে আপোনাব, আপোন দেশব আপোন কর্ত্তব্য কর্ম্মব প্রকৃত উদ্দেশ্য সিদ্ধ হয়নে? যি

শিক্ষাৰে এই তিনটি উদ্দেশ নিসিজে, সি শিক্ষাই নহয় শিকো তাৰো জন্ম বিফল, জীবন ধাৰণ বিফল, জন্মৰ উদ্দেশ বিফল—তেনে শিক্ষা কৰিলেও হয়, ন কৰিলেও হয়। ময় সাহিত্য আদি এটাই বোৰ বিষয়কে জানোঁ, সুতৰাং "ময় বড় পণ্ডিত" সদাই মোৰ এই অভিমান—কাৰণ মোৰ শিক্ষা-বৃক্ষৰ মূলত নীতি বা ধৰ্ম্মসাৰ নাই; এতেকে পলশুৱা গছৰ নিচিনা মোৰ শিক্ষা অসাৰ। কাৰো দুঃখ দেখিলে তাৰ দুঃখ গুছাবলৈ ইচ্ছা নহয় ব্যভিচাৰৰ পৰা নিবৃত্ত হবলৈ মন নহয়—কিয়নো পশ্চাচাৰৰ সুখেই মোৰ শিক্ষা-বৃক্ষৰ ফল। নীতি, ধৰ্ম্ম বা সমাজৰ ভয় নাই, সুতৰাং মোৰ বৃত্তি বোধ কৰিবৰো কোনো কাৰণ নাই—"যেসা মন চলেগা তেসা কৰেঙ্গে" এই মোৰ শেষ সিদ্ধান্ত।

ভাবক, ময় ছাতৰ মনত ভাবিলোঁ এখানি সার্টিফিকট পালেই মোৰ শিক্ষা সফল হয়। পঢ়াশালীত পণ্ডিতক অপমান কৰিলেই হয়, তাৰ পৰা ওলাই আহি শিক্ষকৰ প্রতি উত্তম, মধ্যম, প্রাকৃত এই তিনিও বিধ ব্যবহাৰ কৰিব পৰা যায়—তাত একো হানি নাই। তেঁও বেতন পায়—বাধ্য হয়েই শিক্ষা দিব লাগিব—ময়ো মানুহ, তেঁও মানুহ—তেঁওৰ তত নম্রতা স্বীকাৰ কৰিবৰ মোৰ কোনো কাৰণ নাই পাঠক! এই মোৰ গুৰু ভক্তি!!

পক্ষান্তৰে ভাবা, ময় পণ্ডিত, বেতনৰ টকা কেইটি পালেই মোৰ উদ্দেশ শেষ হয়; ছাতৰৰ চৰিত্র বেয়া হয়, হওক, মোৰ তত্ত্ব নিবৰ সকাম কি? অতিৰিক্ত পৰিশ্রম কৰাৰ লাভ কি? 'কোনো বকমে (ছাতৰ পশ হক বা নহক) দৰ্খাস্ত কেটকা উলিয়াব পাৰিলেই হয়' এই মোৰ উদ্দেশ আৰু শিষ্যানুৰাগ!! ইয়াৰ মূল কি? মৰ

শিক্ষা নে বৈতনিক বীতি। পূৰ্ব্ব কালৰ মহাত্মা ঋষি আৰু তেঁও লোকৰ শিষ্য বিলাকৰ উদ্দেশ্য আলোচনা কৰি চোৱা—পৰোপকাৰেই শিক্ষকৰ উদ্দেশ—পাপীক ধৰ্ম্মলৈ, দুৰ্ব্বৃত্তক সচ্চৰিত্রলৈ, নীতিভ্রষ্টক ধৰ্ম্মপথলৈ অনাই তেঁও লোকৰ শিক্ষাৰ শেষ ফল। গুৰু ভক্তিত প্রাণ যায়, যাওক, তাত শিষ্যৰো ত্রুটি নাই—ভ্রুক্ষেপ নাই—অসন্তোষ নাই—কিয়? শিকোঁ তাৰ উদ্দেশ নীতি বা ধৰ্ম্ম-মূলক; সুতৰাং শিক্ষাৰ ফলো সফল।

আহা! সেই কালৰ গুৰু শিষ্যৰ সহিতে এতিয়াৰ পণ্ডিত ছাত্তৰৰ তুলনা কৰা কিমান প্রভেদ। কিমান ব্যতিক্রম! আশা নাই আকৌ সেই গুৰু শিষ্যৰ বীতি ভাৰতত দেখা দিব।

যি শিক্ষাৰে দেশ পুণ্য ক্ষেত্র আছিল, ক'তো দ্বেষ না ছিল, প্রবঞ্চনা নাছিল, কপটতা নাছিল, মিথ্যা নাছিল, সকলো ঠাইতে শান্তি বিৰাজমান হইছিল। সময় ভেদে, লোক ভেদে, শিক্ষা ভেদে, বীতি ভেদে, এতিয়া দেশ পাপপূর্ণ—সকলো ঠাইত সত্য লুপ্ত—প্রায় প্রবঞ্চনাৰ ভীষণ পৰাক্রম—কপটতা আৰু মিথ্যা দেদীপ্যমান—সকলো ঠাইতে অশান্তি, বিদ্বেষ আৰু কলহ!!! (ক্রমশঃ) না, শ,

---

# আমাৰ শিল্প।

আমাৰ দেশৰ যি শিল্প বিদ্যাৰ অনুশীলন আছিল সি ভাৰতবৰ্ষৰ আন দেশৰ দৰে নহলেও একে বাৰেই পেলনীয়া নাছিল। কাহৰ বাসন, মুগা পাটৰ কাপড়, সোন ৰূপৰ কিছুমান অলঙ্কাৰ বৰ ভাল সৰাই বা বটা প্রভৃতি

বস্তু আমাৰ ভাল আছিল। বেপাৰ নাথাকিলে শিল্পৰ বিশেষ উন্নতি নহয়। আমাৰ দেশীয় বা বিদেশীয় বেপাৰৰ তিমান চলতি নাছিল। যি যি বস্তু প্রস্তুত হইছিল সি দেশ-তেই থাকিছিল। বজাৰ বা বিষয়াৰ ঘৰলৈ সেই বোৰ বস্তু অধিক পৰিমাণে গইছিল। সকলো লোকে সকলো দ্রব্য ব্যবহাৰ কৰিব নোৱাৰিছিল। সকলো কার্য্যই খেলে খেলে হইছিল। আন দেশৰ দৰে বিশেষ জাতিৰ কার্য্য নাছিল। খনিকৰৰ খেলে খনিকৰৰ কাম, সোনাৰীৰ খেলে সোণাৰীৰ কাম, কহাৰৰ খেলে কহাৰৰ কাম কৰিছিল। সেই খেলতে সেই কার্য্য বন্ধা আছিল সেইৰূপ কার্য্য কৰাৰ বাবে সেই কার্য্যকাৰক বোৰে মাটী পাইছিল তাৰ পৰিবর্ত্তে বজা ঘৰত কাম বা বস্তু সোধাইছিল বজা ঘৰৰ পৰা সেই কাম চলাবৰ কাৰণে বিষয়াও নিযুক্ত আছিল। সকলো বস্তুএই সেই কাৰণে বজা বা বিষয়াৰ নিমিত্তে কৰা হইছিল। সেই সেই শিল্পকর্ম্মৰ উন্নতি বেগাবতী নাছিল। আমাৰ দেশ শান্তিৰ দেশ। মানুহৰ ওপৰতে সকলো নির্ভৰ কৰে যি কার্য্যত খেলৰ অলপ বিশৃঙ্খল হয় সেই কার্য্যতে বড় হানি হয়। মৰানৰ দিনৰে পৰা আমাৰ দেশৰ শান্তি গ'ল তেতিয়াৰ পৰা আমাৰ অধিক কথা গুছিল।

আহোম বজাৰ দিনত আমাৰ দেশৰ পৰা মুগা আৰু পাটৰ সূতা আৰু কাপড় আৰু কাছৰ বাসন সবাই প্রভৃতি বস্তু কিছু পৰিমাণে মুৰশীদাবাদলৈ বঙাল হাটৰ দুৱৰীয়াৰ দ্বাৰাই চালান হইছিল। সুবিখ্যাত জগৎ শেঠৰ ঘৰত আমাৰ সেইৰূপ অনেক বস্তু লইছিল। আসামৰ বস্তু বুলি বড় আদৰ কৰিছিল। আমাৰ দেশত প্রস্তুত হোৱা বস্তুত মিহলি নাছিল। সি এই কাৰণে বিদেশত বড় আদৰণীয়।

আমার দেশর বজার রূপ, মোহর প্রভৃতি যি আছে তাক এজিয়াও ভাটীর কালর বনিয়াই বহুমূল্য বিবেচনা করে। সেইরূপ আক মোহরত "হর গৌরীর" নাম থকাও এটী কারণ। মিহলি নি দিয়ার কারণে হওক বা কচির নিমিত্তেই হওক আমার বস্তু বোরত অধিক পরিমাণে পদার্থ লাগে। পাতল আক মিহি কাম আমার নাই বুলিলেই হয়। কি বাসন বর্ত্তন, কি কাপড়, কি আন বস্তু সকলো সেইরূপ। আমার নাওলৈ চোরা। আমার খাড়ুলৈ চোরা। আমার চুরীয়ালৈ চোরা। সচরাচর লোকে এই বোর বস্তু হঠাৎ নাপাইছিল সেই কারণে যুগমীয়া সম্পত্তির দরে এই বোর বস্তু করা হইছিল।

(ক্রমশঃ) শ, বা,

---

## ঘরুয়া কথা।

আমার লবা ছোৱালী উপজিলে কেঁচুয়া মাইকী থকা যবর বাহিরে ভুঁহর বা আমর জুই থয়। বাহিরর পবা সেই কেঁচুয়ার যবলৈ মানুহ গলে হাত ভরি কাপড় কানি সেকিহে যাব পায়। ভূতে পীড়া করে এই ভয়ত সেইরূপ জুইর প্রয়োজন বুলি কোৱা হয়। সেইটো যেইবা নহওক। কেঁচুয়া লবার গাত্র অতি কোমল। ভাল বা যেন বানুএ সোমকালে তাক আশ্রয় করে। বাহিরর পবা অহা মানুহর গাত বা কাপড়ত ভাল যেন বানু আছে। সেই বানুর ডাবাই লবার অসিষ্ট হ'ব পারে। জুইর তাপি, হাত, কাপড়, সেকি গলে বানু নষ্ট হয়। আক তার ডাবা লবার অসিষ্ট নিবারণ হয়। মৎস্যাদক আ ধোঁৱা আদি নিবারণ করাই এইরূপে

জুই বথাব উদ্দেশ্য। "দশ বৈদ্য সমো বহ্নি"। জুই দহোটা বেজব সমান। বেজে যেনেকৈ ব্যাধি নাশ কবে অগ্নিএ ও সেইরূপে ব্যাধি নাশ কবে।

বাহিব ফুবি আহিলে, শৌচাচাব কবিলে গাধুব লাগে এইটো নিয়মো সংক্রামক ব্যাধি নিবাবণব উপায়। পাণীবে কাপড় কানি তিয়াই গাধুলে দূষিত বায়ু আৰু পদার্থ শবীবব পবা গুছে। আমি শোৱা বিছনাব কোষত দা কাটাবী গুঁত। ইয়াব দ্বাবাই চোব চালি আহিলে আত্ম বক্ষা কবিব পাবোঁ। বিশেব বজ্র বা বিজুলী পাত নিবাবণ কবা লোব এটী গুণ আছে। তাবো উপকাব হয়। পদার্থ মাত্রতে বিজুলীব ভাগ থাকে। মানুহব শবীবতো থাকে। ইয়াব দ্বাবা শবীবব স্বাস্থ্য ভাল থাকে। লো, তাম, রূপ, সোণ প্রভৃতি আঠ ধতুয়া বিড়ী, মাদলী আমি লবা ছোৱালীক দিও। সেই গুণে সেই লবা ছোৱালীব শবীবব বিজুলী সাম্য ভাবে থাকে আৰু আকাশব বিজুলী নিবাবণ কবা হয়।

শোৱাব পবা উঠি আহিলে ঘুবি আৰ্কো বিছনা ছুব নাপায়। মবা শয্যা ছোৱাব দবে গা ধুব লাগে। দিনত শোৱা শবীবব পক্ষে বড় অপকাবি। পুয়াব পবা বাতিলৈকে বিছনা সুদা থাকিলে বাতি শোৱাব বাবে গাব ঘাম দূষিত বায়ু ইত্যাদি যি বিছনাত থাকে সি গুছে; গধুলি আৰ্কো শুবলৈ নির্ম্মল হয়। এই কাবণে সেই নিয়ম স্থিব কবা হইছে।

থিয় হই শৌচ বা ক্ষুদ্র শৌচ কবিব নাপায়। আমাব যেনে পবিচ্ছদ তাব দ্বাবা এইরূপ কার্য্যত শবীব অপবিষ্কাব হয়। বহাব কষ্টব ভয়ত থিয় হই শৌচাচাব কবিলে আৰ্কো ভাক পবিষ্কাব কবাত সময় অধিক আবশ্যক।

থিয় হই ভৰি ধুব নাপায়। ঘোৱাৰ অভিপ্ৰায় পৰিষ্কাৰ কৰা। থিয় হই ধুলে সেই উদ্দেশ্য সাধন কৰা টান।

নৰিয়াক তপত পানী অথবা লো তপতাই পানীত পেলাই সেই পানী খুয়াব পায়। পানীত সৰু সৰু প্ৰাণী বা উদ্ভিদ্ পদাৰ্থ থাকে। তাৰ দ্বাৰা খোয়া জনৰ অপকাৰ হয়। সেইৰূপ পানী তপতালে অথবা তপত লো পানীত দিলে সেই বোৰ দূষিত পদাৰ্থ গুছে। পানীৰ অপকাৰিতা দোৰ যায়। তিকতাৰ কথা বুলি পাঠক! এই বোৰ কথা পেলাই নিদিবা। ভাবি চোৱা। ইয়াৰ ভিতৰত কেনে বিজ্ঞান সোমাই আছে। আ,

---

## আখৰুয়া সাঁথৰ।

মোৰ তিনটা আখৰ। আৰু ময অসমৰ এখান নগৰ। মোৰ প্ৰথমটো গ্ৰহৰ সংখ্যা আৰু সি কেতিয়াও পুৰণি নহয়। মোৰ প্ৰথম আৰু দ্বিতীয়টো হাতত জাঠী লোৱা নাঙটা চুবুৰিয়া। মোৰ দ্বিতীয় আৰু তৃতীয়টো জন পদ। দ্বিতীয় আৰু প্ৰথমে সুন্দৰ ধ্বনি কৰে। মোৰ দ্বিতীয়টোৰ লাখুটী প্ৰথমক তৃতীয়ে সইতে যোগ দিলে ময় জঁলৰ ওপৰে গতি কৰিব পাৰোঁ। ময় কোন?* হ, ন,

---

## ফকৰা।

১। ভকত ভোমাই যাই। শিষ্য কপটীয়া, গুৰু আশা-ধাৰী তিনিওৰো তৰণি নাই।

---

* আখৰুয়া সাঁথৰৰ অৰ্থ ভাঙি কোনো জনে লেখিলে আমাৰ ছপাৰৰ মন আছে। স, আ, ব,

২। কিনো গীতে গালোঁ 'চান্দ বৰাই' ? কিনো গীতে গালো চান্দে।

ভোমা বিড়লীৰ পাৱত পড়িয়া দুঃখীয়া এন্ধুৱে কান্দে।

৩। বৌৰ মুৱত কুকৱাৰ বহা চিলনি কি খাই জীয়ে। বে জীৱ মুৱত বান্ধন বাঢ়ল, উধাৰে কাপড় শিয়ে।

৪। বাম কুকৰ বাণী, বাত শালিধানৰ আগ ত'ল গ'ল গুড়িএ নোছোৱে পানী।

শ্রীহঃ

---

# আসাম বন্ধুৰ তৃতীয় সংখ্যাৰ ফঁকৰাৰ উত্তৰ।

১। বাৰ স্কন্ধ ভাগৱতৰ তেবশ শ্লোক। শঙ্কৰ দেৱে প্রকাশিলে। সক আৰু সামান্ত জনে সেই ভাগৱতৰ ধৰ্ম্ম ললে। ভাজৰ লোক সকল সবকি গ'ল। অর্থাৎ ধৰ্ম্ম মৰবিলে।

২। সুদিন সুচল চাই সজ গুৰুত শৰণ লবা, গুৰুৰ দোষ থাকিলে তাক মলবা। গোপনে উপদেশ কৰা। দেখাই পালিবা। ইয়াকে বি কৰে তাক বাম কৰিবা।

৩। সমুদ্রৰ জলৰ পৰা উৎপত্তি হোৱা লোণ। ৰবত থাকে। জলে ছুলে লোণ পাৰি যায়।

৪। শিলৰ দৰে গধুৰ বেদ শাস্ত্র প্রলয়ৰ জলতো উদ্ধাৰ পালে নষ্ট নহল। বান্দৰৰ দৰে গীত গোৱা ভাৰ্কিক সকলে তাৰ ভুট অর্থ কৰে।

শ্রীহঃ

---

# আসাম-বন্ধু।

মাসিক পত্র।

"নচ জ্ঞানাত্ পৰং বলম্।"

প্রথম ভাগ। আষাঢ় শক ১৮০৭, ইংৰাজী ১৮৮৫। ষষ্ঠ সংখ্যা।


## আগৰ দিন এতিয়াৰ দিন।

( ১৫০ পৃষ্ঠাৰ পৰা )

চাৰিঙ্গীয়া ফুকন চাৰিঙ্গীয়া ৰজাৰ মেলৰ লোকৰ গৰাকি। চাৰিঙ্গীয়া ৰজাই যুবৰাজ বা আগলৈ হ'ব এনে ৰজা। তিপমীয়া ফুকন তিপাম ৰজাৰ মেলৰ লোক সকলৰ গৰাকি। এই কেই জনা সমান মৰ্য্যদাৰ বিষয়া। এঁও বিলাকে ঢেকৰ দিয়া চাঙ্গি পায়। এই কেই জনা ফুকনৰ অধীনৰ খেলত সেই সেই নামৰ বড়ুৱাও আছে; যেনে ৰাই—ডঙ্গীয়া বড়ুয়া। নাম—ৰূপীয়া বড়ুয়া নামৰূপ নামে ঠাইৰ লোকৰ গৰাকি। পূৱণি মেলৰ বড়ুয়া পূৱণি মেল নামে মেলৰ গৰাকি। মাজু মেলৰ বড়ুয়া মাজুমেল নামে মেলৰ গৰাকি। সৰু মেলৰ বড়ুয়া সৰু মেল নামে মেলৰ গৰাকি—এই

কেই খন মেল বজাৰ বংশৰ একোজনে পাৰ তাৰে ওপৰত কোৱা সকল বিষয়া।

মাছিমেলৰ বড়ুয়া নামেৰে বড়ুয়া বজাৰ নকৈ অনা কুঁয়ৰীৰ মেলৰ গৰাকি। এই মাছিমেল আৰু নমেল অতি অলপ দিনত মাত্ৰ সৃষ্ট হইছে। গাভৰু মেলৰ বড়ুয়া বজাৰ ঝীয়াৰি সকলৰ মেলৰ গৰাকি। কলিছেঙ্গৰ বড়ুয়া এনাই ঘৰীয়া বড়ুয়া এই দুজনাও একো একো মেলৰ গৰাকি। ওপৰত লেখা কেইও জনা বড়ুয়াৰ সমান মৰ্য্যদা। এই সকল বজাৰ কোঁয়ৰ বা কুঁয়ৰীৰ অথবা বংশৰ লোক সকলৰ যাৰ যাৰ মেল আছে সেই সেই মেলৰ তত্ত্বাবধাৰক। এই সকলক মেল ভগীয়া বিষয়াও বোলে।

দেব্ৰালয়ৰ কাৰ্য্য কৰ্ম্ম চলোৱা লোকক দেৱলীয়া বড়ুয়া বা সেব্ৰা চলোয়া বড়ুয়া বোলে। সত্ৰৰ কাৰ্য্যৰ তত্ত্বাবধাৰকক সত্ৰিয়া বড়ুয়া বোলে। এই সকলত বাজে টেকেলাৰ প্ৰধান-টোক নেওগা, একুড়ি পাইকৰ ওপৰৰ বিষয়াক বড়া, এশ পাইকৰ ওপৰৰ বিলাকক শইকীয়া, এহেজাৰ পাইকৰ ওপৰৰ বিলাকক হাজৰিকা বা হাজাৰিকীয়া বোলে। যি জনে কোনো কোনো খেলৰ বিষয়াৰ কাৰ্য্য ভালকৈ চলাব পাৰে আৰু তাৰ পৰা আনে শিক্ষা পায় সেই সকলক ওজা বোলে। কেতিয়াবা বড় শব্দও সেই উপাধিৰ আগত ব্যৱহাৰ কৰা হয়।

কোনো বিষয়াৰ বিষয় বা পদ চিৰস্থায়ী নহয়। তেঁও বিলাকৰ সচ্চৰিত্ৰ আৰু সদ্ব্যবহাৰৰ ওপৰত নিৰ্ভৰ কৰে। কেতিয়াবা সেই বংশৰ অথবা আন বংশৰ লোকেও সেই বিষয়াৰ বিষয় পাব পাৰে। কোনো বংশৰ কোনো এজন লোক কোনো বিষয় পালে তাৰ সন্তান সকলেও সেই বিষয়ৰ

উপাধি এতিয়া ধাৰণ কৰিবলৈ ধৰিছে। কেতিয়াবা কোনো এটী বংশতে কেইবা জনেও বেলেগ বেলেগ বিষয় পাৰ পাৰে। বিষয় ভাগিলে সেই জনৰ সেই বিষয়ৰ আদিত ভগা শব্দ প্ৰযোগ হইছিল।

ডাঙ্গৰীয়া সকল যেতিয়া ঘৰৰ পৰা নগৰলৈ যায় তেতিয়া বিলতীয়া গায়নে গীত গায় ও কালীয়াই কালী মাৰি যায়। ৰঙ্গা চুলিৰে ৰবচি চুলি লগা দা লোৱা মানুহ যায়। হাঁতী ঘোড়াত বানত দিয়া যায়, ভৰিত নুপুৰ, ঘোড়াত হালধীয়া পাটৰ তলচা, আগত দোলাছেৱে আপুয়া যায়। বাটত স্বৰ্গ দেৱেৰে দেখা দেখি হলে স্বৰ্গদেৱ যি বাহণত আহে সেই বাহণত উঠি ডাঙ্গৰীয়াই স্বৰ্গ দেৱক দেখা দিব পায়। ৰাজ মাৰ দেৱ, বড়জনা আই কুঁৱৰী দেৱ এই কেই জনাই স্বৰ্গ দেৱৰ দৰেই মান্য পায়। দাঁতিয়লীয়া ডাঙ্গৰীয়া তিনিজনাৰে দেখা হলেও এইৰূপ। ডাঙ্গৰীয়া সকলৰে দাঁতিয়লীয়া ডাঙ্গৰীয়া সকলৰ অথবা ৰজাৰ পো ভাই মেল খোৱা গোহাঁই দেৱ সকলৰ দেখা দেখি হলে ডাঙ্গৰীয়া সকলক বাট এড়ি দিয়ে। বড় বড়ুৱা, বড় ফুকন প্ৰভৃতি চৰাৰ ফুকন আৰু ক্ষেৰ বিছুনী মৰ্য্যদা পোৱা চমুয়া ফুকনে সইতে ডাঙ্গৰীয়া সকলৰ ভেঁটা ভেঁট হলে সেই সকলে ডাঙ্গৰীয়া সকলক দোলাত বা চাঙ্গিত গলে মাটীত নামি চাঙ্গি লুকাই দেখা দিব পায়।

ডাঙ্গৰীয়া সকল নগৰৰ গড়ৰ চুকৰ ভিতৰ সোমালে কালী নৰজায় আৰু গীত নাগায়। বড় দুৱাৰৰ মুখতে ডাঙ্গৰীয়া সকলে দোলা, ৰঙ্গা আড়োৱান দা জাঠী ৰবচি এড়ি তিনি গছমান ৰঙ্গা জাঠী ৰবচিৰে নগৰ সোমায়। সোনৰ চুলাৰে পানী জাপী মাত্ৰ ধৰি আছে। বড় চড়া পালে

ডাঙ্গৰীয়া সকলে বেগাতে ভবি ধুই বুলনি কাপোঁড়ৰ ওপৰৰে চড়া উঠি তলত পিঠীয়া ওপৰত কেপ কৰা তলচা দিয়া বিছনাত বড় খুটাত পিঠি দি পশ্চিম মুখে বহে। শীক ছোৱা পেলাবলৈ আগ ফালে চুপ কৰা পাত দিয়ে। বড় বড়ুয়া প্ৰমুখ্যে চড়াৰ কুকন যি কেই জনা পূব ফালে বহে সেই কেই জনা তেতিয়া চড়াৰ পশ্চিম ফালে বহেগৈ। চালে সইতে তিনি খনীয়া কঠৰ তলিয়বি আৰু বনাতৰ মচুনা গুছাই বড় কাপোড় একো খনকে দুৱাই পকাই মচুনাকৈ লয়; দুখনীয়া কঠতে বহে। ডাঙ্গৰীয়াৰ ওচৰলৈ আছিলে ক্ষেৰতহে বহে। চমুয়া কুকন সকলে দুখনীয়া চাল কঠৰ মুৰাত বহে। চমুয়া কুকনে কেতিয়াবা দুখনিয়া মেলা চাল কঠতো চৰাৰ কুকনৰ সঙ্গতকৈ হুহকি বহে। যদি ডাঙ্গৰীয়া অহাৰ পাছে বড় বড়ুয়া বা চড়াৰ কুকন বড় চড়ালৈ আহে তেন্তে বড় বড়ুয়াই চৰা আড় দি সকলো মানুহৰ আড়তে চড়াৰ দক্ষিণ টুপে ভবি ধুই ক্ষেৰত আঠু চোজাই চড়াৰ মাজে গই পশ্চিম ফালে ওপৰত কোব্ৰা দৰে বহে। বড় বড়ুয়া ঘৰৰ পৰা আহোঁতে দুফালে দুসাৰি টাজন ধৰা আহে। আগত রূপৰ চুলাৰে পাণী জাপী, টুপী জাপী ক্ষেৰ বিছনী, পাঁচনি ছতীয়া বিছনী, আগ খড়া রূপৰ বেড়ি দিয়া লাখুটী লই বড় দুৱাৰ পৰ্য্যন্তে দোলাত আহে। তাৰে পৰা মাটীএ নগৰ সোমায়। ওপৰত পাছৰ পৰা বড় জাপী ধৰে। বড় চড়া উঠি পানী পাছত ভবি ধুই তিনি খনীয়া মেলা ছাল কঠত বামতৰ মচুনা লই বহে। আগত বান্দি দিয়া পাতত শীক ছোৱা পেলায়। এই ক্ৰমেই চড়াৰ কুকন কেই জনাই আহি চড়াত বহে। কিন্তু এঁও বিলাকৰ টাজন ধৰা নাই আৰু নগৰৰ ভিতৰলৈ বড় জাপী নানে। চমুয়া

ফুকন কেই জনাই ধৰৰ পৰা আহোঁতে আগত ৰূপৰ চুলাৰে পানী জাপী, টুপী জাপী, ক্ষেৰ পাখি বিছনী, দীঘল নালেৰে ঘুৰনীয়া বিছনী, ৰূপৰ বেড়ি৷ৰ লাখুটী লই আছে। দোলা-কোসৰিয়া চড়াৰ টুপতে লাখুটী ধুই ভিতৰলৈ যায়; সেই পিনেই পানী জাপী আড়ি থয়। চমুয়া ফুকন ও বড় ভণ্ডাৰ বড়ুয়া আৰু আন আন কেই জন মান বিষয়াই মাটীয়ে আহিলে টান ব'দ বা ৰৰষুণত বড় জাপী ধৰাই আছে, সদাই নোৱাৰে। বড় ভণ্ডাৰ বড়ুয়াৰো ঘুৰণীয়া বিছনী আৰু বেড়ি দিয়া লাখুটী থাকে।

---

## আমাৰ শিল্প।

( ১৭৭ পৃষ্ঠাৰ পৰ )

খেলে খেলে বস্তু প্ৰস্তুত হোৱাত নিৰ্দ্দিষ্ট খেলৰ লোকে সেই বস্তু পৰিপাটি ৰূপে কৰিব পাৰিছিল। ব্ৰিটিশ গৱৰ্ণমেণ্ট যেতিয়া আমাৰ দেশ ল'লে তেতিয়া খেলৰ নিয়ম লোপ পালে। সকলোএই মাটীৰ খাজনা দিব লগীয়া হ'ল। বজা ঘৰৰ যি শাসন আছিল সিও গুছিল। ইফালে ভাটীৰ পৰা সেই দেশৰ উৎপন্ন নানা বস্তু আহিবলৈ ধৰিলে। খেলৰ লোক সকলেও আপোন আপোন ব্যবসায় এড়িবলৈ ধৰিলে। আমাৰ বস্তু বড় মৰগা হ'ল; কিয়নো কৰোঁতা নোহোৱা হল। যি দুখান এখান কোনো জনে কৰে তাকো লওঁতা নোহোৱা হল। ভাটীৰ সস্তা বস্তুএ ব্যৱহাৰ লোপ কৰিলে। এই সমস্ত কাৰণত আমাৰ দেশৰ শিল্প কৰ্ম্ম একে বাৰে গুছিব লগীয়া হইছে।

আমাৰ দেশৰ বজাৰ বাণীৰে পৰা খুজিখোৱা মগনীয়া-

বলৈকে তিৰুতাৰ "বোৱাকটা" এটী প্ৰধান কাৰ্য্য। এই এটা দেশৰ উন্নতিৰ বড় বাট। আমাৰ দেশৰ তিৰুতাৰ দৰে উন্নতিশীলা তিৰুতা ভাৰতৰ অনেক ঠাইত নাই। আমাৰ কাপোড়ৰ ফুল, কাপোড় বোৱাৰ পাৰিপাট্য বড় বেয়া নহয়। দুঃখৰ বিষয় এই যে এতিয়া সেই "বোৱা কটা" কৰ্ম্মতো বড় ব্যাঘাত জন্মিছে। ভাটীৰ সূতা অহাৰ কাৰণে আমাৰ তিৰুতা বিলাকৰ অনেকে কপাহ বচা, চন্দিওৱা, নেওঠা, কমোৱা, তুলা ধুনা, পাঁজিবটা, সূতা কটা এড়িছে। গাঁৱলিয়া লোক বিনে আনে ঘৰত বোৱা চুবিয়া পিন্ধিবলৈ এড়িছে। এতিয়াৰ নিয়মৰ শিক্ষাৰ নিমিত্তে আধুনিক লোক সকলৰ ৰুচিবো পৰিবৰ্ত্তন হইছে। এতিয়া এনে শীঘ্ৰে সকলো বিষয়তে পৰিবৰ্ত্তন হব ধৰিছে কি জানি আমাৰ তিৰুতাৰ বোৱা কটাবো বিঘ্ন জন্মে। ভাটীৰ পৰা বহুত পৰিমাণে বস্তু আহোক তাত হানি নাই আমাৰ দেশৰ শিল্প কৰ্ম্মবোৰ থাওক, আৰু সেইএ উন্নত হওক। আমাৰ সৰাই, বটা, কাঁহি, বাটী, চৰিয়া প্ৰভৃতি থাওক, সেইএ উন্নত প্ৰকাৰে প্ৰস্তুত হওক। আৰু আন দেশৰ বস্তু যেনেকৈ আমাৰ দেশলৈ আহিছে আমাৰ দেশৰো এইবোৰ বস্তু আন দেশলৈ যাওক। আমাৰ সমাজ সংস্কাৰক সকলে ছিন্ন বিছিন্ন হোৱা খেল বোৰ অনুসন্ধান কৰোক আৰু সেই সেই খেলৰ লোক সকলক আৰ্কো সেই সেই কাৰ্য্য কৰিবলৈ উৎসাহ দিয়ক। আমাৰ দেশৰ অতি সাধাৰণ শিল্পও লোপ পাব লাগিছে। পাটিঢৰা, চক ঢৰা, কুঁহিলাৰ কঠ বেতৰ বিছনি, সৰাই, বটা প্ৰভৃতি কৰিব পৰা লোক তাকৰ হই আহিব লাগিছে। এই সময়তে সেই বোৰ পুনৰ্জ্জীবিত নকৰিলে আৰু কিছুদিনৰ মুৰত বড় টান হ'ব। শ, বা,

# টকা।

তোমাৰ মিছিলা, লোভনীয় বস্তু
নাই এই সংসাৰত;
তোমাৰ লোভত, চোৰে চুৰ কৰে
ডকাইতী কৰে ডকাইত।
তোমাৰ লোভত, পড়িয়া কতক
কুল বধূ কুল এড়ে;
প্ৰাণ বিসৰ্জ্জন, দিয়ে লাখে লাখ
মানুহে লোভত তোৰে।
তোমাৰ লগত, সতীএ সতীত্ব
ধাৰ্ম্মিকে এড়য় ধৰ্ম্ম;
পিতা পুত্ৰে এড়ে, পুত্ৰে পিতা ছাড়ে,
আশ্চৰ্য্য তোমাৰ কৰ্ম্ম।
তোমাৰ লোভত, হয় দেশান্তৰী
অসংখ্য পুৰুষ নাৰী;
দেশৰ মমতা, পৰিয়াল স্নেহ
সকলো যাই পাহৰি।
তোমাৰ গুণত, মিছা সঁচা হোৱে,
সঁচা কথা মিছা হয়;
প্ৰভু হোৱে দাস, দাস হোৱে প্ৰভু
বজা থাকে কাৰাগৰ।
মৰ হত্যা কৰি, তোমাৰ গুণত,
পায় কত অব্যাহতি;
বেশ্যা ব্যভিচাৰী, কত মহাপাপী
বোলাই সাধু প্ৰকৃতি।

দেৱৰূপি টকা, তোমাক বিচাৰি,
কতনো ভ্ৰমিছোঁ আমি;
কত প্ৰকাৰেনো, মনত তোমাক,
পূজো, জানে অন্তৰ্য্যামী।
কৰিব নলগা, কতনো কৰিছোঁ,
শুনিব নলগা শুনো;
তথাপি তোমাক, ধৰিব নোৱাৰোঁ,
কি দোষে দোষী নাজানো।
তোমাৰ নিমিত্তে, কত সঙ্কটত,
তেজক কৰিছোঁ পানী;
যুৱৰ মস্তিষ্ক, শৰীৰৰ স্বাস্থ্য,
চিন্তা ভাৱনাত হানি।
তোমাক বিচাৰি, ঘৰ-বাড়ী এড়ি,
দূৰত থাকো সদাই;
তথাপি তোমাৰ, মৰম নালাগে,
হায়, হায়, হায়, হাই।
কি স্তুতি কৰিলে, কেনেকৈ পূজিলে,
কিহত সন্তুষ্ট হোৱা;
তাকো জানিবৰ, উপায় নেদেখো,
পখালী আমি—চকুৰা।
বুঢ়া বুঢ়ী ডেকা, যুৱতী ছোৱালি,
ল'ৰা আদি দেখা যত;
তোমাৰ মোহত, সকলো মোহিত,
ইতো কথা সুনিশ্চিত।
শত শত কোটী, প্ৰণাম কৰিছোঁ,
তোমাৰ চৰণে টকা;

সু-দৃষ্টিবে দৃষ্টি কৰা এক বাৰ
এড়িওছে দৃষ্টি বেঁকা।

ন. ন, মহন্ত

এই কাৰণে এজন দেশীয় প্ৰাচীন পণ্ডিতে কইছে। "টকা ধৰ্ম্ম টকা কৰ্ম্ম টকাহি পৰমং তপঃ। যস্য গৃহে টকা নাস্তি হা টক্ টক্ টক্ টকায়তে॥" স,

---

## সমালোচনা।

শ্ৰীযুত লম্বোদৰ বৰা বি, এ, ৰচিত লৰা বোধ। এই পুথী খনি কলিকতাৰ বাঙ্গালা যন্ত্ৰত ছপোৱা হইছে। ইয়াত বোলটী প্ৰবন্ধ আছে। এই প্ৰবন্ধ বোৰত অনেক জানিব লগীয়া কথা আছে। গ্ৰন্থকাৰে লৰাছোৱালীৰ উপকাৰৰ নিমিত্তে এই পুথী ৰচনা কৰিলেও ইয়াক পঢ়ি আমাৰ দেশৰ ডেকা আৰু বুঢ়া সকলোৰে উপকাৰ যে হব ইয়াত সন্দেহ নাই। বিশেষকৈ "সময়" আৰু "একতা" এই দুটী প্ৰবন্ধ সকলোএ যেন পঢ়ে এই আমাৰ আশা। "সময় অমূল্য ধন"। ৰূপ সোণ প্ৰভৃতি ধন খৰচ হলে আকৌ আৰ্জ্জিব পাৰি কিন্তু সময় খৰচ হলে তাক নাপায়। খোৱা, শোৱা, ধন কৰা, কুৰা, ধেমালি কৰা সকলোতে নিৰ্দ্দিষ্ট সময় থাকিব লাগে। এইৰূপে সময় নিৰ্ণয় কৰি কাৰ্য্য কৰিলে সেই কাৰ্য্য যে কোনৰূপে কৰা হ'ল তাক ভালকৈ জানি আৰু তুলনা কৰিব পাৰি। এইৰূপ তুলনা কৰি কাৰ্য্য কৰিলে কাৰ্য্যৰ উন্নতি আৰু শ্ৰীবৃদ্ধি হয়। সময় নিৰ্দ্দিষ্টৰূপে পালিলে শৰীৰৰ আৰোগ্য ভালে থাকে। লেখা পঢ়া জনা আৰু কহাবীত

বা আন ঠাইত কাম কৰা লোকেই আমাৰ "শিক্ষিত সমাজ"। গাঁৱলিয়া চহাৰ কথাকে নকওঁ আমাৰ শিক্ষিত সমাজতো সময়ৰ প্ৰতি আদৰ নাই। কছাৰীলৈ যাব লাগে এই কাৰণত ১০ বজা পূৰ্ব্বাহ্নত ভাতখোৱা শিক্ষিত জনেও ৰবি বাৰৰ দিনা ১২ বজা দুপৰীয়া বা এক বজাত ভোজন কৰে। নিমন্ত্ৰণ ৰক্ষাতো এইৰূপ দুৰ্গতি। সময়ৰ নিয়মৰ বিষয়ে আমাৰ এজন চিন্তাশীল লোকে কইছে "অনিৰ্দ্দিষ্ট সময়েই আমাৰ সময়"। আমেৰিকা দেশত এজনে ঘড়ি কিছুমান প্ৰস্তুত কৰিলে আৰু তাক বেচিবৰ নিমিত্তে গাঁওএ গাঁওএ ফুৰিলে; কোনেও ঘড়ি নিকিনিলে। পাছে তেঁও এই বুলি গাঁওৰ মানুহৰ ঘৰত সেই ঘড়ি একোটা থলে যে ময় অমুক ঠাইলৈ যাও তাৰ পৰা আহোমানে এই ঘড়ি থই দিয়া—এই বুলি ঘড়ি কেনেকৈ চলাব লাগে তাক শিকাই দি তেঁও তাৰ পৰা গ'ল। সেই লোক সকলে সেই ৰূপে ঘড়ি চলাই দিবলৈ ধৰিলে। ক্ৰমে তাৰ দ্বাৰা সময় জানি তাৰ উপকাৰ পালে। কিছু দিনৰ মুৰত সেই ঘড়ি বেচা লোক জন আহি সেই মানুহ বোৰত ঘড়ি ওভোতাই খুজিলে আৰু তাক ৰখাৰ বাবে ধন যাচিলে। পাছে সিহঁতে ঘড়িৰ উপকাৰ বুঝি তাক ওভোতাই দিবলৈ মুখুজি ধন দি কিনিলে। যেতিয়ালৈকে আমি সময়ৰ মূল্য নাজানো আৰু তাক ভালকৈ চলাব নোৱাৰো তেতিয়ালৈকে আমাৰ উন্নতিৰ বাট বহু দূৰৈত থাকিব। এতেকে লৰা ছোৱালী আৰু সকলোএ সময়ৰ বিষয় শিক্ষা পায় তাকে কি উপদেশক কি গ্ৰন্থকাৰ সকলোএ শিক্ষা দিয়া উচিত।

আমাৰ মানুহৰ মাজত এনে এটা কুসংস্কাৰ যে "দুটাই" লগ লাগি "কুৰা ছবলৈকো মাযাবা"। এই ভাবী

যেতিয়ালৈকে নুগুছে তেতিয়ালৈকে আমাৰ মঙ্গল নহব; সংসাৰত এনে এটা সাধাৰণ নিয়ম প্রতি দিনে আমি দেখো যে অকল এটাই কোনা কাম কৰিব নোৱাৰে। এজনৰ শ্রম, ধন, অধ্যবসায় একোয়েই কোনো এটা কার্য্য সম্পাদন কৰা টান। কমাৰৰ কটাৰী, চমাৰৰ চূণ হলেহে বাড়ীৰ পান তামোলেৰে মুহুদি কৰিব পাৰোঁ। পৰৰ তিক্ততা জনীবে আমি চহকি বোলাত্ত। চাইটাৰ চাইটাৰেহে যৰ খান হয়। এতেকে চাইটাই লগ লাগি এটা হই কাম কৰিলে অলপ্ শ্রম অলপ্ ধনতে কার্য্য সিদ্ধি হয়। এইরূপ একতা শিক্ষা কৰা আৰু দিয়া কর্ত্তব্য। এই কাৰণে লৰা বোধৰ গ্রন্থকাৰে এনে হিতকৰ বিষয়ৰ শিক্ষা দি ধন্যবাদৰ পাত্র হইছে।

ঈশানন্দ ভঁড়ালী বচিত প্রাকৃত ভূগোল। এই পুথী খানিত উৎকৃষ্টরূপে প্রাকৃত ভূগোলৰ বিবৰণ লিখা হইছে; ইয়াক যি পঢ়ে তেঁও নিশ্চয়ে অনেক প্রাকৃতিক ঘটনা জানিব।

অতি দুঃখৰ কথা। ইয়াৰ গ্রন্থকর্ত্তা অকালে কালৰ গ্রাসত পড়িল। এই পুথী প্রচাৰ হই সাধাৰণৰ মাঝত আদৰ পালে গ্রন্থকর্ত্তাৰ পিতৃএ "হর্ষ শোক যুগপৎ" পাব।

আ. ব.

---

# ঘৈনীৰ কর্ত্তব্য ও স্ত্রী শিক্ষা।

"স্বাধীনতা নে স্বেচ্ছাচাৰ" শীর্ষক প্রবন্ধত আমাৰ গাভৰু বিলাকে আজি কালি কি বিধৰ শিক্ষা পাবলৈ

ধৰিছে তাৰ অলপ উনুকিওৱা গইছে। আজি-কালি স্ত্রী-শিক্ষাৰ সম্পৰ্কীয় কথা এটা নকয়, লৰাৰ পৰা—বুঢ়ালৈ প্ৰকৃত শিক্ষিতৰ পৰা শিক্ষাৰ গন্ধকে নেপোৱালৈকে-এনে এটি মানুহ নাই; কিন্তু স্ত্রী-শিক্ষা যি সঙ্কুচিত ভাৱেৰে আজি কালি সকলোএ বুজিবলৈ ধৰিছে; বাস্তবিকেই সি সেই সঙ্কুচিত ভাববিশিষ্ট হোৱা উচিত নে? বাস্তবিকেই আমাৰ বোৱাৰী-জিয়াৰীক কানত কাপ দি কেৰাণী গিৰিয়েকৰ লগত আমোলাৰ কাম কৰাব পাৰিলেই তেঁওলোকক উচিত শিক্ষা দিয়া হলনে? পুৰুষ-শিক্ষা আৰু স্ত্রী-শিক্ষা এই উভয়ৰে বহুত পাৰ্থক্য আছে। পুৰুষে শিক্ষা লভে, ঘাইকৈ অৰ্থোপাৰ্জ্জন আৰু পৰিবাৰ পোষণ পালন কৰিবৰ নিমিত্তে; এই নিমিত্তেই আজি কালি পুৰুষ-শিক্ষাৰ মূল অৰ্থকে বুলিব পাৰি—কিন্তু স্ত্রী-শিক্ষাৰ মূল অৰ্থ নহয়। স্ত্রী-শিক্ষাৰ মূল দম্পতিৰ সাংসাৰিক উন্নতি সাধন। এই "সাংসাৰিক" কথাটিত বৰ অৰ্থগভীৰতা আছে—পুৰুষে সংসাৰৰ কিমান তত্ত্ব ৰাখে আগৰ প্ৰবন্ধত যৎকিঞ্চিৎ ৰূপে তাৰ আভাস দিয়া গইছে। আমি বিয়া কৰাও কিয়? অনেকে বিবেচনা কৰে "পিণ্ডার্থে পুত্ৰ, পুত্ৰার্থে ভাৰ্য্যা" কিন্তু বাস্তবিকেই এইটো নীচেই লঘু কথা। আমাৰ বিবাহৰ মুখ্য উদ্দেশ্য—সংসাৰ-ৰক্ষাৰ নিমিত্তে এজন সহকাৰী বিচৰা। গৃহস্থৰ বাহিৰা জঞ্জাল ৰাজহাদি আৰু অন্যান্য উপকৰণা উপদ্রৱাদিৰ পৰা নিজৰ সংসাৰক ৰক্ষা কৰি থাকিব, আৰু ঘৈনীএ চাৰিচকোৱাৰ ভিতৰতে থাকি লৰা-ছোৱালীৰ জঞ্জাল ভাঙ্গিব। পৰিজন বৰ্গক ভোকত ভাত পিয়াহত পানী দিব, বন্ধালঙ্কাৰাদি অসুখৰ বিলাকলৈ চকু ৰাখিব, মুচলতে সংসাৰৰ আভ্যন্তৰীণ অৱস্থা মোটেই তেঁওৰ গোচৰ হই থাকিব। এই

বিলাকেই স্ত্রী-শিক্ষাৰ মূলীভূত সাংসাৰিক কাৰ্য্য। ইয়াতকৈ আৰু এটি মহত্তৰ কাৰ্য্য আছে, সেইটি তিকতাৰ জীৱনৰ ব্ৰত হব লাগে—ইয়াৰ নাম পাতিব্ৰত্য বা পতি-ভক্তি। সময়ান্তৰে ইয়াৰ বিষয় আলোচনা কৰা যাব। সম্প্ৰতি আজিৰ কাৰ্য্যলৈ অহা যাওক—এই বিলাক সাংসাৰিক কাৰ্য্যত সাহায্য পাবৰ নিমিত্তেই বিবাহ কৰা যায়—এই নিমিত্তেই আমি পুনঃ পুনঃ দৈনীক সংসাৰৰ অস্থি-মজ্জা, আৰু আভ্যন্তৰীণ শক্তি বুলি কওঁ—এই নিমিত্তেই আমি কওঁ যে গৃহিণীৰ কৰ্ত্তব্যৰ ওপৰত হাত চলাবলৈ ইচ্ছা কৰিলে অতি সতৰ্ক হই আগ-পাছ ভাবি চলিব লাগে। অকল উপন্যাস পঢ়িব বা লেখিব পৰা ছোৱ্ৰাই দৈনীৰ মুখ্য কাৰ্য্য নহয়। আগেএ আৰ্য্যবিবিলাকে আমাৰ বোৱ্ৰাৰী বিলাকৰ ওপৰত কি ভাৰ অৰ্পণ কৰিছিল চাবাছোন। মহৰ্ষি দ্বৈপায়নে ব্ৰহ্মবৈবৰ্ত্ত-পুৰাণৰ শ্ৰীকৃষ্ণৰ জন্ম-খণ্ডত দৈনীৰ প্ৰাতঃকৃত্য সম্পৰ্কে এই মত প্ৰকাশ কৰে ;—

"গৃহিণী পতিভক্তা চ দেবব্ৰাহ্মণপূজিতা,
সা শুদ্ধা প্ৰাতৰুত্থায় নমস্কৃত্য পতিং সুৱং,
প্ৰাঙ্গনে মণ্ডলং দদ্যাৎ গোময়েন জলেন চ,
গৃহকৃত্যঞ্চ কৃত্বাচ স্নাত্বাগত্য গৃহং সতী
গৃহকৃত্যং সুনিৰ্ব্বৃত্য ভোজয়িত্বা পতিং সতী
অতিথিং পূজয়িত্বা চ স্বয়ংভুঙ্‌ক্তে সুখং সতী ॥"

পতিভক্তা আৰু দেৱব্ৰাহ্মণৰ পূজিতা পবিত্ৰা দৈনীএ প্ৰত্যূষে উঠি তেঁওৰ পতিদেৱতাক নমস্কাৰ কৰি গোবৰ আৰু পানীৰে চোতাল মচিব। তাৰ পাচত গৃহকৃত্য কৰি (অৰ্থাৎ ঘৰ দুৱাৰ সাজি বাহি-বন কৰি উঠি) গা ধুবলৈ

যাব। এই দবে গৃহকৃত্যব পবা আজবি হই পতিক ভোজন কবাই অতিথি-সেব্রা কবি নিজে ভোজন কবিব।

কি মহতী শিক্ষা! ঘৈনীএ কেনেকৈ আত্ম-সুখত জলাঞ্জলী দিবলৈ শিকি পবব সুখত নিজক সুখী বিবেচনা কবিব লাগে এবাব ভাবি চাবাছোন। ঘৈনীএ নিজব ভোকক দমাব, ইচ্ছাক সংযত কবিব, পবব কার্য্যক নিজব বুলি জানিবলৈ শিকিব—আত্ম-ত্যাগব কি উজ্জ্বল পটন্তব! এই বিদ্যাক শিকি উঠিব পাবিলেই গৃহিণীব উচিত শিক্ষালাভ। স্ত্রী-শিক্ষাব এইটি প্রধান অঙ্গ—ঘৈনীব কর্ত্তব্য শিক্ষা দানেই স্ত্রীশিক্ষাব প্রধানতম বিষয়। ঘৈনীএ ওপবত লেখা গৃহকৃত্য বিনে আৰু শিকিব লাগে—ঘৈনীব ব্যবহাব সজ হব লাগে, তেঁও সংযতচিত্তা হব লাগে। মহর্ষি কণ্ব শকুন্তলাক গিবিয়েকব ঘবলৈ পঠাবলৈ উলিয়াই তাব সুন্দব উপদেশ দিছে। আমাব মনে প্রতি ঘৈনীয়ে এই অমূল্য উপদেশ মন্ত্রবিলাকেবে দীক্ষিত হোৱা উচিত।

ক্রমশঃ।

---

# পিয়াহ মবা বস্তু।

পিয়াহ মবা বস্তু অনেক বিধ। তাব মাজত যাক খালে পিয়াহ গুছে আৰু যাক অভ্যাসকৈ খালে কোনো পীড়া নহয় সেই বস্তুএই বড় ভাল। সৃষ্টিব আদিবে পবা পিয়াহ মাবিবব উপায় পানী। সকলো দেশত সকলো সময়ত সকলো মনুষ্যে পানী ব্যবহাব কবে। ধনী, নির্ধনী, বজা প্রজা, বুঢ়া, ডেকা সকলোবে পানী মহা উপকাবী। অধিক কি পানীব আন এটী নাম "জীবন"। যিমান কি বস্তু

খোৱা পানী নাখালে তৃপ্তি নহয়। ভোককে সহিব পাবি পিয়াহ সহা টান। মবিবলৈ যোৱা মানুহেও অনেক সময়ত পানী খাইছে মবে। মানুহব যিমান খোৱা পিয়া বস্তু আছে সকলোতকৈ পানী প্রধান। অনেক পশু পক্ষী কীট পতঙ্গেও পানীবে পিয়াহ পলুয়ায়। মানুহব জোখব চাবি ভাগব তিনিভাগ পানী বা পনীয়া বস্তু। এঁৱা গাক্ষীবত পাণীব ভাগ এশ ভাগব ৯০, তেজত ইয়াব ভাগ এশ ভাগব ৭৯, মাস আৰু মুবব ঘিঁউত ইয়াব পৰিমাণ এশ ভাগব ৮০, হাড়তো ইয়াব ভাগ এশ ভাগব ১০। যিবোব টান বস্তু আমি খাও সিও আমাব পুষ্টিসাধন কবিবব নিমিত্তে উপযোগি হোৱাব পূৰ্ব্বে পানী হয়। তেহে শবীবব নানা ঠাইলৈ গই নিজ নিজ কার্য্য সাধে। জীর্ণ পোৱা বস্তুবোবো পানী হই মূত্র, ঘাম ইত্যাদি ৰূপে শবীবব পবা ওলায়। শবীবব তাপব পৰিমাণো পানীব দ্বাবাই সাধিত হয়। পানীব সংযোগতে শবীবব নানা বিধ ক্রিয়া সাধন কবিব পাবি। আন যিমান বস্তু খোৱা যায় সকলোতকৈ পানী সোনকালে শবীবলৈ চালন হ'ব পাবে। ইয়াব দ্বাবা শবীবব ভিতব শুদ্ধ হয় আৰু স্নানাদি কার্য্যব দ্বাবাই পানীএ বাহিবো শুদ্ধ কবে।

যেনে ৰূপে খোৱা বস্তু খোৱা যায় তাব গুণ আৰু ঋতুব আৰু সময় আৰু শবীবব অবস্থা অনুসাবে মানুহব পক্ষে সবহ বা কম পানীব আৱশ্যক। প্রতিদিনে এসেব বা দুসেব পানী হলেই অনেকব পক্ষে যথেষ্ট। যি মানুহে মদ ভাঙ প্রভৃতি বাগিয়াল বস্তু খায় সি অপেক্ষাকৃত সবহ পানী খায়। সেই নহলে মূত্রাধাবব মল নির্গত হোৱাব সুবিধা নহয়। এই কাবণে খোৱা পানী অতি নির্ম্মল আৰু ভাল

হোৱা উচিত। পানীত লোণ, ধাতু, উদ্ভিদ্ প্রাণিপদার্থ সংক্রামক আৰু সঞ্চাৰিত বস্তু থাকে। ই তাক অনির্ম্মল কৰে। (১) দ নাদৰ পানীত লুনীয়া বস্তুৰ ভাগ সৰহ। সেই পানীএ মূত্ৰৰোগ জন্মায়। (২) শিছাৰ পাত্ৰত পানীএ বাহুৰ দৌৰ্ব্বল্য, কোষ্টবদ্ধ আৰু উদৰৰ বিষ জন্মায়। তামৰ পাত্ৰৰ জলে বঁতিওৱা, দুৰ্ব্বলতা, বুকুকঁপা রোগ জন্মায়। বগী তাম অথবা দস্তা আৰু তাম মিহলুৱা পাত্ৰৰ পানী সিমান অপকাৰী নহয়। লোৰ পাত্ৰ, চীনৰ বাসন মাটী বা বেলোৱাৰী বাসনত পানী নির্ম্মল থাকে আৰু উপকাৰী। মাটী কাঁচ আৰু বেলোৱাৰী বাসনেই সকলোতকৈ ভাল। তৰাং পুখুৰি বা নাদৰ পানী অথবা গাঁওৰ মাজেৰে বই যোৱা স্থিৰ পানীত উদ্ভিদ পদার্থ থাকে। ইয়াৰ দ্বাৰাই উদৰাময় নৰিয়া হয়। (৩) মৰা প্রাণী পদার্থ থকা পাণী খালে উদৰাময় শঙ্কটাপন্ন জ্বৰ প্রভৃতি নৰিয়া হয়। এতেকে পানী খোৱা পুখুৰীত বা নদীত মৰা শ পেলোৱা অথবা মৰা শ পোতা বা পেলোৱা ঠাইৰ ওচৰৰ পুখুৰি বা স্থিৰ পানী বেয়া। কিয়নো পৃথিবীৰ শিৰেৰে সেই সেই ঠাইৰ দূষ্য পদার্থ সেই পুখুৰিলৈ আহে। পৰিষ্কাৰ নকৰা টীকনা শালিৰ ওচৰৰ পুখুৰীৰ পানী আৰু ধোৱাই বা আনে কাপোড় ধোৱা পুখুৰীৰ পানীও বড় বেয়া। সংক্রামক জ্বৰ বা জহনী প্রভৃতি রোগৰ বীজ পানী আৰু আকাশত থাকে। পানী তপতাই জ্বৰকৈ খালে ওপৰত কোৱা দূষ্য পদার্থ ধোৱা নাযায়। পানী পৰিষ্কাৰ কৰা যন্ত্ৰেৰে পৰিষ্কাৰ কৰা পানী আৰু তপতোয়া পানী নির্ম্মল। নির্ম্মলৰূপে ধৰিব পাৰিলে ৰৰষুণৰ পানী নির্ম্মল কিন্তু নাওৱা বা চালৰ পানী বেয়া। প্রথমে অহা ৰৰষুণৰ পানী হলে তিমান নির্ম্মল নহয়। পৰ্ব্বতৰ মাজৰ পুখুৰী বা সমোকৰৰ

পানী নির্ম্মল। বাৰিষা বিনে আন সময়ত নদীৰ পানীও নির্ম্মল। কিন্তু সেই হলেও পানী পৰিষ্কাৰ কৰা যন্ত্ৰৰ দ্বাৰা বা তপতাই জুৰ কৰি খোৱাহে যুগুত।

যেই বেলি পিয়াহ লাগে সেই বেলি পানী খাবা। একে শোহাতে সৰহ পানী নাখাবা। কিন্তু পিয়াহ লগা মাত্ৰে পানী খোৱা ভাল নহয়। শুকান, কৰকৰীয়া বা টান বস্তু খাই খোৱা ভাল; সেই হলে উদৰত সেই বস্তু জীর্ণ হ'ব পাবে। শ্ৰম বা কুৰি অহাৰ পাছত বড় পিয়াহ লাগিলেও হঠাৎ পানী নাখাবা। বড় জহ লাগিলেও সেইৰূপ কৰা কর্ত্তব্য নতুবা উদৰাময় বোগ জন্মিবৰ সম্ভাবনা। ১৫ বা ২০ মিনিটৰ পাছত পানী খোৱা উচিত। দুর্ব্বল আৰু অজীর্ণ বোগীএ পানীত সিজোৱা বস্তু খোৱাৰ এক ঘণ্টামান পাছেহে পিয়াহ লাগিলে পানী খাব লাগে। খোৱা বস্তু সিজোৱা পানী নির্ম্মল হোৱা উচিত। জহনী, মোৰ, জ্বৰ প্ৰভৃতি যি নৰীয়াত পানী খাবৰ তৃষ্ণা বড় প্ৰবল, তাত অলপ অলপ পানী খাবলৈ দিব লাগে। কিয়নো সেইৰূপ কৰা নহলে বোগ টান হ'ব পাবে। "সোডাওৱাটৰ" "লিমনেড" প্ৰভৃতি পিয়াহ মৰা বস্তু ভাল। কিন্তু এইটো কথা স্মৰণ বাখিব লাগে যে অনির্ম্মল পানীবে বিলাতী নিয়মে প্ৰস্তুত হোঁৱা সেই সকল পানী উপকাৰক নহয়। তাতকৈ মিশ্ৰী বা চেনী তিয়াই তাত নেমু টেঙ্গা বা তেঁতেলী বা আন টেঙা মিহলাই "শৰবৎ" কৰি খালে উপকাৰ দিয়ে। ই পিত্তৰ দুর্ব্বলতা নাশ কৰে আৰু উদৰ শীতল কৰে। আমাৰ উষ্ণ দেশত এইৰূপ শৰবৎ বড় উপকাৰী। তপত চাহ কাফি প্ৰভৃতি বস্তু গাফীৰ চেনীবে মিলাই খালে ভাল। কিন্তু যি সময় বা দেশত জাৰ সৰহ তাত ই বড় উপকাৰী। আমাৰ

দেশত শৰবৎ যেনে, শীতল দেশত এইবোৰ তেনে। ই শৰীৰ উত্তেজনা কৰে আৰু যেতিয়া জাৰ লাগে তেতিয়া গা তপত কৰে; কাৰণ বায়ু শৰীৰত ওপজায়। যি মানুহে লেখা পঢ়া কৰে আৰু ৰাতি সাৰে থাকি পঢ়ে তাৰ পক্ষে চাহ কাফি বড় ভাল। কাফি উদৰ কোমল আৰু মূত্ৰ বৃদ্ধি কৰে। কুইনাইনৰ দৰে ইয়াৰ জ্বৰ গুছুৰা শক্তি আছে। এৰা গাক্ষীৰ সম্পূৰ্ণ আহাৰীয় বস্তু কিয়নো ই ভোকো গুছায় পিয়াহো মাৰে। লৰা আৰু বুঢ়া কালত আৰু ৰোগি অবস্থাত এৰা গাক্ষীৰ উপকাৰী খোৱা বস্তু। কেঁচা গাক্ষীৰ অথবা অলপ্ তপতোৱা গাক্ষীৰৰ বলাধান শক্তি আছে। ঘনকৈ পগোৱা হলে তাৰ দ্বাৰা তিমান উপকাৰ নহয়। গুৰু পাকি বস্তু। দই গাক্ষীৰ, ঘোল, তক্ৰ প্ৰভৃতি বস্তুও আমাৰ দেশত উপকাৰী; তাৰে ঘোল আৰু তক্ৰ বিশেষ। ইউৰোপৰ লোক সকল প্ৰায় মাংসাহাৰী; মাংসাহাৰী লোকৰ কাৰণ বায়ু অতিকম। মদ আৰু ফটিকাত সেই বস্তু আছে। সেই কাৰণেই মাংসাহাৰি লোকে মদ খাবলৈ প্ৰয়াস কৰে। মদত লোণৰ ভাগো সৰহ। মাংসৰ লগত মদ খালে কাৰণ আৰু লোণ উৎপত্তি কৰাত শৰীৰৰ উষ্ণতা মাংসৰ উত্তেজনী শক্তি আৰু হাড় শকত কৰে। অকল মাংস খালে সেইৰূপ নহয়। মদৰ বাগিএ প্ৰথমে শৰীৰ উত্তেজনা কৰে, সেই বাগি গ'লে আৰ্কো তাক নাখালে উত্তেজিত নোহোৱাৰ কাৰণে আৰ্কো খাব লাগে। এইৰূপে তাক নাখালে গা ভাল নলগা হই ক্ৰমে মাত্ৰা বৃদ্ধি হই অভ্যাসত পড়ে। সেই হ'লে সৰ্ব্বনাশ। মদৰ দুগুণ বিস্তৰ; ইয়াৰ দ্বাৰা স্মৃতি শক্তিৰ হানি, অপস্মাৰ, গ্ৰহণী, উদৰাময়, যকৃৎ, উন্মাদ, প্ৰভৃতি ৰোগ জন্মে। এতেকে

ইয়াক সৰ্ব্ব প্ৰকাৰে এড়িব লাগে। ইয়াক ব্যৱহাৰ কৰাৰ পৰা অনিষ্ট বিনে উপকাৰ একেবিও নাই। আ, ব,

---

# শান্তি আৰু আশা।

হাঁয় হাঁয় হবি হবি,
ৰও ময় কেনে কবি ?
শান্তি বিনে এই ভৱ সাগৰ অপাৰে,
মোৰ জীৱ-তৰণীয় কোনে গুড়ি ধৰে ?
একে উথলিছে ঢৌ
কবি শব্দ বৌ বৌ,
তাতে গুড়িয়ালে হাঁয় এবি গল মোক।
ইয়াত কৈ আৰু কিবা আছে বড় শোক !
অ শান্তি ! দয়াশীলা,
কত অন্ত-ধ্যান হলা ?
দেখা দিয়া এক বাৰ জীৱন জুড়াক।
তুমি দয়া নকবিলে আৰু পাম কাক ?
তুমি মোৰ বল বুদ্ধি,
তুমি মোৰ সৰ্ব্ব-সিদ্ধি,
তুমি ছোৱা এক মাত্ৰ কনাৰ লাখুটি,
তুমি বিনে হুব মোৰ পৰমাৱু ছুটি।
এই জীৱনত মোৰ,
কত দুখ তাপ ঘোৰ,
ঘটিছিল, তাৰ একো সীমা সংখ্যা নাই,
তেনে সময়তো তুমি ৰাখিছিলা আই।

কান্দিলে, ওচবে বসি
চকুব লো দিয়া মচি
কবা খিব কই মোক আশ্বাস বচন,
মেবিছিলা দুঃখে সুখে মোক কদাচন।
আজি কি কবিলোঁ দোষ?
মোব প্রতি কবি বোষ,
এবি গলা নিবাজয় কবি একে বাবে?
তুমি বিনে জগতত কোন জীব পাবে।
যাওক মোব ধন কড়ি,
যাওক পিতৃ মাতৃ মবি,
ভাই ভনী সহায় কুটুম্ব আদি যত,
তুমি থাকিলেই সুখ পাম ময় কত।
মোখোজোঁ নীতিব জ্ঞান,
নালাগে বিদ্যাব মান,
আৰু যত জগতব ভাল বস্তু চয়,
যদি আই তোমাব চবণ পাঁও ময়।
বুজিছোঁ বুজিছোঁ আই,
ভবসাব টেপ পায়
আঁতবিলা নিদাৰুণ দুই মোক এড়ি
অপাব সাগব মাজে নিঠমুৱা কবি।
বিশ্বাস ঘাতকি আশা!
দিলো হৃদয়ত বাসা
পূজিছিলোঁ দিবা নিশি চবণত পড়ি,
তেও দুখ দিলে মোক হাঁয় হবি হবি।
নিজে গ'ল যক তাই,
তাত মোব শোক নাই

তোমাকো যে লই গ'ল ভণ্ডাই ভুলাই
সেই অনুতাপ মনে সহন নাযায়।
মৰ আশা পিশাচনী
কুলটাৰ চূড়ামণি
মৰ দহি পুড়ি, মোৰ শাপ-অগণিত,
মাথাকোক যেন তোৰ নাম পৃথিবীত।
ইয়ালৈকে ভাঙি ধন
ইয়ালৈকে পুতি মন
পূজা দিলোঁ তোক ময় অতি যত্ন কৰি,
আৰাধিলো এক চিত্তে আন কাম এড়ি?
ইয়ালৈকে পথালিলোঁ
ইয়ালৈকে চুমা দিলোঁ
দুঠেঙত তোৰ ময় ভক্তি সহকাৰে,
তাৰ এই ফল মোক দিলি ভাবে ভাবে?
খুৱালি গঞ্জনা ঘোৰ,
গৰিহনা মানুহৰ,
বুড়ালি প্ৰাণক মোৰ লাজৰ সাগৰে,
অপমান অনুতাপ পাঁও ধৰে পৰে।
ইমান যাতনা দিলি
মনৰ উৎসাহ নিলি
তেও তোৰ নাই সুখ কৰি লট-ঘটি,
শেষে কাঢ়ি নিলি মোৰ কনাৰ লাখুটি,
শুনা শুনা ভাই গণ!
আশাক নিদিবা মন
সাক্ষাত সাপিনী তাই নাই দয়া-লেশ,
ধৰি মাথোন ফুৰে তাই কৃপালুৰ ভেষ।

দেখিব সুন্দৰ অতি
জিনি লক্ষ্মী সৰস্বতী
কিন্তু বিষ দিছে থই দাঁতৰ চুকত
চল পালে নেৰে ভাই খুটিৰ বুকত।

স, ৰ,

---

# সমালোচনাৰ উপকাৰ।

আমি "আসাম নিউচ্" সম্পাদ পত্ৰৰ গ্ৰাহক নহওঁ। সি দিনা এজন বন্ধুৰ মুখে শুনিলোঁ যে "লৰা বোৰ" আৰু "শিক্ষাসাৰ" ৰ দোষ গুণ বিবেচনা কৰাৰ উপলক্ষে সেই পত্ৰৰ সম্পাদকক পুথী লেখোঁতা সকলে বেয়া পায় দেখি তেঁও পুথীৰ গুণাগুণ বৰ্ণনা কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰিছে। আমাৰ বন্ধুএ কোৱা কথা যদি সত্য হয় তেনেহলে আমাৰ পক্ষে বড় দুঃখৰ কথা! আমাৰ দেশত পুথীৰ সংখ্যা যেনে কম্ গুণাগুণ বিচাৰ কৰা পত্ৰও তেনে কম্। অধিক কি? এখান মাত্ৰ "আসাম নিউচ্"। সেই পত্ৰৰ সম্পাদক অতি যোগ্য আৰু তেঁওৰ পৰা নকৈ পুথী লেখিবলৈ ধৰা লোক সকলে বিশেষ শিক্ষা পাবৰ সম্ভৱ। তেঁও যি যি পুথীৰ যি যি গুণাগুণ সময়ে সময়ে বিচাৰ কৰিছে সেই সকলৰ অধিকাংশই প্ৰকৃত বুলি শিক্ষিত সমাজত বাহ্ট্ৰ। আমাৰ সাহিত্য সমাজৰ যেনে অৱস্থা তাত গুণাগুণ বিচাৰ নিতান্ত প্ৰয়োজনীয়। ঈশ্বৰ ইচ্ছাত আজি কালি আমি দুখানি এখানি ন ন পুথীৰ মুখ দেখিবলৈ ধৰিছোঁ। আমাৰ ভাষাৰ যেনে শিশু অৱস্থা পুথী কৰা লোক সকলৰো পুথী লেখাৰ শিশু অৱস্থা। যদি ভাল গুণাগুণ বিচাৰ নহয় তেনেহলে

গ্ৰন্থকাৰ সকল স্বেচ্ছাচাৰী হৰৰ সম্ভাবনা। নিজে নিজে পাৰ্গত ভৰা দোৰ-যুক্ত। আপোনাৰ মুখ আপুমি যেনেকৈ নেদেখি সেই দৰে আপোনাৰ দোষো তেনেকৈ নেদেখি। এতেকে এজন দোৰ গুণ দেখাই দিয়া লোকৰ নিতান্ত প্ৰয়োজন। যাৰ দোৰ গুণ বৰ্ণোৱা হয় সেই জনে সেই বৰ্ণনা কাণ পাতি শুনিলে অনেক কথা সংশোধিত হয়। আন্দোলনেই সমাজৰ উন্নতিৰ মুখ্য উপায়। আৰু প্ৰতিবাদ ও দোষাদোষ ব্যাখ্যা সেই আন্দোলনৰ এটী প্ৰধান উপায়। কোনো বিষয়ত যিমান উন্নতি হইছে সকলো বিলাক এই ৰূপ আন্দোলনৰ পৰা হইছে আৰু সেই আন্দোলন দোষ গুণ বিচাৰ আৰু প্ৰতিবাদৰ ওপৰত নিৰ্ভৰ কৰে। আমাৰ দেশৰ গ্ৰন্থকাৰ আৰু লেখক সকলে তেঁও বিলাকৰ গ্ৰন্থৰ গুণাগুণ বিচাৰ সহি থাকি নিজৰ উন্নতি কৰিবলৈ শিক্ষা কৰিব লাগে। যাৰ এই সহন গুণ নাই সি পুথী লেখিবলৈ এড়িলেই ভাল। ভাষা কোনো এজন লোকৰ বস্তু নহয়। আৰু যদি এজনকেছে কোনো ভাষাৰ পৰিচালক বুলিব লাগে তেনেহ'লে সেইটো ভাষাই নহয়। যাৰ যিমান শক্তি সি সিমান পুথী লেখি সেই ভাষাৰ উন্নতি কৰোক। দোৰ গুণ বিচাৰ সেই লেখক মণ্ডলীএ সহোক; আৰু নিজৰ লেখা উন্নতি কৰোক। যি স্থলত ভাষা কোনো এজনৰ সম্পত্তি নহয় সেই স্থলত অধিকাংশ লেখক যেতিয়া বিকালে বেগাধৰে, সেই কালে ভাষাৰ ঢাল খালে বুলি জনা যাব। সকলো বিষয়তে সকলোৰে একে মত হোৱা টান। এইটো সংসাৰৰ নিয়মেই নহয়। মূল কথাত ঐক্য থাকি আন বিষয়ে অনৈক্য থাকে। সংস্কৃত ভাষা অতি প্ৰাচীন, তাৰে অনেক ব্যাকৰণ। এখান ব্যাকৰণৰ মতে সইতে কোনো

কোনো স্থলত আন খান ব্যাকৰণৰ মত মিল নহয়। কোনো কথাৰ অৰ্থ বা ব্যাখ্যা এজনে যেনে কৰে আন জনে তেনে নকৰে। "বিধবা বিবাহ" বিষয়ে প্ৰাতঃস্মৰণীয় বিদ্যাসাগৰে পৰাশৰ মুনিৰ বচন লই যি আন্দোলন কৰে তাতেই অনেক চিন পোৱা গইছে। ইংৰাজী ভাষাতো এই নিয়ম দেখি। ভাষা যিমান উন্নত হ'ব তিমান বিস্তৃত হ'ব। নানা দেশৰ লোক আমাৰ দেশলৈ এতিয়া অহাত আৰু নানা বিষয় দেশত চলিত হোৱাত আমাৰ ভাষাৰ গা ডাঙৰ হ'ব লাগিছে। সময়ে সময়ে ভাষাৰ বচনাৰ ভাব আৰু ৰুচি পৰিবৰ্ত্তন হয়। একে দেশৰে নানা ঠাইৰ বচনা আৰু ৰুচি লতচত হয়। যেতিয়ালৈকে সবহ গ্ৰন্থকাৰ আৰু পুথী মোলায় তেতিয়ালৈকে ভাষাৰ ঢাল জনা টান। আমি প্ৰথমে শিক্ষা কৰিবলৈ আৰম্ভোতে আমাৰ যেনে উন্নতি হোৱা নাই অধ্যাপকৰ আৰু ওজাৰ গালি আৰু চেকণীৰ কোৰ খাইছে শিকিলোঁ, সেইৰূপে পুথী লেখিবলৈ ধৰাবো পটন্তৰ। অনেকৰ দোষ গুণ ধৰা খাইছে ভাল হ'ব পৰা যায়। এতেকে আমি আশা কৰোঁ যেন লেখক সকলে বচনাৰ গুণাগুণ ধৰোঁতা সকলৰ কথা সহি শিক্ষাৰ প্ৰথম অৱস্থাৰ নিয়ম পালিব; সেই হলেই ভাষাৰ উন্নতি হ'ব। আমি আৰু আশা কৰোঁ যেন "নিউচৰ" সম্পাদকেও মানুহৰ বেজাৰলৈ মন কাণ নিদি পাৰ্য্যমানে পুথীৰ দোষ গুণ বিচাৰি থাকিব। আন তেনে সাময়িক পত্ৰ বা যোগ্য লোক নাই, যে তেঁও সেই কাৰ্য্য কৰে। ছাত্ৰৰ কথালৈ চাই যদি শিক্ষকে শিক্ষা দিবলৈ এড়ে তেনেহ'লে কিৰূপে শিক্ষা দিয়া হ'ব?

পৰীক্ষক নহ'লে শিক্ষাৰ গুণাগুণ উন্নতি অবনতি না-

জানি। সোণ যিমান পোড়া তিমান ভাল হয়। সেইরূপে আমার বচনাবো যিমান দোষ গুণ ব্যাখ্যা হয় তিমান ভাল হয়। যদি সমালোচকক আমি শত্রু যেন ভাবোঁ তেও তেঁও আমার উপকারী ; কিয়নো আমার দোষ ভাগ শত্রু নহলে আনে নেদেখে। দোষ শূন্য হোৱা যদি কাৰো উদ্দেশ্য হয় তেনেহলে তেঁও সমালোচকৰ সমালোচনা সহোক। মাঘ কাব্যৰ বিষয়ে এনে এটা কথা শুনা আছে যে কবিএ শ্লোক একোটা লেখি জুইত পেলাই দিছিল পাছে যিটো শ্লোক সেই জুইত দগ্ধ নহই উঠে সেইটোহে সেই কাব্যত সন্নিবেশিত হইছে। সেই কাৰণেই মাঘ অতি উৎকৃষ্ট কাব্য হইছে। তাৰ বিষয়ে এনে কোৱা আছে "উপমা কালিদাসস্য ভাৰবেৰর্থগৌৰবম্, নৈষেধে পদ-লালিত্যং মাঘে সন্তি ত্রয়ো গুণাঃ"। এই শ্লোক পোড়া কেৱল পণ্ডিত মণ্ডলীৰ দোষ গুণ বিচাৰেই অনুমান হয়।

ঋ, চ,

---

# অলঙ্কার পিন্ধার যুক্তি।

বর্ত্তমান কালত বৈদেশিক সভ্যতায় শিক্ষাৰ জখলাত ভৰি দিয়া বা ভৰি দিবলৈ ইচ্ছা কৰা নাই বা সিবিলাকৰ পাছ ধৰা দেশীয় মানুহ বিলাকৰ মনৰ পৰা বত্নালঙ্কাৰৰ ভক্তি শ্রদ্ধা অনেক আঁতৰাইছে; ইয়াক সিবিলাকৰ সৌভাগ্যৰ বিষয় বুলি স্বীকাৰ কৰিব নোৱাৰি। অলঙ্কাৰে অসভ্যতা দেখাব এই ভয়ত বত্নালঙ্কাৰৰ ওপৰত অৱহেলা কৰা আপোনাৰ অশেষ হানিৰ কাৰণ মাত্র। যি সকলে বত্না-

লঙ্কাৰ ব্যৱহাৰ কৰিবলৈ লাজ কৰে সি সকলে জ্যোতির্ম্ময় গৃহত বাস কৰিবলৈ, অপূৰ্ব্ব শয্যাত শয়ন কৰিবলৈ, সুগন্ধি দ্রব্যৰ ঘ্রাণ লবলৈ, মনোহৰ উদ্যানত ভ্রমণ কৰিবলৈ, লাজ নকৰে কিয়? বত্নালঙ্কাৰৰ গুণ এই বিলাকতকৈ কম নহয়। যদি দেশীয় অলঙ্কাৰ বিলাক সিবিলাকৰ বেশোপযুক্ত নহয় বুলি অৰুচিকৰ হয়, তেন্তে আপোনাৰ মার্জ্জিত বুদ্ধিৰে তাক মনৰ দৰে কৰি ললেই হয়; যেনে তেনে কপে শৰীৰত বত্ন থাকিব লাগে; অলঙ্কাৰৰ আকাৰ প্রকাৰ দোষণীয় হলেও বত্ন তেনে নহয়।

আজি কালি "ইয়াৰিং" ইত্যাদি নামেৰে বিবিধ প্রকাৰৰ যি বিলাক বিদেশী অলঙ্কাৰ ওলাইছে সি যদিও এই দেশীয় কুণ্ডলাদিৰ অনুৰূপ, তথাপি দেশীয় বেশৰ উপযোগী নহয়। যেইবা নহক লোকে তাক বত্ন বোধে ব্যৱহাৰ কৰা যেন দেখা নাযায়; তাৰ দ্বাৰা কেৱল বেশহে অলঙ্কৃত কৰে মাত্র। যি হেতুক এই বিলাক অলঙ্কাৰত বিশুদ্ধ বত্ন প্রায় নাই; তেন্তে তাৰ গুণো অবশ্য তেনেকুৱা। বিশেষতঃ বিধিমতে তাৰ ব্যৱহাৰ নাই; ইয়াতে বুঝিব পাৰি যে এই অলঙ্কাৰ যি সকলে ব্যৱহাৰ কৰে সি সকলে তাৰ গুণৰ আশা নকৰে, কেৱল শোভা বা সভ্যতা বৃদ্ধিৰ নিমিত্তেই হে কৰে। মুখ্য উপকাৰৰ আশা নথকা অলঙ্কাৰৰ ব্যৱহাৰ বৃথা ভাৰ বোৱা মাত্র। তাৰ নিমিত্তে যি অর্থ ব্যয় কৰা যায় সিও বাঁজি গাই কিনাৰ নিচিনা।

কোনোএ সুধিব পাৰে যে, বত্ন দেহৰ বাহিৰত থাকি অন্তৰস্থ বস্তুবোৰৰ কি উপকাৰ কৰিব? যদি বাহিৰত থাকি কিবা উপকাৰ কৰিব পাৰে তেন্তে গাৰ কাপোৰৰ ওপৰত থাকিও কৰিব পাৰিব; তাৰ উত্তৰ এই—শৰীৰৰ বাহিৰ ভিতৰ

সকলো সমান ; বক্ত সর্ব্ব শবীবতে ব্যাপ্ত আছে ; চর্ম্ম, চক্ষু, জিহ্বা, কর্ণ ইত্যাদি জ্ঞানেন্দ্রিয় বিলাকত থাকি তেজে শ্রবণ, দর্শন, ঘ্রাণ, স্পর্শ, ইত্যাদি দ্বাবা চুম্বক পাথবে লো ধবাব দবে বাহিবব সকলো বিষয়বে গুণ আকর্ষণ কবে। বিছা, চাম চেকব্রা, চন্দন, চোবাত, তপত্, চেঁচা বস্তু আদি গাত লাগিলে, মনোহব দ্রব্য দর্শন কবিলে, সুশ্রাব্য গীত শ্রবণ কবিলে, সুগন্ধি বস্তুব ঘ্রাণ পালে শবীব মন কেনে কবে সেয়ে তাব প্রমাণ।

বত্ন সংসর্গত শবীবব তেজবীর্য্যাদি হর্ষিত আক প্রফুল্লিত হই থাকে; তাতে বক্তাদিব অলসতা বা সঙ্কুচিত ভাব আক অন্যান্য নানা অশুভ দূবীভূত হয়, মন স্ফূর্ত্তিযুক্ত হয়। বিশেষতঃ বত্ন তেজে বাহ্য জগতব পবাও নানা শুভ মঙ্গলাদি আকর্ষণ কবে; লোবে যেনেকৈ বস্তু আকর্ষণ কবে, বৃক্ষে যেনেকৈ বৃষ্টি আকর্ষণ কবে, বত্নেও সেই দবে নানা শুভ মঙ্গলাদি আকর্ষণ কবি থাকে। অলঙ্কাব বত্ন ব্যবহাবব বিশেষ উপায়; এই কাবণে বত্নযুক্ত রূপ, সোন, ইত্যাদিব অলঙ্কাব ব্যবহাবব নিয়ম নির্দ্দোষ বুলি মাননীয়।

ক, ব,

---

## আকাশ।

কোন তুমি, কাব সৃষ্টি, অসীম আকাশ,
কাব কীর্ত্তি, কবা কাব মহিমা প্রকাশ ?
অনন্ত তোমাব কায়া,
অনন্ত তোমাব মায়া,

নিবন্তৰ আছা তুমি জগত বিয়াপি,
জগতৰ লীলা দেখা বাতি দিন খপি।
বয়সত অমৰণ
প্রলয়ত অভগণ
অনন্ত ৰূপিণী তুমি অসীম আকাশ
কোৱা তুমি কৰা কাৰ মহিমা প্রকাশ।
অপাৰ ছদিত ধৰা
চন্দ্র, সূর্য্য, কোটি তৰা
জক্‌মক্‌ শোভা সবে কৰে বিতোপন
দেখি শুনি তথা লাগে মানুহৰ মন।
মেঘে কৰি জয়ধ্বনি
সাগৰৰ তোলে পানী
লগে লগে বিজুলিত্র হাঁহি হাঁহি নাচে
তোমাৰ কপালে লেখা পানী-ধেমু আছে।
নিজ দুখ পৰিহৰি
ৰাখিছা সবাক ধৰি
তোমাৰ নিয়ম পালি নিজকার্য্য সাধে
তোমাৰ ৰাজ্যত সবে ভ্রমিছে অবাধে।
তুমি অতি দয়াময়
কিন্তু কৰে সবে ভয়
তোমাৰ নিয়ম লঙ্ঘে এনে কোনো নাই
চলিলে অন্যায় পথে শীঘ্রে নষ্ট পায়।
অপাৰ তোমাৰ কর্ম্ম
অপাৰ তোমাৰ ধর্ম্ম
আছে কোন, কোনে বুজে তোমাৰ মহিমা
অল্প বুদ্ধি নৰে পাৰ কি তোমাৰ সীমা।

অতি মূঢ় আমি নব
তোমার নেপাওঁ তব
তোমার বিষয় ভাবি হলোঁ পরাজয়
হে আকাশ, কৃপা করি দিয়া পরিচয়।
সৃষ্টির আদির পরা
সব কথা কব পারা
জগতর গতি বিধি করা বিবরণ
কোন স্থায়ী, কার নাই অপরিবর্ত্তন।
নবর জীবন সলা
ক্ষণ মাত্র থাকে জ্বলা
আগ পিছ ঘটনার সমূলি অজ্ঞান
মিনতি করিছো দেবী, দিয়া মোত কান।
কারখেজ, বেবীলন
জগতর রাণী রোম
সমস্ত পৃথিবী বশ আছিলেক যার
কলৈ গল, কিয় সবে হল চুণ থার।
মহম্মদ, হানিবল,
পীটর, নেপলিয়ন
আজিলকে কঁপে হিয়া শুনি যার নাম
কলৈ গল, কোনজনে পালে কোন ধাম।
কালি আছে, আজি নাই
দেখোতেই ক্ষয় পায়
সংসারর এই গতি এই কর্ম্ম তার ;
কিন্তু ক্ষয় অন্ত নাই আকাশ তোমার।
জানো তুমি সর্ব্বজান
লভা ভবিষ্যত জ্ঞান

সংসারর ভাবি-দশা কোৱা কবি দয়া
তোমাবিনে হেন কোনে কব, মহামায়া।
সংসাব পবিবর্ত্তন
হই থাকে যনে যন
দিনে দিনে ন ন বস্তু হয় আবিষ্কাব
ন মনে নবক আছি কবে অধিকাব।
আদিতে মানুহ জাতি
পশুসম নীহ অতি
আছিলে অজলা মূঢ়, জ্ঞান বুদ্ধিহীন,
পর্ব্বতে ছাবিয়ে থাকি খপিছিল দিন;
সময়ব সোঁত আহি
মন্দ সংস্কাব দহি
মুকলি কবিলে খেদি অজ্ঞান-এন্ধাব
উন্নতিব পথ মেলি দিলেক সবাব;
দেখোঁ আজি সেইনবে
নিজ বুদ্ধি শকতিবে
পানীত কমাই, উড়ে পক্ষীব লগত
ছমাহব বাট এড়ি যায় এদিনত।
পৃথিবীব যত দেশ
সাধে উন্নতি অশেষ
কিন্তু কিয় ভাবতেই বসাতলে যায়
ভাবতবাসীব কিয় অধোগতি হয়।
জানো তুমি সর্ব্ব জান
লভা ভবিষ্যত জান
সংসাবর ভাবি-দশা কোৱা কবি দয়া
তোমাবিনে হেন কোনে গণে মহামায়া।

অনন্ত তোমার নাম
অনন্ত তোমার ধাম
অনন্ত রূপিণী তুমি অসীম আকাশ
কোন্ দেবী কবা কার মহিমা প্রকাশ।
অতি মূঢ় আমি নর
তোমার নেপাওঁ তর
তোমার বিষয় ভাবি হলো পরাজয়
হে আকাশ, কৃপা করি দিয়া পরিচয়। বা, স,

---

## মৃত্যু শয্যা।

কি আশ্চর্য্য বন্ধুবর! কিহ'ল তোমার?
কিয় তুমি পৃথিবীত করিছা শয়ন।
হেন ভার দেখি মোর, কঁপিছে শরীর ঘোর,
করিব নোরারোঁ মন বলেবেও থির।
অবিশ্রান্তে আঁখি মোর করিছে ক্রন্দন॥ ১

কিবা শোক কাঁড়ে আসি বিন্ধিলে তোমাক।
মর্ম্মাহত ইই জানো আছা তার ছোটে।
কিবা তুমি ফাঁকি করি, মাটীত লেটিলৈ পড়ি,
পরীক্ষিছা বান্ধবর মনর ভারক।
দেখা চতুর্দ্দিগে পরি সিবিলাকো লোটে॥ ২

পূর্ব্বে আর্য্য যোগী সবে যি যোগ আচরি,
পরমাত্মা ঈশ্বরক করিছিল ধ্যান।
স্মরি কিবা সেই যোগ, ত্যজি সাংসারিক ভোগ
নিমজ্জিছা ঈশ্বরত, সমাধিক ধরি।
নতুবা ক'ইল তোমার গ'ল পূর্ব্বজ্ঞান॥ ৩

উঠা উঠা প্রিয় বন্ধু, কত আছা পড়ি।
এই কি তোমাৰ উপযুক্ত শোৱা পাটি ?
মখ্‌মল্ কম্বলাদি, শিমলুৰ তুলি গাদি
যি সবতো শুই গাৰ তেজ গৈছিল মৰি।
এতিয়া সি সব এড়ি কলাপাত মাটী ! ! ! ৪

জ্বৰ আদি এড়ি সুস্থ অৱস্থায়ো যাৰ,
নোৱাৰে কোমল ভবি পেলাব মাটীত।
তেনে ভবি, আজি হায় ! কেনে গড়াগড়ি যায়,
খোলাতো ফুটিয়া দুখ নাই হোৱা তাৰ,
নিয়ৰত পৰি সুখ লভিছে ৰাতিত। ৫

কোৱা কৈলে আমাক নকৰা সম্ভাষণ ?
নসম্ভাষা বুঢ়ী আই ভার্য্যাক তোমাৰ।
" পিতা পিতা " বুলি আতি, আকুটনী মাতমাতি,
চোৱা জিয়াই কেনেকৈ কৰিছে বোদন।
মমতাই কি তোমাক কৈলে পৰিহাৰ ? ৬

আউলী বাউলী স্ত্রীক চোৱা চকু মেলি।
এড়ি লোক লজ্জাভয় কান্দিয়া অস্থিৰ
দেখি হিয়া ফাটি যায়, কাণ্ডাকাণ্ড জ্ঞান নাই,
ধৰিছে তোমাৰ হাতভবি হাত মেলি।
চুম্বিছে বিবর্ণ মুখ ঘ্রাণিছে শৰীৰ ॥ ৭

কিবা তুমি পাহৰিলা দুখ বিষৱাৰ।
স্মৰিলে সিয়ৰি নোম যাই ৰাৰ গাৰ।
চোৱা কাতি কৰি মুক্ত বৈধব্য যন্ত্রনাসুৰ,
খপিয়াইছে বং মনে ভার্য্যাক তোমাৰ।
উঠা অস্ত্র লই তাক কৰাহি সংহাৰ ॥ ৮

কি হব কান্দিলে শোক কৰিলে কি হব ?
অনিত্য সংসাৰ বিধি কৰিলে সৃজন।
পাতিছে ভাৱনা মায়া, নকৰি প্ৰাণীক দায়া।
বাতি পুৱা হলে কব কোন কলৈ যাব।
অচিনাকী হব আই ভাই বন্ধুগণ ॥ ৯

——— ল. বে. ব.

# হালোৱা আৰু ডাঙ্গৰীয়া।

ডাঙ্গৰীয়া আৰু হালোৱাৰ স্বৰ্গ পৃথিবী অন্তৰ। হালোৱা নৰকৰ পোক, ডাঙ্গৰীয়া স্বৰ্গৰ দেৱতা। হালোৱা অশিক্ষিত চহা, হোজা, আজি কালিৰ সভ্যতাৰ পোহৰ নেদেখা। ডাঙ্গৰীয়া হলে সুসভ্য, সুশিক্ষিত চতুৰ, সভ্যতাৰ পোহৰেৰে পোহৰ। ডাঙ্গৰীয়াতকৈ হালোৱা, খোৱা-লোৱা, পিন্ধা-উড়া সকলো পিনে হীন। সি দুপৰিয়া হাল-বাই আহি কচু ঢেকিয়াৰ আঞ্জাৰে বস্না আছ চাউলৰ ভাত খাই সন্তোষ পায়। তাৰ উচ্চ ভাব আৰু উচ্চ আশা নাই ; সি অলপতে সন্তুষ্ট অলপতে চৰিতাৰ্থ। সি মুঠতে খেতি কৰা, শাকে কচুএ পেট-পুকুয়া, লোকৰ তলপিয়া আৰু ধকৰা মোহোৱাকৈ' নিজ পৰিয়াল আৰু ওচৰচুবুৰিয়াৰে বন্ধ-দেমালী কৰি কাল নিয়াৰ পাৰিলেই মহা সন্তুষ্ট। সি খেতি পথাৰ কৰে আৰু তিকতাই তালৈ খাৰ-দাৰলৈ তৈয়াৰ কৰে। তাৰ লগুৱা লিকুচৌ, বেটী বন্দি নাই ; সি নিজেই চাকৰ, নিজেই গৃহস্থ। ডাঙ্গৰীয়াৰ দৰে তাৰ মেজ, চকি, শীৰা, পানীচৰাৰ প্ৰয়োজন নাই ; সি কলাপাতত ভাত খাই পৰম সন্তোষ লাভ কৰে। পাটৰ চুৰিয়া, জোতা মোজা পাগুৰী

বা টুপিব আবশ্যক নাই। কিয়নো জাব আক লাজ নিবাবি-বলৈ যবব তিৰুতা বিলাকে হাতে—কটা সুতাবে যি চুবিয়া কাপোব বয়, তাব পক্ষে সেই কাপোবেই যথেষ্ট; জহকালিও নোমব ডাঠ কাপব পিন্ধি যামত টুলবুলিয়া হৈও সাহাব হবব তাব হেপাহ নাই। হালোৱাব ধোবা নাপিতেবেও সম্পর্ক নাই; নিজেই নিজব ধোবা—নিজেই নিজব নাপিত। ইস্তিবি কবা খমখমিয়া কাপব পিন্ধি আক দুদিনে তিন দিনে দাড়ি গোঁফ ক্ষুবাই বিদ্যাধব হবলৈ সি আশা নকবে। সি ঘড়ি বা চেইনব নামকে নাজানে। কিয়নো ডাঙ্গবীয়াব দবে ঠিক ১০ বা ১১ টা বজাত কর্ম্ম স্থান বা অফিসত হাজিব নহলে শ্রীযুতব ধমক্ (চহা মতে হলে সাহাবব গালি সপনি) খাব নালাগে। সি ইচ্ছামতে খায়, ইচ্ছামতে যায়, ইচ্ছামতে থাকে, ইচ্ছামতে নাচে, গাই, বঙ্গ-ধেমালী কবে। তাব কার্য্যত কোনেও বাধা বা হাত দিব নোৱাবে। ডাঙ্গ-বীয়াব দবে লোকব ইচ্ছাত, লোকব ভয়ত, লোকব তাড়-নাত, সি তাব ইচ্ছাব বিপবীত কার্য্য কবিব নালাগে। হালোৱাই আত্মীয় স্বজনব—মিতিব কুটুমব নবিয়া-পবিয়াই, বিয়া লবাহে, যিমান দিন আবশ্যক তিমান দিন ক্ষতি হই মিতিব কুটুমব সহায় আক সুখ দুখব ভাগী হয়। ডাঙ্গ-বীয়াব দবে মাক, বাপেক, বা তিৰুতা মবিলে শ্রাদ্ধ কবিবলৈ কাকো "চুটী মাগিব" নালাগে; সি যিমান দিন ইচ্ছা যবত বহি মৃতকব কাবণ শোক কবে, দুঃখ কবে, কান্দে। তাব গা অসুখ হলে যিমান দিন আবশ্যক তিমান দিন ভগা-পজাব তলত, ল'বা তিৰুতা জীৱাবী বোৱাবিবে পবিবেষ্টিত হই পড়ি থাকে। নবিয়া ডাল হলেও গাত বল নোহোৱালৈকে কিছু দিন সতাই—গাত ভালকৈ বল বন্ধাই লয়; ডাঙ্গবীয়াব

দৰে জ্বৰে—বিষে কেঁকাই—গোথাই—কোঁপাই-জোপাই লাখুটী ধৰি কৰ্ম্ম স্থানলৈ গই কাগজ লিখিব লাগে।

হালোৱাই পথাৰত পৰিশ্রম কৰি আহি ভোকত শাকে কচুৱে যিহকে খাই সেইএ তাৰ জীন যায়; সেই নিমিত্তে হঠাৎ নৰিয়া-পৰিয়া তাৰ ওচৰচাপিব নোৱাৰে। ডাঙৰীয়া ৰোগৰ ভড়াল স্বৰূপ। আজি পাণী-লগা, সাঁও পড়া, পৰহিলৈ গ্রহনী, তাৰ পাছ দিনা এওঁয়া-নমা, কাহ, জ্বৰ, বিষ ইত্যাদি।

ডাঙৰীয়াৰ সুকোমল শৰীৰ, অলপ ব'দ, অলপ বতাহ, অলপ বৰষুণতে পমিযাব খোজে; কিন্তু গাঁৱলীয়া হালোৱাৰ হলে প্রচণ্ড ব'দ, ঘোৰ বতাহ বৰষুণেও কর্ত্তব্য কর্ম্মৰ পৰা পাছ ভৰি কৰাব নোৱাৰে। কাযেই হালোৱা অসভ্য, হালোৱা পশু তুল্য, হালোৱা চহা।

হালোৱাৰ আশা নীচেই ছুটী, তাৰ আশা সীমাবদ্ধ; সি দুখ কৰি ধাৰ নলগাকৈ কোনোমতে শাকে—জাবৰে পেট-পুৰাই, চুৰিয়া কাপৰ পিন্ধি দিন নিয়াৰ পৰাকে ভাগ্য বুলি মানে। পৰিশ্রমৰ গুণত সি আশাতিৰিক্ত সম্পত্তি লাভ কৰিলেও কৰিব পাৰে. কিন্তু নহলেও সি দুঃখিত নহয়। হলেও ভাল, নহলেও তাৰ কাৰণে বেজাৰ নাই। সি হাজাৰ২ টকাৰ প্রমিচৰী নোট, হাতী, ঘোড়া, পাল্কি বা গাড়ী কিনিবলৈ—ইংৰাজী সাজেৰে সজোৱা সুসজ্জিত বড়২ বঙ্গালীৰ তলত থাকি, পাংখাৰ বা লবলৈ—তিকতাক গাউন পিন্ধাই মেম-সাহাব কৰিবলৈ, পাঁচ শ টকিয়া জেৰ ঘড়ি জেবত আৰিবলৈ, আৰু লিগিৰা লিগিৰী দাস দাসীৰ ওপৰত কর্ত্তৃত্ব কৰিবলৈ দুৰাশা নকৰে; সেই নিমিত্তে সি সুখী, সদাই আনন্দময়; কিন্তু ডাঙৰীয়াৰ হলে টকা নাথাকিলেও আৰু ঢেঁওৰ ইচ্ছানুৰূপ ইন্দ্রিয়সুখ ইহ জগত নঘটে বুলি জানিও—সেই

সুখ কৰিব নোৱৰাত সদাই দুঃখিত—সদাই চিন্তিত—সদাই ভাবনাযুক্ত; কেনেকৈনো ইহকালৰ সুখৰ জখলাৰ ওপৰৰ খাপত উঠিব পাৰিব তাৰে যত্ন—তাৰে চেষ্টা—তাৰে ভাবনা। সেই নিমিত্তেই তেঁওৰ মন সদাসৰ্ব্বদা অনুজ্জ্বল—মলিন। সময়ে সময়ে সেই মলিনত্ব দূৰ কৰি আমোদ আহ্লাদ কৰিবৰ কাৰণ ঔষধ স্বৰূপ এফেৰি বাগিয়াল বস্তুৰ প্ৰয়োজন, সেই ঔষধ ফেৰা নহলে চিন্তা ভাবনা দূৰহৈ মুখ উজ্জ্বল নহয়, ডাঙ্গৰীয়াই সুস্থ গাতো দুৰ্ব্বল আৰু নৰিয়া দেখুৱায়; হালোৱাই সেইৰূপ নকৰে।

পাঠক এতিয়া আমাৰ আধুনিক ডাঙ্গৰিয়া আৰু হালোৱা দুইওকো তুলত তুলি জোখা, কোন গধুৰ কোন পাতল, কোন সুখী কোন দুখী, কোন সুভগীয়া কোন দুৰ্ভগীয়া, অনায়াসে কোৱা।

আৰু এটি কথা ইয়াৰ লগে ২ কৰ লগিয়া হইছে। পূৰ্ব্বে অসম বজাৰ দিনত দেশৰ ভিতৰত বুঢ়া গোঁহাই, বড় গোঁহাই, বড় পাত্ৰ গোঁহাই, এই তিনি জনা ৰাজমন্ত্ৰী আৰু সময়ে সময়ে মান্যাৰ্থত আন ডাঙ্গৰ কুকন বড়ুৱাক ডাঙ্গৰীয়া বোলা হইছিল, কিন্তু আজি কালিৰ ডাঙ্গৰীয়াৰ সংখ্যা কৰে কোনে? দেশ গোটেই খনেই ডাঙ্গৰীয়া। পেস্কাৰ ডাঙ্গৰীয়া, নাজীৰ ডাঙ্গৰীয়া, মহাফেজ ডাঙ্গৰীয়া, নকল নবিশ ডাঙ্গৰীয়া, অধিক কি চাহবাগিচাৰ ১৫৲ টকীয়া মহৰীও ডাঙ্গৰীয়া, দোকানীও ডাঙ্গৰীয়া। আধুনিক ডাঙ্গৰীয়া সকলৰ ডাঙ্গৰীয়াত্ব আকোৱালি ঢকি নোপোৱা। সমাজ সংস্কাৰক সকলে এই বিষয়ে অলপ চকু মেলি চালে দেশৰ অনেক মঙ্গল।

ম. ন. মহন্ত

# আসাম-বন্ধু।

মাসিক পত্র।

"নচ জ্ঞানাত্ পবং বলম্।"

প্রথম ভাগ। ] শ্রাবণ শক ১৮০৭, ইংবাজী ১৮৮৫। [ সপ্তম সংখ্যা।


## আগৰ দিন এতিয়াৰ দিন।

ষষ্ঠ অধ্যায়। বড়চড়া—

বড় চড়াত স্বর্গদেৱ উপস্থিত থাকিলে এইৰূপে বিষয়া সকল বহে। স্বর্গদেৱ সিংহাসনত বহে। যি খোঁটালিত স্বর্গদেৱৰ সিংহাসন, তাৰ পৰা দক্ষিণলৈ মাজৰ এখোঁটালি এড়ি তাৰ ওচৰৰ খোঁটালিত চতিৰ তলতে দুই খুটাৰ মাজত পুৰ ফালৰ পৰা লালীকৈ বুঢ়া-গোহাই, বড়পাত্ৰ-গোহাঁই, বড় গোহাঁই বহে। সুদা মাটীতে আগ ফালৰে পিকছোৱা পেলায়। বড় গোহাঁইৰ বাঁও ফালে শদীয়া-খোৱা-গোহাঁই, সলাল-গোহাঁই মবজি-খোৱা-গোহাঁই বহে। কেতিয়াবা অলপ আগ পাছ হয়। কেতিয়াবা গোটেইটো চতিৰ পুৰ খুটাৰ পৰা দক্ষিণলৈ ক্ৰমে তিনটা খুটাত তিনিজন ডাঙৰীয়া

বহে। সেইটো চতিবে পশ্চিমটো খুটাব পবা দক্ষিণলৈ লালীকৈ বড বড়ুৱাকে প্রমুখে কুকন, বাজখোৱা সকল বহে। দাঁতীয়লীয়া তিনিজনা গোহাঁই চড়াব দক্ষিণ টুপব যোড়াব চতিব পূবৰটো খুটাত, খাইলাতব খুটাত, ধঁড়িয়াল-ধৰা খুটাত বহে। এই থিয়লালীবে বহাত যি জনা ডাঙৰীয়াই যেইটো খুটাত বহে স্বর্গদেৱ নথকাতো সেইজনাই সেই খুটাতে বহে। ডাঙৰীয়া সকল পথলীয়া দবে বহিলে সেইটো চতিবে পশ্চিম ফকামব খুটাবে পবা দক্ষিণলৈ সাৰিকৈ পীডালিত বড বড়ুয়া আদি চডাব কুকন, বাজখোৱা বহে। এই সকলব পাছত দেও-ধাঁই, বাইলুঙ্গ চেটীয়া, পাত্র বড়ুযা, ঘবফলিয়া-বড়ুযা বহে। এই দক্ষিণ ফালব চড়াব সভা বড বড়ুযাই নেওগা কুকনব দ্বাবাই নিরূপণ কবায়। স্বর্গদেৱ বহা খোঁটালিব উত্তবব খোঁটালিত কোনো বিষয়া নবহে। কিন্তু স্বর্গদেৱব নিতান্ত প্রয়োজনীয় তামুলী, লিগিৰা, বড-তামুলী, পিকদান-ধৰা, চৌৱব লোৱা, পাঁচনি আৰু ছাত-বিছনি লোৱা লিগিৰা বহে। এই খোঁটালিব উত্তবব কোঠাব চতিব তলতে মাজে বাট বাখি সেই বাটব পূব কোষবে পবা লালিকৈ পাঁচনীব পালি বহে। দুজন বা এজনে বঙ্গাচুলি-লগা দা লৈ থাকে। তাব ইফালে খুটাব ওচব খিনিতে পাচনী-বড়া বহে। এই খুটাব পূবৰফালে কিন্তু দক্ষিণ ফলিয়া হই চমুয়া পাঁচনী-বড়া বহে। ওপবত কোৱা বাটব পশ্চিম কোষবে পবা তবোয়ালহই লিগিবাইতব পালি বহে। সেই ফালেই পশ্চিম ফাললৈ লালি হই বাজে চমুয়া কুকন বড়ুয়া বহে। তামুলী লিগিবাইত বহাটো চতিব পশ্চিমটো একামব খুটাবে পবা উত্তবলৈ লালী হই বড় বড়ুয়াব সম্মুখে পেৱ-বিছনি লোৱা চমুয়া কুকন সকল

বহে। ইয়াৰ চালিতে পাছত বড় ভণ্ডাৰ বড়ুয়া জিমিজনা বহে। এই সকলৰ পোনেই উজনি ফালে ফকামৰ কোঠাত মেল খোৱা গোহাঁইদেৱ সকল বহে। এই বিলাকক মাজত লই দুইও ফালে বড়ুয়া পাচনীহঁত এই কোঠাতে বহে। এই উত্তৰ কোঠাৰ উত্তৰ কোঠাত স্বৰ্গদেৱৰ দোলা থয়। পূব-ফালে গন্ধিয়া আৰু মলিয়া ভড়ালী পেড়াভাৰি থাকে। এই ফালৰ সভা পাঁচনি বড়া কুকুৰাচোৱা বড়ুয়াই নিৰূপণ কৰে। খলাৰ সভাৰ নিৰূপণ ঢেকিয়াল-ফুকন বা বড়ুয়া, দোলাকাষৰীয়া-বড়ুয়া, চাউডাঙ্গ-বড়ুয়া এই সকলে কৰে। কিন্তু ঢেকিয়াল-ফুকন, বড়-বড়ুয়াহে চডাত বহিব পাৰে। আন দুজন খলাত বহে। স্বৰ্গদেৱ বহা কোঠাৰ পূব ফালৰ ফকামৰ কোঠাত তামুলী আৰু বড়-তামুলীহঁত বহে। এই কোঠাৰ দক্ষিণ ফালৰ কোঠাত উত্তৰ ফালে ছেজদাঙ্গধৰা আৰু দক্ষিণ ফালে সভা-পণ্ডিত বহে। ইয়াৰ দক্ষিণ ফালৰ কোঠাত জ্যোতিষীয়া গণক বহে। ইয়াৰ দক্ষিণ ফকামৰ কোঠাত কটকীহঁত বহে। ইয়াৰ দক্ষিণ ফকামৰ কোঠাত কাকতীহঁত বহে। দক্ষিণ টুপৰ উজনী ফালে খাওন্দহঁত, ডাটীফালে তিনিজনা ডাঙ্গৰীয়াৰ হাতী মুৰীয়াহঁত বহে। প্ৰতিদিনে বড়-বড়ুয়াই বড় চড়াত বহিব পায়। ভেঁও বড়-পাত্ৰ ডাঙ্গৰীয়াৰ বহাটো খুটাতহে বহে। প্ৰতিদিনে দুপৰ মাৰিলে এঁও চড়াত বহে। দুপৰ চাৰি দণ্ড মাৰিলে পানী-চোৱালৈ গই জীৱায়। তিনিপৰ মাৰিলে আকৌ চড়াত বহে। গধূলী চাৰি দণ্ড মাৰিলে উঠি যায়। মেলৰ নেওগ বড়া ইত্যাদিএ বড-বড়ুয়া বহাৰ পোনেই খলাত দুসাৰি হই আঠুলই বহি কথা যোগায়। বড়-বড়ুয়াই নিৰ্ভো পৰত পানিচোৱা ধৰতে থাকে। চাৰি দণ্ড থাকিলেই নিজা

যবলৈ গাই আহাৰ কৰি চুপৰীয়া বড় চড়ালৈ আহে। চড়াৰ ক্লেই জনাই থকুৰা দিয়া ঢৰাৰে চাৰিও পোনে ঢাকি চড়াতে খিৱ দিয়ে। বাজখোৱাবো এই ক্রম। বাতি পৰ দিবলৈ আহি থকা পালি-ঘৰত কোনেও শোৱা-চাজ বা বড় পীড়া লব নোৱাৰে। মাটীৰ ভেটি কৰি লয়। কোনোএ তাতে কাঠৰ পাটত শোৱে। ধাতুৰ চড়ীয়া পিক পেলোৱাও লব নাপায়। কাঠৰ মাত্ৰ লব পায়। বেড়া-কাঁহি মাইহাম ব্যৱহাৰ কৰিব নোৱাৰে। কাহঁৰ বান বা কাঁহি মাত্ৰ ব্যৱহাৰ কৰে। ডৰিকা দুয়াৰৰ বাজৰ বিচাৰ কৰ্ত্তা বড় বড়ুৱা এই কাৰণ ভেঁওৰ নিত পৰ। ডৰিকা দুয়াৰৰ ভিতৰৰ বিচাৰ কৰ্ত্তা চেকিয়াল-বড়ুৱা এই কাৰণে এওঁবো নিত পৰ। বড়-বড়ুৱা চড়াত বহিলে নাওবৌচা কুকন প্রভৃতি বিষয়া সকল যথা নিয়মে বহে। ডাঙৰীয়া সকলৰ আৰু চাৰি সত্ৰিয়া মহন্ত সকলৰ খাটনিয়াৰ আৰু সভাপণ্ডিত বড় বড়ুৱা সমুখৰ উত্তৰ কালৰ খুটাৰ দক্ষিণে ভিতৰ সোমাই ফকামৰ কোঠাতে বহি কথাবার্ত্তা জনায়। এই সকলৰ পূৰ্বকালে সেই কোঠাতে থলাৰ পৰা আগ কৰা কথাকে মুখে দি স্মৃতি ঝুৰাৰৰ কাৰণ বড়-কটকী এটা বহে। এইটো খুটাৰ ওচৰৰ পীড়ালিতে মোটোকোৱা চালতে বড়া, কাকতী পশ্চিম কালে দক্ষিণলৈ ফকামৰ কোঠাৰ মাজে মাজে কটকী, দলৈ, কাকতীহঁত বহে।

# কারাবদ্ধ রাজপুত্র *।

(১)

জানিলোঁ মইনা! আজি এত দিন পরে
কি দুঃখে দগ্ধ করে অন্তর তোমার,
সদা সুখ ভোগে থাকা, বঞ্চিত পিঞ্জরে
বাস করা, তেও কিয় শোকর বিকার
তেও কিয় এড়ি সুখ মানব আলয়ে,
উজ্জ্বল পিঞ্জর করি তৃণ সম জ্ঞান
যার খোজা প্রিয় পক্ষি! জানিলোঁ হৃদয়ে,
জানিলোঁ পরাধীনতা নিরয় সমান।
রোগ গ্রস্ত আজি আমি বুজোঁ সিকারণ,
রোগীর অন্তরে হায় কিরূপ বেদন।

(২)

সমান অবস্থা আজি তোমার আমার;
যবন অধীন তুমি, আমিও সিরূপ
ভাগ্য দোষে; বাসস্থান ভীম কারাগার,
তব বাসস্থান, পক্ষি, পিঞ্জর যিরূপ।
যবনর অন্নে তুমি যথা প্রপালিত,
আমিও সিরূপ আজি বিধি বিড়ম্বনে;
মুক্তি লাভে, তুমি যেনে সদা উৎকণ্ঠিত
দুষ্ট যবনর গৃহে; আমি আজি তেনে।

* এজন হিন্দু রাজপুত্র মুসলমান রাজত্বর সময়ত কারাবদ্ধ হইছিল। তেঁওর আনন্দর কারণে তেঁওর খোটালিত থোৱা এটী মইনা চড়াইক সম্বোধন করি তেঁও এই উক্তি করিছে।

সমান অবস্থা আজি তোমার আমার,
আহাঁ পক্ষি দুঃখে দুয়ো কান্দোঁ একবার।

( ৩ )

কিরূপ আনন্দে তুমি জননী যতনে
হুইছিলা বর্ধিত, স্বাধীন ভাবেরে
উড়িলা হেতেন কেনে নগরে কাননে,
সম বয়সীয়া স্বজাতীয় বিহঙ্গেরে।
আমিও কিরূপে হায় জননী আদরে
হুইছিলোঁ সুবর্দ্ধিত, থাকিলোঁ হেতেন
কেনে সুখে নিজ রাজ্যে স্বাধীন ভাবেরে
বৃদ্ধ পিতা মাতা লই দার পরিজন।
কিন্তু এয়ে পরিনাম ছিলে দুজনার.
তোমার পিঞ্জর হায় মোর কারাগার।

( ৪ )

মোর কারাগার এই অসহ্য সংবাদ,
নিমিষে বায়ুর বেগে পশি স্বরাজ্যত,
প্রজার অন্তরে আজি ঢালিছে বিষাদ;
যত সৈন্যগণ মোর দুঃখিত মনত।
স্নেহময় স্নেহময়ী জনক জননী,
বিশাল বিষাল দন্তে এই সংবাদর,
চর্ব্বিত চর্ব্বিতা আজি; যত ভাইভনী
এই সংবাদত পক্ষি কান্দে নিরন্তর।
জানিলোঁ প্রকোষ্ঠে আজ কান্দে অনিবার।
কোমলা লতিকা স্বর্ণ-নলিনী আমার!

( ৫ )

প্রিয়ে স্বর্ণ-নলিনি আমার।
তব প্রতি আজি হায় জগত আন্ধার;

বিষম বিরহে মোর, উঠিছে তরঙ্গ ঘোর,
আলোড়ি কোমল অতি অন্তর তোমার,
আলোড়ি সমীর যেন স্থির পারাবার।

( ৬ )

প্রিয়ে স্বর্ণ-নলিনি আমার!
প্রফুল্ল কমল হেন বদন তোমার,
জানিছোঁ মলিন আজি, মুখে নাই মধুহাসি,
হরিলে যবনে তব সুখের ভাণ্ডার
বিষময় করি ক্ষণে সুখের সংসার।

( ৭ )

প্রিয়েস্বর্ণ-নলিনি আমার!
দেখা, কিবা দশা আজি তব অভাগার,
হেরুয়াই রাজ্যসুখ, পাইছে ভীষণ দুঃখ,
বাসস্থান আজিতার ভীম কারাগার,
তার ওপরত পুনঃ যবন হুঙ্কার।

( ৮ )

প্রিয়ে স্বর্ণ-নলিনি আমার!
শয়নে বিশ্রামে কিম্বা করোঁতে আহার
"প্রাণেশ্বর" "প্রাণেশ্বর," এই মধুময় স্বর,
কর্ণভরি শুনিছিলোঁ বদনে তোমার;
কিন্তু আজি শুনোমাত্র যবন চীৎকার।

( ৯ )

প্রিয়ে স্বর্ণ-নলিনি আমার;
কিমতে ভুলিবোঁ হায় সিমূর্ত্তি তোমার
যেহি শোক মূর্ত্তি ধরি, ভুজে মোরডিম্বি বেড়ি,

বণোদ্যত দেখি মোক শোকিলা অপাব,
কপোলে বহিল যবে দুটী অশ্রুধাব।

( ১০ )

প্রিয়ে স্বর্ণ-নলিনি আমাব ?
কিমতে ভুলিবোঁ তাক যত্নে বাবম্বাব
ধবিয়া কৰুণস্বব, কহিলা "হে প্রাণেশ্বব
তুমি যাবা বণে, কিন্তু কি গতি আমাব ?
কাক সমর্পিলা এই অভাগী তোমাব ?"

( ১১ )

প্রিয়ে স্বর্ণ-নলিনি আমাব !
সিকথা ভাবিলে আজি অন্তবে আমাব
জ্বলি উঠে দাবানল, প্রাণকবে টলবল।
নাকান্দিবা প্রিয়ে আজি সংবাদে আমাব,
কান্দিলে মুকুতি নাই, ক্রন্দন অসাব।

( ১২ )

প্রিয়ে স্বর্ণ-নলিনি আমাব !
স্থিব কবা চিত্ত তব কবিয়া বিচাব
সুখ হলে আছে দুখ, দুখ পাছে আছে সুখ,
সুখ দুখ চক্রপ্রায় ঘুবে অনিবাব,
সংসাবে অলংঘ্য এই বিধি বিধাতাব,

শ্রীভঃ

---

# নাৰীৰ মুক্তাৱস্থা।

ৰামাৱচনা।

আসাম বন্ধুত দেশহিতৈষী লোক এজনে তিৰুতাৰ মুক্তা ৱস্থাৰ বিষয়ে এটী প্ৰবন্ধ লেখিছে; সেই প্ৰবন্ধ পঢ়ি আমি বড় আনন্দ পাইছোঁ। আমাক এই ফাটকৰদৰে গৃহত সদাই সোমাই থকা দেখি দেশৰ সজ লোক এজনে আমাৰ প্ৰতি দয়ালু হই এই প্ৰবন্ধ লেখাৰ দুঃখ স্বীকাৰ কৰিছে এই নিমিত্তে আমি তেঁওৰ প্ৰতি কৃতজ্ঞ হইছোঁ। আমাৰ মনক সাংসাৰিক অনেক কাৰ্য্যে সদাই আকৃষ্ট কৰি ৰাখে। কেতিয়াও ৰাহিবলৈ ওলাই প্ৰভূৰ বিনন্দ বিলাস স্ৰষ্টিৰ নদী, পৰ্ব্বত, নিঝৰা, গছ, লতা, ফুল, ফল, পশু, পক্ষী আদি কৰি অপূৰ্ব্ব শোভা বিলাক চাই মনৰ অন্ধকাৰ ও দুখ নিবাৰণ কৰিবলৈ নাপাওঁ। কেবল চকু মুদা কুলিৰ দৰে সামাজিকতাৰ শিকলি ভৰিত লগাই লজ্জাৰ অধীনী হই সোমাই আছোঁ। এনেতে আমাক মুক্তাৱস্থা দিলে আমি হাত মেলি স্বৰ্গ পাম। কিন্তু এটী কথা জনাওঁ আমাৰ নিচিনা ক বুলিৰ মজনা অসভ্য তিৰুতাক মুক্তাৱস্থাদি ভুছুৎপহু সজোৱাতকৈ বন্দী কৰি ৰখাকে ভাল বুলি মানিছোঁ। আমি সোমাই থকাত আমাৰ আৰু অভিভাৱক সকলৰ আৰুৰ আছে তেতিয়া হলে একো নাথাকে কাৰণ, আমি হস্তীমুৰ্খা সৎলোকে সইতে আলাপ কৰিব নাজানো, কোনো ভাল বিষয় চৰ্চ্চা কৰিব নোৱাৰো কেবল অসঙ্গত লজ্জাৰ বশৱৰ্ত্তিনী হই অসভ্য ব্যৱহাৰ হে কৰিব পাৰোঁ। একেৰি দুঃখৰ বিষয় যে লেখকে তিৰুতাক মুক্তাৱস্থা দিবাৰ আৰু শিক্ষা দিবাৰ বিষয়ে ভালকৈ উপদেশ আৰু উপায় উদ্ভেদ নক-

বিলে। প্রথম উপদেশ শিক্ষা দিয়া দ্বিতীয় উপদেশ মুক্তা ৱস্থা বা স্বেচ্ছাচাৰ। তিৰুতা স্বেচ্ছাচাৰিণী হোয়া আমি সঙ্গত যেন নেদেখোঁ কাৰণ ভাল যেয়া দুটী বাট; স্বেচ্ছাচাৰিণী হলে "কিংকর্ত্তব্যবিমূঢ়া" হই কোন বাটেৰে যাব লাগে তাক পাহৰে এনে স্থলত স্বেচ্ছাচাৰিণী হবলৈ দিয়া অন্যায়। কেবল স্বামী পিতৃ এনে মুৰব্বিৰ লগত বাহিৰলৈ ওলোয়াকেই সুখ যেন মানো।

পূর্ব্ব কালৰ আর্য্যা ৰমণী সকলৰ মুক্তাৱস্থা আছিল কিন্তু স্বেচ্ছাচাৰিতা নাছিল। তেঁও বিলাকৰ দৰে সর্ব্বগুণ সম্পন্না হলে আমিও মুক্তাৱস্থা পাবলৈ অনুৰোধ কৰোঁ। দেখক, পূর্ব্ব কালৰ তিৰুতাৰ কেনে উন্নতি আছিল? লীলাৱতী কেনে বিদ্যাৱতী আছিল? খনা দেবীএ জ্যোতিষত পাৰ্গত হই শহুৰেকৰ পৰা কেনে আদৰ আৰু যশস্যা পালে? চিত্রলেখাই পট অঙ্কিত কৰিএই উষাৰ স্বপ্ন-লব্ধ স্বামীকো পৰিচয় কৰালে আৰু বুদ্ধিৰ কৌশলেৰে সিমান যত্নত থোৱা কুমাৰকো আনিলে। তেঁও বাটত আহোঁতে এনে ৰূপে বথ চলাইছিল যে কুমাৰে বথৰ গতি সহিব নোৱাৰিছিল। বিদ্বান্ হলেই জ্ঞান আৰু সজ-ভাৱ হয় সেই বিদ্যা-ভূষিতা সীতা-আইএ সিমান অসীম কষ্টতো ৰাৱণ বজাক চকু মেলি নাচালে। পূর্ব্বকালৰ তিৰুতাই যুদ্ধ বিগ্রহাদিতো পটু আছিল বুলি শুনা যায়। কিয়নো ইন্দ্রজিতৰ প্রিয় ভার্য্যা প্রমীলাই প্রাণাধিক স্বামীৰ মৃত্যুত কান্তৰ হই যুদ্ধৰ সাজ লই প্রভু ৰামচন্দ্রে সইতে যুদ্ধ কৰিবলৈ গইছিল। এই বিলাক কার্য্যৰ দ্বাৰাই বুজা যায় যে পূর্ব্ব কালৰ তিৰুতাই সাহিত্য, অঙ্কবিদ্যা, জ্যোতিষ বিদ্যা, চিত্রবিদ্যা, যুদ্ধকৰা, মোৰা চলোৱা, অনেক শিল্প বিদ্যা আদি কৰি নানা গুণে ভূষিতা আছিল সক-

লোতে বড় পাৰ্গত আৰু ধাৰ্ম্মিক আছিল। সজ অসজ এই দুটী বাট তেঁও বিলাকৰ ভালকৈ পৰিচিত আছিল। সেই গতিকে মুক্তাৱস্থায় তেঁও বিলাকক শোভিতা কৰিছিল। এতিয়া আমাৰ গাত সেই বিলাক একো গুণ নাই। সজগুণ সজ শিক্ষা আৰু নীতি-বিদ্যা অলঙ্কাৰেৰে ভূষিতা নোহোয়া কৈ নাঙ্গটা হই ওলালে আমাক গৰখিয়া-লৰাই ও হৈ দি লই ফুৰাব। আমাৰ বিদ্যা নাই, বুদ্ধি নাই, বিবেচনা নাই, প্ৰকৃত ধৰ্ম্মজ্ঞান নাই, সজ অসজ নজানো গুৰুজন শুশ্ৰূষাৰ পথ নাজানো। স্বামীৰ সেৱাত ৰতিনাই আমাৰ পৰা আমাৰ মহা ৰত্ন স্বামীএ কত কষ্ট পাব লগিছে। তেঁও অনেক দুখেৰে সইতে অৰ্জ্জা ধন-সম্পত্তিক আমি অৱহেলা কৰি ব্যয় কৰো। অতিথি অভ্যাগতক শুশ্ৰূষা কৰাত বেজাৰ পাঁও। ঘৰৰ কৰা-মেলা চাৰিজনক ভালৰূপে পালি পাঁচি সন্তোষ লব নাজানো। ঘৰৰ সকলো কাৰ্য্যৰ ভাৰ গ্ৰহণ কৰি স্বামীক সুখ দিব নাজানো। ধৰ্ম্মৰ বাটেৰে চলি পৰকালৰ গতি নাসাধোঁ। কেবল ধুন কৰিব জানো, গাত দুঃখ দিব মোখোজোঁ, কাপৰ ৰবলৈ বেয়া পাই বিদেশীয় বস্ত্ৰ পিন্ধিছোঁ। দৰ্জিৰ দ্বাৰাই চোলা সিয়াই পিন্ধো বিলাসীবস্তু অনেক কিনি-নঁও, কিন্তু আমি হলে ঘৰত একো কৰি স্বামীক বা ভাইক নিদিওঁ। সৰু কালত পিতৃ মাতৃৰ স্নেহত ভোল গই সেই বিলাক কৰিবলৈ পাহৰিলোঁ, স্বামীৰ ঘৰলৈ আহিলত গাভৰুৰ গৌৰবে পাই আমাক চকু মুদাই ধৰিলে তাতে আৰ্কো স্বামীৰ আদৰে জখলা লই তুলি নিলে। সজশিক্ষা আৰু কাৰ্য্য কৰি বলৈ জখলাৰ পৰা নামিবই নোৱাৰিলোঁ। বয়স ডাঠি দিলত আদৰে অনাদৰ কৰি জখলাৰ পৰা নমাই দিলে। স্বামী বুঢ়া হল, পিতৃও বুঢ়া হল—ধন আৰ্জ্জিব নোৱৰা

হল—গাও সুখীয়া। এমে কষ্ট পাই পূর্ব্বব কথা অবণ কবি বাগবি কান্দিব লগা হে হল। হায় হায়! গাভক তোমাব গৌবব এতিয়া কলৈ গল?

অমাব এই বিলাক দুঃখব ভাগি কেবল আমাব অভি ভাবক আক চুবুবীয়া সকল মাত্র। ভেঁও বিলাকে যদি আমাক সকবে পবা নীতি মতে শিক্ষা দিলে হেতেন তেনে-হলে আমাব অবস্থা কেতিয়াও এনে নহয়। আমাব হত বুদ্ধি বহুদর্শি পুকষে আমাক কিয় সজ শিক্ষাব উপদেশ নিদিয়ে? সকতে ছোৱালিক বাপেক মাকে মোব আইটীএ দুখ পাব বুলি বন-বাবি কবিব নিদিএ, বিদ্যা অভ্যাস নকবাই, স্বেচ্ছাচাবী হবলৈ দিয়ে; গাভব হলে স্বামীএ প্রাণ সমা অর্দ্ধাঙ্গীএ মৰত আক গাত দুঃখ পাব বুলি তাড়না নকবে তিকতাব নিজব ইচ্ছাবেই চলে এনে স্থলত ভাল আক সুখ কেনেকৈ হয়? এতেকে একোকে নজনা পশুব দবে হই বাজত ওলাই ফুবাতকৈ ঘবব চুকত সোমাই থকাই আমাব পক্ষে ভাল বুলি জানো। প,

---

## সদানন্দব সমাচাব।

সম্পাদক মহাশয়, কিছুমান লোকে স্ত্রী-শিক্ষা, স্ত্রী-শিক্ষাকৈ, চিঁয়বি আমাব অঞ্চলা ছোৱালী বিলাকব মাজত কেনেবোব নোহোৱা মোপজা ঘটনা ঘটাইছে তাক অনপ-মান আপোনাক নকৈ থাকিব নোৱাবিলোঁ। ইয়াব যাবাই আপুনি এনে কথা কেতিয়াও নাভাবিব যে মিছব সদানন্দ স্ত্রী-শিক্ষাব বিবোধী; কিন্তু আজিকালি আমাব দেশত

স্ত্রী-শিক্ষা বুলিলে "সিদ্ধিবস্তুবে" পৰা ধৰি চিঠি-লিখালৈকেহে বুজা উচিত; নাটক-মভেল পঢ়া, আৰু বন্ধা-বঢ়া, বোৱা-কটা আদি গৃহস্থালি বন পাহৰা, এই দুইৰো মাজতে। ওপৰত কোৱা লোক বিলাক স্ত্রী-স্বাধীনতা আৰু স্ত্রী-শিক্ষাৰ নিমিত্তে দীঘল দীঘল বক্তৃতা দিয়াত বড় পাৰ্গত; বিদ্যাৰ নতুন নতুন দিগ্বিজয় কৰিবলৈ পায়, পৰৰ ছোৱালীৰে কথা-বতৰা কৰলৈ, পৰৰ তিৰুতাৰে হাত জোকৰাজোকৰি কৰিবলৈ পায়, তিমান অপাৰ আনন্দ লভে। ছোৱালীৰ বাপেক মাক বিলাকে ছোৱালীৰ শিক্ষাতকৈ নাম লৰলৈহে বেশিকৈ হেপাহ কৰে। কেনেকৈ আচল মানুহ হব লাগে, কেনেকৈ গৃহস্থালি চলাব লাগে, ছোৱালীএ তাৰ ওচৰলৈকে নাচাপে। এনে স্ত্রী-শিক্ষাৰ কি ফল হইছে, তাক জানিবৰ নিমিত্তে মই আজি এবছৰমান বড় পুৰুষাৰ্থ কৰিছোঁ। ছোৱালী বিলাকৰ মান বিদ্যা হওক মহওক, তেঁওলোক দুটা বিষ্টাত অতি উত্তমৰূপে পকিছে; কোনোবোৰ সৰে হে লাগে; এটা দৰা-নিন্দোৱা, আনটো সমনীয়া লৰাবিলাকলৈ চিঠিলিখা। মই এশ জনীমান লেখাপঢ়া শিকা ছোৱালীএ দৰা এজোৱা দেখিছোঁ। তেঁওলোকৰ আধা-মানৰ সেক্সপিয়ৰৰ "দন্দুৰী বশলগোৱা" নাটকৰ কেথেৰিণ্ড-কৈও একাঠি চৰা। এটা দৃষ্টান্ত মই নিদি থাকিব নোৱাৰিলো। এজন দুখীয়া ভদ্রলোকে তেঁওৰ মৰমৰ জীএকক বড় কষ্ট কৰি পঢ়ালে, আৰু বড় পুৰুষাৰ্থ কৰি তেঁওলৈ দৰা বিচাৰিবলৈ ধৰিলে; কিন্তু তেঁও দহজন দৰাক তেঁওৰ রূপ-গুণৰ "অলায়ক" ভাবি সিহঁতৰ নানা নাম দি এৰিলে, আৰু বাপেককো বহুত গালি শপনি পাৰিলে। বাপেকে বিবুদ্ধি হই বিলাতলৈ গই ইংৰাজী শিকি অহা এজন ভদ্রলোকক

সইতে বিয়া স্থিৰ কৰিলে। এই জনা দৰাৰ কোনো গুণ নাছিল, কেৱল গাল এখান অলপ চোমে ধৰা। শিক্ষিতা কন্যাৰ মত শোধাত তেঁও বাপেকক এই দৰে কেটেহা মাৰি কলে—"মোৰ আগত টপ নটপাৰি। তেনে ডাল কলীয়া ভোমোৰালৈ ময় যাবলৈ নেপায় হে মৰিছোঁ। আই বে আই এনে কথা কবলৈকো লাজ নেলাগে।" ইত্যাদি, ইত্যাদি। এই বেজাৰত বাপেকে জীএক মৰিল বুলি চক-হাড়ী পেলাই লঘোন দিলে। আৰ্কো এই কেথেৰিণৰ ৰূপ গুণৰ কথা ময় কম নে? তেঁওৰ ৰূপৰ ভিতৰত চাল খন বগা, আৰু গা-মুৰ অঁতাওঁতে তেঁও ছয় ঘণ্টা নীয়ায়। তেঁও দহি-কটা এডালো জোৰাৰ নেজানে, ভাতৰ-চকৰে তেঁওৰ কেন্তি-য়াও ভেটাভেট হোৱা নাই, আন আন গৃহস্থালি কাম কৰিলে তেঁওৰ মান যায় আৰু লেখাপঢ়া শিকিবলৈ সময় নাথাকে। তলৈলে মুৰ কৈ তাঁত বলে তেঁওৰ এৰাঁ নামে। কিন্তু তেঁও নৈৰ গুৰিত, ফুলনি-বাগিচাত বতাহ লোৱা এদিনো ক্ষতি নকৰে। তেঁও চিঠি-লিখাত আৰু বন্ধু সকলক আদৰ সম্ভা-ষণ কৰাত অতি পাৰ্গত। এটা কথা এড়িলোঁ,—তেঁও গাউন্ আৰু জেকেট ( মেমৰ মেখেলা আৰু ছোলা ) পিন্ধাত বড় চোকা।

আৰু ময় এই বছৰ তিনি শ তিনি কুড়ি চোৱা-পাঁচ খান ছোৱালীৰ চিঠি গোটাইছোঁ। শিক্ষিতা লেখিকা আই-দেউ সকলৰ বয়স পাঁচৰে পৰা ত্রিশলৈকে। তেঁও লোকৰ ভিতৰত জনা চাৰেক বিধৱা আৰু বেইতা-স্বামি-থকা ভিক-তাও পড়িছে। কিন্তু এই বিষয়ত আগলৈ উঠি অহা ছোৱালী বিলাকেই হে বেশি আগ-বঢ়া। দহ বছৰীয়া ছোৱালী এজনীৰ চিঠি এখনৰ আসল নকল ইয়াত দিলোঁ। "প্রাণা-

ধিক পূয়ত্তমেয়ু—আপুনাৰ মৰমৰ পত্ৰ খনী পাই ময় বঙ্গতে এক ঘণ্টা মান মড়িয়া আছিলো ময় আপুনাৰ পত্ৰ পড়াত যিমান আনন্দ হয় তাহাক ময় লেখি লেখি সম্পাদন কৰা অত্যন্ত দুৰ্ল্লভ মুঠে আপনি ভাবি চিন্তি জানিব পাৰিবেন আপনি পাচ দিন চিঠি না পঠোয়াত ইমান বেজাৰ পাইলাম যে কান্দি কাটি চকু লোৰে পথ দৃষ্ট না হইলাম। মোৰ এই জগৎ মণ্ডলে কোন্ আছে কেৱল আপুনি মোৰ জীবন প্ৰাণ ধন সকলো মোক অধীনিক শ্ৰীচৰণৰ এক পাৰ্চে দাসী কৰিবেন আপুনাক না দেখি ময় সো-শৰীলে মৰিব ধৰো অধিক কি লিখিম চৰিনই নিবেদন মাথোন মোক আগলৈকো এতদ্রূপ দয়া মৰ্ম্ম কৰিবেন আপুনাক কদাচিৎ ভুলিতে পাৰিবোনা আপুনি মোক বিয়া কৰি পৰিত্যক্ত কৰিলেও মোক মৰম নাকৰিলেও ময় "প্ৰণয় হৃদি মাঝাৰে, সদা ডাকিব তোমাৰে, নয়ন প্ৰহৰী আমাৰ ৰবে তব চন্দ্ৰাননে।" হায়! কেতিয়া আমৰা "একাসনে বসি গাহিব গান, সুখেৰ সপনে কাটাব প্ৰাণ, তুলিব কুসুম দুজনে মিলি বে; গাঁথিব মালা, গণিব তাৰা, যামিনী কৰিব ভোৰ।" অতএব "এস এস সখা এস গো হেথা, দুজনে কহিব মনেৰ কথা, খেলিব দুজনে মনেৰি খেলা বে; থাকিব মিশি, দিবস নিশি, আধ আধ ঘুম ঘোৰ।" আপোনাৰ প্ৰেম ভিখাৰিনী শ্ৰীমতি সুন্দৰী গ্ৰীষ্ম কুমাৰী বড়া সৰলা অবলা বালা।"

শ্ৰীবিষ্ণু! শ্ৰীবিষ্ণু! ইঃ! ইঃ!! ৰাম! ৰাম! লেখাপঢ়া শিকি আমাৰ ছোৱালী বোৰ গুচিল, বঙ্গলা নাটক-নভেল পঢ়ি আৰু গান শিকি বলীয়া হল। দহ-বছৰীয়া (কেঁচুৱা) ছোৱালীৰ এনে চিঠি, কি আচৰিত। আৰ্কো সেই একে খন চিঠিকে তাই আঢ়ৈ-কুড়িজন ডেকা

লবালৈ লিখিছিল!। আপুনি এতিয়া চাওক। অসমীয়া জাতিব এটি মাথোন ভাল বস্তু আছে, সি তিকতা। এনেকুৱা শিক্ষা দি সেই বস্তুটো যেন ভ্রষ্ট কবা নহয় তাব নিমিত্তে হে আপোনালৈ এই চিঠি দিলোঁ।

আপোনাব ইত্যাদি

শুভানেণ্ড।

---

# ঘৈনীব দুটী প্রশ্ন।

পাঠক! তুমি ঊনবিংশ শতাব্দীব শিক্ষিত ডেকা, তুমি ভূতব নাম শুনিলেই বলিয়াব প্রলাপ, মূর্খব বকনি বুলি উপহাস কবি উড়াই দিবা। তুমি ভূত পিশাচব নাম, ভয়াতুব কাপুৰুষ বিলাকব কল্পিত বুলি কবা। ময়ো তাকে কম, তেমেকৈ নকই সমাজত অপদস্থ হব পাবোঁনে? ময় যদি ভূত আছে বুলি কঁওঁ, তেনে হলে আজি কালিব সভ্যতাভিমানী ডেকা, বিশেষকৈ বিদ্যালয়ব ছাতব বিলাকব হাত ছাপবিত বক্ষা পোৱা টান হব। "সংসাবত ভূত আছে" এই কথা মুখব পবা উচ্চাৰিত হোৱা মাত্রেই অজ্ঞান, বাতুল, অশিক্ষিত, চহা, চিন্তাশক্তি-বিহীন, গজ-মূর্খ ইত্যাদি কত প্রকাবব উপাধি পাম, তাক কই শেষ কবিব নোৱাবি। সেই নিমিত্তে যদিও ভূতব ভয়ত এন্ধাব বাতি দহোটা বজাতে ঘবব বাহিব হব নোৱাবোঁ; যদিও বাহিবলৈ আহিলেই চাবি আঙুলীয়া দাঁতেবে, কলাকৈ, দীঘলকৈ এজন ওলাই সাবট-মাবি ধবে যেন পাওঁ; যদিও বাড়ীব পবা ভূত খেদিবলৈ পইসা-ভবি—দুপব-নিশা বেজ আমি নানা প্রকাব

তন্ত্ৰমন্ত্ৰপূজা-পাতল কৰাওঁ, আৰু বাড়ীৰ চাৰি চুকে চাইটা ৰকণৰ খুটী পুতি, বাড়ীৰ সীমাৰ ভিতৰত ভূত নোসোমাবলৈ বান্ধি থওঁ, তথাপি ময় এশ বাৰ কম, হাজাৰ বাৰ কম যে ময় ভূত নামানো; ভূত মনা অশিক্ষিত, চছা আৰু ভয়াতুৰ মানুহৰ কাম। ময় ঊনবিংশ শতাব্দীত জনম লই, ভূতৰ অস্তিত্ব স্বীকাৰ কৰি কাপুৰুষ হম নে? ভাল কথা, তেনে হলে মৰি নাযাও কিয়? পেটত্ যি থাকক্ মাথাকক্ তাত্ ক্ষতি কি, তাক দেখে কোনে? মুখেৰে হলে সি কথা নেছেল —দহজন যি বাটত্ আমিও সেই বাটত্। তুমি ভূত থকাৰ বিষান বা প্ৰমাণ দিয়া-নিদিয়া, ভূতে কৰা বুলি বিষান বা আচৰিত কাৰ্য্যৰ কথা নোকোয়া, মোৰ মন টলাব নোৱাৰা। তুমি যদি কোৱা যে "ময় দিনৰ দুপৰীয়া দেখা দেখিকৈ ভূত দেখিছোঁ, আৰু তাৰে সইতে কথাবাৰ্ত্তা পৰ্য্যন্ত হইছোঁ" ময় তেতিয়াই তোমাৰ কথা হাঁহি উড়াই দিম (গাৰ নোম হলে খিয় হই উঠিব) ময় তোমাক কম যে সেইটো তোমাৰ চকুৰ ভ্ৰম। মৰীচিকাৰ দ্বাৰা সময়ে সময়ে মৰুভূমী বিলাককে যেনেকৈ সাগৰ বুলি পথিকৰ ভ্ৰম জন্মে, সেই দৰেই কোনো কাৰণ বশতঃ তোমাৰো চকুৰ ভ্ৰম ঘটিছিল। ভূত নাই; তুমি কেতিয়াও নুবুজিবা—সেই টো নিশ্চয় তোমাৰ চকুৰ ভ্ৰম। যদি তুমি পুনৰায় তোমাৰ কথা প্ৰমাণ কৰিবলৈ কোৱা যে " ময় এদিন ঘৰৰ ভিতৰত চাবিটা মানুহে দাঙ্গিৰ মোৱাৰা এখন খাটত্ শুই আছিলোঁ, পিছে শেহ-নিশা সাৰপাই দেখোঁ যে খাটে সহিতে চোতালত আছোঁ। তাৰ পাছত ঘৰৰ মানুহক জগাই কাৰণ সোধাত কোনেও একোকে কব নোৱাৰিলে। ঘৰৰ ভিতৰত ময় অকলৈ শুই-ছিলো। শোৱাৰ সময়ত ময় ভিতৰৰ পৰা দুৱাৰ যেনেকৈ

মাৰি থইছিলো তেতিয়াও সেই দৰেই মৰা আছিল। দুৱাৰ বাহিৰৰ পৰা মেলিবৰ বা মাৰিবৰ সাধ্য নাই, সেই স্থলত খাটখন ভিতৰৰ পৰা কেনেকৈ বাহিৰলৈ আছিল? আৰু খাটখন বাহিৰত যে আছিল, তাক ঘৰৰ সকলো বিলাকে দেখিছে। দুৱাৰ ভাঙ্গি ধৰাধৰিকৈ খাট খন ভিতৰলৈ নিছোহঁক এই স্থলত অতবিলাক মানুহৰ একে লগে ভ্ৰম হোৱাও বুলিব নোৱাৰা। এতিয়া এইটিও ভূতৰ কাৰ্য্য বুলি বিশ্বাস নকৰিবানে?” ময় তোমাৰ কথা শুনি পেটে পেটে সেই দিনাৰে পৰা অকলৈ নোশোঁ বুলি প্ৰতিজ্ঞা কৰিম, কিন্তু প্ৰকাশ্যে হলে তোমাক এনে উত্তৰ দিম যে তুমি কাযেই মনে মনে থাকিব লাগিব। ময় কম যে “হয়, তেনেকুৱা কাৰ্য্য হব পাৰে, কিন্তু সি ভূতৰ কাৰ্য্য নহয়। নিদ্রিত মানুহে কেতিয়াবা এনে কাৰ্য্য কৰে যে জাগৰিত অবস্থাত তাক কৰা একেবাৰে অসাধ্য। এই বিলাকৰ বিষয়ে আমি অনেক কথা পুথীত পঢ়িছোঁ। অনেক মানুহে নিদ্রিত অবস্থাত এক গাঁওৰ পৰা এক গাঁওত ওলাই, অথচ সি একোকে কব নোৱাৰে। পাছ দিনা বাতি-পুৱা সাৰ পাই ঘৰলৈ উভতি আহে। কোনো কোনোএ নিদ্রিত অবস্থাতে ঘৰৰ অৱ-বস্তু তলৈ—তৱ-বস্তু অলৈ অনা-নিয়া কৰে। সেই দৰে তুমিও নিদ্রিত অবস্থাতে ঘৰৰ পৰা খাট চোতাললৈ আনিছিলা, জাগৰীত অবস্থাত যদিও তুমি খাট দাঙ্গিব নোৱাৰা আৰু বাহিৰৰ পৰা দুৱাৰ মাৰিবৰ শক্তি নাই, তথাপি নিদ্রিত অবস্থাত তাক কৰা আচৰিত নহয়। ইয়াৰ পাছতো তুমি নিসাজহই কব পাৰা যে “ৰাক, সেই কাৰ্য্য জানিবা ময়ে কৰিলোঁ, চাইটা মানুহে দাঙ্গিব নোৱাৰা খাট খন জানিবা ময়ে আনিলো, কিন্তু কাঁহিত খাড়ি খোৱা

ভাত দেখোঁতে দেখোঁতেই আগতে ঢুকাই যাই ; গোসাঞ্জ কাঁছি একেবাৰে উদস্ত হই পড়ে, অথচ কোনেও কাকো খোৱা নেদেখে। এইটি নো কেনেকৈ ঘটে ?" তাহ্ময় অবাধে কম যে এইটি কাৰ্য্য হলে নেদেখিলে বিশ্বাস কৰিব নোৱাৰোঁ। তুমি হাজাৰ শপত খাই কোৱা মোৰ হলে সমুলি বিশ্বাস নহয়। এই বিলাক তোমালোকৰ চকুৰ ভ্ৰম। ইত্যাদি নানা কাৰণ দৰ্শায়, বাদানুবাদ, তৰ্কবিতৰ্ক কৰি, অগৰম-বগৰম কই তোমাক ঘটামেই ঘটাম। কিন্তু লেখকৰ ঘৈনীয়ে সম্প্ৰতি লেখকক পৰাস্ত কৰিছে। ঘৈনীয়ে এনে দুটিমান কথা ধৰিছে যে তাৰ উত্তৰ দিয়া লেখকৰ পক্ষে টান হইছে। লেখকৰ শ্ৰেণীৰ ( ভূত নমনা সকলৰ ) ভিতৰৰ কোনোবাই যদি তাৰ ভাল উত্তৰ দিব পাৰে তেনেহলে ভূত নমনা সম্প্ৰদায়ৰ আৰু লেখকৰো মান বয়।

কিছু দিন হইছে লেখকৰ ঘৰতে ভূতৰ উপদ্ৰব ( লেখকৰ মতে জানিবা নহয় অন্যৰ মতেহে ) হয়। বাতিয়ে দিনে অবিচ্ছেদ দলি পড়ে, সেই সময়ত লেখক ঘৰতে আছিল। প্ৰথমতে তেঁও মানুহ বুলি অনেক প্ৰকাৰে ধৰিবলৈ কল-কৌশল কৰিছিল, কিন্তু সকলো মিছা হ'ল। যিবিলাক ঠাইৰ পৰা দলি আহে তাত্ দুপৰ নিশা মানুহ থাকিব-চাবি লিশাচ থকাও টান ; বিশেষ দুমাহ তিনি মাহ নিশা-নিশাটো টোপনী ক্ষতি কৰি কোনো মানুহে দলিওয়া নিতান্ত অসম্ভৱ। কেতিয়াবা ঠিক শূন্যৰ পৰা দলি পেলাই দিয়ে। পূব, পশ্চিম, উত্তৰ, দক্ষিণ, কোনো ফালৰ পৰাই নাহে, কেবল ঠিক মুৰৰ ওপৰৰ আকাশৰ পৰা যেন কোনোবাই পেলাই দিছে এনে অনুমান হয়। লেখকে কাৰ্য্য দেখি অবাক হ'ল। তেঁও ভূত নমনা মানুহ, হঠাৎ ভূত থকা বুলি

স্বীকার করি অসভ্যর শ্রেণীত গণ্য হোৱাও কম কথা নহয়। সেই নিমিত্তে তেঁও তেতিয়াও মানুহ মানুহ বুলিয়েই কই আছিল।

এই দৰে কিছু দিন গল, তার পিছত নিলগৰ পৰা দলি আহিবলৈ এড়ি ঘৰৰ ভিতৰতে মাৰিবলৈ ধৰিলে। ঘৰৰ দুৱাৰ খিড়িকি সমুদয় বন্ধ, চাবিও পিনে এটি ভেকুলী-বেহু সোমাবলৈকো সন্ধি নাই, অথচ ঘৰৰ ভিতৰত ধমাধম দলি পাড়ি আছে। খাটত্ আঁচৰা-তৰা, আঠুয়াৰ চাবিও-কোৰ তুলিত খুঁচি দিয়া, কিন্তু হঠাৎ এটি দলি আঠুয়াৰ ভিতৰ সোমাল, ক্রমে দুটী, শেষত অসংখ্য। লেখক অবাক। বাহিৰত মাৰোতে "কৰবাৰ পৰা কেনেবাকৈ—কিবা প্রকাৰে মানুহেই মাৰে" বুলি ষৈনী আৰু ঘৰৰ অন্যান্য মানুহক প্রবোধ দিছিল—প্রবোধ দিবৰ এটি বাট আছিল, এতিয়া সেইটি বাটো বন্ধ। আজি কয় কি? আঠুয়া কোনো পিনে ফটা নাই, তুলিত খোঁচা যেনে তেনেই আছে, ওচৰত চাকি জ্বলিব লাগিছে। দুৱাৰ খিড়িকি আদি বন্ধ। ষৈনী আৰু লেখকৰ বাহিৰে, অন্য কোনো মানুহ ঘৰত শোৱা নাই; ষৈনীও তেঁওৰ আগতে। দুই ও আঠুয়াৰ তলত। দলিৰ পৰা ৰক্ষা নাই। ৩।৪ মিনিটে দলি জোকাৰী নেপেলালে বিছনাত থাকিব মোৱাৰা হ'ল। "দলি আছে কৰ পৰা, আঠুয়াৰ ভিতৰ সোমাই কিয়নো," ষৈনীৰ এইটো প্রথম প্রশ্ন। লেখকৰ মাতবোল নাই।

লেখকে পাছ দিনা অন্তক দেখাৰ কাৰণ গাঁওৰ ১৫।১৬ জন মানুহ মতাই নিয়ে, তাৰ ভিতৰতে দুজন স্কুলৰ পণ্ডিত। ফৰিংকুটা জোনাক, গাধুলীতে লেখকে সেই মানুহ বিলাকক তেঁওৰ শোৱনী ঘৰৰ চাবিও-ফালে পাহৰা

খলে। সিহঁতে ঘৰ হাত-বেড়া দি আছিল। সেই সময়ত লেখক, লেখকৰ যৈনী আৰু লেখকৰ ভনী এই তিনিজন ঘৰৰ ভিতৰ সোমাল, তিনিও ওচৰা ওচৰিকৈ খাটত বহিল। ঘৰ সোমোৱা মাত্ৰ তেঁও যি খোটালীত শোৱে সেই খোটালীৰ এটা চতিৰ পৰা ধূলি মাৰিবলৈ ধৰিলে। চতিৰ কোন খিনি ঠাইৰ পৰা ধূলি মাৰে, তাক লেখকহঁতে আৰু বাহিৰত থকা মানুহ বিলাকেও অনুমান কৰিব পাৰিছিল। হাতৰ পৰা ধূলি মাৰিলে যেনে শব্দ হয় তেতিয়াও ঠিক তেনে শব্দ হইছিল আধা মিনিটে আধা মিনিটে এমুঠি এমুঠি ধূলী মাৰিবলৈ ধৰিলে। ধূলিবে ঘৰৰ মজিয়া আৰু খাট ভৰিগল। লেখকে পণ্ডিত দুজনকো ভিতৰলৈ আহিবলৈ কলে। তেঁও বিলাক ভিতৰ সোমোৱাতো সেই একে কথা, তেঁও বিলাকৰ কাপোৰো ধূলিবে পৰিপূৰ্ণ হল। এদিন নহয় অনেক দিন পৰ্য্যন্ত সেই দৰে হই আছিল, সেই বিলাক উপদ্ৰৱৰ দ্বাৰা মানুহৰ শোৱা খোৱাতো অসুখ হইছিল। এতিয়া যৈনীৰ দ্বিতীয় প্ৰশ্ন এই যে "অতবিলাক মানুহে ঘৰৰ চাৰিও ফালে ছাতবেড়া দি আছে, ইফালেও ঘৰৰ দুৱাৰ খিড়িকি বন্ধ, ঘৰৰ ভিতৰত নয়, আপুনি, (লেখক) আৰু আইটী (লেখকৰ ভনী) ভিন্ন অন্য মানুহ নাই। আইটী আৰু ময়ো আপোনাৰ লগতে। বাহিৰৰ পৰা দলি বা ধূলি আহিবৰ কোনো প্ৰকাৰেই সম্ভৱ নাই। এই স্থলত এই চতিটৰ পৰা ইমান বিলাক ধূলি কোনে মাৰিলে—কেনেকৈ আহিল? ই যদি ভূতৰ কাৰ্য্য নহয় তেনে হলে কিহৰ? মিছা বুলিবলইও আপুনি আগতে, তাৰ পাছত ভ্ৰম বুলিবলৈও একেবাৰে ২০। ২৫ জন মানুহৰ ভ্ৰম হব নোৱাৰে। বিশেষতঃ ই এদিনৰ কাৰ্য্য নহয়, অনেক দিন পৰ্য্যন্ত সেই

দবে হইয়ে আছে। ইয়াকো যদি কোনোবাই চকুব ভ্রম বোলে, তেনে হলে সি বলিয়া বা গজ-মূর্খ।"

এতিয়া লেখকে এই দুটি প্রশ্নব উত্তব দিব নোৱাবি বিবুদ্ধি হইছে। যৈনীয়ে যিবিলাক কথা কইছে, সেই বিলাক সম্পূর্ণরূপে সত্য, তাব সাক্ষী ভূত-নমনা লেখকেই। যৈনীব কোনো কথাকেই লেখকে নুই বুলিব নোৱাবে। এতিয়া যদি লেখকব লগবীয়া (ভূত-নমনা) সকলে এই প্রশ্ন দুটিব যুক্তিযুক্ত উত্তব দিব পাবে তেনেহলে লেখক আৰু তেঁওব লগবীয়া সকলব মান বক্ষা পড়ে। নচেৎ লেখক আজিবে পবা ভূত মনা সম্প্রদায়ব (অসভ্যব) খেলত সোমাব লাগিব।

(নোট)। যাব কাবণ জানিব নোৱাবি সেইটোকেই ভূতব কার্য্য বোলা আমাব অভ্যাস। কাবণ জানিলে ভূতব নাম গুছে। টেলিগ্রাফব দ্বাবা বার্ত্তা আনা নিয়া, ষবিব টক্ টকনী আৰু ভাপব গাড়িও কোনো এসময়ত ভূতব কার্য্য বুলি কোৱামেলা হইছিল। এইৰূপ নৈসর্গিক কার্য্যব কাবণ জানিব পবা সময় হয়তো আমাব দেশত এতিয়া হোৱাই নাই। ফটোগ্রাফব প্রতিমূর্ত্তি তেনে অভাবনীয় কার্য্য নহয়নে? শুনা গইছে কষিয়াব এজন সেনাপতিক কাবুলব বর্ত্তমান আমীবে ফটোগ্রাফব প্রতিমূর্ত্তি লবলৈ ভূতব ভয়ত নিষেধ কবিছিল। ফটোগ্রাফব কাবণ এতিয়া জনা হোৱাত আশা কবোঁ লেখকে একো ভয় নকবিব। লেখকে সস্ত্রীক ফটোগ্রাফব প্রতিমূর্ত্তি তোলালে উভয়ে কিছু পবিমাণে বিজ্ঞানব বহস্য জানিব।

স,

# গাঁৱলীয়া বোৱাৰী।

১

ফেঁচাই উকলি দিলে পুবে বগাডাঁৰ,
বাহিবে পোহৰ কিন্তু ভিতবে এন্ধাৰ,
কু-কু-কু কু-কু-কু বুলি,
কুকুবাই কণ্ঠ তুলি,
পুৱাল বজনী বুলি জগালে জগত,
গাঁৱলীয়া বোৱাৰীৰ আহ্লাদ মনত।

২

শীতৰ অমোঘ অস্ত্ৰ নিহালি পেলালে,
বুকৰ কেঁচুৱা এড়িলেক ডালে পালে,
বিসৰ্জ্জিলা এলাহক
সাপটিলা সুকাৰ্য্যক,
নিদ্ৰাগতা কাৰ্য্য-মূৰ্ত্তি যেন সাৰ পালে,
গৃহলক্ষ্মী সাৰ পালে অথবা কপালে!

৩

হাতত বাঢ়নি লই চোতাল সাবিছে,
বাহি চোতালত লোকে ভবি দিলে পিছে
জানো অমঙ্গল হয়,
মনত সদাই ভয়,
ভয়ে ভীতা বোৱাৰীএ সুখ পাবিহবি,
গৃহকৰ্ম্মে বন্দী হল সুখ কাতি কবি!

৪

গাঁৱলীয়া বোৱাৰীৰ অন্তৰ এন্ধাৰ,
শিক্ষাৰ পোহৰ নাই কত সুসংস্কাৰ,

কুসংস্কারে বশ হই,
শাহু আজিৰ বাক্য লই,
সাংসাৰিক কায কৰে এলাহ নকৰি,
কার্য্য-ক্ষম নাই গাঁৱলীয়া সম্বিবৰি !

৫

কাযত কলহ লই জাৰ তুচ্ছ কৰি,
( শীতত কঁপয় কিন্তু দেহ থৰ থৰি, )
ধীৰে ধীৰে যাই হায় !
মুখত কথাটি নাই,
দুৰন্ত শীততে গই পানী তুলি আনি,
বাহি বন সাঙ্গ কৰে আলস্য নেমানি !

৬

কোমল শৰীৰ কেনে লাৱন্য-ললিত,
নীৰবে কাঠিন্য সহে দেখি আচৰিত,
কঠিন কোমলে মিলি,
অপৰূপ ৰূপে খেলি
গাঁৱলীয়া গৃহস্থৰ সংসাৰ উজলি,
গ্রাম্য-বধূ শোভে যেন মেঘত বিজলি !

৭

মহর্ষি মনুৰ সংহিতাৰ সুবচন
( গৃহিণীৰ কার্য্য ) গাঁয়ে কৰিছে পালন
যত গ্রাম্য-বধূচয় ;
অন্তৰত ঘোৰ ভয়,
শাস্ত্র-উপদেশ পালা হিন্দুৰ ধৰম,
লেপালিলে পাপ হয় ঘোৰ কুকৰম !

৮

শিক্ষা নাই অন্তৱত নানা তৰ্ক তুলি,
প্ৰধানতঃ সুখৰীৰে দুঃখ পায় বুলি,
গ্ৰাম্য ৱোৱাৰীৰে ভাই
পৰিশ্ৰমে নেকেঁকায়,
ৱঙ্গমনে পৰিশ্ৰম কৰিছে সততে,
হাতে যেন কাৰ্য্যে লাগি আছে অবিৰত !

৯

গৃহ-কৰ্ম্ম সাঙ্গ হল সময় বুজিলে
নীৰৱে চেঁচা পানীকে মুৱত ঢালিলে,
ৱোৱাৰীৰ ভাগ্যে, ভাই,
তপতোৱা পানী নাই,
কোমল শৰীৰে পুনঃ কঠিন প্ৰহাৰ,
কোমলে কঠিনে মিলে দেখা আৰ বাৰ !

১০

কুসাজে লাৱণ্য-ৰূপ ঢাকিৰ নোৱাৰে,
চাকিয়ে আপুনি পোহৰাই অন্ধকাৰে,
ৰূপহ শৰীৰে ভাই,
যোগিনী সাজ পিন্ধাই
কোমলত কৰে পুনঃ কঠিন মিলন,
গ্ৰাম্য-গৃহ এই দৰে কৰিছে শোভন !

১১

কাৰ্য্য-ক্ষম, পৰিশ্ৰমী শৰীৰ শকত,
কেতিয়াও নিবিয়লে অলপ জহত,
শকত শৰীৰে হয়,
শক্তিমন্ত সুতনয়,

পবিশ্রমী মাইকীব পবিশ্রমী সুত,
আটিল শবীব দেহ বহু বলযুত !

১২

দুঃখ দহনত হেন বোব্রাবী তনয়,
সুখীয়াব পুত্রব্রত পীড়িত নহয়,
নিজব বাহুব বলে
উপার্জ্জিয়া সুকৌশলে,
নিজব অধীনে থাকি বিপুল সুখেবে,
সময় যাপয় নিদ্দি পবাধীন নবে !

১৩

মাইকীব শিক্ষা নাই পুত্রো অশিক্ষিত,
অন্তব সাবল্য-পূর্ণ চাতুবী বর্জ্জিত !
শিক্ষাব কুতর্ক বাশি,
জীব্রনব সুখ নাশি,
অন্তবত নোশোমায় গ্রাম্য বোব্রাবীব,
আবুবে ফুবয় থাকে নহয় বাহিব !

১৪

শিক্ষা নাই অন্তবত বিলাস নেজানে,
বিলাসিনী নহে দেখি এলাহ নেমানে,
সভ্যতা নেজানে একো
সামান্য পিন্ধন দেখোঁ,
কটিত মেখলা ডাঠ শবীবত বিহা,
জোতা মুজা জাকেটব নেপায় দিহা !

১৫

অজ্ঞানি বোব্রাবী ভাবে পতিএ ঈশ্বব,
জীব্রনব ইষ্টগুরু গবাকি দেহব,

"প্রিয়তম" "প্রাণনাথ"
ইত্যাদি ললিত মাত,
সম্বোধনে কদাপিও ব্যত্যয় নাই,
ভয়তে চকুৱে চকু কদাপি নাচায়!

১৬

অসভ্য—শাহুৰ গালি নীৰৱে শুনিছে,
জেপাহ ননন্দমাত নীৰৱে সহিছে,
দুনাই উত্তৰ দিব
টান কথা বা বুলিব,
সামান্য গতিকে মনে হেন ভাব নাই,
মৃদুভাবে সহি সহি সময় কটায়!

১৭

শহুৰক বুঢ়া-ঠেৰা বুলি নিন্দিনায়,
দুঃখত জিয়াৰী যেন বধূ শুশ্রূষায়!
গাঁৱলীয়া বোৱাৰীৰ,
শহুৰ আৰু শাশুৰীৰ
বিপদে পুতউ কৰা কৰ্ত্তব্য কৰম,
অসভ্য-গতিকে নাই অন্তৰে মৰম!

১৮

অসভ্য মুখৰ মাত কদাপি শুশুনি
কথা কয় যেন ভোমোৰাৰ গুন্-গুনি,
সভ্য নহে শিক্ষা নাই,
তথাপি শিক্ষিতা আই,
গাঁৱলীয়া বোৱাৰীএ নাৰীৰ উত্তমা,
পতিব্রতা গ্রাম্য বধূ বুধ-মনোৰমা!

# প্রমীলা

## (সামাজিক নবন্যাস)

### প্রথম পবিচ্ছেদ।

"সংসাবব মাঝে, ফুকতে ফুকতে, কেতিয়াও নাপাই সুখ।
পিবিতি ভঁড়ালত, জীউ জুড়াবলৈ, থাপতে নিমিলে একো॥"

### ঘোব নিশা।

আজি জেঠমাহব কৃষ্ণ পক্ষ, চতুর্দ্দশী তিথি, দুপব নিশা' বাবিষাব কাল টোপাটোপে ববষুণ পড়িছে; ঘোপমবা এন্ধাবত চকুব আগতে হাতী খিয় হলেও নেদেখি। এনে সময়ত উজনী বঙ্গপুবব জেবেঙ্গা পথাবব প্রসিদ্ধ হাবিব ভিতবত যি সৰু এটি বাট আছে—বাটটো মানুহ যোৱা বাট নহয়, বনবীয়া জন্তু সদাই অহা যোৱা কবি থকাত এটী বাট যেন হই আছে—সেইটো বাটেবে দুজন মানুহ গই আছে।

ময় যি বছবব কথা কব খুজিছোঁ, সেই বছবত আগেএ আৰু ববষুণ হোৱা নাই; সেই দিনা বাতি পুৱাব পবা অলপ অলপ ববষুণ পড়িছে। নাইবা এইটো বাটেবে মানুহ যোৱা দূবত থাওক, হাতী যোৱাটোও টান হে আছিল—বাট বোকা, আৰু ঠাইএ ঠাইএ দ; চতমহিয়া বদত জুই মিহলাই দিলেও কি জানি সি মুখুকায়। এই বছবত জেঠলৈকে ববষুণ নোহোৱাত অলপমান যাব পবা হই আছিল। বাটকৰা মানুহ দুটাব যোৱাব আৰু এটা সুবিধা,—আনবছব যেনে দবে হাবি হই থাকে, সেই বছব তেনে হাবি হব পবা নাই, বদ সবহ হোৱাৎ নতুন ইকবা আৰু খেব বড়কৈ গজা নাই। নহলে এই হাবিত ইমান

নিশা বনবিয়া ম'হ, বনবজা আৰু ভালুকৰ হে যেনচপা ঠাই কিন্তু এই বছৰ এই পখিক দুজনাৰ কপালৰ গুণে হে সিহাঁৰ মানুহ মৰা ৰাবি নহল।

যি মানুহ দুজনা ৰাবিবে গই আছে তেওঁবিলাক দুইএ জনী মাইকী; এজনি গাভৰু আৰু এজনি এধা বয়সিয়া। এধা বয়সিয়া জনিৰ গাৰ বৰণ শাঁও, অলপ্ দীঘল কিন্তু গা চিকোণ থকাত তেনে দীঘল যেন নেদেখি। নাক কাণ, চুলি, দাঁত আৰু হাত ভৰিএ এওঁৰ সুৰূপীৰ চিনাকি দিছে। গাভৰুজনীৰ বয়স ষোল। বৰণ বগা—"বগা" কওঁতে তেনে-কুৱা পীঠাগুড়িৰ মিচিনা শুকুলা বগা নহয়; পীঠাগুড়ি আৰু ছালধিৰে মিহলি। চুলি দীঘল, শৰীৰ নীচেই দীঘলো নহয় আৰু ছুটীও নহয়; যেনে দীঘল হ'লে ডিকতা বিলাকক চাবলৈ মন যাই, ঠিক যোড়াই জোখাই তেনে দীঘল; নাক কান মুখো তেনেকুৱা হে। বিধতাই যেন এই জনী গাভৰুক কৰো বুলি ধূনিয়াকৈ সাজিছে। আজি কালিৰ ঊনবিংশ শতাব্দীৰ টেঙৰ মানুহ বিলাকে কয় নে নকয় কব নোৱাৰোঁ, আগৰ বুঢ়া বুঢ়া পকা খেকেৰাৰ দৰে মানুহ বিলাকে নিজৰ নাতিনীয়েকক আগত লই ভুকৎ ভুকৎ ধোঁৱাখোৱা টানি কইছিল,—ব্ৰহ্মাই যেতিয়া মানুহ সাজে তেতিয়া পাছুকাললৈ হাত কৰি মোচোৱাকৈ সাজি থাকে। ইয়াৰ ভিতৰত যদি কোনটো মানুহ 'কেনে হল' বুলি আঠ চকুৰে চায় তেন্তে সেইটো মানুহ এটাইতকৈ ধূনিয়া হয়। যদি এইটো কথা কোনোবাই পতিয়ায়, তেওঁ ইয়াকো পতিয়াব লাগিব—আমাৰ এই জনী ছোৱালীক ব্ৰহ্মাই তেওঁৰ দুটা চকুৰে ভালকৈ চাই সাজিছে।—ছোৱালী জনি যেনে আয়াচ মহীয়া ভৰালৈ। বাবিবাৰ পাৰিবে সাহুৰ

যেনে দবে গা এডা দি দি লাছে লাছে ফোঁপাই থাকে তেনেদবে যৌবনেবে সইত হাত ভবি অঙ্গ প্রত্যঙ্গ পুব হই যেন গাভরুল লগতে চিনাকি হব খুজিছে—প্রকৃত পক্ষে ছোৱালী জনী বড় ধুনিয়া।

পাঠক! তুমি যেনে ধুনিয়া ছোৱালীএ সইতে থাকিলে সংসাবব শোক দুঃখ পাহবি এন্ধাব বাতিব ছাবিব ভিতবত দুঃখকো সুখ বুলি ভাবিব পাবা, আক পাঠিকা! তুমি যেনে ধুনিয়া ছোৱালী পালে তাব লগত সখী পাতিব খোজা কিন্তু তোমাতকৈ সুৱনী বুলি নেভাবা, কিয়নো এই দবে বহুত তিকতাই আপোনাব মুখতকৈ আনতিকতাক ভাল যেন মেদেখে এই বাবে হে কও তোমাতকৈ ধুনিয়া নহলেও ষাব লগত সখী পাতিব খোজা তাতকৈএ ধুনিয়া।

সেই বাটকৰা মানুহ দুজনী নো কেলৈ এনে এন্ধাব নিশা ছাবিব ভিতবতে সোমাল আক কলৈ নো যাব খুজিছে? কোনে কব পাবে, লোকব মন জনা টান! আমালোকব পণ্ডিত এগবাকিএ কইছে—"লোকব মন তেলি-মহিব দবে কলা" এই কথা যি পণ্ডিতে কইছে তেও পয়গাম্বৰব দিনবে পণ্ডিত; আজি কালিব মানুহ বিলাকব মনব কথা কোৱা নাই। বিশেষকৈ তেঁও তিকতা বিলাকব কথা বুজিব পাৰি-ছিল নে নাই এইটো কথা তেঁওব কবিতাত বুজিব পবা নগল। কিয়নো অনুবিক্ষণ যন্ত্রেব চালে তেলি-মহিব ভিতবত থকা বস্তু ও কিছু মান দেখি, তথাপি তিকতাব মনব ভিতবত নো কি আছে কোনেও দেখিব নোৱাবে। এতেকে মতা মানুহব মনব উপমা দিবব কাবণ তেঁওব এইটো কথা নব পাৰি। কিন্তু ময় তেনে ভাব নকবোঁ। ময় এই যেন তিকতা বিলাকব কথা হে উলিয়াইছোঁ। তেঁও যদি এন্ধাব

নিশাৰ কলা চিচাঁত খোৱা তেলি-মহিৰে সইতে তিকতা মানুহৰ মনৰ উপমাদিলে হেঁতেন ময় বড় বঙ্গ মনেৰে মানিলোঁ হেঁতেন। আমাৰ কোনোবা এজন আৰ্য্য পণ্ডিতে কইছে, "স্ত্রীয়াশ্চরিত্রং পুরুষস্য ভাগ্যং দেবাঃ নজানন্তি—* * " এই হে সঁচা কথা! এওঁ হে যাই কথা জানিছিল!!

আমাৰ এইটো কথাত যে পাঠিকা ছোৱালী বিলাকে কিমান খঙ্ খাব তাক বুঝিব পাৰিছোঁ। তেঁও বিলাকে আমাৰ ওপৰত খঙ্ কৰি বেয়া পাব আৰু পাৰে মানে গালি পাৰিব তাক ময় ভালকৈ জানিছোঁ। গালি পাৰে পাৰক যেতিয়া লেখিব খুজিছোঁ, কথা মুঢ়ুকাই মানে লেখিএই থাকিম কিন্তু পাঠিকা বিলাকৰ আগত আমাৰ এই আশা —খঙ্ কৰি যেন পুথীৰ পাত নাফালে—আগ গুড়ী নোচোৱাকৈ যেন গালি নাপাবে।

পাঠক পাঠিকা বিলাক! ক্ষমা কৰিবা, ঘাই ঠাই এড়ি ভালেমান বাট আছিলোঁ। "ৰাজভগনৰ কথা কঁওতে কলা-খোকা বাদুলীএ খোৱাৰ" কথা কলোঁ।

শ্রীকঃ

---

## পুণিমাৰ জোন।

আজি আকাশত, মেঘৰ মাজত
পূর্ণ জোন কাচি পাৰি,
নানা ভাব ধৰি, লাহে লাহে কৰি
দিছে দেখা হাঁহি মাৰি,
ধুন চাই চাই ধীৰে ধীৰে বায়
গঢ়াই পেলাইছে ভৰি,

এবাৰ ইফালে এবাৰ সিফালে,
চায় কেৰা-কেৰী কৰি,
এবাৰ লাজত মেঘৰ আৰত
থাকে মুখ লুকুৱাই
কিন্তু কিছু পিছে হাঁসিয়া ছবিষে
দিয়ে দেখা পুনৰাই।
একে তো সুৱেশী জোন সুবদনী
ললিত বলিত গাৱ
তাতে এই ৰূপ দেখুৱায় ৰূপ
কৰে নানা ভঙ্গি ভাৱ
এবাৰ ওলায় এবাৰ লুকায়
এবাৰ ডুমুকি মাৰে
হাঁহি হাঁহি চকু বসে ভৰা বুজু
ধীৰে ধীৰে খোজ কাঢ়ে
ৰূপৰ কিৰণ ৰুবিছে গগণ
তেও আৰু আছে বাকি
পাৰ কূল নাই দশো দিশে যায়
আছে বসুমতি ঢাকি
এক বাতি তাৰে পায় অহঙ্কাৰে
যতেক গছৰ পাত
ছিক মিক কৰি ঠন ধৰি ধৰি
জিলিকিছে অসংখ্যাত
যত পকি ঘৰে চক চক কৰে
ধৰি অতি শুভ্ৰ বেশ
যেন ৰজতৰ সেই একো ঘৰ
শোভাৰ নাহিক শেষ

ভেঁট পুষুবিত্ত অতি হবষিত
হাঁহে মুখ মেলি মেলি
তোমোবা খুঁজুরা বাতি চুপাবিয়া
পাতিছে বলব কেলি
ধন্য ধন্য জোন আৰু আছে কোন
তোমাব সমান হয়
রূপব ভণ্ডাব তুমি ব্রহ্মাণ্ডব
তুমিএহে সর্ব্বময়
তুমি এহে দিয়া তুমি এহে নিয়া
তোমাব জহতে কুল
জক মক কবি নানা বেশ ধবি
কবে মন বিয়াকুল
আছে হয় আক দেখিবলৈ বাক
নানা বস্তু পৃথিবিত
কিন্তু শশধব তোমাব রূপব
নাই তুল কদাচিত
আছে ইন্দ্র ধনু বিতোপন তনু
নানা বাগে বিভূষিত
কিন্তু নিশাকব তোমাব সোসব
লোহোব্বর কদাচিত
অতি বিমদিয়া বিজুলি অমিয়া
গাভরু চৌব্রালী আক
ছবালব হাঁহি পদুমব পাহি
দেখিব আৰম্ভ বাক
ই সবাতো বাজে এই ধবা মাজে
আছে বস্তু বহুতব

যাব রূপে মন মোহে সর্ব্বক্ষণ
তোলে ঢৌ আনন্দব
কিন্তু সুবদনী তুমি শিবোমণি
তুমিহে সবাব বাণী
রূপ আছে হয় কিন্তু অপায়ন
তোমাব চেঙব পানী
গাভক জোনব মুখব পোহব
দেখি লাগে বজ যেনে
কিহে দিব পাবে ভুবন ভিতবে
মনত আনন্দ ভেনে
মোব মনে কবে নির্ভো এই দবে
তোমাক দেখিব পাম
সকলোকে এড়ি নেত্রে ভবি ভবি-
তোমাব রূপকে চাম

স, ব,

---

# যৈনীৰ কর্ত্তব্য ও স্ত্রী-শিক্ষা।

( ১৯৪ পৃষ্ঠাব পব )

মহর্ষি কণ্ব কইছে—আই! তুমি ইয়াব পবা গিবিয়েবাব ধব পাই—

" শুশ্রূষস্ব গুরূন্, কুরু প্রিয়সখীবৃত্তিং সপত্নীজনে,
ভর্তুর্বিপ্রকৃতাপি-রোষণতয়া মাস্ম প্রতীপংগমঃ।
ভূয়িষ্ঠং ভব দক্ষিণা পরিজনে, ভোগেষ্বনুৎসেকিনী,
যান্ত্যেবং গৃহিণীপদং যুবতয়ো, বামাঃ কুলস্যাধয়ঃ॥"

অভিজ্ঞান শকুন্তলম্।

গুরুজনক সেবা শুশ্রূষা করিবা, সতিনীর লগত প্রিয়-সখীর দরে ব্যবহার করিবা, গিরিয়েকাই তিরস্কার করিলেও খণ্ড করি কেতিয়াও তেওঁক উপালম্ভ নকরিবা। বাহ্যিকৈ-বিলাকলৈ বড় সরলচিত্তা হবা; আৰু ভোজনলৈ আগ্রহ নকরা হবা। এনে আচরণ করা তিকতাবিলাকেই যথার্থ গৃহিণী পদর বাচ্য—ইয়াকে নকরাবিলাক কুলর উৎপাত স্বরূপ হয়।

কি সোনর কথা! শকুন্তলাদি শিক্ষিতা তিকতা, বিদ্যা-বতী—কিন্তু মহর্ষি কণ্বয় কি উপদেশ দিছে শুনা। মহাকবি কালিদাসর দিনতো (খ্রীষ্টর জন্মর প্রায় ৫৬ বছর অর্থাৎ প্রায় ১৯৫০ বছর পূর্ব্বে) বোৱাৰী-জিয়াৰী বিলাকর শিক্ষার এইএ প্রধান বিষয় আছিল। কিন্তু কালচক্রর বিষম পরি-বর্ত্তনত বোৱাৰী-জিয়াৰীএ আজি কালি এই বিলাক শিক্ষার নাম শুনিবলৈকে নোপাৱা হই আছিছে আৰু আজি কালি শিক্ষিতডেকাৰো অন্তঃকরণত এনে ধারণা হইছে যে গৃহিণী-য়েকর হাতত কিতাপ এটি দেখিলেই বা "প্রাণেশ্বরীর চম্পককলি-গঞ্জিত অঙ্গুলি অঙ্কিত" আখর দুটামান পালেই যেন তেওঁর ইহ জন্মর সকলো কার্য্যর সিদ্ধি হল। আৰু বিবেচনা করে যেন "শুধুই নারীর কার্য্য শোভিতে শয়ন।"

তিকতাক লেখাপঢ়া শিকোৱার বিরোধী বুলি মোক অবশ্য এতিয়া বহুতে চকু-কোন্দাই ধরিব পারে, কিন্তু নয় স্ত্রী-শিক্ষার (শিক্ষার বিস্তৃত অর্থত) নিমান পক্ষপাতী, বিবেচনা করো আন কোনো নিমান নহয়। কিন্তু নয় লেখা পঢ়া শিকোৱাক অৱশ্যে স্ত্রীশিক্ষার প্রধানতম অঙ্গ বুলি নধরো—সাংসারিক কার্য্য ও গৃহিণীর কর্ত্তব্য শিক্ষা স্ত্রী-শিক্ষার প্রধানতম বিষয়, লেখা পঢ়া শিকোৱা স্ত্রীশিক্ষার

দ্বিতীয় অঙ্ক। যিটো কার্য্য নহলে নহয়, যাক নেজানিলে মহাকবি কালিদাসে মহর্ষি কণ্বৰ মুখেৰে "বামাঃ কুলস্যাধয়" বুলি বজ্রস্বৰেৰে ঘোষণা কৰাইছে তাকে প্রধানতম বিষয় মুমুলি কাক বুলিম? লেখা পঢ়া নজনা বৈনীবে সংসাৰৰ কার্য্য নির্ব্বিঘ্নে চলে, কিন্তু সাংসাৰিক কার্য্য আৰু নিজৰ কর্ত্তব্য ও দায়ীত্ব নজনা বৈনী গৃহস্থৰ ছাতুমাল—তেওঁৰ পক্ষে যেন "ভালুকৰ ডিঙিৰ ভজাঢোল"। বৈনীএ এই কার্য্য কেইটা জানি উঠিলে বা জানিবলৈ শিকিবৰ নিমিত্তে এটি নির্দ্দিষ্ট সময় বাখি বাকী সময় অবশ্যে অন্য কার্য্যত নিয়োজন কৰিব পাৰে আৰু সেই অন্য-কার্য্যৰ ভিতৰত লেখাপঢ়াই তেওঁৰ প্রধান অবলম্বনীয় বিষয় বুলি আমি কব পাৰো। কিন্তু আৰ্কো ইয়াতে এটি ভয়ানক কথা আছে—"অল্প-বিদ্যাভয়ঙ্করী।" [যদি সুন্দৰৰূপে লেখাপঢ়া শিকাব নোৱাৰা, লেখাপঢ়া শিকাবলৈ মনকে মেলা অনুচিত। এই নিমিত্তে ভিকতাক শিক্ষা দিবৰ অর্থাৎ লেখা পঢ়া শিকাবৰ ইচ্ছা হলে, লৰাৰ নিয়মেৰে অতি কোমল বয়সৰে পৰা ছোৱালীকো নিয়মিত ৰূপে শিক্ষা দিব লাগে—মাকে যেনেকৈ অতি কোমল বয়সৰে পৰা ছোৱালীক অতি উজু উজু সাংসাৰিক কার্য্য শিকাবলৈ ধৰে, তাৰ লগতে ছোৱালীক লেখিব পঢ়িব-লৈকো শিকোৱা উচিত—অর্থাৎ এনে ভাবেৰ শিক্ষা দিব লাগে যেন ছোৱালীৰ শৰীৰত যৌবনে ফুমুকিয়ালেহিএই ছোৱালীএ আৰু পৰৰ মুখে পঢ়িব নলগা হয়, নিজেই নিজৰ শিক্ষাক উন্নত কৰি লব পাৰে। যি জনেই ইয়াকে কৰিব পাৰে, তেওঁএই ভিকতাক লেখা পঢ়া শিকোৱা উচিত, নহলে তাৰ নামকে লব মেলাগে।

ক্রমশঃ

# আসাম-বন্ধু।

মাসিক পত্র।

"নচ জ্ঞানাত্ পবং বলম্।"

প্রথম ভাগ।] ভাদ্র শক ১৮০৭, ইংরাজী ১৮৮৫। [অষ্টম সংখ্যা।

## আগৰ দিন এতিয়াৰ দিন।

বিষয়া পভা।

বজা পাভিব লাগিলে বড় চড়াত তিনি জনা ডাঙৰীয়াই সেৱা কৰি বজা পাতে। কেতিয়াবা আন ঠাইতো সেইৰূপে সেৱা কৰি তিনি জনা ডাঙৰীয়াই পাতে কিন্তু বড় চড়াত বড় সভা কৰি পতাটোহে সাধাৰণ নিয়ম।

তিনি জনা ডাঙৰীয়াৰ কোনো জনা পাভিব লাগিলে বড় চড়াত সভা হয়। তাতে সেই জনাই চড়াৰ উত্তৰ চুপৰ বড়িয়াল ধৰা খুটাত ধৰে বা কোৱৰতে খিৰ হয়। মজুমদাৰৰ বড়ুৱাই অৰ্থ দেৱৰ নিয়োগ আজ্ঞা শুনায়। পাছে বহিখটল কাপোৰ দিলে তাতে পতাজনা ডাঙৰীয়া বহে আন বোৰ

মানুহ নিয়ম মতে বহে। কথাশুমুৱাৰ সময়ত কৰ্ত্তব্য কৰ্ম্ম বিষয়ে অনেক কথা কয়। ডাঙ্গৰীয়াই ও কৃতজ্ঞতা স্বীকাৰ কৰি স্বৰ্গদেৱলৈ স্তুতি প্ৰাৰ্থনা জনাই পঠিয়ায়। ডাঙ্গৰীয়া সকলক প্ৰথমতে স্বৰ্গদেৱৰ অধীনত্ব স্বীকাৰ কৰাৰ শপথ খুউৱা হয়। দাঁতিয়লীয়া তিনি জনা ডাঙ্গৰীয়াক পাতিব লাগিলে চড়াৰ দক্ষিণ টুপৰ ঘড়িয়াল ধৰা খুটাৰ কোষৰতে সেই ক্ৰমে কথা শুনাই পাতে। এই সকলে ও সেইৰূপে শপথ খাব লাগে, বড় বড়ুৱা, বড় ফুকন, উজনীয়া আৰু গুৱাহটীয়া চড়াৰ ফুকন সকলক পাতিব লাগিলে প্ৰথমে সেইৰূপে শপথ খুউৱা হয়। পাছে বড় বড়ুৱা বহা খুটাৰ চতিটৰ সম মাজতে স্বৰ্গদেৱৰ আজ্ঞা শুমুৱা হয়। ডাঙ্গৰীয়া সকলৰ কোনো জনাক ভাঙ্গি আন এজনাক পাতিব লগা হলে প্ৰথমে বড় কটকী এটা গই স্বৰ্গদেৱৰ আজ্ঞাৰে ডাঙ্গৰীয়াৰ ঘৰতে ডাঙ্গৰীয়া ভাঙ্গি দোলা আডোৱান কাঢ়ি আনে; পাছেহে পাতিব লগা জনাক বড় চড়াত কথা শুনাই পতা হয়। তিনি জনা ডাঙ্গৰীয়া আৰু চড়াৰ ফুকন পাতিব লাগিলে বড় বড়ুৱা চড়াত বহি থকাতহে পাতিব পায়; আৰু মজুমদাৰ বড়ুৱা, শেৰ বিচনী পোৱা চমুৱা ফুকন আৰু আন কেইজন মান বড়ুৱা ফুকন গই স্বৰ্গদেৱৰ আজ্ঞা শুনাই ওপৰত কোৱা বিষয়া পাতে।

ৰাজখোৱা পাতিব লাগিলে চড়াৰ দক্ষিণ টুপে মজুমদাৰ বড়ুৱাই কথা শুনাই পাতে, আৰু বড় বড়ুৱাক জনাই থয়। চেটীয়া পাত্ৰ বড়ুৱা, ঘৰফলীয়া বড়ুৱা, চাজকজ বড়ুৱা এই কেই জনাক সেই টুপৰ যোড়াৰ পশ্চিম ফালৰ ফকামৰ কোঠাত পাতে। তিনি জনা ডাঙ্গৰীয়া আৰু চড়াৰ ফুকনক মজুমদাৰ বড়ুৱাই কথা শুনাই পাতে। আন

সকলক হলে মজুমদাৰ বড়ুয়াই বা আন কুকন বড়ুয়াই আজ্ঞা শুনাই পাতে। খেৰ বিছনি লোৱা কুকন বড়ুয়াক চড়াৰ উত্তৰ টুপে পাতে। আৰু পাছে বড় বড়ুয়াক জনাই থয়। তিনি বড় ভণ্ডাৰ বড়ুয়া, জালভাৰী কুকন, গন্ধীয়া বড়ুয়া, মজুমদাৰ বড়ুয়া, খনিকৰ বড়ুয়া, দুই দোলা কাষৰীয়া বড়ুয়া, তিপমীয়া বাজখোৱা, হাতী বড়ুয়া, ঘোঁড়া বড়ুয়া, এই সকলক দোলা কাষৰীয়া চড়াৰ টুপতে পতা হয়। চাউডাঙৰ বড়ুয়াক উজনী জখলা মুখৰ চাউডাঙৰ চড়াত পাতে। কুকুৰাচোৱা বড়ুয়া, পাচনি বড়া, বড় তামুলি এই সকলক বড় বাট ধৰত পাতে। দুৱৰী বড়ুয়াটো কুকুৰা চোৱা বড়াই কথা শুনাই পাতে। চাঙমাই বড়ুয়া, জবাধৰা বড়ুয়া, বেজ বড়ুয়া, এই সকলক চাঙমাই শালৰ নিচাজতে পাতে। দুলীয়া বড়ুয়া, নেওগ বড়া ইঁতক স্বৰ্গদেৱৰ দোলা ধৰত পাতে। এই সকলত বাজে আন বিষয়া আৰু মেলভগিয়া বড়ুয়া সকলক উঁৰিকা দুয়াৰত পাতে। দেৱলীয়া সেৱা চলোৱা বিষয়া আৰু হাজৰিকা ইঁতকো সেই ঠাইতে পাতে। মেলভগিয়াৰ টেকেলাৰ বড়ুয়া, নেওগ বড়া, কুকুৰা চোৱা বড়াই নিজা মেল ধৰ কিম্বা দোলা ধৰতে, যাৰ মেল সেই জনাৰ আজ্ঞাৰে পাতে। চাউডাঙৰ শৰকীয়া, বড়া ইঁতক চাউডাঙৰ চড়াতে পাতে। কুকুৰা চোৱাৰ নেওগ, বড়া প্ৰভৃতিক বড় বাটধৰত ওজা লিগিৰাই পাতে। দোলাকাষৰীয়া বড়া, বড় নেওগ প্ৰভৃতিক ঢেকীয়াল বড়ুয়া দোলাকাষৰিয়া বড়ুয়াৰ পালি ধৰতে পতা হয়। হাতী ঘোঁড়াৰ বড়বড়া, গুৱাহাটীৰ দুই বড় বড়া, উজনীৰ দুই বমুয়া বড়া, এই সকলক স্বৰ্গদেৱৰ আজ্ঞাৰে পতা হয়। উজনীৰ কাঁড়ি শৰকীয়াক বড়বড়ু-

ৰাই, ভাটীৰ খনি বড় ফুকনে পাতে। জুবাৰ বড়া গা-মেলৰ বড়ুৱা ফুকনে পাতে। বিষয়া ভজা পতাত লেখা আজ্ঞা নালাগে। উপযুক্ত বিষয়াই উপযুক্ত ঠাইত মুখেৰে বাজাজ্ঞা শুনালেই হয়।

---

## প্রমীলা। ঘোৰনিশা। ঘৰতে বন্দী।

সেই মানুহ দুজনীএ তত নোহোৱাকৈ লবি গইছে। এন্ধাৰ নিশা, বাট নেদেখি, ভবি নচলে, তথাপি মাঝে মাঝে যি বিজুলী ওলাইছে, তাৰ পোহৰতে বেগাই খোজ কাঢ়ি গইছে এন্ধাৰ হোৱা মাত্রকে আৰ্কৌ লাহে লাহে গইছে, ইয়াৰ লগতে কেতিয়াবা পাছ ফাললৈ চাইছে, কি জানি কোনোবা মানুহ পাছে পাছে গই আছে। মুখত কথা নাই; বোধা মে কি বুঝিবলৈ বড় টান আছিল। এজনীয়ে এইবেলি সেই ভ্রম গুছালে—এধা বয়সিয়া জনীএ গাভৰু জনিক সুধিলে—"প্রমীলা! তেওঁৰে সইতে আজি ওলাই যাবৰ কিবা কথা আছিলে মে?" গাভৰু জনীএ কলে,—"আছিল কিন্তু তেঁও একো নিশ্চয়কৈ ভাঙি কোৱা নাই।"

"যদি তেমেকেই কোৱা নাই, এই দৰে ঘোৱাটো ভাল বুলি জানিছানে?"

এই সাৰ কথা ডাঙৰ জনীৰ পেটৰ পৰা বিদ্ধি ওলাল; মুখৰ পৰা ওলোৱা নাই।

কথা শুনি সৰুজনীএ টাঙোন খোৱা সাপৰ দৰে, ডিঙি শকত কৰি মুখ খন ইফাল কৰিলে আৰু কলে,—"বেয়া যো কি?"

"ঘেৱা একো নাই! আমাৰ অহা গম পাই যেন কোনোবা মানুহ——" এই বুলি ডাঙৰ জনী মনে মনে থাকিল। নিমাত হোৱা দেখি গাভৰু জনীয়ে সুধিলে,— "কোনোবা মানুহ কি?"

"একো নহয়! কিন্তু——কলোঁ—গাভৰু জনীৰ মন ইফালে নাছিল, অলপ পাছত টোপনি ভগা মানুহৰ দৰে সুধিলে, "বাইদেৱ নকলা কিয়?"

পাঠক! এতিয়া জানিব পাৰিছা, গাভৰুৰ নাম "পমীলা" আৰু লগত অহা জনি তাইৰ বাইএক হয়। আমাৰ উপন্যাসৰ "প্রমীলা" আৰু এই পমীলা একেজনী মানুহ। তেঁওক চুবুৰিয়া মানুহে "পমীলা" বুলি মাতে, আমিও সেই দেখি তেঁওক "পমীলা" বুলিহে মাতিম। আৰু বাই-একৰ নাম ৰোহিলা।

ৰোহিলাৰ এই আসাৰ কথা কোয়াৰ মন নাছিল কিন্তু পমীলাই বড টানকৈ ধৰাত আৰু ঢাকিব নোয়াৰিলে; তাইৰ কানে কানে লাহেকৈ কলে— "আমাৰ অহা গম পাই কোনোবা মানুহে লগ ধৰিছে যেন——"

এই খিনি কওঁতেই হাবিৰ মাজত পাছফালৰ পৰা অক-স্মাৎ মানুহৰ ফুস্ ফুসিয়া কথা সিহঁতৰ কানত পৰিল। মানুহ দুজনী উছাৰ খাই উঠিল। পমীলাই পাছত আৰু কথা কয় বুলি ৰোহিলাই—তাইৰ হাতত টেপা মাৰি ধৰিলে।

এনে ঘোৰ এন্ধাৰ নিশা হাবিৰ ভিতৰত মানুহৰ কথা!! মানুহ দুজনীৰ বুকু কঁপিল, মুখৰ পানি মাৰ গল!!! শুকাল।

পাঠক! এই মানুহ দুজনীৰ মুনিহতকৈ সাহ দেখিলা; হাজাৰ হওক তথাপি তিৰতা। শব্দ শুনা মাত্রকে গাছ

উড়ি গল; গাৱ তেজ যেন পানী হল; হাত এড়ি ডিঙ্গিত ধৱাধৱিকৈ থিয়দি ৱল।

আমাৱ পাঠকৱ ভিতৱৱ যি বিলাকে জাহাজত উঠিছে বেস্‌কৈ বুজিব পাৱিব——জাহাজ যেনেদৱে "টিকাক টাক্, খটাস খস্" কৱি চলোঁতে অকস্মাৎ বালি চটত লাগিলে, একেৱাৱে দপ্‌দপনি গুছি নচলা হয়, আৰু তাৱ ভিতৱত থকা বস্তু বাহানিৱে সইতে পাসেঞ্জাৱ বিলাকৱ সমুণফালৱ গতি পাছফাললৈ হেঁচা খায়, সেই দৱে এই মানুহ দুজনীৱ কথা আৰু খোজৱ শব্দেৱে সইতে গতিবোধ হই মনৱ এটাইবোৱ গতি পাছফাললৈ গল; "কিহৱ শব্দ" কান পাতি শুনিবলৈ ধৱিলে; হাৱি নিসাৱ হল।

দুপৱ নিশাত এনে পথাৱৱ হাৱি যেনে নির্জ্জান ঠাকাৱ সম্ভৱ, তেনে নির্জ্জান হল, হাৱি এও যেন সেই ফুস্‌ফুসিয়া কথা শুনিবৱ নিমিত্তে মনে মনে থাকি কান পাতি শুনিছে। কিন্তু কি শুনিলে? একো নাই! যাক শুনিবৱ নিমিত্তে মনে মনে ৱল্, তাক নুশুনিলে—— শুনিলে, ইকড়া পাতৱ উপৱত পৱা ৱৱষুণৱ "টিপ টাপ্ খেঁচ্ খোঁচ" আৰু ৱতাহৱ হাৱি ভগা অস্ফুট ছৱ ছৱনী শব্দ।

মানুহ দুজনী বহুত ৱেলিলৈকে এই দৱে মনে কানে থাকি সিহঁতৱ বুদ্ধিৱ ভ্রম বুলি আকৌ খোজ কাঢ়িবলৈ ধৱিলে। দুই চাৱি খোজ যাওঁতে নোযাওঁতেই আকৌ সেই দৱে কিবা এক আসাৱ কথা কানত পড়িল। আকৌ খোজ কঢ়া স্থগিত হল। আকৌ খোজ, আকৌ কথা, আকৌ থমক। বহুত ৱেলিলৈকে এই দৱে থিৱ হই, খোজ কাঢ়ি ভালকৈ বুঝিব পাৱিলে সিহঁতৱ পাছত মানুহ আছে আৰু তাৱ লগত আপদো আছে।

বোছিলাই কানে কানে কিবা এক আসাৱ কথা কলে। শুনি,——পমীলাই হাতৱ সক জপাটো বাইএকৱ হাতজদি মেৱতলিৱ পৱা এখন সক কটাৰি উলিয়াই দেখুৱালে; বোছিলাই তাক চাই মনে মনে থাকিলা।

মাইকি মানুহৱ হাতত অস্ত্রৱ কথা শুনি আমাৱ পাঠক পাঠিকাৱ ভিতৱৱ বহুতে বিস্মৃতি হ'ব পাৱ। কিন্তু সিবিলাকৱ ভিতৱৱ যদি কোনোজনে এই দৱে এন্ধাৱ নিশা হাবিৱ মাৱত সোমাবলৈ সাহ কৱে আৰু বিপদত সাহ সৱহ হয় বুলি জানে তেন্তে তেঁও, বিস্মৃতি হোৱা পাঠক পাঠিকাক এইটো কথা বুজাই দিব——যি এন্ধাৱ নিশাত হাবিত সোমাব পাৱে, সি কটাৰী নিয়া টান কথা নহয়; সেই হে ধন্য তিৰতা।

সেই মানুহ দুজনী লৱালৱিকৈ গই অলপতে পথাৱ পাৱ হই মানুহৱ গাঁওৱ ওচৱ পালে।——সমুখত সক এটা অকল সৱিয়া ঘৱ; দুৱাৱ জপোৱা। মানুহ আছে নে নাই জানিবৱ নিমিত্তে পমীলাই দুৱাৱত কান পাতিলে কিন্তু একো নুশুনিলে। পাছে লাহেকৈ দুৱাৱ মেলি ভিতৱলৈ সোমাল, বাইএকো ভিতৱ সোমাল।

পমীলাই বাইএকৱ হাতৱ পৱা জপাটো লই মুৱ মুকলি কৱিলে। টিঙিৰী উলিয়াই জুই ধৱিবলৈ কাৱবাৱ কৱিলে, কিন্তু জুই মুঠিল। ৱৱযুগত তিতি টিঙিৰীৱ তুলা নষ্ট হইছে। এবাৱ মাৱিলে—জুই মুঠিল। আৰ্কো মাৱিলে—আৰ্কো মুঠিল; এই দৱে কিছুমান তুলাৱ শ্রাদ্ধ হল। পাছত এবাৱ জুই ওলাল কিন্তু বহুত বেলি নৱল। চাকি বিচাৱোতে জুই মুমাল। জুহালৱ তুহতো জুইনাই; ফুকালে—জুই মুঠিল। ধৱিবলৈকো আৰু কাৱবাৱ নকৱিলে। টিঙিৰীৱ

জুইৰ পোহৰতে দেখিছিল, ঘৰত কোনো নাই। বস্তু যাহানি এঠাইত জাপি থোৱা আছে। যাৰ বস্তু সেই মানুহ নাই! যাক বিচাৰি ইমান দুঃখ কৰি আহিল সি নাই। পমীলাৰ বুকু কঁপিল, মুৰৰ ফুৰণি উঠিল, থিয়দি আছিলে—বহিল, দেখোতে দেখোতে পাছে অচেতন অজ্ঞান হই মাটীত ঢাঁস কৰে পড়িল।

ইয়াকে দেখি বোহিলাই তাইক ধৰিলে; "পমীলা, পমীলা" বুলি মাতিলে; পমীলাৰ মাত নাই——পমীলা অজ্ঞান। গাত হাত ফুৰাই চালে শৰীৰ শিলৰ দৰে চেঁচা আৰু গধুৰ হৰলৈ ধৰিছে। মুখৰ পৰা পানি ওলাইছে। পমীলাৰ বিষম দশা ভাবি বোহিলাই মুৰত পানি দিবলৈ মন কৰিলে কিন্তু পানি নাই। আগে সেই অলপ জুইৰ পোহৰত ঘৰৰ চুকত এটা মাটীৰ কলহ পড়ি থকা দেখিছিল, খপিয়াই তাক পালে কিন্তু তাত পানি নাই। পানিৰ নিমিত্তে ইফালে সিফালে খপিয়ালে কতো পানি নাপালে। বাছিৰত যি ৰৰষুণ পৰিছে সি চোতালতে মাৰ গইছে আৰু কোনো ঠাইত বোকা হইছে। আহোতে কিছুমান দূৰৈত এটা নাদত পানি দেখিছিল যেন কৰিছিল। তালৈকে মনত পড়িলত, এতিয়া আৰু পলম কৰিবৰ সময় নহয়, এই ভাবি বোহিলাই তালৈ লৰ মাৰিলে। বোহিলাই পানি আনিবলৈ যোৱাৰ অলপ পাছত ছাতত টাঙোন লোৱা দুটা মানুহ সেই ঘৰত সোমাল। তাৰে এটাই টিঙিৰী মাৰি ছাতৰ লেমটেম চাকি লগালে। সমুখৰ খোঁটালি এৰি গই পমীলা অজ্ঞান হই পৰি থকা খোটালী সোমাল।—"পালোঁ, তহতে আহ হক ঔ" এই বুলি সি বিঙ মাৰিলে। চাঁওতে চাঁওতে কেউ-বোৰ মানুহ চাৰিও ফালে ধৰ বেড়িলে। সিহঁতৰ কাৰো

হাতত জাঠি, টাঙোন বা বামুন বিলাকৰ লগুন লোৱাৰ দৰে কাৰো খামতি দা বন্ধা। সাক্ষাৎ যমদূত। সিহঁতে বিকট মুখকৰি ফুকলি মাৰি হাঁহিবলৈ ধৰিলে। পমীলা ভেতিয়াও অচেতন। এটা মানুহে পমীলাৰ হাতত থকা কটাৰী খন কাঢ়ি নিলে, আন বিলাকে তাইৰ হাত ভৰি বান্ধি পেলালে ;—পমীলা হাবি এড়ি গই ঘৰতে বন্দী হল।

শ্ৰীকঃ

---

# কাৰাবদ্ধ ৰাজপুত্ৰ।

(পূৰ্ব্ব প্ৰকাশিতৰ পাছে)

(১৩)

যতনে যিৰূপে আজি ৰাখিছে পিঞ্জৰে
তোমাক, বিহঙ্গ! হায় আমিও সিমত
শোকৰ অগনি দিয়া জননী অন্তৰে,
বান্ধিয়া ৰাখিছোঁ গৃহে পশু পক্ষীকত।
আমাৰ অধীনে থাকি কত দুঃখ তাপ
ভোগিয়াছে সেহি সবে জননী বিহনে ;
তাৰ ফলে ভুঞ্জোঁ আজি আমিও সন্তাপ,
তাৰ ফলে বন্ধ আজি যত্নন ভৱনে।
বোধ কৰোঁ বিধিযোক দিলে কাৰাগাৰ
বুজিবে কি দুঃখে দগ্ধ প্ৰাণ সিসবাৰ।

(১৪)

বিধিছে! কি দুঃখে দগ্ধ প্ৰাণ সি সবাৰ
কি দুঃখ পৰাধীনতা, তাকে শিকা দিবে,

ঘটালা সক্রোধে যদি ইদশা আমার,
দোষর উচিত দণ্ড তাকে জনাইবে।
তবে তব পদে বিধি করিছোঁ বিনয়,
হইছে যথেষ্ট শাস্তি, লভিয়াছোঁ জ্ঞান,
ক্ষমা মোক চতুর্ম্মুখ, হুইয়া সদয়;
বুজিছোঁ পরাধীনতা নরক সমান।
হে পক্ষি মইনা! আজি আমি কয়জন,
তোমার যোগর কষ্ট বুজোঁ সিকারণ।

( ১৫ )

কিন্তু এটী কথা পক্ষি! আছয় তোমার
মুক্তি ইচ্ছা যদি, পারোঁ পূরণ করিবে;
তোমার মুক্তিত আছে মোরো উপকার,
পারিবা আমার ভার জগতে ঘোষিবে।
কিন্তু ভয় মনে, তুমি যবনর দাস
যবনর অন্নে চির হইছা পালিত;
করা বা মন্ত্রণা মোর যবনে প্রকাশ
কি জানি ঘটোয়া পাছে হিতে বিপরীত।
ওহোঁহোঁ নোরাবা তুমি হব হেন অতি,
কৃতয়; মনুষ্য যথা উপকারী প্রতি।

( ১৬ )

তব পিঞ্জরর দ্বার মেলিলোঁ ইক্ষণ,
যেতিয়া আহার লই দুয়োর মিমিতে,
কারাগৃহ দ্বার মেলি আসিব যবন,
সেই পথে যাবা তুমি উড়ি অলক্ষিতে।
যাবা উড়ি আচম্বিতে মুক্তি লাভ করি;

উপকাৰী উপকাৰ যেন মনে স্মৰি,
হিন্দু বাজ্যে বাজ্যে, পক্ষি, গাৰা এই গীত,
"যত্নে ভাৰত কৰে চৰণে দলন
কি কৰা ভাৰতবাসি মুদিয়া নয়ন"।

ক্ৰমশঃ

শ্ৰীভঃ

---

# সদানন্দৰ নতুন অভিধান।

জাননী।—এই নামে এখন অভিধান লিখিছোঁ। তাত সকলো নতুন কথাই হে থাকিব। তাৰ নিয়ম নতুন, অৰ্থ নতুন, ধাতু, প্ৰত্যয়-আদি সকলো নতুন; কেৱল শব্দ বিলাক পুৰণি। আগেএ যি শব্দৰ যি অৰ্থ আছিল, এতিয়া শিক্ষা আৰু সভ্যতাৰ কোবত তাৰ সেই অৰ্থ নাই, এতেকে সদানন্দৰ এই নতুন অভিধানৰ বড় আৱশ্যক হইছে, ইয়াক সকলোৱে মানিব। যি নামানে, সি মূৰ্খ নাইবা কপটীয়া। এনে ভাল, উত্তম, উৎকৃষ্ট, সৰ্ব্বাঙ্গ-সুন্দৰ, দৰকাৰী, লাগতীয়াল, প্ৰয়োজনীয়, অত্যাৱশ্যকীয় অভিধান কোনেও কেতিয়াও লিখা নাই আৰু আগলৈকো লিখিব নোৱাৰে। এনে অভিধান নললে জন্মেই বৃথা হব। অতএব হে অসমীয়া ভাই! তোমাৰ যদি মাতৃ-ভাষালৈ মৰম আছে, ভাৰত-উদ্ধাৰ কৰিবৰ ইচ্ছা আছে, পঢ়া মাত্ৰকে দিব্য চক্ষু পাব খোজা, তেনেহলে মোৰ এই নতুন অভিধান লোৱা। জগতৰ উপকাৰৰ নিমিত্তে, ভাৰত-উদ্ধাৰৰ উদ্দেশে ইয়াক মই বিনামূলো-দান কৰিছো, কেৱল ডাক মাচুলৰ বাবত দু আনা ভিক্ষাকে দিলে ১০, টকা, আৰু আৰ পাচৰ দিলে ২৫,

টকা, লোৱা যাব। এই উত্তম ছেগ কেতিয়াও নেডিবা। যি ইয়াতকৈ ভাল অভিধান জগতত আছে বুলি কব পাৰিব সি বঁটাস্বৰূপ এহেজাৰ খন কিতাপ খনে ১৫৲ টকা ডাক-মাচুলতে পাব। এতিয়া কার্য্যাবম্ভ কৰা যাওক; আনৰ নিচিনাকৈ তিলকৈ তালকৈ জাননী দি লোকক ঠগা মোৰ স্বভাৱ নহয়। অভিধান আসাম-বন্ধুত ছপা হলেই সক-লোৱে জানিব পাৰিব, যে এনে বৃহৎ, এনে ডাঙৰ, এনে অজৰ, অমৰ, অটল, অবল, অজ্বৰ, অমোঘ আৰু অব্যর্থ অভিধান নহব মুপজিব। ইয়াৰ ডাক মাচুল শ্রীযুক্ত বাবু ঠগা চন্দ্রবায় বাহাদুৰ সি, আই, এম, এস, মহোদয়ৰ ওচৰলৈ পঠাব লাগে। জাননী খণ্ড ইমানতে খতম।

"শিক্ষিত"—"শিক্ষা" (ধর্ম্ম, নীতি-আদি) 'ইত' (গত) যাৰ পৰা, অর্থাৎ যাৰ পৰা হিন্দুধর্ম্মৰ সকলো নীতি, সকলো সজ উপদেশ, সকলো পবিত্র আচাৰ-ব্যবহাৰ দূৰীভূত হইছে; নাইবা, 'শিক্ষা' (সভ্যজাতিৰ কুশিক্ষা) 'ইত' (প্রাপ্ত) যাৰ দ্বাৰায়। ইংবাজি প্রতিশব্দ, "এডিউ-কেটেড্" Educated 'অর্থ'—কিতাপ-ভাৰ-বোৱা, ইংবাজী-বকা, নিজ-ভাষা পাহৰা, ঈশ্বৰৰ নামকে মুশুনা, নিজ ধর্ম্ম এৰা, পিতৃ-মাতৃ নমনা, ম্লেছৰ গোলাম, জন্ম-ভূমিৰ কলঙ্ক, শাস্ত্রত গাধ, মুখত ব্রহ্মা, উপদেশত বৃহস্পতি, কার্য্যত অসুৰ, দুর্ব্বলী, অহঙ্কাৰী, সর্ব্বভক্ষ, বিবাদপ্রিয়, পণ্ডিতম্মন্য, ইত্যাদি ইত্যাদি প্রকাৰৰ এবিধ দুষ্টেঙ্গীয়া প্রাণী।

"বিফাইন্;" বা "Refined" ইংবাজি শব্দ, এতিয়া দেশী ভাষাত চলিত হইছে; অর্থ,—খোৱাত বাছ নকবা, সংসর্গত জাতি নমনা, নিজ ভার্য্যা স্বাধীনা কবা, জাতি এড়া, ধর্ম্ম এড়া আদি কবি কেতবিলাক ধর্ম্ম, নীতি আৰু সমাজ গর্হিত কাম

আছে, সেই বিলাকলৈ যাৰ মনত অলপো সঙ্কোচ নাই, সেইএ "বিফাইন্" বা শোধিত মানুহ। সেই বিলাক সংকাম কৰাত যি যিমান সাহ দেখাব পাৰে, সি সিমান বেশি "বিফাইন্"।

"বাবু" বাৰ+উ, যাৰ বাৰ আছে। সেই বাববিলাক এই, —চাকৰি, ইংৰাজৰ অনুকৰণ, স্বাধীন ব্যবসায় এড়া, আপোন জাতিক ঘিণোৱা, কথাবে আৰু কলমেৰে ভাৰত-উদ্ধাৰ কৰা, ইংৰাজক গালি পৰা, মদখাই ধন উড়ুৱা, পাৰে মানে ধুনমৰা, দুখীয়াৰ ভেঁটি খোৱা, অসমীয়াৰ মুৰখোৱা, ভণ্ডামি, প্রতাৰণা, শপথ, ডাঙৰ প্রতিজ্ঞা, মিছা কথা, আৰু বসিকালি। যাৰ মুখত সদাই ইংৰাজি কথা, ফঁকালত অতি পাতল মলমলৰ ধুতি, মুখত মধু, পেটত বিহ, সেই জনেই বাবু। যি ঘৈণীয়েকৰ গুৰিত সিংহ, ইংৰাজৰ গুৰিত শিয়াল, সেইএ বাবু। যি সাহাবৰ কোৰ খায়, ভার্য্যাৰ গালি খায়, লৰাছোৱালীৰ মুৰ খায়, সেইএ বাবু। যাৰ শৰীৰ অশক-তীয়া, খোজ খৰক-বৰক, মুখত মদৰ গোন্ধ, যাৰ ধর্ম্ম নাস্তিকতা, কর্ম্ম শিশ্নোদৰ-পূজা, নীতি ধনলাভ, আকাঙ্ক্ষা চাকৰি আৰু উপাধিলাভ, সেইএ বাবু। যি দুপৰীয়া আফিসলৈ লৰে, গধুলি ঘৰলৈ লৰে, বাতি পদুলি মুখে বা দোকানলৈ লৰে, সেইএ বাবু। যাৰ কথাৰ ঠিক নাই, ধাৰৰ লেখ নাই, বক্তৃতাৰ অন্ত নাই, হাতৰ আহৰি নাই, সেইএ বাবু। যাৰ গাত চাদৰ, মুখত বাঙ্গ, হাতত বেঁত, কাপোৰত আতৰ, সেই জনেই বাবু। যাৰ কাম এগুণ, কথা দহ গুণ, সহন শত গুণ, সেইএ বাবু। যাৰ সাহ নাই, বিশ্বাস নাই, আত্মগৌৰৱ নাই, পৰনিন্দালৈ ভয় নাই, সেইএ বাবু। যি দেশত হিন্দু, বিদেশত ব্রাহ্ম, আহাৰত মুসলমান, আচাৰত খ্রিষ্টিয়ান, সেইএ বাবু।

"ভীক," "Coward" —যি ঈশ্বৰক ভয় কৰে, পিতৃমাতৃক ভক্তি কৰে, গুৰুগোসাঁইক মান কৰে,সেইএ ভীক (coward); যি মদ খাবলৈ ভয় কৰে, বেশ্যাঘৰলৈ যাবলৈ সঙ্কোচ কৰে, পিতৃ-মাতৃ-ভাই-বন্ধু আদি এড়িবলৈ ভয় কৰে, সেই এ ভীক। যি নিজ ধৰ্ম্ম নেড়ে, পূৰ্ব্বপুৰুষ বিলাকৰ সদাচাৰ নেৰে, আপোন সমাজ, আপোন দেশ, আপোন ভাষা নেৰে, সেইএ ভীক। যি বিদেশীৰ ধৰ্ম্ম নলয়, বিদেশীৰ নাম নলয়, বিদেশীৰআচাৰ ব্যৱহাৰ আদিত খাঁমোচ মাৰি নধৰে, সেইএ ভীক। যি দুষ্ট তিৰুতা বিয়া নকৰে, ব্যভিচাৰ নকৰে, হীন জাতিক ছোৱালী দিবলৈ ভয় কৰে, সেই এ ভীক। যি যাৰে তাৰে লগত খাবলৈ, যাৰে তাৰে লগত মিলিবলৈ, যাৰে তাৰে লগত বিয়াৰ সম্বন্ধ ঘটাবলৈ ভয় কৰে সেই এ ভীক। যি ইংৰাজক গালি পাবিবলৈ ভয় কৰে, নিজৰ জাতিকুল আৰু বংশ মৰ্য্যাদা এড়িবলৈ ভয় কৰে, সেইজনেই ভীক। যি যিমান গৰ্হিত কাম কৰিবলৈ ভয় কৰে, সি সিমান ভীক। যি কোনো বেয়া কাম কৰিবলৈ ভয় নকৰে, ধৰ্ম্ম সমাজ শাস্ত্ৰ একোলৈকে ভুছুপাবোৱা নকৰে তেঁওৰ নাম সাহীয়াল, বীৰ বা ধৰ্ম্ম-বীৰ।

"কুসংস্কাৰ"—শৌচ কৰি শুচি ছোৱা, গাৰ মলি গুছাবলৈ গা-ধোৱা, কাপোৰ তিওৱা, ঘৰবাড়ী মচা, পিতৃ-মাতৃৰ চৰণত দণ্ডৱৎ কৰা, অখাদ্য অপকাৰী বস্তু খোৱোৱা, নীচজাতিৰ ছোৱালী নলা, বিয়া কৰোঁতে সাক্ষী ৰখা, ঈশ্বৰ উপাসনা, মেতৰকে বামুনকে সমান মোৰোলা, তিক-ডাক ওবলি পিছোৱা, ভক্ষাভক্ষ্য-বিচাৰ, আপোনপৰ-বিচাৰ, ভাল-বেয়া বিচাৰ, ইত্যাদি ইত্যাদি কেতবিলাক কামৰ নাম কুসংস্কাৰ। অৱশ্যতে হিন্দু ধৰ্ম্মত বা হিন্দু শাস্ত্ৰত যি আছে,

সেই এ কুসংস্কাৰ। আগৰ হিন্দুএ যি কৰিছিল বা যি কৰে, সি কুসংস্কাৰ। যি কাম কুসংস্কাৰ নহয়, তাক কোনো পুৰণিমতৰ হিন্দুএ কৰিলেই সি কুসংস্কাৰ হব। কোনো কুসংস্কাৰ এতিয়াৰ হিন্দুএ বা কোনো ইংৰাজে পালিলেই সি কুসংস্কাৰ শুচিব। হিন্দুৰে কুসংস্কাৰৰে বড় সম্বন্ধ। বুঢ়াবিলাকৰ কাম আৰু মত সকলো কুসংস্কাৰ, কিন্তু ডেকা আৰু লৰাবিলাকক কুসংস্কাৰে চুব নোৱাৰে।

"Civilized" বা সভ্য "—ভাল কাপোৰ পিন্ধা, ভাল ঘৰত থকা, বেপাৰ বা যেনেতেনে মতে ধন ঘটা, সকলো বস্তু খোৱা, ধৰ্ম্মকৰ্ম্ম নমনা, আইনমতে চুৰি আৰু ডকাইতি কৰা, মুখত ধৰ্ম্ম, পেটত পাপ, বাহিৰ বগা, ভিতৰ কলা, কেৱল তিকতা ফেশন—( Fashion ধুন ) আৰু ধনৰ গোলাম, এনেবিলাক মহাত্মাৰ নাম (Civilized) বা সভ্য। বোপাইক আইৰ গিৰী-এক, আইক বোপাইৰ পৰিয়াল বোলা সভ্যৰ এটী বড় গুণ।

" সাহাব "—ধুম মৰা, দুখীয়া মেটিভৰ জুৰ-খাপৰিকলা, কেৰাণীৰ যম, ভাৰতৰ হুল, ৰবা-গাছৰিৰ নিচিনা অঁকবা, খজাল, দুচেঙীয়া জন্তু বিশেষ।

"Patriot" ( পেট্রিয়ট্ ) বা " দেশহিতৈষী "—ৰাতৰি-কাকতৰ বেচ নিদিয়া, উপাধিৰ জন্তে ইংৰাজক ভোজ বা দান দিয়া, দুৰ্ভিক্ষত সাহায্য নকৰা, দেশী মানুহৰ দোকানৰ বস্তু নিকিনা, মাতৃ-ভাষা কলে বা লিখিলে মান যোৱা, বিদেশী বস্তু খোৱা, বিদেশী কাপোৰ পিন্ধা, " দুখিনী ভাৰত মাতৃৰ " দোহাই দি ঠগি ধন লোৱা, ৰাতৰি-কাকতেৰে ইংৰাজক খেদোৱা, দেশী মানুহক ঘিণ কৰা, দেশী বস্তু দেখিব নোৱৰা, " জয় ভাৰতৰ জয় গাও ভাৰতৰ জয়, টাকা দাও, টাকা দাও, কি ভয়! কি ভয়! "—ইত্যাদি।

রূপে চিঞৰি "মুখেন জিনিতং জগৎ"—এনেবিধৰ ঠগা কেতবিলাক।

"ভাৰত-উদ্ধাৰ"—টকা যটাৰ উপায়, লোক ভুলোৱাৰ মন্ত্ৰ অসমীয়া ভাষাৰ কাঠ-সংস্কাৰ, দুখীয়াৰ ভেঁটি খোৱা, দেশী ভাইক হিংসা কৰা, ভাৰতৰ একতা নাশকৰা, স্বাৰ্থ-সিদ্ধি শত্ৰু দমনৰ কৌশল, অসমীয়াক ঠগা, প্ৰতাৰণা, প্ৰবঞ্চনা, কপটতা, ইত্যাদি ইত্যাদি অৰ্থাৎ পৰৰ চকুত ধূলি দি নিজে ধন, মান আৰু যশস্যা অৰ্জ্জাৰ মন্ত্ৰ।

"Reform" বা "সংস্কাৰ"—হিন্দুবিলাকৰ মনত নানা-বিধ কুসংস্কাৰ আছে। ওপৰত সেই বিলাকৰ কিছুমান কোৱা হইছে। ("কুসংস্কাৰ" শব্দৰ অৰ্থ চোৱা)। সেই কুসংস্কাৰ বোৰ গুচোৱাৰ নাম "বিফৰ্ম্ম" বা "সংস্কাৰ"। ময় পৰৰ বোৱাৰী জীয়াৰীৰ চন্দ্ৰমুখ দেখিবলৈ ভাল পাওঁ; মোৰ বাধা কি?—ওবণি। অতএব ময় বক্তৃতা দিবলৈ ধৰিলোঁ—হে ভদ্ৰ মহিলা গণ! যি জাতিৰ তিৰতাই মুখত এখান কুৎসিত ঢাকনি দি ৰাখে, সেই জাতিৰ কি উন্নতি আছে, কি উদ্ধাতি আছে? তোমালোকে ওবণি নে-পেলালে ভাৰত-উদ্ধাৰ কেনেকৈ হয়? তোমালোকৰ দুখ দেখি, দুখিনি ভাৰত মাতাৰ দুখ দেখি, মোৰ চকু-লো ধাৰে ধাৰে বইছে, হৃদয় বিদীৰ্ণ হব ধৰিছে। কিন্তু নিষ্ঠুৰ স্বাৰ্থ-পৰ পুৰুষ জাতিএ তোমালোকৰ দুখলৈ নাচায়। "অতএব জাগ জাগ গো ভগিনি, মুখ হইতে আজি গুচুৱা ওবণি।"-ই এটা বিফৰ্ম্ম বা সমাজ-সংস্কাৰৰ উত্তম দৃষ্টান্ত। ভাল বেয়া, আপোনপৰ, ন্যায় অন্যায়, ভক্ষাভক্ষ, স্পৰ্শাস্পৰ্শ, শুচি-অশুচি, পাপ পুণ্য, ইত্যাদি ভেদাভেদ গুচাই একৰকম কৰাৰ নামেই Reform বা সংস্কাৰ। ব্যভিচাৰ আৰু মদখো-

ৰাৰ বাট মুকলি কৰাই Reform বা সংস্কাৰ। স্বেচ্ছাচাৰৰ ৰাজত্ব বঢ়োৱাই বিফৰ্ম্।

"স্ত্রী-শিক্ষা"—চিঠি লিখিবলৈ শিকা; নাটক-নভেলৰ (উপন্যাসৰ) পৰা মুৰ নদলা, বোৱা কটা, বন্ধাবঢ়া-আদি গৃহস্থালিকাম পাহৰা; শৰীৰ দুৰ্ব্বলী, অকামিলা আৰু হাড-চাল-শেষ কৰা; মন চঞ্চল, অসৎ আৰু কঠিন কৰা; দৰা এজাৰলৈ শিকা, তিৰুতাৰ উচিত কামবোৰ পাহৰা, তিৰুতাক মতা কৰা, ফুলক বজ্ৰ কৰা, সৰোবৰক মৰুভূমি কৰা।

"স্ত্রী-স্বাধীনতা"—তিৰুতাই বেইতা স্বামী এৰা বা স্বামী গ্রহণ নকৰা, অকলে অকণে ফুননিত বতাহ লবলৈ যোৱা, শিক্ষিত বন্ধুক দেখা কৰা, বিনা পুকৰে গৃহস্থালি চলোৱা, শাহু শহুৰক ঘৰৰ পৰা খেদোৱা বা খাবলৈ নিদিয়া, গিৰিয়েকৰ দ্বাৰায় বন্ধা-বঢ়-আদি সকলো কাম চলোৱা, তিৰুতাক মুকলি কৰা বা পুৰুষ-হাতীৰ ওপৰত মাউত পতা। মুনিহৰ পিঠিত ভৰি দি হস্তীত আৰোহণ কৰা।

"উদাৰ" বা "লিবৰেল্"—যি নিজৰ দল, ধৰ্ম্ম, মত কিতাপ, কাকত, স্বভাৱ, চৰিত্ৰ আদি সকলো অতি বেয়া হলেও ৰৰ ভাল দেখে আৰু আত্মশ্লাঘা কৰি ফুৰে; কিন্তু পৰৰ ভাল হলেও বেয়া বুলি নিন্দা কৰি ফুৰে: যি দিনটোত তিনটা কথা সলায়; যি মুহূর্ত্তকতে অলেখ পৰিবর্ত্তন ঘটায়।

"কন্সৰ্ভেটিভ্" বা "ৰক্ষণশীল"—যি সকলো কথা গমি পিতিকি কৰে, হঠাতে কোনো পৰিবর্ত্তন নকৰে বা নিজৰ মত এৰি পৰৰ মতত নমৰে; যি নিজৰ ধৰ্ম্ম, নীতি, জাতি, আচাৰ, ব্যৱহাৰ-আদি হঠাতে দলিয়াই নেপেলায়; যি পৰৰ কথাত সোঁতৰ কচুৰদৰে উটি নুফুৰে।

"ভার্য্যা"—(ভাৰ যোৱোৱা,) স্বামীৰ কলগ্রহ, বংশৰ

কলঙ্ক, ধাৰৰ পথ, খৰচৰ বাঁহ, অলঙ্কাৰ বোৱা গাধ, দন্দ হাইৰ ভঁৰাল, দাঁতৰ ভুল চকুৰ কুটা ইত্যাদি ইত্যাদি।

ইতি শ্রী ৰহস্য কাণ্ডে ওলোটা পৰ্ব্বে সদানন্দৰ নতুন অভিধানং সম্পূর্ণং সমাপতং। শাকে শশিগজ বসুবাণ।

---

# দাহ।

আধুনিক ৰসায়ন-শাস্ত্রমতে এই জগতত ৬৭টী ভূত বা মূলবস্তু আছে। তাৰ ভিতৰত অম্লজান বা অক্সিজান নামে এটী বস্তু আছে। এই অম্লজানেই সৌৰজগতৰ সৰহ ভাগ ব্যাপি আছে বুলিলেও কোনো ভ্রম বুলিব নোৱাৰি; আৰু এই অম্লজানেই সকলো জীৱ জন্তুৰ প্রাণ ধাৰণৰ প্রধান উপকৰণ আৰু সকলো প্রকাৰ দাহ বা অগ্নিজ্বলনৰ আধাৰ আৰু মূল কাৰণ।

ঘিৰোৰ বস্তুত জুইলগালে পোৰে সেই বোৰ বস্তু, জুইলগাই অম্লজান ভাপৰ ভিতৰত দিলে, বড় উজ্জ্বল হই অসপৰেলিৰ ভিতৰতে পুৰি ঢুকায়। এডোখৰ কাঠৰ চলিত বা এডাল খৰিকাত জুহলগাই ডাল জুই মুমাই তাৰ আঙ্গঠাৰ পৰা জুইমুমুৰাৰ আগেএ অম্লজানৰ ভিতৰত মুমুৰাই দিলে আৰ্কো আগৰ নিচিনা জুই জ্বলিব। এই গুণটী কেৱল অম্লজানৰ পৰা হয়।

এডোখৰ এঙ্গাৰ এডাল তাৰ বা গুণাৰ আগত বান্ধি জুই লগাই অম্লজানত বুৰাই দিলে ভাত বড়কৈ জুই লাগি চাৰিউ ফালে ফিৰিঙ্গটি উড়িবলৈ ধৰে। দেখিবলৈ এনে সুন্দৰ হয় যে যেন এটী সৰু ফুলজাৰিত জুই লাগিছে। আৰু যদি অম্লজান বহুত থাকে এঙ্গাৰডোখৰ একেবাৰেই

ছাই হৈ যায়। গন্ধকতো যদি সেই রূপে জুইলগোৱা যায় বড় উজ্জ্বল হৈ অলপ সময়তে ভস্ম হয়। ফসফৰস নামে এধিৰ বস্তু তেনেকৈএ দাহ কৰিলে এনে উজ্জ্বল হয় যে চকুৰে চাব নোৱাৰি। এই সকলো বিলাকতে যিবোৰ বস্তু পোতা যায় সেই বোৰ বস্তুৰ এটী পৰমাণুও ধ্বংস নহয়; কিন্তু সকলো বস্তুৰে অম্লজানেৰে সৈতে মিহলি হই একোটী মিশ্রিত বস্তু উৎপন্ন হয়।

যি বতাহৰ দ্বাৰা পৃথিবী পৰিবেষ্টিত হই আছে সেই বতাহৰ এশ ভাগৰ ২১ ভাগ অম্লজান আৰু ৭৯ ভাগ যৱক্ষাৰজান বা নাইত্রজান। বতাহত অম্লজান থকা হেতুকেই আমি যতে জুই জ্বলাও ততে জ্বলে। কিন্তু যৱক্ষাৰজান থকাৰ হেতুকে বতাহত সদা অম্লজানত জুই লগাৰ নিচিনাকৈ জুই লাগিব নোৱাৰে। মানুহে নিশ্বাস লওঁতে যি অম্লজান পেটৰ ভিতৰলৈ যায় সেই অম্লজানৰ দ্বাৰাই খোৱা বস্তু বোৰ জীর্ণ হয়। আৰু যেতিয়া অম্লজান যোৱা গুছে তেতিয়াই জীৱনৰ অন্ত হয়।

দাহ বিষয়ে বস্তুবোৰ দুভাগ কৰিব পৰা যায়। কেত বোৰ বস্তু তপত হৈ কেৱল বঙ্গা হয় আৰু ইবোৰ দাহই হৈ ভস্ম হয় বা কোনো চিন নেথাকে। এডোখৰ লো তপত কৰিলে বঙ্গা হব কিন্তু জুইৰ পৰা উলিয়াই আনিলে বস্থি কম হই চেঁচা হই যাব। কিন্তু এডোখৰ এঙ্গাৰ তেনেকুৱা কৰিলে ভস্ম হব।

বড় বেগেৰে এটা বস্তুএ অন্ত এটা বস্তুৰ কোনো কার্য্য কৰাকে প্রাকৃতিক অর্থত দাহ বুলিব পাৰি। যি কোনো পদার্থই হওক, অন্ত বস্তুৰ কার্য্য কৰোতে বেগ বা শক্তি বঢ়াই দিলে ইমানকৈ তপত হয় যে বস্তুটো উজ্জ্বল হয় আৰু পুড়িব

পৰা হলে পুড়ি যায়। সাধাৰণত যিবোৰ দাহ আমি দেখি-বলৈ পাঁও, সেইবোৰত বাসায়নিক কার্য্য কেৱল পুড়ি থকা বস্তু আৰু বতাহৰ অম্লজানৰ ভিতৰত সম্পাদিত হয়। যি বোৰ বস্তু এনেকৈ দাহ হয় সেই বোৰ বস্তুৰ প্রায় ভাগেই এঙ্গাৰজান বা কার্বণ-অম্লজান আৰু জলজান (হাইড্রজান,) সেই কাৰণেই সকলো প্রকাৰ দাহত বাসায়নিক কার্য্য অম্ল-জান, জলজান আৰু এঙ্গাৰজানৰ ভিতৰত সম্পন্ন হয়। বস্তু কেইটা একে লগতে ইটোএ সিটোএ ঘঁহনি খাই তপত হয় আৰু বড়কৈ তপত হলেই উজ্জ্বল হয়।

এই নিয়ম অনুসাৰেই তাপ সৰহ কৰি বেগাতে নগলা ধাতু পর্য্যন্তও গলাব পাৰি। কয়লা বা খড়ি সৰহকৈ পুড়িব পাৰিলে তাপো সৰহকৈ পোৱা যায়। খড়ি সৰহকৈ পুড়িব লাগিলে অকল সৰহ খড়ি দিলেই নহয়, তাত সৰ-হকৈ অম্লজান পাবলৈ সৰহকৈ বতাহবো আবশ্যক হয়। বিছনিৰে ঠেলি দিলে বতাহ যায়; আৰু এই বতাহৰ অম্ল-জানৰ পৰা বড়কৈ জুই লাগে। আমাৰ মানুহে জুই জলি-বলৈ বিছি দিয়ে হয় কিন্তু কিয় বিছে তাৰ কাৰণ অনেকে নেজানে।

কঠিন আৰু তৰল বস্তু বড়কৈ তপত কৰিলে উজ্জ্বল হয়। আৰু বাষ্প তাতকৈও তপত কৰিলেহে উজ্জ্বল হব পাৰে। কিন্তু বাষ্প উজ্জ্বল হলেই অগ্নি-শিখা হয়।

যি বাষ্পত কোনো সৰু সৰু কঠিন বস্তু মাথাকে সেইবোৰ বাষ্পত জুই লাগিলে বড় উজ্জ্বল হ'ব নোৱাৰে। জলজান আৰু অম্লজান মিহলাই বাষ্প অৱস্থাতে জুই লগালে দিনৰ পোহৰত দেখাই নাযায়, কিন্তু যদি ধুলি বালি থকা চাইলৈ নিয়া যায় তেনেহলে কিছু দেখাযায়, আৰু যদি এডোখৰ চুন

তাৰভিতৰত দিয়া যায় তেনে হলে ইমান উজ্জ্বল ছয় যে সূৰ্য্যলৈ চাব পাৰিলেও তাললৈ চাব নোৱাৰি।

(ক্ৰমশঃ)

দে, ৰ,

---

# ধুমুহা-বতাহ।

সৰে চাৰি পৰবেলি,
ক্ৰমে ক্ৰমে গল চলি,
সুকুমে ধৰিলে বঙ্গা উৎপল বৰণ,
হিঙ্গুলীয়া ছই গল পশ্চিম গগণ;
জিলিকে গছৰ আগ,
ঘৰৰ ওপৰ ভাগ
সোণ বৰণীয়া ৰ'দে ছই সুশোভিত;
দেখি মানুহৰ মন হল হৰষিত।
আন কথা পৰিহৰি,
ক্ৰমে এটি দুটি কৰি,
প্ৰকৃতিৰ সুশীতল নিশ্বাস সেবন,
কৰিব ওলাই গল ছই হৰ্ষ-মন।
এনে সময়ত পিছে
দেখা গল সেইদিশে,
কুলি-কনি যেন কলা মেঘ এডুখৰি
উঠে লাহে আপনাৰ দেহক বিস্তাৰি।
খণ্ডে যেন ক্ষিপ্ত ছই
মুখেৰে উগাৰে ছুই,

গর্জ্জনৰ ছলে আক কৰে হুহুঙ্কাৰ,
আছিছে নিশ্চয় যেন নাশিব সংসাৰ।
প্রথমতে ক্ষুদ্র কায়
কিন্তু ক্রমে বাঢ়ি যায়,
নিমিষতে জুৰিলেক আকাশ গোটেই,
বানপানী পথাৰ বুৰায় যেনে কই।
তাৰ লগে লগে বাত
লগাইলেক আছিমাত
প্রথমতে গহিন গম্ভীৰ অতিশয়,
নিয়মিত বেগধৰি লাহে লাহে বয়।
মুহূর্ত্তেক পিছে তাৰ
লগাই দিলে মহামাৰ
মেঘ আক বিজুলিৰ সহযোগ পায়,
মাৰ মাৰ কৰি বায়ু দশো দিশে ধায়।
ডাৱৰৰ গড় গড়ি,
বতাহৰ হড় হড়ি,
বিজুলিৰ চিকি মিকি দীঘল দীঘল,
কৰিলে সকলো প্রাণী ভয়ত বিহ্বল।
ইতি মধ্যে বৰষুণ,
সিও অতি নিদাৰুণ
মহাবেগে মেঘ এড়ি পৃথিবীত পৰে;
কাৰো কাকুতি কাৰো কানকে নকৰে।
মেঘে মাৰে ঢেৰেকনি,
ফাটি যায় কাণ শুনি
ধুমুহাৰ ধুনধুমি ধৰে তাতে তান,
শুশুনি নেদেখি এনেকা উড়ি যায় প্রাণ।

নাই নাই কিছু পৰ,
তাৰ পিছে হড় হড়
কৰি আহি দিয়ে দেখা পৱন দেৱতা,
ভাঙি চিঙি ঘৰ বাড়ী গছ আৰু লতা।
মড় মড় শব্দ হ'ল
কাৰ ক'ত কি হ'ল
কবকে নোৱাৰি একো চকুৰে নেদেখি,
অন্ধকাৰ ধোঁৱাময় দেখি দশো দিশি।
মেট মেট কৰে ঘৰে,
খুটা চতি ঘনে লড়ে,
প্ৰাণৰ ভয়ত যত কুমাৰী ছোৱালী
খুটা ধৰি স্তুতি কৰে বায়ুৰাজ বুলি।
কথমপি বাজ হুই
চোতালত ফমি থই
কৰে স্তুতি আৰাধনা কৰ যোৰ কৰি,
এড়ি যোৱা বায়ুৰাজ অনুগ্ৰহ কৰি।
দেখা পালে সিহঁতৰ
কাৱৰাৱ নিৰন্তৰ
পমি যাৰ খোজে হাঁয় মানুহৰ বুকু;
দুৰ্জ্জয় পৱন কিন্তু নাই তাৰ চকু।
স্তুতি কৰে বিপ্ৰ সবে,
দেৱ দেৱ মহাদেৱে,
জৈমিনী সুমন্ত পুলস্ত্যৰ নামলই;
ভিকতাই স্তৱ কৰে ছাল চতি ছুই।
শুশুনে মিনতি সিতো
মৰাধৰ গতি কতো,

ছোঁ ছোঁ কবি চলে আপোনাব মনে,
ছাল বেড় গছ লতা মোহাবে সঘনে।
এছাবণি একো ছাটি
খানে চোতালব মাটি
ভাঙি যেন লই যায় টাটি বেড় ঘব,
কত ঠাইত গচ ভাঙে কবি মড় মড়।
মাজে মাজে শুনি পাওঁ
মেঘব ভৈৰব বাব,
অশনিব নিপতন আর্ত্তনাদ কবি,
ভাঙি যেন পড়ে স্বর্গ থাকিব নোবাবি।
এই দবে কিছু পব
দেখি চিন প্রলয়ব
ইন্দ্র দেৱে দয়া কবি মেঘ নিবাবিলা,
বাত বৃষ্টি ক্ষন্তকতে সবে চলি গৈলা।
বতাহব ধুম ধুমি
গল একে বাবে কমি
লাহে লাহে নুশুনাই হল পিছে গাই,
নিশ্চল নিস্তব্ধ হল প্রকৃতি দুনাই।
ঘব এড়ি বাটলৈ
যায় লোক ব্যস্ত হই
চাবলৈ কাব কত হল "পয়মাল";
দেখে পড়ি আছে ভাঙি গছ কত ডাল,
কাবো ঘবে বেড় নাই,
কাবো ঘব আছে শুই,
কাবো আকৌ কল বাবি চুন হই গল,
মহা বণে আমোলব শিব হত ভুল।

আলিক আব্রবি আছে
কত বড় বড় গছে
ঢাকি আছে পাতে তাব বাট পথ সব,
ইও এক প্রকৃতিব মূর্ত্তি অভিনব।

স, ব

---

# সমালোচনা।

" বিপঞ্চায়কৃত পূর্ণচন্দ্র নামক প্রায়শ্চিত্ত নিরূপণ।

ভাবতবর্ষত মনু, অত্রি, বিষ্ণু, হাবীত, যাজ্ঞবল্ক্য, উশনা, অঙ্গিবা, যম, আপস্তম্ব, সম্বর্ত্ত, ক্যাত্যায়ণ, বৃহস্পতি, পবা শব, ব্যাস, শঙ্খলিখিত, দক্ষ গৌতম এই ওঠেব জন ধর্ম্ম-শাস্ত্র প্রবর্ত্তক। এওঁ বিলাকব ধর্ম্মশাস্ত্রকে স্মৃতি বুলিও ব্যাখ্যা কবে। এই কেইজনব বাহিবেও নাবদ, শাতাতপ, দেবল, পুলস্ত্য, জৈমিনি, বশিষ্ঠ, যাবালি, প্রচেতা প্রভৃতি ঋষি সকলেও ধর্ম্মশাস্ত্র প্রকাশ কবি গইছে। এই সকলব ভিতবত মনুব স্মৃতি সকলোতকৈ প্রধান। মনুব অর্থব বিপবীত মত প্রশস্ত স্মৃতি নহয়। এই সকল ধর্ম্মশাস্ত্র প্রচা-ৰক কেতিয়া ক'ত আছিল তাব নির্ণয় কবা দুঃসাধ্য। ভাব-তব-সমাজ যেতিয়া যত যেনে হইছিল সেই ঠাইত ঋষি সকলে সেই সমাজ ভালে বাধিবলৈ আপোন আপোন মত প্রবর্ত্তাই গইছে। কোনো কোনো ধর্ম্মশাস্ত্র কোনো দেশত বিশেষ মান্য কিন্তু মনুব ধর্ম্মশাস্ত্র সকলো ঠাইতে মান্য। অতি প্রাচীন কালত কামরূপ অনার্য্য জাতিব আবাস স্থান আছিল। সেই জাতিব সন্তান সন্ততি এতিয়াও আছে।" যেনে গাৰো,

ভোট, কুবাচ বা কোঁছ, মিৰী কছাৰী ইত্যাদি। কালক্রমে আর্য্য সকল ইয়াতৈ আহি বসতি কৰিবলৈ ধৰিলে। সময়ে সময়ে আর্য্যাবর্ত্তৰ ফালে অনেক বিপ্লব হোৱাত সেই ঠাইৰ পৰা ইয়াতৈ অনেক লোক আহিল। এই সকলৰ সতি সন্তান বৃদ্ধি হ'লত সমাজ ব্যাপ্ত হল। নানা ঠাইৰ লোকে সইতে নানা বিধ কার্য্য কৰিব ধগীয়া হ'ল। ওপৰত কোৱা স্মৃতি-কর্ত্তা সকলৰ মত আৰু শাস্ত্র পোৱা দুঃসাধ্য। এতিয়াৰ দৰে মুদ্রাযন্ত্রৰ সাহায্য তেতিয়া নাছিল। এই কাৰণে বিপুঞ্জয় নামে কামৰূপৰ এজন প্রসিদ্ধ পণ্ডিতে সকলো ধর্ম্মশাস্ত্রৰ মত সংগ্রহ কৰি এখানি প্রায়শ্চিত্ত নিরূপণ শাস্ত্র প্রকাশ কৰিলে। কোনো নিষিদ্ধ কার্য্য কৰিলে সেই কার্য্যৰ পৰা পৰাঙ্মুখ কৰিবৰ অভিপ্রায়ে কেত বিলাক কার্য্য কৰা আৰু সেই নিয়ম পালন কৰোঁতে কেত বিলাক অনুষ্ঠান কৰা আৰু অর্থাদি দান কৰাই প্রায়শ্চিত্ত। এই প্রায়শ্চিত্ত নানা পাপ বা নিষিদ্ধ কার্য্যত নানারূপে নির্ণীত। আৰু ওপৰত কোৱা ঋষি সকলে নানা মতে তাকে ব্যাখ্যা কৰিছে। সেই সময়ৰ এই শাস্ত্রই দণ্ডবিধি। এই দণ্ডবিধিৰ নির্ণিত কেত বিলাক প্রায়শ্চিত্ত সমাজে কৰাব পাৰিছিল, কেতবিলাক বজাই কৰাব পাৰিছিল। বিশেষকৈ সমাজৰ ওপৰতে এই ক্ষমতা অর্পিত আছিল।

কামৰূপৰ কোন ঠাইত কোন সময়ত বিপুঞ্জয়ৰ জন্ম তাক নির্ণয় কৰা টান। মুসলমান বঙ্গদেশ বা এই দেশলৈ অহাৰ পাছে যে এই গ্রন্থ বচনা কৰা হইছে এইটো অনুমান কৰিবৰ কাৰণ আছে। কিয়নো যবনৰ দ্বাৰা ব্রাহ্মণৰ যজ্ঞসূত্র ছিণ্ন হলে তাৰ প্রায়শ্চিত্ত বিধান আছে। বঙ্গ দেশৰ বল্লালসেন বঙ্গাৰ দিনত ব্রাহ্মণ কায়স্থাদিৰ কুল নির্ণয় কৰা হই কুলীন

মৌলিক শ্রোত্রিয় প্রভৃতি নামকরণ হইছিল। কায়স্থ বিনে তেলী, মালী, নাপীত বাবৈ (পান তামোলর ক্ষেতিকরা জাতি) কুমার, কমার, চিত্রকর, সূত্রকার (তাঁতী) আরু কুবিন্দ এই কেই জাতিক "নবশাক" বা নবশাখারূপে নির্ণয় করা হ'ল। ইয়ার পাছত বিপুঞ্জয় গ্রন্থ করা হইছে কিযনো এই গ্রন্থত নবশাকর উপনাম উল্লেখ আছে। বল্লাল সেনর সময় বিবেচনা করিলে বিপুঞ্জয়র প্রায়শ্চিত্ত নির্ণয়র বয়স আঠশ বছরর পুরণি নহয়। বিপুঞ্জয়র মত আমার দেশত আরু বঙ্গ দেশরো অনেক ঠাইত চলে। বিশেষকৈ বৈদিক ব্রাহ্মণর মাজত ইয়ার মত প্রসিদ্ধরূপে চলে।

আমার দেশর হিন্দু ধর্ম্ম ধরা মানুহ মাত্রেই বিপুঞ্জযর শাসনর অধীন। ব্রাহ্মণ আরু প্রধান মহন্ত সকলে যে "শূর্ত্তি-মেলে" সেই এই বিপুঞ্জয় মেলি বিধান অন্বেষণ করা।

কালক্রমে সমাজর আরু পরিবর্ত্তন হ'ল; প্রায়শ্চিত্তর নিয়ম প্রবল হই উঠিল। সমাজ ভালকৈ রক্ষা করিবর কারণে যিমান কঠিন বিধান হ'ল, সমাজর নিয়মভঙ্গর বিষয়েও তিমান কারণ হ'ল। "সবার যিমান ভাগর খেদারো তিমান ভাগর।" পাছে উভয়েই ভাগরত শিথিল অবস্থা পালে। আমার সমাজর এতিয়া এইরূপ শিথিল অবস্থা। আমার প্রকৃতিকর সকলে এতিয়া সেইরূপ ভাগরত শ্রান্ত হই যথেচ্ছা স্মৃতি বিধান করিছে। এই সময়ত বিপুঞ্জয়র শাস্ত্র মুদ্রিত আরু প্রচারিত হোরাত বড় উপকার হইছে। বজার প্রচলিত আইন যেনে সকলোরে জনা আবশ্যক, প্রায়শ্চিত্ত নির্ণয়ো সেই রূপে জনা আবশ্যক। তেহে লোকে বিধি, নিষেধ আরু তার দণ্ড জানে। গুরাহাটীর শ্রীযুক্ত কালীরাম বড়ুয়াই এই বিপুঞ্জয় প্রকাশ করাত যথেষ্ট

পাবৰে যোগ্য হইছে। ইয়াক যদি অসমীয়াত ভাঙি ছাপিলে হেঁতেম আৰু উপকাৰৰ সম্ভাৱনা ; কিয়নো সংস্কৃত ভাষা জনা পণ্ডিত বিনে আনে ইয়াক বুঝিব নোৱাৰে। ভৱদেৱ আৰু হলায়ুধ নামে আৰু দুজন কামৰূপৰ স্মৃতিকৰ্ত্তা আছে। এওঁ বিলাকৰ ধৰ্ম্ম শাস্ত্ৰকো প্ৰচাৰ কৰা উচিত।

জয়দেৱ কৃত গীতগোবিন্দ। বঙ্গ দেশৰ বীৰভূম অঞ্চলৰ কেন্দুবিল্ব নামে গ্ৰামত জয়দেৱৰ জন্ম হয়। কোন সময়ত তেওঁৰ জন্ম তাক নিৰ্ণয় কৰা কঠিন। জয়দেৱে গীত গোবিন্দ নামে এখনি সংস্কৃত কাব্য ৰচনা কৰে। ইয়াত গীতৰ নিয়মে শ্ৰীকৃষ্ণৰ লীলা বৰ্ণনা কৰা আছে। জয়দেৱ কৃষ্ণ ভক্ত আছিল। শ্ৰীৰাধাই যেতিয়া শ্ৰীকৃষ্ণৰ ওপৰত মান কৰি বহি আছিল শ্ৰীকৃষ্ণে ৰাধাৰ মান ভঞ্জনৰ নিমিত্তে অনেক কাকুতি মিনতি কৰিলে। পুৰাণাদিত লিখা আছে যে শ্ৰীকৃষ্ণে শেষত ৰাধাৰ চৰণ মস্তকত লই প্ৰাৰ্থনা কৰাত মান ভঞ্জন হ'ল। এই মান ভঞ্জন বৰ্ণনা কৰাত জয়দেৱে কৃষ্ণই ৰাধাৰ পদ মস্তকত লোৱাৰ কথা কেনেকেই লেখে ইয়াকে ভাবি নাপালে। কৃষ্ণক এনে হাস্যাস্পদ কৰা তেওঁ ভাল নেদেখি সেই বিবৰণৰ শ্লোকটী শেষ নকৰাকৈ জয়দেৱ স্নান কৰিবলৈ গল। ৰাধাৰ চৰণ মস্তকত লোৱা কৃষ্ণৰ পক্ষে অতি প্ৰিয়। কি জানি এই বিবৰণ জয়দেৱে নেলেখে এই ভাবি শ্ৰীকৃষ্ণই জয়দেৱৰ ৰূপ ধাৰণ কৰি ঘৰলৈ আছিল। তেওঁৰ পত্নী পদ্মাৱতীএ সুধিলে কিয় ইমান সোন কালে আহিল। জয়দেৱ-ৰূপী কৃষ্ণে উত্তৰ কৰিলে বিশেষ কাৰণত আহিলোঁ। পাছে পদ্মাৱতীএ তেওঁক ভাত দিলে। তেওঁ খালে আৰু পুথীলেখা চাইলে গাই পুথী মেলিলে। এনেতে প্ৰকৃত জয়দেৱ স্নান কৰি ঘিতা কাপোৰে ঘৰলৈ আহিলত

তেঁওৰ ঘৈনীএকে বিস্ময় মানি কলে "প্ৰভো! এতিয়াই আহাৰ কবি পুথী লেখিবলৈ গই আৰ্কো দেখোন আহিল। ময় আপোনাৰ প্ৰসাদ লই এই মাত্ৰ উঠিছোঁ। জয়দেৱ আৰু বিস্ময় হ'ল। পাছে কাপড় সলাই পুথী লেখা ঠাইলৈ গই দেখিলে সেই আদৰণীয়া শ্লোকটীৰ এইৰূপে পাদ পূৰণ হই আছে। "দেহি পদপল্লবমুদাৰং"। জয়দেৱে অতি বিস্ময় হই জানিলে শ্ৰীকৃষ্ণে নিজে তেঁওৰ ৰূপ ধাৰণ কৰি পাদ পূৰণ কৰিলে। পৰিশেষত শ্ৰীকৃষ্ণে ভোজন কৰা অৱশেষ তেঁওৰ পত্নীএ ভোজন কৰিছিল, তাৰ যি অৱশেষ তাক জয়দেৱে শ্ৰীকৃষ্ণৰ "ভুক্তাৱশেষ" বুলি ভক্ষণ কৰিলে। জয়দেৱৰ বিষয়ে এইটী প্ৰবাদ সৰ্ব্ব সাধাৰণত চলিত আছে।

জয়দেৱৰ ৰচনা অতি সুৰস, ভক্তিৰস পৰিপূৰ্ণ। গোপী আৰু কৃষ্ণৰ সৰল উদাৰ প্ৰেম ইয়াত সুন্দৰৰূপে বৰ্ণিত আছে। কাকুতি বৰ্ণনাত জয়দেৱ সৰ্ব্বোৎকৃষ্ট। এই পৰ্য্যন্ত "জয়দেৱ কাকুতি" আমাৰ সৰ্ব্ব সাধাৰণ মানুহে কাকুতিৰ উচ্চ সীমা বুলি ব্যৱহাৰ কৰে।

সংস্কৃত গীত গোবিন্দ ৰাম সৰস্বতী বা অনন্তকন্দলী নামে কবিএ অনুবাদ কৰিছে। এই জনা কবি শঙ্কৰ দেৱৰ সমকালজ। এঁও পুৰাণ ৰামায়ণ প্ৰভৃতি কেইবা খনি পুথিও অনুবাদ কৰিছে। গীত গোবিন্দৰ অসমীয়া অনুবাদ পদ্য-ছন্দে কৰা হইছে। এই ভাওনি যদিচ মূলৰ সদৃশ হোৱা নাই তথাপি ইয়াতকৈ বিশ্বস্ত ৰূপে কৰা টান। বাঙ্গালা ভাষাত আজি ৫০ বছৰৰ ভিতৰত পুৰাণ প্ৰভৃতি সংস্কৃত পুথী অনুবাদিত হবলৈ ধৰিছে; ইয়াৰ পূৰ্ব্বে অলপ পুথী মাত্ৰ ভঙা হইছিল। জয়দেৱে ধৰ্ত যি ৰাগ আৰু তালেৰে গীত

বচিছে বামসবস্বতীএ সেই বাগ আৰু তালব উল্লেখ কবিছে, এই গীত গোবিন্দব অনুবাদ গুৱাহাটীব শ্রীযুক্ত কালীবাম বৰুৱাই মুদ্রিত কবি প্রকাশিত কবিছে। এইৰূপে পুবণি পুথি বোব মুদ্রিত আৰু প্রকাশিত হলে বড় উপকাব। আমাব দেশব বিদ্যোৎসাহি সকলে এই জনা প্রকাশকক উৎসাহিত কবা উচিত।

চাণক্য শ্লোকব অসমীয়া ভাঙনিবে সইতে বত্ন বথ চৌধুবি কর্ত্তৃক প্রকাশিত। আমি শকতে বাঙ্গালা ইস্কুলত পঢ়াত চাণক্য শ্লোক পাঠ্য পুস্তকব শ্রেণীত আছিল এতিয়া গুছিছে। আমাব বিশ্বাস আছিল বাঙ্গালা ভাষাতহে চাণক্য শ্লোক অনুবাদিত হইছে, এই পুথি পাবব পবা আমাব সেই ভ্রম দূব হ'ল; আমাব অসমীয়াতো চাণক্য শ্লোকব ভাঙনি আছে। প্রকাশকে নিজেও কিছুমান ভাঙিছে। এই ভাঙনি দিয়াত বেয়া হোৱা নাই; পুথি ভাল হইছে। এক ভাষাব পবা আন ভাষালৈ নিয়া বড় কষ্টসাধ্য হলেও প্রকাশকে যত্নত অকৃতকার্য্য হোৱা নাই।

বস্তুশিক্ষা—শ্রীযুত লক্ষ্মীবাম বড়া প্রণীত। আমাব লাগতিয়াল কিছুমান বস্তুব সংক্ষেপ গুণ আৰু বিবৰণ এই পুথীত দিয়া হইছে। ইয়াক পঢ়িলে আমাব দেশব লবাছোৱালীএ বিশেষ উপকাব পাব। আ, ব,

---

## অসমীয়া আৰু বিদেশী সাজ।

উপযুক্ত সময়তে "দেশীয় পবিচ্ছদব" বিজ্ঞ লেখক জনে আমাব পিন্ধা কাপোবব দোষগুণ বিচাবত হাত দিছে।

বিদেশীৰ পৰিধানৰ অশোভা আৰু অনিষ্ট-কাৰিতা দেখুৱাই তেওঁ যিবিলাক লেখিছে সকলো বিলাক সঁচা, কিন্তু পঢ়োঁতে পঢ়োঁতে হঠাৎ আমাৰ মনতো কেইটামান ভাব উঠিল, আৰু সেই ভাবৰে বশীভূত হই আমি ও "পোষাকৰ" সম্পৰ্কে দুটিমান কথা লেখিবলৈ আগ বাঢ়িলোঁ।

"দেশীয় পৰিচ্ছদ" লেখকৰ প্ৰধান আৰু প্ৰথম আপত্তি এই যে বিদেশীৰ পোষাক পিন্ধিলে, পিন্ধা জনক পোষাকৰ পৰা স্বদেশীয় মানুহ বুলি চিনাটান"। এতিয়া এই সম্পৰ্কে দুটিমান কথা লেখাৰ আগেএ আমাৰ দেখা উচিত যে "দেশীয় পোষাক" কি? আমাৰ আসাম দেশৰ সাধাৰণ পোষাকত কোনো এটা এনে বিশেষত্ব আছেনে নাই যি চকুত পাৰিলেই তৎক্ষণাৎ সেই পোষাকেৰে শোভিত জনক অসমীয়া বুলি চিনি উঠিব পাৰি। আমি সম্প্ৰতি পুৰুষ-পোষাকৰ সম্পৰ্কে দুআসাৰ মান কওঁ। আসামৰ সাধাৰণ পোষাকী কাপোৰ—চুৰীয়া, চেলেং, আৰু মিৰ্জাই চোলা এটা। উৎকৃষ্ট পোষাকত পাগুড়ি আৰু জামা চোলা। সদাই কোনেও পাগুড়ি আৰু আপাদলম্বিত জামা ব্যৱহাৰ কৰি নুফুৰে। কোনো ভাৱনাই-সবাহে বা কোনো বিশেষ উৎসৱ কাৰ্য্যত হে জামা চোলা আৰু পাগুড়ি ব্যৱহাৰ কৰা যায়। জামা চোলা আৰু পাগুড়ি যেতিয়া সদাই ব্যৱহৃত নহয়, আমি এনে পোষাকৰ কথা ধৰিব লাগিল যে সাধাৰণ-সমাজে সৰ্ব্বদাই যাক পিন্ধি থাকে অৰ্থাৎ চুৰীয়া, চেলেং আৰু চোলা।

এতিয়া বঙ্গদেশ আৰু উড়িষ্যাদেশৰ পোষাকৰ কালে মন কৰা যাওক। মগৰত একোৰে ঠিক নাই। তাত সিহঁতে ন ন কথা শুনি, ন ন কাৰ্য্য দেখি, নতুনত্বৰ মোহত মাতৰি

থাকে—নগৰত ৰক্ষণশীল-স্পৃহা নাই। বিবিধ লোকৰ যাতায়াতত বিবিধ আভাস পাই নগৰীয়া সদাই বহুৰূপী হই থাকে। এই নিমিত্তে আমি জাতীয়-পৰিচ্ছদৰ সম্পৰ্কে গাওঁত গাঁৱলীয়া হঁতৰ ভগাপোজা বিচাৰিব লাগে—সেই ভগা-পোজাত জাতীয়ত্ব নেপালে আন ঠাইত নাই। বঙ্গালী আৰু উড়িয়া গাঁৱলীয়াৰ পৰিধানলৈ যদি আমি মন কৰো। তেনেহলে দেখিম—উভয়েই চুৰীয়া পিন্ধিছে, সামান্য কুৰ্ত্তা ছোলা পিন্ধিছে আৰু ছেলেং একোখনি লইছে। এনে পোষাকৰ এজন অসমীয়া, এজন বঙ্গালী আৰু এজন উড়িয়াক যদি কোনো প্ৰদৰ্শনীত উলিওৱা যায় তেনেহলে কোনো দৰ্শকে এই তিনিজন মানুহক তিনিখন ভিন্ন ভিন্ন প্ৰদেশৰ অধিবাসী বুলি ঠাৱৰ কৰিব নোৱাৰিব।

লেখকে "স্বদেশীয়" আৰু "বিদেশীয়" এই শব্দদুটি এই কেই ফাকিৰ ভিতৰত কি ভাবেৰে ব্যৱহাৰ কৰিছে বুজিব পৰা নাই। ভাৰতবৰ্ষ গোটেই খানকে যদি তেওঁ স্বদেশ, আৰু ভাৰত-ব্যতীত অন্যান্য ঠাইকেই বিদেশ বুলিছে তেনেহলে দেখিব যে সমগ্ৰ ভাৰতৰ ভিতৰত এটা জাতীয় পোষাক নাই। আৰু যদি আসামকে স্বদেশ আৰু আসামক এড়ি আন আন ঠাইক বিদেশ বুলি ধৰিছে তেনেহলেও দেখিব যে ভাৰতবৰ্ষৰ অন্তৰ্ব্বৰ্ত্তী বহুত প্ৰদেশৰ সাধাৰণ পৰিচ্ছদ প্ৰায় একেই। এতিয়া, বঙ্গালী, আৰু অসমীয়া পোষাকেৰে যেনে প্ৰায় একেই ৰাজপুত আৰু মহাৰাষ্ট্ৰ ও প্ৰায় তদ্ৰূপেই। পোষাকৰ জাতীয়ত্ব বিচাৰি এই জনেই ৰাজপুত আৰু এই জনেই মহাৰাষ্ট্ৰী বুলি চিনি উঠা টান।

ভাৰতবৰ্ষত পোষাকৰ এনে বহুৰূপতা গুণ আৰু এই অন্যায়ক উদ্দেশ কৰি লেখকে দেশৰ গাত যি অলপ অপ-

মানৱ ছিটা পেলাইছে, আমি এইটি কথাত অমত হুলোঁ। একে ৰজাৰ শাসনৰ তলত থাকিলে, একে ধৰ্ম্মী ৰজাৰ ৰুচিৰ মতে চলিলেই কোনো বিষয়ত কোনো পৰিবৰ্ত্তন নঘটে। কিন্তু ভাৰতবৰ্ষ বহুতবাৰ বিভিন্ন ধৰ্ম্মী ৰজাৰ শাসনত পড়িছে। সেই কাৰণে এই পৰিবৰ্ত্তন একো অপমানৰ চিহ্ন নহয়। কিয়নো ৰজাৰ সময়ে সময়ে, কাল বুজি আমি ৰাজকীয় পোষাকৰ অনুকৰণ কৰিবলৈ সময় মতে বাধ্য হওঁ। এই নিমিত্তে আমি কেতিয়াবা কেতিয়াবা অৰ্দ্ধ সাহাৰ আৰু অৰ্দ্ধ মুসলমান হ'ব লাগে।

আমাৰ ভাৰতবৰ্ষৰ জাতীয় পোষাকৰ ঠিক নোহাৱাত দুগুৰ্ণ হইছে, ইউৰোপৰো জাতীয় পৰিচ্ছদ সম্পৰ্কে তেনে-কুৱা এটি সঙ্কট আছে। আমাৰ তেও অল্প বিশেষত্বই আছে, কিন্তু ইউৰোপৰ হলে প্ৰায় অধিকাংশ প্ৰদেশবাসীৰে জাতীয় পৰিচ্ছদ হেটকোট পেণ্টেলুন। পাছে তেওঁলোকৰ কি দশা হব? অবশ্য "ফেশ্যনৰ" দাস হই যি বিলাকে উৎকট জহতো নোমৰ কাপোৰ ব্যৱহাৰ কৰে—নোমৰ কোট-পেণ্টেলুন পিন্ধে সি নিন্দনীয়, কিয়নো তেওঁলোকে ভিন্ন উদ্দেশ্যেৰে সেই কাপোৰ ব্যৱহাৰ কৰে বুলি অনুমান কৰিব পাৰি।

তিৰতা-পোষাক। তিৰতাৰ পিন্ধা-উৰাৰ সম্পৰ্কে প্ৰবন্ধ লেখকে যি গোটাচেৰেক কথা কইছে, সেই কথাবিলাক গোটেই যুক্তি-সঙ্গত। আমি ও তাৰ বৰ্ণে বৰ্ণে অনুমোদন কৰোঁ। আমি যে আগগুড়ি নেচাই, মুমুজি চহু মুদি পৰৰ সকলোকে অনুকৰণ কৰিম—পৰৰ সকলো ভাল, নিজৰ ভাল ও বেয়া এনে ভাবিম, ই গোটেই ভ্ৰান্তিমূলক কথা। আমাৰ শিক্ষা-মেখেলাই তিৰতাৰ শৰীৰ বিমান আবৃত কৰে, আৰু

বিহামেখেলা পিন্ধিলে ডিকতাক দেখিবলৈ যেনে শুৱনি আৰু ধুনীয়া দেখি শাৰীয়ে নিবাস কৰিব নোৱাৰে। যিমান কি সূচক বঙ্গালনীএ শাৰী নিপিন্ধক, শাৰীৰে সুন্দৰৰূপে শৰীৰ ঢাকিব নোৱাৰে। সেইটী পিন্ধোতাৰ দোষ নহয়—এখনীয়া কাপোৰৰ দোষ। আমাৰ যুৱা মানুহৰ মুখে এনে-কুৱা এটি কথা শুনিবলৈ পোৱা যায় যে ঘোৱাৰীৰ গেৰোৱা দেখিলে পুৰুষৰ আয়ুঃশ্ৰী ক্ষয় হয়। এই কথাটো পলমুৱা নহয় ইয়াত সাৰ আছে; ভালকৈ অনুপমান পৰ গামি চালেই বুঢ়ালোকৰ উদ্দেশ্য বুজিব পাৰি। শাৰী ব্যৱহাৰ কৰা ডিকতা বিলাক কেতিয়া ও এই কথাৰ অনুবৰ্ত্তিনী হই চলিব নোৱাৰে।

পিন্ধা সাজটি বৰ উজুহোৱা উচিত। আৱশ্যক মতে অতি সোনকালে যেন খহোৱা হব পাৰে, চকুৰ পলকতে যেন সলাই ও লব পাৰি এই দৰে সুবিধা চাই সাজলোৱা কৰ্ত্তব্য। আমাৰ বিহা-মেখেলাৰ সাজটি ও এই সুবিধাৰ ওপৰতে নিৰ্ম্মিত। সাজ উজুও হব লাগে, অথচ সাজ পিন্ধিলে পিন্ধাৰ উদ্দেশ্যও সফল হব লাগে—যি সাজেৰে এই দুইওটী কথা সিদ্ধি পায়, আমাৰ মতেৰে সেইএ উত্তম সাজ। বিহা-মেখেলাতকৈ শাৰীত কম জঞ্জাল হয়—কিন্তু শাৰীত আৰুৰ কমবুলি আমি আগে এ কই আছিছোঁ, এতিয়া আৰ্কো শাৰীৰ কথা নকওঁ। প্ৰবন্ধ-লেখকে যে পাৰিলে ডিকতাক ইংৰাজী পোৱাকৰ অনুকৰণ কৰিবলৈ কৈছে আমি তাৰে কথাছে উমুকিয়াইছোঁ। এই মন্তব্যটো আমাৰ মতেৰে অলপ অমিল হল। সৰ্ব্ব সাধাৰণতঃ মেম আৰু ফিৰিঙ্গিনী বিলাকে ইয়াত যি পোৱাক পিন্ধে—মাটি-লেটি-লোৱা গাউন আৰু জেকেট। লেখকে বোধ কৰোঁ সেই পোৱাকক

অনুকৰণীয় বুলি কইছে। ধুন কৰিব লাগিলে অৱশ্য সেই পোষাক পিন্ধিলে শুৱায়। কিন্তু যদি কার্য্যলৈ মন কৰা যায়, তেনেহলে আমাৰ বিহা-মেখেলাৰ সাজেৰে কার্য্যত বিমান লঘু-হস্ততা দেখুৱাব পাৰিব, গাউন পিন্ধা তিকতাই সিমান সুচকতা দেখুৱাব নোৱাৰিব।

সাধাৰণ-সমাজলৈ চাব লাগিলে আমি দেখিম যে ধুনীয়া কাপোৰেৰে গা সজাই ধুন মাৰি বহি থকা তিকতাৰ সংখ্যা নিচেই তাকৰ। আমাৰ ইয়াত তিকতাইএ গৃহকর্ম্মৰ অধিষ্ঠাত্রী দেবী—সংসাৰৰ প্রধান প্রধান সকলো আৱশ্যকীয় কার্য্য বিলাক তিকতাৰ হাতেৰেই হয়। এনে অৱস্থাত তিকতাৰ গাত গাউন-জেকেটৰ দৰে জলীয়া জর্পো সাজ দিলে সাংসাৰিক কার্য্যত তিকতাই বৰ ব্যাঘাত পাব। মেম-গাভক সকলে আমাৰ ইয়াত বাৰেকুড়ি খানচামা আৰু বাবুচিৰ ওপৰত হুকুম চলাবলৈ পাই, গাউন পিন্ধি ধুন মাৰি বহি থাকে—সেই নিমিত্তে কার্য্যত গাউনে কিমান বিঘিনি জন্মায়, তাৰ তত্ত্বনেপায়। যত তেওঁলোক নিজেই নিজৰ বান্দী—নিজৰ হাতেৰেই সকলো লাগতিয়াল বন কৰি লব লগীয়াত পৰে, সেই ঠাইত (বিলাতাদি মাতৃ ভূমিত) তেওঁলোকে এই ধুলী-সম্মার্জ্জনী সাজৰ পৰিবর্ত্তে খৰা-গাউন ব্যৱহাৰ কৰে। খৰা-গাউনত কৈ যে আমাৰ স্বদেশীয় বিহা-মেখেলা শতগুণে উৎকৃষ্ট আৰু তাৰ আৰুৰ ভাল তাক সকলোৱে শলাগিব। লেখকৰ এনেকুৱা উদ্দেশ্য ও হব পাৰে যে কার্য্যৰ সময়ত সামান্য বিহা-মেখেলা ব্যৱহাৰ কৰি ধুন মৰাৰ সময়ত গাউন ব্যৱহাৰ কৰিব পাৰে, কিন্তু আমাৰ ধুনীয়া বিহা-মেখেলাকেই আমি সেই সময়তো আমাৰ তিকতাৰ উপযোগী পোষাক বুলিয়েই অনুমান কৰোঁ। গাউন-

পিন্ধা বহুত বিধীয়ে বহুত সময়ত কাপোৰ পিন্ধিবৰ বেলিয়া বেছাবাৰ সাহায্য খুজিব লগীয়াত পৰে। কিন্তু অসমীয়া তিৰোতাই এনে কি লাজতে কাৰো আগত কপোৰকে ন সলায়।

তিৰোতা-পোৱাকৰ ভিতৰত আমাৰ মেখেলা সৰ্ব্বাঙ্গ-সুন্দৰ। বিহাৰ অলপ দোষ এই যে, বিছা ললে ঠাইএ ঠাইএ গা উদঙ্গ হৈয়ে থাকে। আমাৰ প্ৰবন্ধ-লেখকে কোৱাৰ দৰে এতিয়া বিহাৰ তলত যে বহুতে চোলা পিন্ধিবলৈ ধৰিছে। তাৰ পৰা বিহাৰ দোষটো অল পৰি গুণ বৃদ্ধি হইছে। আহা কাৰ্চিপৰ বনকৰা বা সুন্দৰ কিংখাপৰ মেখেলাৰ ওপৰত চোলা পিন্ধাই উৎকৃষ্ট বাৰাণসী বিহাৰে এজনা ৰূপসী অসমীয়া তিৰোতাক সজাই তুলিলে, শাৰী পিন্ধা বঙ্গালনী বা গাউন-পিন্ধা ফিৰিঙ্গীয়ে ও অসমীয়াণীক এবাৰ নেত্ৰ ভৰি চাব।

প্ৰবন্ধ-লেখকৰ লগতে অবশেষত আমি সমস্বৰে পুৰুষৰ সাজৰ দোষ আৰু তিৰোতাৰ সাজৰ উৎকৰ্ষতা স্বীকাৰ কৰি উঠি আহা শিক্ষিত ডেকা সকলক তিৰোতাৰ সাজৰ ভিতৰত সাৰীক মুসুমাৰলৈ আৰু সমাজৰ অধিনায়ক সকলক পুৰুষৰ এটা নতুন সাজৰ সৃষ্টি কৰিবলৈ প্ৰাৰ্থনা কৰি প্ৰবন্ধৰ সমাপন কৰিব খুজিলোঁ। আজি কালি আমাৰ যি বিলাক ডেকাই খৰচ কম কৰি নিজৰ তিৰোতাক শাৰী পিন্ধাই সাজোঁটে প্ৰতি ৰূপ দুটকা বা এটকা সাঁচিবলৈ আয়োজন কৰিছে, আমি বোধ কৰোঁ। তেওঁলোকে এতিয়া নিজৰ ভ্ৰম দেখিব আৰু "আজাত নিদিয়ে লোণ পিটিকাত যায় চাৰি গুণ" ইয়াকে ভাবি যেন সেই ভাব এড়ি দিয়ে এই প্ৰাৰ্থনা।

ন, মহন্ত

# আসাম-বন্ধু।

মাসিক পত্র।

"নচ জ্ঞানাৎ পবং বলম্।"

প্রথম খণ্ড।] আশ্বিন শক ১৮০৭, ইংরাজী ১৮৮৫। [নবম সংখ্যা।


## আগৰ দিন এতিয়াৰ দিন।

### শাসন-বিচাৰ।

সাধাৰণ শাসন বা বিচাৰৰ নিমিত্তে কোনো লিখিত ব্যৱস্থা বা কার্য্য বিধি নাই। সাধাৰণ বিবেচনা আৰু জ্ঞানৰ নিয়মেৰেই বিচাৰ আৰু শাসন হইছিল। কেৱল উত্তৰাধিকাৰীত্ব স্বত্ব নিৰূপণত কেতিয়াবা দায়ভাগ বা আন পুথীৰ মত সভাপণ্ডিত বা আন পণ্ডিতে দিছিল। কোনো অপবাদ বা আন কেতবোৰ ধৰ্ম্মসংক্রান্ত দুষনীয় কার্য্যত বিপুঞ্জৰ, ভদ্রদেৱ প্রভৃতি শাস্ত্রকাৰৰ মত গ্রহণ কৰা হয়। বিপুঞ্জৰ আৰু ভদ্রদেৱ শূলপাণি হলায়ুধৰ ব্যৱস্থা আৰু গঙ্গাজল স্মৃতি এই দেশত চলিত। দায় ভাগো অপ্রচলিত নাছিল। অনেক বিষয়ত বঙ্গ দেশৰ ব্যৱস্থাতকৈ মিথিলাৰ ব্যৱস্থা প্রচলন

আছিল। সভা পণ্ডিত, অধ্যাপক, মহন্ত সকলেই ব্যবস্থাদাতা আছিল। দেশৰ সমুদায় ৰাজস্ব বিভাগৰ কার্য্য উজনীত হলে বড় বড়ুৱা, গুৱাহাটীত বড় ফুকনৰ হাতত আছিল। মজুমদাৰ বড়ুৱা, কাকতী এই সকলৰ হাতত দেশৰ মাটী বাড়ী খাজনা মাশুল ইত্যাদিৰ কাকত আৰু হিসাব আছিল। পাইকৰ চমুৱা পাইকৰ মাটীৰ হিসাবো এঁও বিলাকৰ হাতত আছিল। বড় ফুকনৰ অধীনৰ যি ঠাই তাৰো মাটা বাড়ী খাজনা, পাইক, কাড়ী, চমুৱা ইত্যাদিৰ হিসাব উজনীৰ মজুমদাৰ বড়ুৱাৰ হাতত থাকে। ৰুদ্রসিংহ স্বর্গদেৱৰ দিনৰ পৰা এই কাকত "পেড়া কাকত" বুলিছিল। এই কাকতেই দেশৰ সকলো বিষয়ৰ মূল বিষয়। ৰজাৰ আজ্ঞা নহলে ইয়াৰ কোনো কথা পৰিবর্ত্তন হ'ব নোৱাৰে। মাটীৰ হলে পৰগণা, তালুক, গাঁও, টাঙ্গনী ডিহি ভাগ আছিল। মেল খেল মানুহৰ বিভাগতহে প্রসিদ্ধ। ৰুদ্রসিংহ স্বর্গদেৱৰ দিনতে যি বিভাগ হ'ল এই সময়তো সেই বিভাগেই প্রায় লৰচৰ নোহোৱাকৈ আছিল কামৰূপত হলে মুসলমানৰ মাটী বাড়ীৰ যি বিভাগ আছিল সেইএই চলিছিল। ইয়াৰ পূর্ব্ব অধ্যায়ত যি বিষয়াৰ বিবৰণ লেখা গইছে সেই বিষয়া সকলেই শাসন কার্য্য কৰিছিল। কামৰূপত বুজৰ বড়ুৱা বড় কায়স্থ, চৌধাৰী, পটোৱাৰী, তালুকদাৰ, ঠাকুৰীয়া প্রভৃতি বিষয়া আছিল। কোনো বিভাগৰ শাসন কার্য্যৰ জন্যে নানা নামৰ শক শক বিষয়াও আছিল।

দেশৰ পক্ষে উজনীৰ হলে বড় বড়ুৱা ভাটীৰ হলে বড় ফুকন প্রধান বিচাৰকর্ত্তা। আন বিষয়া সকলে আপোনাৰ অধীন ঠাই বা মেল বা খেলৰ হে সাধাৰণ বিষয়ৰ বিচাৰ কৰে। স্বর্গদেৱ সকলো বিচাৰ আৰু শাসনৰ মূল।

স্বৰ্গদেউৰ আপোন ইচ্ছাৰে বা কেতিয়াবা কোনো জনা ডাঙৰীয়া বা ডাঙৰীয়া সকলৰ পৰামৰ্শ লই শাসন বা বিচাৰৰ আজ্ঞা প্ৰকাশ কৰে। আন ডাঙৰ বিষয়া সকলে নিজ মুখে সদাই সোধ নকৰে। কটকী বা বড়া, কি আনে সেই বিষয়াৰ সম্মুখতে অথবা আঁতৰত গুচৰীয়া পদকীয়া আৰু সাক্ষীৰ মুখ সুধি বিষয়াত জনালে বিষয়াই আজ্ঞা দিয়ে; সেই মতে আচৰণ হয়। কথা জনোৱা সকলৰ এই-ৰূপ কথা জনোৱাৰ বড় ক্ষমতা আছিল। কেতিয়াবা বিশেষ কোনো লোকে কাৰণ উপস্থিত হোৱা ঠাইলৈ গইও সোধ সুধি আহি বিষয়াত জনায়। বিষয়াই সিদ্ধান্ত কৰে। কেতিয়াবা আৰ্কো কেইবা জন সমজুয়া নিযুক্ত হয় সেই সকলেও সোধ কৰে। গাঁওত আৰু খেলত হলে সেই গাঁওৰ বা খেলৰ মুখ্য মুখ্য লোক সকলেই বিচাৰ কৰিছিল। মহন্ত সকলেও আপোন আপোন সত্ৰ আৰু ধৰ্ম্ম আচাৰ নীতি সম্পৰ্কীয় বিষয়ৰ বিচাৰ কৰে। কোনো কোনো সত্ৰ সম্পৰ্কীয় বিবোধত হাতেলেখা সিদ্ধান্ত পত্ৰ হয়। কোনো ব্ৰাহ্মণক বজাঘৰৰ পৰা ব্ৰহ্মত্তৰ দিব লাগিলে অথবা দেবত্তৰ ধৰ্ম্মত্তৰ বৃত্তি দান কৰিলে তামৰ ফলিত স্বৰ্গ দেৱৰ সিংহছাব মৰা সনদ দিয়া হয়।

বিচাৰ সম্বন্ধে কোনো কোনো সময়ত খাটনি চলিছিল। "খাটনি লোটনি" এটা কথা প্ৰসিদ্ধ। সাধাৰণ বিবোধ কেতবোৰ, বিষয়াই পুয়া বা আবেদি ৰহি থকাতেই সোধ কৰি মীমাংসা কৰিছিল। সেই সময়ে অনেক ডাঙৰ লোকেও লেখিব পঢ়িব নাজানি ছিল তথাপি তেঁও বিলাকৰ বুদ্ধি বিবেচনা ন্যায়পৰায়ণতা। স্মৃতি শক্তি বড় বিচক্ষণ আৰু চোকা আছিল।

শাস্তি অতি কঠিন আছিল। স্বর্গদেৱে যথেচ্ছারূপে দণ্ড কৰিছিল। ডাঙ্গৰীয়া সকলে ধুমেৰে খুণ্ডি বা টোম বান্ধি পানীত পেলাই প্রাণ মাৰিব পাৰে; অস্ত্রাঘাতে বা আনরূপে প্রাণ বধ কৰিব নোৱাৰে। চকু কঢ়া, আঁঠুৰ ছিলা কঢ়া, নাক কাণ কটা শাস্তিও ডাঙ্গৰীয়া সকলে দিব পাৰে। বড় বড়ুৱা আৰু আন কুকন বড়ুৱাই আপোন আজ্ঞাৰে ভঙ্গাপত্তা কৰিব পৰা বিষয়া বা পাইকৰ নাক কাণ কাটিব পাৰে আৰু তাতকৈ ওপৰ শ্রেণীৰ লোক হলে গঁতা, গঁড়াল, কোৰ, ঢকা মৰোৱা দণ্ড দিব পাৰে কিন্তু স্বর্গদেৱৰ আজ্ঞা লাগে। চৰাৰ কুকন, ক্ষেৰ বিছনি পোৱা চমুৱা কুকন, বড় ভণ্ডাৰ বড়ুৱা, প্রভৃতি মেলভগিয়া কুকন বড়ুৱা পর্য্যন্তে নাক কাটিব নোৱাৰে কিন্তু ওপৰত কোৱা আন দণ্ড কৰিব পাৰে। টেকেলা দুলীয়া এই দুখেল বাজকৈ সেই দণ্ড কৰিব পাৰে। এই খেলৰ লোকক কোৰ, ঢকা, গঁতা, গঁড়াল এনে দণ্ডহে কৰিব পাৰে। কামৰূপৰ বড়কুকনৰ ক্ষমতা অধিক। ডাঙ্গৰীয়া সকলৰ দৰেই তেঁও দণ্ড কৰিব পাৰে। ইয়াৰ কাৰণ এই যে তেঁও দূৰৈত থাকে। চোৰৰ প্রাণ দণ্ড পর্য্যন্ত দণ্ড হয়। বাজদ্রোহত প্রাণ দণ্ড। শালত দি বড়শীত দিও প্রাণ দণ্ড হয়। আন দণ্ড বিষয়ে অপৰাধৰ বিশেষ নির্ণয় নাই। উজনীত হলে জেৰেঙ্গা নামে ঠাইত চাউডাঙ্গে প্রাণ বধ কৰে। গুৱাহাটীত এই কার্য্য কৰা লোকক বুকক বোলে।

---

## কটকী উকীল তোলা।

অসম বজাৰ দিনত এই দেশলৈ ভিন্ন দেশৰ কটকী বা

উকীল আছিলে যিরূপে ভেঁওবে গুৱাহাটীব বড় ফুকনে সম্ভাষণ কবিছিল তাব বিবৰণ তলত এখ্যান কটকী বুৰঞ্জীব পৰা তুলি দিয়া হ'ল। ইয়াব পৰা পাঠক সকলে কিছু পৰিমাণে আগব দিনব "দৰবাব" আৰু বাজনীতিব নিয়ম জানিব আৰু সেই সময়ত আমাব ভাষাব অৱস্থাও জানিব পাৰিব।

"শ্রীশ্রীগৌৰীনাথ ৺ স্বর্গ দেৱব আজ্ঞাবে শুক্রেশ্বব নাট মন্দিবত সন্দিকৈ গগৈবডফুকন, সন্দিকৈ বড় ফুকন, মিবি সন্দিকৈ ডেকা ফুকন, চেটীয়া ফুকন, দিহিঙিয়া ফুকন, সকলো ফুকন বাজখোৱাত ৺ দেৱব আজ্ঞাবে দিচিয়াল শিব কটকীএ খৈবামব উকীল* তুলিবলৈ আজ্ঞা কলেহি। সিহঁত পৰদেশিলোক, ফুকনে ব্যৱস্থাবে তুলিব-এইরূপে আজ্ঞা হলত, ১৭৮৮ এই শকত বৈশাগব ৪ দিন থাকাত শুক্রবাবে আন্ধাৰ পূর্ব্বে, ভণ্ডক দক্ষিণে, গড়ব পশ্চিম ফালে—খাজি খোৱা গডব ভিতবত মাটী ৯ পুবা, তাবে মাঝত মেল কবা চড়া ২ টা, পশ্চিমবটো কুজিঘব, এটা বড উত্তবা-দক্ষিণা; পুবা পশ্চিমাটো আঠকোঠা, ৰুদ্ৰা ষোল হতিয়া কুজিঘবটো ওপবে ঢেকেবি ঢবাবে চাইছিল। তলফালে আতলচেবে চাইছিল, খুটাত বানাত মেবাইছিল, বড় ফুকন বহাটো খুটাত তাচ কাপব মেবাই ছিল কপয়ালী। ই কেইটাত বানাত মেবাইছিল তাতে তিমিখলপিয়াকে ভেটী কবি কলাপাত পাবি তাব ওপবে বানাত পাবিছিল। চাবি-ও ফালে বানাত পাবিছিল। আগফালে বমকবা বানাত দুখান ওপবে ঘবত দুফকিয়া পাম কটা, তাতবৈ, পিতলব চাবিদুকে ডাঁব চাবিটা, ঘবব চাবিও ফালে ডাঁব বান্ধি বানাত

* খৈবামব পৰ্ব্বতীয়া আসিয়া প্রদেশব এখান প্রদেশ।

আৰিছিল। আগে বড় গাৰু সোনোয়ালি, তাৰৰ সৰু গাৰু চাৰিটা বানাতৰ, উত্তৰ কোঠাত ক্ৰমে পানি ফুকন ডেকা ফুকন বহা দুখলপিয়া ভেটীত এখনিয়া দৰে ঢৰা চাল কঠ তলচা ওপৰত বানাত, আগতো বানাত, দক্ষিণ কোঠাতো, ক্ৰমে দিহিঙ্গিয়া ফুকন চেটিয়া ফুকন সেইদৰে বহিছিল। বেস্ চকেদ। দুইঘৰৰ মাঝত নাৱৰাৰ খুটা হালধিয়া, দৰি কাপৰে চাইছিল, তাত ডাঁৰ দি বঙালি কাপৰ দিছিল. তাৰ ওপৰে বড় ফুকনৰ পোনে গোমচেং দিছিল। নাৱৰাৰ তলত ভিতৰ ফালে বড় ধূপ লগাইছিল। বাজফালে ফুলৰ গছ দুডাল. তাৰ কাষৰত মৈমা পাখিৰ বড় বিছনি দুখন পাহু ফালে তাল পাতৰ বিছনি ধৰিছিল। তাৰ পাছে তামুলি লিগিৰা ভুয়া পোৱালী বহিছিল, তাৰ নামে আৰ-কাপৰ তৰিছিল। বড়টো ঘৰত তলে ওপৰে খুটা চক্তি, ভেটীতো. বাৰাহেতি কাপৰে চাইছিল। কুক্তিঘৰৰ কোষৰ কোঠাত শঙ্খা পাৰি সভা পণ্ডিত বোৰ বহিছিল। চমুৰা বোৰ মলমা কৰা ঢাল তৰোৱাল লই বহিছিল। ক্ৰমে নাম কোঠাত ৰাজখোৱা বোৰ ভেটিকৰি তলচাৰ ওপৰত বানাত পাৰি বহিছিল। নাম কোঠাত কটকি কাকতি দলে। নামৰ দুই কোঠাত দৰঙ্গি দুই বজা ভেটী কৰি বানাত পাৰি বহিছিল। আগত গাৰু কাইৰ সবাই আবোৱানো ধৰি-ছিল। নাম কোঠাত টুপত দলে কাকতি টুপত দুয়ো ফালে কঠপাৰি হাজৰিকিয়া দক্ষিণ ফালে মুখৰ কোঠাত টেকেলা বড়া তামুলি চমুৱা নাম দুই কোঠাত দিখৌ মুখিয়া আনো ৰাজখোৱা। নাম দুই কোঠাত কটকি, অমুমদাৰ, নামৰ কোঠাত দৰঙ্গি, বেলতলিয়াৰ দৰে বহিছিল। কোঙৰ ঈশ ফালৰ ওপৰত খঙ্গত বহিছিল। নামৰ কোঠাত কাকতি দলে, তাৰ নামৰ

কোঠাত বানি বজা ভেটিনাই—তলচাব ওপবত বানাতত বহি-ছিল. সক গাক। মজুমদাবব কঠব ওপবত দলিচা, কটকি কাকতি দলৈব খঙ্গা, সভা পণ্ডিত বহাপোনে দুই কোখে খলাত বড ঝাপি ওপবত কাপবে চাইছিল। মাঝে 'বাট এডি দুযো কালে গায়ন গাইছিলে। তাব নামে হাতি দুটা সজাই থোয়াইছিলে। তাব নামে খঙ্গা হিলৈ বডটো চড়াব মুবলৈকে ববহাত নাল সকহাত নাল। মিঠা সোলোঙ জুমক ডোয়া পাতিছিল। তাব মাঝে দুয়ো কালে বানাতব, মুখ চালিদিলা. কুহুম বুলিয়া ঘোডা পাতিছিলে, গাবো বোবে হাতিয়াব লৈ আছিল। তাব উত্তব দক্ষিণে চালি কবি বডুয়া বড কাথচৌধাবি পটোযাবি খঙ্গা দলিচা পাবি বহিছিল। পালিব মুবে দুযো কালে ছাজবিকিয়া বোব কঠ খঙ্গাপাবি বহিছিল। চৌমেবে তিনি সবিয়াকৈ ছিলই তাব ভিতবে সালঙ্কৃত কবি ছাতি ত্রকুবি আচোটা। আক ভিতবে ঘোডা বেলুব দবেবে জাঠি ববচা বপব জাঠি ধনু কাব শেল টাঙ্গনলৈ ন সাবিয়া বেলু। বড চডাব মাজব পোমে খলাত দক্ষিণে লুমনখ' নাচিছিল। সকলো লোক কাচিপাবি বহিল। গড়ব বাজে পুবফালে বাটব দুয়োফালে বনিয়া পোহাবি হুঁতে খঙ্গা দলিচাত বহি আগত পকোত্তা নলিবে খোঁয়া খাইছিল। কাঁহ পিত্তলব সবাইব ওপবত বটালৈ তামোল খাইছিল। পোহাব দিছিল। সোনালি রূপালি সকলো বিধব পোহাব দিছিল। ক্রীয় বিক্রয় কবিছিল। রূপ সোনা বহু সাজ দামকৈ থইছিল। দুবরিয়াও বহিছিল চকিলৈকে পোহাবি। পোহাবি দুকালে কাম-রূপি দবছি ডেকা চযুবা সকলোবিধ লোক আছিলে। গড়ব দক্ষিণে বানি দুবরিয়াব গাবো বোব কুকলি মাবি চাল খাক

খেলাইছিল। এই রূপে বেহু কবোৱা মিলাচিঙ্গ বড়া বাক-এতি। তিনি পৰ মৰাত বড় কুকন গৈ বেহু ছাট সকলকো চাই খাজি খোৱা সোমাই ডাওড়াই চড়াইব পাখি পাগৰ ওপৰত, মকৰ কুণ্ডল, শিব পেস কল্কি, পৰিধানকৈ আহি বহি সকলকো ফুল চন্দন দিয়াই বাম চৰণ বড়াক পাচিলে, খইবামি বজাই পাঁচা উকিলক আনিবলৈ। ধৰম দুৱাৰ পৰা বেলা তিনি দণ্ড থকাত সিহঁতক বাম চৰণে আনিলত বাটত কুজি ঘৰৰ পাচতে নানান দেৱলিয়া দলৈবোৰ আগত সবাইলৈ বহিছিল। আবেথা বড়া, ষিও, গেঁধেলা টেকেলা হঁত সহিতে বাটৰ পৰা লগলাগি আনি বাট ঘৰৰ পৰাই সাত ঠাইত আঠু পৰাই, টুপত ভেটি সবাই পাতৰ ওপৰত থই সেৱা কৰি পাতত বহিল খাড় কোঁয়ৰ থিয়হৈ আছিল। পাছে বগা থম্বা পাৰি বহিল টেকেলা বড়া ভোলাইএ ভেটালে বোলে ৺ দেৱৰ খইবাম বজাইপটোৱা খাড় কোঁয়ৰ চয়দাঁতিৰ বড়ুয়া পোৱালি ৬ টী কটকি তিনি এইহঁত মানুহে বানত তিনি সবাই তাও তিনি সবাই আতলচ ৬ সবাই মচক তিনি সবাই চিত ৪ সবাই লঙ্গ জাই ৪ সবাই ঢাল দুখান তৰোৱাল দুখান হিলৈ দুটা ভেটী ৺ দেৱৰ চৰণত সেৱা কৰিছে। সেৱা কৰি বহিল। বড় কুকন ৺ দেৱে বোলে মজুমদাৰ কেমাই সিহঁতত সোধ, ইহঁত জেখন আছে তেখন খৈবামি বজা খল পৰ্ব্বতি লোক জন সহিতে কুশলে আছে এই রূপে সুধিলত মনুবাৰে বোলে আমাক জেখন পঠাই তেখন শ্রীশ্রী অৰ্গনাবায়ণ ৺ দেৱ ঈশ্বৰ চৰণত শৰণাপন্ন হবাৰ নিমিত্তে আমাক জেখন পঠাই তেখন খৈবাম চাহাৰ ইঠাইৰ কুশল, লাই লস্কৰ খল পৰ্ব্বতি লোক জন সমিতে কুশল, পৰে কিহৰ ঈশ্বৰ ইচ্ছা কৰ নোৱাৰি। এই রূপে

জনালত বড় কুকন ৺ দেবে সিহঁতত কলে খৈবামি খল পর্ব্বতি লোক জন সহিতে কুশলে থাকিব আমাব এই ইপ্সিত আক সিহঁতক কি কার্য্যে পঠাইছে। মনুবায়ে বোলে মজুমদাবত জনোরা আগে ৺ দেব সকলে যি আজ্ঞা কবিছে তাক শিবত তুলিলৈ জনালত গৈ থলত থকা খাড় কোঁয়ব বজা পোৱালি ৫টী সহিতে আমাক পঠাইছে. বোলে আমি ৺ দেবব শবনিয়া হলো আগে যিবলিছে তাকে নির্ব্বন্ধকৈ লৈ আছহৈ। হাতিগড়ে মাটীগড়ে নিবন্ধ পাল সেব্রা কবি থাকিব লাগি আক হবি পবায়ণ হই জীয়ব কুশল যি হয় তাক ৺ দেব সকলে জানে আক কথা জনাবলৈ আছে। এই রূপে মজুমদাবে কেমাই কটকিত্র জনালত বোলে ৺ দেও দেব্রতাব আজ্ঞাবে খাড় কোঁয়ব ময়ো লুঙ্গ বুড়ি লুঙ্গ খুঙ্গ নবসেঙ্গ খোপাতি মবঙ্গা মনুবাই কটকি এই হঁতত সোধাহল এইরূপে জনাইছে আতে ৺ ফুল চন্দন তামোল পান দিব দি বোলে মজুমদাব কেমাই সিহঁতক খৈবাম বজাব ৺ ঈশ্ববব চবণত শবণাপন্ন হৈ শুদ্ধরূপে চিন্তি থাকিলে কিনো সিদ্ধিক নলভিব? এখন ইহঁত থকা ঠাইতে থাকোক গৈ যেখন বিদায় দিয়া যাই নির্ব্বন্ধ কবি বোলা যাব। ৩ সেব্রা কবি হুইঁকি উঠি গলত দবঙ্গি বেল তলিয়া বালিক বিদায় দি পঠাই সকলে সহিতে আছিল আক অহা কালত নিলাচলব বড় গাছা দুটা লগাই ছিলে বড় কুকনব আগত গন্ধ হুব্রা শলা ১ গাছ লগাইছিল।"

---

# পত্নী-বিলাপ।

মুক্তাবলী ( অসমীয়া-সুব ) *

১

উঠা প্রাণেশ্বব, কবিছোঁ কাতব
শ্রুতি সুখকব, শ্রীমুখব স্বব এ—
কবিয়া সাদব, শুনোব্রো বাবেক মোক।
চোবা চকু মেলি, ঘোষ-ঠেস ঠেলি,
নকবিবা বেলি, যাই প্রাণ গেলি এ—
উঠি কবা কেলি, পাছবোহোঁ যত শোক॥

২

অনাথিনী কবি, কিবা দোষ ধবি,
গৈলা পবিহবি, দাসী বৈলোঁ পড়ি এ—
বাবেক সুঁব্রবি, কিয়নো নেচোব্রা ফিবি।
দিবস-শর্ব্ববী, চিঁয়বি চিঁয়বি,
বোৱাবী জিয়বী, বাগবি বাগবি এ—
কান্দে সব সবি, শুনি প্রাণ যায় মবি॥

৩

ছেনয় নিদয়, মহবা বান্ধু'য়
কবিছোঁ বিনয়, পবাণে মসয় এ—
হইয়া সদয়, বাবেক দাসীক চাই।
সংসাবত ময়, একেশ্ববী হই,

* যি সকল পাঠকে মুক্তাবলীব সুব জানে তেঁওঁলোকে সেই সুব মতে গাই পঢ়িলে এনেই পঢ়ি মোব্রাতকৈ বেছি মোব্রাদ পাব।

পুত্র কন্যা লই, কাবনো আশ্রয় এ—
লইয়া সময়, কটাম দিয়া উপায়॥

৪

উঠা শীঘ্র কবি, মাটিত বাগবি,
নাথাকাহা পডি, চবণত ধবি এ—
মাতিছোঁ পামবী, উঠা উঠা মোব প্রাণ।
সুখতে বর্দ্ধিত, দেখ সুললিত,
কোমল তুলিত, শুইছিলা নিত এ—
কিনো বিপবীত, বিধি কবিলি বিধান॥

৫

পবব সুখত, তোব অন্তবত,
জ্বলে অবিবত, হিংসাব-জুই যত এ—
সুখ কবি নষ্ট, সুখী ভাব বিধি তয়।
ধিক তোব প্রাণে, ধিক তোব জ্ঞানে,
ধিক তোব মানে, যতেক বিধানে এ—
পবশ্রীয়ে হানে, নিতান্তে যাব হৃদয়॥

৬

সংসাব কাননে, আমি দুয়োজনে,
আনন্দিত মনে, নিঃশঙ্ক-জীবনে এ—
ফুবিছিলোঁ যেনে, হবিণ হবিণা দুই।
কেতিয়াও কাব, একো অপকাব,
নকবো এবাব, তই দুবাচাব এ—
সুখত আমাব, কেলেই জ্বালিলি জুই॥

৭

[illegible] কি লাভ লভিলি,
[illegible] কিবা সেধাবিলি।

অনাথা কবিলি, ময় অভাগিনীক কিয় ?
শূন্য হৃদি লই, থাকিলোহা ময়,
প্রাণ নিলি তয়, ভেল যেন হয় এ—
দেহ আছে বই, কেনেই তাকো নিনিয় ?

৮

সকলোরে কয়, বাবী হলু ময়,
মবিল বান্ধ'য়, পবাণে নসয় এ—
ভাবোহোঁ নির্দ্দয়, গালি দিছে যেন মোক।
হেন দুর্ব্বচন, শুনি ও শ্রবণ,
অবিশ্বাসী মন, নহয় ভগান এ—
আছয় জীবন, হবি ! সহি এত শোক ॥

ব মহন্ত,

---

# কীর্ত্তন।

আমাব দেশব কীর্ত্তন পুথী এখানি মহাবত্ন। ইয়াক শঙ্কবদেবে নানা সংস্কৃত পুথীব পবা সঙ্কলন কবিছে। কোন সময়ত এই পুথী বচনা কবে ইয়াক উলিওবা টান। শঙ্কব দেব তেঁওব জন্মভূমি বড় দোৱাত থাকোঁতেই এই পুথী তেঁও লিখে ; যি শিলত বহি আক যি শিলিখা গছত সময়ে সময়ে আউজি তেঁও কীর্ত্তন লেখে তাক আজিলৈকো বড় দোৱাত ভকত সকলে দেখাই দিয়ে। শিলিখা গছ এই পর্য্যন্তে এচলিয়া হই থকা দেখি। কছাবীব উপত্রত্ত যেতিয়া বড় দোৱাব পবা শঙ্কব দেব সপাবিবাবে পলাই যায় তেতিয়া শঙ্কব দেবে লেখা কীর্ত্তন ধবিতে পাবিবি গ'ল। আৰু আটব

পৰা আছি অকলে তেঁও ইয়াক লই যায়। এনে প্ৰবাদ আছে বোলে শঙ্কৰ দেৱৰ ৪০ বছৰ বয়সত কীৰ্ত্তন পুথীলেখা শেষ হয়। সেই হলে ১৪১১ শঁকত এই পুথী শেষ হয় কিয়নো তেওঁৰ জন্ম শঁক ১৩৭১-—ধোঁৱা ছটা বেল গুড়ীত এই পুথী শেষ হয়।

কীৰ্ত্তন আমাৰ দেশত যেনে প্ৰসিদ্ধ আন কোনো পুথী তেনে প্ৰসিদ্ধ নহয় খড়ি কটীয়াই খড়ি কাটোতে ডোমে মাছ মাৰোতে কীৰ্ত্তনৰ পদ গায়। নাম হৰিসেৱা, বিয়া, সভা, দিনৰ প্ৰসঙ্গ সকলোতে কীৰ্ত্তন পাঠ হয়। মঙ্গলচোৱাত মঙ্গলতিএ কয় "৭ আধ্যা কীৰ্ত্তন পঢ়াবা ৭ জন ভকতক বগা বাউল বগা পাছুলিৰে খুয়াবা ভাল হ'ব"। সামান্য সভা হলে কীৰ্ত্তন পাঠ হয়। যি সকলে শঙ্কৰ দেৱক গ্লানি কৰে সেই সকলেও সেই সমস্ত কাৰ্য্যত কীৰ্ত্তন পঢ়ায়। বিয়াত জন্মাষ্টমীত কি আন পৰ্ব্বত কীৰ্ত্তনৰ নাম আৰু পদ তিৰুতা বিলাকে গায়। আমাৰ মানুহৰ ধৰত থাপনাৰ প্ৰধান পুথী কীৰ্ত্তন। আমাৰ সাধাৰণ নৰ নাৰী প্ৰজাই বেদ পুৰাণ ভাগৱত প্ৰভৃতি শাস্ত্ৰৰ নামহে শুনিছে কীৰ্ত্তনকেহে বেদ পুৰাণ বুলি জানে। শঙ্কৰ দেৱৰ মুখ্য উদ্দেশ্য সাধৰণত তেঁওৰ বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ। সেই উদ্দেশ্য কীৰ্ত্তনৰ দ্বাৰাই বিশেষ ৰূপে সাধিত হইছে।

সাধু সমাজত বাট্টি আছে যে শঙ্কৰ দেৱে "দেও, নাম ভকত বা ভকতি" এই তিনিধাৰা ধৰ্ম্ম প্ৰচাৰ কৰিলে আৰু এই কাৰণেই তেঁও বৈকুণ্ঠৰ পৰা আছে। তেঁওৰ শিষ্য মাধৱ দেৱে "গুৰু" বিষয় প্ৰচাৰ কৰিলে। দুইও এই বিষয়ত কৃতকাৰ্য্য হ'ল। কীৰ্ত্তনৰ মূল পদ। তাতেই শঙ্কৰ দেৱৰ "দেৱ" বা দেৱতাৰ পৰিচয় আছে। শঙ্কৰ দেৱে

নিৰাকাৰ ব্ৰহ্মক মানিছিল কিন্তু তেঁও ব্ৰহ্মৰ অৱতাৰ স্বীকাৰ কৰিছিল আৰু তাকেই লোকক শিক্ষা দিছিল।

প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ॥

ঈশ্বৰ সকলো অৱতাৰৰ কাৰণ বুলি সিদ্ধান্ত কৰিএই সৃষ্টিকৰ্ত্তাৰ ব্ৰহ্মা বা ঈশ্বৰৰ সৃজনি শক্তিৰ বিকাশৰ কথা কই মৎস্যাদি দশ অৱতাৰৰ কথা কোৱা হইছে। দশ অৱতাৰ বৰ্ণনাৰ পাছত সনৎকুমাৰ নাৰদ প্ৰভৃতি ২৪ জন ঋষিকো অৱতাৰ ৰূপে ব্যাখ্যা কৰিছে। ঈশ্বৰে এইৰূপে অৱতাৰ হই প্ৰাণীৰ উপকাৰ চিন্তিছে বুলি কইছে। ইয়াৰ পাছত নামৰ পৰিচয় কই তাৰ অপৰাধ বৰ্ণনা কৰা হইছে। ইয়াৰ পাছত এই ঈশ্বৰে যে পাষণ্ড সকলক মৰ্দ্দন কৰে তাৰ বৰ্ণনা। আকাৰ হলেই তাৰ ৰূপ আৰু স্থান আবশ্যক সেই কাৰণে ধ্যান আৰু বৈকুণ্ঠৰ বৰ্ণনা কৰা হইছে। নিৰাকাৰ ঈশ্বৰক সাকাৰ বৰ্ণনা কৰি অজামিলৰ উপাখ্যানৰ দ্বাৰা নাজানি ঈশ্বৰৰ নাম ললেও যে মুক্তি। ইয়াক জনোৱা হইছে। ঈশ্বৰত ভক্তি কৰিলে কোনো বিপদে নপৰ্শে আৰু হাততে ঈশ্বৰক পায় প্ৰহ্লাদ চৰিত্ৰৰ এই অভিপ্ৰায়। ঈশ্বৰৰ মহিমাৰ আগৰ হৰ তুল্য যে জ্ঞানি জনো অপ্ৰভুত আৰু মুগ্ধ আৰু অতি অসহনীয় আৰু দৰ্পৰ কাৰ্য্য কৰিলে যে দৰ্পহাৰী ঈশ্বৰে দৰ্পচূড় কৰে তাৰ কথা হৰ মোহন আৰু বলিছলমত বৰ্ণিত আছে। বহু বিপদত পড়ি ঈশ্বৰক ভজিলে তেঁও যে উদ্ধাৰ কৰে গজেন্দ্ৰ মোহণত সেইটো প্ৰকাশিত হইছে। ব্ৰহ্ম যে কৃষ্ণৰূপে দৈবকীত অৱতাৰ হইছে আৰু মানুহৰ দৰে তেঁও কাৰ্য্য কৰ্ম্ম কৰিছিল আৰু তাতেই ঈশ্বৰীয় গুণ দেখাইছিল এই সমস্ত আৰু কৃষ্ণে যে

ভূমিৰ ভাৰ সংহৰণ আৰু দুষ্টকদমন কৰিছিল তাক শঙ্কৰ দেৱে দেখাইছে। পাছে কৃষ্ণৰ বৈকুণ্ঠ গমন পৰ্য্যন্ত বৰ্ণনা কৰি ব্ৰহ্মই যে কৃষ্ণ তাক দেখাইছিল সেই কৃষ্ণে যে নৱ-লোকৰ পৰা গাই দাক ৰূপ উড়িষ্যাত জগন্নাথত প্ৰকাশ হইছে তাক প্ৰকাশ কৰিছে। এইৰূপে নিৰাকাৰ ঈশ্বৰক সাকাৰ বৰ্ণনা কৰি আজি কালিৰ নৱে পাচলৈ উজুকৈ জগন্নাথ ক্ষেত্ৰত থোৱা হইছে। নানা কৌশলেৰে শঙ্কৰদেৱে ব্ৰহ্মৰ অৱতাৰ বৰ্ণনা কৰি উজু উপায় দেখুয়াই তেঁওৰ দেৱতা-নাম আৰু ভকতি-প্ৰচাৰ কৰিলে। কীৰ্ত্তনৰ ভাষা এনেৰূপে সজোৱা হইছে যে তাক বঙ্গ বেহাৰ উড়িষ্যা উত্তৰ পশ্চিমৰ অনেক ঠাইৰ লোকে বুলে। শঙ্কৰ দেৱ প্ৰকৃত পক্ষে তেঁওৰ উদ্দেশ্য সাধনত যে কৃতকাৰ্য্য হইছে ইয়াত সংশয় নাই।

---

## কামৰূপীৰ পত্ৰ।

কাকা! খঞ্জ নকৰিবি! কাকাকে বুলোঁ। তুহনা আসমীয়া। স্বৰ্গৰপে আহ্‌ছাহ। আমি বোলাত্তিতে ঢেকেৰী। ঘৰ পৰগানা কামৰূপ জিল্লাত। ইঁওতে আমাৰ কামৰূপ একুছনি সকালোদিকি ডাঙৰ আছিল। আমাৰ নাম ভাৰতৰ চাৰিও দিশি আছিল। তুহনাৰ বঙ্গপুৰ গড় গাঁও আমাৰেই আছিল। এখান যেনৱা আমাৰ নাও মুখা ৰহিছে। তেও আমি আমাৰ নামটো ৰাখি আছোঁ। আমি কামৰূপী। আমাক তুহনা ঢেকেৰী বুলি হাঁহাঁহ। সাহেৰ গিলাসানে বোলে ভাৰতৰ মানুহ গিলাক কিবা "নিটিৰ" বুলি মাতেই। আমিও তোচৰ মনত যেনৱা নিটীৰ। কাকা এই দেশত যিগলা কাকাত আছেই আৰু আছিল

সকলো তুহনা আস্‌মীয়া কেইটাবেহে। আসাম মিউস আসাম বন্ধু আসাম বিলাসিনী আসাম দর্পন আসাম মিহিব সকলেতে আসাম আমাব কামরূপব নামে নাই। সেই গিলাযিকি নহওক। কাকা! আমাব হইও দুআসাব একাসাব কথা কবি। নকাই যেধান দোষে ছুবক। "যি কবে পবক তাব মিলে ঘবত" সাঁচা। আমাক ঢেকেবী বুলি হাঁহাঁওতে তুহনীও দেখোন এখান "মিটিব" বুলি হাঁহেনি খাব্রা হলি। সিগালা নকাঁওদে।

আগে-আহামব দিনত ভাল মানুহ কুকান বড়ুয়া গাঁহাঁই সকালব গোলাম বান্ধা ভকাত আছিল। পাছে সিগালা ইংবাজব দিনত গুছিল। আবাব ডাঙ্গাব লোক সকলে নিজে এখান বন কবিখাবা লাগা পালেতিত পর্ছি। পাছে সেই সকালে আপনি বনো কর্বা নবেই ধনো নাই বড় দুঃখত পড়িছি। আমাব দেশত আন দেশব দবে ধন নাই। বিষাব্রা গিলাস্যানে বিষয় পালি মাহনু পায় তাবেই সকাল কাম চলেই পাছে এখান ইও নাই সিও নাই মাঝে মেধাম ধাম হছি। তাতেইহে কাকা! আগব ডাঙ্গাব মাহনু গিলা-সানব বড় বিপদ হছি। আগব শক গিলাসানে ডাঙ্গাব আক ধনবন্ত হবা ধর্ছি। কাকা! ইয়াব কথানো কি জানাহ? "আহামব টপলা ভিতবে ফঁকলা।" তুহনাব কুকান বড়ুয়া আনব থাকাব মাটী আক ধবেই নাই। যতি পাই ততি থাকেই। আমাব কামরূপত হলি তেনাই কথা নাই। আস্‌মীয়া ডাঙ্গেবীয়া সকালে আমি কুকান বড়ুয়া বুলি বড় ভেম মাবেই। কিন্তু কাকা! বয়া নাপবি। আমাব গাঁওতে জলঙ্গ নামে এটা ডোম আছিল। সি আজি দুবছব মান হছি এটা বলেব জলকব লগাক। পাছে সি

মবি গেল। এখান দেখোন তাব জুনো নামে ছুলিটোই জনার্দ্দন জলকব বড়ুৱা বুলি লেখেই। এটা বামুণব ছুলি শকতে বড় গাইগতি শকাত আছিল। তাক সকালে ফোকোন্দ বুলি মাৎছিল। পাছে সি দেখোন ডাঙ্গাব ছই ফুকান হ'ল। কাকা! তুহনাব এনাই বিষেই আতে আকৌ ভেম মাবাহ! তাতেহে তুহনার আপনা আপনি ফুকান, বড়ুয়া হই গাও বাখবা নবি এখান আপনা আপনি "বন্ধু" বুলি চাবিও কালে টাই মাবি ফুবাহ। এখান বোলে কিবা উনবিংশ শতিকা মিচা ভেম এডি ফেলৈ। আমাক ঢেকেৰী বুলি হাঁহ দোষ নাই। সাহাবে তনোক "নিটিপ" বুলিলৈ আক আপ্না আপ্নি বিষেই লোবা দেখ্লি আক মোব হাঁহি উঠেই।

গ, চ,

---

# আমালোক।

পাঠক! তুমি ওপবত "আমালোক" দেখি পোনে পোনেই বিশ্বাস কবিবা যে এই প্রবন্ধত আমাব দেশীয় বিলাকব কিবা কথা লেখা আছে, কিন্তু নহয়। "আমালোক" এই শব্দটীব বিষয়েহে আমি অলপ কবলৈ আগ বাঢ়িছোঁ।

"আমালোক" এই শব্দটী আজি কালি কোনো কোনো শিক্ষিত অসমীয়া ডেকাব মুখত তুমি অবশ্য শুনিছা, আমিও শুনিছোঁ। এই শব্দ আজি কালি কবা কোনো কোনো অসমীয়া কিতাপতো দেখিবলৈ পাইছোহঁক। "আমালোক" এই শব্দ আধুনিক, ই কেতিয়াও অসমীয়া শব্দ নহয়, অন্ত কি আমি যেতিয়া সব ভেটিয়া অর্থাৎ ২২।২৩ বছবব পূর্ব্বে

আসামৰ কোনো অংশৰ ভদ্ৰ বা ইতৰ মানুহৰ মুখে আমি "আমালোক" শব্দ উচ্চাৰণ কৰা শুনা নাই। এতিয়াও এই শব্দ অনেক ভদ্ৰ লোকে ব্যবহাৰ নকৰে বা কৰিব নাজানে। বোধ কৰো কোনো প্ৰাচীন অসমীয়াএ ই াক অসমীয়া শব্দ বুলি স্বীকাৰ নকৰে।

অনেকে কব পাৰে যে যেতিয়া "তুমি" "তোমালোক", "তেঁও"—"তেঁও লোক", হব পাৰে সেই স্থলত আমি—"আমালোক" হোৱাত আপিত্তি কি?" আপত্তি এই যে "তুমি"—"তোমালোক", "তেঁও"—"তেঁওলোক" ইত্যাদি আদৰ্শ দেখুৱাই "আমি" "আমালোক" কৰিব খোজা তেনে হলে "তয়—"তইঁত" "সি—সিহঁত" সূত্ৰ মতে "ময়" "মোহত" নহয় কিয়? বিশেষ তুমি আৰু "তেঁও লোক"ৰ কিন্তু অসমীয়াত "ময়" একবচন আৰু "আমি" বহুবচন, বহুবচনৰ আৰো বহুবচন কি? বঙ্গালীত "আমি" "আমৰা" যেনে অসমীয়াত "ময়" আৰু "আমি" তেনে ইয়াক কোনে নাজানে? বিশেষ "আমালোক" শব্দ পূৰ্ব্বে কেতিয়াও কোনো অসমীয়াই ব্যবহাৰ কৰা নাই সুতৰাং সি অসমীয়া শব্দ হব নোৱাৰে। এই শব্দ প্ৰথমে বঙালী মানুহৰ সংসৰ্গত থকা কোনো কোনো সামান্য মানুহৰ মুখে শুনিবলৈ পোৱা গইছিল; বোধ হয় সিহঁতে বঙালী কৰৰ হেপাহত "আমালোক" বঙালী শব্দ যেন অনুমান কৰি ব্যবহাৰ কৰিছিল, তাৰ পাছত ক্ৰমে ভদ্ৰলোকৰ ল'ৰা বিলাকৰ মাজতো চলতি হৈছে।

আমালোক শব্দ যে পূৰ্ব্বে কেতিয়াও আসামত ব্যবহাৰ নাছিল তাৰ প্ৰমাণ অনেক। প্ৰথমতঃ এই শব্দ প্ৰাচীন ভদ্ৰ ইতৰ অসমীয়াৰ মুখত শুনিবলৈ পোৱা নাযায়। এতিয়াও

"আমালোক" শব্দ যথার্থ গাঁৱলীয়া অসমীয়াৰ মুখে ওলোৱা কোনেও শুনা নাই। দ্বিতীয়তঃ বেশ্যা বা বজকৰা দোকানী পহাৰী তিৰুতাৰ বাহিৰে কোনো ভদ্র বা ইতৰ শ্রেণীৰ বুঢ়ি, ডেকেৰী, বা ছোৱালীৰ মুখে "আমালোক" বোলা কোনেও দেখা শুনা নাই। "আমালোক" শব্দ অসমীয়া শব্দ হোৱা হলে, "তোমালোক", "তেঁওলোকৰ" দৰে তিৰুতা সমাজৰ ভিতৰতো "আমালোক" শব্দ শুনিবলৈ পোৱা হল হেতেন। তৃতীয়তঃ শঙ্কৰ দেৱ বা তেঁওৰ পিছৰ কোনো অসমীয়া পুথিতো (পদ্যৰ শব্দানুবোধতো) "আমালোক" শব্দৰ ব্যবহাৰ নাই। "আমালোক" "যে নিতান্ত আধুনিক শব্দ আৰু ই যে অসমীয়া নহয় তাৰ ইও এটী প্রধান প্রমাণ নহয় নে?

ন, ন, মহন্ত

মন্তব্য। এই রূপে অনেক বিদেশীয় শব্দ আমাৰ ভাষাত সোমাইছে আৰু ন শব্দ সৃষ্টি হইছে। বিদেশীয় লোকৰ সমাগমৰ দ্বাৰা এই দেশত অনেক নন শব্দ নন কথা নন ভাব নন আচাৰ প্রবর্ত্তিবলৈ ধৰিছে। এইটী উন্নতিৰ আৰু পৰিবর্ত্তনৰ চিন। স,

---

# বিশ্বাস।

১

"বিশ্বাস" কথাটি কেনে মিথা মিথা লাগে।
কিন্তু ই কথাটি যেনে
অন্য কথাটিও তেনে
তেনে কিয় অন্তৰত সদায় 'ই' জাগে।

২

কিয় জাগো কোনে কব? কোৱা কোনো নাই
যি ৰূপে যেয়ে ভাবিব
সিযে সেই ৰূপে পাব
কিন্তু বিশ্বাসৰ অন্ত কোনেও নেপাই।

৩

বিশ্বাসেই সংসাৰৰ এক মাত্ৰ খুটি।
বিশ্বাস সবৰ মূল,
বিশ্বাসেই জাতি কুল
বিশ্বাস সকলো ধৰ্ম্ম কৰ্ম্মৰ লাখুটি।

৪

কোনো লোকে ঈশ্বৰক দেখা পোৱা নাই,
কি, কোনোৱে ঈশ্বৰক
দেখি আছি কোনোবাক
কইছেহি; এনে লোক-মুখে শুনা নাই।

৫

তথাপি অচলা ভক্তি ঈশ্বৰৰ প্ৰতি।
কেৱল বিশ্বাস কৰি
ঈশ্বৰক মনে ধৰি
কবে সেৱা সকলোৱে যাতে পাই গতি।

৬

বিশ্বাস নথকা হ'লে সকলো অসাৰ,
চন্দ্ৰ সূৰ্য্য প্ৰাণ শূন্য
নাই পাপ নাই পুণ্য
ঈশ্বৰৰ অস্তিত্বকে নকবে স্বীকাৰ।

৭

বিশ্বাস নহলে লোকে অন্য এজনক
আশঙ্কা বিহীন হই
মন-কথা ভাঙ্গি কই
নোবারে করিব শান্ত আপন মনক।

৮

যি মানুহ স স ত বিশ্বাস বিহীন,
দুখি জীব তার দরে
নাই পৃথিবী ভিতরে
তার সম জগতত নাই উপাহীন।

৯

ব্রহ্মাণ্ডর মাজে তই কি বস্তু বিশ্বাস!
তই নহলে সংসার
মিছা কেবল অসার
সংসারর প্রাণ তুমি, প্রাণর নিশ্বাস।

১০

অধর্ম্মি কি ধর্ম্মি আরু আস্তীক, নাস্তীক
তই সকলোর প্রাণে
বাস করিছ সমানে
সকলোরে ওচরত সমান আস্তিক।

১১

লোক ভেদে দেখে তোক বিভিন্ন রূপেরে
পবিত্র ধার্ম্মিক জনে
পূজাকরে তোক মনে
রসিকে কটাক্ষ করে প্রেমর চক্ষুরে।

১২

কাৰো প্ৰতি কিন্তু নিদাৰুণ নোহ তয়
যিয়ে যি ভাৱেৰে চায়
সিয়ে সেই ভাৱে পায়
কেতিয়াও কোনো লোক বিফল নহয়।

১৩

বিশ্বাস! কত যে তোৰ মহিমা অপাৰ
সংসাৰত নেপাই কোনেও তোৰ পাৰ
তই নৰকৰ ৰথ
তই পুনৰ স্বৰ্গ পথ
তয়ে ব্ৰহ্মাণ্ডৰ মাজে সত্যৰ সাকাৰ
বিশ্বাস তয়ে যে ঘুৰি প্ৰণয় আধাৰ।

১৪

ভাবি আশা ভাবিময় তোৰ মুখ চাঁও
ময় যাৰ সি আমাৰ
এই কথা কৰি সাৰ
বিশ্বাস তোতেই ময় বিশ্বৰূপ পাও।

হে,

---

## সমাজিক।

নৰ জাতিৰ জীবন মানসিক সম্বন্ধে দুটি অবস্থাত অভিবাহিত হয়। প্ৰত্যেক মানুহেই দিনৰ ভাগত কাম কাজ কৰি আপোনাৰ জীবিকা উপাৰ্জ্জন আৰু আনৰ উপকাৰ সাধন কৰিবলৈ পুৰুষাৰ্থ কৰে। নিশা হলে সকলোকে পৰি-হৰি চিন্তা ভাবনা বিসৰ্জ্জন দি বিশ্ৰামৰ নিমিত্তে নিদ্ৰা দেবীৰ

কোমল কোলাত আশ্রয় লয়। জগতত এনে কোনো মানুহ নাই যি শয়ন আৰু জাগৰণ এই দুই অবস্থাৰ তত্ত্ব নেপায়। কিন্তু শয়ন অবস্থাত আৰু এটি অবস্থাৰ অবস্থিতি আছে। তাক স্বপ্নাবস্থা বোলা যায়। এই অবস্থাৰ লক্ষণো সকলোএ ভালকৈ জানে। সকলো মানুহেই এদিন স্বপ্ন দেখিছে, এদিন স্বপ্নৰ সুখ ভোগ কৰিছে। এই অবস্থা অতি অপূৰ্ব্ব আৰু অনিৰ্ব্বচনীয়। তাৰ গুণত মাগি খোৱা মগনীয়াই ও বত্নৰ শিংহাসনত উঠি লোকৰ ওপৰত হুকুম চলাবলৈ পায়, আৰু সপ্তদ্বীপা পৃথিবীৰ অধিপতিএও মগনীয়াৰ নিচিনাকৈ দুৱাৰে দুৱাৰে মাগি পেট পুহিবলৈ পায়।

সপনো ধৰ আচৰিত বস্তু। তাৰ কুহকত পৰি মানুহে কি নকৰে কি নেদেখে আৰু কি নেপায়? দুখীয়া দৰিদ্ৰৰ ধৰত সোনৰ ভঁড়াল হই পড়ে। অপুত্ৰকৰ ধৰত জগত মোহন সৰ্ব্বগুণে অলঙ্কৃত পুত্ৰ হয়। আৰু কোনোএ বা পৰম আদৰ ধনকো হেকয়াই মুৰে কপালে হাত দি কান্দিবলৈ পায়। এই বহুৰূপী স্বপ্নৰ গতি বড় কুটিল আৰু লক্ষণো বড় জটিল, বেগতে তত ধৰিব মোৱাৰি। কেতিয়াবা দেখা যায় যে বিহুকে বউকে ভাবি থকা যায় তাকে সপোনত দেখো। ইয়াৰ পৰা সিদ্ধান্ত কৰি থোৱা যায় যে অতি ভাবনাই সমাজিকৰ কাৰণ। কিন্তু কেই দিন মানৰ পিছত আকৌ সেই সিদ্ধান্ত অমূলক হই পড়ে। যি মানুহৰ লগত এদিন মাথোন দেখা হইছিল, যি মানুহৰ লগত এবাৰ মাথোন কথা হইছিল, যি মানুহক আজি পাঁচ বা দশ বছৰ দেখা নাই ভৰা নাই চিন্তা নাই, আজি সেই মানুহে সমাজিকত আহি ওলাব, কত কথা কব, কত মিতিৰালী দেখুৱাব আৰু কত লীলা খেলা কৰিব। এই বোৰ দেখি আগেএ কবি খোৱা

সিদ্ধান্তটোক দলিয়াই পেলোৱা যায় আৰু মনৈ এটা কৰিবলৈ যত্নশীল হওঁ।

কিন্তু স্বপ্ন বহুকণীৰ কামত এনেহে পকা যে বাতিটোৰ ভিতৰত সাত কলপ মলাই এবাৰ সন্ন্যাসী এবাৰ বৈৰাগী, এবাৰ তাঁতী এবাৰ মুচি, আৰু এবাৰ বা খড়ি ভাৰী হই দৰ্শন দিয়েহি, তেও মানুহৰ ভেলেকি লগা চকুৰে চিনি ধৰিবই নোৱাৰি। যি যিহকে দেখুয়াই তাকে বিশ্বাস কৰে, বিহকে কয় তাকে সঁচানে মিচা বিচাৰি চাবলৈ নোলায়। আন কি বিচাৰি চাবৰ যে ক্ষমতা আছে তাৰো জ্ঞান নাথাকে। কেৱল ইন্দ্রিয় শালী সজীৰ পুতলাৰ নিচিনা চাই মাথোন থাকে।

ইয়াৰ কাৰনেই টোপনিৰ এটা ঘাই লক্ষণ। চকু মুদি নিটল মাৰি, নৰলানচবাকৈ হাত ভৰি মেলি পাটিত পৰি থকাৰ নামেই টোপনি নহয়। তাৰ আৰু কেইটা মান আন্তৰিক লক্ষণ আছে। টোপনিত মানুহৰ শাৰীৰিক মন্ত্রযোৰ সিথিল হয় আৰু তেজৰ গতিও মৃদু হই পড়ে কেৱল নিশ্বাস মাথোন ঘৰিৰ নিচিনা সমানে চলি থাকে। ইয়াত বাজে টোপনিৰ আৰু এটা লক্ষণ আছে, সেইটো তাৰ ঘাই লক্ষণ। নিদ্রাৱস্থাত মানুহৰ ইচ্ছা শক্তিৰ লোপ হয়, অর্থাৎ স্বাধীনত্বৰ জ্ঞান নাথাকে। সেই ইচ্ছা শক্তিৰ আকৌ আবির্ভাৱ হলেই মানুহে টোপনিৰ পৰা সাৰ পায়। কিন্তু টোপনিত ইন্দ্রিয় বোৰৰ অর্থাৎ নাক কাণ আদিৰ আপোন আপোন কাম কৰিবৰ ক্ষমতা নাথাকে। ইয়াৰ পৰা কোনো লোকে ভাবিব পাৰে যে ইও এটা টোপনিৰ লক্ষণ। কিন্তু সেইটো ভুল। ঐন্দ্রিক শিথিলতা টোপনিৰ লক্ষণ নহয়। কিৰনো টোপনিতো মানুহে কেতিয়াবা শব্দ শুনে আৰু কথা

আদি গন্ধযুক্ত বস্তুৰ গোন্ধ পায়। অথচ ইফালে চকু মুদি থাকে আৰু মাতিলে মাতো লগাৰ নোৱাৰে। যেতিয়া আমাৰ ঘোৰ টোপনি আহে তেতিয়া হে ইন্দ্রিয় বোৰৰ শিথিলতা জন্মে, পাতল টোপনিত সিহঁতে সিহঁতৰ কাম কৰিব পাৰে। সমাজিকো এই অৱস্থাত অর্থাৎ পাতল টোপনিতহে দেখা যায়। সুসুপ্তি অৱস্থা বা দোৰোঁৰ নিদ্রাত সপোনৰ উৎপত্তি হব নোৱাৰে।

আগেএ কই অহা গইছে যে টোপনিত মানুহৰ ইচ্ছা শক্তি লোপ হয়। সপোনতো সেই শক্তি লোপ হইয়েই থাকে। সেই দেখিছে মানুহে অমূলক কথাকে বিশ্বাস কৰি ভয় খায় আৰু মিচা কথাকো সঁচা বুলি দুখ শোক পৰিতাপ আদিৰ অধীন হয়। এজন মানুহে সপোনত দেখিছিল, যে কোনোবাই হেনো তাক জ্বলা জুহৰ কুণ্ডত পেলাই দিৰ খুজিছে। ইয়াকে শুনি তাৰ মনত মহা ভয়ৰ উৎপত্তি হল; ধুমুহা বতাহত কল গছৰ নিচিনা, তাৰ বুকু ঢক্ ঢক্ কৈ কঁপিবলৈ ধৰিলে, মুখ শুকাই কড়াই যেন হল; গাৰ তেজ শিথিল হল; পেটত ভোক পিয়াহ নাইকিয়াত পৰিল। এই দৰে উৎকট ভয়ৰ এটাই বোৰ লক্ষণ দেখা দিলে। কিন্তু সেই মানুহ জনে এবাৰো ভাবি নেচালে যে সি সেই ঠাইৰ পৰা পলাই গই বা বজাৰ সহায় লই নির্ভয়ে থাকিব পাৰে। এই বোৰ কথা তাৰ মনত নপড়ে আৰু পড়িবও নোৱাৰে। কিয়নো এই বোৰৰ লগত বিচাৰ শক্তিৰ বিশেষ সম্বন্ধ আছে ইফালে আকৌ বিচাৰ শক্তিৰ লগত ইচ্ছা শক্তিৰ যোগ। কিন্তু ইচ্ছা শক্তি তেতিয়া লোপ হই আছে, সেই অৱস্থাত তাৰ অস্তিত্ব নাথাকে। এতেকে মানুহ জনে মিচা কথায় নিমিষেই মহা ভয়ৰ বশীভূত হই অতি কষ্ট ভোগ কৰিলে।

সমাজিক যে কেৱল আন্তৰিক কাৰণৰ বশৱৰ্ত্তী এনে কথা নহয়, বাহিৰৰ বস্তুৰ লগতো তাৰ ঘন সম্বন্ধ আছে। কেতিয়াবা দেখা যায় যে বাহিৰৰ বস্তুএও সপোনত দেখা বস্তুৰ লগত যোগ হই সপোনৰ গতি আন ফাললৈ টানি নীয়ে। এজনে সমাজিকত দেখিছিল যে সি হেনো এখান খুতৰিয়া শাকনিত সোমাই আছে। এনেতে ইফালে বাঁহত পাৰ পোৱালিএ মাতিছে। সেই মাত মানুহ জনে শুনিলে। কিন্তু তাৰ মনত তেতিয়া সি পাৰ পোৱালিৰ মাত যেন লালাগিল, শাকনিত সাপৰ পোৱালিয়ে মাত লগাইছে বুলিহে লৰালৰি কৈ তাৰ পৰা ওলাই আহি মুকলিত থিয় হল। ওপৰত কই অহা হইছে যে পাতল টোপনিত হে মানুহে সপোন দেখে, আৰু পাতল টোপনিত মানুহৰ ইন্দ্ৰিয় বোৰে সিহঁতৰ কাম কৰিব পাৰে। সেই দেখি যদিও মানুহ জন টোপনিত পৰি আছিল, তেও তাৰ কানে পাৰ পোৱালিৰ মাত শুনিবলৈ পালে। শ্ৰৱণ কাৰ্য্যত একো বাধা নজন্মিল। এই দৰে বাহিৰৰ বস্তুএ সপোনৰ ওপৰত কিছু কিছু ক্ষমতা চলায়। কোনো মানুহে জ্বৰ উঠা অৱস্থাত যদি সমাজিক দেখে তেন্তে সি সকলো বস্তুকে তপত যেন পাব। তপত বালিত ফুৰিব পাব; তপত বতাহ গাত লাগিব; তপত বস্তু খাব পাব; আৰু বিছতে হাত দিয়ে সেইএই য ষ কৈ তপত লাগিব।

মানুহৰ গভীৰ আৰু পাতল টোপনি চিনিব পাৰিলে তাক সপোন দেখুউৱাত একো টান নহয়। যেতিয়া সি পাতল টোপনিত পৰি থাকে তেতিয়া গই লাহে লাহে কানত কথা কলে যদি সেই শব্দত তাৰ টোপনি ভাঙে, তেন্তে সি কানত কোৱা কথা বোৰ সপোনত দেখা যেন

পাব। কিম্বা গাত চেঁচা পানী লগাই দিলে, যদি পানীব শীতলতাব নিমিত্ত সাব নেপায় তেমেহলে সি ক'ৰবাব নহত পাৰি সাঁতোৱা বা গা ধোৱা বুলি সপোন দেখিব। পাটিব ওচৰব বেৰত ভুকু বা মাৰ মাৰিলে সেই পাটিত শুই থকা মানুহে ভয়সঙ্কুল সপোন দেখিব। আন কি সমাজিকব ভয়কে সঁচা বুলি উঠি লৰ মৰাতো আটক নাই। এই দেখি বেজ বিলাকে কৈতিয়াবা ন'বিয়াক সপোনব কথা সোধে। ন'বিয়াই কেনেকুৱা সমাজিক দেখে, পানীত পড়ে নে বতাহত পড়ে এই বোৰ জানিবলৈ চেষ্টা কৰে। কিয়নো ইয়াব পৰা সেই মানুহ টোৰ কিহৰ নিমিত্তে বা কিহৰ আধিক্যত ন'বিয়া হইছে কিছু কিছু জানিব পাৰি। যদি সি সমাজিকত সদাই পানীকেহে দেখে তেন্তে তাৰ জলৰ দোষত ন'বিয়া হব পাৰে, যদি প্ৰায় বতাহহে দেখে তেন্তে বায়ুৰ দোষত বোগ হইছে বুলি জানিব পাৰি। কিন্তু এই কথা যে সদাই সঁচা এনে নহয়। মাজে মাজে মিমিলিবও পাৰে। কিয়নো সপোন সদাই বাহ্যিক কাৰণৰ বশবৰ্ত্তী নহয়।

সমাজিকত কেতিয়াও আগেএ এদিনো নেদেখা নুশুনা বস্তু দেখা পোৱা নাযায়। আমি যি যি বস্তু সপোনত দেখোঁ তাক এদিন কেতিয়াবা দেখিছিলোঁ বা তাৰ কথা শুনিছিলো। কেতিয়াও নেদেখা মানুহক সমাজিকত দেখা নাযায় যাক দেখোঁ সি চিনাকি নহলেও, এদিন কৰবাত তাক দেখিছিলোঁ বা তাৰ কথা আনৰ মুখে শুনিছিলো। কিন্তু ইয়াতে কব পাৰি যে সময়ে সময়ে আমি পূৰ্ব্বে নেদেখা চাঁই, কেতিয়াও নেদেখা বস্তু সমাজিকত দেখোঁ। এই কথা সঁচা, কিন্তু সেই যে নেদেখা বস্তু প্ৰকৃতে নেদেখা বস্তু নহয়। তাৰ গোটেইটো একেবাৰে নেদেখিলেও অংশৰূপে তাক

আগেএ অবশ্য দেখা পাইছিলোঁ। আমি সপোনত এটা ছাগ মুৰীয়া মানুহ দেখিব পাৰোঁ। এই ছাগমুৰীয়া মানুহ আগেএ কেতিয়াও দেখা নাই। কিন্তু আমি ছাগলি আৰু মানুহ পৃথক্ পৃথক্ কৈ দেখিছোঁ, আৰু ছাগমুৰীয়া মানুহটো দেখিবলৈ কেনেকুয়া হব মনে মনে ভাবি লবও পাৰোঁ।

এই প্রসঙ্গত আৰু এটা কথাৰ উল্লেখ নকৰাকৈ শেষ কৰিব নোৱাৰি। পৃথিবীত আমাৰ নিচিনা অনেক জীৱ জন্তু আছে। সিহঁতৰো, আমাৰ নিচিনা সকলো জান্তব প্রবৃত্তি আছে। আমাৰ নিচিনা সিহঁতৰো কাম ক্রোধ লোভ মোহাদি সকলো আছে। পিছে সিহঁতে আমাৰ দৰে স্বপ্নৰ সুখ দুঃখ ভোগ কৰিব পায় নে নেপায় তাকে বিচাৰি চাব লাগিব। সিহঁতৰ জীয়ৰো যে শয়ন জাগৰণ এই দুই অবস্থাৰ অধীন তাত একো সন্দেহ নাই। কিন্তু সপোন দেখে নেদেখে তাক বিচাৰ কৰি উলিয়াব লাগিব।

প্রথমে দেখা যায় যে পশু পক্ষীৰ লগত আমাৰ কিছু পৰিমাণে সম্বন্ধ আছে। কিন্তু সেই সম্বন্ধ আকাৰে নিচেই সৰু। সকলো বিষয়তে আমি সিহঁতৰ নিচিনা নহওঁ। সিহঁতে কোনো এটা কথা ভাল নে বেয়া গমি চাব নোৱাৰে, কেবল লোভ মোহাদি মানসিক আৰু ভোক পিয়াহ আদি শাৰীৰিক প্রবৃত্তিএ যেনিএই নিয়ে তেনিএই লৰি ফুৰে।

কোনো এজনী ছাগলিএ ভোকত আগত চাউলৰ খৰাহি দেখিবলৈ পালে কান মুৰ খিয় কৈ তাৰ খেদা মাৰিব, আৰু যদি মানুহে খেদি নিদিয়ে তেন্তে গিৰিহঁতৰ মুৰত টাঙন মাৰি এটিও নোহোৱাকৈ চাউল খৰাহি গৰ্ভসাৎ কৰিব। কিন্তু মানুহ তেনেকুয়া নহয়। তাৰ ভোক লাগিলেও সি ভাতৰ কাঁহি ইজা কৰিলে গোড় মাৰি পেলাব পাৰে, লোভ লাগি-

লেও লোভৰ বস্তু গ্ৰহণ নকৰা কৈ থাকিব পাৰে। ইয়াৰ কাৰণ এই যে আমাৰ ইচ্ছা শক্তি আছে পশু পক্ষীৰ নাই। আমাৰ বিবেক আছে, সিহঁতৰ নাই। ইচ্ছা শক্তি যাৰ নাই তাৰ বিবেচনা থাকিব নোৱাৰে। কিয়নো মানুহে ইচ্ছা কৰিহে বিবেক শক্তিক চলাই। আগেএ দেখা গৈছে যে স্বপ্নাবস্থাত ইচ্ছা শক্তিৰ লোপ হয়। এতেকে পশু পক্ষী আদি কৰি প্ৰাণী বোৰৰ স্বপ্নাবস্থা আৰু জাগ্ৰতাবস্থা একে অৰ্থাৎ আমাৰ স্বপ্নাবস্থা আৰু সিহঁতৰ জাগ্ৰতাবস্থাৰ ভিতৰত অলপহে ভিন আছে, স্বপ্নাবস্থাত আমি চকু মুদি লৰিব নোৱাৰা হই থাকো, সিহঁতে জানিবা চকু মেলি লৰি ফুৰিব পাৰে। আমাৰ জাগৰণ আৰু সিহঁতৰ জাগৰণ একে নহয়। সিহঁতৰ জাগৰণ কেবল সপোন দেখা মাথোন। জাগৰণৰ প্ৰধান লক্ষণ আপোনাৰ অস্তিত্বৰ জ্ঞান থকা। পশু পক্ষীৰ নিজৰ অস্তিত্বৰ জ্ঞান নাই। এই বোৰ কাৰণৰ নিমিত্তে পশু পক্ষীএ টোপনিত সপোন দেখা কথা মিচা। কিয়নো সপোন আৰু জাগৰণ পশু পক্ষীৰ পক্ষে এক কথা।

আৰু এটি কথা কই এই প্ৰসঙ্গ শেষ কৰা যাব। সুশিক্ষিত মানুহৰ ভিতৰতো কিছুমানে সপোন মাজে মাজে ফলে বুলি বিশ্বাস কৰে। এই বিশ্বাস যে ভেঁও লোকৰ কিয় হয় তাক আমি ভাবি নেপাওঁ। যদিও কেতিয়াবা ঘটনা ক্ৰমে কোনোটো সপোন মিলে তেও সপোনটোক সঁচা বা সফল বুলি ধৰা অনুচিত। কিয়নো স্বপ্নৰ সফলতা কেবল আকস্মিক ঘটনাৰ বশবৰ্ত্তী। কোনো দেৱতাই বা ঈশ্বৰে আহি কাইলৈ বা দুমাহ পিছে হব লগা কথাটো আমাক সপোনত দেখুৱাই নিদিয়ে।

এই বিষয়ে আমি আজি বহুত কথা নকও। যেতিয়া

সমাজিকৰ উৎপত্তি আলোচনা কৰিম তেতিয়া সপোনৰ সফলতা আৰু নিষ্ফলতাৰ বিচাৰ কৰা হব। স, ব,

---

# ঘৈনীৰ কৰ্ত্তব্য ও স্ত্রী শিক্ষা।

( ২৫২ পৃষ্ঠাৰ পৰা )

আথৰ চিনাই "হৰমোহন" "ৰাসক্রীড়া" "বস্ত্র-হৰণ" "বিদ্যা-সুন্দৰ" পঢ়িবলৈ এড়ি দিয়া বোৱাৰী বা জিয়াৰী কিমান সচ্চৰিত্রা হয় তাক গমি চাবই পাবি। মাকৰ ঘৰত জিয়াৰীএ যিখিনি শিকি যায়, গিৰিএকৰ ঘৰ পালে, স্বামীএ সেই খিনি শিক্ষাক বিস্তৃত কৰি তুলিব লাগে। মিজনা বোৱাৰীৰে এই দুইওটি শিক্ষা লাভ, তেওঁএই মানবী হইও দেবী —গৃহস্থৰ লক্ষ্মীস্বরূপা, জীৱৰ ভক্তি-পাত্রী। যি পুৰুষেই এনে স্ত্রী-ৰত্নৰ অধিকাৰী হয় সংসাৰৰ ভিতৰত তেওঁ এই ভাগ্যৱান, তেওঁএই অমোঘ পুণ্যৰে পুণ্যৱান।

এজন ইংৰাজ কবিএ মনুষ্য-জীৱনৰ সুখক উদ্দেশ কৰি কইছে "গুণৱতী স্ত্রীলাভেই সংসাৰৰ ভিতৰত প্রধানতম সুখ, তাৰ বিপৰীতেই মনুষ্য-জীৱনৰ চৰম বিপদ।"

এতিয়াৰ ছোৱালীয়ে লেখা পঢ়া শিকে—নজনাক চিনাই কথা নকৰলৈ —ডেকাৰ লগত বহস্যালাপ বা হাস্য বিনিময় কৰিবলৈ। এই বিলাক মিছা নহয়, প্রত্যক্ষ প্রমাণ—এৰিঙ্গ বা একতৰফা শিক্ষাৰ বা মুকলি মুৰীয়া কৰি পঢ়ুৱাৰ ফল। আমি লাহে-লাহে এই সম্পর্কে আৰু বহুত লেখিম —আমাৰ মনৰ কথা আজিলৈকে সম্পূর্ণ ৰূপে ব্যক্ত হোৱা নাই।

ৰ মহন্ত

---

# সমালোচনা।

( ২৮২ পৃষ্ঠাৰ পৰা )

"ধাত্রীশিক্ষা"—কামৰূপৰ সুবিখ্যাত শ্রীযুত গোবিন্দ-ৰাম চৌধুৰীএ পদ্যছন্দত ধাত্রীশিক্ষা পুথী এখনি ছপাই প্রকাশ কৰিছে। ইয়াৰ ভাষা অতি সৰল আৰু শীঘ্রে তাক বুজিব পাৰি। তিকতাৰ গর্ভধাৰণৰ পৰা প্রসব পর্য্যন্ত সকলো অৱস্থাৰ বিবৰণ, ৰোগৰ ঔষধ উপায় সুললিতৰূপে লিখা হইছে। আমাৰ দেশৰ তিকতা বিলাকৰ অনেকেই ৰামায়ণ মহাভাৰত প্রভৃতি পদ পুথী আৰু নাম গুণ অনেক কণ্ঠস্থ কৰে আৰু সময়ে সময়ে তাক গায়। এই পুথীও যদি সেই ৰূপে তিকতা সকলে কণ্ঠস্থ কৰি সময়ে সময়ে ব্যৱহাৰ কৰে বড় উপকাৰ হয়। পুৰুষ সকলেও ইয়াৰ সমুদায় বিবৰণ আৰু উপদেশ জানিলে বড় ভাল।

আ, ব,

---

# সাঁথৰ।

১। চিৎপখিলা। তিনিমুৰ, দহঠেঙ্গ ক'ত দেখিলা।

২। এজেনাতে ছেজেনা। একে জোপাগছতে মাছ, কপাহ, বেজেনা।

৩। চল বুলিলে নচলে, নচলালেও চলিযাই। ডোমে বান্ধিলে বাঘুনেও খাই।

৪। উপাজি বক্তবর্ণ থাকে দিনাচাবি। অমুদিনে হোৱে সিতো শিবে জটা ভাবী। দেৱৰাজ মুহি তাৰ সহস্র লোচন। শেষ কালে হয় সিতো ৰবিত্রা ৰবণ॥

৫। বিধিনিৰ বিচিত্ৰ তাৰ বাপ মাৰ। উপজিয়েই ডালত ধৰে তাৰ নাই হাত পাৱ। যাদুচন্দ্ৰে কথা কয় কথাৰ নিৰ্ণয়। দুই বুঢ়া লগ লন্সে প্ৰাণৰ সংশয়।

৬। তপস্বী নহয় মুৰত জট। ক্ষত্ৰিয় নহয় যুদ্ধত শকত। পাৱত অস্ত্ৰলই যুজে। ভূতভবিষ্যত সকলোকে বুজে॥

৭। মুখ তুৰঙ্গম হস্তিৰ স্কন্ধ। কচ্ছপৰ আকৃতি সৰ্পৰ বন্ধ। পাৱত খড়্গ, মাথাত দুই তন্ত্ৰ। লোক সবে বুজি চোৱা ই কোন জন্তু।

৮। হাত নাই ভৰি নাই নাহিকে চেতন। এক গোটা চক্ষু তাৰ পিঠিত বদন। পৰৰ হস্তে খাই। চতুৰ্দ্দিশে যাই।

৯। ভো কৰে ভোমোৰাও নহয়। ঘুলীত পৰে মহো নহয়। পানীত থাকে মাছো নহয়। কৰতেৰে কাটে গছো নহয়। ল, বে, ৰ,

---

## আখৰুৱা সাঁথৰ।

১। ময় ভাৰতবৰ্ষৰ প্ৰধান নগৰ। মোৰ প্ৰথম আৰু তৃতীয় পিতামহ, প্ৰথম আৰু দ্বিতীয় যুগ বিশেষ, প্ৰথম দ্বিতীয় আৰু চতুৰ্থ জাতি বিশেষ, তৃতীয় আৰু দ্বিতীয় আজিৰ পূৰ্ব্ব দিন। তৃতীয় আৰু প্ৰথম পক্ষী বিশেষ। ময় কোন?

২। ময় অসম দেশৰ এখান নগৰ। মোক দোডোখৰ কৰা। এডোখৰ কৈলাসত এডোখৰ সমুদ্ৰত পাৰা।

৩। ময় অযোধ্যাৰ ৰজা। মোক সমানে কাটা, এডোখৰেই দহ, সিডোখৰ আগৰ কালৰ গাড়ী।

৪। ময় আসামৰ এজন বিখ্যাত লোক। মোক সমাজে দোভোখৰ কৰা। এভোখৰ সোণ এভোখৰ মিশাপতি।

৫। ময় এখান অসমীয়া পত্ৰ। মোৰ প্ৰথম আৰু তৃতীয় সুমিষ্ট ফল মোৰ চতুৰ্থ আৰু পঞ্চম মহামিত্ৰ। মোৰ দ্বিতীয় আৰু তৃতীয় এখান বেদ। ময় কোন? হ, নাশ।

---

# কিয় প্রভু সৃজিলাহা ময় মহা মূঢ়ক!

১

কত কষ্ট পালা প্রভু! অধমৰ কাৰণ,
কত কষ্টে দেহ সৃজি সমৰ্পিলা জীৱন,
সৃজনৰ দুঃখ ঘোৰ
ইমানে নহয় ওৰ
আছাৰো যোগোৱা নিত্যে ই অসাৰ জীৱক,
কিয় প্রভু সৃজিলাহা ময় মহা মূঢ়ক?

২

জন্মালা সুখীয়া কৰি, আলৌলৌৱা শৰীৰ
দুঃখ সহা কাৰ্য্য দেখিলেই প্ৰাণ অস্থিৰ!
প্রভু! কত কষ্ট কৰি,
নিতান্তে যোগান ধৰি
অধমৰ মনমত চলাইছা জীৱক,
কিয় প্রভু সৃজিলাহা ময় মহা মূঢ়ক?

৩

দুৰ্ঘোৰ যন্ত্ৰণাগাৰ জননীৰ গৰ্ভত,
কত কষ্টে স্থান দিলা-ৰাখিছিলা সততে,

প্রভু! কত সাবধানে,
কষ্ট পাওঁ বুলি প্রাণে,
কত কাবিকবি কবি সাজিছিলা গর্ভক,
কিয় প্রভু সৃজিলাহা ময় মহা মূঢ়ক?

৪

নতুবা—ঈশ্বব তুমি; কিবা কষ্ট তোমাব;
কার্য্যই সৃজিবা আৰু কবিবাহা সংহাব,
কিন্তু এই সংসাবত
সৃজা, নাশা প্রাণী যত,
উদ্দেশ্য অবশ্য আছে—অভিপ্রায়ো সার্থক
কিন্তু কিয় সৃজিলাহা ময় মহা মূঢ়ক?

৫

নলভিলোঁ বিদ্যা ধন, নলভিলোঁ সুজ্ঞান,
নিচিনিলোঁ সতজন—হ'ল জড় সমান
লভিলো জনম ধিক!
কষ্ট দিলো নির্দ্দোষীক—
মাতৃব যৌবন গ'ল, কষ্ট পালে জনক
কিয় প্রভু সৃজিলাহা ময় মহা মূঢ়ক?

৬

মাতৃব যৌবন-বন * ভাঙ্গি কিয় অধম
পিতৃব শকতি নাশি লভিলোহোঁ জনম?
তদুপবি ল'বাকালে
প্রাণে কত কষ্ট পালে
অভাগাব নিমিত্তেই দুয়োজনে কতক,
কিয় প্রভু জন্ম দিলা ময় মহা মূঢ়ক?

* "মাতুর্যৌবনবনচ্ছেদে কুঠারো বয়ম্"—উদ্ভট।

৭

ইমান কষ্টৰ কিবা দিলোঁ গুৰু-দক্ষিণা ?
দেখিছোহো সৰ্ব্বদাই মাতৃ দেবী মলিনা,
( পিন্ধুতো সাৰিছে হাত )
নাহিকে শকতি গাত !
কিয় হেন বিড়ম্বনা কোৱা বিশ্ব-জনক !
কোৱা কিয় জন্ম দিলা ময় মহা মূঢ়ক ?

৮

ধাৰণ কৰিলো প্ৰাণ প্ৰভু বিশ্ব-পালক !
যত্নেৰে বঢ়ালো হয় মিছা, ঘোৰ পাতক
আচৰিলোঁ নিশা-দিবা,
নেজানিলোঁ ধৰ্ম্ম কিবা,
কাম আদি বিপু সবে প্ৰাণ অন্তকাৰক,
মোহত পেলাই থলে জীৱনৰ সাৰক !
কিয় প্ৰভু সৃজিলাহা ময় মহা মূঢ়ক ?

৯

অৰ্থ আৰ্জ্জি সোৱাবিলোঁ লভিবাক সম্মান
জানা প্ৰভু ! অৰ্থহীন অনৰ্থক পৰাণ !
তৃণৰ সমানো হায়
নিৰ্ধনৰ মূল্য নাই।
হাঁয়, পৰাধীনো তাতে—পিঞ্জৰৰ চাতক !
কিয় প্ৰভু সৃজিলাহা ময় মহা মূঢ়ক ?

১০

মনৰ কথাটি ক'ম, তাতো পৰে বাধক,
চাঞ্চল্য কাপটি লয়, তাতো প্ৰতিবন্ধক,

হেন পরাধীন করি
কিয়নো সৃজিলা হরি!
সৃজিলা বা—কিয় দিলা "মাখী-মারা" পদক
কিয় প্রভু সৃজিলাহা ময় মহা-মূঢ়ক?

১১

সৃজিলা—সুন্দর কথা, সারবান নকরি,
অসার নিস্তেজ করি দিলা কিনো সুরঁরি?
তুমি জগত ঈশ্বর,
পীড়িছা দুর্ব্বল নর!
সিংহ পশুরাজ—পীড়ে বলহীন শশক!
কিয় প্রভু সৃজিলাহা ময় মহা মূঢ়ক?

১২

কাকুতি করিয়া এবে প্রার্থিছো হে ঈশ্বর!
ইমানতে লীলা-খেলা সামরা ই জীবর,
পৃথিবীর যিবা ঠাই,
মোর দ্বারা পূর যায়,
সাকল্য জীবনে কিবা পুরাই সি স্থলক,
কিয় প্রভু সৃজিলাহা ময় মহা মূঢ়ক? ব, ম,

---

# আসাম-বন্ধু।

মাসিক পত্র।

"নচ জ্ঞানাৎ পবং বলম্।"

প্রথম খণ্ড। ] কার্ত্তিক শক ১৮০৭, ইংবাজী ১৮৮৫। [ দশম সংখ্যা।


## আগৰ দিন এতিয়াৰ দিন।

### সপ্তম অধ্যায়।

### ধর্ম্ম বাজ্য—মহন্ত।

আমি ওপবত সাংসাবিক বাজ্যব বিষয় আৰু বিষয়াব কথা মাত্র কইছোঁ। এই সমস্ত বিষয় আৰু বিষয়াব বাজে আমাব দেশত ধর্ম্মপ্রচাব আৰু নীতিশাসনব কেতবোব বিষয়া আছিল আৰু এতিয়াও আছে। সেই সকলব সাধাবণ নাম মহন্ত, মহাজন বা গোসাঁই। বৈষয়িক বাজ্য আৰু ধর্ম্ম বাজ্যব কার্য্য সমানে দেশত চলিছিল। অতি পূর্ব্বত আমাব দেশত অনেক ধর্ম্মবিপ্লব হইছিল। শকাব্দ পবিমাণে চতুর্দ্দশ শতাব্দী আৰু পঞ্চদশ শতাব্দীত এই ধর্ম্মবিপ্লব বড় টান হয়। চতুর্দ্দশ শতাব্দীব শেষার্দ্ধভাগত শঙ্কব দেব জন্মে। তেঁও তেঁওব প্রিয় শিষ্য মাধবদেৱ আৰু আন কেই

জন মানব লগত উজনীত বৈষ্ণব ধর্ম্ম প্রচাব কবিবলৈ ধবে। সেই সময়ত আহোম বজা অভকতীয়া আছিল, প্রজাবো অধিকাংশই সেইরূপ অভকতীয়া আছিল। উজনীব পবা শঙ্কব দেব সশিষ্যে কামরূপলৈ গ'ল। তাত আক অনেক শিষ্য হ'ল। সেই সকলে সেই কামরূপ আক পাছে কোছ বেহাবত বৈষ্ণব ধর্ম্ম প্রচাব কবিলে। সেই সময়তে দেব দামোদব, হবিদেব আক দেব গোপাল বা বংশী গোপাল নামে আক কেইজনমান লোকেও বৈষ্ণব ধর্ম্ম প্রচাব কবিছিল। শঙ্কব দেব আক মাধব দেবে তেঁও বিলাকব ধর্ম্মজ্ঞ আক নীতিজ্ঞ কোনো কোনো শিষ্যক ধর্ম্ম প্রচাব কবিবলৈ দেশব নানা ঠাইলৈ পঠায়। তাব কেত বিলাকে যি যি ঠাইত মাধব দেব প্রভৃতি ধর্ম্মাচার্য্য সকলে প্রথমে ধর্ম্ম প্রচাব কবিলে সেই ঠাইত আক কোনো জনে বা আন কোনো প্রান্ত বা মধ্যস্থানত ধর্ম্ম প্রচাব কবিলে। এই সমস্ত প্রেবিত আক প্রতিষ্ঠিত ধর্ম্মাচার্য্যে আক মূল ধর্ম্মাচার্য্য সকলে যতে বসতি কবি ধর্ম্ম প্রকাশ কবিলে তাকে সত্র বোলে। ধর্ম্মাচার্য্য সকলব বাহুল্যরূপে প্রথম ধর্ম্ম প্রচাবব স্থান কামরূপ। তাব পবা দেশ ক্রমে সুথিল হোবাত উজনীলৈ কোনো জন নিজে আছিল, কোনো জনে আকৌ শিষ্য বা ভকত প্রেবিলে। শঙ্কব মাধব দুইও জন আক দামোদব আক হবিদেব আক শঙ্কব দেবব শিষ্য গোপাল আতা উজাই নাহিল; তাতীতে থাকিল। শঙ্কব দেবব পাছত তেঁওব নাতি পুৰুষোত্তম আক চতুর্ভুজ ঠাকুবে কিছুমান ধর্ম্মাচার্য্য পাতে। কোনো ধর্ম্মাচার্য্যব আজ্ঞাবে কোনো শিষ্যে কোনো সত্র স্থাপন কবিলে তাক আজ্ঞাপব সত্র বোলে। "অৱলি" নামে এক শ্রেণীব সত্র আছে সেই সত্রকো আজ্ঞাপব সত্র বোলে। কোনো সত্রব

পৰা কোনো শিষ্য বা ভকতে আজ্ঞা লই সেই সত্ৰৰ মূৰ্ত্তিৰ আগত থকা প্ৰদীপ বা বস্তীৰ পৰা জুই আনি আন ঠাইত কোনো মূৰ্ত্তি বা পুথী থাপনা কৰি তাতে সেই বস্তী লগাই থাকিলে তাক বস্তী বা "শলাবস্তী" অনা সত্ৰ বা থান বোলে।

নদীয়া শান্তিপুৰৰ পৰা অহা পৰ্ব্বতীয়া ভট্টাচাৰ্য্য বা পৰ্ব্বতীয়া গোসাঁই আৰু তেঁও বিলাকৰ বংশ নাতী গোসাঁই আৰু মুকলী মুৰীয়া ভট্টাচাৰ্য্য এই কেই জনেও ধৰ্ম্ম প্ৰকাশ কৰে। এওঁ বিলাকে তান্ত্ৰিক দীক্ষা দিয়ে।

অধিকাংশ লোকৰ মাজত ধৰ্ম্ম সম্প্ৰদায়ৰ এই দুই প্ৰধান শ্ৰেণী। প্ৰথম বামুণীয়া; ইয়াৰ প্ৰধান ধৰ্ম্মাচাৰ্য্য দেৱ দামোদৰ, তেঁওৰ আজ্ঞাপৰ দেৱ গোপাল বা বংশী গোপাল আৰু হৰিদেৱ। দ্বিতীয় মহাপুৰুষীয়া; মহাপুৰুষীয়া মতৰ প্ৰধান ধৰ্ম্মাচাৰ্য্য শঙ্কৰ দেৱ আৰু তেঁওৰ শিষ্য মাধৱ দেৱ। গোপাল দেৱ নামে শঙ্কৰ দেৱৰ এজন শিষ্যে আৰু তেঁওৰ পাছত যদুমনি আৰু অনিৰুদ্ধে গুৰু জনৰ মতৰ অলপ ইতৰ বিশেষ কৰি সেই মতকে চলালে। যি সকল মহাপুৰুষীয়া সত্ৰত মাধৱৰ মতকে বিশেষকৈ মানে সেই সকলক আৰ্কো মধুপুৰীয়াও বোলে। গোপাল দেৱৰ সম্প্ৰদায় এক শ্ৰেণীক "ভাটীযোৱা" "বোলে। এই ভাটীযোৱা" শব্দ কিহৰ পৰা হ'ল সেই বিষয়ে অনেকে অনেক কথা কয়। গোপাল দেৱৰ ভাটীআতা শ্ৰীৰাম নামে এজনা শিষ্য আছিল; এই জনাৰ সংস্থাপিত সম্প্ৰদায়কে ভাটীযোৱা বোলে বুলি অনেকে কয়। "ভাটী আতা" বোলাৰ তাৎপৰ্য্য এই যে তেঁও ভাটী দেশত আছিল। কোনোএ "নালে বোৱা পাতে বোৱা", "পদ্ম বেণী," "ক্ষিতবত শুকুৱা" প্ৰভৃতি কথা কয়। এই সকল

কিমান মূল্যবান কথা তাক অনুসন্ধান কবা আমাব এই প্রবন্ধব উদ্দেশ্য নহয়। শঙ্কব দেৱব মাতী পুৰুষোত্তম আৰু চতুর্ভুজ ঠাকুবে আজ্ঞা দি তেঁও বিলাকব কিছুমান শিষ্যক ধৰ্ম্মাচার্য্য পাতিলে; এই সকলব যি সম্প্রদায় তাক "ঠাকুবীয়া" বোলে। সত্রবোবব প্রধান উদ্দেশ্য এই আছিল যে ধৰ্ম্ম প্রচাব কবে আৰু সাধাৰণব মাজত সুনীতি সংস্থাপন কবে। সত্রব গাবাকি সকলে শিষ্য সকলক শৰণ দিয়ে আৰু অনেক সত্রত শিষ্যে কিছু জ্ঞানোন্নতি অৱস্থা দেখালে তেঁওক গুৰুএ মালা দিয়ে আৰু পৰমার্থ শিকায়। এইৰূপ অৱস্থা পাবলৈ হলে শিষ্যে অনেক জ্ঞানোন্নতি দেখুৱাব লাগে। শিষ্যব মাজত কুনীতি কুআচাব হলে আৰু অশ্লীল গালিগালি চুলিয়াচুলি হলে ধৰ্ম্মাচার্য্য সকলে প্রায়শ্চিত্ত কবায় দণ্ড লয় আৰু সমাজব লোকেও তাব ভাগ পায়। শিষ্যে গুৰুলৈ বার্ষিক নির্দ্দিষ্ট কব দিব লাগে। তদতিবিক্ত শিষ্যব ঘবত বিয়া হলে "বিয়াদনীয়া" মবিলে "সেৱা জননী" প্রভৃতি নির্দ্দিষ্ট বাব দিব লাগে। শিষ্যব পবা এই সমস্ত তুলিবলৈ আৰু সদাচাব নীতি প্রবর্ত্তাবলৈ আৰু মহন্তব কার্য্য কবিবলৈ পাঁচনী' খাটনীয়াব, মেধী, কামসেনা, ভূঁয়া, সাজতোলা, আলধবা, পূজাবী, নামলগোৱা, ভাগতী, বাগীশ, ভঁড়ালী, গায়ন, বায়ন, ঘুৱাধাবী প্রভৃতি বিষয়া আছে। ধৰ্ম্মব যেনে পবিচালক গুণ আছে আনএকোবে তেনে গুণ নাই সেই কাবণে কালক্রমে মহন্ত সকলব ক্ষমতা ক্রমে বাঢ়িল; অধিক কি বিষয়াব শাসনতকৈ মহন্তব শাসনব প্রভাৱ অধিক ব্যাপক আৰু শক্ত হ'ল। আন কি বজাব বাজত্ব লব পবা হ'ল। মহন্ত সকলে ক'ত পুথী চর্চ্চা কবি ভাল কোবাই নাম গাই ধৰ্ম্ম প্রচাব আৰু ধৰ্ম্ম বাজ্য শাসন কবিব

সেই সকলে বিষয়াৰ দৰে শাসন কৰিবলৈ ধৰিলে। মহন্তৰ সংখ্যাও ক্ৰমে অধিক হ'ল।

গদাধৰ সিংহ স্বৰ্গদেৱৰ অনেক মহন্তক বচা ছেউনীত পাতিলে। কত্ৰসিংহ স্বৰ্গদেৱৰ দিনত সকলো মহন্তৰ আগ গুড়ি বচা হই যি সকল মহন্ত প্ৰকৃত মহন্ত সেই সকলক মাজালী চাপৰীত পাতিলে আন বোৰক পাইকৰ শ্ৰেণীত লেখিলে।

মহন্ত সকলৰ কিছুমান উদাসীন কিছুমান আশ্ৰমী। উদাসীন সত্ৰৰ মহন্ত কোনো নিৰ্দ্দিষ্ট আশ্ৰমী সত্ৰ বা আনৰ লৰা আনি পোষ্য পুত্ৰ ৰাখি অধিকাৰী মহন্ত আৰু ভকতৰ মনোনীত মতে নিযুক্ত কৰা হয়। আশ্ৰমী সত্ৰৰ ডেকা সৰহ হয়। তাৰে অধিকাৰী পদ পাবৰ এই কেইটী নিয়ম। পুত্ৰানুক্ৰম, জ্যেষ্ঠানুক্ৰম আৰু যোগ্যানুক্ৰম। কেতিয়াবা কেতিয়াবা খাটনিৰ বলত বজাৰ আজ্ঞাৰে বা বলেৰেই এই নিয়মৰ অন্যথা হয়।

মূৰ্ত্তি, ভাগৱ্ৰত বা আন শাস্ত্ৰ, সিংহাসন, চোৱঁৰ, চন্দ্ৰতাপ, দৰা, নামঘৰ, ভকত আৰু মহন্ত এই সকল হলেই সত্ৰ হয়। কোনো কোনো সত্ৰত উদাসীন আৰু আশ্ৰমী দুইও থাকে। সত্ৰৰ ভকত বৈষ্ণৱ কাৰ্য্যকাৰ সমূহৰ নাম সমূহ বা থুল।

গৃহাশ্ৰমী সত্ৰ বোৰৰ পৰা কোনো যোগ্যস্থান ডেকাই বন্ধ কৰি আঁউৰ হই আন পৃথক সত্ৰ স্থাপন কৰে। এইৰূপে সত্ৰৰ সংখ্যা বৃদ্ধি হইছে। এইৰূপ সত্ৰ যি ঠাইত সংস্থাপিত হয় তাৰ নামেই হয়। উজনীৰ মহন্তৰ মাজালীত যাৰ সত্ৰ নাই সি আধুনিক বুলি প্ৰসিদ্ধ।

দেশত মহন্তৰ সংখ্যা "কড়ি টকাৰ এটকা" অৰ্থাৎ এটকা ৰূপত ষিমান কড়ি পায় তিমান। সেই হলে টকাত একাওন

কড়ি হলে ১২৮০ খান সত্র। সেই সকলো সত্রৰ নাম পোৱা এতিয়া দুষ্কৰ। অনেক সত্রৰ পৰা আৰু অনেক ন ন সত্র ওলাইছে।

প্রধান ধর্ম্মাচার্য্য সকলে ভাল ভাল প্রায়েই ২৪ জন শিষ্য বা ভকতক ধর্ম্ম প্রচাৰৰ জন্য প্রেৰণ কৰিছিল। তাৰে আকৌ দুইশ্রেণী। প্রথম শ্রেণীৰ প্রায় ৬ জন ব্রাহ্মণ, ৬ জন শূদ্র; ইয়াকে "বড় বাৰেজনীয়া" আৰু দ্বিতীয় শ্রেণীও সেই সংখ্যক এই সকলক "সৰু বাৰে জনীয়া" বোলে। কোনো কোনো সত্রত শঙ্কৰ মাধৱ প্রভৃতি ধর্ম্মাচার্য্য সকলৰ পদশিলা বা আন ব্যৱহৃত বস্তু সেৱনীয় রূপে আছে।

উজনীৰ প্রধান সত্র এই এই;—আউনিআটী, দক্ষিণ পাট গৰমুৰ, কুকৱাবাহী এই কেই সত্রৰ মহন্তকে চাৰি সত্রীয়া বোলে। তাৰে আউনিআটী দক্ষিণ পাট গৰমুৰ উদাসীন সত্র আৰু কুকৱাবাহী আশ্রমী। কুকৱাবাহীৰ সমান অংশী সত্র দীফলু। এই চাৰি সত্র বামুনীয়া মতৰ। মহাপুৰুষীয়া মতৰ প্রধান চাৰি সত্র এই; নৰোৱা কোৱামৰা, দীঘলী, শ্যামগুড়ী। কোৱামৰাৰ পৰাই শলগুড়ী সত্র। নৰোৱা, শলগুড়ী দুইৰো সত্র আছে। এই সকলৰ বাজে আন সত্র এই এই—বড় ভকতী, স্থাপক কৃষ্ণ; ভাগাতি সত্র, স্থাপক পৰমানন্দ; কুবচুঙ্গ স্থাপক কেশৱ; বেঙেনা আটী স্থাপক মুৰাৰী। চিপহা, স্থাপক, কৃষ্ণচৰণ; কুলবাড়ী, স্থাপক পৰশুৰাম; চতমী বা বালীপাৰ আধুনিক নাম ধলী, স্থাপক বাসুদেৱ; গোমোঠা, স্থাপক বামকৃষ্ণ; শাল কুচী, স্থাপক হৰি চৰণ; লাইআটী স্থাপক শ্রীহৰি; চুঙ্গিপতা, স্থাপক কানাই; বনগাওঁ, স্থাপক কামদেৱ; নাচনীপাৰ, স্থাপক বাম; শলগুড়ী গোস্তিৰা, কাওঁমৰা, বেলগুচীয়া, যত্ন কটীয়া, হালধি

আৰ্ট এই সকলৰ ক্ৰমান্বয়ে বত্মাকৰ, জয় কানাই, গোপী, সনাতন, জয়কৃষ্ণ আৰু মুকুন্দ সংস্থাপক। জামলে, মাইৰা, বড় জহা, কমলাবাৰি সত্ৰৰ সংস্থাপক ক্ৰমান্বয়ে ৰাম চৰণ চাকুৰ, আধাৰ যদুমণি, ভাটৌকুচীয়া কেশৱ আতা, পদ্ম বা বদুলা আতা। দিহিঙ্গৰ দেৱ যদুমণি, মোয়ামৰাৰ যদুমণি অনিৰুদ্ধ সংস্থাপক। কৰতিগাতি আৰু আহতগুড়ী সত্ৰৰ সংস্থাপক, ভাটী আতা শ্ৰীৰাম। তলত কিছুমান সত্ৰৰ নাম দিয়া গ'ল।

চেঁচা, চলিহা, বুদবাড়ী, কাটনীপাড়, মৰামাতী, কোছুগুড়ী ডোখোৰামুখ, গজলা, ঢাপকটা, ফুলবাড়ী, গোণামৰা, নিকামুল' ডোকা চাপডী, ছবিপতা, কলাকটা, বিহমপুৰ, মাধবাতাৰী, বড সত্ৰ, বড ভেটী, বড়ালী খোৱা, ভাত নোখোৱা, পোড়াভেটী, কৰতীগাওঁ, কৰতিপাৰ, ভলা গুড়ী, কাঁহপতা, বগা জাঁন, হোৰোশা, বনিমৰা, বেলপড়া, শলমাৰী, শিয়াল মৰা, নেপালী, তুলসীগুড়ী, জকাইচুক, জখলাবন্ধা, কাত্যায়ন, দিচিয়াল, তামোলবাড়ী, ৰতনপুৰ, ষাডমৰা, কুজী, শুকদল বড় বড়ী, শুকদল সৰুবড়ী, বড় দোৱা, গাজৰো, বেলগুড়ী, কোমোৰাবন্ধা, চাঙ্গেৰীমূল এই বিলাক উজনীৰ সত্ৰ। কামৰূপৰ সত্ৰ পাটবাউসী কুমাৰকুচী, বাৰাকী, বড় পেটা, গণককুচী, সুন্দৰীদিয়া, গোমুৰা, বড় হেৰামদ, বামদীয়া, শক হেৰামদ, জনীয়া, খিলাজাৰী, চমতীয়া, মালীবাণ্ডী, শৰনীয়া, কৰৈমাৰী, ধোপৰ গুড়ী, শিকাৰহাটী, বড় ফুলগুড়ী, শক ফুলগুড়ী, জড়াবাড়ী, টকৌবাড়ী, ধুপৰগুড়ী, বড়ুৰা, পুখুৰীপাৰ, গড়াবড়ী, হোকাখোৱা বঙী, মৰড়ী, নপাড়া, খড়াপাড়া, দঁতকুচী, খুটা পাড়া, চক্ৰীবড়ী, আগদীয়া, শিলপোতা, কাহিকুচী, তাতী পাড়া, চুণ পোড়া, পালাহদী, গুৱালহাটী, দীঘলকুছী, জটীয়া, চৌধুৰী পাড়া,

গণকপাড়া, ভাটীজলী, বড় মাবাভিটা, শক মাবা ভিটা, বতাকুচী, শুব্রালকুচী, মালশা, জামলে।

পাট বাউসী ( দামোদবী ), বিয়াহকুচী, পল্লা, বাউলী, পাকা, জাগবা, কঁহবা, খুদীব্রা, বাদে শালী, গড়েমাটী, আমবাড়া, বামপুব, বালীসত্র, খিদিব পুখুবী, বজাপুখুবী, লোহিবা, গুইমাবা, মকবধ্বজ, খটীব্রামাবী, মনপুব, হুহুমপুব, পাহুবাড়ী, কর্কাবড়ী, আমতলা, গর্গবা, আতৈসত্র, শালকুচী, কঠালমুবী, ধর্ম্মপুব। মানেবী, হুবামাতী, বনীয়াকুচী, হালধিবাড়ী, লছিমা বহঁবী, জগবা, নপতিপাড়া, বাদেশালী, উলুবড়ী, শকহাটী, বড়হাটী, সান্ধলী, শককৈটী, বড় কৈটী, নীলপুব, কটবা।

নবদ্বীপব চৈতন্য গোসাঁইব ধর্ম্ম আচবা সত্র দুখান-মিচামাবী, শ্রীহাটী। এই সকল বিনে কোনো কোনো ভট্টাচার্য্য সকলেও শিষ্যক মন্ত্রদিয়ে। আক কোনো কোনো খানব বুঢ়া ভকত প্রভৃতিয়ে শবণ দিয়ে। তান্ত্রিক মতব দীক্ষা লোব্রা সকলব মাঝত শৈব, শাক্ত্য, বৈষ্ণব মন্ত্রই অনেকে লয়। সত্র বিলাকত শবণ সংহিতা অথবা পবম্পবা নিয়ম অনুসবি বৈষ্ণব "শবণ" শিক্ষা দিয়ে।

সত্রব মহন্ত সকলব মর্য্যদাব তাবতম্য আছে। পর্ব্বতীয়া আক নাতী গোসাঁই বজাব গুরু দেখি গোসাঁই নামে প্রসিদ্ধ। চাবিসত্রীয়া মহন্ত সকলক বজা ঘবত বাপু বুলিছিল। আন সকলব কাকো বাপ্ কাকো আতা সম্বোধন কবা হইছিল।

কেন্ত বিলাক নানা ধর্ম্মব লোকে বাতি একত্র হুই নাম গুণ গায় এই সকলব খোব্রা বোবাত জাতিবিচাব নকবে। এওঁবিলাকক অবীতিয়া বা "বীতিয়া" বোলে। "লোকব

আগত লোকাচার সব্ব ভকতব আগত একাচার"—এইটো সেই সকলব মত। সেই সময়ত এই মত অতি শুশ্তে চলিছিল।

---

## বেদ।

বেদশব্দব মূল অর্থ জ্ঞান হলেও এখনি শাস্ত্র বুজায়। এই বেদ আর্য্য হিন্দু বিলাকব মূল শাস্ত্র। ইয়াক ঈশ্বরব সাক্ষাৎ বাণী বুলি হিন্দু মাত্রেই বিশ্বাস করে। বেদ প্রথমতঃ তিনি খান আছিল। ঋগ্বেদ, যজুর্ব্বেদ, সামবেদ। পাছত অথর্ব্ববেদ তাব লগা লাগে। এই কাবণে চাবিবেদ বুলি প্রসিদ্ধ। বেদত অধিকাংশ স্তুতি আক কর্ম্ম কাণ্ডবো কিছু মান বিবরণ আছে আর্য্য হিন্দু বিলাকব প্রথম অব্রুহাত জ্ঞানি পণ্ডিত ঋষি সকলে এই বেদ গীতব দবে গায়। বেদ মণ্ডল আক অধ্যায়ত বিভক্ত। অষ্টকো তাব এক ভাগ। ভিন্ন ভিন্ন ঋষি সকলে ভিন্ন ভিন্ন রূপে স্তুতি গান আক কর্ম্মকাণ্ড কবাত বেদ চাবি প্রকাবে বিভক্ত হইছে। এতিয়াও ব্রাহ্মণব যাবাত অমুক বেদী ব্রাহ্মণ বুলি পবিচয় দিয়া হয়। তাব তাবা সেই বেদব মতে স্তুতি আক কর্ম্মকাণ্ড কবাব পবিচয় পায়। এখান এখান বেদব শাখা বা ভাগো আছে। তাব কোনো শাখা কোনো শ্রেণীব লোকে অবলম্বন কবিছে। যেনে অমুক বেদব অমুক শাখা। আমাব দেশত যজুর্ব্বেদব কাণ্ব শাখাব ব্রাহ্মণেই অধিকাংশ। ঋগ্বেদী সামবেদী ব্রাহ্মণব সংখ্যা অতি তাকব। অথর্ব্ববেদী ব্রাহ্মণও দুই চাবি ঘব আছে। ঋষি সকলে যেতিয়া বেদ বচনা কবে সেই সময়ত লেখা পঢ়াব চর্চ্চা নাছিল। গুকব মুখে শিষ্যে শুনি বেদ শিক্ষা কবিছিল। পাছে অক্ষব সৃষ্টি হই সেই শুনা কথা

বোৰ শ্রেণীমতে ভাগ হই বেদ বিভাগ হ'ল। শুনা কথাৰ পৰা বেদ এই ৰূপে উদ্ধৃত হোৱাত বেদৰ আন এটি নাম "শ্রুতি"। বেদ যে একেসময়তে চাৰিও খান ৰচিত হইছিল এনে নহয়। প্রথম বেদ ঋগ্বেদ। আধুনিক হিন্দু জাতিৰ বিশ্বাস মতে বেদ নিত্য আৰু সৃষ্টিকালৰ পৰাই আছে। যদিচ প্রলয় কালত বেদ অগাধ সমুদ্রত তললৈ গইছিল তথাপি ঈশ্বৰে অৱতাৰ হই তাক উদ্ধাৰ কৰিলে; তেতিয়াৰ পৰা এই বেদ আছে।

বেদত প্রকৃতিৰ সুন্দৰ, গৌৰবান্বিত আৰু প্রতাপশালী পদার্থৰ স্তুতি আৰু উপাসনাই আছে। সেই সেই পদার্থৰ দেৱতাবেই বেদত স্তুতি আছে। এক মাত্র অদ্বিতীয় ঈশ্বৰ বুলি কোনো স্তুতি গান বেদত নাই। বেদত স্তুতি কৰা এই সকল দেৱতা :— অগ্নি, বায়ু বা মৰুৎগণ, মিত্র বৰুণ, আশ্বদ্বয় সৰস্বতী, ৰুদ্র, ৰুদ্রগণ, উষা, সূর্য্য, পৃথিবী, বিষ্ণু, বসু, ঋভু, ঋভু, যম, দেবাশ্ব, মেঘ, অর্জ্জন্য, উশনা, ত্রিত, সোম, সুনৃতা, অদিতি, আদিত্য, ইন্দ্রাণী, পৃশ্নি, ব্রহ্মণস্পতি। ৰাম, কৃষ্ণ, দুর্গা, শিব, লক্ষ্মী, কালী, প্রভৃতি দেৱতাৰ নাম পোৱা নাযায়। বেদত সূক্ত বিভাগ আছে। প্রতি সূক্ত একো ঋষিএ ৰচিছে। আৰু যি দেৱতাৰ উদ্দেশে যি ছন্দে সেই সূক্ত ৰচিত তাকো লেখা আছে। যেনে অমুক সূক্ত অমুক ঋষি অমুক দেৱতা অমুক ছন্দ। ঋষি বিলাকে যজ্ঞ কৰি সেই দেৱতা বিলাকৰ স্তুতি কৰে। তাত সোমৰস পান কৰাৰ কথা আছে। দেৱতা বিলাকক ঋষি সকলে মাতিছে "আহোক; এই যজ্ঞৰ সোমৰস পান কৰোক, আমাক ধন সম্পত্তি, গৰু দিয়ক আমাৰ শ্রীবৃদ্ধি কৰোক আমাৰ শত্রু নাশ কৰোক"।

বেদ পাঠ করিলে সেই সময়ের লোকের আচার ব্যবহার আশা, উন্নতি সকলো জানি। আৰু প্রাকৃতিক শোভা ভালকৈ জানি। যি সময়ত বেদ রচিত হইছিল সেই সময়ত সেইরূপ উপাসনাই সম্ভব। মানুহৰ প্রথম জ্ঞানৰ উৎপত্তিৰ সময়। লঘা ছোৱালীএ যেনেকেই কোনো শোভনীয় বা সুন্দৰ বা বিস্ময়কৰ বা অপকাৰক বস্তু দেখিলে তাৰ কথা কয় আৰু তাৰ প্রতি স্পৃহা কৰে অথবা তাক পৰিত্যাগ কৰে সেই রূপ সৰল প্রাকৃতিক ভাব বেদত আছে। ক্রমে যেতিয়া জ্ঞান বিকশিত হ'ল মানুহৰ অৱস্থাও পৰিবর্ত্তন হ'ল। সেই সময়ৰ অগ্নি, ইন্দ্র, সূর্য্য, প্রভৃতি দেৱতাবো যি স্রষ্টা অন্তৰাত্মা সেহ জনকেই আৰাধ্য ব্রহ্ম বুলি উপাসনা কৰা হ'ল। জ্ঞান যোগ, ধ্যান, যোগ নিরূপিত হ'ল। এই রূপ যত মিৰ্দ্দিষ্ট হ'ল তাক উপনিষদ বোলে।

আমাৰ দেশত বেদৰ আলোচন নাই বুলিলেই হয়; কেৱল "শ্রীসূক্ত" মাত্র প্রচলিত। সাধাৰণ লোক সকলে দশম কীর্ত্তন, ঘোষা, বত্নাবলী এই চাৰি পুথিকে চাৰি বেদ বুলি মান্য কৰে।

সম্প্রতি কলিকাতাৰ দেশীয় সিবিলীয়ান মেজিষ্ট্রেট শ্রীযুক্ত বমেশচন্দ্র দত্তে ঋগ্বেদৰ প্রথম অষ্টক মূল আৰু বঙ্গালা ভাঙনি কবি ছপাইছে। তাক পঢ়িলে জানি যে বেদক যে আমাৰ ভাৰত বর্ষত আদৰ কৰে এমে নহয়; ইউবোপতো আদৰ কৰে। ভট্ট মোক্ষমূলৰ, ভট্ট বেম্‌কি, ভট্ট বোষণ ভট্ট লাস্সেন প্রভৃতিএ ঋগ্বেদ নানা ভাষাত ভাঙিছে। এই বেদ পঢ়িলে পাৰস্য, ইহুদী, গ্রীস, বোম, প্রভৃতি দেশৰ প্রাচীন ইতিহাসৰ অনেক সাহায্য পোৱা যায়। দত্তৰ ভাঙনিত অনেকে দোষ উলিয়াব পাৰে কিন্তু বিদ্যমান হৈছে এই সময়ত

এই এই যথেষ্ট। যি সকলে পাবে সেই সকলে এই ভাণ্ডনি লোৱা উচিত।

পাঠক সকলৰ তৃপ্তিৰ নিমিত্তে সেই ভাণ্ডনিৰ প্ৰথম সূক্ত অসমীয়াত ভাঙি দিয়া হ'ল।

অগ্নি দেৱতা বিশ্বামিত্ৰৰ পুত্ৰ মধুচ্ছন্দা ঋষি ১ অগ্নি যজ্ঞৰ পুৰোহিত আৰু দীপ্তিমান, অগ্নি দেৱতা সকলক আহ্বান কৰোঁতা আৰু প্ৰভূত বস্তু ধৰোঁতা। মই অগ্নিৰ স্তুতি কৰোঁ।

২ অগ্নি পূৰ্ব্ব ঋষি সকলৰ স্তুতি ভাজন আছিল, নূতন ঋষি সকলৰ স্তুতি ভাজন, তেঁও দেৱতা সকলক এই যজ্ঞলৈ আনোক।

৩ অগ্নিৰ দ্বাৰা (যজমানে) ধন লাভ কৰে, সেই ধন দিনে দিনে বৃদ্ধি পায় যশোযুক্ত হয় আৰু তাৰে অনেক বীৰ পুৰুষ নিযুক্ত কৰিব পাৰি।

৪ হে অগ্নি! তুমি যি যজ্ঞৰ চাৰিওফালে বেষ্টন কৰা, সেই যজ্ঞ কোনেও হিংসা কৰিব নোৱাৰে। আৰু সেই যজ্ঞ নিঃসন্দেহ দেৱতা সকলৰ ওচৰলৈ যায়।

৫ অগ্নি দেৱতা সকলৰ আহ্বান কৰোঁতা, সিদ্ধ কৰ্ম্মা। সত্য পৰায়ণ প্ৰভূত আৰু বিবিধ কীৰ্ত্তিযুক্ত। সেই দেৱতাই দেৱতা সকলক এই যজ্ঞলৈ আগমন কৰোক।

৬ হে অগ্নি তুমি হবাদাতা (ঘিউ দিয়া) যজমানৰ যি কল্যাণ সাধন কৰিছা, হে অগ্নিৰা! সেই কল্যাণ প্ৰকৃতে তোমাৰেই।

৭ হে অগ্নি। আমি দিনে দিনে দিনে বাতি নমস্কাৰ সম্পাদন কৰি তোমাৰ সমীপলৈ আহিছোঁ।

৮ তুমি দীপ্যমান, তুমি যজ্ঞৰ ৰক্ষক, যজ্ঞৰ অতিশয় দীপ্তি কাৰক আৰু যজ্ঞ শালাৰ বৰ্দ্ধন শীল।

৯ পুত্রের ওচরত পিতা যেনে অনায়াসে অধিগম্য, হে অগ্নি তুমি আমার ওচরত সেই রূপ হোৱা। মঙ্গলর অর্থে আমার নিকটত বাস করা।

আ, ব, স,

---

# জাহাজ।

১

আহা ভাই আহা, সকলোরে আজি
বিদেশ দেখাব আশা পূৰাঁও,
দেখি বিদেশর, উন্নতি উৎসাহ,
ব'লা সকলোএ চকু জুড়াওঁ।

২

নাই একো ভয়, কলির ইংবাজে,
আনিছে জাহাজ ভাপর নাওঁ;
আহা সকলোরে, পিন্ধা সাজ পাৰ
উচা জাহাজত বিদেশে যাওঁ।

৩

অলংঘ্য অগাধ, সাগরর মাজে,
ভীষণ ঢউবো বাধা নমানি;
গম্ভীর ভাৱেৰে, নির্ভয় মনেৰে,
ছুটিছে জাহাজ বেগে অগানি।

৪

চোঁৱা ভাই চোঁৱা, কৰি ধোঁৱা-কোঁৱা,
উড়িছে জাহাজ উগাৰি ধোঁৱা,

আঁহা ভাই আঁহা, বেগা বেগি কবি,
এলাহ-নিহালি সামবি থোঁৱা।

৫

এই উনবিংশ— শতাব্দীত আজি
বিজ্ঞান সূর্য্যব আলোক পাই ;
চৌৱা চোন্ কোনে, আছে মনে মনে,
অদৃষ্ট-মোনাত হাত সুমাই।

৬

চৌৱা চকু মেলি,— সকলোএ আজি ;
বিজয় পতাকা হাতত ল'ই ;
উন্নতিব পথে, বেগে আগুৱাই
এলাহ-নিহালি সামবি থ'ই।

৭

কোনোবা দেশত, অগাধ অগাধ
পণ্ডিত সকলে জ্ঞানব বলে ;
চন্দ্র সূর্য্য তাবা, আকাশব পবা,
আনিছে নমাই ধবাব তলে।

৮

কাব বাব ভয়ে, প্রকৃতি দেবীএ,
হৃদয় খুলিয়া সব দেখায়,
পঞ্চভূত আদি, আকাশ পাতাল,
বাখিছিল যত বুকে লুকাই।

৯

কোনোবা দেশত, চঞ্চলা কমলা,
অচলা ভাৱেৰে ৰূপ ছবিযে,

সুবর্ণ বজত, মনি মবকত
নিচিগাধাবেবে ধন ববিবে।

১০

কোনো নগাবক, বিশ্ব-কর্ম্মা আহি
আপোন হাতেবে দিছে সজাই,
মন্দিব প্রাচীব, দ'ল দেব্রালয়
আৰু আন কত সাজ পিন্ধাই।

১১

কেনো বা দেশত, আনন্দ মনেবে
সবস্বতী আই আপোন হাতে।
সাহিত্য দর্শন— বিজ্ঞান ফুলেবে,
সুগন্ধি সুন্দব সুমালা গাঁথে।

১২

কোনো বা দেশত, শুনা কবি সবে
ধবিয়া মধুব ব্রজব তান,
গাইছে নিজব দেশব সাহস,
স্বজাতিব যশ কবিছে গান।

১৩

কোনো বা দেশত, বীব যোদ্ধালবে
বিজয় শবদে গগন ফালি,
কালমূর্ত্তি ধবি, শত্রু দল নাশি
ধাইছে স্বদেশ-মুখ উজলি।

১৪

আঁহা ভাই আঁহা, দেখি এইবোব
ব'লা সকলোৱে চকু মেলাঁও;

আঁহা সকলোৱে, পিন্ধা সাজ পাৱ
উঠা জাহাজত বিদেশে যাঁও।

১৫

ব'লা শোধোঁগৈ – আমেৰিকা বাসী
কি মন্ত্ৰৰ বলে স্বাধীন আজি ;
কি মন্ত্ৰৰ বলে, জগতৰ তলে
"সভ্যতম" বুলি আছে বিৰাজি।

১৬

ফৰাণী জাতিকো, শোধোঁগৈ ব'লা
—"কি মন্ত্ৰৰ বলে স্বাধীন তুমি ?
কোন মহা যোগী, এনে মন্ত্ৰ দিলে,
স্বৰ্গতো অধিক জনম ভূমি।

১৭

কি মন্ত্ৰৰ বলে, ৰুষিয়াই আজি
সসাগৰা ধৰা পেটত ভৰি
আছিছে আকৌ, বিস্তাৰিয়া মুখ
ভাৰতৰ কালে কটাহি কৰি।

১৮

ইটালী তোমাৰ, অধীন শিকলি
দিলে কোনে কাটি ভৰিৰ পৰা ;
কি তেজৰ বলে, নতুন উৎসাহে
উঠিছা আকৌ কঁপাই ধৰা ?

১৯

ব'লা শোধোঁগৈ, ইংৰাজ জাতিকো
কিৰূপে সিহঁতে, কি মন্ত্ৰৰ বলে ?

সূর্য্য কৰ ব্যাপি, অৰ্দ্ধ বসুন্ধৰা
একে গৰাহতে গৰাসি ল'লে ?

২০

কি মন্ত্ৰৰ বলে, কিৰূপ কৌশলে
ধৰিয়া মুখত কি ৰূপ সুৰ
ভাৰতৰ ধন,— কহিনুৰ নিয়া
শোভিছে "বাণীৰ" মুকুট মুৰ ?

২১

লগে লগে ব'লা, ভাৰতকো শোষো,
কিয় আই তোৰ ইদশা হ'ল ;
ত্ৰৈলোক্য বিজয়ী, বীৰ শিৰোমণি
পুত্ৰ সব তোৰ কলৈ গ'ল ?

২২

নাইনো এজনো, সি সবৰ মাজে
"আই" বুলি যোনে মাতিব তোক ;
দেখি তোৰ দুখ, অন্তৰেৰে স'তে
পেলাব চকুৰ পানী এটোপ।

২৩

আঁহা ভাই আঁহা সকলোএ আজি
বিদেশ দেখাৰ আশা পুৰাঁও ,
দেখি বিদেশৰ, উন্নতি উৎসাহ
ব'লা সকলোএ চকু জুড়াও।

২৪

মাই একোভয়— কলিৰ ইংবাজে
আনিছে জাহাজ ডাঙৰ নাও ;

আহা সকলোএ, পিন্ধাসাজ পাব
উঠা জাহাজত বিদেশে যাঁও।

২৫

জাতি জাতি কবি— মুঠিমাবি ধবি
থাকিবা কিমান শালব গৰু ;
নাইনে মনত, কলিব শেষত
"হ'ব সকলোবে একেটা চক" ?

২৬

তেনে হ'লে আৰু, কিব বহি মবা
আহা সকলোএ বিদেশ যাঁও ;
"পৰ্ব্বতীয়া জাতী", চুকব ভেকুলি
ইসব কলঙ্ক—নাম গুচাঁও।

২৭

চোঁৱা চকু মেলি,— সকলোৱে আজি
বিজয় পতাকা হাতত ল'ই,
উন্নতিব পথে, বেগে আগুৱাই
এলাহ মিহালী সামবি থ'ই।

২৮

সকলো দেশতে, মধ্যাহ্ন আলোক
চোঁৱা আসামত আজিও নিশা ;
সকলো দেশতে বসন্ত হাঁহিছে,
চোঁৱা আসামত ঘোব বাবিষা।

২৯

সকলো দেশতে শবতব জোন
হাঁহিছে নাচিছে শীতাংশু ৰূপ ;

চৌব্রা আসামৰ ভাগ্য আকাশত
নাচিছে আঁউসি বাহুক ল'ই।

৩০

তথাপিও হায়, কোন মুখে ভাই
তিৰতাক ল'ই আছা সোমাই;
নিশ্চয় জানিলোঁ, উঁহতৰ গাত
আৰ্য্যৰ শোণিত এটোপো নাই।

---

# শক্তি বিজ্ঞান।

যাৰ দ্বাৰা কোনো কাৰ্য্য কৰা হয় তাক শক্তি বা বল বোলে। এই শক্তি বা বল দেখিবলৈ পোৱা নাযায়, তাৰ কাৰ্য্য মাত্ৰ দেখি। এই শক্তিৰ গুণৰ পৰা সংসাৰৰ সকলো কাৰ্য্য সম্পাদিত হইছে। সম্প্ৰতি আমি ইয়াত কেৱল শিল্প শক্তিৰ বিষয় মাত্ৰ সংক্ষেপে আলোচনা কৰিম।

এই সংসাৰত আমাৰ যিমান বস্তু আৰু কাৰ্য্যৰ প্ৰয়োজন সকলো বিলাক আমাৰ হাতেৰে কৰিব লগীয়া হোৱা হেঁতেন বড় কষ্ট হ'ল হেঁতেন। বড় বড় জাহাজৰ যিবিলাক সামগ্ৰী, শিল আৰু কাঠৰ অট্টালিকা নিৰ্ম্মাণ কৰোঁতে যি বিলাক সামগ্ৰী, আৰু আন আন কাৰ্য্যত যি বিলাক সামগ্ৰী লাগে, সেই সকলোবোৰ শিল্প যন্ত্ৰৰ সহায় বিনে কৰিব লগীয়া হলে বহু শ্ৰম বহু সময় আৰু ব্যয়ৰ প্ৰয়োজন। এই মানৱ দেহ আৰু দেহৰ কাৰ্য্য আৰু পশুপক্ষী বোৰৰ কাৰ্য্য দেখি মানুহৰ প্ৰয়োজন অনুসাৰে কেত বিলাক যন্ত্ৰ নিৰ্ম্মাণ আৰু কৌশল আবিষ্কাৰ কৰা হৈছে। শিল্প শাস্ত্ৰৰ নিয়মৰ দ্বাৰা অনেক বস্তু নিৰ্ম্মাণ আৰু কাৰ্য্য কৰা যায়। শিল্প শাস্ত্ৰত দুবিধ

শক্তি বা যন্ত্রৰ বিষয় উল্লেখ আছে। এই দুটী শক্তিৰ দ্বাৰা মনুষ্যৰ অনেক বল বৃদ্ধি হইছে। তাৰ বিবৰণ ক্রমে আমি সংক্ষেপে লেখিম।

দণ্ডযন্ত্র, তুলাদণ্ড বা পাল্লা শক্তি। লো বা কাঠৰ বাড়ি এডাল এটা অবলম্ব বা মেকৰ দ্বাৰা অবলম্বিত হ'লে তাক "লেবৰ" বা তুলাদণ্ড বোলে। বেপাৰি বিলাকে বস্তু জোখোঁতে যি পাল্লা বা তুলাচনী ব্যৱহাৰ কৰে সেই পাল্লা এক প্রকাৰ তুলাদণ্ড। এই পাল্লাৰ বাড়ীৰ মাজত যে জৰি দি তাক আড়ি থোৱা যায় সেই জৰি দিয়া স্থানেই তাৰ মেক বা অবলম্ব। এই মেকৰ চাৰিওফালে এই পাল্লা ঘুৰে। এই মেককে গতিকেন্দ্রও বোলে। আমি যি বোৰ সামান্য পাল্লা দেখো সেই বোৰ বস্তু জোখাত ব্যৱহাৰ হয়; তাৰ দ্বাৰা বলৰ বিশেষ সাহায্য নহয়। সমদূৰতে মেক হোৱাত দুইওফালে সমান বস্তুৰ প্রয়োজন। এই তুলাদণ্ড বা পাল্লাৰ এফালে জোখৰ বস্তু আৰু এফালে তাক যি শক্তি বা যিহৰ দ্বাৰাই জোখা যায় সি থাকে। কোনো পাল্লাৰ এফালে পাঁচ সেৰ ওজন দগা এটা আৰু এফালে জোখৰ বস্তু দিলে দগা থকা ফালক পৰিমাণ বা ভাৰ আৰু ইফালক পৰিমেয় শক্তি বা বল বোলে। মেকৰ দুফালৰ দণ্ডক বাহু বা দণ্ডাংশ বোলে। পৰিমাণ আৰু পৰিমেয় শক্তিৰ মাজতে যাৰ মেক থাকে তাক প্রথম প্রকাৰৰ তুলাদণ্ড বোলে। মেক আৰু শক্তিৰ মাজত যি তুলা দণ্ডৰ পৰিমাণ বা ভাৰ থাকে তাক দ্বিতীয় প্রকাৰৰ তুলাদণ্ড বোলে। মেক আৰু ভাৰৰ মাজত যাৰ শক্তি সি তৃতীয় প্রকাৰৰ তুলাদণ্ড। প্রথম প্রকাৰত পৰিমাণৰ সমীপৰ বাহু পৰিমেয় শক্তিৰ বাহুতকৈ দীঘল। পৰিমাণৰ সমীপৰ বাহু পৰিমেয় শক্তিৰ বাহুতকৈ চাৰিগুণ দীঘল হলে চাৰি

সের পরিমাণের কোনো বস্তু এসের পরিমের শক্তি বা বস্তুর দ্বারা সমান হ'য়। এই তুলাদণ্ড শক্তিরে অলপ বলেরেই বৃহৎ বস্তু লড়ার চড়ার পারি। কাঁচি, তুলাচনী, মিক্তি প্রভৃতি যন্ত্রতো এই প্রকার তুলা দণ্ডর নিয়ম খাটে। পরিমাণ আর পরিমের বস্তুর দূরতা অনুসারে দ্বিতীয় প্রকারর তুলাদণ্ডর শক্তি হয়। যদি মেকর পন্থ পরিমের শক্তি এক আঙ্গুলি দূরেত থাকে আর পরিমাণ পাঁচ আঙ্গুলি দূরেত থাকে তেনেহলে দ্বিতীয় প্রকারর তুলাদণ্ডর দ্বারা পাঁচগুণ বস্তু এগুণে সইতে সমানে জুখির পারি। অর্থাৎ একালে পাঁচ সের এটা বস্তু আর আন কালে এসের পরিমাণর বস্তুরে সমান হয়। নাও যে বঠারে চলে ইও এই প্রকারে তুলাদণ্ডর শক্তিরে ঘটে। ইয়াত পানী মের. নৌকা পরিমাণ আর মানুহর বল পরিমের শক্তি। নাওর মাস্তুলো এই প্রকার নিয়মর অধীন। এটা ক্ষীণ দুর্ব্বলি আর এটা হৃষ্ট পুষ্ট বলবন্ত লোকে যদি কোনো এটা বস্তু সাজি ভাবত নির লগীয়া হয় তেনে হলে নির লগীয়া বস্তুটো বলবন্ত মানুহটর ওচরত দিলে সিকালে দুর্ব্বলিক্ষীণ মানুহটো হলেও হয়। দুরাবর কব্জা বা গাঁঠী যি কালে থাকে তার ওচরত ঠেলি দুরার মেলা টান; কিন্তু আনকালে হলে ঢিলা। ইয়াতো দ্বিতীয় প্রকার তুলাদণ্ডর নিয়ম জানি।

তৃতীয় প্রকার তুলাদণ্ডর উদাহরণ এই। মাটীত থকা কোনো জখলা বা খুঁটা একেবারে থির করির নোরারি কিন্তু তাক কত্তিয়াটেক কোনো বেড়ত আউজাই ক্রমে অলপ বলেরেই থির করির পারি। মানুহর হাতেরে যে বস্তু তোলা যায়; ইও এই নিয়মর অধীন।

তুলাদণ্ড দুই প্রকার। এক প্রকার লমবাহু, এক প্রকার

বিষমবাহু। এই দুই বাহুৰ মধ্যতে মেৰু। তুলাদণ্ড যন্ত্ৰৰ মেৰুৰ পৰা এক আঙ্গুলি ইকালে যদি পৰিমাণ থাকে আৰু তাৰ পৰা ১৬ আঙ্গুলি পৰিমান সিকালে যদি পৰিমেয় শক্তি থাকে তেনে হলে ইদুইও সমান হ'ব। অৰ্থাৎ ১৬ মোন গধুৰ কোনো এটা বস্তু এমোন গধুৰ বস্তুএটাৰে তুলিব পাৰি। তুলাদণ্ড জোখত সদাই বস্তু কমি বা সৰহকৈ দিব পাৰি। দোকানী বোৰে কেতিয়াবা এনে প্ৰবঞ্চনা কৰে। তুলাদণ্ডৰ মেৰুৰ পৰা পৰিমাণ আৰু পৰিমেয় শক্তিৰ দূৰতা লৰচৰ কৰি প্ৰবঞ্চনা কৰিব পাৰি। কোনো বস্তু দুখান তুলাচনীত জুখিলে যদি অসমান হয়, দুইও জোখৰ পৰিমাণৰ পূৰণ কৰি যি ফল পোৱা যায় তাৰ বৰ্গমূল সেই বস্তুৰ প্ৰকৃত জোখ; এটা বস্তুক কোনো এখান পাল্লাত ১৬ সেৰ আৰু আন এখানত ১২ সেৰ ১ পোয়া হলে এই দুইকো পূৰণ কৰি ১৯৬ পোয়া যায়। ইয়াৰ বৰ্গ মূল ১৪। এতেকে সেই বস্তুৰ প্ৰকৃত জোখ ১৪ সেৰ।

চক্ৰ-অক্ষচক্ৰ-চকৰি। ইয়াতো তুলাদণ্ড যন্ত্ৰৰ সাধাৰণ নিয়ম খাটে। অক্ষদণ্ড আৰু চক্ৰৰ পৰিমাণৰ দ্বাৰা ইয়াৰ শক্তিৰ তাৰতম্য হয়। অক্ষদণ্ডতকৈ চক্ৰৰ পৰিধি যি পৰিমাণে অধিক সেই পৰিমাণে ইয়াৰ শক্তি অধিক। যদি ডিলাতকৈ চকৰিৰ পৰিধি ৮ গুণ সৰহ হয় তেনে হলে এসেৰ গধুৰ এটা বস্তুএ আঠ সেৰ গধুৰ বস্তু এটাৰ সমান হ'ব।

বড় জাহাজ আৰু কাৰখানা ঘৰত এই চকৰি থকা যন্ত্ৰ ব্যৱহাৰ হয়। মোঁৱাৰ জাহাজৰ চকৰি আৰু গাড়ীৰ চকৰিতো ইয়াৰ নিয়ম খাটে। টানিব লগা জাহাজ বা গাড়ী ইয়াৰ পৰিমাণ, ভাপ বা গৰু বা মোঁড়া ইয়াৰ পৰিমেয় শক্তি বা বল, ফুফাৰৰ চকৰিএই যন্ত্ৰ।

পুলী-কপিকল-হাকোঁটা। ইয়াতো তুলাদণ্ড যন্ত্রব নিয়ম খাটে। কপি বা হাকোঁটাত লেজুলগাই এই যন্ত্র নির্ম্মাণ কবা হয়। এই হাকোঁটাব দ্বাবা অলপ বলেবে বস্তু তুলিব পাবি। কেইবাটাও হাঁকোটাত কেইবাডালো লেজু লগালে এটা হাঁকোটাব পবা আনটো হাঁকোটাব দুবভাব পবিমাণে বলব পবিমাণ হয়। এটীয়া পুলি বা হকোঁটা হলে কোনো এটা বস্তু তাব অর্দ্ধেক গধুব, তুলিব পাবি। হাঁকোটাব বা পুলিব সংখ্যা বঢ়াই দিলেই বলব আধিক্য হয়। একালে এটা পুলি বা হাকোঁটাত বস্তুব পবিমাণ, আন ফালে আন হাকোঁটাত পবিমেয় শক্তি। পবিমেয় শক্তিব ফালে ছযোড় পুলিত লেজু লগালে এসেব গধুব পবিমাণ বস্তুবে ১২ সেব পবিমাণ বস্তু তুলিব পাবি। স্পষ্টকৈ ক'ব লাগিলে ১২ জন মানুহে তুলিব পবা বস্তু এটা এটা মানুহব বলেবেই তুলিব পাবি। বড ঘব সাজোঁতে বাহিবত এটা খুটা পুতি তাব ওপবত বাঁহ এডাল বান্ধি তাব আগত লেজু লগাই এই লেজুব মুবত ক্ষেব বান্ধি ঘব সজা মানুহলৈ তুলি দিয়া যায়। এই কৌশল কপি আৰু তুলাদণ্ডব নিয়মেবে হয়। পানচৈ নাৱব মাস্তুলব আগত এনে পুলি বা কপিযন্ত্র থকাত মালা-ইতে অলপ শ্রমেবেই ডাঙ্গুব পাল ওপবলৈ তোলে।

প্রবণ বা ক্রম-নিম্ন ধবাতল। থিঐ কোনো বস্তু তোলোঁতে যিমান বল লাগে ক'তিয়াকৈ তোলোঁতে তিমান বল লালাগে। জাহাজব বস্তু তুলিবলৈ আৰু তাব পবা নমাবলৈ জাহাজব পবা নৈব দাঁতিলৈ তক্তা পাবিদিয়ে। সেই তক্তা কতিয়া ভাবে থাকে। সেই কাবণে অল্প বলেবে গধুব বস্তু তুলিব বা নমাব পাবি। তুমিব পবা সেই কতিয়া তক্তাব আমলৈ এটী লম্ববেখা টানিলে সি যিমান দীঘল হয় তাতকৈ তক্তা

যিমান দীঘল সেই পৰিমাণে তাৰ শক্তিৰ তাৰতম্য। মাটীত খুটি এটা পুতি মাটীৰ পৰা এচলা তক্তা সেই খুটীৰ ওপৰলৈ ক'তিয়াকৈ পাতিলে সেই খুটীতকৈ যদি তক্তা তিনিগুণ দীঘল হয় তেনে হলে সেই তক্তাৰ ওপৰত কোনো বস্তু থাকিলে তাৰ তিনি ভাগ এভাগ জোখৰ বস্তুবে স্থিৰ থাকিব পাৰি। বটালি, কুঠাৰ, কোৰ, কোদাল, ফাল প্ৰভৃতি অস্ত্ৰত এই নিয়ম খাটে। কাঠ বাঁহ কাটিব লাগিলে পোনেই কাটোতে যিমান বল লাগে ক'তিয়াকৈ কাটিলে অলপতে হয়। খিয় পৰ্ব্বতলৈ উঠোতে পোনেই খিয় বাটে ন'গই কতিয়াকতিকই গলে তিমান শ্ৰম বোধ নহয় কিয়নো তিমান বল নালাগে। পৰ্ব্বতৰ কটা বাট বোৰ প্ৰায় এই নিয়মে কটা। প্ৰবণ ধৰাতলৰ নিয়মে যন্ত্ৰ নিৰ্ম্মাণ হোৱাত সংসাৰৰ অনেক সুবিধা হইছে।

কাজলা বা খিলি। কাঠ ইত্যাদি কালেতে বা বিদ্ধান্ত তে আৰু আন অনেক কাৰ্য্যত খিলি বড় প্ৰয়োজনীয়। ই এক প্ৰকাৰ ক্ৰমনিম্ন ধৰাতল শক্তি যন্ত্ৰ মাত্ৰ। কাঠ অলপ কালি গজাল সুমাই দিলে তাক কালিবলৈ ঢিলা হয়। কৰত্তি বিলাকে কাঠ কাৰোঁতে সদাই এইৰূপ কাঠ এডোখৰকে খিলি কৰি কাঠত পোতে। কৰত খানো কেতবিলাক গজাল থকা যন্ত্ৰ মাত্ৰ। কৰতৰ দাঁতেই একোটা খিলি। বটালি কুঠাৰ দা কটাৰী ক্ষুৰ প্ৰভৃতি অস্ত্ৰেও এইৰূপ খিলিৰ কাৰ্য্য কৰে। কাঠ বাঁহ ইত্যাদি বস্তুৰ পৰমাণু বিলাক যৌগিকাকৰ্ষণৰ দ্বাৰাই ইমান কঠিনৰূপে যোগ হই থাকে যে তাক গুছাবলৈ এইৰূপ অস্ত্ৰৰ প্ৰয়োজন।

ইস্ক্ৰু বা পকোৱাযন্ত্ৰ। ইয়াৰ দ্বাৰা বস্তু ওপৰলৈ তোলাত আৰু অনেক কাৰ্য্যত বড় সাহায্য হইছে। এই

যন্ত্র পকোৱা পকি। কুঁহিয়াবৰ শালত, মেওখনীত আৰু বোতলৰ ঠিলা উলিওৱা যন্ত্রত ইয়াৰ উদাহৰণ দেখি। ইয়াৰে বোতলৰ ঠিলা উলিয়াওঁতে তাক প্রথমে ভিতৰলৈ পকাই থুমাই দিয়ে পাছে অলপ বলতে সেই ঠিলা ওপৰলৈ তুলি আনিব পাৰি। সেই ইস্ত্রুৰ পাকৰ দ্বাৰা সেই ঠিলাৰ বল ক্রমে কমে আৰু তাক অলপ বলেৰেই তুলিব পাৰি। পেড়া, দুৱাৰ ইত্যাদিতো কেতিয়াবা পকোৱা গজাল মৰা যায়। এই যন্ত্রৰ দ্বাৰাই বস্তু হেঁচিবলৈ বড় ভাল; কিতাপ বন্ধা বিলাকে এইৰূপ এক যন্ত্রৰ দ্বাৰাই কিতাপৰ পাত বিলাক হেঁচি ওখ বা বহল কিতাপকো চাপৰ আৰু চেপা কৰিব পাৰে। সিন্দুকৰ সঁচাৰ তালিতো ইয়াৰ নিয়ম দেখি।

ক, ব,

---

# ভূমিকম্প।

এই-বেলি ভাৰতবৰ্ষৰ অনেক ঠাইত ভূমিকম্প হইছে। আমি বোধ কৰোঁ ইয়াৰ বিষয় জানিবলৈ বহুতসংখ্যক পাঠকে ইচ্ছা কৰিব। ভূমি কম্প হোৱাৰ আগত ঘোড়াৰ গাড়ি অহাৰ দৰে এটা শব্দ শুনি। কেতিয়াবা সৰু এটা জোকাৰ মাৰে কেতিয়াবা ইটোৰ পাছত সিটো দুই তিনি মিনিট মান ঢো অহাৰ দৰে এটা বা দুটা বড় জোকাৰ মাৰে। তিনি মিনিটৰ অধিক কাল থাকিলে অনিষ্ট হয়। ওপৰত কোৱা সময়তকৈ সৰহ সময় ভূমিকম্প হই ইংৰাজি ১৮৬৮ সনত কাৰকৰ প্রদেশত বহুত হানি হ'ল। বিশেষতঃ ইটাৰ ঘৰ থাকিলে শীঘ্রে নষ্ট হয়। যেতিয়া ভূমিকম্প হয় তেতিয়া মাটিত বহা উচিত নহয় বা জোকাৰনিত পাৰি যাব পাৰে।

ইংৰাজি ১৬০৭ সনত আসাম দেশত বড় ডাঙৰ ভূমিকম্প হইছিল ; তেতিয়া অনেক হানি হ'ল। ভূমিকম্প হোৱাৰ বিষয়ে অনেক পণ্ডিতে অনেক ৰকমে কয়। বোধ হয় সকলো কাৰণ সঁচা। ঠাইএ ঠাইএ এক বা একাধিক কাৰণৰ পৰা ভূমিকম্প হয়।

১। পৃথিবীৰওপৰৰ পৰা পানী নিজৰি পৃথিবীৰ তলৰ তপত স্তৰত পড়িলে ভাপ হয় আৰু সেই ভাপ ওপৰলৈ আহোঁতে ভূমি কম্প হয়। অথবা পৃথিবীৰ তলত নানাবিধ প্ৰধানকৈ কাৰ্ব্বলিক বাষ্প গোট খাই সৰহ হ'লে ওপৰলৈ ওলাবৰ নিমিত্তে পুৰুষাৰ্থ কৰি ওপৰৰ হেঁচাদি থকা স্তৰ কি তৰপ ফুটাই সেয়েদি বাষ্প আহোঁতে ভূমি কঁপাই আহে অৰ্থাৎ ভূমিকম্প হয়। ২। কোনো ঠাইত মাটিৰ তলত য-খাৰ বীজ, চুনবীজ, মৃদ্‌বীজ ইত্যাদি কেত বিলাক ধাতু থাকে, তাত পানী লাগিলে ফুই উঠে আৰু তাতে ওহৰৰ বস্তু বিলাক দ্রৱ হয়, সেই দ্রৱ বস্তু বিলাক বেগেৰে আছাৰ খাই ঘোৱাত ভূমিকম্প হয় আৰু কেতিয়াবা মাটি ফুটি আগ্নেয়গিৰি হয়। অনেক বসায়ন বেত্তাই প্ৰমাণ কৰিছে যে লৌহ চূৰ্ণ আৰু গন্ধক দুইকো পানীৰে মিহলাই সানি মাটিত পুটি থ'লে অলপ সময়ৰ পাছত সেই মাটি কঁপিবলৈ ধৰে। আৰু এটা তেওঁলোকে প্ৰমাণ কৰিছে যে গন্ধকেৰে মিহলি লোহাৰ আকৰত পানী নিজৰি সোমাৰলৈ পালে ভূমিকম্প হয়। ৩। পৃথিবীৰ অন্তৰ ক্ৰমে চাপ খাই ঘোৱাত বাহিৰ ভাগ সদাই টান পৰি থাকে ; তাৰ কোনো ঠাইত ভাগিলে তাৰ ঘাবাই এটা শব্দ হয় আৰু চাৰিও কালৰ মাটি কঁপিবলৈ ধৰে। কোনো পৰ্ব্বতত গছ থাকিলে সেই গছ বহলি খাই আগ্নেয় গিৰিৰ ফুই উঠে. মাটিৰ তলত অনেক গন্ধকাদি দ্রব্য থাকে,

সেই দ্রব্য বিলাক তপত হই ওলাই আছে। আগ্নেয় গিরিত জুই উঠিলে ৫০। ৬০ মাইল মানলৈ হানি হয়। মরীপ পুঞ্জত গলগাংনামেবে এটা দীপ আছে, ইংরাজি ১৮২২ সনত জুলাই মাহত হঠাৎ এদিন তাব ওহুবব নৈব পানী তপত যেন বোধ হ'ল; পিছে অক্টোবব মাহত ভয়ানক ভূমিকম্প হ'ল আৰু তপত পানী, বোকা, গন্ধক, তাপ ইত্যাদি অতি বেগেবে ওপবলৈ উৎক্ষিপ্ত হ'ল; ৫০। ৬০ মাইল মানলৈকে বড় হানি হ'ল। ক, ব,

---

## মন।

১

মন তই কিয় এই দবে কুব লবি?
কিয় তই এনে ক'ই
মানুহক লগে ল'ই,
ঘুবি কুব যেনেকৈ গাড়ীব চকবি?
কিয় তই এই দবে
—শোকত ছিয়া বিদবে—
কব মানুহক নকবিবব চকবি?
মানুহব হৃদয়ত
কিয় তই অবিবত
নিশ্বাসে নিশ্বাসে ভিন্ন ৰূপেবে বিহবি,
হাতত্তে অমৃত দিয়
ক্ষণে আঁতবাই নিয়;
সমস্ত জগত দেখা এচমকা কবি?
মন তই কিয় এই দবে কুব লবি?

২

কিয় মন এনে তই! সদাই চঞ্চল?
সাগৰৰ মাজ জলে
ধুমুহা বতাহে পালে
নাও, কলনাও যেনে কৰে টলম
লোক হৃদি সাগৰত
চিন্তা বায়ুৰ কোৱত
কিয় মন তইও তেনে কৰ টলবল?
এক্ষন্তকো কাৰো গাৱে
নেথাক সুস্থিৰ ভাৱে
কুমাৰৰ চাক হেন ঘুৰিছ কেৱল,
কত কথা ভিনে ভিনে,
পাতিছ ভাঙ্গিছ দিনে;
ভঙ্গাকে পাতিছ ঘুৰি; পতা ঘুৰি গ'ল,
সকলো শেষত ঘুৰি অন্ত এটা হ'ল।

৩

কি দোষ কৰিলো মন তোৰ ওচৰত?
তাকে যে সুটুৱা মনে
ঘুৰাইছ ক্ষণে ঘনে
প্রতিকুল, অনুকুল বায়ুৰ কোৱত?
তাকে যে সুটুৱা মনে
দিনে দিনে ভিনে ভিনে
উটাৱ, বুড়াৱ সুখ দুঃখ সাগৰত;
তত্তালিকে ইঁহুৱাৱ;
তত্তালিকে কম্পুৱাৱ;
তত্তালিকে তোল সুখ-স্বর্গ ওপৰত;

মুবিবা সাবটি ধবি
অনুবা অপুবা কবি
ডুবাব অনন্ত দুখ নবক গর্ত্তত ;
কি দোষ কবিলো মন তোব ওচবত ?

৪

এতিয়াই স্বর্গ-সুখ হাতে হাতে দিলি ;
—সিংহাসনে বহুৱাই
দাসীবে পদ সেৱাই
সোনব মুকুট আনি মুবত পিন্ধালি ;
মনি মুক্তা সোনধন
আনি কত অগণন
কলহব মুখে মোব ভবিত ঢালিলি ;
বাজা মহাবাজ কত
পেলালিহি চবণত
কতনো সুখব গীতে কানক তোষিলি ;
এতিয়াই মুবি ধবি
সকলোকে নিলি হবি
কেবল ই লঠামুণ্ডা দেহক বাখিলি ;
—দুলাই বাটব সেই ভিখুক কবিলি।

৫

এতিয়াই কান্দিছিলোঁ দুখব ভবত ;
—দুঃখব সাগবে পড়ি
ঘুবিছিলোঁ উটিবুৰি
মন পাতটিব দবে চউব লগত ;
কত বিভীষিকা আহি
দিলে দেখা হাঁহি হাঁহি

দেখি তাক হাত-তবি লুকাল পেটত ;
কতনো দুখৰ ছবি
মূৰ্তিধৰি কাল ৰবি
উদিছিল এতিয়াই অন্তৰ পটত ;
এতিয়াই মন তয়
সকলোকে কৰি লয়
আনন্দৰ হাঁহি আনি ঢালিলি মুখত ;
—পুনৰ বুৱালি সেই অতুল সুখত।

৬

এই জগতত তই কিভাবিনো মন !
ৰখত চকৰি দে।
মেঘত বিজুলী দৰে
সাগৰত ঢউ দৰে ঘুৰ ঘনে ঘন ?
মানুহক এনে কৈ,
কৰিছ যে লৈ খৈ ;
আছে কি ইয়াৰ কোনো গুপুত কাৰণ ?
নহলে কি অকাৰণে
বজ চাৰবেই মনে
ঘটাইছ মানুহৰ জীৱন মৰণ ?
ভাবি ভাবি মন তোৰ
নেপালোঁ নেপালোঁ ওৰ
কি তোৰ মনৰ কথা, কি তোৰ কাৰণ ?
কিয়বা ইদৰে নিতে ঘুৰি ফুৰ মন ?

হে, চ, গো,

# ঘৈণীৰ কৰ্ত্তব্য ও স্ত্ৰী শিক্ষা।

সাংসাৰিক কাৰ্য্য ও ঘৈণীৰ কৰ্ত্তব্য শিক্ষাই স্ত্ৰী শিক্ষাৰ প্ৰধান লাগতিয়াল বিষয় বুলি ওপৰত যে লেখা গৈছে সেই সাংসাৰিক কাৰ্য্য ও ঘৈণীৰ কৰ্ত্তব্য কি, এতিয়া তাৰে বিচাৰ কৰা যাওক।

চোতাল ঘৰৰ পৰিষ্কাৰতালৈ চকু থোৱা, ল'ৰা ছোৱালীও অনুচৰবাদিৰ খোৱা লোৱা ও সুখ স্বচ্ছন্দতালৈ কাণ কৰা, গুৰুজন আৰু পৰিয়ালৰ ভিতৰৰ মানুহৰ প্ৰতি উচিত ব্যৱহাৰ কৰা ইত্যাদিএই সাংসাৰিক কাৰ্য্য। এই কাৰ্য্য বিলাকক এড়িও ঘৈণীৰ মুৰত আৰু দুটা বড় আৱশ্যকীয় কাৰ্য্যৰ ভাৰ থাকে আৰু থকা ও নিতান্ত যুক্তিসঙ্গত। ইয়াৰে প্ৰথমটি বন্ধা বঢ়া, দ্বিতীয়টি বোৱা কটা।

যি কাৰ্য্যৰ লগত জীৱনৰ সম্পৰ্ক, যি কাৰ্য্যৰ ওপৰত জীৱনৰ অস্তিত্ব নিৰ্ভৰ কৰে, সেই কাৰ্য্যটি কিমান ডাঙৰ তাক সহজেই অনুমান কৰিব পাৰি। আমাৰ পূৰ্ব্ব পুৰুষ বিলাকে "বন্ধা বঢ়া" কাৰ্য্যৰ এই গুৰুত্ব অনুমাণ কৰিএই,এই মহৎ কাৰ্য্যটি আমাৰ ঘৰৰ ঘৈণীৰ ওপৰত নিৰ্ভৰ কৰি গৈছিল। গৃহস্থৰ ওপৰত অনেকৰ আক্ৰোশ আৰু তেওঁৰ লগত অনেকৰ মনান্তৰতা থাকিব পাৰে—ই গৃহস্থৰ সৎ বা অসৎ স্বভাৱৰ বা কাৰ্য্যৰ পৰাও হয়, আৰু ই সংসাৰাশ্ৰমস্থ প্ৰাণীৰ এটি দুৰ্নিবাৰ্য্য আনুষঙ্গিক বুলি ও ধৰিব পাৰি। বহুত ঠাইত নানা কাৰ্য্য গতিকে অনেক গৃহস্থৰ মাইকী ধনী বিলাকৰ জীৱন সদাই সশঙ্কিত—ধনীৰ ধনলৈ সকলোৱে চকু। কেনেকৈ তাক মাৰি তাৰ সম্পত্তি আত্মসাৎ কৰিব পাৰি, দুৰভিসন্ধিপূৰ্ণ মানুহৰ প্ৰায়েই এইটো চিন্তা। এনে

অন্নহাত যদি গৃহস্থৰ ভোজনৰ কাৰ্য্য তেওঁৰ প্ৰাণলৈ মৰম থকা এজনা লোকৰ ওপৰত নিৰ্ভৰ নকৰি যাৰে তাৰে ওপৰত বিশ্বাস কৰি, যাৰে তাৰে হাতে খাবলৈ ধৰে ভেনে হলে সেই জনা গৃহস্থৰ সংসাৰৰ ভাত টুটি অহাকে যুগিব পাৰি। ভোজনৰ উত্তমতাই শাৰীৰিক ও মানসিক উন্নতি বিধান কৰে, আয়ুঃ বৰ্দ্ধন কৰে, আৰু ভোজনৰ অপকৰ্ষতাই শৰীৰ ও মন অবনত আৰু আয়ুঃশ্ৰী হীন কৰে। এই বিলাকক ভাবি চিন্তি আমাৰ পূৰ্ব্ব পুৰুষ বিলাকে বন্ধা বঢ়াৰ ভাৰ, বড় সদ্বিবেচনা কৰি, সাংসাৰিক অভিজ্ঞতাৰ গুণেৰে আমাৰ ধৈণীসকলৰ ওপৰত অৰ্পণ কৰি গইছে। কিন্তু বড় পৰিতাপৰ বিষয় আজি কালিৰ "বাবু" বা ডেকা সকলে আখলৰ চৌকাৰ তলৰ জুইৰ তাপত নৱনী সদৃশ প্ৰিয়তমাৰ সুকোমল শৰীৰ উতলি যায় বুলি নানা চাইৰ পৰা চাঙ্গমাই বা বান্ধনি বামুণৰ "আমদানী" কৰিবলৈ ধৰিছে। ইয়াৰ পৰা যে আমাৰ ধৈণী বিলাক কেৱল নিচেই অকামিলাহে হয় এনে নহয়, ইয়াৰ পৰা গৃহস্থৰ খোৱাত তৃপ্তি নহয়, আৰু অন্নহা অনুসৰি জীৱনতো শঙ্কা হয়। চিৰদিন কাৰো সমানে নেযায়, দুবন্নহাত পৰিলে ধনদি বান্ধনি মানুহ যথা যেতিয়া কষ্টসাধ্য হই উঠে, তেতিয়া এই কাৰ্য্য পুনঃ ধৈণীৰ মুখতে জাপি দিব লগিয়াত পৰে। অনভ্যাসত এনে এটিবিদ্যা নষ্ট কৰা বা বিলাসিতাৰ বশীভূত হই বা সুকোমল শৰীৰা দেখুৱাই এনে মহৎ কাৰ্য্য এটালৈ হেলা কৰা নিতান্ত অন্যায়।

আমাৰ মাতৃ সকলে জিয়াৰী বিলাকক এই বন্ধা বঢ়াৰ কাৰ্য্যটি বিশেষকৈ শিকাব লাগে আৰু আমাৰ ধৈণীসকলেও কণিক জুইৰ তাপক ভুলেহে ভয় কৰা যেন অনুমান নকৰি,

আমীক বাঙ্গনি মানুষর "কবমায়েস" নিদি নিজেই এই বড় লাগতিয়াল কার্য্যটি শিকিব লাগে। শিবিয়েকর ঘবলৈ আহি জিয়াবী যেতিয়া বোৱাবী হয়হি, যদি সেই বোৱাবী ভাগ্যক্রমে শাহু আইব তলত পড়েহি তেন্তেহলে শাহু আই সকলে বোৱাবীক যথোচিত শিক্ষা দি পাকত তুলি লয়। আমাব অধিকাংশ শাহু আই এই পক্ষে বড় চোকা—* তেওঁলোকে বোৱাবীক বাঘব চকুবে চায়, মাকব মবমেবে স্নেহ কবে, আক নবদম্পতীব ভবিষ্য-জীৱনব সুখ আকাঙ্ক্ষা কবিএই বোৱাবীয়েকক কষ্ট দি ও বোৱাবীয়েকব অনিচ্ছা থাকিলেও সৎকার্য্যব নিমিত্তে বড় পীড়াপীড়ি কবে। কোনো কোনো জনা বড় দুর্ব্বৃত্তা শাহুও আছে; তেওঁলোকে বোৱাবীক বড় ক্রুব আক সদাই কুপিত অন্তঃকবণেবে শাসন কবে; আমি ইয়াত সেই বিধীয়া শাহু আইলৈ আমাব সাতুটি লেৱা জনাই আমাব বিবৰত ধবোঁ।

বোৱা-কটা। ষষ্ঠ সংখ্যা "বন্ধুব" ১৮৬ পিঠিত আমাব বিজ্ঞ লেখক এজনে এই বিষয়ব সম্পর্কে কেটামান বড় সুন্দব সুন্দব কথা লেখিছে। আমাব নিবেদন এই যেন আমাব ডেকা সকলে এই বিলাক কথালৈ অলপ মন যোব পুন্ধায়। এই "বোৱা-কটা" কার্য্যটি আমাব বৈশী সকলব বড় লাগতিয়াল বস্তু। এই কার্য্যটি বৈশীব অর্থ সঞ্চয়ব উপায়, দুঃখব সহায়; এই কার্যটিও আমাব বৈশীব বুদ্ধি বর্দ্ধন কবে; ইয়াক শিকি উঠিব পাবিলে নিজব গৌবব বাঢ়ে আক এই কার্য্যব দ্বাবা অদেশীয় শিল্পব উন্নতি-পথ বিস্তৃত হই

* কথাতে কয় "শাহুবে শিকোৱা বোৱাবী বাঘা বাঘে খাবলৈ পাচলী ধাবা।"

থাকে। আমাৰ অসমীয়া গাভৰুৰ হাতত যি সুন্দৰ কাৰু-কাৰ্য্য-খচিত, গুণাৰ বন কৰা, পাৰি দিয়া খনীয়া আৰু চেলেং, বিহা প্ৰভৃতি বোৱা হয়, সেই কাপোৰ বিলাক অন্যান্য দেশৰ মানুহৰ চকুত পৰিলে সিহঁতৰ চকু চৰ হয়।

আজি কালি যৈণী সকলে সান্তাতে বিলাতীসুতা পাই আমাৰ কপাহৰ পৰা সুতা কটা বিদ্যাটি একেবাৰেই এৰি পেলাইছে বুলিবই পাৰি। কিছুমান বছৰৰ পাছত গৃহস্থৰ ঘৰত দুপৰ নিশালৈকে জঁতৰৰ ঝঙ্কাৰ শুনা গইছিল—তোজনৰ অন্তত বোৱাৰী জিয়াৰী বিলাকে নানাবিধ সুখ-দুঃখৰ আলাপ, বহস্য বা সাধু কথাদি কই চাবি পাঁচ নেচা সুতা কাটিছে শুই-ছিল; কিন্তু আজি-কালি সময়ৰ পৰিবৰ্ত্তনত তেওঁলোকৰ ৰুচিৰো পৰিবৰ্ত্তন হইছে, আৰু আগৰ দৰে এতিয়া এই সুতা-কটা কাৰ্য্যটিক কোনো লাগতিয়াল বনৰ ভিতৰত গণ্য কৰা নেযায় এনে কি এতিয়াৰ বোৱাৰী-জিয়াৰীৰ হাতৰ লগত জঁতৰ আদি সুতা-কটা যন্ত্ৰবিলাকৰ ইমান সম্পৰ্ক হইছে যে অধি-কাংশ গাভৰুএ জঁতৰ "যেঁওকে" দিব নাজানে। বিলাতী-সুতাৰ মুটৰি লই মাৰোৱাৰী-ভাৰা গাঁৱলীয়া মানুহৰ আগ্-চোতালো পাইছেগৈ এনে অৱস্থাত আহে লাহে গাঁৱলীয়া গাভৰুএও বঙালী সুতাবেহে কাপোৰ ৰ'ব পৰা হৈ আহিবলৈ ধৰিছে। যেচোৱা গৃহস্থে ধন ক'ত পাই? অতি কষ্টে বাড়ীৰ তামোল চাইটা পান চাবিখিলা যেটি বছেকেৰৰ বাজহৰ ধন কেবিকে উলিয়াৰ লোৱাবে. তাৰ ওপৰত যৈণীৰ আদেশ পাইল—লবা ছোৱালীৰ বেহুৰোলত সুতা কাটিব নোৱাৰি, বিলাতী সুতা কিমি দিব লাগে, তেহে ঘৰত কাপোৰ ৰ'ব পাৰি। তোমো কেনেনো জনা গাভৰু আৰ্কো ইয়াতকৈ ও এদোপ আগ বাঢ়ে, তেওঁলোকে ঘৰত

কাপোর ধরলেকে আজবি নোপোত্তা হয়—ইচ্ছা যেন একেবারেই বিলাতী কাপোরেই চলে। কার্য্যত আমি ইমান আগ বাড়িছোঁ।।

এই বিষয়ে বহুত গাত্তক বিলাকে মোক জকুটি করিব পারে, আক দোষটি ডেকার ওপরতো কিছু পরিমাণে পেলাই ঠেঁও লোকে হয়তো কব যে "বঙ্গালী বা বিলাতী কাপোর মহলে এতিয়ার ডেকার গা নাহে, ধুন নহয়, আমি কি করিম?" বাস্তবিকেই এই আপত্তিটো গোটেই অমূলক বোধ নহয়; কিন্তু বিবিলাক ধরর কাপোরত গাও আছে, ধুনো হয়, দেশর দুরদৃষ্ট ক্রমে আজি কালি সেই বিলাক কাপোরো ধরত তৈয়ার নহয়, সেই বিলাককো দোকানত বিচারিলেহে কাজ চলাত পড়িছেহি। আজি কালি মিহি সুতার চাদর ধরত তৈয়ার করিব পরাতো দোকানর পরা আনিলেহে হয়, জাবর অমোঘ অস্ত্র দীর্ঘকালস্থায়ী এড়িব বড় কাপোর ধরত তৈয়ার করিব পরাতো দোকানর লোম-নির্ম্মিত মরাপাট মিহলি বেপরাদি ললেহে কাম চলে। ইয়ার কারণ কি? প্রধান বৈশী সকলে দোকানত সুতা আক কাপোরর আধিকা দেখি এই কার্য্যটিলৈ একে বারেই পাচ দিছে। এই সৎকার্য্য-বিলাকর লোপ করা বড় অন্যায়।

একেবারেই যে আক এই কার্য্যটি লোপ হ'ল এনে নহয় আক ইয়রে ও নকরোক—আছে, আজি কালি বহুত ঠাইত নহলেও ঠাই বিশেষে প্রায় ব্রাহ্মণর ধরত কোনো কোনো বৈশীর হাতত "পাঁজি" দেখিবলে পোরা যায়, কিন্তু অধিকাংশর লগুণর মিহিতে সেই বিলাক পাঁজি কাটে, আক গাঁরর ভিতরর বি মানুহ একে বারেই "বারং নবরং

নচ বাবিপাত্রং" সিহঁতেই হে ধৰত সুতা কাটি কাপোৰ বয়, যদি কেনেবাকৈ মাৰোৱাৰি বাবু হঁতে লগুণকো আমদানি কৰিব পাৰে, তেতিয়াহে জনা যাব যে দেশৰ পৰা "বোৱা-কটা" কাৰ্য্যটিএ আক আঁক মোচে। আগেএ দেশত কপাহৰ যিমান আদৰ আছিল আজি কালি সিমান নাই, আগেএ কপাহৰ পৰা ক্ষেতিয়কে যিমান লাভ কৰিছিল এতিয়া সিমান কৰিব নোৱাৰে। আগেএ এড়িও মুগাৰ যিমান ক্ষেতি হৈছিল, এতিয়া তাৰো সিমান নহয়—এতিয়া এড়িৰ সেৰে দহ টকা আক মুগাৰ বাৰ টকা! ইয়াৰ যাই কাৰণ ক্ষেতিয়কে ক্ষেত নকৰে।—কিয়? নে, আগৰ দৰে মানুহে তাক খেদ কৰি নিবিচাৰে। নিবিচাৰে কিয় বুলি যদি আৰ্কো কোনোবাই শোধে তেনেহলে ক'বই লাগিব যে যৈণীবিলাকে ধৰৰ জেঙ্গা জোট দেখুৱাই এতিয়া আগৰ দৰে দুঃখ স্বীকাৰ কৰি এৰিয়া আক মুগাৰ কাপোৰ বৰলৈ বড় অজা নকৰে। যিকিহক, আক বহুত কোৱা অনাৱশ্যক। ইয়াকে দেখুৱালেই বহুত হব যে যৈণীএ যদি কপাহৰ সুতা কাটি কাপোৰ বই ধুণৰ তুনোপোৱা গৃহস্থ বিলাকক দিয়ে বা বান্দীবেটী বিলাকক আক লবা ছোৱালীকে কাপোৰ যোগায়, তেও বছেৰেকত কাপোৰৰ খৰচৰ নিমিত্তে অতি কমে ও প্ৰায় গৃহস্থৰ গড়ে দহটকাকৈ ৰূপ বাখিব পাৰে, আক কোৱা অনাৱশ্যক যে সেই টকা যৈণীবেই।

এই "বোৱা কটা" আক "বস্ত্ৰা-বয়া" এই কাৰ্য্য দুটা বিজনা যৈণীএ নাজানে, তেওঁ তিকতা হই ও মতা তেওঁএই সদানন্দময় কোৱা "ভাৰ্য্যা—স্বামীৰ গলগ্ৰহ, ধাৰৰ পথ, অলকাৰ কোৱা গাৰ" ইত্যাদি ইত্যাদি। ব, সহক,

# আসাম-বন্ধু।

মাসিক পত্র।

"নচ জ্ঞানাৎ পৰং বলম্।"

প্রথম খণ্ড। ] আঘোন শক ১৮০৭, ইংরাজী ১৮৮৫। [ একাদশ সংখ্যা।


## আগৰ দিন এতিয়াৰ দিন।

বিষয়াৰ তিকতা—বজা অভিষেক।

বজাৰ কেইবা জনাও কুঁৱৰী। তাৰে পৰ্ব্বতীয়া কুঁৱৰী ও বাইডঙীয়া কুঁৱৰী প্রধান। এই দুজনাৰ এজনা কোনো সময়ত দুইও জনাই, বজাৰে শিঙৰী ঘৰত উঠি সিংহাসনত বহে। প্রধান জনাক বড় কুঁৱৰী বোলে। কুঁৱৰী কেই জনাৰ একোখান মেল আৰু তাৰ কার্য্য চলাবৰ বিষয়া থাকে। যাৰ মেল সেইজনা কুঁৱৰীএ মেলৰ উপস্বত্ব পায়। চমুৱা কুঁৱৰী নামে নিম্ন শ্রেণীৰ কুঁৱৰীৰ মর্য্যাদা বড় কুঁৱৰীৰ সমান নহয়। অৰ্থ দেৱৰ অনেক লিগিৰা আৰু লিগিৰী থাকে। কোনো লিগিৰাক ভাল বিষয় দিব পাৰে আৰু চমুৱা

লিগিৰীকো চমুয়া কুঁৱৰী মর্য্যদা দিয়ে। কুকন বঙ্কুৱাৰ লৰাও লিগিৰা সোমায়। বজাৰ কুঁৱৰী আৰু লিগিৰী "পর্দ্দানিশী" নহয়। তেও বিলাকে প্রকাশ্যে ওলাই সোমাই কুৰে। কুঁৱৰী সকলৰো লিগিৰা আছিল। আহোমৰ কুকন ডাঙ্গৰীয়া সকলোৰো লিগিৰা লিগিৰী থাকে। ব্রাহ্মণ মহন্ত কায়স্থ কলিতা কেওট প্রভৃতি উচ্চ জাতিৰ লোকেও লিগিৰা মোমাইবলৈ স্পৃহা কৰে। লিগিৰাৰ ভিতৰ বাহিৰ বিশেষ নাই। বহুনাৰীসঙ্গ বা বহু বিবাহ আহোমৰ নিষেধ নাই। লিগিৰীৰ ভিতৰত প্রিয় সকল "হাতৰী" বা "গাছোৱা" এই প্রকাৰ অনেক লিগিৰীত উপপত্নিৰ সম্বন্ধৰ অনেক আভাষ দেখি।

বজা পাটত বহিও শিঙ্গৰী ঘৰত মুচেমানে বজাৰ পূর্ণ অভিষেক নহয়। শিঙ্গৰি ঘৰত উঠা অভিষেক কার্য্যত আহোম আৰু বৈদিক দুইৰো কর্ম্ম মিহলি। চড়াই দেও পর্ব্বতৰ ওচৰত বা নগাৰৰ ওচৰৰ কোনো বহল ঠাইত স্বর্গ দেৱৰ বাহৰ হয়। তাতে শিঙ্গৰী কাঠৰ তিনটা ওখ চাঙ্গৰ কৰা হয়। নানা তীর্থৰ জল আৰু হিন্দু আৰু আহোম মতৰ নানা মঙ্গলৰ বস্তু আয়োজন কৰা হয়। দেশৰ সকলো মহন্ত আৰু বিষয়া সেই ঠাইলৈ গাই একত্রিত হয়। শিঙ্গৰী ঘৰত উঠিবৰ পূর্ব্বদিনা অধিবাস। আহোমৰ বাইলুঙ্গ আৰু হিন্দুৰ জ্যোতিষীয়া সকলে শুভ লগ্ন স্থিৰ কৰি দিয়ে। আহোমৰ পুৰহিত দেওধাঁই বাইলুঙ্গে কুকুৰাৰ চেঙেৰে মঙ্গলামঙ্গল পৰীক্ষা কৰে, পাছে শুভ লগ্ন উপস্থিত হলে স্বর্গদেৱৰ প্রধান মহিষী জনাই সইতে শিঙ্গৰি স্নান মণ্ডপলৈ যায়। তাতে তীর্থৰ জলেৰে আৰু আম সুবাসিত নানা বস্তুৰে আহোম আৰু ব্রাহ্মণ পণ্ডিতৰ উচ্চাৰিত মন্ত্রেৰে স্বর্গদেৱে সস্ত্রীক স্নান কৰে। এই ঘৰৰ ভিতৰত দুজন মানুহ কথা

হয়। স্বর্গদেৱে স্নান কৰা জল এই মানুহৰ মুৰত পৰে। স্বর্গদেৱৰ স্নান শেষ হলে এই দুজনক এচক্ ৰূপ এচক্ সোন দি খেদাই দিয়া হয়। ইহঁতে মুৰি নগৰৰ ফালে মেচাই নগৰৰ পৰা বাজ হই দেশ চাবি যায়। ইহঁত যি মেল বা খেলৰ মানুহ তাৰ পৰা ইহতঁক কটা হয়। এই দুজন মানুহক "নেওচা যোৱা" বোলে। লোকৰ বিশ্বাস যে এই দুজনেই বজাৰ আৰু বাইজৰ অমঙ্গল নেওচা লই যায়। গুৱালপাড়া জিলাত এই ৰূপ নেওচা যোৱা লোকৰ সন্ততি এতিয়াও আছে।

স্নানৰ পাছত অভিষেক হোৱা শিজৰী ঘৰটোলৈ সভাৰ্য্যে স্বর্গদেৱ যায়। তাতে আহোম আৰু বৈদিক মতে বাইলুজ মহন্ত পণ্ডিত সকলে বজাক শান্তিকৰি পুষ্প চন্দন মালা দি অভিষেক কৰে। ডাঙৰীয়া সকলে সেই ঘৰলৈ উঠি স্বর্গদেৱক সেৱা কৰে আৰু বাইজে মাটীৰ পৰা সেৱা কৰে জয়ধ্বনী হয় শঙ্খ ঘণ্টা দৰা নানাবিধ বাজনা বজোৱা হয়। ঘোঁড়া হাতীৰ দ্বাৰা ধ্বনী কৰোৱা হয়। ব্রাহ্মণ মহন্ত আৰু আন সকলক দান দক্ষিণা দিয়া হয় স্বর্গদেৱে ভোজন সেই ঘৰতে কৰে। আৰেলি হাতীৰ যুদ্ধ। নাচ বাজনা আৰু আন অনেক ক্রিয়া কৰা হয়। বিষয়া সকলে স্বর্গদেৱক উপঢৌকণ দিয়ে আৰু স্বর্গদেৱে বিষয়া, মহন্ত পাইক সকলোকে যথাযোগ্য বঁটা বাহন দিয়ে। স্বর্গদেৱে এই সময়তে আহোম মতে নাম লয়। আহোমৰ ফুহুৰাৰ চেঙৰ দ্বাৰা মঙ্গল ঢোলা দিয়ম। স্বর্গদেৱৰ এই নাম কৰণ হোৱাত ফুহুৰা চেঙৰে বাইলুজ মঙ্গল চায় আৰু আহোমৰ পুথী পাঠি দেৱ হাঁকাৰে। বন্দী খালাত যি বিলাক বন্দীয়ায় থাকে সেই বোৰক মুক্তি দিয়া হয়। বজা শিজৰী ঘৰত উঠা এটা প্রধান উৎসৱ। সেই দিনা দিনে

বাতিএ অৰ্গদেৱ সেই শিৱৰী ঘৰত থাকে। শিৱৰী ঘৰত উঠিলেই বজা পূৰ্ণাভিষেক হয়। আহোমৰ এটা নিয়ম এই যে কোনো জনা বজাৰ শ্ৰাদ্ধ হলে বা বজাৰ ঘৰত ভোজ হলে আগৰ বজা সকলৰ নামে গাঁই পতি সাজ দিয়া হয়। যি সকল বজাই শিৱৰী ঘৰত উঠা নাই সেই সকলৰ সাজ শিৱৰী ঘৰত উঠা বজাৰ সাবিত দিয়া নাযায়।

---

## পুৰণি গুৱাহাটী নগৰ।

গুৱাহাটী অতি প্ৰাচীন নগৰ। অধিক কি সত্য যুগতো এই নগৰ আছিল। হিন্দুমতে ব্ৰহ্মা ৱপী ঈশ্বৰৰ পুত্ৰ নৰক কামৰূপৰ বজা আছিল আৰু তেওঁৰ ৰাজধানী এই গুৱাহাটী। ইয়াৰ দক্ষিণ পশ্চিমৰ এটা পৰ্ব্বতক এতিয়াও নৰকাসুৰৰ পৰ্ব্বত বুলি কয়। ইয়াৰ ওচৰতে এটা পুৰণি আলী অসুৰৰ আলি বুলি প্ৰসিদ্ধ। নৰকৰ পাছত ভগদত্ত বজাৰো গুৱাহাটীএই ৰাজধানী আছিল। সেই সময়ে ইয়াৰ নাম প্ৰাগ্‌জ্যোতিষ্পুৰ। এই শব্দৰ অৰ্থৰ ভাবাই ই যে প্ৰাচীন কালত জ্যোতিৰ্ময় আৰু সুন্দৰ আছিল কোনো সন্দেহ নাই। কোনো কোনো পুৰাণত এই নগৰৰ বিৱৰণ পোৱা যায়। কিন্তু কোনো ঠাইত বজাৰ ঘৰ আছিল বা আন কি কত আছিল তাৰ একো নিৰ্ণয় কৰিব নোৱাৰি। শকাব্দ পৰিমাণৰ পঞ্চম শতাব্দীৰ মধ্য ভাগত চীন দেশৰ বিখ্যাত পৰিব্ৰাজক হিয়ানশাঙ মধ্য এছিয়া হই কাবুলেৰে ভাৰতবৰ্ষ প্ৰবেশ কৰি নানাদেশ দৰ্শন কৰি কামৰূপলৈ আহে। সেই সময়তো এতিয়াৰ দৰে গুৱাহাটী নগৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ দুইও ফালত আছিল।

সেই সময়তো ইয়াৰ প্রাগ্‌জ্যোতিষ্পুৰ নামেই প্রসিদ্ধ। সেই সময়ৰ এই নগৰৰ ৰাজা ভাস্কৰ বর্ম্মা আছিল। তেঁও জাতিত ব্রাহ্মণ আছিল। ক্ষত্রিয়ৰ "বর্ম্মণ" উপাধি। ব্রাহ্মণৰ উপাধি "শর্ম্মা"। বর্ম্মা উপাধিৰ দ্বাৰা তেঁও যে ক্ষত্রিয় আছিল এনে বোধ হয়। চীন পৰিব্রাজকে অনুমান হয় ভাস্কৰ ৰজাক ব্রাহ্মণৰ স্বভাৰ বিশিষ্ট আৰু উপবিতধাৰি দেখি ব্রাহ্মণ বুলি সিদ্ধান্ত কৰিব পাৰে।

কামৰূপ ৰাজ্য দুভগীয়া হোৱাত এই নগৰ হতশ্রী হল। তথাপি ইয়াৰ কোনো কোনো ঠাইত পূৰণি অনেক কীর্ত্তি আজিলৈকে দেখিবলৈ পোৱা যায়। আজি সাত শ বছৰ মান হইছে ৰখতিয়াৰ খিলিজীএ কামৰূপ আক্রমিবলৈ আহোতে প্রাগ্‌জ্যোতিষ্পুৰ নগৰ আছিল। কিন্তু হিয়ান শাঙৰ সময়ৰ দৰে নাছিল। পাছে কামৰূপ যেতিয়া কোছ বেহাৰৰ ৰজাৰ আৰু মুসলমানৰ অধীন হল তেতিয়াও গুৱাহাটী নগৰ আছিল। মুসলমানক খেদি যেতিয়া আহোমে কামৰূপ অধিকাৰ কৰিলে তেতিয়া গুৱাহাটী নগৰত ৰাজ প্রতিনিধি বড়ফুকন থাকিব লগিয়া হোৱাত ইয়াৰ অৱস্থা অলপ পৰিমাণে ভাল হল। এই নগৰৰ গুৱাহাটী নাম কেতিয়াৰ পৰা হ'ল তাক নির্ণয় কৰা টান আৰু কি কাৰণৰ পৰা হ'ল তাকো নির্ণয় কৰা কঠিন। কোনোএ কয় গোলে গুহ অর্থাৎ কার্ত্তিকে এখন "হট্ট" বা ৰজাৰ নির্ম্মাণ কৰিছিল' সেই কাৰণত এই নগৰৰ এই নাম দিয়া হইছে। কোনোএ কয় গুৱাক বা গুৱা (তামোল) গাছ-হাটী মতে সৰহকৈ থকাত ইয়াক গুৱাহাটী বোলে। হিয়ান শাঙে যি বিৱৰণ লেখিছে তাত লেখা আছে যে প্রাগ্‌জ্যোতিষ্পুৰ কামৰূপত নাৰীকল আৰু তামোলৰ গাছ সময়।

কোনোএ কয় এই নগাৰৰ কেইও ফালে পৰ্ব্বত থকা দেখি ই পৰ্ব্বতৰ গুহা সেই কাৰণে ইয়াক গুহা শ্রেণী বা গুহা আটী বা গুহাটী বোলে। বস্তুতঃ গুৱা বা তামোল অথবা গুহা শব্দৰ পৰাই গুৱাহাটী নাম উৎপত্তি হোৱা অনুমান হয়।

ইয়াৰ মাজতো গুহা শব্দৰ পৰাই সেই নামৰ উৎপত্তি অতি সঙ্গত হুইছে। উজাই আহি একালে নীলাচল পৰ্ব্বত একালে সবাইচকীৰ পৰ্ব্বত ইয়াৰ মাজে আহিলে গুৱাহাটী খান গুহাৰ দৰে দেখি। গুৱাহাটী পুৰাণ মতে পুণ্যক্ষেত্ৰ কামৰূপৰ আন ঠাইৰ দৰে ইয়াতো মানুহে মৰিবৰ সময়ত দক্ষিণ কৰ্ণ ওপৰকৈ মৰে। ইয়াৰ কাৰণ এই যে মৰিবৰ সময়ত তাৰ সোঁও কাণত স্বয়ং মহাদেৱে তাৰক ব্রহ্ম নাম দিয়ে। তাৰ ফলে তাৰ অনায়াসে মুক্তি পদ লাভ হয়। এইটী পৌৰাণিক আৰু তান্ত্রিক মত। এই নগাৰ পঞ্চ তীৰ্থৰ মাজ। গুৱাহাটীৰ (অনুমান কৰা) ভড়লুৰ মুখত স্নান কৰি উঠিলেই পঞ্চ তীৰ্থলৈ চকু পড়ে। যেনে নীলাচল, অশ্বক্রান্ত, মণিকৰ্ণেশ্বৰ বা ৰুদ্রেশ্বৰ, উমানন্দ আৰু শুক্রেশ্বৰ আছে। সেই কাৰণে অনেক প্রাচীন লোকে গুৱাহাটীত মৰিবলৈ বাঞ্ছা কৰে।

ব্রিটিশ গৱৰ্ণমেণ্টে এই দেশ অধিকাৰ কৰাৰ পূৰ্ব্বে গুৱাহাটী নগাৰৰ কেনে অৱস্থা আছিল তাক আমি লেখিবলৈ ইচ্ছা কৰোঁ। গুৱাহাটী নগাৰ ব্রহ্ম পুত্রৰ দুইও পাৰে। দক্ষিণ পাৰে ইয়াৰ সীমা পশ্চিমে ভড়লু দক্ষিণে ভড়লু আৰু চলাবিল পূবে জয়দুৱাৰৰ চকী আৰু ফাৰ ঘৰৰ চকী উত্তৰে ব্রহ্মপুত্র। এপাকে চালে পশ্চিমে নীলাচলৰ চেঙৰ অলপ ভাটী দুৱাৰগড়ীয়াৰ চকিৰ পৰা জয়দুৱাৰৰ চকী পর্য্যন্ত গুৱাহাটী নগাৰ। দীৰ্ঘে প্রায় চাৰি মাইল আৰু প্রস্থে

পৰা সেই চকী প্ৰায় ২॥ মাইল। পথালীএ গড়ে আধা মাইল উত্তৰ গুৱাহাটী হলে সবাই চকীৰ পৰা বজাদুৱাৰ পৰ্ব্বতে ৫ মাইল মান দীঘল অৰ্থাৎ পথালীএ গড়ে আধা মাইল মান হব কামৰূপৰ পৰগণা বণ্ডোবস্ত মতে গুৱাহাটী বৎশৰ পৰগণাত পড়ে। ইয়াৰ পুবদক্ষিণ পশ্চিমে বামশা পৰগণা। প্ৰকৃত প্ৰস্তাবে হলে দক্ষিণ পাড়ে পশ্চিমে ভৰলু পুবে চিত্ৰাচল উত্তৰে ব্ৰহ্মপুত্ৰ ভৰলু আৰু চলাৰিল এই গুৱাহাটী। উত্তৰ পাড়ে হলে অশ্বক্ৰান্তৰ পৰা বজাদুৱাৰ পৰ্য্যন্ত গুৱাহাটীৰ সীমা। গুৱাহাটীৰ উত্তৰ পাড়ক পানীফুকনৰ পাৱো বোলে। অশ্বক্ৰান্তৰ সমীপতে পানীফুকণ নামে বড় ফুকণৰ অধীন এজন প্ৰধান ফুকণৰ নগৰ আছিল। গুৱাহাটীৰ উত্তৰ পাড়ে তিনি খান প্ৰহৰিস্থান বা চকী। এই চকীত চকীয়াল বিষয়া থাকে। প্ৰথম সবাই চকী। দ্বিতীয় অশ্বক্ৰান্তৰ চকী। তৃতীয় বজাদুৱাৰৰ চকী। এই তিনি চকীৰ অধিপতি পানী ফুকণ। গুৱাহাটীৰ ই পাড়ে দুৱাৰ গড়ীয়া চকী। ধৰম দুৱাৰৰ চকী। আৰু জয় দুৱাৰৰ চকী। ইয়াৰ ওচৰতে কুকুৰা কটা প্ৰাচীন চকী। জয়দুৱাৰৰ চকী চিত্ৰাচল বা নবগ্ৰহৰ পৰ্ব্বতৰ অলপ ওপৰে। লুইতৰ কাণে ক্ষাৰ ঘৰৰ চকী ক্ষাৰ ঘৰৰ ঘুলীৰ ওচৰত। ইয়াৰ উজনীত্ৰ পানীখাঁতীহতৰ এখান চকী আছিল।

ভঁড়লুৰ ওপৰত এখান কাঠৰ দলঙ আছিল। তাত পহাৰীএ পহাৰ দিছিল। তাৰ অলপ পশ্চিমে "দোপদৰ" নামে এটা বড় ঘৰ আছিল। এইটো বড় ফুকনৰ মেল বা সভা ঘৰ। লুইতৰ কাণে ইয়াৰ ওচৰে আৰ্জি খোৱা নামে এটা গড় আছিল সেই গড় ভঁড়লুৰ মুখতে শেষ হইছে সেই কাৰণে ভঁড়লু মুখৰ পশ্চিম ঠাই ডোখৰক গড়চুক বোলে।

এই ঠাইত ডোমগাঁও আছিল। দুয়াবগড়ীয়াব চকীব পবা নীলাচলব চেঙ্গ আৰু দুর্গা সবোবব আৰু দোবদবব কাণেই বাট আহি দলঙত শেষ হইছে। সেই ঠাইব পবা এটা বাট লুইতব ফালে আৰু এটা উজাই পুবব ফালে মাছ খোৱা আঠ-গাঁও সাত গাঁওব মাজে চলাবিলব কাণে গই লাখটকীয়াব আলীত মিলিছে। ভঁড়লুব মুখবে পবা এটা আলী লুইতব দাঁতীএ দাঁতীএ আৰু শুক্রেশ্বৰব পুবেবে গই এতিয়াব জজ কমিশ্বনব সাহাবব বাঙ্গালাব পুবেবে লুইতব ফালে গই খুকুব লীয়া ডোম গাঁওব পুবে এতিয়াব বিচেচ সাহাবব পর্ব্বতব সেই খিনিতে শেষ হইছে। তাব পবাও উজাই বাট এটা আছিল। জজ কমিশ্বনব সাহাবব বাঙ্গালাব সেই খিনিব পবা এটা বাট পুব ফালে ক্ষাব ঘবব চকী হই পানী খাতি পর্য্যন্ত গইছে। ভঁড়লুব মুখব পবা আন এটা বাট উজাই গই এতিয়াব কৈয়াপটী আৰু ফাটকব ওচবেবে গই এতিয়াব পান বজাবব ফালে গইছে আৰু এটা বাট ফৌদাব গাঁওব ওপবে লাখটকীয়াব ভিতবেবে উজাই গই চলাবিলব কাণে যোৱা বাটেবে সইতে মিলি নকোনীয়া পুখুবীব কাণে জয়দু-ৱাবব চকীলৈ গইছে। এই কেইটাই দীঘলবাট। ইয়াত বাজে উত্তবা দক্ষিণা সৰু সৰু কেইতা মনে আলী আছিল এই বাট যোব এতিয়াব দবে আহল বহল আৰু পবিষ্কাব নাছিল।

ভঁড়লুব মুখতে বড় কুকনত খটা আঠগাঁয়া খেলব কিছুমান মানুহ আৰু আন কিছুমান মানুহ আছিল। ভঁড়লু মুখব পবা এতিয়াব কৈয়াপটি পর্য্যন্তে লুইতব দাঁতীব আলীব পুবে এটা খাল আছিল। অনুমান হয় অতি পূর্ব্বকালত লুইতব দাঁতিত গড় আছিল তাবে ইফালব এইটো খাল। এই

খালত শালখুটা পেলোৱা আছিল। এই খালৰ এডোখৰ অর্থাৎ এতিয়াৰ কেঁৱাপটিৰ ওচৰতে দীর্ঘে ১০। ১২ টাৰ প্রস্থে ২০০ টাৰ মান হাতীশালৰ খাৰই ৰূপে ব্যবহৃত হই-ছিল। এই হাতী শালত বড় ফুকনৰ অধীনৰ হাতী আছিল। এতিয়াৰ ফাঁচিবজাৰ আৰু তাৰ পূব ফালৰ বঙ্গালৰ টোল ইফালে লুইতৰ কাণৰ আলীৰ দক্ষিণ কাণ আৰু দক্ষিণে সেই বাট পর্য্যন্ত এইটো বড় ফুকনৰ টোল। ইযাৰ চাৰিও ফালে বাঁহৰ কোঠ; টোলৰ পশ্চিমে বড় বাটচড়া বা বড় দুৱাৰ। উত্তৰে পানী দুৱাৰ; এই টোলৰ ভিতৰতে বড় চড়াও আছিল। বড় ফুকনৰ টোলৰ পশ্চিম ফালে লুইতৰ পৰা এটা বাট দক্ষিণ ফাললৈ গইছে। সেই বাট এতিয়াও আছে। এই বাটে গই নগাঁওৰ পৰা বড় ফুকনৰ পাল খটা শক্ত চলাৰ কাণত থকা সাত গঁযা আঠগঁযা খেলৰ লোক আছিল। সেই বাটৰ দাঁতিতে পূব ফালে চেটীয়া ফুকনৰ টোল আছিল। সেই বাটৰ পূবৰ পৰা উজাই কিছু মানলৈ লাখ-টকীয়াৰ প্রায ওচৰলৈকে ফৌদাৰ গাঁও বুলিছিল ইয়াত মুসলমান আৰু হিন্দু মানুহ আছিল। লাখটকীযাত মুসল-মান মানুহ আছিল। সেই মুসলমানৰ কিছুমান কমাৰ আছিল। এতিয়াৰ ফাটকৰ অলপ দক্ষিণ পশ্চিমতো নগাঁয়া প্যাইক আছিল। তাৰ ভাটীত প্রায় নদীৰ কোবৰে পৰা দক্ষিণ ফাললৈ আলীৰ দুফালে আৰু অলপ ভাটীতো মুসল-মান মানুহ আছিল এই খণ্ডক মাছুখোৱা বোলে। দৰজী আৰু পহাৰ দিয়া লোকৰ সংখ্যাই ইয়াত অনেক। বড় ফুকনৰ টোলৰ সমুখতে আৰু হাতী শালৰ ওচৰত পহাৰীএ পহাৰ দিছিল। এতিযা যত ফাটক তাত বিশেষ মানুহৰ ঘৰ নাছিল। বড় ফুকনৰ টোলৰ পূবে নদীৰ কোযৰত আৰু

তাৰ ওপৰৰ ওখ ঠাইত যি ঠাইত এতিয়া কমাৰ পটীৰ পুখুৰী আছে সেই ঠাইতে বাড়ী আছিল। মাঝে মাঝে সামান্য লোকৰ ঘৰ আছিল। বানেশ্বৰ দেবালয়ৰ দক্ষিণে ওখ ঠাইত নাও শলীয়া বড়ুৱাৰ টোল আছিল। তাৰ পূবে শুক্রেশ্বৰ জনার্দ্দন আৰু বাণেশ্বৰ দেৱালয়ৰ পাইক আছিল। তাৰ ওচৰৰ পৰা এতিয়াৰ পান বজাৰৰ অধিকাংশ ঠাইত খৰঙ্গী পাইকৰ খেল আছিল। আৰু নগাঁয়া আৰু দৰঙ্গী পাইকো আছিল। এতিয়া যি ঠাইত জিলাৰ কছাৰী আৰু ইস্কুল সেই ঠাইত গুৰহটীয়া মজুমদাৰ বড়ুয়া আৰু ডেকাহতৰ ঘৰ। সেই কাৰণেই কছাৰী ঘৰৰ ওচৰত লুইতৰ দাঁতিত যত পানী টান সেই শিলক মজুমদাৰৰ শিল বোলে। এতিয়াৰ ডাক বঙ্গলা যত কলৰ পানীৰ আধাৰ পতা হইছে তাৰ আৰু তাৰ পূবৰ টীলাটত ক্ষাৰ বটা হইছিল। কছাৰীৰ পৰা জজ কমিশ্যনৰ সাহাবৰ বাঙ্গালা পর্য্যন্তে লুইতৰ দাতিৰ ঠাইত ডোম্ গাঁও আছিল আৰু তাৰ অলপ ইফালে পহুমবীয়া নগোঁসাইৰ ঘৰ আছিল। তাৰ ইফালে এতিয়াৰ পথাৰত কিছুমান বোৱাতি মাটী আছিল। মজুমদাৰৰ আৰু কাকতীৰ বংশৰ ঘৰ দীঘলী পুখুৰীৰ দক্ষিণ পশ্চিম পর্য্যন্ত ব্যাপি আছিল আনবো ঘৰ আছিল। ইয়াতে চিত্রকৰ নামঘৰ বা মজুমদাৰৰ নাম ঘৰ নামে এটা নাম ঘৰ আছিল। এই ঘৰটো আৰু তাৰ ওচৰৰ মাটী কিছুমান কেতেকী বাড়ী বুলি মজুদামৰৰ ঘৰেই। লতা-শীলত ছত্রাকাৰ দেৱালয় পাইক আৰু আন পাইক আৰু কিছুমান বড়া বিষয়া জ্যোতিষীয়া মানুহ আছিল। উগ্রতাৰা দেৱালয়ৰ ফালে সেই দেৱালৰৰ পাইক আৰু আন লোকৰ ঘৰ আছিল। শুক্রেশ্বৰৰ আগৰ সেই খিনিতে কেয়াৰ খান গোলা আছিল। এতিয়াৰ ঘৰে ঘৰ বোৰ ভেটিয়া

নাছিল। ছুৰা ছুৰা আছিল। ঘৰৰ ওচৰতে সেই ঘৰৰ লোকৰ বাৰীও আছিল। থুকুৰলীয়া গাঁও লুইতৰ দাতিত আছিল নগৰত দুখান বজাৰ আৰু এখান গোলা আছিল। শুক্রেশ্বৰ দেৱালয়, জনার্দ্দন দেৱালয়, বাণেশ্বৰ দেৱালয়, শুক্রেশ্বৰৰ দোল, ছত্রাকাৰ দেৱালয়, উগ্রতাৰা দেৱালয় চিত্রাচল বা নবগ্রহ দেৱালয় এই সকল দেৱালয় নগৰত আছিল। উমানন্দ দেৱালয় ব্রহ্মপুত্র নদীৰ মাজত। কর্ম্ম নাশা আৰু উর্ব্বসীও নদীৰ মাজৰ পর্ব্বতত। দোৱদৰৰ ভাটীত বঙ্গালহটীয়া দুলীয়াৰ ছাউনি। চলাৰ ওচৰত টকৌবাড়ী সত্র। উত্তৰ পাৰে অশ্বক্রান্ত মণিকর্ণেশ্বৰ আৰু ৰুদ্রেশ্বৰ দেৱালয়। এই সমস্ত পকা ঘৰ। গুৱাহাটীত দক্ষিণ ফালত ভড়লুৰ ওচৰত কুমাৰ পৰা গাঁও আছিল। নকোনীয়া পুখুৰী উগ্রতাৰাৰ পুখুৰী, দীঘলী পুখুৰী, কমাৰৰ পুখুৰী, লাখটকীয়াৰ পুখুৰী, ক্ষাৰ বটা বা মজুমদাৰৰ পুখুৰী এই কেইটা প্রধান জলাশয়। আৰু চলাবীলত মাছুখোৱা আৰু লাখটকীয়াৰ দুটা মসজীদ ঘৰ আছিল। তিনি পৰ চাৰি দণ্ড মাৰিবৰ পৰা পৰগনীয়া কামৰূপী মানুহ নগৰৰ ভিতৰত থাকিব নোৱাৰিছিল। অশ্বক্রান্তৰ পাৰে অথবা নীলাচলৰ পশ্চিম ছালৰ পশ্চিমে পাৰ্ব্বত পৰগনীয়া বিষয়া বোৰ আৰু পৰগনীয়া মানুহ বোৰ আছিল। নীলাচলৰ পূবে আমৰাজুলী ঘাটৰ ওচৰত আন্ধকৰবালী নামে যি বালী তাৰ নাম আজি প্রায় চাৰি শ বছৰৰ পৰা প্রখ্যাত। দুলীয়াৰ ছাউনিৰ দক্ষিণে আলীৰ কাণত কেইটা মান পুখুৰীত ভাল ভাল শাল খুটা পানীত থোৱা হইছিল। তাৰ ওচৰতে বজাঘৰীয়া ইটা কৰাও হইছিল। সেই পুখুৰীৰ ইটা পুখুৰী নাম প্রসিদ্ধ। তাৰ অলপ ভাটীত দুর্গা সৰোৱৰ। উত্তৰ

গুৱাহাটীত কাকতীচুক, মজুমদাৰৰ চুক প্ৰভৃতি নামে ঠাইত গুৱহটীয়া কাকতী আৰু মজুমদাৰৰ ঘৰ আছিল। আন ব্ৰাহ্মণ আৰু আন জাতিৰ বিষয়া বা আন লোকৰো ঘৰ আছিল ডোম গাঁও আছিল। অশ্বক্ৰান্ত দেৱালয়ৰ ওচৰৰ ডোম গাও মাজ গাঁও নামে প্ৰসিদ্ধ। গুৱাহাটী নগৰৰ প্ৰজা সংখ্যা সাত হাজাৰৰ অধিক নাছিল। উত্তৰ গুৱাহাটীৰ লোক সংখ্যা তিনি হাজাৰ মান হ'ব। নগৰত থিতাপি হই থকা মানুহৰ সংখ্যা পাচ হাজাৰ মান মাত্ৰ। অধিকাংশ পাইক খটা বা বিষয় কৰা লোক। নগাঁয়া খৰঙ্গী গুৱাহটীয়া কিছুমান লোক সৈন্য দলত ভুক্ত আছিল। সেই বোৰ লোক খেলে খেলে আছিল। বড়ফুকনৰ পৰা অতি দীন দৰিদ্ৰ পৰ্য্যন্তে সকলোৰে বাঁহ কাঠ আৰু ক্ষেৰৰ ঘৰ। নদীৰ ঘাটত দুৱৰীয়াৰ ঘৰৰ ২০ খান মান হোলোঙ্গ নাও আৰু আন মুদৈৰ কিছুমান বেপাৰী নাও আছিল। বজা ঘৰীয়া কাৰ্য্যৰ কাৰণে পানীফুকনৰ চকীত ক্ষাৰ ঘৰৰ ঘুলিত আৰু নগৰৰ ঘাটতে কিছুমান সেইৰূপ নাও আছিল। বজা-দুৱাৰ অশ্বক্ৰান্ত আৰু পাড়ুত পাৰ ঘাট আছিল। এতিয়া যি ঠাইত অতি উচ্চ গিৰ্জা ঘৰ তেতিয়া সেই ঠাইত মজুমদাৰৰ ঘৰৰ বহতীয়াৰ ক্ষুদ্ৰ পজা আছিল। হাজৰিকা, বড়া শয়কীয়া প্ৰভৃতি বিষয়া যি খেলৰ সেই সেই খেলৰ লগতে কাম কৰিছিল। কটকী, খাওন্দ, জ্যোতিৰীয়া আন গুৱহটীয়া বিষয়া সকলৰ ঘৰ এই নগৰত আছিল সেই সকলৰ থাকিবৰ স্থানৰ কোনো বিশেষ নিশ্চয় নাছিল। এতিয়াৰ দৰে তেতিয়া নগৰ খান শোভিত শ্ৰেণীবদ্ধ আৰু স্বাস্থ্যকৰ নাছিল। নগৰৰ লোকে খাজানা বা আন কোনো কৰ দিদিছিল।

———

আ, ব,

# পুৰণি গুৱাহাটী নগৰৰ অতিৰিক্ত আৰু সংশোধিত বিৱৰণ।

অশ্বক্রান্তত যি চকীৰ কথা লেখা অছে প্রকৃতে অশ্বক্রান্ততে সেই চকী নাছিল। অশ্বক্রান্তৰ উত্তৰে অলপ কেই মাইল মানত সিন্দুৰী ঘোপাত যাই চকী আছিল। অশ্বক্রান্তত তলতীযা চকীৰ দৰেহে আছিল। সেইৰূপে বজা দুৱাৰতো মূল চকী নাছিল। তাৰ কেইবা মাইল উত্তৰে এখান চকী আছিল। দৰঙ্গ প্রদেশৰ বজা আৰু পাইক এই বজা দুৱাৰত থাকে দেখি ইযাক বজা দুৱাৰ বোলে।

ক্ষাৰঘৰৰ ঘুলীৰ সেই খিনিত মূল চকী নাছিল লতাশীলতহে আছিল। বিচৰ সাহাৰৰ বঙ্গলা এতিযা যি ঠাইত আছে সেই ঠাইতে চকী আছিল। ক্ষাৰ ঘৰৰ সেই খিনিত ক্ষাৰ ঘৰ যখা চকী আছিল। দৰঙ্গ প্রদেশৰ পৰা অহা যত্নক্ষাৰ সেই ঠাইত লোৱা হইছিল আৰু ক্ষাৰ বটা ঘৰৰ যে কথা লেখা হইছে সেই ঠাইত ক্ষাৰ প্রস্তুত কৰা হইছিল। গুৱাহাটীৰ দক্ষিণে ফটাশীল নামে এখান পর্ব্বত আছে তাৰে সমীপতে ধৰম দুৱাৰ থকা বুলি বুঢ়া লোকে কয়। গুৱাহাটীত কোনো লোকে বসতি কৰিবলৈ ইচ্ছা কৰিলে লতাশীলৰ পৰা ফটাশীলৰ মাজৰ ঠাইত বসতি কৰিবলৈ কোনো সময়ত বাজাজা থকা বিবেচনা হয়। কিয়নো এতিয়া পর্য্যন্তে লোকে কয় "লতাশীলৰ পৰা ফটাশীললৈকে মাটী দিয।"

বড় কুকৰ টোলৰ পশ্চিমৰ আৰু দক্ষিণৰ বসতি খিনিক যাদুখোৱা বুলিছিল সেই মতেই এতিয়াৰ যাদুখোৱা গাঁও

সেই সীমাতে পড়ে এতিয়াৰ কছাৰী ঘৰৰ অলপ পূৰৰ পৰা থুকুৰলীয়া গাঁওলৈকে ডোমৰ যি বসতি তাক বড় খেলীয়া গাঁও বুলিছিল। এতিয়াও তাৰ অংশ আছে।

কমাৰ পটীৰ পুখুৰীটৰ গেগোৱা পুখুৰী আন এটা নাম। ইয়াৰ ওচৰতে এখানি স্থাপিত দেৱালয় আছিল। তাৰ বজা ঘৰৰ পৰা দিয়া মাটী আৰু পাইক একো নাছিল। মাছ খোৱাৰ দক্ষিণ পূৰে সৰু চলাৰ ওচৰত মুসলমানৰ কবৰস্থান বা মৈদাম দিয়া ঠাই। আন্ধৰ বালী বা চাপৰীত আকুক্ষেতি কৰিছিল।

স,

---

# সংসাৰত সুখ নাই।

১

সংসাৰত সুখ নাই
সংসাৰ দুঃখৰ ঠাই
—সংসাৰ কেৱল ভাই দুঃখৰ নিৰৱা
ৰোগ শোক ব্যাধি মৃত্যু সন্তাপেৰে ভৰা ;
যেই ফালে ঘুৰি চাঁও
সুদামাত্র দেখা পাঁও
দুখৰ ভাৰতে ক'লা সকলোবে সুখ
সকলোবে মুখে শুনো দুখ দুখ দুখ !
কিন্তু তথাপিও হাঁয় !
কাৰো গতি গম নাই
সকলোএ ঘুৰি ঘৰে সুখ সুখ কৰি
হেজাৰে সংসাৰ হাঁয় দুঃখৰ পুখুৰি।

২

সেই যে দেখিছো ভাই,
ভেঁটৰ রূপক চাই
হাঁহিছে নাচিছে চন্দ্র মেঘৰ কোলাত
বসতে বলিয়া বুজি শান্তি নাই গাত ;
সাগৰত মুখ চাই,
হাঁহে ঘনে মুচুকাই,
ঘনে ঘনে লুকা-লুকি মেঘৰ আঁড়ত ;
ভাবিছানে সুখী চন্দ্র এই জগতত ?
কদাপি সি কথাভাই,
মনত নিদিবা ঠাই,
বেষ্টিয়া পাবছি উবা সূর্য্যৰ টেকেলা
সুখীনে অসুখী চন্দ্র চাবা সেই বেলা।

৩

আৰু চোৱা মন-পুতি
বায়ুৰ দোলাত উঠি
সেই যে দেখিছা মেঘ আকাশে আকাশে
প্রিয় বিজুলীক ল'ই ভ্রমিছে উল্লাসে ;
ভাবানে তুমি মনত
সুখী মেঘ সংসাৰত ?
মেঘৰ সমান দুখী নাই জগতত
জ্বলিছে শোকৰ জুই মেঘৰ বুকুত
মহলে কি এই দবে—
গগণ ফালি চিঁৰি যে,
কান্দি কান্দি ধাৰাসাৰে পানি হই যায় ;
মেঘৰ অন্তৰে তাই তিল সুখো নাই।

৪

সেই যে দেখিছা বায়ু
—সকলো জীবৰ আয়ু—
নাচি নাচি ফুৰি ফুৰে বিশ্ব ব্ৰহ্মাণ্ডত
দুখ কাক বোলে যেন নেজানে মনত ;
ফুলনী বনত গাই
ফুল-কলি বুকে লই
আনন্দত বিয়াকুলি নাচে ধূলী ধূলী
কত যেন প্ৰাণ-কথা কয় বুকু খুলি ;
ধৰিয়া মধুৰ তান
মোহে জগতৰ প্ৰাণ
কিন্তু ভাই বায়ুৰ অন্তৰে সুখনাই ;
—সদায় সুখত বোল—"হাঁয়, ! হাঁয় ! হাঁয় !"

৫

পানি ভৰা পুখুৰিত
বসে ডগ মগ চিত
হাঁহিছে পদুম কলি সূৰ্য্যমুখে চাই
হালিছে দুলিছে বতাহৰ বায় বায়
কোমল পদুম কলি
অন্তৰত নাই মলি,
সদাই প্ৰফুল্ল কেনে হাঁহি-হাঁহি মুখ
নেজানে যে সংসাৰত নাই একোসুখ ;
কিন্তু যেতিয়াই হাঁয় !
দিন মণি মৰি যায়
লগে লগে পদুমৰো পাহি মুদযায় !
হাঁয় সেই হাঁহি-ভৰা মুখ আৰু নাই !

৬

আহি বসন্ত কাল ;
—শোভিয়া অশোক ডাল
গগণ বিয়াপি, পঞ্চমত সুর তুলি;
আনন্দত কুলিটীয়ে " কুহু কুহু "বুলি,
মোহিয়া বিশ্বর, কাণ,
ধরিয়া মধুর তান,
বিমল প্রেমত মাতি ঈশ-গুন গায় ;—
প্রকৃতির শোভা দেখি বসে গলি যায় ;
যেতিয়া বসন্ত গল
কুলিও অদৃশ্য হল
অশোকর ফুলো গল লগাতে শুকায়,
সুখর ছবিটী হায়! একেবারে নাই

৭

আছিল বাবিষা ভাই,
মৈর গাত তত নাই,
" কুল্ কুল্ " সুর ধরি চুকু ওফোন্দাই
বতাহর চেরে চেরে ঢেউ নচুরাই
—অপার সুখর ভরে
উথলি উথলি পড়ে—
গাত্রর গমেরে ধীরে ধীরে ব'ই যায়
সুখর ভরতে কাকো উলটী মেচায়'
কিন্তু যেতিয়াই হাঁয়'
খরালি আহিয়া পায়
সুতলো নদীর আক "কুল কুল সুর
ইমানতে নদীর সুখর হল ওর।

৮

সোনৰ আসনে ভাই
বহিআছে ৰাজ-ৰাই
পদতলে বহি কত সুন্দৰিয়ে সেৱে
সুশীতল কৰে দেহ চোঁৱৰৰ বাৱে
সোনৰ খাটত শোৱে
ভৰিযে মাটী নোচোৱে
তথাপি ৰজাৰ মনে শান্তি সুখ নাই
যতেক বিভূতী ৰ'ঢ়ে মনো বাঢ়ি যাই
অৱশেষে চিন্তাআহি
সন্তোষ ফুলৰ পাহি,
—এপাহি এপাহি কৰি—জপাই পেলায়
কুসুম-কোমল দেহ দুখত লোটায়।

৯

চোঁৱা কেৰাণীৰ দল
মুখে হাঁহি—খল্ খল্
—টিলিকিৰ কোৱত ব্রহ্মাণ্ড উকৰাই
নেদেখিলে সাহাবক "আঙ্গুলি" দেখায়;
কলমৰ খৰ-খৰি,
গেৰোৱাৰ সৰ-মৰি,
মুখেৰে জগত মৰা কথা বোৰ ভাই,
শুনোতে কাণত যেন অমৃত সোমাই,
কিন্তু ইহঁতৰ ভাই
জীৱনত সুখ নাই
দিনৰ দিনটো খাটি শৰীৰক ঘাৰে
এদিন জীৱনী পায় বীশুৰ খাতিৰে;

কিন্তু সি দিনতো হাঁয়!
কতনো চমক খায়
কতনো সপোন দেখে কেবাণী বপুবা;
সংসাবব ক'তো ভাই নাই সুখ পুবা।

হ, গ

---

# জান্তব-জীবন।

জীবন দুবিধ; এ বিধব গতি আৰু অনুভূতি শক্তি নাই, যেনে গছ। গছবো জীবন আছে; গছ জন্মে, ডাঙৰ হয় আৰু সময় মতে মৰে কিন্তু ইচ্ছামতে এঠাইব পবা এঠাইলৈ গতি কবিব নোৱাবে আৰু দুখ সুখ একো অনুভব কবিব নোৱাবে। অন্য মানুহে নলবালে সিহঁতে নিজে লব চবো কবিব নোৱাবে এই বিধ উদ্ভিদিক জীবন। আন বিধব অনুভব কবিব পাবা আৰু গতি কবিব পাবা এই দুইওটো শক্তিএই আছে—এই বিধ জান্তব-জীবন। গছব দবে জন্তু বিলাকো জন্মে, ডাঙৰ হয়, আৰু সময় মতে মৰে। কিন্তু জন্তু বিলাকব জ্ঞান আছ, সিহঁতব চাবিও ফালে কি হব লাগিছে সিহঁতে জানে। সিহঁতব ইন্দ্রিয় আছে, সিহঁতে দেখে, শুনে আৰু কোনো বস্তু এটা লাবিলে 'এটা বস্তু সিহঁতব গাত লাগিছে' বুদি সিহঁতে অনুভব কবিব পাবে, আৰু ইচ্ছা মতে এঠাইব পবা এঠাইলৈ যাব পাবে। এতেকতে জন্তু বিলাকব শবীবত স্পষ্টতঃ দুবিধ জীবন দেখা যায়, সিহঁতব উদ্ভিদিক জীবনো আছে জান্তব জীবনো আছে। জন্মে, বাঢ়ে, খায়, ইচ্ছামতে ইঠাই সিঠাইত ফুবে, আৰু অনুভব কবে। পাছব এই কাবণ দুটিব নিমিত্তেই জন্তু বিলাক গছ গাছনীতকৈ

বেলেগ। কোনো মানুহ এটিএ কোনো গছৰ পুলি এটা উভালিব ধৰিলে মানুহটিএ কি কৰিব সেই গছৰ পুলিটোএ একো নেজানে আৰু গতিকেই নিজক ৰক্ষা কৰিবলৈকো একো যত্ন নকৰে। কিন্তু কোনো পখিলা এটি ধৰিবলৈ হাত মেলিলে, নিজৰ অন্যায় হব বুলি জানি আত্ম-ৰক্ষাৰ নিমিত্তে পখিলাটি উড়ি যাব। এই লৰি চৰি ফুৰা আৰু অনুভূতি শক্তিদুটিকে উদ্ভিদিক জীৱনৰ শক্তিটিৰ লগত লগালগাই জান্তব-জীৱন বোলা যায়, কিয়নো এই শক্তি দুই এটা কেৱল জন্তু বিলাকৰ শৰীৰতেহে আছে।

জীয়াই থাকে মানেহে জন্তু বিলাকৰ অনুভূতি আৰু চলচ্ছক্তি থাকে। যি কেইটা দিন নিয়ম মতে জন্তু বিলাকক পোহ পাল দি থাকা যায় সেই কেইটা দিনহে ইহঁতৰ এই শক্তি দুটি থাকে, ইয়াৰ ব্যতিক্রম হলেই শক্তি দুটি অকামিলা হয়। খাবলৈ নেপালে সকলো জন্তুএই মৰে—অর্থাৎ সিহঁতৰ শৰীৰৰ পৰা এই শক্তি দুটা গুছে। এই দৰেই জন্তুবিলাকৰ শক্তি আহাৰৰ ওপৰতে নির্ভৰ কৰে। জন্তু বিলাকে আহাৰ খালে সেই আহাৰ প্রথমতে মস্তুহ আৰু অন্যান্য শাৰীৰিক বস্তুত পৰিবর্ত্তিত হয়। জ্বলন্ত এঙ্গাৰ যেনেকৈ জুইতে জাহ যায়, সেই মজহ আৰু শাৰীৰিক বস্তুখিনিও পাছত অন্তৰতে জাহ যায়, আৰু দাহ যোৱা জুই ফুৰাৰ পৰা যেনেকৈ তাপ ওলায়, সেই দৰে সেই অন্তৰত জাহ যোৱা বস্তু বিলাকৰ পৰা তাপ-স্বৰূপ সেই শক্তি দুটা উৎপন্ন হয়। এবাৰ খোৱা আহাৰ জীর্ণ গই সেই দৰে নানা কার্য্যত ব্যাপৃত হলেই আকৌ নতুন আহাৰ যোগোৱা যায়, আৰু তাৰো আগৰ দৰেই কার্য্য হয়। জীয় বিলাক এনেকৈ খাই থাকে মানে শক্তিমান হই থাকে, খোৱা বন্ধ হলেই শাৰীৰিক কার্য্য বন্ধ হয়, আৰু

সিইঁত মবে। জুইত সিমান পব খড়ি কাঠ দি থাকা সিমাণ পব জুই কুবা জ্বলি থাকিব, খড়ি-কাঠ দিবলৈ. এড়িলেই জুই মুমাই যায়।

জীৱন বক্ষা কবিবব নিমিত্তে যিবিলাক আহাব কবা যায় সেই আহাবীয় বস্তু বিলাক অন্তবস্থ হলে অন্তবস্থ আধাব বা মোনা এটাত পৰে এই আধাব টোব নাম উদব। খোৱা বস্তু বিলাক এই আধাবটোত জীর্ণ হয় উত্তাপ বা এবিধ টেঙা বসেবে তাতে জাহ যোৱা বুলিব পাবি। এই উদবব লগত বহুত নলী বা নাভীবে বুকুব সংযোগ আছে। জাহ যোৱা বস্তু খিনি এই নলী বিলাকে শুহি ওপবত থকা মস্ক-হাল, শূন্য গর্ভ ইন্দ্রিয় এটিব ওচবলৈ তুলি নিয়ে। এই ইন্দ্রিয়টিব নাম "অন্তবেন্দ্রিয়"। ক্রমশঃ

ব, মহন্ত

---

# কপাল আরু কর্ম্ম।

মনুষ্য জাতিব মাঝত এইটী সাধবণ নিয়ম দেখা যায় যে লোকে যি কার্য্যব ফলব কাবণ জানিব মোৱাবে বা জানি-বলৈ যত্ন নকবে সেই কার্য্য আৰু ফলব আদি কাবণ কপাল বুলি কয়। ভাল বা বেয়া সকলোতে এই কপালব নাম লই থাকে। কপাল এটী সান্ত্বনাব মূল। ইয়াব পবা মানুহে এটী বড় শান্তি লাভ নকবেনে? সংসাবত কেতিয়াবা এনে চিন্তা, অশান্তি, হানি, অসুখ হয় যে কপালক থিয়াই মানুহে শান্তি নলভিলে আন উপায়ব দ্বাবা শান্তি পাবব উপায় নাই। কপালে মানুহব সাংসাবিক অনেক জটীল প্রশ্নব সিদ্ধান্ত কবে। অনেকে সিদ্ধান্ত কবে যে মনুষ্যব শুভাশুভ

সকলো কথা বিধাতা পুৰুষে জন্মিবৰ সময়তে নির্দ্দিষ্ট কৰি দিয়ে সেই ৰূপেই সকলো ঘটনা ঘটে। এই কাৰণেই কপালক আঙ্গুলিয়াই সকলো কথাৰ শেষ নিষ্পত্তি কৰে। প্ৰকৃতে কপালেই মানুহৰ সকলো কার্য্যৰ আদি কাৰণ এইটীত সংশয় কৰিব লগীয়া নাই।

মানুহৰ মুৰত যি মস্তিষ্ক বা ঘিউ সিএই সকলো ৱৃত্তিৰ আদি স্থান। তাৰ সৰলতা দুৰ্ব্বলতাৰ দ্বাৰা মানুহৰ মনৰ ৱৃত্তিৰ আৰু প্ৰৱৃত্তিৰ বিকাস হয়। আমাৰ অনেক প্ৰৱৃত্তি বা গুণ আছে। সেই সকলক তিনিভাগ কৰিব পাৰি। প্ৰথম বুদ্ধিৱৃত্তি "দ্বিতীয় ধর্ম্ম প্ৰৱৃত্তি" তৃতীয় নিকৃষ্ট প্ৰৱৃত্তি। তাৰে বুদ্ধিৱৃত্তি এই বোৰ বুদ্ধি, বিবেচনা, স্মৃতি, ধাৰণাশক্তি, কার্য্য ক্ষমতা নৰ ভাৰ শক্তি। ইত্যাদি এই বোৰ শক্তিৰ বিকাস অনুসাৰে সেই সেই শক্তিৰ প্ৰৱৃত্তিৰ বিকাস হয়। কোনো লোকে বড় অস্ত্র শাস্ত্র জানে, কোনোএ গীত বাদ্যত বিশেষ পটু, কোনোএ কাব্য ৰসত পটু, কোনোএ চিত্র কার্য্য বা আন শিল্পত পটু কাৰো স্মৃতি আৰু ধাৰণা শক্তি প্ৰবল। কোনোএ ন ন কার্য্য কৰে। এই সকলো বোৰ সেই প্ৰথম বুদ্ধিৱৃত্তি শক্তিৰ পৰা হয়। ধর্ম্ম প্ৰৱৃত্তিৰ শক্তি এই এই ঈশ্বৰ চিন্তা, ধর্ম্ম বিশ্বাস, পৰোপকাৰ, দয়া, দান ইত্যাদি কোনো লোক যে অধিক দয়ালু বা পৰোপকাৰি কোনো যে অধিক পৰিমাণে ধার্ম্মিক কোনো যে নাস্তিক আৰু নির্দ্দয় হয় তাৰ কাৰণ সেই সেই শক্তিৰ সবলতা বা দুৰ্ব্বলতা। নিকৃষ্ট প্ৰকৃতি এই এই "কাম, ক্রোধ, লোভ, মোহ, হিংসা, অহঙ্কাৰ, দ্বেষ, ভয়, আসঙ্গলিপ্সা ইত্যাদি। কোনো লোকক যে মহা ক্রোধি লোভি, হিংসক অহঙ্কাৰি দেখো তাৰ কাৰণ সেই সেই প্ৰৱৃত্তিৰ শক্তিৰ বিকাস। এপৰত কোৱা

সমুদায় শক্তি আমি জন্মৰ পৰা পাইছোঁ। পাছে সঙ্গ শিক্ষা দৃষ্টান্ত আৰু আলোচনাৰ পৰা সেই সেই শক্তি বোৰৰ কোনোটো অধিক বিকসিত হয় কোনোটো কম বিকসিত হয়। পাছে সেই অনুসাৰে সেই সেই প্ৰবৃত্তিও উত্তেজিত হয়। শৈশৱ কালত মানুহৰ মস্তিষ্ক কোমল থাকে তেতিয়াৰ পৰাই সেই সেই শক্তিৰ বিকাসৰ আৰম্ভ হয়। তেতিয়া যিৰূপ গঢ় লাগিবলৈ ধৰে সেই ৰূপেই প্ৰায় হইয়ায়। মাতৃৰ স্তন পান কৰি আৰু আন মানুহৰ কোলাত উঠিবৰ পৰা লৰাই সেই শক্তিৰ হ্ৰাস বৃদ্ধিৰ অৱস্থা পায়। সেই কাৰণে শিশু সন্তানক যি লোকে লয় খয় সেই সকলে সাবধানে তাক ল'ৰ ধৰ লাগে। ছমহীয়াৰ পৰা বছৰেকিয়া পৰ্য্যন্তে আমাৰ লৰাৰ অন্নপ্ৰাসনৰ সময়। আমাৰ এটা এনে নিয়ম আছে যে লৰাৰ অন্ন প্ৰাসন বা বা ভাত ছুৱনীৰ সময়ত লৰাৰ আগত কাপ, মইলাম, পুথী, চাউল, খড়্গ, নকুসা, বাজনা, সোণৰূপ প্ৰভৃতি থয়। ল'ৰাক তাৰে কোনো এটা বস্তু ধৰিবলৈ এড়ি দিয়া যায়। পাছে যিহকে লৰাই ধৰে সেই ফালেই লৰাৰ মন ঢাল খোৱা জনা যায়। আৰু আগলৈ সেই ল'ৰা কি বিষয়ত পটু হ'ব তাৰে চিন সেই বস্তু ধৰাৰ পৰা জনা যায় বুলি বুঢ়া লোকে সিদ্ধান্ত কৰে। যেনে লৰাই যদি কাপ মই লাম পুথীত ধৰে তেনে হলে সেই লৰা পণ্ডিত হ'ব, খড়্গত ধৰিলে লৰা যোদ্ধাৰ আৰু মৃগয়া প্ৰিয় হ'ব, ধনত ধৰিলে ধনী হ'ব এই ৰূপ সিদ্ধান্ত কৰে। এই কাৰ্য্যাৰ দ্বাৰাই শৈশৱ কালতে মানসিক বুঝিব পাৰি।

ওপৰত লিখা কথাৰ দ্বাৰাই জানিব পাৰি যে মানুহৰ মস্তিষ্কেই সকলোৰে মূলাধাৰ। ওপৰত কোৱা তিনি ভাগৰ ভিতৰৰ মানসিক বা বুদ্ধি বৃত্তিৰ স্থান মুৰৰ সমুখৰ ভাগ।

অর্থাৎ কপাল আৰু কাণৰ সম্মুখ পর্য্যন্ত ভাগত বুদ্ধি বৃত্তি বা বুদ্ধি বিবেচনা স্মৃতি কার্য্য ক্ষমতা ইত্যাদি শক্তিৰ ইস্থান স্থান। তাৰ ওপৰৰ ভাগ অর্থাৎ তালু বা ব্রহ্মতালু আৰু তাৰ ইফালে সিফালে কিছুমান ঠাই ধর্ম্ম প্রবৃত্তিৰ স্থান। তাৰ পাছফালে অর্থাৎ পাছ মুৰ নিকৃষ্ট প্রবৃত্তিৰ স্থান। মুৰৰ সম্মুখ ভাগ অর্থাৎ কপালৰ উন্নত বা অনুন্নত অবস্থা ব্যাপকতা বা সঙ্কীর্ণতাৰ দ্বাৰাই মানুহৰ বুদ্ধি বিবেচনা ইত্যাদি কিমান তাক সহজে মানুহে বোধ কৰে। সেইরূপে তালু ভাগৰ উন্নত অনুন্নত ইত্যাদি অবস্থাৰ দ্বাৰা লোকৰ ধর্ম্ম প্রবৃত্তিৰ অবস্থা জানি। আমাৰ তান্ত্রিক পণ্ডিত সকলে ব্রহ্মতালুক ব্রহ্মৰন্ধ্র বোলে। তাত সহস্র দল পদ্ম আছে আৰু মহাগুরু বা পৰমাত্মাৰ স্থান বুলি নির্দ্দেশ কৰে। যোগী সকলে ধ্যান আৰু ধাৰণাৰ দ্বাৰাই জীৱাত্মাক সেই ঠাইলৈ নি ঈশ্বৰে সইতে যোগ কৰিবলৈ শিক্ষা কৰে আৰু যোগ কৰে। মুৰৰ পাছফাল নিকৃষ্ট প্রবৃত্তিৰ স্থান। এই ভাগৰ সেইরূপ উন্নত অবস্থাৰ দ্বাৰা নিকৃষ্ট প্রবৃত্তিৰ ভাব আৰু অভাব হয়। মস্তকৰ মস্তিষ্কত, বিশেষ বিশেষ বৃত্তিৰ স্থান আছে। সেই স্থানৰ অবস্থাৰ দ্বাৰাই বিশেষ বিশেষ বৃত্তি আৰু প্রবৃত্তিৰ ইতৰ বিশেষ হয়।

ওপৰত কোৱা কথাৰ দ্বাৰাই জানি যে বুদ্ধি, বিবেচনা, কার্য্য, ক্ষমতা ইত্যাদিৰ স্থান কপাল। তাৰ অবস্থা অনুসাৰে মানুহৰ বুদ্ধি, বিবেচনা, কার্য্য ক্ষমতা, স্মৃতি ধাৰণা শক্তি ইত্যাদিৰ ইতৰ বিশেষ হয়। মানুহৰ কার্য্য সেই সেই শক্তি মতেই হয়। সেই কাৰণে কপাল মানুহৰ বুদ্ধি বিবেচণা ইত্যাদিৰ কাৰণ। মানুহে নিজ বুদ্ধি বিবেচনা ইত্যাদি শক্তিৰ মতে যেমে কার্য্য কৰে সেইরূপ ফল পায়।

কেতিয়াবা আগৰ কার্য্যৰ ফলো লোকে পায়। কাৰণ এই যে সেই আন জনে সইতে সঙ কৰাৰ গুণে হয়। বস্তুতঃ তাতো বুদ্ধি বিবেচনাৰ কার্য্য জানি। কেতিয়াবা লোকে কপাল মুবুলি অদৃষ্ট বোলে। তাক বোলাৰ কাৰণ এই যে তাৰ এনে কোনো কাৰণ বা কার্য্য দেখা যোৱা নাই বা নায়ায়। কোনো এজন লোকক বাটেৰে যাওঁতে আন এজনে পাছ ফালৰ পৰা টাঙোন এটা মাৰিলে। এইটো অদৃষ্ট। কিয়নো দেখা যোৱা নাছিল বা নগাইছিল। কেতিয়াবা অদৃষ্ট বা কপাল মুবুলি দৈব বোলে। ইয়াৰ অর্থ এই যে কাৰণ নজনাৰ কাৰণে কোনো দেৱতাই কৰে বুলি সিদ্ধান্ত কৰা হয়। ফলিতার্থে নিজৰ বুদ্ধি বিবেচনা কার্য্য ক্ষমতা ইত্যাদি শক্তিৰ কার্য্য অনুসাৰেই লোকে কার্য্য কৰে আৰু সেই কর্ম্মৰ ফল পায়। আমাৰ এনে নিয়ম যে কেতিয়াবা কার্য্যৰ নিমিত্তে কাৰণ; আধাৰৰ নিমিত্তে আধেয় ধৰা আৰু নির্দ্দেশ কৰা যায়। এই নিয়মে আমি আমাৰ বুদ্ধি বিবেচনা ইত্যাদিক নধৰি কপালকে সকলো দোষ গুণ ভাল বেয়াৰ কাৰণ বুলি কই শান্তি লাভ কৰোঁ। যেইএ যেনে কর্ম্ম কৰে সেইএ তেনে ফল পায়। আৰু সেই কর্ম্ম কৰোঁতে যি যিমান বুদ্ধি বিবেচনা ইত্যাদি মতে কার্য্য কৰে সেই কর্ম্ম তেমে গুণকৰ বা দোষকৰ হয়। কর্ম্মৰ লগে লগে ফল। কেতিয়াবা তাক তেতিয়াই দেখি; কেতিয়াবা পলমে দেখি। আমাৰ মানুহে কয়

"আৰোধ পাৰোধ আৰু বোধ ছয়।"

"মহা মহন্তবো ভুঞ্জিলেহে ক্ষয়।"

ইয়াৰ অর্থ এই এতিয়া আৰম্ভ কৰা কর্ম্মৰ পূৰ্ব্বে আৰম্ভ কৰা কর্ম্মৰ আৰু দুটা বিপুৰ কর্ম্মৰ ফল মহা মহন্ত সকলেও

ভুঞ্জিলেহে ক্ষয় হয়। অর্থাৎ সেই সেই কর্ম্মৰ ফল ভুঞ্জিবই লাগে নুভুঞ্জাকৈ নাথাকে। যি যিমানলৈ নামে সি সিমানলৈ তিতে। সেই কর্ম্মৰ ফল ভোগকেহে ইয়াৰ দ্বাৰা বুঝাইছে।

ক, ভি, ব,

---

# পৌৰাণিক আৰু তান্ত্রিক কামৰূপ।

যোগিনী তন্ত্র, কালিকা পুৰাণ প্রভৃতি পঢ়িলে এইটো ঠাইৰ জানি যে কামৰূপ দেশখন কামাখ্যা দেবীৰ ৰাজ্য। সাধাৰণত এনে প্রবাদ যে এই দেশ হিমালয়ৰ হেমন্ত ৰজাৰ অধীন আছিল; যেতিয়া ৰজাই তেঁওৰ কন্যা পার্ব্বতীক শিৱৰ বিবাহ দিলে এই দেশ খান যৌতুকত দিলে। এই দেশ পার্ব্বতীৰ যৌতুকিয়া ৰাজ্য আৰু মহাদেৱেও শহুৰেকৰ পৰা পোৱা সম্পত্তি, সেই কাৰণেই তেঁও বিলাকৰ প্রিয় ক্রীড়াৰ স্থান আৰু ইয়াতেই মহামুদ্রা পঢ়িছে। * এই দেশ মহাতীর্থ, আন ঠাইত দেবী বিৰল। কামৰূপত ঘৰে ঘৰেই দেবী আছে। ইয়াত পৃথিবীৰ যাৱতীয় তীর্থ আৰু স্বর্গৰ যাৱতীয় দেৱতাৰ স্থান বা পাম আছে। পুৰাণ আৰু তন্ত্রৰ সময়ত কামৰূপ ৰাজ্য যেনে আছিল তাৰ বিষয় আমি ক্রমে লেখিম।

কামৰূপৰ ভিতৰত মণিকূট বা ছাজোৰ মাধৱৰ পর্ব্বত, উত্তৰ গুৱাহাটীৰ মণি কর্ণেশ্বৰ পর্ব্বত, চিত্রাচল বা নৱগ্রহৰ পর্ব্বত আৰু গন্ধমাধন পর্ব্বত এই চাৰি সীমাৰ ভিতৰত

* এই কাৰণেই মহাদেৱে ভস্মাচল বা উমানন্দ পর্ব্বতত দেবীৰ আগত তন্ত্র বিলাক প্রকাশ কৰিছে।

কামাখ্যাৰ নগাৰ। নীলাচল পৰ্ব্বতৰ সিদ্ধেশ্বৰ, কোটী লিঙ্গ ছেকক আৰু মুক্তিমণ্ডপ এই চাৰি সীমাৰ ভিতৰত কামাখ্যাৰ টোল বা গড় ভিতৰ।

গুৱাহাটীৰ বায়ু কোণত জনার্দ্দন গিৰি বা অশ্বক্রান্ত পৰ্ব্বতৰ ওচৰতে বায়ুকুট পৰ্ব্বত। এই বায়ুকুট এতিয়াৰ অশ্বক্রান্ত পৰ্ব্বতৰ একাংশ মাত্ৰ। ইয়াৰ নামনীত বায়ু-দেৱতাৰ স্থান।

ইয়াৰ ওচৰতে চন্দ্ৰ শৈল বা চন্দ্ৰ পৰ্ব্বত। ব্ৰহ্মপুত্ৰৰ মাজত ইন্দ্ৰশৈল, ইন্দ্ৰাচল বা ইন্দ্ৰকুট (আড় পৰ্ব্বত)। ইন্দ্ৰ-শৈলৰ পৰিমাণ ত্ৰিশ ধনু বা ৩০০ হাত। চন্দ্ৰ পৰ্ব্বত আৰু চন্দ্ৰাচলৰ মাজত ১৬০ হাত পৰিমাণ চন্দ্ৰ কুণ্ড। তাৰ ওচৰতে মানসতীৰ্থ, অমৃত সৰসি ঋণ, মোচন কুণ্ড। ইফালে অশ্বক্রান্তৰ কুণ্ড। অশ্বক্রান্ত পৰ্ব্বতৰ পশ্চিম শৃঙ্গটীৰ নাম জনার্দ্দন পৰ্ব্বত। এই ঠাইৰ কিছু পূৰ্ব্বত মুক্তি মাৰ্গ নামে এটী পথ আছে। সিদ্ধকুণ্ড, ব্ৰহ্মকুণ্ড, ৰামকুণ্ড সীতাকুণ্ড, বিজয়কুণ্ড, যোগাকুণ্ড, নাগাকুণ্ড, ৰক্তকুণ্ড, সূৰ্য্যতীৰ্থ প্ৰভৃতি অনেক স্থান সেই পৰ্ব্বতৰ নামনীৰ ব্ৰহ্মপুত্ৰত আছে। চন্দ্ৰ পৰ্ব্বতৰ উত্তৰত গয়াক্ষেত্ৰ। এই বিলাক স্থান এতিয়া আবিষ্কাৰ কৰা অতি কঠিন। পুৰাণ আৰু তন্ত্ৰত ধনু প্ৰমাণে ইয়াৰ পৰস্পৰ দূৰতা নিৰ্দ্দিষ্ট আছে। পৰ্ব্বত বোৰ হলে অশ্বক্রান্ত পৰ্ব্বতবেই ভাগ ভাগ মাত্ৰ। উত্তৰ গুৱা-হাটীৰ পুবে মণিকৰ্ণেশ্বৰ পৰ্ব্বত বা মণি শৈল। ইয়াৰ ওচৰতে বাৰাণসী আৰু মণিকৰ্ণিকা কুণ্ড। ইয়াৰ পুব উত্তৰত মঙ্গলা নদী। এই নদীৰ এতিয়াৰ নাম বড় নদী। মণি শৈলৰ বায়ু কোণত ববাহ পৰ্ব্বত। ইয়াৰ ওচৰত লৰ নাৰায়ণ কুণ্ড, প্ৰভাস তীৰ্থ, বিশ্বাৰক তীৰ্থ, বিষ্ণুকুণ্ড। মণি-

কর্ণেশ্বর পর্ব্বতর যি দেৱালয় সি শিৱর দেৱালয়। অশ্বক্রান্তর নাম দেৱালয়র দেৱতা কূর্ম্মরূপি জনার্দ্দন। ওপর দেৱালয় সেই সময়ত নাছিল। নাম দেৱালয়র পৰা ওপর দেৱালয়লৈ যোৱা পথটীর নামেই মুক্তি মার্গ। এই ওপর দেৱালয় থকা পর্ব্বতেই ওপরত কোৱা বাস্তুকূট বা বাস্তু পর্ব্বত।

উমানন্দ পর্ব্বতর পূৱে যিঠাইত স্তম্ভ আছে সেই ঠাইর পৰা কিছু দূৰৈ ভাটীলৈ উর্ব্বসী পুঞ্জ। সি স্বর্গ বিদ্যাধরী উর্ব্বসীর স্থান। সেই পুঞ্জত অনেক মূর্ত্তি এতিয়াও আছে। তাত এই বোৰ তীর্থ। স্বষ্টকুণ্ড কামকুণ্ড, গঙ্গাতীর্থ, অগস্ত্য তীর্থ, ইন্দ্র তীর্থ বম্ভা তীর্থ রুক্মিণী কুণ্ড, পিতৃ তীর্থ, গয়া তীর্থ দশাশ্বমেধ তীর্থ, বিষ্ণু পদ, ব্রহ্মপদ, রুদ্রপদ, আগস্ত্যপদ, ইন্দ্র পদ, গনেশ পদ, ক্রৌঞ্চ পদ, কুমাৰ পদ, প্রজাপতি পদ, চ্যবণ পদ, কশ্যপ পদ, ষন্মুখ পদ, রুচি পদ, সূর্য্য পদ, নাৰদ পদ, আৰু পুলস্ত্য পদ। এই সকল পদশিলা। বোধ হয় সেই সেই নামৰ লোক সকলে তাতে বহি স্নান কৰিছিল। এই তীর্থত পার্ব্বন শ্রাদ্ধ কৰাৰ বিধান পুৰাণে দিছে। ইয়াৰ ওচৰতে গদাধৰ। গদাধৰৰ তলতে মাতৃ গয়া। উর্ব্বসীর দক্ষিণ তীৰত পিঙ্গল বর্ণ শিলৰ নাম গায়ত্রী শিলা। তাৰ ওচৰত অগস্ত্য গয়া। উর্ব্বসীর উত্তৰে ভস্মাচল, ৱৃষকূট, ভস্মকূট বা উমানন্দৰ পর্ব্বত। ইয়াৰ নামনীৰ ব্রহ্ম পুত্রৰ ধাৰাত সৰস্বতী, পিশাচ মোচন, কপাল মোচন, পিলা কুণ্ড। পর্ব্বতর ওপরত উমানন্দ শিৱ। তাৰ পৰা কিছু দূৰৈত মাতঙ্গী তীর্থ। উর্ব্বসীর নৈঋত কোণত কলিপর্ব্বত বা কর্ম্মনাশা। ইয়ালৈ যাৰ নাপায় আৰু ইয়ালৈ দৃষ্টি কৰিলেও পুণ্য নাশ হয় বুলি পুৰাণে কয়। গুৱাহাটীর জিলাৰ কছাৰীৰ পশ্চিমৰ ভীলাটীৰ নাম মন্দৰ আৰু তাৰ

পশ্চিমৰ টীলাৰ নাম সন্ধ্যাচল। ইয়াৰ নামনিতে চক্রতীর্থ। শুক্রেশ্বৰ পর্ব্বতৰ বিভাগত বৃদ্ধকপি সাক্ষী জনার্দ্দনৰ মূর্ত্তি আছে সেই ভাগৰ নাম মন্দাৰ পর্ব্বত। ইয়াৰ ওচৰত লোল তীর্থ। কর্ম্মনাশাৰ পূৰ ফালে প্রেত-শীলা। মন্দাৰ পর্ব্বতত জনার্দ্দনৰ দেৱালয়। শুক্রেশ্বৰৰ ওপৰত দেৱালয় থকাৰ পর্ব্বতৰ নাম গজশৈল। কাৰো কাৰো মতে হাতীমুড়া পর্ব্বতেই গজশৈল।

নীলাচলৰ বায়ু কোণে পাণ্ডুনাথ পর্ব্বত। তাৰ ওচৰৰ নদীৰ ঘুলিত এই বোৰ কুণ্ড। ব্রহ্মকুণ্ড, লৌহিত্য কুণ্ড, বিষ্ণু কুণ্ড, শিবকুণ্ড, শ্রীকণ্ঠ কুণ্ড, কনখলতীর্থ পাণ্ডুনাথ বিষ্ণু মূর্ত্তি। ইয়াৰ ওচৰতে এঝোপা অশ্বত্থ বা আইত গছ আছে। তাৰ তলতে ধর্ম্মক্ষেত্র। ইয়াৰ ওচৰতে এটী বগা শিলত লক্ষ্মীৰ স্থান। ইয়াৰ দক্ষিণে এটী কলা শিলত ৰবাহ মূর্ত্তি। । এই ৰবাহৰূপী বিষ্ণু কামৰূপৰ বিখ্যাত ৰজা নৰকৰ পিতা। পাণ্ডুনাথৰ দক্ষিণৰ পর্ব্বতৰ নাম ব্রহ্মকুট। তাত ব্রহ্ম পুষ্কৰ কুণ্ড, কুমাৰ কুণ্ড নামে দুটী ক্ষুদ্র জলাশয় আছে। ইয়াৰ নামনীতে দুর্গা কুণ্ড। এই ঠাইৰ ওচৰতে স্থাণু শিৱ মূর্ত্তি। এতিয়াৰ ঘোঁড়া মৰা পর্ব্বতৰ নাম অশ্বশৈল আৰু শৰাই পর্ব্বতৰ নাম শৰাবপর্ব্বত। হাতী মুড়া পর্ব্বতৰ নাম হস্তীমুণ্ডক পর্ব্বত। ইয়াৰ উত্তৰ চালত বাৰেশ্বৰ শিলা নামে শিৱ। এওঁৰ ওপৰত সদাই পর্ব্বতৰ নিঝৰাৰ পানী পড়ি আছে। হয়গ্রীৱ বা হাজো এটী বিখ্যাত স্থান। ইয়াৰ ওচৰে হাজো শুঁতী নামে এটী ব্রহ্ম পুত্রৰ সোঁতা গইছে। ইয়াত এটী ৰবাহ কুণ্ড নামে কুণ্ড আছে। হাজোৰ মাধৱৰ পর্ব্বতৰ নাম মণিশৈল বা মণিকূট ইয়াৰ পশ্চিম দক্ষিণে অপুনর্ভৱ নামে এটী কুণ্ড বা

পুখুৰি আছে। তাৰ উত্তৰত ভদ্রকাল নামে এটী পৰ্ব্বত। তাত গোকর্ণ আৰু বিকর্ণ নামে দুজনা যোগীৰ আশ্রম। অপুনর্ভৱ কুণ্ডৰ ওচৰৰ পৰ্ব্বতত এটা পৰ্ব্বতৰ ভিতৰলৈ যোৱা বাট আছে। তাৰ নাম স্বর্গদ্বাৰ ইয়াৰ আন এটী নাম ধর্ম্মদ্বাৰ। ইয়াত যোগী সকলে যোগ সাধনা কৰিছিল। ইয়াৰ ওচৰতে মার্কণ্ডেয় হ্রদ আৰু বাৰাণসী হ্রদ নামে দুটী জলাশয়। ইয়াৰ কিছু দূৰৈত মদন বা কেদাৰ পৰ্ব্বত। ইয়াত কেদাৰ আৰু কমলেশ্বৰ দেৱতাৰ স্থান। ইয়াত কল্পবৃক্ষ নামে এঝোপা গছ আছে। ইয়াৰ অলপ দূৰৈত ছত্রৰ আকৃতি পৰিপাত্রক গিৰি পৰ্ব্বত। ইয়াৰ ওচৰতে মন্দাৰ শৈল। ইয়াত এটী গুহা আছে তাৰ নাম কুমুদেশ্বৰ; ইয়াতে ব্রহ্মেশ্বৰ নামে শিব স্থাপিত কৰি এজনা যোগী আছিল। ইয়াৰ আগতে ধর্ম্মকূপ নামে এটী পুখুৰি আৰু অলপ দূৰৈত কপিল মুণিৰ আশ্রম। ইয়াৰ কিছু দূৰৈত বগা কলা বৃষভৰ আকৃতি এটী শিলা। তাৰ ওচৰতে ব্যাঘ্রেশ্বৰ কৃত্তিবাস আৰু বৃত্রেশ্বৰ শিব। ইযাৰ কিছু দূৰৈত গৰুড়াচল পৰ্ব্বত। ইয়াৰ আধুনিক নাম বড় মোকাম পৰ্ব্বত। ইয়াত এতিয়া মুসলমানৰ এটী মস্‌জীদ আছে ইয়াত বল্লভা নামে এখন শৰু নদী আছে।

মণি কূটৰ ওচৰতে বিষ্ণু পুষ্কৰ নামে এটী পুখুৰি। মণি কূটৰ দেৱতা হয়গ্রীব মাধব। মন্দাৰৰ উত্তৰত এতোখৰ বঙ্গা শিল আছে। সি কাল ৰাত্রিৰ পীঠ। ইয়াৰ ওচৰত ভদ্র কাম পৰ্ব্বত। ইয়াত কামেশ্বৰ মূর্ত্তি। মাধবৰ মুখ খানি মাত্র উলিয়াই থয়; ইডোখৰ আবৃত থাকে। নীলাচলৰ কিছু দূৰৈত কৃত্তিবাস পৰ্ব্বত, তাৰ ওচৰত চন্দ্রিকা নদী। তাৰ কিছুদূৰৈত ফেনিলা নদী, তাৰ পূৰ্ব্বে দুই যোজন দূৰৈত

সুমদা নদী। নীলাচলৰ নৈঋত কোণত অগদ নদ তাৰ কিছু দূৰৈত মানস নদী। ভৈৰবী বা ভঁড়লু নদী ব্ৰহ্মাহাটীত। ধবলেশ্বৰ পৰ্ব্বতৰ ওচৰত চণ্ডিকা নদী। গন্ধমাদন পৰ্ব্বতত অন্তৰাল কুণ্ড। এই সমস্ত ব্ৰহ্ম পুত্ৰৰ দক্ষিণ কুলত। দৰ্পট পৰ্ব্বত আৰু দৰ্পট নদী। ইয়াৰ পুবে সৰ্পাকাৰ অগ্নি পৰ্ব্বত। ইলুইতৰ ওচৰত। কিন্তু এই সকল কোন পৰ্ব্বত এতিয়া নিৰ্ণয় কৰা টান। অগ্নি পৰ্ব্বতত অগ্নিৰ মূৰ্ত্তি আছে। কংসকৰ পৰ্ব্বত তাৰ ওচৰত বৰুণ কুণ্ড। কংসকৰ পৰ্ব্বত অনুমান হয় কঁহৰাৰ ওচৰৰ কোনো পৰ্ব্বত বৰুণাচল, বায়ুকুট, চন্দ্ৰকুট বা চন্দৰাৰ পৰ্ব্বত আৰু তিনটী পৰ্ব্বত। চন্দ্ৰ কুটৰ ওচৰত নন্দন পৰ্ব্বত। মণি কৰ্ণেশ্বৰ পৰ্ব্বতৰ পুবে কুলাচল পৰ্ব্বত। ইয়াত কামদেবৰ স্থান। ইয়াৰ পুবে ৰুক্মকুট। এই বোৰ বড় নদীৰ ইপাৰৰ পৰ্ব্বত হব পায়। গুৱাহাটীত উগ্ৰতাৰা। ইয়াৰ পুবে চিত্ৰাচল বা নবগ্ৰহ পৰ্ব্বত আৰু কৰ্পট পৰ্ব্বত। ইয়াত যমৰ স্থান আছে। চিত্ৰাচলত আদিত্যাদি নবগ্ৰহৰ স্থান। সন্ধ্যাচল বা বশিষ্ঠ পৰ্ব্বত গুৱাহাটীৰ অগ্নি কোণত ইয়াত সন্ধ্যা, ললিতা, কান্তা নামে তিনটী ক্ষুদ্ৰ নদী একত্ৰিত হইছে। ইয়াত বশিষ্ট মুনিৰ আশ্ৰম। এই নদীএই ভৈৰবী বা ভঁড়লু নাম হই গুৱাহাটীত ব্ৰহ্ম পুত্ৰত পড়িছে।

সেই সময়ত যি বোৰ বিখ্যাত স্থান বা নদ নদী পৰ্ব্বত আছিল তাৰ মাত্ৰ বিবৰণ ওপৰত দিয়া হ'ল। যিবোৰ কুণ্ড তীৰ্থ সেই বোৰ সেই সময়ত বিখ্যাত স্নানৰ স্থান আছিল যি সকল পৰ্ব্বত সেই সকল বিখ্যাত দেৱতা বা দেৱতুল্য লোক সকলৰ বাসস্থান আছিল। সেই সময়ত কিৰূপ সাধাৰণ লোক ইয়াত আছিল আৰু সেই সকলৰ আচাৰ

ব্যবহাৰ আৰু অৱস্থা কেনে তাকো জনা কঠিণ। অধিকন্তু এতিয়াৰ গণনাৰে তাৰ সময় নির্ণয় কৰাও দুঃসাধ্য।

আ, স.

---

# লৰা কাল।

১

হেৰুয়ালোঁ ভাই! ময় অমূল্য ৰতন—
ৰাখিবলৈ নোৱাৰিলোঁ কৰিয়া যতন—
আনন্দৰ কাল মোৰ;
পড়িল দুবলা ওৰ,
বোধ কৰোঁ সি আৰু নাহিব উভতি—
যাবত জীবন মোৰ হুব এই গতি।

২

যেতিয়া আছিলোঁ ময় বয়সত সৰু,
জ্ঞানত আছিলোঁ যেন ছাগলি বা গৰু,
কেনে ৰঙ পাইছিলোঁ,
বহি গীত গাইছিলোঁ,
নাছিল ভাবনা একো সংসাৰৰ কালে,
হৰ্ষ ময় দেখিছিলোঁ চাঁও যেই কালে।

৩

ৰাতি পুৱা বঙ্গা বদ পিঠিত লগাই,
তুলি থোৱা চেঁচা ভাত দুটামান খাই,
হাত মছি তপিলাত,
দুকঠীয়া লই গাত,

লগবিয়াব লগ লাগি ফুবোঁ নাচি বাগি
এতিয়া দেখোন হলোঁ বিবাদব ভাগী।

৪

হাঁয় হাঁয় কেনে সুখে চুপবিয়া গই,
পর্ব্বতব ওচবত ময় অকলৈ,
নিজান ভড়লু—দাঁতি,
বহি তাতে কান পাতি,
শুনিছিলোঁ কল কলি প্রখব সোঁতব,
লইছিলোঁ সুশীতল বাবু আনন্দব।

৫

কপৌব মধুব মাত লই সমীবণ,
ধীবে ধীবে বই যায় ছুই প্রাণ মন,
সেই সুখে হাত ভবি,
নিশ্চল অবশ কবি,
টোপনিব বস আমি দিয়ে গাত ঢালি,
চকুব পতাও ক্রমে যায় গই হালি॥

৬

কলা ঘুমটিয়া ছই থাকোঁ ময় তাত,
কত আছো কত নাই ভত নাই গাত,
নাই বুঝ শবীবব,
নাই জ্ঞান জীবনব,
কিন্তু কেতিয়াবা আহি পুঁঠিমাছ চবে,
টুপ কবি ঝাপ মাবি ধ্যান ভঙ্গ কবে।

৭

মনত পড়েছি মোব আগব সময়,
আছিল যেতিয়া ধবা সুখব আলয়,

হাঁহিছিল খিলি খিলি,
গাইছিল ঢুলি ঢুলি,
বঙাটুনী ফেচুলুকা আদি পক্ষী বোৰে,
নাচিছিল হালি হালি বকুল টগৰে।

৮

কান—কুকনীএ পুৱা কুলু কুলু কৰি,
বঙা ফুলে ৰঞ্জিত মদাৰত পড়ি,
পীয়ে মৌ হৰ্ষ মনে,
নাচে বাগে ঘনে ঘনে,
দেখি শুনি কেনে সুখ মন্ন লভিছিলোঁ
সিহঁতৰ দৰে হাঁয়! নাচি ফুৰিছিলোঁ।

৯

কেতিয়াবা পিৰালিত বহি মনে মনে,
আকাশৰ ফাললৈ চাই ঘনে ঘনে,
সুখ পাইছিলোঁ দেখি,
উড়ি ফুৰে নানা পক্ষী,
ধীৰে ধীৰে লাহে লাহে ইফালে সি ফালে,
নাপাই ঠিকনা যেন যাব কোন ফালে।

১০

চপৰা চপৰি মেঘ সীমা সংখ্যা নাই,
ঘুৰি ফুৰে ঠিক যেন বাট হেকৰাই,
তাৰ তলে তলে হাঁয়,
চিলন ফুৰে বনাই,
উড়ি উড়ি ঘুৰি ঘুৰি কাতি ফুতা কৰি,
এবাৰ জোকাৰি পাখি এবাৰ বিস্তাৰি।

১১

কিমান নো কম ময় সেই বোৰ কথা ?
অলেখ অসীম সাগৰৰ বালি যথা,
প্ৰাণ ছাটি কুটি কৰে,
যেতিয়া মনত পড়ে,
সিসৰ সুখৰ দিন বই গল মোৰ,
এতিয়া চাৰিও ফালে দেখোঁ দুখ মোৰ।

১২

নেপাও এতিয়া কিয় তেনেকুয়া সুখ ?
দেখা পালে গোলাপৰ সেই হাঁহি মুখ,
শুনো সেই কুমাৰণী
কৰে শব্দ গুণ গুনি,
ভুন ভুন ভোমোৰাই আজিও মাতিছে,
আজিও তম্বুৰা যেন বাজনা বাজিছে।

১৩

আজিও ফুৰিছে মেঘ আকাশত চৰি,
আজিও ফুৰিছে সোঁৱা চিলা উড়ি উড়ি,
কিন্তু সেই সুখ নাই,
আকাশলৈ আছো চাই,
দুখহে দেখিছো ময় গোটেই জীৱনত,
দুখৰহে কথা মোৰ জাগিছে মনত।

ল. ৰ.

---

# গাৰোবৃত্তান্ত।

( ১৭৩ পিঠিৰ শেষৰ পৰা )

গাৰো-সতী। কোনো এটা সমাজৰ ভিতৰ সোমাই তাৰে এটা সমজুৱাৰ দৰে হইছে সেই সমাজৰ আদি গুড়ি গোটেই লব পাৰি। বাহিৰে থাকি ওপৰে ওপৰে চাই প্ৰকৃত কথাৰ তত্ত্ব পোৱা বড় টান। ময় বাহিৰৰ পৰা গাৰো আৰু হানা ইঁতৰ ভিতৰত যি দেখিছোঁ আৰু যি শুনিছোঁ তাকেহে লেখিছোঁ। যদি ইয়াত কিবা স্বৰূপে অলপ ভুল থাকে জ্ঞাত-তত্ত্ব পাঠক সকলে অনুগ্ৰহকৰি সেই দোষটি মৰ্ষণ কৰি ভুলটি সংশোধন কৰি দিলে বড় উপকৃত আৰু বাধ্য হম। গাৰোহঁতৰ তিৰুতা বিলাকৰ ভিতৰত সতীত্বৰ কিমান আদৰ তাক অৱশ্যে ময় নিখুতকৈ কব নোৱাৰোঁ। আন আন্ পৰ্ব্বতীয়া জাতীৰ ভিতৰত সতীত্বৰ যিমান আদৰ আৰু সম্মান ইহঁতৰ ভিতৰতো সিমানকে দেখিলোঁ। মৰা শৰ ওচৰত বহি গাৰো বা গাৰোৱ্ৰনীয়ে যেতিয়া বছেকেৰ ছুমাহলৈকে নিজৰ ভাৰ্য্যা বা স্বামীক ৰখি থাকে—শৱৰ দুৰ্গন্ধ বা বিকৃতিএও যেতিয়া শৱৰ ওচৰৰ পৰা সিহঁতক খেদিব নোৱাৰে তেতিয়া অবিকৃত প্ৰেমেৰে বন্দী হই সিহঁতে এই অসাধ্য কাৰ্য্য নকৰে নে? কিন্তু এটি কথা—স্ত্ৰী-স্বাধীনতাৰ প্ৰচলন য'তে বেচি, ত'তে সতীত্বৰ আদৰ সিমান কম। এই সম্পৰ্কে বিশেষকৈ লেখা অনাবশ্যক। কোনে কব পাৰে হিন্দু-সমাজতকৈ ইংৰাজ সমাজত সতীত্বৰ আদৰ বেচি! ক্ৰমশঃ

ৰ, মহন্ত

---

# আসাম-বন্ধু।

মাসিক পত্র।

"নচ জ্ঞানাৎ পৰং বলম্।"

প্রথম খণ্ড। ] পুহ শক ১৮০৭, ইংরাজী ১৮৮৬। [ দ্বাদশ সংখ্যা।


## নৱযুগ।

এই বিশ্ব সংসাৰ খন আমি এতিয়া যেনে দেখিছো ই একেবাৰে যে তেনে হইছে এনে নহয়। ইয়াত যি বস্তু দেখি সি একেবাৰে সেই বস্তু হোয়া নাই। নানা অৱস্থা নানা পৰিবৰ্ত্তনৰ পাছতহে হইছে। সংসাৰৰ বস্তুৰ গুণেই পৰিবৰ্ত্তন। ইয়াৰ দ্বাৰাই ইয়াৰ ক্রমোন্নতি অৱস্থা জানি। প্রতি মূহুর্ত্তে ইয়াৰ পৰিবৰ্ত্তন হইছে। ইএচনরূপে হইছে যে তাৰ প্রত্যেক পৰিবৰ্ত্তনৰ তত্ত ধৰিব নোৱাৰো। পুৱাৰ পৰা একেবাৰে দুপৰীয়া নহয় আৰু দুপৰীয়াৰ পৰা একেবাৰে গধুলি নহয় আৰু গধুলিৰ পৰাও একেবাৰে পুৱা নহয়।—ক্রমে ক্রমেহে হয়।—এইটো স্থিৰ সিদ্ধান্ত।—এই সংসাৰ আদিতে আকাশ যেনে তেনে আছিল। সৃষ্টিকর্ত্তাৰ ইচ্ছাত

আৰু উচিত সময়ত আকাশৰ কিয়দংশ গাঢ় হই তাপ তেজ জ্যোতি বা তাড়িত জ্যোতি হয়। আকাশতে এই সংসাৰৰ যাবদীয় বস্তু। জ্যোতিৰ পাছৰ অৱস্থাই বায়ু। তাপ জ্যোতি আৰ বায়ু গ্রহ নক্ষত্রাদিতো ইতৰ বিশেষৰূপে আছে।— বায়ুৰ পাছৰ অৱস্থাই জল। এই জল এই পৃথিবী বিনে আন নক্ষত্র কি গ্রহ মণ্ডলত আছে নে নাই ইয়াৰ শেষ সিদ্ধান্ত হোৱা নাই। জল সৃষ্টিৰ সময়ত এই পৃথিবী এইৰূপ নাছিল। জল সৃষ্টিৰ লগতে জলত থাকিব পৰা প্রাণী যেনে জলচৰ মাছ প্রভৃতি জন্তু ভগবানৰ ইচ্ছাচৰ সৃষ্ট হল। এইৰূপে অনেক কাল যায়। সৃষ্টিকর্ত্তাৰ উচিত সময়ত সেই জল স্থানে স্থানে তৰাং হল পাছত মাটী হ'ল। সেইএ একেবাৰে ডাঠ নহয়। কোনো বীল, পুখুৰি বা নদীৰ পাণী শুকাই গলে যেনে বোকা আৰু বালি বা অলপ টান মাটী হলত সেইৰূপ অৱস্থাৰ উপযোগি কুৰ্ম্ম বা কাচ প্রভৃতি উভচৰ জন্তুৰ সৃষ্টি হ'ল।

ক্রমে জল আৰু শুকাল। স্থল ভাগ আৰু জল ভাগ বেচলগ হ'ল। শেলেকু, কছু, প্রভৃতি উদ্ভিদ সৃষ্টি হ'ল আৰু বৰাহ গাহৰি প্রভৃতি চতুষ্পদাদি জন্তুও সৃষ্টি হ'ল। এই যুগতেই পশু পক্ষী প্রভৃতি উৎপন্ন হয়। সিংহ প্রভৃতি বল-ন্তু জন্তুও এই যুগৰ। তাপ, জ্যোতি, তাড়িত আকর্ষণ বায়ু ইত্যাদিৰ সহযোগত সৃষ্টি কর্ত্তাৰ ইচ্ছাৰে এই বোৰ প্রাণী হ'ল। পৃথিবীত পর্ব্বত, শিল, নদী, নানাবিধ বৃক্ষও এই যুগৰ।

বিশ্ব বিধাতাৰ ইচ্ছাত ক্রমে পৃথিবীৰ এনে অবস্থা হ'ল যে পশুৰ শেষ সৃষ্টি হই নৰ মনুষ্যৰ সৃষ্টিৰ উপযোগি হ'ল। ইয়াৰ পাছত মনুষ্যৰ উৎপত্তি। প্রথম অবস্থা নৰ নাৰীৰ

অৱস্থা অতি দুৰ্ব্বল আছিল। বুদ্ধি ৱৃত্তি সহজ হলেও খৰ্ব্ব আছিল। সৌন্দৰ্য্য, বিস্ময়, ভয়, ঘৃণা, আহাৰ, নিদ্রা সৰলতা সত্য পৰায়ণতা প্রভৃতি গুণ আছিল। কিন্তু জ্ঞান আৰু কার্য্য ক্ষমতা বুদ্ধি ৱৃত্তি চোকা নাছিল আপোনাৰ পৰিয়ালেই প্রিয় আছিল আৰু সেইএ সংসাৰ আছিল। অভাৱ হলেই অনুসন্ধান আৰু যত্ন হয়। ক্রমে বুদ্ধি চোকা হ'ল। অস্ত্রাদিৰ সৃষ্টি হ'ল। ইয়াতে কুঠাৰ দা ইত্যাদি লই পৰিয়াল বোৰে ইঠাই সিঠাইত কুৰি মৃগয়া বা বনৰ ফল মূল আৰু বস্তু খাই সেই যুগত প্রাণ ধাৰণ কৰা হইছিল। যেইএ যতে ইচ্ছা ততে আছিল। বিবাহাদিৰ তেনে নিয়ম নাছিল যেইএ জানি আছিল সেই জনে পশু চর্ম্মৰ দ্বাৰা দার্শনিক চিহ্ন ধাৰণ কৰিছিল। ক্রমে অভাব অধিক হ'ল আৰু মানুহৰ প্রয়োজন অধিক হ'ল। ই জনে সিজনৰ ইপড়িয়ালে সিপড়িয়ালে বা কেতবোৰ পৰিয়ালে মিল হই আন কেত বোৰ পৰিয়ালৰ প্রতি আক্রমণ কৰিবলৈ ধৰিলে। ধনুতীৰ আৰু আন আন অস্ত্রৰ সৃষ্টি হ'ল। যুদ্ধ বিগ্রহ হল। মহা হুলস্থুল যাৰ বল তাৰেই স্বত্ব।—কেত বোৰ পৰিয়ালে যোগ্য চাই কোনো একজন বা এপৰিয়ালক গৰাকি আৰু বক্ষক স্বীকাৰ কৰি ললে। ক্রমে এক বা কেতবোৰ পৰিয়ালৰ এই ঠাই বা দেশ বা অধিকাৰ হ'ল। ক্রমে আৰ্কো অভাব অনুসাৰৰ কার্য্য আৰু ৱৃত্তি স্থিৰ হ'ল। ইয়াৰ পাছত পৰস্পৰ এইৰূপে থকাত অসুবিধা পাই আৰু উন্নতি হ'ল। কৃষী বাণিজ্য আবশ্যক হোয়াত সেই সেই ৱৃত্তি মতে কার্য্য কৰিবলই আৰম্ভ হল। লাঙ্গল, হাল, কাল ইত্যাদি কৃষিৰ আৰু বাণিজ্যৰ জন্যে নৌকাদি প্রস্তুত হবলৈ ধৰিলে। ইজনে সিজনে মুখে কথা কোৱা, বা মানুহৰ আগত কই পঠোৱাৰ

দ্বাৰা অভাব মোচন নহয়। ভাবৰ আধিক্য হল বিষয় বিস্তাৰিত হল জ্ঞান বিস্তৃত হ'ল। অক্ষয় সৃষ্টি হ'ল। পুথী লেখাৰ নিয়ম হল। প্ৰথমে লোকৰ বাকলি বসন ভুজপত্ৰ আছিল। সামান্য আহাৰীয় দ্ৰব্য, সামান্য পৰিধানৰ বস্তু আৰু সামান্য ব্যবহাৰৰ বস্তু গুছি আহি ক্ৰমে উন্নত বস্তুৰ সৃষ্টি হ'ল।—লোকৰ ৰুচি পৰিবৰ্ত্তন হ'ল। দেশ ভ্ৰমণ প্ৰভৃতিৰ দ্বাৰা পৰস্পৰ দ্ৰব্যাদিৰ বিনিময়ৰ লগত ৰুচি ভাব ইত্যাদিৰ বিনিময় হ'ল। আচাৰ নীতি পৰিবৰ্ত্তন হ'ল। পাঠক সেই বনবাসি বাকলি বসন পিন্ধি মৃগয়া কৰি ইঠাইৰ পৰা সিঠাইলৈ যোৱা নৰমনুষ্যৰ এতিয়া কেনে ওখ অৱস্থা। এই দুই লেখিৰ নজনা নৰমনুষ্যে এতিয়া অঙ্ক জ্যোতিষ বিজ্ঞানত কেনে পাৰ্গত। সেই কেচা মাংস খোৱা নৰমনুষ্যৰ এতিয়া কেনে সুখাদ্য নানাবিধ খোৱা বস্তু। বাহৰ চুঙ্গাত পানী অনা মানুহৰ কেনে সুন্দৰ বহু মূল্য বাসন। ভয়ত বনৰজাক পূজা কৰা মনুষ্যৰ কেনে চৈতন্য উপাসনা। সেই সত্যবাদি কাৰো অপকাৰ অনিষ্ট নকৰা, নিৰ্দ্দোষি মানুহৰ পক্ষে এতিয়া কেনে শত ধাৰাৰ চুক্তিৰ আইন সহস্ৰ ধাৰাৰ দণ্ডবিধি।

এতিয়া সমুদ্ৰ, বায়ু, তাপ, তেজ সকলো মনুষ্যৰ কাৰ্য্য সাধনত উপায় হইছে। এপিনে চালে মনুষ্য অতি কদৰ্য্য নিষ্ঠুৰ ৰাক্ষস। ইপিনে চালে পৰম পবিত্ৰ দেৱতা। জ্ঞান বিজ্ঞান আৰু তাৰ অঙ্গ আৰু ৰহস্যৰ প্ৰভাবত কেনে সংসাৰৰ উন্নতি। এতিয়া সকলোৰে জ্ঞান চক্ষু মুকলি হইছে। কোনো এজনৰ নহয়। ক্ৰমে এই সংসাৰৰ এই গণনাৰ এই "নৱযুগ।" ইয়াৰ এক যুগত বা কিমান বছৰ তাৰ সংখ্যা নাই। অনন্ত ঈশ্বৰৰ অনন্ত মহিমাই মাত্ৰ জানে।

আ, কা, শ

# শাৰীৰিক শ্ৰম।

বিশ্ব নিয়ন্তা বিধাতাই প্ৰাণী মাত্ৰকে শ্ৰম কৰিবলৈ দিছে। শ্ৰম প্ৰাণীৰ স্বভাব সিদ্ধ প্ৰকৃতি। জন্ম হোৱা মাত্ৰেই মানুহ, কি পশু পক্ষী, কীট পতঙ্গ সকলোৱে তাৰ অঙ্গ পৰিচালনা কৰে। জৰায়ু শয্যাতো প্ৰাণীএ অঙ্গ চালনা কৰে। তাৰ পৰা ভূমিষ্ট হৰা মাত্ৰে স্বাভাবিক ৰূপে অঙ্গচালনা কৰে। এই অঙ্গচালনা শক্তি আৰু চালনাই প্ৰাণীৰ জীৱন্ত অৱস্থাৰ চিন। ইয়াৰ অভাব হোৱাই প্ৰাণ হীনতা বা মৃত্যু।

শিশু অৱস্থাত প্ৰাণীৰ অঙ্গ প্ৰত্যঙ্গাদি শক্ত থাকে কিন্তু তেজৰ গতি বড় প্ৰবল। সেই কাৰণেই সেই অৱস্থাত প্ৰাণী সকলে বড় স্ফূৰ্ত্তিৰে লড়ি ধাপড়ি গাজোকাবি কৰে। লৰা ছোৱালীক ছাজাৰ নিষেধ কৰা স্থিৰ হই থাকিবলৈ নোৱাৰে। যেতিয়া লৰাই স্থিৰ থাকিবলৈ ধৰিলে তেতিয়া জানিবা তাৰ ৰোগ। ডাঙ্গৰ মানুহবো সেই চিন। অঙ্গ পৰিচালনা কৰাৰ দ্বাৰা আমাৰ অঙ্গৰ অস্থি মাংস শিৰ নাড়ী সকলোবোৰে উশাহ পায়। কেঁচুয়া লৰাই হাত ভৰী গা জোকাবি যদি থাকে আৰু যদি হেঁকচিয়াই তেনে হলে আমাৰ মাইকী বোৱে কয় লৰা বাঢ়িব আঁত মুকলি হইছে। প্ৰকৃতে এইটো শাৰীৰ বিজ্ঞানৰ মূল নিয়ম। এইৰূপ অঙ্গ চালনা কৰি কৰি লৰাৰ শৰীৰ বাঢ়ে আৰু শক্তি বাঢ়ে। যি লৰাই যিমান লড়ি ধাপড়ি কৰে সি সিমান ৰলিষ্ট তাৰ শৰীৰ তিমান পুৰট। কিয়নো মাংস, অস্থি নাড়ী শিৰ প্ৰভৃতি কুঁচি নাথাকি মুকলি হয়। অঙ্গচালনাৰ দ্বাৰা আমাৰ শৰীৰৰ তেজ চালনা হয়। দূষিত তেজ পৰিষ্কাৰ হয়। শৰীৰৰ

ঘাম ওলায়। বক্ত চালনাব কাবণে পেটত ভোকলাগে শৌচাদি সুন্দবে হয়। ইয়াব দ্বাবা মানুহব মুবত যি মস্তিষ্ক বা ঘিঁও আছে সিও পবিষ্কাব হই পুষ্ট হয়। দিনৌ দিনৌ খোৱা বাসন বর্ত্তন মাজিলে আৰু চাই সাবিলে যেনে পবিষ্কাব হয় সেইৰূপে দিনৌ দিনৌ উপযুক্ত ৰূপে শাৰীবিক শ্রম কবিলে শবীবব উপকাব হয়। অঙ্গ পবিচালনা নকবিলে তাব বিকৃত অবস্থা পায়। কোনো কোনো ঊর্দ্ধবাহু সন্যাসীএ কোনো হাত ওপবলৈ তুলি থয়। কিছু দিনব মুবত সেই খান হাত একেবাবে অকর্ম্মণ্য আৰু জঠব হই যায়। সেইৰূপে সকলো অঙ্গব বিষয়ে প্রমাণ। প্রায় দেখা-যায় সকলোবে সোঁও হাতখন বাঁও খানতকৈ সবল আৰু কার্য্যক্ষম। ইয়াব কাবণ এই যে বাঁও খানতকৈ আমি সোঁও খান হাতেবে সদাই কাম কবোঁ। সোঁওখান হাতে যিমান কাম কবে আৰু চলিত হই থাকে বাঁও খান তিমান নহয়। এই কাবণেই সকলো অঙ্গ সমান ভাবে চালনা নকবিলে কোনো অঙ্গ ঘূণীয়া হয় বা দুর্ব্বল হয়।

অঙ্গ চালনাব দ্বাবা তেজ উত্তেজিত হই পীত্ত প্রণালি, নলি, পঙ্ক প্রণালি, বল মূত্রাধাব, বুকু, মস্তিষ্ক প্রভৃতিলৈ ভাল বক্ত যায়। দূষিত বক্ত নানা উপায়ে নানা ইন্দ্রীয়েবে নির্গত হয়। আৰু পবিশুদ্ধ বক্তব দ্বাবা সেই সমস্ত পবিপুষ্ট হয়। মুবব ঘিউএই বুদ্ধি বৃত্তি আৰু ধর্ম্ম প্রবৃত্তিব ঠাই। ই সতেজ আৰু সবল হ'লে মানসিক শ্রম কবিবলৈকো উপযুক্ত হয় পবোপকাব, দয়া' ঈশ্বব চিন্তা কবিবব কাবণেও লোক সবল হয়। শ্রম কবিলে শবীবব কর্বন নামে দূষিত বায়ু অম্লজান নামে নিশ্মল বায়ুব দ্বাবা দগ্ধ হই যায়। এই কার্বন বায়ু এই অগ্নিমান্দ্যব কাবণ। শ্রমে শবীবব তাপ বৃদ্ধি হই শবীব

সবলে রাখে। শ্রম করিলে যে মানুষক জারে মরবে তার এই কারণ। শ্রমর পাছত শরীরর বড় স্ফূর্ত্তি জন্মে। শ্রম করিলেহে বিশ্রামর সুখ তুঞ্জির পারি। আহারর সুখ জন্মে। আমার শ্রম নকরা লোক সকলে নানাবিধ সুখাদ্য বস্তু আরু ষড়রস পঞ্চামৃত খায় তেও দুর্ব্বল। অথচ শাকে কছুত্র শ্রমী লোক সকলে খাইও হৃষ্ট পুষ্ট। আমার শ্রম নকরা ডাঙর লোক সকলর পীত্তর নরিয়া; কফর নরিয়া, বায়ুর নরিয়া। অমুক খালে পীত্ত টান করে টেঙ্গাপাণী আহে, মুর ঘুরায়। শ্রমজীবি সকলরৈ চোরা। একো নাই। যদে বরষুণে বতাহে বনকরি কুরে তেও হম্ গমেই নাই। কিয়নো শ্রম নকরার দ্বারা আমার সুখাভিলাষী সকলর রক্ত অচালিত আরু অপরিষ্কার থাকে। সেই কারণে শরীরর সকলো রোর যন্ত্র বিকৃত হই যায়। শ্রমী-লোক সকল সদাই নরিয়া মপড়ে; চির রোগিও অতি তাকর যেতিয়া নরিয়া পড়ে সামান্য ঔষধতে গুণ পায়। শ্রমহীন লোক সকলে সদাই রুগিয়া দেখি সদাই ঔষধ খায় সেই কারণে তাতে আর্কো নরিয়া পড়িলে অল্প ঔষধে গুণ নদর্শে। অলপতে দুর্ব্বল হই যায়। শারীরিক শ্রম নকরি অকল মানসিক শ্রম করাও দূষণীয়। ওপরত উর্দ্ধ বাহু সন্ন্যাসীর হাতর দরে মানসিক বৃত্তি মানসিক শ্রমর দ্বারা উন্নত হলেও শারীরিক শ্রমর অভাবত শরীর অকর্ম্মণ্য আরু রুগ্ন হয়। উর্দ্ধবাহু সন্ন্যাসীর যেনে সেই হাত খান এটা বোঝার দরে হয় শ্রমহীন জনর শরীর টোএই তেনে হয়। ক্রমে মানসিক বৃত্তিও দুর্ব্বল হয়। কিয়নো শ্রমর দ্বারা তেজ সঞ্চালিত হই মানসিক বৃত্তির মূলাধার মুরর ঘিউ ক্রমে অমার্জ্জিত আরু অপুষ্ট হয়। এই কারণেই অকল পঢ়া শুনা

প্রভৃতি মানসিক শ্রম কৰা অনেক লোক ক্রমে অকর্ম্মণ্য হই যায়।

শ্রমৰো সীমা আছে। অতিৰিক্ত শ্রমৰ দ্বাৰাও লোকৰ অপকাৰ হয়। দিনে ৰাতিএ ৮ ঘণ্টা অত্যন্ত শ্রম ৮ ঘণ্টা লঘুশ্রম আৰু ৮ ঘণ্টা বিশ্রাম সাধাৰণৰ পক্ষে সঙ্গত। ছয় ঘণ্টা নিদ্রা বা পূর্ণ বিশ্রাম, দহ ঘণ্টা গুৰু শ্রম আৰু ৮ ঘণ্টা লঘু শ্রম কৰিলেও হানি নহয়। শ্রম কৰোঁতে এনে শ্রম কৰিব লাগে যেন শৰীৰৰ সকলো অঙ্গ প্রত্যঙ্গৰ চালনা হয়। তেহে প্রকৃতিৰ মূল উদ্দেশ্য অর্থাৎ স্বাস্থ্যে থকা যায় দীর্ঘজীবনো পোৱা যায়। দীর্ঘজীবী লোক মাত্রেই আতশয় শ্রমী দেখা যায়। অনেক সুস্থ [illegible] মানসীক শ্রমী লোকে টান শ্রম কৰা দেখা শুনা [illegible]। জনক বঙ্গাই ৰাজকার্য্য ও কৰিছিল হালো ৰাজি [illegible] মাৰ দেশৰ পূর্ণানন্দ বুঢ়া গোহাঁই ডাঙ্গৰীয়াই ৰ [illegible] কার্য্য কৰিও কাপড় সিযা বাটৰ কাম কৰা পাটী [illegible] কাম কৰিছিল। শ্রমৰ দ্বাৰা সকলো প্রকাৰ বস্তু উপার্জ্জন কৰিব পাৰি। আমি যি মান বস্তু ভোগ কৰো সাৰ [illegible] শ্রমৰ পৰা উৎপত্তি হোৱা। এতেকে আমাৰ মতে যেন সকলোএ এনে শ্রম কাম বৰলৈ শিক্ষা কৰে যে শাৰীৰিক অঙ্গ আৰু মানসিক সকলো বৃত্তিৰ স্থান পৰিচালিত হয়। শ্রমহীনতাই আমাক যেন নির্জ্জীব প্রাণীৰ মাজলৈ নিয়ে [illegible]। ইযালৈ সকলোৰে লক্ষ্য আৰু এই বিষয়ে আলোচনা কৰা উচিত।

শ্র, ম,

# মেঘ আরু বিজুলি।

## মেঘ।

১

কলামেঘ? ৰত্ন তুমি পুৰুষ কুলৰ;
পুৰুষ কাঠ-বুকীয়া,
শিলেৰে বন্ধোৱা হিয়া,
দয়া, স্নেহ আত্মত্যাগ নাই পুৰুষৰ
পুৰুষৰ পৰীৱত
গুণ কম, দোষ যত;
হেন অনৰ্থক অপবাদ বহুতৰ,
ৰটে লোকে সৰ্ব্বদাই,
কিন্তু যদি কোনোবাই,
খন্তেক তোমাৰ গমি চায় পটন্তৰ।

২

কি দেখিব? কোনে কয় পুৰুষ নিৰ্দ্দয়?
সূৰ্য্যৰ প্ৰচণ্ড-তাপে,
জহৰ বিষম ভাপে,
তৃণ লতা আদি কৰি যত বৃক্ষচয়,
সকলো শুকাই যায়,
পৃথিবীতো ৰস নাই,
প্ৰাণী সকলৰো প্ৰাণ ওষ্ঠাগত হয়,
সবাৰে শুকাল মুখ,
দেখিলে বিদৰে বুক,
ছট্‌ফট্‌ কৰে প্ৰাণ দুৰন্ত সময়।

৩

ক্ষেতিয়ক হালোৱাই চিন্তাত অস্থিৰ,
শুকান পথাৰ পায়,
—সমূলঞ্চে জিপ নাই,
দুৰন্ত ৰদত মাটি ফটা চিৰ চিৰ,—
টোৱাৰ নোৱাৰি হাল,
উফৰি পড়য় ফাল,
ভাবি অন্ত নেপায়, কি কৰিব খেতিৰ।
হেনয় বিপদ চাই
কোনে দুখ পতিয়াই
পৰহিত কৰে নাশি নিজৰ শৰীৰ।

৪

কোনে সংসাৰত হেন আত্মত্যাগ কৰে॥
পুৰুষ মেঘক বিনে,
কোনে কোৱা ৰাতি দিনে?
প্ৰাণীৰ হিতৰ জন্যে অতি অকাতৰে
নিজ দেহ ক্ষয় কৰি,
পানী ঢালে হৰহৰি,
পানী পাই হালোৱাই আনন্দ অন্তৰে,
ক্ষেতি কৰে পুনৰায়,
আকাল পলাই যায়,
অন্ন-চিন্তা গুচি-শান্তি শোভে ঘৰে ঘৰে।

## বিজুলি।

৫

পৰম ৰূপসী তেওঁ বিজুলী সুন্দৰী,
দেখি হেন আত্মত্যাগ—

—পৰহিত অনুৰাগ—

মুগ্ধ হই সুগুণত—ৰূপ কাতি কৰি—
গুণ-গৌৰব বঢ়াই,
ৰূপক চাট পেলাই,
ৰবিলে তোমাক মেঘ! পৰম সাদৰি,
তোমাৰ পুৰুষ-প্ৰাণ,
অলপতে কৰে মান,
মুখ ওলোমাই থাকা—মৌন ব্ৰত ধৰি!

৬

সাদৰে বিজুলি কৰি কাকুতি মিনতি,
নিজৰূপ চমকাই,
সংসাৰক দেখুৱাই,
ভাঙ্গিব তোমাৰ চেহ হায় কি দুৰ্গতি!
তাতো নহে তুষ্ট মন,
কৰি ঘোৰ গৰজন,
গালি পাৰা বিজুলীক—কিন্তু তেওঁ সতী
তৰ ক'লা কাঠ বুকে,
মুখ লুকাই মনোদুখে,
বৃষ্টি-ৰূপে অশ্রু পৰে তিতে বসুমতী। *

ব, মহন্ত।

---

## এটা কথা।

এদিন দুপৰিয়া ত্রিপুৰাৰ ৰজাই সভা পাতি পাত্র মন্ত্রী লই বহি আছে। এনে সময়তে এজন বুঢ়া বামুন স্বৰ্গ

* কবিৰ সৃষ্টি বিধাতাৰ সৃষ্টিতকৈও আশ্চর্য্য! ইয়াৰ উপমা এই বচনাত পোৱা যায়। স,

দেৱৰ জয় হওক বুলি সভাত উপস্থিত হল। ৰজাই বামুন দেখা পাই, তেওঁক মান সৎকাৰ কৰি বহুয়াই সুধিলে, দেউ! আমাৰ সভালৈ কি নিমিত্তে অহা হইছে?

বাপু—মহাৰাজ! ময় দুখিয়া বামুন, ঘৰত পেট পুহিবৰে উপায় নাই। সেই দেখি আপোনাৰ দুৱাৰলৈ আহিছো। কিঞ্চিৎ পালে জানিবা গধুলিলৈ মোৰ আৰ বামুনি জনীৰ পেটৰ উপায় হয়।

ৰজা—দেউ! তুমি পঢ়িবলৈ জানা নে?

বা—হয়, মহাৰাজ, যৎকিঞ্চিৎ জানো।

ৰ—বাৰু, এটি আমাক শ্লোক ৰচনা কৰি শুনুয়া চোন। শ্লোকটিৰ ভাব ভাল হব লাগে, অলপ মধুৰতাও থাকিব লাগে। আৰু চাৰিও চৰণ পুৰ হব লাগে।

বাপুৰ বিদ্যা অগাধ। বামুনীৰ কথাত অতি বিড়ম্বনাত পড়িল। তেও কিছু মান পৰ মনে মনে থাকি মাত লগালে।

বা—মহাৰাজ বিড়ালং দুগ্ধঃ পিবতি বিড়ালীত্র গাক্ষীৰ খালে। ৰজাই শ্লোক শুনি অমাত হল। কি কৰিব, বামুন মানুহ, পণ্ডিতেই হওক বা মূৰ্খই হওক নত্র গুণৰ ভাৰ বয়। এতেকে গালি শপনি পাবিব নোৱাৰে। মনৰ খণ্ড মনতে মাৰি সুধিলে দেউ! আমি জানো যে শ্লোকৰ চাৰি চৰণ থাকে। পিছে তোমাৰ শ্লোকৰ চাৰি চৰণ কতা?'

বা—মহাৰাজ! কিয়? মোৰ শ্লোকৰো চাৰি ও চৰণ সম্পূর্ণ আছে। দেখাতেই বিড়ালীৰ চাৰিখান ঠেঙ।

ৰজাই বামুনক কথাত নোৱাৰি আকৌ সুধিলে, বাপু, চাৰি চৰণ জানিবা পালো তোমাৰ শ্লোকত মধুৰতা কি আছে?'

বা—মহাৰাজ! মোৰ শ্লোকত যদি মধুৰতা নাই, তেন্তে

এই জগতত মধুৰতা নাই। দুষ্কৃত কৈ আৰু মধুৰ বস্তু কিবা আছে নে?

ৰজাই এই কথা শুনি বড় অপ্রতিভ হল। কিন্তু মাত দিবৰ ঠাই নাই, কি কৰিব। তেও ক্রোধ সম্বৰণ কৰি আৰো সুধিলে, বাৰু, মধুৰতা পালো, কিন্তু তাত একো ভাব বিচাৰি উলিয়াব নোৱাৰিলোঁ।

বা—মহাৰাজ, সেই ফেৰি কথাইহে প্রধান। যদি মোৰ ভাৱেই থাকিব তেনেহলে ময় আপোনাৰ দুৱাৰলৈ এই বেশ ধৰি কিয় আহিম। ভাৱ নাই, অভাৱ দেখিহে, মাগিবলৈ আহিছো। ভিক্ষা পোৱাই মোৰ ভাৱ।

ৰামুনৰ বহুয়ালি দেখি ৰজা বড় সন্তুষ্ট হল আৰু অলপ দক্ষিণা দি বিদায় দিলে। আমাৰ জানিবা হাহোঁতেই গল। পাছে কাপোড় কাণি কলা হলত ঘৰলৈ আহিলোঁ।

স, ব,

---

# মনুষ্যৰ ক্ষুদ্রত্ব আৰু মহত্ব।

( ছাত্রৰচনা )

ভাই! এই সংসাৰৰ মাজত তুমি কিমান ক্ষুদ্র, কিমান সামান্য। তোমাক মৰুভূমিৰ মাজৰ এটা বালিৰ কণা বা অনন্তসাগৰৰ জল বিন্দুৰ নিচিনাকৈ গণ্য কৰিব পৰা যায়। কিন্তু ভাই তোমাক এটা কথা সোধোঁ। তুমি কি কেতিয়াবা তোমাৰ এই ক্ষুদ্রত্বৰ অনুভব কৰিব পাৰিছানে? কেতিয়াবা তুমি মনত ভাবিছানে তুমি যে ক্ষুদ্র, তুমি সামান্য, তুমি গণনাৰ মাজত নোহোয়া? কেতিয়াবা তুমি মনত ভাবিছানে এই সংসাৰৰ ঢৌৰ মাজত তুমি এডাল ক্ষুদ্র তৃণ।

যিপিনে চৌয়ে তোমাক নিছে তুমি সেই পিনেই গইছা তোমাৰ নিজৰ এটা ফুটা কড়িৰ সমানও ক্ষমতা নাই শক্তি নাই তুমি ক্ষুদ্রতকৈও ক্ষুদ্র।

তুমিতো শুনিছা যে এই সংসাৰৰ মাজত ডাঙৰ হবলৈ গলে প্রথমে সৰু হব লাগে। উচ্চ হবলৈ গলে আগেএ সামান্য হব লাগে, মহৎ হবলৈ গলে আগেএ ক্ষুদ্র হবলাগে। কিন্তু ভাই! সত্যকৈ কোৱা চোন কেতিয়াবা কি আপোনাক ক্ষুদ্রবুলি পৰিচয় দিছানে? কেতিয়াবা তুমি কাকো কইছিলানে যে মোতকৈ আৰু কেও সৰু নাই? আৰু কেতিয়াবা কি আপোনাৰ ক্ষুদ্রত্ব জানিবলৈ পাৰি মান, অভিমান, ঈর্ষা, অহঙ্কাৰ ক্রোধ এই এটাই বিলাক এডিবলৈ চেষ্টা কৰিছিলানে?

ভাই! এবাৰ ভাবিচোৱা তুমি কিমান ক্ষুদ্র, কিমান সামান্য। তোমাৰ স্বাস্থ্য আছে, যৌবন আছে, শ্রী আছে, সৌন্দর্য্য আছে, শক্তি আছে, কিন্তু এবাৰ প্রকৃতিৰ লগত তুলনা কৰি চোৱাছোন। এবাৰ ভাবি চোৱাছোন প্রকৃতিৰ কিমান সৌন্দর্য্য কিমান শক্তি কিমান ক্ষমতা। যি শক্তিৰ বলত আকাশৰ চন্দ্র সূর্য্য গ্রহ নক্ষত্র বোৰ আৰু তুমি থকা পৃথিবী খন অবিশ্রান্ত ঘুৰিছে সেই শক্তিৰ লগত তোমাৰ শক্তিৰ তুলনা হবনে?

এবাৰ মনস্থিৰ কৰি ভাবি চোৱাচোন সেই সকলৰ শ্রেষ্ঠত্ব আৰু গতিৰ পৰিমাণ কিমান। এবাৰ ভাবা প্রতি ঘণ্টাত দহ হাজাৰ মাইল পৃথিবী খন দৌড়িছে, কলৈ দৌড়িছে, কোনপিনে দৌড়িছে তাৰ স্থিৰতা নাই। ভাবি চোৱা পৃথিবীৰ, জোনৰ, বেলিৰ পৰিমাণ কিমান! ওজন কিমান ভাবিলে তোমাৰ মোৰ ঘুৰি যাব। এই বিলাক দেখি

শুনিও তোমাৰ ক্ষুদ্ৰত্বৰ পৰিচয় বাকি থাকেনে? সেই কাৰণেই তুমি ক্ষুদ্ৰ। এই যে তোমাৰ সৌম্যমূৰ্ত্তি, সবল, সচ্চৰিত্ৰ, বিদ্বান, বুদ্ধিমান পুত্ৰৰ অভিমানত আপোনাক অভিমানী জ্ঞান কৰি গৰ্ব্বতে মাতীত ভৰি নেপেলাইছা; এবাৰ কি তেতিয়া মনত পড়ে যে সেই সৰ্ব্বনিয়ন্তা বিধাতাৰ ইচ্ছা হলে নিমিষতকৈও অল্প সময়ৰ মাজতে তুমি যি পুত্ৰৰ অভিমানত অভিমানী সেই পুত্ৰক এই সংসাৰৰ লীলা ক্ষেত্ৰৰ পৰা একেবাৰে বিদায় দিব পাৰে। তুমি যে এই পুত্ৰ কন্যা, পৰিবাৰ বৰ্গৰ ভিতৰত থাকি সিহঁতৰ ৰূপ আৰু গুণত এই সংসাৰক ইন্দ্ৰপুৰী বুলি ভাবিছা আৰু যি ঐশ্বৰ্য্য পাই আপোনাক কুবেৰত কৈও ধনী বুলি ভাবিছা, মনত ৰাখিবা যে এক মুহূৰ্ত্তৰ ভিতৰত সেই কুবেৰৰ ভাণ্ডাৰ একেবাৰে শূন্য আৰু ছাৰখাৰ হইযাব পাৰে। ইমান যত্ন কৰি এই যে সুৰম্য অট্টালিকা সাজিছা, এবাৰ ভাবি দেখা যাৰ ভ্ৰূকুটীত এই গোটাই খন পৃথিবী ৰসাতললৈ যাব পাৰে তেঁওৰ ইচ্ছাহলে তোমাৰ এই অট্টালিকা এক তিল মাত্ৰ সময় থিয় হই থাকিব নোৱাৰে। এবাৰ কি সেই দিনৰ ভূমি কম্পৰ কথা মনত পড়েনে? আৰু এতা কথাকও তুমি নিজে এই পৃথিবিলৈ কিমান দিনৰ নিমিত্তে আহিছা? ইয়াত তোমাৰ লীলা খেলাৰ দিন কিমান দীঘল তুমি কব পাৰানে? এই যে জড় পদাৰ্থ তুমি তোমাৰ আগত দেখিছা, আৰু এই যে শিলডোখৰ তোমাৰ ওচৰত আছে, এহেত কি তোমাৰ এই নশ্বৰ শৰীৰতকৈ দীৰ্ঘজীবী নহয়নে? এতিয়া ভাই! তুমি কোনাচোন তোমাতকৈ কোনোবা ক্ষুদ্ৰ আৰু আছেনে? সেই কাৰণেই কও যে আপোনাৰ ক্ষুদ্ৰত্ব অনুভব কৰিবলৈ চেষ্টা কৰা, শিকাকৰা, আৰু আপোনাক সৰু মনত কৰি,

মাৰ অভিমান, দ্বেষ, হিংসা আৰু অহঙ্কাৰ এই সকলো বিলাক পাহৰিবলৈ প্ৰাণপনে যত্ন কৰা—এই যে প্ৰাণৰ সহোদৰৰ লগত দ্বন্দ কৰিছা, সৰুকালত যাৰ লগত একেলগে ধুলিৰে ঘেমালি কৰিছিলা, যাক এক দণ্ড নেদেখিলে কান্দিছিলা, যি তোমাৰ পঢ়াকালত সহপাঠী, সৎসঙ্গ, পৰামৰ্শ দাতা আছিল, টোপনিয়েও যাক কিছু সময়লৈ ভুলাৰ নোয়াৰিছিল, অৰ্থাৎ স্বপ্নতো যাক দেখি থাকা, যৌবন সময়ত যাৰ শিক্ষাৰ উপদেশত আৰু পৰামৰ্শত এই সংসাৰত ইমান যশস্বী আৰু গৌৰবান্বিত হইছা এতিয়া তোমাৰ ভাৰ্য্যাৰ কথা শুনি, তোমাৰ বুদ্ধি, সদ্‌বিবেচনা, আৰু সেই ভ্ৰাতৃ প্ৰেম বা কত লোপ পালে? আৰু কোন প্ৰাণেৰেই বা তেঁওৰ লগত দ্বন্দ কৰিবলৈ, আৰু এই অতুলবিভব, ঐশ্বৰ্য্য, মান, সম্পদ সকলোকে বিসৰ্জ্জন দি স্বৰ্গময় সংসাৰক ছাৰখাৰ শ্মশান তুল্য কৰিবলৈ অগ্ৰসৰ হইছা? ভাই! এবাৰো তোমাৰ মনত নহয়নে যে তুমি কিমান সামান্য, কিমান ক্ষুদ্ৰ কত দিনৰ নিমিত্তে! এই সংসাৰত মিছামিছি বাদ্ বিসম্বাদ, কৰি কেলৈই শৰীৰক, মনক যন্ত্ৰনা দিয়া? এবাৰ ভাবি চোৱা যদি সেই সকলো বিলাক পাহৰি যদি ভাইএ ভাইএ গলত ধৰাধৰি কৰি পৰস্পৰে পৰস্পৰক কোৱা যে "আহা ভাই হত! আমালোকে আৰ্কো মিলো আৰ্কো আমালাকে এই শ্মশান তুল্য সংসাৰক সুখৰ সংসাৰ কৰি তোলো আৰু এই আত্মবিচ্ছেদক চিৰ দিনৰ নিমিত্তে বিদায় দিও তেনেহলে আৰ্কো কিমান সুখহব? যদি ভাই! তুমি সোধা যে সেই টোনো কিৰূপে হব তাৰ উত্তৰ এই যে আপোনাক ক্ষুদ্ৰ মানা আৰু সহনশীল হোৱা। তেনেহলে তুমি অহঙ্কাৰ, অভিমান, পাহৰিবলৈ পাৰিবা আৰু তেনে

হলেই সকলোএ সৈতে মিলি প্রীতিবেধাকিব পাবিবা। যদি তোমালোকে ডাঙ্গৰ আৰু খ্যাত মানুহ হবলৈ ইচ্ছা কৰা তেনেহলে মান, অভিমান, হিংসা, ক্রোধ এই সকলো বিলাক মনৰ পৰা এনেৰূপে দূৰৈকৰা যেন সেই বোৰে তোমাক দমিব নোৱাৰে। এইৰূপ কৰাতেই মানুহৰ মহত্ব আছে।—

ৰ, না, ৰ,

---

# বিশ্ব পতি।

হে ঈশ্বৰ সকলোৰে তুমি দয়াময়।
তোমাতে সদাই যেন মোৰ মন ৰয়॥
জগতৰ সৃষ্টিকৰ্ত্তা তুমি হে ঈশ্বৰ।
তুমি এক প্ৰতি ফল দিওঁতা পাপাৰ॥
জলে স্থলে সৰ্ব্বত্ৰতে ৰমণ কৰিছা।
সকলোৰে মনোভাব বুঝিব পাৰিছা॥
একমেৰ অদ্বিতীয় বিশ্ব ভিতৰ।
সৃজন কৰোতা আৰু জলৰ স্থলৰ॥
তৰা, চন্দ্ৰ, সূৰ্য্য আদি আজ্ঞাই তোমাৰ।
সদাই কৰিছে সকলোৰে উপকাৰ॥
পিতা মাতা হীনৰ তুমি এ পিতা মাতা।
ধনি দুখিয়া নৰৰ তুমি অন্ন দাতা॥
অপ্ৰাণী প্ৰাণীও সব সৃষ্টিত তোমাৰ।
যাৰ পৰা পাই থাকে বহু উপকাৰ॥
গাৰ সৰ্ব্ব দিশে চকু যি কালে ফিৰাও।
অপাৰ মহিমা তোমাৰ দেখিবলৈ পাও॥

এহি জগতত বস্তু যতেক আছন্ত।
সকলোএ মিলি যদি লিখনী ধৰন্ত॥
লিখোতে তোমাৰ গুণ কত যুগ যাব।
লিখি কৰিবলৈ শেষ তেও নোৱাৰিব॥

## উপদেশ।

কিয়নো হেৰালা জ্ঞান মোৰ ভ্রাতৃগণ
কোন আছে জগতত তোমাৰ আপোন?
কোনেনো কৰিলে দান তোমাৰ জীৱন?
শুই বহি আছা খাই ঈশ্বৰত মন নাই
মায়াজালে পৰি মাত্ৰ মন মজাইছা।
ধনোপার্জ্জনত মন সদাই ৰাখিছা॥
যেতিয়া তোমাৰ এই আয়ু জৰি হবক্ষয়
কি কাম আহিব আছা! ধনোপাৰজনে।
অতি মোহ কৰিছাহে যি হৰ কাৰণে॥
মৰমৰ আই বোপাই মৰমৰ সমুদাই
দুচকু মুজিলে তুমি, কত পড়িবৰ?
কোনে সেই সময়ত তোমাক তৰাব?
অলপ ভাবিলে তুমি বিচাৰি পাবাহে গুণি
নাহিকে ঈশ্বৰ বিনে এজনা ঈশ্বৰ।
সৃজন পালন কৰ্ত্তা বিশ্ব সংসাৰৰ
কিয়নো হেৰালা জ্ঞান মোৰ ভ্রাতৃগণ
কোন আছে জগতত তোমাৰ আপোন?
কোনেনো কৰিলে দান তোমাৰ জীৱন?

ম, আ,

# গীত।

কোনো এজনা বিখ্যাত পণ্ডিতে প্রকাশ কৰিছে যে যি মানুহৰ মনত গীতে স্পর্শ কৰিব নোৱাৰে সি হয় দেৱতা নহয় পিশাচ। এই কথাৰ সাৰ আৰু তত্ত্ব অতি গভীৰ। পৃথিৱীত এনে কোনো জাতি বা মনুষ্য নাই যাৰ গীত নাই সৃষ্টিৰ প্ৰায় আৰম্ভণৰে পৰা গীত গোৱাৰ নিয়ম চলি আহিছে। মাতনুকুটা লৰাইও নান্ নান্ নান্ বুলি সুৰ লগায়। শিশু-সন্তানকো গীত গাই মোহ নিয়াই নিচুকাৰ পাৰি। শাপ, বাঘ, হাতী প্ৰভৃতি হিংসাকুৰীয়া জন্তুকো গাণৰ দ্বাৰাই মুগ্ধ কৰিব পাৰি। নাঙতা অসভ্য মানুহেও গীত গায়। এতেকে গীত গোৱা মানুহৰ স্বভাৱসিদ্ধ। ইয়াৰ উপকাৰিতা গুণ অধিক। চিত্ত প্ৰসন্ন কৰে মন মুকলি কৰে শৰীৰ সতেজ কৰে। কেতিয়াবা হুঁহুয়াৰ পাৰে কেতিয়াবা কন্দুয়াৰ পাৰে। গীতৰ বলত মানুহ একেবাৰে মুগ্ধ হয়। অতি শোকাতুৰ মনেও স্ফূৰ্ত্তি পায়। স্তুতি, নিন্দা, বাৎসল্য, কৰুনা, ঘৃণা বীৰ প্ৰভৃতি সকলো ভাৱৰ গীত আছে। যেতিয়া যিভাৱৰ গীত গোৱা যায় সহসা মনত সেই ভাৱ শুনা জনৰ উদ্রেক হয়। গোৱা জনৰতো হয়েই। "জপাদ্দশগুণং গানং যদি ভাবেন গীয়তে।" যদি ভাবেৰে গায়, গান জপতকৈ দহ গুণ অধিক।

সকলো দেশত সকলো সময়ত গীত গোৱাৰ নিয়ম চলি আছে। আমাৰ দেশত এই গীত গোৱা প্ৰথা চলি আছে। অবশ্য কালৰ পৰিবৰ্ত্তনৰ ইও অধীণ। শঙ্কৰ দেৱৰ দিনৰ পূৰ্ব্বে আমাৰ দেশত যে কিৰূপ গীত পদ আছিল তাক জনা টান। ডেঁওৰ দিনৰ পৰা ইয়াৰ ইতিহাস ধাৰা বাহিক

রূপ চলি আহিছে। শঙ্কৰ আৰু তেওঁৰ শিষ্য মাধৱ আৰু তেওঁবিলাকৰ সহযোগী আৰু শিষ্য সকলে, আমাৰ ভাষা যেনেৰূপে গদ্য আৰু পদ্যেৰে পূৰ্ণ কৰিবলৈ খুজিলে তাক কোৱা বাহুল্য। শঙ্কৰ দেৱে আৰু মাধৱ দেৱে দেশত বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰিবলৈ যি সমস্ত উপায় কৰিলে তাৰ মাজত গীতো এটী প্ৰধান। পুৱা দুপৰীয়া গধুলি যি সময়ত যি ৰাগেৰে গীত গোৱা উচিত সেই নিয়ম ৰচিলে আৰু যি সকল নাটক ৰচিলে তাৰো মাজে মাজে গীত ৰচনা কৰিলে।

গীত মুখেৰে গোৱা হয়। সেই গোৱা যিৰূপে হয় তাক ৰাগ বোলে। আৰু সেই গীত সুৰলাগই গোৱাৰ সাহায্য কৰিবলৈ বাজনা বজায়। এই কাৰণে গীতত ৰাগ আৰু বাজনা আৱশ্যক। গোৱাৰ ভাব সময় আৰু শুৰ অনুসৰি নানা ৰাগ আৰু বাজনাৰ সৃষ্টী হইছে। সংস্কৃত ভাষাত ৰাগ আৰু বাজনাৰ না না পুথী নিয়ম আছে। শঙ্কৰ আৰু মাধৱ দেৱে সংস্কৃত অনুকৰণ কৰি তাৰ ৰাগ আৰু বাজনাৰ নিয়ম আমাৰ ভাষাত লগাই অনেক গীত আৰু নানা পুথী ৰচিলে। সেই আহি এতিয়াও চলি আহিছে। সংস্কৃতত সকল ৰাগ যে আছেএনে নহয় ৰাগিনীও আছে। ছয় ৰাগ ছত্ৰীশ ৰাগিনী। আমাৰ সকলো বস্তুকে পুৰুষ বা প্ৰকৃতি কল্পনা কৰা হয়। পুৰুষ আৰু স্ত্ৰীৰ প্ৰকৃতি খটাই অচেতন পদাৰ্থ বা ভাঙকো পুৰুষ স্ত্ৰী কল্পনা কৰা হয়। সেইৰূপ ৰাগ আৰু ৰাগিনী কল্পিত হইছে। ভাৰতবৰ্ষত গন্ধৰ্ব্ব আৰু অপ্সৰা সকলেই গীত আৰু বাজনাৰ জন্যে প্ৰসিদ্ধ। গন্ধৰ্ব্বৰ যিৰূপ বিৱৰণ পোৱা যায় তাৰ দ্বাৰা হিমালয় পৰ্ব্বত আৰু তাৰ ওচৰৰ কোনো কোনো ঠাই বুঝায়। অপ্সৰাও সেই ঠাইৰে

লোক। এতিয়াও কাশ্মীৰ অঞ্চলত গীত বাজানা বিশেষ ৰূপে প্ৰচলিত। তাৰ "বাই" নাচনিয়াৰৰ গুণ অনেকেই জানে।

আমাৰ ভাষাত শঙ্কৰদেৱ মাধৱদেৱৰ আৰ ভেঁওৰ শিষ্য সেৱক সকলে ন আৰ্হিৰে সংস্কৃত ৰাগ ৰাগিনী মিলাই গীত ৰচিলে। শ্যাম, বসন্ত, ভৈৰবী, ধনশ্ৰী, ৰবাড়ী, শ্ৰী গান্ধাৰ প্ৰভৃতি ৰাগৰ গীত আছে। কৃষ্ণলীলা, ভক্তিৰস ৰচিত ৰাৰে কুড়ী গীত বড গীত নামে প্ৰসিদ্ধ। ইয়াৰ ৩০ টা শঙ্কৰ দেৱে ৰচা। ইখিনি মাধৱ দেৱে ৰচা। আন শিষ্য সেৱক সকলে অনেক গীত ৰচিছে। তদতিৰিক্ত ভাৱনাত "অঙ্কীয়া গীত" আছে। এই সমস্ত গীত নাটকত ৰচা সকলে নাটকত ৰচিছে। কোনো কোনো বিশেষ ঘটনা বা সময়তো কোনো কোনো গীত ৰচনা হইছে। ভাৰতৰ আন ভাষাৰ দৰে আমাৰ ভাষাত ব্ৰজলীলা বিনে শৃঙ্গাৰ ৰসৰ গীত নাই বুলি-লেও হয়। কিন্তু মদন চতুৰালি আৰু বিভৎস অশ্লীল গীতক আমি বেলেগ কৰিছোঁ। মদন চতুৰালিত শিৱপাৰ্ব্বতীৰ বিবাহ আৰু লীলা সম্পৰ্কীয় কিছুমান গীত আছে। বিবাহ প্ৰভৃতি উৎসৱ আৰু সৱাহত যি নাম গোৱাযায় সেই বোৰো গীত। বিয়াৰ নামত একোজনা তিৰুতা এনে পটু যে কোৱা বাহুল্য। লেখা পঢ়া নজনা অনেক তিৰুতাই অনৰ্গল সুন্দৰ সুন্দৰ গীত তৎক্ষণাত ৰচনা কৰে। "যোড়া নাম" দিয়া প্ৰথাই এই নাৰী কবিতা আৰু গীত শক্তিৰ পৰিচয়।

কত্ৰসিংহ স্বৰ্গদেউৰ দিনৰ পৰা পাখোৱাজৰ সহায়ত গীত গোৱা নিয়ম আমাৰ দেশত প্ৰবেশ হ'ল। কৃষ্ণ মঙ্গল দুৰ্গামঙ্গল প্ৰভৃতি মজাদাৰীয়া গীত আৰু পাখোৱাজৰ বাজনাৰ বিষয় এতিয়া পুৰণি কথা হইছে। আন কি লোপ

পাইছে বুলিলেও দোষ নাই। কিন্তু ধর্ম্মৰ লগত লগ লগাই খোৱা বড় গীত প্রভৃতি এতিয়াও চলি আছে। বড় গীত বচনা হ'ব আজি প্রায় চাৰি শ বছৰ হইছে আমাৰ দেশানুৰাগি সকলে আমাৰ গীত সম্পত্তি উন্নত কৰিব পাৰে আৰু যি আছে তাক বাখিব পাৰে আৰু বখাও উচিত। বাজানা হলে আমাৰ দেশত খোল, মৃদঙ্গ পাখোৱাজ, তাল, খুটীতাল, চেৰেন্দাৰ, টোকাৰী ঢোল কৰতাল, নাগাৰা। ইয়াত বাঞ্চে আন কিছুমান বাজানাও আছে।

আমাৰ গীতৰ মধুৰতা আৰু গভীৰতা দুইও আছে। দুঃখৰ বিষয় এই যে উচ্চ শ্রেণীৰ লোকৰ অধিকাংশে আমাৰ গীতৰ প্রতি অনাদৰ প্রকাশ কৰিছে। আমাৰ পাঠক সকলে জানিবৰ অর্থে বড় গীতৰ প্রসিদ্ধ দুটী গীত ইয়াত উদ্ধৃত কৰিলো যি সময়ত এই গীত বচা হইছিল সেই সময়ত আমাৰ গীত আৰু পদৰ ভাষা এইরূপেই আছিল। এতিয়াও ইয়াৰ আৰ্হিবেই চলি আছে।

বাগ ধনশ্রী পবিতাল।

নাৰায়ণ! কাহে ভকতি কৰোঁ তেৰা,
মেৰি রামৰ মন, মাধৱ ঘণ ক্ষণ, ঘাতুক পা মছোড়া।

পদ,

যত জীৱ ডাঙ্গম, কীট পতঙ্গম, অগ মস সৱ তেৰি কায়া,
সৱ কোহি মাৰি পুৰত ওহি উদৰ, মাহি কৰত ভূত দায়া।
ঈশ স্বরূপে হৰি, সৱ ঘটে বৈঠছ, যৈসা গগন বিয়াপি,
নিন্দাবাদ, পিশুন হিংসা হৰি, তেৰি কৰোহোঁ হামু পাপি।
ক্লানু শঙ্কৰ কৰ, কৰ কৰুণানাথ, মো মছোড়োছো বাম বাপি
সৱ অপৰাধ, বাধকতুয়া নাম, তাছে শৰণ লেছো জানি॥

শ্রীশঙ্কৰ দেৱ।

রাগ শ্যাম একতাল।—

ত্যজবে কমলাপতি পরভাত নিদ্ধ
তেবিচান্দ মুখ পেখো উঠবে গোবিন্দ।

পদ

রজনী বিদূরে দিশ ধরলি বরণ,
তিমীর ফেড়িয়া বাঝ রবির কিরণ।
শত পত্র বিকসিত ভ্রমরা উড়াই,
ব্রজ বধু দধি মথে তুয়া গুণ গাই।
দাম সুদাম ডাকে তেবি লৈয়ানাম,
হের দেখ উঠিয়া আসিল বলরাম।
মন্দ গৈল রাখালে গোরাল গৈল পালে,
সুরভি চাড়িবে লাগে উঠবে গোপাল।
ক্ষীর লবনু লৈয়া শিঙ্গা বেত বেণু,
সকালে মেলিও গৈয়া ছাম্বারাত্রে ধেনু।
কহয় মাধব মাই কিনো তপসাইলি,
ত্রিজগত পতি তুমি রাখোরাল পাইলি॥ শ্রীমাধব দেব।

আমার পাঠক সকলে আমার নামতি সকলর বচনা নাম ভাল পাব ভাবি দুটী মান লেখিলো মেঘে যেন গর্জ্জে মহিষাসুরে লাঞ্জে স্বর্ণ খণ্ড করে, গদ গদ বাণি বোলন্ত গোসানী, বসে মধুপান করোঁ।

—অকলে গাইছিলা; বাপা লগেরে আছিলা,
কাবেরা বুকরে বাছা, কাঢ়িয়া আনিলা।
চোতাল পাই করুনী, ডেকাদেওত সুরিলে,
শান্ত আই কি মানব চোকা।
মালাগে সুখিব, হেরা প্রানেশ্বরি,
আগমি শাবণি টোপা॥

আমাৰ গীত আৰু বাজানা এতিয়া চহা গাৱলীয়া আৰু মৃগমীন ভকতৰ হাতত পড়িছে। সেই কাৰণে তাৰ উন্নতি হোৱা পৰি থাওক অধোগতিহে হইছে। এতেকে দেশ হিতৈষী শ্রীযুত সকলৰ কৰ্ত্তব্য যে তাৰ উন্নতি সাধন কৰে। নতুবা আমাৰ মহামূল্য সম্পত্তি নষ্ট হ'ব আৰু যাক লই বাবু কেহেলাইছো সিও যাব।—

এ, বি, ই,

---

# ইডেন গার্ডেন।

১

ইডেন্ গার্ডেন তুমি কিবা শোভা ধৰা,
দেখিলে আনন্দ হয় মন মুগ্ধ কৰা,
কিরূপ ধৰিছা তুমি,
ইংৰেজ-বিলাস ভূমি,
তোমা সম প্রিয় ঠাঁই কোন ভাৰতত!
নন্দন কানন কলিকাতা নগৰত।

২

কতরূপ ধৰা তুমি, এতাৱন্ত নাই,
পৰে পৰে কতবাৰ মূর্ত্তিক সলাই,
মোহিছা লোকৰ মন,
দুখি তাপি কতজন,
মন শান্ত কৰে আহি তোমাৰ কাষত।
আনন্দ কানন তুমি এহি ভাৰতত॥

৩

ধন্য বিদ্যা বল তাৰ যি জনে অর্জ্জিছে,
তোমা হেন বস্তু, যোমে আদৰে সাজিছে,

তোমাক প্রকৃতি সাজে ;
এই ভাবভব মাঝে,
সার্থক তেঁওব বুদ্ধি এই জগতত—
বিশ্ব কর্ম্মা তেঁও এই মর্ত্ত্য ভুবনত ॥

৪

কেব্রলে ফুলব গছ দেখি কোনো ঠাঁই
গোলাপ, দোপাটি কত লেখ জোখ নাই,
বজা ফুল কাবোবাব
কঁজলা বা কোনোটোব
ইটাব ভেঁটিত উঠি জক্ মক্ কবে,
সুগন্ধ বিস্তাব কবি মন-প্রাণ হবে ॥

৫

ক'তো বা বিচিত্র খান ঠিক যেন নই,
অজস্র বহিছে সদা কল কল কই,
আগ গুবি একো নাই
কেবল সি বই যাই,
ক'ত বা উৎপত্তি তাব ক'তবা প্রলয়,
বহু অনুসন্ধানতো মীমাংসা নহয় ॥

৬

কিবা চমৎকাব বাট তাব দুই পাশে
জেটুকাব বেড়ে, সমস্তকে বেড়ি আছে
আৰু তাব মাঝে মাঝে
লতা মন্তপব সাজে,
দুগুণ কবিছে তাব শোভা মনোহব,
আহা! কি সুন্দব দৃশ্য চক্ষু জুৰিলল ॥

৭

ক'ত বা অসংখ্য শিল আছে পড়ি পড়ি,
পর্ব্বতীয়া গছ গাৱ ওপৱত ধৱি,
ঠিক যেন প্রকৃতিৱ,
কার্য্য ইটি মনোহৱ,
মানুহৱ হাত তাত কদাপিও নাই।
দেখিলে আনন্দ হয় দুঃখ হৱি যাই॥

৮

ইপিনে শোভিছে আৰ্কো কিবা মনোহৱ,
"বৰ্ম্মিজ পেগডা" নামে মন্দিৱ মামৱ,
কাঠেৰে সাজিছে তাক,
কাঠৰো ইমান জাঁক—
কাঠ নুই যেন—কিন্তু শিল সম টান
কাটিছে বিচিত্র কুল ধন্য ধন্য মান!

৯

ইংৰাজৱ বেণ্ড্ বাদ্য বাজি ৰি ঘৱত
সম্মানে লোকক ৰঙ্গে সন্ধ্যা সময়ত।
সিও দীপ মালা ধৱি,
ৰূপৰ গৱৱ কৰি,
আনন্দে বিহ্বল হই কিবা ৰূপ ধৱে,
যুবতি গলত যেনে মণি শোভা কৱে,
ইলেক্‌ট্রীক্ লাইট্ তাৱ চাৰি পাশে শোভে,
গেস্ লাইট্ বলা হৈ যেন মন ক্ষোভে,
দুৱৈত লইছে ঠাই,
যেন কেও কিছু নাই,

মিট্ মিট্ করি জলে নিজ মন দুঃখে
ইলেক্ট্রীকে তার ঠাঁই লয় মহা সুখে

১১

ইপিনে ঝরনা ঝরে ঝর ঝর করি
তিনিও সমানে প্রাকৃতিক মূর্ত্তি ধরি
কলর মহাত্মা ভুলি
নিজে স্বাভাবিক বুলি,
অহঙ্কারে মত্ত হই আপোন পাহরে
যেন গর্ব্বী মানুহর অভিনয় করে

১২

কতনো সাহেব বিবি হতাহতি করি
আনন্দ লভিছে সবে নিজ সুখে ফুরি
কিন্তু, দুখি গরিবর
নিগাড নেটীবর
যতে ততে অপমান বিধির লিখন
এহেন স্বর্গতো আছে বিধি ব্যবধান,

১৩

কতনো সাহারে আহি কতনো প্রকারে
বিরাজ করিছে এই বাগিচা ভিতরে
কেওরা অকলে আছে
ফুরিছেরা কারো কারে
শক শক লরা আরু কিশোর ছোয়ালি,
সিংহর কাষত যেন সিংহর পোয়ালি,

১৪

ভোঁ ভোঁ ভোঁ ভোঁ পোঁ পোঁ করি বেই বেগ বাজে
আনন্দে মগন হই সাজি নানা সাজে

শক শক লৰা বোৰে ;
বেগে লৰ দিব ধৰে,
মাটিত পেলাই ভৰি তাৰ তালে তালে
দুখিয়াইও ভুলে দুখ চালে তাৰ ফালে

১৫

সম্মুখে পবিত্ৰ গঙ্গা তুলি নিজ কোনে
অসংখ্য জাহাজ, নাও অবিশ্ৰান্ত চলে,
সাগৰৰ অভিমুখে
অসহ্য মনৰ দুখে
তথাপিতো বাৰে বাৰে বাগিচালৈ চাই
আহি আলিঙ্গিব খোজে আৰ্কো ফিৰি যায়

১৬

দুঃখ-নিশা অন্ত'হয় তোমাক দেখিলে
আনন্দত নাচে মন ভিতৰে ফুৰিলে
কিবা আছে তোমা সম
দুখ তাপাদিৰ যম
যেই যি বোলক কিন্তু আমাৰ মনত,
তুমিএ নন্দন বন মৰ্ত্ত্য ভুবনত ॥

শ্ৰীকৃ, দু,

---

# আগৰ দিন এতিয়াৰ দিন।

খোৱা।

আমাৰ দেশলৈ আন দেশৰ মানুহৰ অহা যোৱা বড় অলপ আছিল। বাট আৰু পথ সুগম নাছিল বিদেশলৈ

আমাৰ মানুহ কেবল তীৰ্থযাত্ৰা উপলক্ষে মাত্ৰ আগ্ৰহকৈ গইছিল। সিও অতি কম বছেৰেকত যদি ৫০ জন লোক বিদেশলৈ গইছিল সিও সৰহ। ইদেশে সি দেশে গমনাগমন হলে সৰ্ব্ব প্ৰকাৰৰ কচিৰ আৰু খোৱা পিন্ধা আচাৰ ব্যবহাৰৰ পৰিবৰ্ত্তন হয়। তাৰ অভাৱত পৰিবৰ্ত্তনৰ সোঁত একেবাৰে নাথাকে। যি মানুহ বঙ্গপুৰ বা গুৱাহাটীলৈ পাইক খাটিবলৈ যায় সি একেবাৰে জীৱনত হতাশ হই জাতি বন্ধুক ভোজ ভাত দি যায়। লুইতৰ দক্ষিণ পাৰে আৰু উত্তৰ পাৰে দুটা আলি আছিল আৰু গাঁৱলীয়া বাটো আছিল। সিও তিমান সুবিধাৰ নাছিল। দুৰ্গম আছিল। আমাৰ দেশৰ কেইও ফালৰ পৰ্ব্বত আৰু আমাৰ ওচৰৰ দেশৰ জল আৰু স্থল পথ সেইৰূপ অসুগম থকাৰ কাৰণে আন দেশেৰে আমাৰ গতিবিধি তিমান ঢিলা নথকাত আমাৰ দেশত আমি এই প্ৰধান থকাৰ দৰে আছিলোঁ। সময়ে সময়ে বিদেশী লোক আহি যি বোৰে এই দেশত বই গল সেই বোৰেও একেবাৰে আমাৰ দেশৰ লোকেৰে অনেক বিষয়ত বড়কৈ নিমিলিছিল অথবা মিলিব নোয়াৰিছিল। এই কাৰণে আমাৰ দেশত বড় ওখ খাপৰ স্থায়ি ভাব আৰু পৰিবৰ্ত্তনৰ অপ্ৰিয়তা বড় প্ৰবল।

একেলগে খোৱা বোৱাৰ দ্বাৰা পৰস্পৰৰ কিমান ঐক্য আৰু সমভাব হয় আৰু ইটে সিটে যিমান মিল আৰু বিশ্বাস কৰা কৰি হয় আনত তিমান নহয়। আমাৰ দেশত এই মিলন একেবাৰে নাই বুলিলেও হামি নাই। আপোনাৰ ঘৰৰ পৰিয়াল কেইটালগে থাকে মানে লগেৰে খোৱা বোৱা হয়। দুৱণি হলে ক্ৰমে সিও গুছিবলৈ ধৰে। আপোনাৰ বংশৰ মানুহো অনেক ঠাইত সকলোও সকলোবে ঘৰত

আৰু হাতেৰে খোৱাৰ নিয়ম নাই। ইজনে সিজনৰ দোষ উল্লেখ কৰা স্বৰূপ যে এটী সঙ্কীর্ণ ভাব সেইটীএও এই লগোৰে খোৱাৰ বিপক্ষে সাহায্য কৰি থাকে। জাতি কুলৰ বিচাৰ যে "সর্ব্বোপৰি বর্ত্ততে।" এপিনে চালে এই সঙ্কীর্ণ ভাব স্বাস্থ্য ৰক্ষাৰ প্ৰধান এটী উপায়। আমাৰ বুঢ়া লোকে কয় বোলে "অচিন কাঠৰ খোৱাকো নলগাধি।" অজাত কুলশীলৰ লগত খোৱা বোৱা কৰা ভাল নহয়। যাৰে সইতে খোৱা বোৱাৰ চলাচল সদাই না থাকে তাৰ লগত খোৱা বোৱা কৰাৰ দ্বাৰা সময় ৰুচি সত্ত্ব ইত্যাদিৰ অনেক বিষম হয়। সেই হলে স্বাস্থ্যৰ আৰু শান্তিৰ অনেক হানি হয়। এতেকে এই ভাবে চালে যদি আমাৰ সঙ্কীর্ণ ভাবেই স্বাস্থ্যকৰ তথাপি সামাজিক আৰু নৈতিক ভাবলৈ চাই এই সঙ্কীর্ণ ভাব একেবাৰে টিলা কৰা কর্ত্তব্য।

আমাৰ সাধাৰণ শ্রেণীত খেল বন্ধুনীয়া মতে খেলৰ বান্ধনীএ বান্ধিলে সকলোএ খায় নতুবা আন প্রকাৰে হ'লে অনেক লোকে একে লাগে খোৱাৰ নিয়ম নাই। সকলোৰে হাতে সকলো বস্তু খোৱাৰো নিয়ম নাই। কাৰো কটা তামোল, কাৰো ধোৱা মাছ চাউল কাৰো কেঁচা জলপান কাৰো কোমল চাউল, কাৰো চীড়া পীঠা কাৰো পৰমান্ন কাৰো ভাত খোৱা যায়। সম্পর্ক, আচাৰ, নীতি ঘণিষ্টতা বিবেচনাৰ মতে খোৱাৰ এইৰূপ তাৰতম্য হয়। আমাৰ মানুহে সাধাৰণতঃ ভাত খোৱাৰ পূর্ব্বে স্নান কৰে। কোনোএ আৰ্কো চীড়া পীঠা বা কোমল চাউল খোৱাৰ পূর্ব্বেও স্নান কৰে। কুৱা চকা আৰু শৌচাচাৰৰ নিয়ম মতে স্নান হয়। বাহিগাই তামোল খপাত বিনে আন বস্তু খোৱাৰ নিয়ম নাই। বঙ্গাৰ পৰা প্রজালৈ ভাতেই মূল আহাৰীয়

দ্রব্য। সিজোৱা, পাতত দি সিজোৱা, পোড়া, খড়িকাত দিয়া ভজা আৰু সোঁকা এই কেই উপায়েৰে খোৱা বস্তু প্রস্তুত হয়। শাক, আদক্ষবীয়া, ক্ষাৰ, টেঙা, খবলি, ভজা, পোড়া, পাতত দিয়া বা ভাতত দিয়া খড়িকাত দিয়া, আৰু উস্থৰা আমাৰ আজা। মগুমাহ, মাটি মাহ, কলা মাহ আৰু কথাঞ্চিৎ মস্থৰ মাহ, আৰু অড়হড় বা মিৰী মাহ আমাৰ সাধাৰণ "ডালি" বা "মাহ"।

লাউ, কোমোড়া, কছু আলু, লাই, লফা, চুকা, পালঙ, বাবৰী, পূঁৱৈ, ধনীয়া, ধেকৰা বেঙেনা, চাঙেই টেঙা, মাটী গাদুৰী, ঢেকীয়া, কছু, ভোল, জীকা, ধুন্দুলী, উৰহী, মৰলীয়া, পছলা, খুতৰিয়া আমাৰ ক্ষাৰধি পাছলি। প্রায় লোকে মাছ খায়। খাহি, পঁঠা, হাঁহ, পাৰ, পহু, কাছ, কৰ্পো, জীকৰ, কাম, কোঢ়া, কৈৰ, দঁৰিক, ম'ৰা, ঘিলা হাঁহ, কুকুহা, ছাইঠক, নেঘেৰি বটটুনী, এড়া, প্রভৃতি চড়াই আমাৰ জান্তব খাদ্য। চীড়া বা ধান চীড়া, কড়াই গুড়ী, গোট কড়াই সান্দহ বা চাউল চীড়া পীথাগুড়ী' ভজা পীঠা গুড়ী, আখৈ, আখৈ গুড়ী কোমল চাউল আৰু চাউল ভজা, দোৱা ভজা চীড়া আমাৰ জলপনীয়া বস্তু। আখৈ বা চীড়াৰ লাড়ু, তীলৰ লাড়ু নাৰীকলৰ লাড়ু, কেঁচা পীঠাগুড়ীৰ লাড়ু বা মিঠৈ, পকা মিঠৈ বা ভজা পীঠা গুড়ীৰ লাড়ু এই বোৰ আমাৰ লাড়ু। ভাত পীঠা, তীল পীঠা, নানাবিধ খোলা চাপড়ি পীঠা, চুঙা পীঠা নানাবিধ নাও পীঠা, ঘিলা পীঠা কেনী পীঠা টেকেলী পীঠা, আমাৰ সাধাৰণ মিঠাই। গুড় আমাৰ প্রধান সোৱাদ। চেনী গুড় মানে এবিধ ভুৰভুৰীয়া গুড় কৰা হয়। তাতকৈ ওপৰলৈ আৰু নাযায়। কোমল চাউল গাকীৰ আড় গুড়েই প্রধান জলপনীয়া বস্তু। সেই

সময়ত কানী বা আকিদ, ভাজ কি আন বাগিয়াল বস্তু চলতি নাছিল ;

মুসলমানে গোমাংস খাব লোৱাবিছিল। এনে প্রবাদ আছে বোলে কুল যাব বুলি পীঠা গুড়ীব গৰু সাজি বছে-বকত এবাব মুসলমানে খাইছিল। যি দেশত হিন্দু ধর্ম্ম প্রবল সেই দেশত যে এনে হ'ব তাত সন্দেহ নাই। বামা-চাবি শাক্ত সকলেও নিয়ম বক্ষাব নিমিত্তে তাম্র পাত্রত মধু খই কৌলাচাব নিয়ম প্রতিপালন কবিছিল।

কাহ পীত্তল কাঠ, লো আৰু মাটীব বাসনেই চলিত। বটা, টৌ, বাটী, বানবাটী, লোটা চড়িয়া কাঁহি, মাই হাণ্ড, ঘটী, প্রভৃতি ধাতুব বাসন। চড়িয়া, হাতা প্রভৃতি কাঠবো আছে। বজাঘবত সোণ রূপব সকলো বাসন। কেৱল বন্ধা বঢ়াব বাসন ও আন ধাতুব। সাধাবণ ডাঙ্গব লোকে বড় পীঢ়াত বহি বেঢ়াব ওপবত থাল থই তাতে ভোজন কবে। কোনো কোনো বেঢ়াত বাটী থবলৈকো সঞ্জুগা আছে। কোনোএ আৰ্কো বড় পীঢ়াতে থাল থই খায়। কোনোএ মাটীব ভেটী কবি তাতে থালত খায়। সাধাবণ লোকব ঘৰে যাব কাঁহি আছে সি কাঁহিত যাব নাই কাঠব চড়িয়া বা পাততে খায়। খোৱা বড় আবুব। মুসলমানব ভয় এটী ইয়াব প্রধান কাবণ। বোৱাবী বিলাকে স্বামীব ভোজন ঘৰে সেই পাততে বহি খায় কিন্তু সেই আসনত নবছে। শাহু শহুবব পাঁততো খোৱাব নিয়ম আছে। দেৱবেকব পাততো বৌত্রকে খায়। বোৱাবী ঘবলৈ আহিলে যাবতে এটা মান লবা ছোৱালীব মাইকী নহয় তাৱতে সকলোএ তেঁওব হাতে ভাত নাখায়। কেতিয়াবা ভাতকৈ দীৰ্ঘকাল পৰ্য্যন্ত থাকে। শাহু শহুব পৰিয়াল জাতি যদু যাবে খোৱা

লোৱা আছে সেই সকলক মাতি এদিন সমাবোহেৰে বোৱাৰীএ বন্ধা বা স্পর্শ কৰা ভাত এদিন খুৱায় হয়। ভেটিয়া মান্ত্ৰ জনক কাপোৰ তামোল পান দি মান ধৰা হয়। সেই দিনাৰ পৰা বোৱাৰীৰ হাতে সকলোএ খায়। যদি সেই দিনা কোনো জন নাথকিলে তেনে হলে আন এদিন তেঁওক ভাত খুৱালেও সেই রূপে মর্য্যাদা দিব লাগে! খোৱাৰ সময়ত স্পর্শাস্পর্শ অনুচিত। আপোনাৰ ভার্য্যাইও নো-ছোৱে। ব্রাহ্মণৰ হলে লগুণ দিলে মাত্রকে মাতৃএও স্পর্শ নকৰে। পাত উচ্ছিষ্ট হ'ৰ শঙ্কাত কোনোও সেই পাতেৰে আসন সংলগ্ন কৰি ভোজন কৰে। অহোমৰ হ'লে চাঙ্গ মাইএ বান্ধে। আনৰ হ'লে যৰৰ পৰিয়ালৰে কোনো তিকতা বান্ধনী। বিয়া দিলে মাত্রকে ছোৱালীৰ হাতে মাক বাপেকে নাখায়। আক সেই ছোৱালী যেতিয়ালৈকে শহুৰেকৰ ঘৰলৈ গইলযা ছোৱালীৰ মাইকী নহয় তেতিয়ালৈকে মাক বাপেকে সেই ঘৰত জল গ্রহণ নকৰে। সন্তান হলেহে খায়। "মাতুল শ্বশুৰ শ্যালাৰ অন্ন ভোজন কৰিলে চান্দ্রায়ন প্রায়শ্চিত্ত।" এইটী এই দেশৰ ব্যবস্থা।

ব্রাহ্মণ হলেই যে তেঁওৰ হাতে আন ব্রাহ্মণে অন্ন খাব ই নহয়। অধিক কি শূদ্রাদিএও নাখায়। বজোদর্শনৰ পাছতো বিবাহ নহলে সেই ছোৱালী আবিএ। তাৰ হাতেও নাখায়। সেইরূপে কোনো লোকে যদি বিয়া নকৰোৱাকৈ ছোৱালী আনে সিও বর্জ্জিত। মাক বাপেকে শক লবা ছোৱালী লগত লই খায়। কিন্তু ছোৱালী বিয়া দিলে অথবা দুখনীয়া ললে আক লবাইও দুখনীয়া সলালে বা ব্রাহ্মণৰ হলে লগুণ দিলে কাৰো লগত সাধাৰণতঃ না খায়। ব্রাহ্মণ ভোজন কৰালে প্রায় তিনাম ব্রাহ্মণ তিয়াস

পাগ হয়। আমাৰ দেশৰ লোণৰ পুহুত অলপ মাত্ৰ লোণ উৎপন্ন হয়। সেই কাৰণে সৰ্ব্ব সাধাৰণে লোণ খাবলৈ নাপায়। কামৰূপৰ ফালে ক্ষাৰ বা ক্ষাৰলোণ নামে এবিধ বস্তু উদ্ভিদ্ পদাৰ্থৰ পৰা প্ৰস্তুত কৰা হয় তাৰ ব্যবহাৰ কৰা হয়। কলাক্ষাৰ এটী উপাদেয় জীৰ্ণকৰ বস্তু। টেঙ্গা আমাৰ দেশত বিস্তৰ। কেঁচাইও অনেক টেঙ্গা খায়। আঞ্জাতো অনেক খায়। জলাত তিমান ৰুচি নাই। সাধাৰণৰ পক্ষে ক্ষাৰ, টেঙ্গা আৰু জলকীযাই মসলা। ক্ষাৰলি, মাহগুডী আৰু গাজ শুকান খৰিচা, কুজীখেকেৰা, তেতেলী ৰুচিকৰ বস্তু। দই গাক্ষীৰ বা এব্ৰাঁ গাক্ষীৰ আৰু গুড় শেষ ভোজন। পগোৱা গাক্ষীৰ উপাদেয় বস্তু। ইয়াৰ সিফালে গাক্ষীৰৰ আন বস্তু নহয়। কোনো কোনো লোকে ঘিউ চেনীৰে ভোজনান্ত কৰে।

---

# জান্তবজীবন।

## আগৰ বাৰৰ শেষ।

এই অন্তবেন্দ্ৰীয়টিৰ লগত আৰ্কো অসংখ্য নলীৰে সমস্ত শৰীৰৰ সংস্ৰব আছে এই নলীবিলাকেৰে সেই বস্তুটিৰ জলীয় ভাগ সমস্ত শৰীৰলৈকে চালিত হয়। অন্তবেন্দ্ৰীয়ৰ পৰা বিবিধ পনীয়া বস্তু সমস্ত শৰীৰলৈকে যায় তাৰ নাম 'তেজ।' যি যি অংশলৈকে এই তেজ চলে, সেই সেই অঙ্গই সজীব হই থাকে।

সৰ্ব্ব শৰীৰলৈ চালনা হলে পাছত এই তেজ খামচিৰ দৰে এবিধ সৰু মনিহ মোৱাৰা বিন্দুৰ আকৃতি ধৰে। এই

বিন্দু বিলাক এনে সরু যে এটা পাইব ওপরতো সারি সারি করি হেজাবে হেজাবে বাধিব পারি। পাকি ঘরত ইটা-বিলাকে যেনেকৈ ইটে সিটোক টানি বাখে, সেই দবে এই বিন্দু বিলাকো পরস্পবে দৃঢ় আবদ্ধ। এই বিন্দু বিলাকব আকৃতি বেলেগ বেলেগ, কিয়নো এই বিলাক প্রত্যেকে একোবিধ বস্তুব সাব ভাগ। কেতবিলাকব পবা চাল হয়, কেতবিলাকব পবা মজ্জা হয়, আৰু কেতবিলাকব পবা বা হাড়েই উৎপন্ন হয়। এই দবে সকলো জন্তুবে শবীব এবিধ মনিবনোৱবা-বিন্দু জাত—এই বিন্দু বিলাক অনুবীক্ষণ যন্ত্রব বিনা সাহায্যেবে উকা চকুবে দেখা নেপায়। তেজেই এই বিন্দু বিলাকব পুষ্টি সাধন কবে।

এই বিন্দু বিলাকে যাতে সদাই নিজব কার্য্য চলাই থাকে, আৰু যাতে এই বিলাক শক্তিমান হই থাকে তাবে চেষ্টা বাখা উচিত। কোনো চলি থকা কলব জলন্ত এঙ্গাবে কলব যি উপকাব কবে। সিহঁতে নিজে ক্ষয় হই লোকব বল বঢ়ায়। ভাটি তাই বা ফুঁয়াই বতাহ লগাই যেনেকৈ জুহালব জুই বেসি কবা যায়, তেনেকৈ এই বিন্দু বিলাকব জাহগাই মাংস বল বঢ়াব পাবা ক্ষমতা স্বরূপ জুই ও নিশ্বাস প্রশ্বাস স্বরূপ ভাটিবে সদাই জ্বলি থাকে। প্রতি নিশ্বাসতে বতাহ অন্ত-বেন্দ্রীয়লৈ যায়, আৰু তাব পবা অসংখ্য নলীবিলাকেবে শবী-বত বই থাকা তেজ বিলাকলৈ চালিত হয়। তেজব লগত এই বতাহটিয়ে সমস্ত শবীব ব্যাপে, আৰু বঙ্গা আঙ্গঠা বিলাক যেনেকৈ লাহে লাহে ক্ষয় যায়, সেই দবে সেই বিন্দু বিলাকক ক্ষয় কবে। এই দবেই বতাহ নিশ্বাসত শবীব সোমাই জীৱন্ত শক্তি বিলাকব কার্য্য চলাই থাকে আৰু বিন্দু বিলাকক নিত্যে নতুন শক্তি দিয়ে।

ভাটি ভাই যেতিয়া এঙ্গাৰ বিলাক পোড়া যায়, তেতিয়া তাৰ পৰা এবিধ ভাপা উঠে। সেই দৰে আহাৰীয় বস্তু বিলাক জীৰ্ণ যাবৰ সময়ত অন্তৰৰ পৰা আক এবিধ ভাপ ওলায়; এই ভাপটি মুখেৰে ঘোৱাঁ, নাকেৰে নিশ্বাস আক চালেৰে ঘাম স্বৰূপে বাহিৰ হয়। কোনো বদ্ধ ঠাইত বহুত জন্তু একে লগে থাকিলে, এই ধোৱাৰ দৰে ভাপবিলাক লগ লাগি সেই ঠাইৰ বতাহক দূষিত কৰে। তেজে সমস্ত শৰীৰলৈ খাদ্যদ্রব্যৰ সাৰ ভাগ চালনা কৰিবৰ সময়ত বিশুদ্ধ বতাহৰ সলনি এই দূষিত বায়ু পায়। তেজৰ লগত আকৌ এই দূষিত বায়ুটি নলী বিলাকেৰে অন্তৰেন্দ্রীয়লৈ যায়, তাৰ পৰা আন নলীবিলাকে বুকুত থকা বায়ুৰ আধাৰলৈ নিয়ে আক, সেই আধাৰৰ পৰা দূষিত বস্তুটি, শৰীৰৰ বাহিৰে এবিধ ব্যাধিৰ আকাৰেৰে কুটি ওলায়।

ব, ম,

---

# আসাম-বন্ধু।

মাসিক পত্র।

"নচ জ্ঞানাৎ পবং বলম্।"

দ্বিতীয় খণ্ড। ] মাঘ-ফাগুন শক ১৮০৭, ইংবাজী ১৮৮৬। [ ১। ২ সংখ্যা।

## আসাম-বন্ধু।

সর্ব্ব শক্তিমান পবমেশ্বৰৰ অশেষ অনুগ্রহত আসাম বন্ধুৰ এবছৰ বয়স হ'ল। প্রতি মাহে আমি পাঠক সকলৰ ওচৰলৈ নিয়মিত ৰূপে ওলাব লোৱাবিলেও পলমকৈ ওলাইছো। যোৱা বছৰত আমি আমাৰ সংকল্প কিমান পালিবলৈ সমর্থ হইছোঁ তাক আমি কব নোৱাবোঁ। পাঠক সকলে জানিছে। কিন্তু সর্ব্ব সাধাৰণৰ পবা আমি যি পবিমাণে সাহায্য লাভ কবিছিলোঁ সেই পবিমাণে আমি মোপোৱাত আমি আমাৰ কার্য্য ভালকৈ কবিবলৈ যে পবা নাই এইটো ঠাৱৰ কবিছোঁ। আমাৰ এই উদ্যম কলিতেই ভাঙিব বুলি ভয় আছে। নানা কাৰণত আমাৰ দেশত আমাৰ মাতৃভাষাৰ সাময়িক পত্র দীর্ঘকালস্থায়ী নহয়।

নহ'বৰ কাৰণো অনেক। সাময়িক পত্ৰ লব পৰা মানুহৰ যি সংখ্যা তাৰ অনেকেই ইংৰাজী আৰু বাঙ্গালা পত্ৰ লয়। আৰু তাৰ দ্বাৰাই সাময়িক পত্ৰৰ বাবে যি অভাব সি গুছে। সেই সেই ভাষাৰ উৎকৃষ্ট পত্ৰৰ ওচৰত আমাৰ ভাষাৰ পত্ৰ "জোৰৰ আগত বাতিৰ পহৰ।" "বেলীৰ পহৰত চাকিৰ পহৰ।" সেই কাৰণে উচ্চ শ্ৰেণীৰ লোক সকলৰ আমাৰ ভাষাৰ পত্ৰৰ প্ৰতি আদৰ নাই। আৰু হ'বৰ সম্ভৱো নাই। আমাৰ ভাষাৰ অবস্থা নিচেই কেঁচুয়া। পনীয়া বস্তুৰ দৰে স্থিৰ হোৱা নাই। নানা জনৰ নানা ৰুচি। নানা জনৰ নানা মত। অনেকে আমাৰ ভাষা আৰু ৰুচিৰ প্ৰতি দোষ আৰোপে। অনেকে আমাক বঙালীৰ গাত আউজা বুলি ইতিকিং কৰে। আৰু আশ্ৰয় দিবলৈ কৃপণালি কৰে। সেই সকলক আমি কঁও যে কেঁচুয়ালৰাৰ যেনে থানাক থুনুক মতে থাকে পাছেহে ডাঙৰৰ শুনি শুনি ভাল হয়ে সেইৰূপে আমাৰো অৱস্থা। কেঁচুয়া লৰাৰ ভাষাক যেনেকেই দুষিব নাপায় ক্ষমিব পায়, আমাৰ প্ৰতিও সেইৰূপ ক্ষমা বিস্তাৰ কৰা উচিত। আমাৰ ভাষাৰ শিশু অৱস্থা সেই কাৰণে আমাৰ ৰুচিও শিশু। শিশুৰ ৰুচিৰ ওপৰত যেনে লোকে দোষ নিদি ক্ষমা কৰে আমিও সেই ক্ষমা পাব পাৰোঁ। বঙালীৰ গাত আউজাত আমি দোষ নেদেখোঁ। আমাৰ দেশ বঙালীৰ ক্ষমতাই যিমান আগ্ৰহিছে আৰু আগ্ৰহিব তাক অলপ ভাবিলেই জানিব পাৰিব অধিকন্তু দেশীয় আশ্ৰয় নাপালে বিদেশীয় আশ্ৰয় গ্ৰহণ কৰা অযুক্ত নহয়। স্বদেশানুৰাগৰ লগত বিদেশানুৰাগ নাথাকিলে স্বদেশানুৰাগ উজ্জ্বল আৰু কাৰ্য্যকাৰী নহয়। সকলো দেশত সকলো সময়ত প্ৰায় সকলো লোকে বিদেশৰ ভাল ভাল বস্তু বা

নিয়ম স্বদেশলৈ আনে। এতেকে গমি চালে সেই অভি-যোগ দুর্ব্বল বুলি বিবেচনা হব পাবে। সেই বোব যেইকি নহওক এটা কথা সকলোএ ভবা উচিত। আমাব দেশ ক্ষুদ্র। প্রজা সংখ্যা তাকব। আমাব ধনী লোকব সংখ্যা তাকব। মানুহব ওপবত আমাব বিষয়াব সম্পত্তি নির্ভব কবিছিল। বিষয় পালেই সেই বিষয়ব অধীন মানুহে সকলো অভাব মোচন কবিছিল। স্বাধীন ব্যবসায় অবলম্বী মানুহব সংখ্যা আমাব নাছিল বুলিলেও হয়। ধনী সম্পত্তিশালী মানুহব অবস্থাব আমাব স্বতন্ত্র ভাব আছিল। মাটী চাহ কবি স্বচ্ছন্দে খাই বই থাকিব পবা আৰু চাহ কবাব প্রয়ো-জনীয় বস্তু থকা লোকক আমি "চহকি" বোলোঁ। কৃষি আমাব দেশব মূল জীবিকাব উপায়। এনে স্থলত আগব দিনত আমাব দেশব ধনী লোকব অবস্থা কেনে জানিব পাবি। পাছে কালক্রমে শাসন পবিবর্ত্তন হোৱাত শাসনব নিয়মব গুণে আমাব ধনী সম্পত্তিশালী অবস্থাবো ভাব পবিবর্ত্তন হইছে। আমাব আগতকৈ অনেক ভাব কচি অভাব হইছে। সেই সকলো বোব যথাবত্তে পালিবলৈ আমাব প্রয়োজন হইছে। কিন্তু এতিয়াব নিয়মে আমি গা কবিব পবা হোৱা নাই। বাবিষা লুইতব সোঁতব দবে ন ন কথা আমাব মাঝত সোমাইছে। অথচ আমি গা কবিব পবা হোৱাই নাই। এই সমস্ত কাবণত থাকি আমি আমাব দেশত তিমান আশ্রয় পাবলৈ আশা কবিব নোৱাবোঁ। আমাব আশাব সমান সাহায্য মাপাও। দেশ হিতৈষী লোক সকলে দেশব এইরূপ অবস্থালৈ চাই ত্যাগ স্বীকাব নকবিলে আমাব উপায় নাই। এতেকে এই ত্যাগ স্বীকাব আমি আশা কবোঁ। যদিচ আমি বন্ধু বুলি ওলাবলৈ যোগ্য নহও যদিচ

আমাৰ ভাৰ ৰুচি বেলেগ বা অনাদৃত তথাপি এখান দেশত যেতিয়া আমিএ এই মাত্ৰ এটী শিশু আমি আশা কৰোঁ। সকলোএ আমাৰ ত্ৰুটী মাৰ্জ্জনা কৰি আমাৰ প্ৰতি ত্যাগ স্বীকাৰ কৰি সাহাৰ্য্য কৰিব। স্পষ্টকৈ কব লাগিলে দেশত এখান পত্ৰ আছে, থাওক। আৱশ্যক হওক বা নহওক দেশৰ গৌৰব ৰওক, ভাষাৰ বাট মুকলি থাওক। দহ জনৰ লাঠী এজনৰ বোঝা। দহজনে হাত জোকাৰিলে আমাৰ পৰ্ব্বত। শ্ৰীৰাম চন্দ্ৰে সেতু বন্ধন কৰাত কেৰ্কেটুয়াই নিজে খোৱা বাহৰ পাত দিলে। সেইৰূপে আমিও আমাৰ বাঁহৰ পাত দিলো। শিশুএ যেনেকেই টাভুলি ভাবুলি কৰি লোকক ৰঙ্গ দেখুয়াই সেইৰূপে আমাৰো শিশুলিলা চাই দেশীয় মহোদয় সকলে সাহায্য কৰিব এই আশা।

আমি ভাবিছিলোঁ আমাৰ এবছৰহে আয়ুঃ। কিন্তু কেইজন মান হিতৈষী বন্ধুৰ সাহায্য আৰু পৰামৰ্শ অনুসাৰে আমি আৰ্কো পাঠক মণ্ডলীত ভুমুক মাৰি ওলাইছোঁ। আশা কৰিছোঁ মহোদয় সকলে ত্যাগ স্বীকাৰ কৰিব। সেই হলে আমি আৰু শীঘ্ৰ শীঘ্ৰ ওলাবলৈ যত্ন কৰিম। দয়াময় সৰ্ব্ব শক্তিমান্ পৰমেশ্বৰৰ কৃপাত নিৰ্ভৰ কৰি আৰ্কো আমি ওলালোঁ। আমাৰ সাহায্যকাৰী আৰু উৎসাহদাতা সকলক আমি শতেক বাৰ নমস্কাৰ আৰু ধন্যবাদ কৰিলোঁ।

---

## আগৰ দিন এতিয়াৰ দিন।

### পিন্ধা অলঙ্কাৰ।

খোৱাৰ দৰে আমাৰ পিন্ধা ও বৰ লাগতিয়াল। মুনিহৰ পিন্ধাৰ প্ৰধান চুৰিয়া, চেলেঙ্গ, আৰু খনীয়া কাপড়। সাধা-

ৰণ প্ৰজাই আঠুৰ অল্প নামনিত পড়া চুৰিয়া আৰু খনীয়া বা চেলেঙ্গ, মুৰত এটা সামান্য কপাহী পাগুড়ি, বিয়া সবাহত পিন্ধা কাপড়। কোনোএ এড়িয়াৰ চোলাও ব্যবহাৰ কৰে। মধ্যম অবস্থাৰ লোকৰো সেই এই পিন্ধা কিন্তু চুৰিয়া অল্প দীঘল আৰু কাপড়ো অপেক্ষাকৃত ভালা বুকু চোলাও ব্যবহাৰ কৰিব পাৰে। সেইএ যেনিবা সামান্য। আঙ্গা চোলা ব্যবহৃত হইছিল। বঙ্গাঘৰীয়া বিষয়া সকলে বচো-ব্ৰাল টঙ্গালী প্ৰভৃতি কেতবোৰ বিশেষ কাপড় লইছিল। হাঁচটী ডাঙৰ সকলৰ। ইতৰ সকলৰ তামোল গামোছা। তামোল গামোছাত এমুৰে তামোল পান চূণ খপাত কটাৰী খোৱা সঞ্জুগ। ইমুৰে সাঁচতিয়া বস্তু, অল্প ধন, টিঙ্গিৰীৰ বাহ, ইত্যাদি থাকে। মাঝতে এটা আঙ্গঠি দিয়াও হয়। এই গামোছাই অনেক সময়ত পাগুড়িৰ কাৰ্য্যও কৰে। পাগুড়ি আমাৰ বড় আবশ্যকীয়। প্ৰকাশ্য ঠাইলৈ বা ডাঙৰ সম্ভ্ৰমশালি লোকৰ আগলৈ গলৈ পাগুড়ি নহলে নহয়। বুকু চোলা আঙ্গাচোলা কিছু আধুনিক! স্বৰ্গ দেৱ বিনে আনে পইজাৰ পিন্ধিৰ নোৱাৰে। নিজ ঘৰত ব্ৰাহ্মণ মহন্ত আৰ বিষয়া সকলে খড়ম ব্যৱহাৰ কৰিব পাৰে। কিন্তু প্ৰকাশ্যে সদাই নোৱাৰে। তিকতাৰ মেখেলা বীহা আৰু খনিয়া বা চোলঙ্গ প্ৰধান পৰিচ্ছদ। কোনো কোনো ঠাইত বুকত মেঠনি মাৰি পাটনী পিন্ধে। তাৰ ওপৰত এখান কাপড় লোৱা হয়। তাক আগুড়ান বোলে। ইতৰ শ্ৰেণীৰ অনেক তিকতাই ঘৰত বুকত মেখেলা পিন্ধে। ভদ্ৰ শ্ৰেণীৰ হলে মোখলা আৰু বীহা সাধাৰণ পিন্ধা। কপাহীৰ চুৰীয়া, চেলেঙ্গ, খনীয়া, চোলা, বীহা, মেখেলা, পাগুড়ি। মুগাৰ চুৰিয়া, বীহা, মেখেলা। পাটৰ চুৰিয়া, বীহা,

মেখেলা। এড়িয়াৰ বীহা, মেখেলা, বড় কাপোড়, গামোছা, চুবিয়া, চোলা প্রস্তুত হয়। বাঁৰী হলে তিৰুতাই প্রায় কপাহী কাপড় পিন্ধে। বিয়া সবাহ ইত্যাদিত মুগা বা পাটৰ কাপড় ব্যবহাৰ কৰে। বন্ধা কলা হালধিয়াৰে বোলোৱা কাপড় ধুতি। কলা কাপড় বিধুতি হয়। মুনিহ মানুহে কপালৰ ওপৰে অলপ খুবাই চুলি দীঘলকৈ বাখে। ভদ্র শ্রেণীত খুৰুয়া চাইৰ ওপৰে আৰু দীঘল চুলিৰ নামনিত পাহ। পাহৰখা বৈষয়িক মর্য্যদাৰ চিন। সকলোএ বাখিব নোৱাৰে। মৰিয়া আৰু মুসলমানে মাত্র গোটেই মুৰ খুবাইছিল।

সকলো লোকে শৰু জাপীলৰ পাৰে। ইতৰ শ্রেণীত ঢঁবিয়া জাপি। ওপৰ শ্রেণীত শৰুদইয়া জাপী। বৰ সকলোএ লৰ নোৱাৰে। চিহ্নিত বিষয়া আৰু বিষয়াৰ যৈণী বোৱাৰী ঝীয়াৰী সকলে লৰ পাৰে। বজাই কেকোঁবা দোলা ব্যবহাৰ কৰিব পাৰে। ডাঙ্গৰীয়া আৰু আন কোনো কোনো চিহ্নিত বিষয়াই পাহু দোলা লৰ পাৰে। সামান্য দোলা বজাঘৰীয়া চিহ্নিত বিষয়াই লৰ পাৰে। লো আৰু কাঠৰ ঢেকৰ বিবেচনা মতে মর্য্যদাৰ তাৰতম্য। নগাৰ ভিতৰত দোলাত উঠাত জাপী নোৱা স্বর্গ-দেৱৰ চিহ্নিত বিষয়াই মাত্র পাৰে। হাতি ঘোৰাত উঠা বিষয়ে বাজাজ্ঞাৰ আৱশ্যক। ফুলৰ মালা পিন্ধা, ফুল পিন্ধা, ফুলৰ চাকি পিন্ধাৰ তাৰতম্য আছে। যুতি, মালতী প্রভৃতি ফুলৰ চাকিও সকলোএ ব্যবহাৰ কৰিব নোৱাৰে। মহন্ত সকলৰ অধিকাৰীএ খাটলাত উঠিব পাৰে। ইতৰে নোৱাৰে। শহৰত হলে কোনো কোনো চিহ্নিত ডেকা-অধিকাৰী বা মহন্তে ঘোড়াত উঠিব পাৰে। অলঙ্কাৰ পিন্ধাৰ বিষয়েও চিহ্নিত অচিহ্নিত নিয়ম আছিল।

সোনৰ খাড়ু পৰ্হি দোলা স্বৰ্গ-দেবৰ বিশেষ অনুগ্রহৰ চিন। বাখৰ পতোৱা খাড়ু বজাঘৰতহে ব্যবহাৰ্য্য। তাকো সকলো কুঁৱৰীএ নোৱাৰে। সোণ খতোৱা রূপৰ খাড়ু, রূপৰ সঁচকয়া খাড়ু, লাও খাড়ু, পটীয়া খাড়ু। সোণৰ বা রূপৰ আদমহীয়া, ছৰতীয়া, মহীয়া আৰু আধলী বন্ধোৱা আঙ্গঠি আৰু গলপতা। রূপৰ বা সোণৰ পটীয়া আঙ্গঠি, বাবৰী-কুলীয়া আঙ্গঠি, জেঠি-নেগুড়ীয়া আঙ্গঠি, তর্জনী আঙ্গঠি। সোণৰ বা রূপৰ বিড়ী, মৰা গুটীয়া, কলা-মহীয়া মণি, চিপাত মণি, কেৰু, থুৰীয়া, কড়িয়া বা অন্তী। চিহ্নিত অচিহ্নিত বিষয় আৰু বিষয়া আৰু যৈণী সকলে ক্রমে ভাল আৰু মুল্যবান অলঙ্কাৰ পিন্ধিব পাৰে। সাধাৰণ প্রজাৰ কাঁহ পিতলৰ অলঙ্কাৰ। মুনিহৰ অলঙ্কাৰ, গাম, খাড়ু, অন্তী, আঙ্গঠি আৰু মালামপি চিহ্নিত আৰু অচিহ্নিত নিয়ম অনুসাৰে রূপ,সোণৰ অলঙ্কাৰ পিন্ধিব পাৰে। কি তিৰতা কি মুনিহ, দুইও হাত, কান ডিঙ্গিত অলঙ্কাৰ পিন্ধে। পুৰুষৰ হলে খাড়ু সদাই পিন্ধা নিয়ম নাই। কিন্তু আঙ্গঠী পিন্ধে। জাংফাই, কপূৰ, গঁড়ৰ খগ, কাঠ আৰু পোৱালৰ অলঙ্কাৰ ব্যৱহাৰ হয়। বজাৰ দোলা-কাসৰীয়া ইতৰ কেৰু প্রায় চাৰি পাঁচ আঙ্গুলি দীঘল।

বজাৰ ঘৰত আসন পোৱাৰ নিয়ম মর্য্যদা অনুসাৰে। সেই রূপ পদমর্য্যদা অনুসাৰে এজন মহন্ত বা বিষয়াই আন বিষয়া মহন্তৰ ওচৰত আসন পোৱাৰ নিয়ম। ভূম্যাসনৰ ওপৰতে ক্ষেৰ, কলাপাত, ঢাৰী, কঠ, কল, বা বঙা খঙা, কেপকৰা তলচা, চাল, কঠ মুচলা। বঙা খঙাতকৈ কলা খঙা মর্য্যদাত অধিক। মহন্ত সকলৰ হলে ঢাৰী, কঠ আৰু গাড়ু প্রধান আসন। তাকো মর্য্যদা অনুসাৰে তাৰতম্য। বিষয়াৰ নিয়মকে মহন্ত

সকলেও লই শিষ্যাদিক আসন দিয়াত তাৰতম্য কৰে। আমাৰ মানুহে ইজনে সিজনে সাক্ষাত হলে নমস্কাৰ প্ৰণাম নাই। মুসলমানে সেলাম কৰে। সাক্ষাত হলে পোনেই কেনে আছা, কলৈ যোয়া, কি কথা এইমাত্ৰ প্ৰথম সম্ভাষণ। আন নম্ৰভাৱ নাই। ইতৰ লোক সকলে ডাঙ্গৰ সকলক সেৱা কৰে। কেবল ব্ৰাহ্মণে কাকো সেৱা নকৰে। অথচ সকলো ব্ৰাহ্মণক আৰ্কো সকলো লোকে নমস্কাৰ বা সেৱা কৰাৰ নিয়ম নাই। সাধাৰণ শ্ৰেণীৰ অথবা তলতিয়া শ্ৰেণীৰ ব্ৰাহ্মণে বিষয়া বা উপৰ শ্ৰেণীৰ শুদ্ৰাদিৰ আগত মাটীত বহে।

ৰাজ পথত সকলোএ সমানে যাব নোৱাৰে। এজন বিষয়াক দেখিলে তলতিয়া শ্ৰেণীৰ আন বিষয়াই বাট এড়ি দিয়ে। আনৰ কথা কবই নালাগে। ডোম, হাড়ী, মুসলমান প্ৰভৃতি লোকে বাটৰ দাঁতীএ মাত্ৰ যাব পাৰে। ডোমৰ কপালত দোমাছ, হাড়ীৰ কপালত বাঢ়নী বা মাৰ্জ্জনী আঁকি দিয়া হয়। কোনো সময়ত সিহঁতে উচ্চ জাতিৰ প্ৰতি আক্ৰমণ কৰাত সেইৰূপ চিহ্ন দিয়া হয়। হিন্দু মাত্ৰেই ফোঁট লয়। ব্ৰাহ্মণৰ ঊৰ্দ্ধ পুণ্ড্ৰ, বেষা প্ৰভৃতি ফোঁট। শূদ্ৰাদিএ বেষা আৰু তিলক লয়। চন্দন আৰু মৃত্তিকাৰ দ্বাৰা ফোঁট লোৱা হয়। ফোঁটতো পদমৰ্য্যদা আৰু বিষয়ৰ চিন দেখি। তিৰতা বিলাকে সিন্দুৰৰ ফোঁট লয়। তাত বাজে জংঘল, পেঁউৰি প্ৰভৃতিৰ ফোঁট লয়। মুসলমানৰ তিৰতাৰ ভিতৰতো ফোঁট লোৱাৰ নিয়ম আছিল। জাতি চন্দন, বঙা চন্দন, মৃত্তিকা বা গঙ্গা মৃত্তিকা, তুলসীৰ মৃত্তিকাৰ দ্বাৰা ফোঁট লোৱা হয়। সৎনামে চন্দন কাঠৰ ৰস এবিধ প্ৰধান সুগন্ধি দ্ৰব্য। ঢাবী আৰু পাটীতেই আমাৰ মানুহে শোৱাৰ নিয়ম। সেই কাৰণে "ঢাবী পাটী" বুলিলে সাধা-

ৰণতঃ যেনে তেনে শয্যা বুঝায়। মুখাৰ কঠ, কুহিলাৰ কঠ, কলাঠহুৰাৰ কঠ, কেঁহিয়াৰৰ জাৰৰ কঠ, মেডদিয়া আৰু দীঘলীয়া পাটীবা কাঠৰ ডুখৰি পীড়া, বড় পীড়া, চাল পীড়া কছাৰী খাট আমাৰ প্ৰধান আসন আৰু শয্যা। চাঙ পাতি তাৰ ওপৰত মানুহে শোৱে। দৰিদ্ৰে মাটীতে সামান্য শয্যাত শোৱে।

সৰাই, বটা, সৰাইচকা, টেমা বটা, জুনী বটা প্ৰভৃতিৰ ব্যৱহাৰো বিষয়ৰ লগে লগে যায়। খোৱা লোৱাৰ বাসন ব্যবহাৰ, কাপড় পিন্ধা, ফোঁট পিন্ধা, বহা, খোৱা সকলোতে বড় ভদ্ৰাভদ্ৰ বিবেচনা। যি যিৰূপ কৰিব নাপায় তাক কৰিলে দণ্ড হয়। সেই দণ্ডৰ বিচাৰ অতি সামান্য। আকতাৰ আপীল নাই। কুলৰ চাকি পিন্ধা, আঠুৰ তলতীয়াকৈ চুৰিয়া পিন্ধা, টেমাবটা লোৱাৰ নিয়মৰ বিপৰীত আচৰতে মানুহৰ নাক কাণ গইছে। খেলৰ বিষয়াবোৰে এই বোৰ প্ৰজা নিয়ম পালনৰ প্ৰতি দৃষ্টি ৰখা কৰ্ত্তব্য; নকৰিলে দণ্ডাৰ্হ। কেতবোৰ মানুহে আৰ্কো এইৰূপ দোষ উলিয়াই দিছিল। ৰজাৰ শাসন সামাজিক নিয়মৰ ওপৰত এইৰূপ অধিক। পদ মৰ্য্যদা, জাতি মৰ্য্যদাৰ লগত ৰজাৰ শাসন মিহলি হই থকাত মানুহৰ ধন প্ৰাণ সদাই ৰজাৰ অনুগ্ৰহত আছিল। আমাৰ সমাজ একেবাৰে বৈষয়িক পদৰ লগত বন্ধা। আমাৰ আচাৰ ব্যবহাৰ ধৰ্ম্মৰ লগত বন্ধা। আমাৰ বৈষয়িক বিষয়া আৰু পৰমার্থিক বিষয়াৰ তুল্য শাসন এনে স্থলত দেশৰ প্ৰজাৰ অবস্থা কেনে আছিল তাক অনায়াসে জানিব পাৰি।

---

# বাৰি বিজ্ঞান।

## প্ৰথম পৰিচ্ছেদ।

যৌগিক আকৰ্ষণৰ গুণে পৰস্পৰ দুটী বস্তু সংযুক্ত হয়। বিপ্ৰকৰ্ষণৰ গুণে পৰস্পৰ দূৰে হয়। যদি আকৰ্ষণৰ শক্তি বিপ্ৰকৰ্ষণতকৈ প্ৰবল হয় তেনে হলে কাঠিন্য, আৰু উভয়ে সমান হলে তৰলতা উৎপন্ন হয়। কিন্তু যদি বিপ্ৰকৰ্ষণৰ শক্তি অধিক হয় তেনে হলে বস্তু মাত্ৰেই বাষ্প বা ভাপ হয়। তৰল বস্তুৰ পৰমাণু বিলাকক অক্লেশে লড় বড় কৰিব পাৰি। সেই তৰল বস্তু দুবিধ। যি বিলাক বস্তু হাতেৰে স্পৰ্শ কৰিলে হাতত লাগি ধৰে তাক সিক্ত তৰল বস্তু বোলে। যেনে জল, দুগ্ধ তেল মদ প্ৰভৃতি। যাক স্পৰ্শ কৰিলে হাতত নধৰে তাৰ নাম অসিক্ত তৰল বস্তু। যেনে বায়ু বা বায়ুৰ ন্যায় পদাৰ্থ, ৰস বা পাৰা গলোৱা ধাতু ইত্যাদি।

তৰল বস্তুৰ পৰমাণু বিলাক গোলাকাৰ আৰু অতি সূক্ষ্ম। ইয়াৰ এটী প্ৰধান ধৰ্ম্ম এই যে তাক হেঁচিলেও শক্ত নহয় বা লগ লা লাগে; কঠিন বস্তু পৰস্পৰ যৌগিকাৰ্ষণৰ প্ৰভাবে পৰস্পৰ আকৃষ্ট হয়। জল তেল দুগ্ধ প্ৰভৃতিক হেঁচিলেও চেপেটা নহয়। তৰল বস্তুএ হেঁচাখাই শক্ত হোৱাতকৈ আন ফালে স্থানান্তৰিত হ'ব। কোনো এজন লোকে সোণৰ এটী গোলাকাৰ বস্তুত পানী ভৰাই তাক বড়কৈ হেঁচিছিল। পাছে সেই হেঁচনি খাই তাৰ জল কণা বিলাক সেই গোলাকাৰ স্বৰ্ণ পিণ্ডৰ বাহিৰে ওলাল তেও হেঁচনিত সি শক্ত নহ'ল। এই উপায়ৰ দ্বাৰাই সোণো যে ছিদ্ৰ বিশিষ্ট ইয়াকে জনা গ'ল। এটা জল পূৰ্ণ পাত্ৰত থকা জল যদি আঙ্গুলীৰে হেঁচা যায় সেই জল ওলাই পড়িব তেও হেঁচনিত ক্ষুদ্ৰ আয়-

তন নহয়। তবল বস্তুৰ পৰস্পৰ আকৰ্ষণ অতি কম। তবল বস্তুৰ এই এটী ধৰ্ম্ম যে সি অত্যন্ত স্থিতিস্থাপক। এটা জল পাত্ৰত আঙ্গুলী দিলে যি ঠাইত আঙ্গুলী থাকে সেই ঠাইৰ জল সঙ্কুচিত হ'ব কিন্তু আঙ্গুলীৰ পৰিমাণে জল আন ঠাইলৈ যাব বা ওলাই পড়িব। আঙ্গুলী উলিয়াই আনিলে আকৌ সেই ঠাইলৈ জল আহিব। তবল বস্তুৰ পৰমাণু বিলাকে কার্য্য কৰোঁতে তাৰ ভৰ বা হেঁচনিৰ সম্পৰ্ক নাৰাখে। এক খণ্ড কাঠৰ পৰা তাৰ এক খণ্ড কাটি পেলালে যি খণ্ড থাকে সি একে ঠাইতে থাকিব কিন্তু যদি কোনো জল পূৰ্ণ পাত্ৰৰ মাজৰ পৰা কিয়ৎপৰিমাণে জল উলিয়াই অনা যায় তেনে হলে সেই জল যি ঠাইৰ পৰা নিয়া হইছিল সেই ঠাইলৈ ওপৰৰ জল যাব। তবল বস্তুৰ পৰমানুবিলাক সমানে পৃথিবীৰ কালে স্থিৰ ভাৱে থাকে। তবল বস্তু সদাই সমান ভাবে উচ্চ থাকে আৰু সি সদাই সমতা বা সাম্যভাব বাখে। এটী ডাঙৰ পাত্ৰৰ তলত যদি কেইবাটাও শক বড় নলি দিয়া যায় তেনেহলে পাত্ৰত জল ঢালিলে পাত্ৰৰ জল যিমান ওখলৈ উঠিব তাত লগলাগি থকা নলিৰ জলো তিমান ওখলৈ উঠিব। সাগৰ, নদী পুষ্কৰিণী কি পাত্ৰ যতে জল থাকে সকলো ঠাইতে জলৰ পৰমানু বিলাক সমানে থাকে। পানীত ওখ চাপৰ নাই। এই কাৰণেই নিৰৱা আৰু নদীৰ জল বই যায়। সাম্যভাব বখাৰ নিমিত্তেই এইৰূপ হয়। তবল বস্তুৰ এফালে ভৰ বা হেঁচা দিলে সেই হেঁচা চাৰিও কালে যায়। পাস্কেল নামে এজন পণ্ডিতে এই নিয়ম আবিষ্কাৰ কৰে। পানীত ভাৰ সকলো কালে সমান। তবল বস্তুৰ এফালৰ পৰা হেঁচিলে সি সকলো কালে বই যায় বা ব্যাপ্ত হয়। এটা পিচকাৰী বা চেৰেকাৰ পানী যোৱা

ফালে যদি কেইবাটাও বিন্ধা থাকে তেনেহলে তাৰ নলি ডাল মুখৰ পৰা ঢেলি দিলে কেইওটা বিন্ধাৰে সমানে পানী যাব।

জলৰ পৰিমাণ অনুসাৰে জল পাত্ৰত ভাৰ নপড়ে। পাত্ৰৰ তলিৰ আয়তন অনুসাৰে ভাৰ পড়ে। তলিৰ ফালে বহল মুখৰ ফালে চেপ এসেৰ পানী ধৰা পাত্ৰ এটাৰ তলিত যিমান ভাৰ পড়িব তলিৰ ফালে চেপ মুখৰ ফালে বহলা পাত্ৰৰ তলিত তিমান ভাৰ নপড়ে। জল প্ৰভৃতি তৰল বস্তু এই এটী নিয়ম যে সি ওপৰৰ ভাগৰ ভাৰৰ পৰিমাণে তাৰ গতি হ্ৰাস হয়। জল পূৰ্ণ এটী পাত্ৰ ২৫ সমান ভাগেৰে বেখাৰ দ্বাৰা যদি ভাগ কৰা যায় আৰু সেই পাত্ৰৰ তলিৰ এটী ছিদ্ৰ দ্বাৰা যদি জল পড়ে তেন্তে অনুমান কৰা এক মিনিটত ৯ ভাগ পৰিমাণে জল পড়ে তেনেহলে দ্বিতীয় মিনিটত আৰু সাত ভাগ কমিব তৃতীয় মিনিটত পাঁচ ভাগ চতুৰ্থ মিনিটত তিনি ভাগ আৰু পঞ্চম মিনিটত বাকী ভাগ কমিব। ইয়াৰ দ্বাৰা জনা যায় যিমান ওপৰৰ ভাৰ কমি আছে তিমান জলৰ গতিৰ বেগ কমি আছে। সেই কাৰণেই কোনো কলহৰ বিন্ধাৰে পানী পড়িলে পানী যিমান পড়ি পড়ি তাকৰ হই আছে সি তিমান কমকৈ পড়ে। যি দ্ৰব্য তাৰ সমান আয়তনৰ তৰল পদাৰ্থতকৈ গধুৰ সি সেই তৰল পদাৰ্থত তল যায়। যাৰ গুৰুত্ব তাৰ সমান আয়তনৰ তৰল বস্তুতকৈ লঘু সি সেই তৰল পদাৰ্থত তল গলেও ওপঙ্গি উঠে। সোণ সমান আয়তনৰ জল অপেক্ষা গধুৰ সেই কাৰণে সি সেই জলত তল যায়। কাঠ সম আয়তনৰ জলতকৈ লঘু সেই কাৰণে সি ওপঙ্গে। যদি এক খণ্ড কাঠ জলত পেলোৱা যায় সেই কাঠৰ পৰিমাণ জল সেই ঠাইৰ

পৰা স্থানান্তৰিত হ'ব। সেই স্থানান্তৰিত জলক যি বলেৰে তলৰ জলে ধাৰণ কৰিছিল তিমান বলেৰে সেই বস্তুৰো ভাৰ ধাৰণ কৰে। সেই কাৰণে নৌকাত বস্তু ভৰাওঁতে সাৱধানে জানিব লাগে যে নাও আৰু বস্তুৰ ভাৰে সইতে যেন নাও খান পানীৰ ওপৰত ওপঙ্গি থাকে। সমুদ্ৰৰ লোনা জলৰ নদীৰ জলতকৈ চল্লিশ ভাগৰ এভাগ আপেক্ষিক গুৰুত্ব অধিক। এই কাৰণে যি পৰিমাণ ভৰা থকা নৌকা সমুদ্ৰৰ জলৰ নিৰ্দ্দিষ্ট গভীৰ জলত ওপঙ্গিৰ সেই নিৰ্দ্দিষ্ট গভীৰ নদীৰ জলত সেই নৌকা বজিব। মানুষৰ শৰীৰ নদীৰ জলতকৈ নভাগৰ এভাগ মাত্ৰ আপেক্ষিক গুৰুত্ব। সেই কাৰণেহে মানুহে পানীৰ ওপৰত ওপঙ্গি সাঁতৰিব পাৰে। চতুষ্পদী জন্তুবোৰে যেনে ভাৱে স্বাভাৱিকতে চলে পানীতো সেই ভাৱে চলোঁতেই সাঁতৰা হয়। কিন্তু মানুহৰ শৰীৰৰ গঠন আৰু প্ৰকৃতি তেনে নহয়। সেই কাৰণে নিশিকিলে নহয়। সাঁতৰিবলৈ শিকোতে মানুহটে কত্তিয়াকৈ পানীত চীত হব লাগে কিন্তু মুখ, নাক, কাণ পানীত তল যাবলৈ দিব নালাগে। পাছে বস্তুৰ ঘাত প্ৰতিঘাত শক্তিৰ কাৰণে অলপ শ্ৰমতে সাঁতৰিবলৈ শিকিব পাৰি। জল প্ৰভৃতি তৰল বস্তুৰ ধৰ্ম্ম এই যে তাৰ ভাৰ চাৰিওফালে সমান এইটো কোৱা হইছে সেই কাৰনে পানীৰ ওপৰত মানুহে ওপঙ্গিব পাৰে। এই ধৰ্ম্ম না থাকিলে পানীৰ ভাৰত মানুহ চূৰ্ণীকৃত হ'ল হেঁতেন। জলৰ এটী প্ৰধান ধৰ্ম্ম এই যে তাক যিমান গভীৰ যেন দেখি প্ৰকৃত প্ৰস্তাবে তাতকৈ এ ভাগ অধিক। যদি দেখোতে পানী তিনি হাত দ দেখি তেন হলে পৰীক্ষা কৰিলে সেই পানী চাৰি হাত দ পোৱা যায়। এই কাৰনে কেতিয়াবা

নাওৰ পৰা মানুহে পাণীত নামোতে অনেক সময়ত লঘু হয়।

আ, স,

---

## সমালোচনা

### ডাক ভণিতা। শ্রীযুত যজ্ঞৰাম দাস দ্বাৰা সংগৃহীত ও প্রকাশিত।

আমাৰ দেশত আৰু বঙ্গ দেশতো "ডাকৰ বচন" নামে কেত খিলাক নীতি গৰ্ভ বচন প্রচলিত। এনে কথা কোৱা আছে যে ডাক নামে এজন প্রসিদ্ধ লোক আছিল। তেঁও অল্প বয়সতে বড় বিজ্ঞ আৰু জ্ঞানী হইছিল। তেঁওত সকলোএ টান টান কথাৰ পৰামর্শ লইছিল আৰু সুধিছিল। তেঁওত যেতিয়া কোনো লোকে কোনো কথা সোধে তেঁও অতি সংপেক্ষে তাৰ পৰামর্শ দিছিল। কেতিয়াবা তেঁও দুজন তিনিজন মানুহৰ নানা প্রশ্নৰ উত্তৰ একেবাৰে দিছিল। এদিনা হাতত ক্ষুদ খহু হোয়া মানুহ এটা আৰু খিলা খেদোৱা মানুহ এটা আৰু ঘৰৰ গাঠী দিবলৈ শিক্ষা কৰিবৰ ইচ্ছা কৰা লোক এটা এই তিনিও ডাকত উপায় সুধিলে। তেঁও একেবাৰে উত্তৰ দিলে "দশ নখ বান্ধি ধৰি, মাৰ খিলা টান কৰি" এই উত্তৰতে তিনিও জনৰ প্রশ্নৰ উত্তৰ আৰু উপায় দিয়া হ'ল। ডাকৰ বচন নজনা প্রাণী আমাৰ দেশত বিৰল ডাকৰ বচন বেদৰ বাণিৰ দৰে আদৰনীয়।

"ডাক ভণিতা" ডাক চৰিত্র নামেও কোনো লোকে কয়। ডাকভণিতাত এই কেইটা অধ্যায় গৃহ লক্ষণ, ইবাত ঘৰ কিৰূপে কোনো ঠাইত সাজিব লাগে তাৰ উপায় দিয়া

হইছে। দ্বিতীয়-শস্ত্র-যাত্রা-ইয়াত শস্ত্র কোন বিধ কেতিয়া বব লাগে আৰু কি কি যন্ত্র আৱশ্যক কেনেযন্ত্র তাৰ উপদেশ আছে। তৃতীয়-শিশু বক্ষণ-কেচুয়া লৰা কোনৰূপে ৰাখিব লাগে তাৰ কথা আছে। পূৰ্ব্বকালত শিশু সন্তান বধ বা চুৰ কৰাৰ নিয়ম আছিল। আৰু কেঁচুৱা লৰাৰ অনেক ভয় এই হেতুকে অহিতৈষী জনে লৰা চাব নাপায়। ওপৰত অস্ত্র ৰাখিব পায় আৰু এজনে জাগৰণ কৰি মাঝে মাঝে লৰা চাব পায়। তৃতীয়-কর্ম্ম প্রকৰণ-ইয়াত কর্ম্মৰ নিয়ম আছে। কার্য্যৰ বিষয়ে বিশেষ বিশেষ উপদেশ আছে। চতুর্থ-ন্যায় প্রকৰণ-ন্যায় বিচাৰ বিষয়ক কথা আছে। পঞ্চম-নাতি প্রকৰণ-নাতি বিষয়ক উপদেশ। ষষ্ঠ-ৰাজনাদি প্রকৰণ ৰজাৰ ওচৰত কিৰূপে ব্যবহাৰ কৰিব লাগে তাৰ কথা সপ্তম-বন্ধন প্রকৰণ-ৰান্ধিবৰ নিয়ম। অষ্টম-কুলক্ষিণীস্ত্রী প্রকৰণ। নবম-সুলক্ষিণী নাৰী প্রকৰণ। দশম-পৰিত্যাগ প্রকৰণ। কি কি কথা বর্জ্জনীয় তাৰ কথা। একাদশ-বর্ষাদি প্রকৰণ-এই প্রকৰণত ঋতুৰ ভদ্রাভদ্র আছে। দ্বাদশ-নেবাহন প্রকৰণ। ত্রয়োদশ-কৃষি প্রকৰণ। চতুর্দ্দশ-যাত্রালক্ষণ। পঞ্চদশ-দ্রব্য গুণ প্রকৰণ। ষোড়শ-কুপুৰুষ লক্ষণ। সপ্তদশ-পুৰুষৰ সামুদ্রিক লক্ষণ। অষ্টাদশ-পুৰুষ লক্ষণ। ঊন-বিংশতি-স্ত্রীৰ সামুদ্রিক লক্ষণ। বিংশতি-ষম ঘটনা বা শুভাশুভ নির্ণয় ইহাৰ দ্বাৰা জানিব পাৰি যে ডাক চৰিত্রত মধ্যমাধিক অনেক বিষয় অনেক সজ উপদেশ আৰু লক্ষণ আছে।

ইয়াক আদ্যোপান্ত পঢ়িলে জানিব পাৰি যে ইয়াত লেখা অনেক উপদেশ নিয়ম আৰু নীতি আন অনেক পুথীৰ পৰা সংগৃহীত হইছে। বৈদ্য শাস্ত্র, জ্যোতিষ, নীতি শাস্ত্র পুৰাণ

কাব্য প্রভৃতিৰ পৰা নিয়া সাৰ সাৰ কথা লেখা আছে। এনে কথা যাক ডাকি অর্থাৎ বিঙ্গিবাই শাস্ত্রকাৰে কইছে সেই বোৰ কথা ইয়াত লেখা আছে। কোনো এজন পণ্ডিতে এই সমস্ত নীতিগর্ভ উপদেশ ভাষাত ভাঙি পুথিৰ আকাৰেৰে লেখিছে। আৰু সকলোক বিঙ্গিয়াই কোৱা আৰু কৰ লগীয়া কথা দেখি "ডাক" শব্দ প্রয়োগ হইছে। এনে কথা বাষ্ট্ৰ আছে বোলে আপোন বুদ্ধিতে ডাক মৰিল। তেঁওৰ মৃত্যুৰ সময়ত তেঁও বুদ্ধি ভ্রংশ হোৱাত তেঁওৰ অপঘাত মৃত্যু হ'ল। এই পুথী যে কেতিয়া বচে, কোনে বচে, তাৰ নিশ্চয় কৰাটান। উড়িয়া, বাঙ্গালী, সংস্কৃত, হিন্দি, অসমীয়া, কেই ও ভাষাৰ কথা ইয়াত আছে। ইয়াৰ দ্বাৰা ইয়াৰ সময় শঙ্কৰ দেৱৰ সময়কেই বোধ হয়। শঙ্কৰ দেৱে উড়িয়া "ফুটন্ত" "কৰন্ত" "মৰন্ত" কথা লিখিএই সন্তুষ্ট হইছিল কিন্তু ডাক ভণিতাত একেবাৰে "কৰন্তি" "মৰন্তি" শব্দ পর্য্যন্ত ব্যৱহাৰ কৰিছে। খনাৰ বচন বুলি কেতবোৰ জ্যোতিষৰ বচন যেনে রূপ সংগৃহীত ডাক ভণিতাও সেইরূপ। চানক্যৰ এশ আঠোটা শ্লোকত যেনে নানাবিধ নীতিগর্ভ কথা আছে আৰু সেই শ্লোক যেনেরূপে আন নানা পুথীৰ পৰা সংগৃহীত অনুমান হয় ডাক ভণিতাও সেইরূপ। ইয়াৰ পৰা সাধাৰণ সংসাৰ যাত্রাত অনেক সময়ত উপকাৰ পোৱা যায়। এতেকে সাধাৰণে ইয়াক আদৰ কৰিলে বড় ভাল। দেশৰ ভাষাৰ পুৰণি পুথি যিমান সাধাৰণত প্রকাশ পায় তিমান আমাৰ ভাষাৰ উজ্জ্বল শ্রী হয়।

এ, বি, সি,

# ঘৈণীৰ কৰ্ত্তব্য ও স্ত্ৰীশিক্ষা।

আগৰ প্ৰবন্ধ বিলাকত সাংসাৰিক কাৰ্য্যৰ সম্বন্ধেই আমি বিস্তৰ ৰূপে আলোচনা কৰিছো, কিন্তু যিবিলাক লেখা গইছে তাতেই যে ঘৈণীৰ কৰ্ত্তব্য সাংসাৰিক কাৰ্য্যৰ অন্ত পড়িছে এনে নহয়। আজি কালি সময়ৰ বহুত পৰিবৰ্ত্তন হইছে—এই সময়ৰ লগে লগে লাহে লাহে বহুত কাৰ্য্যবো আংশিক পৰিবৰ্ত্তন ঘটিছে। আজি কালিৰ সাজৰ ভিতৰত অনেক ইফাল সিফাল হইছে। বহুত গৃহস্থে এই বিলাক সজাই লোৱাত বছেৰেকত দৰ্জ্জিলৈ অতি কমে ও ২০। ২৫ টকা উচৰ্গা কৰিব লাগে। কাৰ্য্যৰ এনে গঢ় গতি হেৰাত আমি সিবৰলৈ শিকা কাৰ্য্যটোকো আমাৰ ঘৈণী বিলাকৰ ওপৰত অৰ্পণ কৰিবৰ ইচ্ছা কৰো। এই বিলাক ঘৈণী সকলৰ অবশ্যে যাৰ পৰ নাই লাগতিয়াল কাৰ্য্যৰ শাৰিত ভুক্ত নহয়। এই বিলাকে তেও তেওলোকৰ আজৰিৰ সময় ফেৰি সুন্দৰ ৰূপে অধিকাৰ কৰিব পাৰে। অন্যান্য বাৰে কচহু বিষয়ত সময় কটোৱাতকৈ, ওচৰচুবুৰীয়াৰ অলঙ্কাৰ আৰু চৰিত্ৰ সমালোচনা কৰি দিন নিয়াতকৈ' নিন্দা বচনাদি বাৰে পাচি অসংলগ্ন কথা কই মুখৰ খজতি মাৰি চুক বা ঘৰ জিলিকাই বহি থাকি কাল কটোৱাতকৈ যাৰ পৰা নিজৰ অৰ্থ সঞ্চিত হয়, কাৰ্য্যশিক্ষা হয়, এনে কাৰ্য্যত সময় নিউয়া আমাৰ পক্ষে বাস্তবিকেই বড় যুক্তি সঙ্গত বুলি বিবেচনা হয়। যাৰ ভাগ্যে আটি উঠে, যি বেটী বন্দীৰ ওপৰত সাংশাৰিক কাৰ্য্যৰ জঞ্জাল দি ঘৈণী বোলায়, তেও অকামিলা মাংসপিণ্ড এটিৰ দৰে শৰীৰৰ ধুন ধৰাই দিন কটোৱাত কৈ আজি কালিৰ উলৰ কাৰ্য্যাদিতো মন দিব পাৰে। এই

বিলাক গোটেই তিকতাব বন। কিন্তু এই উলাদিব কার্য্য অতি উচ্চ আক আত্যব্রস্ত মানুহব ভিতরতে বন্ধ। দুখীয়া মানুহে বা সর্ব্বসাধাবণ মধ্যবিত্ত লোকে সেবত ১২।১৬ টকা দি উল কিনি, কলিকাতাব পবা চাণেকি অনাই, মাহেকত ৪।৫ টকা দি শিক্ষয়িত্রী বাখি যৈণীক এই বিলাক কার্য্য শিক্ষা দিয়া সমাজিকব কথা। যি কার্য্য বিলাকব সর্ব্ব সাধাবণব ভিতবত বহু বিস্তৃত, আমাব আলোচনাব মূলীভূত সেই বিলাকেই। এই নিমিত্তে আজি কালিব কঠিন বনলৈ পাবহোঁহকা গাভক বিলাকব অতি প্রিয় আক কম ব্যবহাবত লগা এই উলাদি কার্য্যব বিষয় আমি বিস্তবরূপে আলোচনা নকবিলো।

আমি এতিয়ালৈকে যি বিলাক সাংসাবিক কার্য্যব বিষয় লেখিলো, সেই বিলাক নিজব আবশ্যক বুঝিলেখা। বোৱা কটা, বন্ধা বঢ়া, সিবলৈ শিকা এই বিলাক সকলো সংসাবাশ্রমস্থ মানুহব অবশ্য বড় লাগতিয়াল বন, তাত অলপো সংশয় নাই। কিন্তু এই শাবিব পবিশ্রমমূলক কি কি কার্য্য নো আমাব মহাজ্ঞানী আর্য্য সকলে আমাব যৈণী সকলব ওপবত নির্ভব কবিবলৈ দিছে, আমি এবাব তাকে বিচাবি চাওঁ। প্রাচীন সংহিতা শাস্ত্রাদি বহুত অবশ্যে আমাব কবতলীয়া নহয়, বহুত পণ্ডিতাদিব মুখে শুনিবলৈ পাইছো, আক যি দুই চাবি খানি গ্রন্থ লগ পোৱা হইছে তাতো দেখিছো মহর্ষি মনুব মতেই সকলো বিষয়ত সকলোতকৈ প্রশংসনীয় আক লব লগীয়া। সংসাবাশ্রমব বিষয়ে মনু সংহিতাব বহুত ঠাইত বহুত বিধ সাবগর্ভ উপদেশ পোৱা যায়। ব্রহ্মবৈবর্ত্ত পুবাণব ভিতবতো ঠাইয়ে ঠাইয়ে সংসাব সম্পর্কীয় কথা বার্ত্তা বহুত আছে, কিন্তু মহর্ষি মনুব বচন

বিলাক সেই বিলাক সকলোতকৈ বহুত সাকত্বা, এই বিষয়ত ক্রমান্বয়ে তেও বহুত উপদেশ দিছে। এই নিমিত্তে পাঠক পাঠিকাসকলৰ কাৰণ মহর্ষি মনুৰ মত দুটি মান টুকি দিলো। মনুসংহিতাৰ পঞ্চম অধ্যায়ৰ ১৫০ শ্লোকত তেও লেখে :—

" সদা প্রহৃষ্টয়া ভাব্যং গৃহকার্য্যেষু দক্ষয়া।
সুসংস্কৃতোপস্কৰয়া ব্যয়ে চামুক্তহস্তয়া ॥"

স্বামী কষ্ট হলেও তিৰতা সদাই আনন্দ মনেৰে থাকিব ৰকৱাবনত পাৰ্গত হব, ঘৰৰ বস্তুবাহনি বিলাক ধুই-পখালি ভালকৈ নিকাকৈ বাখিব আৰু খৰচ কৰিবৰ সময়ত হাত খানি অলপ টান কৰিব অর্থাৎ হোলোকা হতীয়া নহব।

মহর্ষি মনুৰ এই বচনটিৰে গৃহিণীলৈ চাই তেওক উপদেশ দিছে যে "তুমি এনে এনে হবা। আৰু এনে এনে কৰিবা ;" স্থানান্তৰে গৃহস্থকো কইছে যে তুমি তোমাৰ তিৰতাক সচ্চৰিত্রা, গুণবতী দেখিবৰ অভিলাকৰিলে তেওক এই এই কার্য্যত নিযুক্ত কৰিব। যথা :—

" অর্থস্য সংগ্রহে চৈনাং ব্যয়ে চৈব নিয়োজয়েৎ।
শৌচে ধর্ম্মেঽন্নপক্ত্যাঞ্চ পাৰিনাঽস্য বেক্ষণে ॥"

৯ ম অধ্যায়, ১১ শ বচন।

অর্থ গোটোৱা আৰু খৰচ কৰা দুইওটা কার্য্যত গৃহিণীক নিযুক্ত কৰা উচিত। ঘৰৰ পৰিত্রতা, ধর্ম্মনিষ্টতালৈ গৃহিণীক চক্ষু দিবকৈ দিব লাগে। গৃহিণীক ভাত বান্ধিবলৈ আৰু বাটি-বলৈ দিব লাগে, আৰু ঘৰৰ সামগ্রী বিলাকৰ ৰক্ষণাবেক্ষণত তেওক নিয়োজন কৰিব লাগে।

আমি আগেয়ে "বন্ধা-বঢ়া" ছেদত ঘৰৰ গৃহিণীৰ ওপৰত বন্ধুৰ ভাৰ দিবলৈ মত প্রকাশ কৰিছো। এতিয়া মহর্ষি মনুৰ ওপৰত লেখা বচন পঢ়িলে সুন্দৰ ৰূপে প্রমাণিত হব

যে আমি একো অযুক্ত কথা কোৱা নাই আমি মহর্ষি মনুৰ কথা মতেই আমাৰ যৈণীক বান্ধনী কৰিব লাগে বুলি লেখিছো। এই সংসাৰাশ্রম সম্পর্কীয় যত উপদেশ বাক্য পোৱা যায় সকলোতে আছে আৰু সকলো গ্রন্থকর্ত্তাই কইছে যে " গৃহস্থৰ খং উঠিলেও যৈণীৰ খং উঠিব নেলাগে, যৈণী মৃদু-স্বভাৱা হব লাগে।" আমি আগেয়ে কণ্ব মুণিয়ে শকুন্তলাক যি উপদেশ দিছে তাতো দেখুৱাইছো "গিৰিয়েৱাই তিৰস্কাৰ কৰিলেও খং কৰি কেতিয়া ও তেওক উপালম্ভ নকৰিবা " এতিয়াও মহর্ষি মনুৰ বচন আলোচনা কৰাত সেই রূপেই পাইছো। শাস্ত্রে বা শাস্ত্রানুরূপ গ্রন্থাদিলৈ যাবই নেলাগে, গৃহস্থৰ ঘৰৰ পৰা জিয়াৰী উলিয়াই দিবৰ সময়ত সাধাৰণতঃ আমাৰ যি বিলাক বুঝিনি দিয়া যায়, তাৰ ভিতৰত এই কেইটা কথা অৱশ্য থকা উচিত। যি " মুখৰা নহবা, মুখেৰে বোকা হোৱাত কৈ হাতেৰে চোকা হোৱাহে উত্তম ২য়, সহিবলৈ শিকিবা, তিতিক্ষাৰ পক্ষে সহনি গুণ বড় গুণ।' ঘৰত থকা মাটি কলহ দুটাৰো সময় মতে ঠেকাঠেকি হয়, আৰু বিপু পৰতন্ত্র জীব দুটাৰ যে সময় অনুসাৰে অলপ ইফালে সিফাল, হেলীয়া চেলীয়া হব পাৰে সি একো আচৰিত নহয়। এই কাৰণে এজনৰ মন বিকৃত হলে এজনে সাম্য গুণৰ আশ্রয় ভজিব লাগে-মৃদু হই, দোষ কৰিলে দোষৰ নিমিত্তে অকামিলা বাক্ চতুৰালি নেদেখুৱাই ক্ষমা প্রার্থনা কৰিব লাগে। সংসাৰত এনে কোন কাঠ বুকুৱা মানুহ আছে যে শৰনাগতক উৎপীড়ন কৰে? লোতকৰে চলচলীয়া চকুৰে, বিষাদত ম্লানমুখী মেঘাৱৃত চন্দ্রকলাৰ দৰে লাৱণ্যমূর্ত্তি কোমল বয়সীয়া যৈণীয়ে যদি গিৰিয়েকৰ খং উঠা দেখি ভয়ত বিহ্বলা হই তেওৰ ভয়ক সেই মৃণাল

কোমল বাহু যুগলেৰে সাৰটি ধৰি চকুৰ পানীৰে তৰি তিতাই তেওৰ উগ্রমূর্ত্তি সামৰিবলৈ বা নিজৰ দোষৰ নিমিত্তে ক্ষমা প্রার্থনা কৰিবলৈ ইচ্ছা কৰে, আমি কও, সংসাৰত এনে কোন কাঠ-বুকুৰা নিদাৰুণ অন্তঃকৰণৰ গৃহস্থ আছে যে তেও তেওৰ বৌণীৰ গুৰুতৰ দোষ হলেও তাক মৰ্ষণ নকৰা কৈ থাকিব পাৰে॥ এনে অবস্থাত বাৰে মিলগীয়া ও দয়াৰ পাত্র হয়—বৌণী, গৃহস্থৰ সঙ্গিনীৰ কথ ই বেলেগ। ঘৰ লাগতিয়াল কার্য্য এটিত বৌণী অপাৰগ হল—সাহু বা ননন্দাদিয়ে তাকে দেখি তেওক ইতিকিং কৰি অলপমান মুখৰ মহিলা মাৰিলে, বৌণীএ তাতে খণ্ডত চিটিকি জলা জুইত আৰু ধৰি দিদি, তেওলোক যদি ভালে ভালে কয় আৰু সেই কার্য্য শিকিবৰ নিমিত্তে অতি মৃদু ভাবে তেওলোকৰ সহায় ভজে বা শিক্ষা লভে, তেনে হলে এনে শাহু বা ননন্দাদি অতি কম আছে যি বিলাকে সেই কার্য্যত তেওক আৰু অধিক পীড়াপীড়ি কৰিব পাৰে, বা দুএসাৰে বুলিব পাৰে।

বোৱাৰী হলেই এই "আত্মোৎসর্গটি সুন্দৰৰূপে শিকিব লাগে। মাক বাপেকে জীয়েকক বিদিনাই বিয়া দিলে, বিদিনাই জিয়েক লোকৰ বোৱাৰী হল, পাচ দিনাৱে পৰাই মাক-বাপেকে জীয়েকক এই কর্য্যটি শিক্ষা দিব লাগে—সকলো শিক্ষাৰ মূলতে এই শিক্ষা দিব লাগে যে "আই! তোৰ স্বভাৱ মৃদু কৰিবি, সহিবলৈ শিকিবি—আত্মোৎসর্গ বোৱাৰীৰ সুখৰ মূল"। বিজনা বোৱাৰীএ এই আত্মোৎসর্গটি শিকিছে অর্থাৎ বিজনা বোৱাৰীৰ মুখ চোকা নহয়, স্বভাৱ মৃদু, দোষ কৰিলে ততালিকে হাতে ভৰিএ ধৰি ক্ষমা খোজে, খণ্ডত খঙ্ক মোজোলে, তেও অকামিলা হলে ও পতি ৰাজা, শাহু-শুহ্রাগী আৰু গৃহস্থৰ ঘৰলৈ বৌণী।

যকৰা কাৰ্য্যত ঘৈণীৰ দক্ষতা কেলেই আৱশ্যক, তাক আমি কেইবাবাৰো অগৈএ কই আহিছো। গৃহস্থৰ বাহিৰ জঞ্জাল-মূলক কাৰ্য্যত সদাই ব্যস্ত থাকে, ঘৰত কদাচিতহে মুৰ শুমাবলৈ সময় পায়—বাহিৰৰ উপদ্রৱ বিলাকৰ পক্ষে গৃহস্থ জানিবা সংসাৰৰ ভেটা। সংসাৰৰ অভ্যন্তৰীন অর্থাৎ ভিতৰৰা অবস্থালৈ এই নিমিত্তেই ঘৈণীএ সদাই চকু বাখিব লাগে—আৰু সংসাৰত এই ফেৰি সহায় পাবৰ তিমিত্তেই বিবাহ কৰাৰ প্রধান উদ্দেশ্য—আৰু সেই নিমিত্তেই আমি আমাৰ এই প্রবন্ধৰ আগ ভাগতে এঠাইত কইছোঁ "অমোৰ বিবাহৰ মুখ্য উদ্দেশ্য সংসাৰ বক্ষাৰ নিমিত্তে এজন সহকাৰী বিবাৰা"।

"ব্যয়ে চামুক্ত হস্তয়া" এইটি কি সাৰগর্ভ কথা! ঘৈণী হলে সঞ্চয় কৰিবলৈ শিকিব লাগে। আমাৰ বুঢ়া আৰু সংসাৰৰ অভিজ্ঞতা পোৱা সকলো মানুহক প্রায় কোৱা শুনি যে "নাই বুলিলেও ঘৈণীৰ হাতত, আপদত পৰা উদ্ধাৰ পাবলৈ এটা তামোল বা এখিলা পান থাকিবই লাগে। ঘৈণীৰ সঞ্চিত বস্তু বাখা ঠাই দুখৰি বৰ গোপনীয় হব লাগে। নাই বুলিলেই ভড়াল কেতিয়া ও উদং হব নেলাগে, মুঠতে কলে ঘৈণীএ কিঞ্চিৎ কৰিবলৈ আৰু বঞ্চিত নকৰিবলৈ শিকিব লাগে। এনে ঠেকত ঘৈণী বড় সাবধান হই চলিব লাগে-নিজৰ বিপদলৈ অলপ পাছ দি চলিব লাগে। নিজৰ ভঁড়াল উদং কৰি যদি পৰৰ দুঃখত সহানুভূতি দেখুৱা গল, তেনেহলে অকস্মাৎ কিবিকাদিনা তোমাৰ তেমে এটা বিপদ উপস্থিত হলে তুমি পৰৰ কৃপাপ্রার্থী হব নেলাগিল। এই বিলাক বিষয়ত ঘৈণীৰ গতি "পৰিণাম দর্শিতা" অর্থাৎ কোনো কার্য্যৰ শেষত কি ফল হয় তাক গমি চাব পাবা গুণ থাকিব লাগে।

মানব-জীবনের ভিতরের সংসারাশ্রমের প্রাণীর সমান সুখী নাই, আর সংসারাশ্রমের দরে দুঃখপূর্ণ সঙ্কট-সঙ্কুল ঠাইও নাই। যি বিলাকে এই সঙ্কট-ময় সংসারাশ্রমত থাকি জীবনত সুখভোগ করিব লাগিছে, তেঁওলোক বড় ভাগ্যবান, প্রকৃত সংসারী জীবনর সুখর সোৱাদ তেঁওলোকে আস্বাদন করিবলৈ পাইছে। সংসারাশ্রমত বহুত জঞ্জাল, বহুত লেঠা সকলো হওক যদি কার্য্যদক্ষা, গুণবতী তিরতা এজনা সংসারাশ্রমত তোমার সহযোগী পোৱা তেনেহলে, সহস্র যন্ত্রনা আৰু সঙ্কটো তোমার পক্ষে তৃণবৎ বোধ হব। আমি সকলো সংসারীজীব; অবশ্যে এই সংসারর সুখ আমার সকলোরে বাঞ্ছনীয়, সেই নিমিতেই আমি এই বিষয়ত হাত দি আমার বন্ধু বান্ধব সকলক সংসারাশ্রমর লাগতিয়াল বিষয় দুটিমানর কথা কবলৈ ধরিছো। এই প্রবন্ধর লেখক যে একেবারেই সংসারাশ্রমর লেঠা আৰু চেলা সহি পকামুখীয়া হই অভিজ্ঞতার বা বহুদর্শিতার পরা এই বিলাক কথা লেখিছে এনে নহয়, এই বিলাক দহ জন সমনীয়া সংসারীর সংসারিক জীবনর গঢ়-গতি দেখি লেখা কথা দুটি বা এটি এই সংসারাশ্রম সম্পর্কীয় উপদেশ থকা গ্রন্থর লেখা কথা। মহর্ষি মনু, মহামুনি ব্যাস এও লোকর মতকেহে অধিক পরিমানে আমি আর্হি ধরা গইছে। আমার বিশ্বাস যদি এই বিলাক কথা আৰু নিয়মর তলতীয়া করি কোনোও মিজর গৈণীক চলারর নিমিত্তে মনকরে, সংসারাশ্রমর বিমল সুখ তেও উপভোগ করিবলৈ পরিব। এই বিলাক কথা কিমান সচা, আৰু ইয়াত—কিমান সার আৰু পলম আছে, শিক্ষা-সম্ভূত জ্ঞান মেলাগে স্বাভাবিক ঈশ্বর-দত্ত জ্ঞানেই তাক সুন্দর রূপে বুজি উঠে। যদি অতঃপরো এই সম্পর্কীয়

আমি কিবা কিবি লাগতিয়াল বিষয়ৰ ছাটি পৰি যায়, বিজ্ঞ সংসাৰী পাঠক সকলে তাক উমুকিয়াই দিলে বৰ উপকাৰ পোৱা যাব।

সাংসাৰিক কাৰ্য্যৰ সম্প্ৰতি ইমানতে সামৰনি মাৰি আমি সম্বন্ধ আৰু ব্যবহাৰ বিচাৰলৈ আলচ কৰিবৰ নিমিত্তে আন এদিন পাঠক সকলক দেখা কৰিম। সাংসাৰিক কাৰ্য্যৰ যে বাস্তবিকেই ইমানতে শেষ হল, আমি তাক কব নোৱাৰোঁ। এনে বহুত বিষয় আমাৰ মনৰ পৰা আতৰত থাকিব পাৰে, যি বিলাক সময় বিশেষে গৃহস্থৰ বড় লাগতিয়াল কাৰ্য্য বুলি বিবেচিত হয়। এই কাৰ্য্য সকলৰ সম্পৰ্কে আমি মুঠতে ইমানকে কওঁ যে যিকি কাৰ্য্যই নহওক কিয়, শাহু, শহুৰ আৰু গৃহস্থাদিএ যাকে কবিবলৈ কয়, আৰু বাস্তবিকেই যি কাৰ্য্যবিলাক বিশেষ লাগতিয়াল আৰু সৎকাৰ্য্য বুলি নিজৰ মনেও ধৰে, যৈণীএ, সংসাৰত সুখ কামনা কৰিবলৈ মন কৰিলে দুঃখ পাহৰি, সকলো বাধা-বিপত্তি উল্লঙ্ঘন কৰি যেনতেন মতে সেই কাৰ্য্যবিলাক জানি উঠিবলৈ প্ৰাণপণ চাকি যত্ন কৰিব। গিৰিয়েকক যৈণীএ কি চকুৰে চাব লাগে, গিৰিয়েকৰ মনতোষণ কৰি থাকিলে যৈণীৰ কি লাভ হয়। তাক আমি আগৰ বাৰে এই প্ৰবন্ধৰে "সম্বন্ধ আৰু ব্যবহাৰ বিচাৰ" নামেৰে এটি ছেদত লেখিম। আমি নিজৰ মতৰ লগত প্ৰাচীন শাস্ত্ৰাদিৰ বচনাদি উদ্ধাৰ কৰাত বহুতে আমাক বেয়া-পায় বুলি জনা গইছে কিন্তু সেইটো তেওঁলোকৰ ভ্ৰম। প্ৰাচীন শাস্ত্ৰাদিৰ চৰ্চ্চাৰ অভাৱেইতো আমাৰ সৰ্ব্ব দুঃখৰ মূল। আমি আমাৰ খোজেপতি তেওঁলোকৰ কথালৈ মনকৰি ফুৰিব লাগে।

শ্ৰী ব, মহন্ত।

# সংসাৰ সুখৰ ঠাই।

১

সংসাৰ সুখৰ ঠাই
যি বিচাৰা তাকে পায়,
দুঃখ চালে দুঃখ পায়,
সুখৰো অভাৰ নাই
সংসাৰত একো নাই বোলে নজনাই।
কি বিষম কথা আই।
সংসাৰত সুখ নাই!
আকাশত সুখ পায়?
পাতাল সুখৰ ঠাই?
যমৰ যন্ত্ৰণা পুৰী নৰক নে ভাই?

২

সংসাৰে সুখৰ ঠাই,
ধুকপ জানিবা ভাই,
খঙ্গো আছে বঙ্গো পায়,
ৰোগৰো আছে উপায়,
মৃত্যু আছে মাৰে সঁচা, পুন ওপজায়,
দুঃখ ভুঞ্জিলে এটাই,
এটাই বা সুখ পায়,
এটাই লভিলে ছাই,
আনেটাই বস্তু পায়,
বহুৰূপী সংসাৰ সুখৰ সাৰ ভাই!

৩

ভ্ৰান্তি পৰে বাৰিষাই,

সদাই মাটি তিয়াই,
বদত পুন শুকাই
পূর্ব্বৱত হই যায়,
সঁচা হয় জাব কালি বব জাবো পায়,
বঙাবদ কেবি ভাই
কিৰূপে পাহবা যায় ?
জুহালব জুই কেবি,
কেনেকই দিয়া এড়ি ॥
সুখ দুঃখ সমভাগে সংসাবে সদাই ?

৪

সকলোবে ভাগ্যে নাই,
মনে ভাক পতিয়ায়,
মুখে কবি " হায় হায় "
বাব কাঢ়ে সর্ব্বদাই
অসুখীয়া বত সবে সঁচা কথা ভাই,
কিন্তু " কিয়া বাত হাই
মজা কব দুনিয়াই "
কত জনে বিজিয়াই
মন দিলে শুনা যায়
সংসাবত ভবা সব, সুদা একো নাই।

৫

কিনো নাই সংসাবত,
ধান হয় পথাবত,
শক্তি আছে শবীবত,
ক্ষেতি কবা মনোমত,
খাই লই সুখ কবা কেলেই আতত ?

বসনা বসাল করা
বিবিধ বস্তুরে ভরা,
বিচারি গোটাই লোৱা,
ভোকে পেট ভরি খোৱা,
সংসারে "সুখর সার শহুরেরা ঘর!"

৬

প্রাণর সঙ্গিনী আছে
সন্তান কোলাত নাচে,
মুখত মধুর হাঁহি
সদাই 'ন' নহে বাহি
গজেন্দ্র গতিরে চলে শরীর দোলাই!
সুখ-সার বাচি বাচি,
হাতে তুলি যাচি যাচি,
হেনয় প্রিয়াক দিয়া
জুড়াই তাপিত হিয়া!
অসার চিন্তাত আছা মনক ভুবায়!

৭

নকরা সংসার-সুখ,
ধর্ম্ম-করা যার দুখ,
সংসার ধর্ম্মর ঠাই,
মুনি সবে কয় ভাই,
ঈশ্বরর নাম ধরি জপা মলাগুটি!
দুর হব দুঃখ সব,
অন্তে স্বর্গলাভ হব,
সংসার এরিয়া যায়া,
( সুখ-ভরা ঠাই পায়া )

" এটি " হই যোগ ধবা—নেবাঞ্চিবা " ছুটি।"

৮

দেখিছা বজাবো দুখ,
কটাব নেবাবা মুখ,
কেবাণীব টিলিকিত,
ব্রহ্মাণ্ড যদি কম্পিত,
পলোব্রা সংসাব এড়ি অবণ্যব মাজে।
নেবাঞ্চিবা তাব পদ,
লভিবাহা সুসম্পদ,
কেবাণীব লেখনীত,
কেবাণীব আঙ্গুলিত,
ভাঁজ আছে—দূব হোবা পড়িবা সি ভাঁজে।

৯

পায় যেনে লটা-ঘটা
আছে তেনে সুখ চটা
( কেবাণীয়ে দুঃখ ভাই !
পোড়া পেট হস্তে পায় )
আজলি ভবাই নিয়ে মাহ পুব হলে।
চকিত আউজি হায় !
নিত্যে কেবাণী ককাই
চকুব পলকে ভাই
কত নো " খিতাব " পায়,
' দেউতা ' ' স্বর্গদেউ ' ' প্রভু ' কত জনে বোলে।
ভবিত কতয় ধবে,
' কেওঁমেও ' কতো কবে,
আনন্দে কেবাণী বাবু

মন কৰে হাবু কাবু,
কেৰাণী নহলে কোনে হেন সুখ পায়?
জানিলে সকলো পায়,
নেজানিলে একো নাই,
জানিলে বুজিবা ভাই!
সংসাৰে সুখৰ ঠাই,
বহিব জানিলে মাটিতেই পীড়া পায়,
চাউলো জানিলে খাব চিড়া হই যায়॥

ব, ম,

---

# অসমীয়া ভাষা বুৰঞ্জী।

১৩৭১ শকৰ শঙ্কৰ দেৱৰ জন্ম হয়। তেঁও ১৪৯১ শকত লীলা সম্বৰণ কৰে। তেঁওৰ দিনৰ পূৰ্ব্বে আমাৰ দেশত চলতি ভাষা কেন আছিল তাৰ কোনো নির্ণয় পোৱা না যায়। সেই সময়ত আমাৰ ধর্ম্ম শাস্ত্র কেৱল পণ্ডিত ব্রাহ্মণৰ মাৰত আছিল। আনৰ মাৰত লোক পৰম্পৰ শুনা কথা বিনে একো নাছিল। ধর্ম্মচর্চ্চাৰ একো উপায় নাছিল। দেশ অজ্ঞান আন্ধাৰত ঢকা আছিল। শঙ্কৰ দেৱে নানা দেশ পর্য্যটন কৰি আৰু নানা শিক্ষা পাই দেশৰ অৱস্থা দেখি বড় কাতৰ হই ভাগৱত প্রভৃতি শাস্ত্র সেই সময়ৰ সাধুভাষাত ভাঙি বৈষ্ণৱ ধর্ম্ম প্রকাশ কৰিলে। তেওঁৰ আৰ্হিবেই মাধৱ দেৱ ভট্টদেৱ প্রভৃতিএ ধর্ম্মশাস্ত্র সেইৰূপে ভাঙি প্রকাশ কৰিলে। ধর্ম্ম প্রচাৰৰ নিমিত্তে কৃষ্ণলীলা, ৰামলীলা প্রভৃতি পুৰাণৰ অনেক অনেক কথা নাটকত অভিনয় কৰিলে। নাটকৰ ভাষা দশম কীর্ত্তনৰ ভাষাতকৈ এক প্রকাৰ

বেলেগ বুলিলেও হানি নাই। ভটীমাৰ ভাষাও সেই রূপ। শঙ্কৰ দেৱে যি পুথী ৰচনা কৰিলে সেই বোৰ অকল অসমীয়া ভাষাৰ বা শঙ্কৰ দেৱৰ ভাষাৰ সম্পত্তি নহয়। যাৰ সংস্কৃত-মূলক ভাষা তাৰেই সেই সম্পত্তি। নাটকত তীৰথ ভাষাৰ বা মিথিলাৰ ভাষা সুন্দৰে ব্যবহৃত। সেই পুথীবোৰ অল্প যত্ন কৰিলেই বঙ্গালী, উড়িয়া, হিন্দী বা ব্রজভাষা কোৱা লোকে বুঝিব পাৰে। তেওঁ এইৰূপে পুথি ৰচনা কৰি সমুদায় ভাৰতৰ সাহিত্যৰ পুষ্টি সাধিলে। কালক্রমে ধর্ম্মৰ বিকাসে সহিতে সেই পুথি সকলোৰে আদৰণীয় হ'ল। ডোমে মাচ মাৰোতে, খড়িকটীয়াই খড়ি কাটোতে, ধান, ৰোওতে, কাটোতে, বাটেৰে যাওতে, বিয়া সবাহ সকলোতে কীর্ত্তন দশম প্রভৃতিৰ পদ চলিবলৈ ধৰিলে। তেওঁৰ ইচ্ছা সম্পূর্ণ হ'ল। আসামৰ ভাষাৰ এই প্রথম যুগ। শঙ্কৰ দেৱৰ জন্মকেই আমাৰ দেশৰ ধর্ম্ম, কি জ্ঞান কি ভাষা কি আনবিষয়ৰ নূতন শঁকৰ আৰম্ভ বুলিব লাগে। এই আৰ্হিবেই মহন্ত সকলে নিজ নিজ বংশৰ চৰিত্র ৰচিলে। আমাৰ বঞ্জাৰবত যি বিলাক কাকত পত্র হিসাব আছিল সি আমাৰ ভাষাবেই আছিল। কটকী আৰু আন ভদ্র ভদ্র লোক সকলে বুৰঞ্জী লেখিছিল আৰু ৰাখিছিল সিও অসমীয়া ভাষাত। সাধাৰণৰ মাজত ভাষা শিক্ষাৰ নিয়ম নাছিল। ছাত্রে কেৱল সংস্কৃত শিক্ষা মাত্র কৰিছিল। কেৱল "কাহখালি অঙ্ক মাত্র ভাষাত শিক্ষা দিছিল। তাৰ সংস্কা আৰু সীমা অতি কম। অসমীয়া ভাষাৰ ব্যাকৰণেই নাছিল। মাজে সময়ে বুৰঞ্জী আৰু চৰিত্র লেখা হইছিল। চিঠি পত্র দিয়াৰ ব্যৱহাৰ নাছিল। আকস্মিক কেতিয়াবা দিব লগিয়া হলে আমাৰ কোৱা মেলা ভাষাবেই দিয়া হইছিল। বঞ্জা ঘৰৰ

পৰা তামৰ ফলি, সিদ্ধান্ত পত্ৰ প্ৰভৃতি যি দিয়া হইছিল তাৰ আৰম্ভ সংস্কৃত গদ্যেৰে হই শেষত মুঠ কথা খিনি ভাষাৰে লেখা হইছিল। কন্দ্রাসিংহ স্বৰ্গদেৱৰ দিনৰ পৰা এইৰূপ হইছিল। তাৰ পূৰ্ব্বৰ দান পত্ৰাদি সংস্কৃত ভাষাত লেখা হইছিল। সেই আদৰ্শ মতেই ব্ৰিটিশ গৱৰ্ণমেণ্টৰ দ্বাৰা এই দেশ দখল লোৱাৰ পাছে সংস্কৃত গদ্য আৰু ভাষাৰে সিদ্ধান্ত পত্ৰ "ফলি মহজৰ" লেখা হইছিল। বঙ্গাৰ বড় ভঁড়ালৰ পেড়া কাকতো অসমীয়া আছিল। এই পৰ্য্যন্তে অসমীয়া ভাষাৰ দ্বিতীয় যুগ।

১৮৩৫ সনত দেশীয় ভাষাত ৰাজকীয় কাকত পত্ৰ লেখাৰ বিধি হ'ল। সেই সময়ত আমাৰ দেশৰ ৰাজকীয় কৰ্ম্মচাৰি মাত্ৰেই অধিকাংশ বঙালী আছিল। অসমীয়া ভাষাৰ দ্বাৰা যে ৰাজকীয় কাকত পত্ৰ সকলো লেখা হ'ব পাৰিব এনেটো সন্দেহ হ'ল। "বোৰ্ড অব ৰেবনু" "সদৰ আদালতৰ" পৰা যি কাকত পত্ৰ আছে সিও বঙালী বা উৰ্দ্দু। সাতে সোতেৰয় বঙালী ভাষাই যে এই দেশৰ চলিত আৰু আৱশ্যকীয় ভাষা সেইটো ঠাৱৰ হ'ল। আৰু সেই কাৰণেই বঙালী ভাষা প্ৰচলিত হ'ল। গৱৰ্ণমেণ্টৰ পৰা যি ইস্কুল স্থাপিত হ'ল তাত বঙালী ভাষাৰ পুথী চলিল। "প্ৰথম শিক্ষা, নীতি কথা, জ্ঞানোদয় প্ৰভৃতি পাঠ্য পুস্তক হ'ল। ইস্কুল কছাৰীত বঙালী চলিল। কছাৰীত নানা প্ৰকাৰ কাৰ্য্য হয়। সেইৰূপে কছাৰীৰ ভাষাও মিশ্ৰিত বা খিচিৰী ভাষা হ'ল। পাৰসী, উৰ্দু, বঙালী, সংস্কৃত, অসমীয়া সকলো মিহলি। শ্ৰীহট্ট, ঢাকা, ময়মনসিং জিলাৰ লোকেই অধিকাংশ আমলা। সেই সকলে বাঙ্গালা ভাষা কেৱল সামান্য ৰূপে শিক্ষা পাইছিল। ব্যাকৰণ তেওঁলা নাছিল।

এমে অব্রহ্মাত ভাষাৰ অৱস্থা কেমে তাক জানিব পাৰি। ইস্কুলত যি শিক্ষা দিয়া হইছিল সেই শিক্ষা ব্যাকৰণ শূন্য বুলিলেও হানি নাই। বৰ্ণবিন্যাসৰ সীমা অতিক্ৰম হই গই ছিল। অসমীয়া মানুহেও বঙালী ভাষাকে উচ্চ ভাষা বুলি স্বীকাৰ কৰি ললে। ধৰ্ম্ম আগৰ ভয়ত ইংৰাজী ভাষা শিক্ষাৰ প্ৰতি লোকৰ অনিচ্ছা আছিল। ইফালে আমেৰিকাৰ পৰা মিশ্যনাৰী সাহাৰ সকলে আহি দেশত ধৰ্ম্ম প্ৰবৰ্ত্তাবলৈ ধৰিলে। সাধাৰণে বুঝিব পাৰা ভাষাৰে "বাইবেল" প্ৰভৃতি খ্ৰীষ্টীয়ান শাস্ত্ৰ ভঙা হ'ল। কিন্তু অসমীয়াৰ ব্যাকৰণ, অভিধান নাই। যেইএ যেনেকেই পায় তেনেকেই লেখে। পাদ্ৰী সাহাবে বিবুদ্ধি হই সংস্কৃত বৰ্ণমালাৰ অনেক স্বৰ আৰু ব্যঞ্জন বৰ্ণ খেদি নূতন বৰ্ণ মালা সৃষ্টি কৰিলে; অৰুণোদয় সংবাদ পত্ৰ প্ৰচলিত হ'ল বাইবেল ভঙা হ'ল। ইয়াৰ বহু দিন পূৰ্ব্বে অৰ্থাৎ ১৮১৫ ইংৰাজী সনত কলিয়াবৰৰ আত্মাৰাম পণ্ডিত নামে এজনে শ্ৰীৰামপুৰৰ বিখ্যাত পাদ্ৰী, ডাক্তাৰ কেৰী মাৰ্শমেন ওয়ার্ড সাহাবৰ লগত যোগ হই বাইবেলৰ নূতন নিয়ম ভাগ অসমীয়াত ভাঙিছিল। প্ৰকৃত পক্ষে অসমীয়া পাদ্ৰী সকলে অসমীয়া ভাষাৰ পুনৰ্জ্জীবনৰ জন্যে বিশেষ যত্ন কৰিছিল। অধিক কি? তেঁওবিলাকৰ যত্নতে আমাৰ মানুহে জানিবলৈ পাৰিলে যে অসমীয়া এটী ভাষা। পূৰ্ব্বে আমাৰ ডাঙৰ লোক সকলে নদীয়া শান্তিপুৰৰ কণোজপুৰ বিক্ৰমপুৰ প্ৰভৃতি ঠাইৰ পৰা অহা বুলি অহঙ্কাৰ কৰিছিল। ক্ৰমে সেই সকল প্ৰাচীন ভাব তিৰোহিত হল। আনন্দৰাম ফুকনে অসমীয়া লৰাৰ মিত্ৰ নামে পুথী প্ৰকাশিত কৰিলে। দেশৰ লোক সকলৰ অসমীয়া ভাষাৰ প্ৰতি চকু মুকলি হ'ল

বঙালী ভাষাই দেশ দখল কৰাতো মাজে মাজে দুখনি এখনি অসমীয়া পুথী ওলাবলৈ ধৰিলেঁ। ব্যাকৰণ লেখা হ'ল। অসমীয়া আৰু বঙালী দুইও ইটে সিটৰ প্ৰতিদ্বন্দী হ'ল। দুইও ফালে কঁকালত কাপোড় বন্ধাবন্ধি লাগিল। এই অসমীয়া ভাষাৰ দ্বিতীয় যুগ।

সাৰ জৰ্জ কেম্বল সাহাব বঙ্গ প্ৰদেশৰ লেপ্টেনেণ্ট গবৰ্ণৰ হ'ল। তেঁও অসম দেশত কছাৰী আৰু ইস্কুলৰ পৰা বঙালী খেদিবলৈ আজ্ঞা দিলে। অসমীয়া আৰু বঙালীএ কিছু দিন ঘোৰ যুদ্ধ লাগিল। দুইকো দুইও "মহা তুষ্টি, হানয় বজ্ৰ সম মুষ্টি" শেষত অসমীয়া জয়ী হ'ল সাধাৰণত অসমীয়া চলিল। গাঁৱলীয়া পঢ়াশালিত অসমীয়া চলিল। কিছুমান পুথী ছপা হ'ল। গাৱলীয়া পঢ়াশালিত সেইবোৰ ব্যবহাৰ হব ধৰিলে। কছাৰীতো সেই ভাষাই চলিছে। কিন্তু মিশ্ৰিত ৰূপে চলিছে। এই পৰ্য্যন্তে পূৰ্ব্বৰ শ্ৰেণীৰ লোক শেষ হোৱা নাই। অসমীয়াৰ পক্ষ সমৰ্থনকাৰি অসমীয়াৰ সংখ্যা ক্ৰমে অধিক হই আছিলেও মিশ্ৰিত ভাষা মাৰ্জ্জিত কৰিব পৰা হোৱা নাই। অসমীয়া মানুহে চিঠী পত্ৰ লেখাত অসমীয়া ব্যৱহাৰ হ'ব লাগিছে। অসমীয়া যে এটা ভাষা ইয়াক সাধাৰণে জানিবলৈ ধৰিছে। কিন্তু দুঃখৰ বিষয় এইটো যে ভাষাৰ পুষ্টি সাধন কৰিবলৈ আমাৰ ধন নাই। গ্ৰন্থকাৰক উৎসাহ দিয়াৰ বল আমাৰ সাধাৰণ মানুহৰ নাই। দৰিদ্ৰৰ মনোৰথ যেনে উঠিএই হৃদয়ত লয় পায় সেইৰূপে আমাৰ মনোৰথ। এতেকে আমাৰ দেশী ভাই সকল! উঠা। এতিয়া চৈতন্য যুগ মনৰ চিন্তা কাৰ্য্যলৈ আনা। জাতি যেনে সম্পত্তি জাতীয় ভাষাও তেনে সম্পত্তি। আমাৰ ভাষা শদীয়াৰ পৰা

মানাহ নদীলৈ। বঙ্গা আৰু বাঙ্গ কৰ্ম্মচাৰীলৈ নহয়। কোনো এখান নগৰ বা এজন বা দুজন বিখ্যাত লোকৰ ভাষা আমাৰ ভাষা নহয়।

আমাৰ ভাষা সংস্কৃত মূলক। সেইৰূপে বঙালী আৰু হিন্দী ভাষাও সংস্কৃত মূলক। আমাৰ মানুহৰ ধৰ্ম্ম, আৰু ধৰ্ম্মৰ লগত লগলগা আচাৰ নীতি ভাব সকলো একে। সেই কাৰণেই ধৰ্ম্ম, আচাৰ, নীতি সম্পৰ্কীয় কথা, বস্তু সকলো বিষয়ত সমুদায় ভাৰততে সংস্কৃত মূলৰ নিমিত্তে একে। সেই কাৰণেই অসমীয়া বঙালী হিন্দী উড়িয়া কেইও ভাষাৰ উচ্চ আৰু সাধুভাষা প্ৰায় একে। সাধাৰণত যিৰূপ কথা বাৰ্ত্তা হয় তাৰ চালে বেলেগভাব দেখি।

আমাৰ ভাষাৰ বিশেষ ঠাইৰ বিশেষ বিশেষ বিভাগৰ কথা আৰু ভাব বোৰ এতিয়া মাৰ্জ্জিত আৰু ব্যবহৃত হব লাগে। আমাৰ দেশলৈ যেনেৰূপে নানা দেশৰ লোক আহি আমাৰ লগত মিহলি হইছে আমি যেনেকেই বিদেশীৰ পৰিচ্ছদ আৰু আহাৰ ব্যৱহাৰ লইছো সেইৰূপে আমি বিদেশীৰ কথাকো লইছো। মেজ মাচিয়া গিলাস পীকদান, হোকা ছিলিম, কামিজ পাওজামা প্ৰভৃতি অছেদ্যৰূপে আমাৰ ভাষাৰ কথা হ'ল। এই বোৰ আমি আদৰকৈ লইছোঁ। ই থকাত হানি নাই। বৰঞ্চ আমাৰ ভাষাৰ পুষ্টি সাধনহে হইছে। ইয়াক অনাদৰ কৰা যে কিমান সঙ্গত আমি কব নোৱাৰো। এই বিষয় আমি বিশেষকৈ আলোচনা কৰিম।

জ, ন,

---

# রজনী।

১

দিনমান শূন্যমার্গে করিয়া ভ্রমণ,
পশ্চিম আকাশ শেষে লোহিত আভাসে
রঞ্জি ক্ষণকাল, রবি বিস্তারি চরণ
শুইলে বিশ্রামাচলে এবে মহা ক্লেশে।

( ২ )

নাই আর মধ্যাহ্নের উত্তপ্ত কিরণ;
নুমাল প্রচণ্ড দীপ; তমসে পূরিত
ভুবন, কেবল কবি বর্ত্তিকা জ্বলন
করিয়াছে লোকগণ গৃহ আলোকিত।

( ৩ )

নাই জন কোলাহল পক্ষীর সুস্বর,
শেষবার হেতু কাক করি কা কা ধ্বনি
প্রবেশিলে নীড়ে; লই ভূচর খেচর
ধরিছে প্রশান্ত মূর্ত্তি নিখিল ধরণী।

( ৪ )

রজনী মিলনে এবে রজনী-রঞ্জন
পূর্ণকলা ধরি ভাসে সুনীল অম্বরে,
উজ্জ্বল রজত থাল যেন এক খন
ভাসে মেঘ-ছায়ারৃত সুস্থির সাগরে।

( ৫ )

তাহার আলোক সুধা মস্তকে ধরিয়া
রবিকর উত্তাপিত বিটপী নিচয়
শীতলিছে দেহ স্থিরভাবে দণ্ডাইয়া,
মাঝে মাঝে একেবার সমীরে দোলয়।

(৬)

নক্ষত্র নিচয়,—যেন কুসুম আবলী
উদ্যানের মাঝে ; কিম্বা অসিত বসনে
হীরকের খণ্ড যেন শোভয় উজলি—,
ফুটিয়াছে নীলাকাশে কোমল কিরণে।

(৭)

ফুটিয়াছে নীলাকাশে কোমল কিরণে,
কবি চন্দ্র-কলোজ্জ্বল নিজকর দানে ;
নৃপেশ্বরে যথা হায় দাস নৃপগণে
করয় ঐশ্বর্য্যশালী স্বধন প্রদানে।

(৮)

আমাবস্যা রজনীত যিরূপে সিসব
শোভয় গগণ পটে উজ্জ্বল বরণ,
নিষ্কণ্টকে লই যেন ঐশ্বর্য্য বিভব
স্বরাজ্যে স্বাধীন ভাবে ক্ষুদ্র নৃপগণ।

(৯)

আজি কিন্তু নোহে তেনে ; শশঙ্ক শাসনে
সবেও মলিন মুখ, গৌরব বিহীন ;
জিত নৃপগণ জেতা নৃপতি পীড়নে
ধরয় যিরূপ ভাব অধীন সুদীন।

(১০)

স্বাধীনতা নাই যার কিবা আছে তার,
নরহয় এক বিন্দু উত্তপ্ত শোণিত ;
জীবনে জীবনীশক্তি নাথাকে সঞ্চার,
তেজীয়ান পদে সদা মস্তক নমিত।

( ১১ )

প্রকৃতি দৃষ্টান্ত তার দিছে ভুরি ভুরি ;
তার মাঝে এই এক দেখা তারা ফুল
হেরয়াই অমানিশি,—সুখ বিস্তারবী—,
চন্দ্রর অধীনে আজি যেন বাহি ফুল।

ক্রমশঃ

শ্রীভঃ

---

# বিবাহ রহস্য নাটক।

প্রথম অঙ্ক—প্রথম দর্শন।

বঙ্গশালা।

মনু সূত্রধারীর প্রবেশ।

মনু—( নান্দী )

জয় জয় জগন্নাথ জগত জীবন।
জয় প্রভু নিরঞ্জন ব্রহ্ম সনাতন॥
তোমার ইচ্ছাত এই জগত সংসার।
সৃষ্টি হই চলি আছে নাহিক অসার॥
মনুষ্যে সমাজ পাতি আছে পৃথিবীত।
নানাবিধ কার্য্য আত ছোত্রে হিতাহিত॥
সংসারেই হয় জানা মহা রঙ্গ ভূমি।
রঙ্গভূমি প্রতিরূপ হয় জানা তুমি?
সংসারর দোষাদোষ দেখি রঙ্গশালে।
দোষ ত্যজি গুণ লয় মহন্ত সকলে॥

( আদ্যুনী সূত্রধারিনীর প্রবেশ )

আছন্দী—অঃ ভালেতোহে! ইয়াতে আছা! ময় নাই-কিয়াব বাপেক বুলি বিচাবি ফুবিছোঁ।

মনু—মনে, মনে থাকা।

পুবাণব কথা কেহে সকলোএ লেখে।

এতিয়াব———

আছন্দী—কিনো নাটখন মেলা?

মনু—আকৌনে? ভাল নাপাবা।

এতিয়াব সমাজক মনেবে নেদেখে॥

আধুনিক সমাজক দেখাইবাব মনে।

আছন্দী—বকি থাকা। খাজানা লাগে বিষয়াব টেকেলা আহিছে।

মনু—ছিঃ ছিঃ ভাল নাপাবি! গুছিয়া!

মেলিবো নূতন নাট ময় সযতনে।

আছন্দী—ইমান দিন এই দবে ফেদেলী পুবাণ গাই থাকোতেই গ'ল। ঘবলৈ মন কাণ নাই।

(মনু বায়নব প্রবেশ)

মনি—তোমোলাকে কিনো দ্বন্দ খান লগাইছা?

মনু—নহয়। ময় নাটখন মেলিবলৈ আলচিছো, এই জনীএ আছি খাজানাব কথা কইছে।

আছন্দী—টেকেলাই নেড়ে। বিষয়াবে মোবে ভাল দেখিছে। তেনে নহলে গক ছালকে নিলেহেতেন।

মনু—নিয়ে গক নিয়ক মোব্বা। লাগে যদি তুমিও মোব্বা তেও মোক নাট মেলিবলৈ দিয়া। বাক! বায়ন বাপু। বিবাহ বহস্য নাট্য খান মেলিব খোজো কি বোলা?

মনি—ভাল কথা। আমিও আছো।

আছন্দী—ময় নাইতে তাকে কবো। যদি দ্বন্দত কাজি বলত অকাজি, ধূন পেচ মবাত আগা এনে তিকবাব ভাব লব লাগে মোক লগ দিবা। ময় এতিয়া যাঁও।

মনু—যোব্রা বান্ধৈ। তোমাব গুণব সীমা নাই।

( আছন্দীব প্রস্থান )

মনি—তেনে হলে যাও ব'লা।

মনু—ব'লা।

( প্রস্থান )

দ্বিতীয় দর্শন।

সুনন্দ গাও বুঢ়াব ঘব।

সুনন্দ আৰু ধনী মেধী বহি।

ধনী—এই খাননো কি পাতিছা।

সুনন্দ—জানো, মিতিব কি কইছা।

ধনী—দশমীক দিয়াবনো কি কবিলা।

সুনন্দ—মোব একো নাই। তোমোলাকে যি কবোয়া সেই। লবাবো গবাকি ছোৱালীবো গবাকি। মোব গাব অথন্তব। খাবলৈ ঘবত ব্রহ্ম কণ এটা নাই। ক্ষেতিব ফালেও সেই। বোবা তেনেই পানীএ মাবিলে। আহিনত গোছ এটাকে পেলাব নোব্রাবিলো। গৰু হালবো এটা হেবাল। আফিঙব পবাই বড দুঃখ পাইছো। বোব্রাবী জনীবো গা সাবিবব দিন হইছে। বহিয়ালনীবো আগব ব্যাধিটো উক দিছে। ওঝা জ্ঞানী ধবিবলৈকো পয়সা এটাই নাই। গেৰেলাকো আফিঙব আৰু কিবা কিবি অনাব বাবে দুটকা কম একুড়ীমান দিব লাগে। ষোলে টকা খাজানাব এটকাও দিয়াই নাই।

ধনী—যদি কথা থিবাং হয় ইবোবব এটা ব্যবস্থা হ'ব। মুঠে তোমাব—

সুনন্দ—সেইটো পাইছো, কেইওটা ঘব ভাঙিছো তাকো ছোৱাবব উপায় নাই। সকলো পিনে বিবুদ্ধি। ছোৱালী আছে থাওক। বেজী আছে বটীয়া হ'ব। তাই গলেই ঘব খনেই উবাব হ'ব। তাইক যিটোলৈ দিছিলো তাব লেঠাটো তেনেই থাকিল।

ধনী—সকলো হ'ব। তুমি দুঃখ নোপোয়া। মুঠে দিও বোলা। মিতিব ঘব ভাল। গকএ মহে ধানে ধনে চহকি। গোসাই ঘবীয়া বাচ একেবাও আছে। সবাহে হুকসাই বড় চড়ু এটাও পায়। অনীব ঘবব কনী বুলিলে তিনি ত্রৈলোক্যে জানে। সি দিনা ঘব চাই আহিছা।

সুনন্দ—বাক তোমোলাকে সজ বুলিলেই সজ। অহা যোয়া কবোকচোন গঢ় গতি চাঁও।

ধনী—কথা বাখিলে ভাল। গোসাই ঘবীয়া ছিত্র ফেবাও মবা যায় মর এতিয়া যাও।

(প্রস্থান)

সুনন্দ—(স্বগত) ছোৱালীব তোলনী হ'বব দুবছুব মাব আগবে পবা বাস টেকেলাই পুতেকলৈ খোজে বয় বস্তুও অনেক দিছে। লবাটো যেনিবা মবিল। সিটো লেঠা গলেই। যদু পাঁচনীব পুতেকলৈ তোলনি তোলো টকাও দিছে আকিও মহাদেকো দিছিল, গকও দিচিল খেতিতো সাহায্য পাইছিলো। লবাটক সুত্ত কুলীয়া ছোৱালীবে কেনে বুজিবে তুমি আছাব হতুয়াই অপবাদ দিয়াইছো। ইমেল নিছিগে। বক্ষা পাবব আগন্তুক আছে। যম শপথ মাথাওএই। তুমি আছা মবিলেই। পাপী গ্রাহীক

যে চপাৰ খুজিছিলো তাৰ বস্তু বাহানি বোৰ আমাৰ ঘৰত আছেই বস্তু খোৱা কোনেও দেখ নাই। খত পত্রও নাই আশাতে থিও আছে। তাৰ বস্তু সোপা ৰখাৰ পাৰিলে ভালেই হয়। অঃ উপায় ওলাইছে জাগীয়লীয়া লৰাটো যে চাপিৰ খোজে তাক চপালে সম্প্রতি পানীগৰাই গোচৰ কৰিও একো নাপায়। কম বোলো মোৰ ছোৱালীলৈ চাপিৰ খুজিছিল পাছে জাগীয়লীয়াক চপোৱাত থিয়ালতে মিচাই বস্তুৰ জাহ দিছে। (হাসি এটামাৰি) বহিয়ালনী, তামোলৰ গামোছা খন দে চোন। ধপাঁতত চোকেই নাই।

(গামোছা লই বহিয়ালনীৰ প্রবেশ)

বহিয়ালনী—আজি গধুলিলৈ জাগীয়লীয়া ধেমু আহিব নহয়।

সুনন্দ—ময়ও তাকে ভাবিছো। সি দুৰণি বটীয়া মানুহ তাক চপাই মাহ শৰিয়হ কেই ডালকে পেলাও। পাছে যি হয় হ'ব।

বহিয়ালনী—তোমাৰ এনে কথাই নগা'ল। যাকে হয় এটাক দিব লাগো। এই দৰে সকলোকে টুটুৱাই বস্তু খোৱা ভাল নহয়।

সুনন্দ—কথা সচাঁ! কিন্তু কি কৰো। লৰাই ছোৱালীএ এজোপা। পোহ পাল যোৱাই টান। এই দৰে টগৰ বগৰ নকৰিলে নহয়। ছোৱালীৰ পৰা কিমান সাহাজ্য পাইছো মাজানানে। এইএ এটা খেতি যেনে হইছে। ছোৱালী গাভৰু হ'বৰ নো কেই দিন হইছে. মুঠে আজি চাৰি বছৰ। তোমাৰ বাপেৰাই দেখোন তোমাক আঠ বছৰৰ মুৰতেহে যোক দিছে। বাৰটা মানৰ টোপোলা খালে।

ময় এ পাক লাগিলে চাইটাব জগাব ভাঙিলো। আৰি আছেনে?

ৰহিয়ালনী—নাই—গেৰেলাব দোকানলৈকে যাও।

(প্ৰস্থান)

সুনন্দ—বাক যোৱা। মোব গাটো টগ বগাইছে।

(প্ৰস্থান)

---

## স্তোত্ৰ।

সকলোবে পিতা তুমি, তুমি সৰ্ব্বময়,
সকলো দেশত পূজ্য সকলো সময়,
জ্ঞানী বা অজ্ঞানী কিবা সাধুযত নবে,
পূজিছে "যিহোবা" "যোব" বা "লউ" নামেবে
(তুমি) জ্ঞানব অতীত আৰু অনাদিকাবণ,
বাখিছা জ্ঞানক মোব কবি আচ্ছাদন,
এই মাত্ৰ জানো ময় তুমি দয়াময়,
আৰু জানো মূঢ় ময় নাই জ্ঞানোদয়।
যদিও কবিছা অন্ধ অবস্থা আমাব,
তেঁও পাবোঁ বেয়া ভাল কবিব বিচাব,
সকলো জীবই যদি ভাগ্যব অধীন,
তথাপিও নব মন সদাই স্বাধীন।
বিবেকে যি কবে মোক কৰ্ম্মব বিধান,
হওক যেন তাত বতি স্বৰ্গব সমান,
অথবা নবক বুলি যি কাম দঢ়াই,
হওক যেন ঘিন তাত নবকব প্ৰায়।
অনন্ত দয়াব গুণে যিদিছে প্ৰভুয়ে,

তাত যেন সকলোৱে মন্তোষিত হোৱে,
যেতিয়াই সুখে ভুঞ্জে প্রভু দণ্ডদান,
তেতিয়াই লোকে বাখে ঈশ্বৰৰ মান।
তোমাৰ যে দয়া এই ক্ষুদ্র পৃথিবীত,
ভাবিব নিদিবা যেন আছে যে ইয়াত,
আৰু যেন তুমি মাত্র নৰৰে ঈশ্বৰ,
নেভাবো, যি স্থলে প্রভু হাজাৰ বিশ্বৰ।
এই যেন বলহীন অজ্ঞানৰ হাত,
পতিত লোকক যেন নকৰে আঘাত,
পৃথিবীত যি সদাই বিপক্ষ তোমাৰ,
তাক যেন নকৰোহো মন্দ ব্যবহাৰ।
ন্যায় পথে আছো যদি কৰা দয়াদান,
যিহত থাকিময় সুখে অবস্থান,
ভ্রান্ত হই ভ্রমো যদি ময় ভ্রমপথ,
সুপথে চলাই কৰা পূর্ণ মনোৰথ।
যিযি বস্তু দিছা প্রভু ভাবি মোৰ হিত
কদাচিতো যেন তাত নহওঁ গর্ব্বিত,
নিদিছা যি বস্তু যেন তাতো দয়াময়,
নহয় কদাপি অসন্তোষৰ উদয়।
শিকোঁৱা পৰৰ দুঃখ ভাবো আপোনাৰ,
অন্যৰ দোষ দেখিলে নকৰো প্রচাৰ,
দয়াময় যি করুণা দিছা মোৰ প্রতি,
সেই দয়া দেখাওঁ পৰক, দিয়া মতি,
যদিও অধম ময় নহওঁ অধিক,
কিয়নো তুমিএ দিছা এই প্রাণ মোক,
চলোৱাছে দয়াময় তোমাৰ অধীনে,

জীৱন মৃত্যুৰ মুখে যাও যেই পোনে,
যি আছে সূৰ্য্যৰ তলে সকলো থাকোক,
কেৱল আজিৰ প্ৰভু অন্ন শান্তি হ'ক,
ভাল বেয়া দিয়া তুমি, জানাছে তুমিএ,
তোমাৰ ইচ্ছাই যেন সম্পূৰণ হোৱে।
সকলো ভুবন প্ৰভু তোমাবেছে স্থান,
পৃথিবী, সাগৰ শূন্য পবিত্ৰ আসন,
সকলোএ যেন একে লগে গীত গাই,
প্ৰকৃতিও পূজে যেন ধুনা উড়ুৱাই।*

ক, ব,

* ছাত্ৰ বচনা। ইংবাজীৰ পৰা ভাঙি লেখা হইছে। স.

---

## স্ত্রীশিক্ষা।

জগৎ স্ৰষ্টা জগদীশ্বৰে এই পৃথিবীত স্ত্রী পুৰুষ দুই জাতি প্ৰাণী সৃষ্টি কবিছে। সকলো জন্তুতে স্ত্রীপুৰুষৰ আকৃতি আৰু প্ৰকৃতিগত বৈলক্ষণ্য দৃষ্ট হয়। স্ত্রীজাতি পুৰুষতকৈ দুৰ্ব্বল আৰু কোমল স্বভাবাপন্না এতেকে স্ত্রী পুৰুষ সম গুণাবলম্বী বা তুল্য কাৰ্য্যকাৰী হব নোৱাবে। ভাৰতবৰ্ষত পূৰ্ব্বে স্ত্রী শিক্ষা যে প্ৰচলিত নাছিল এনেনহয় কিন্তু সি অতি বিবল আছিল। বাজকন্যা সকলে গান বাদ্যাদি আৰু তাৰ লগে লগে লেখা পড়াও শিক্ষা কবিছিল আৰু কোনো কোনো ব্ৰাহ্মণ কন্যাইয়ো আপোন পিতৃ বা স্বামীৰ পৰা লেখা পড়া শিক্ষা কবিছিল। মহাত্মা মনুয়েও কৈ গৈছে যে "কন্যাপ্যেবং পালনীয়া শিক্ষনীয়াতি যত্নতঃ" কিন্তু শিক্ষা শব্দৰ অৰ্থ কি তাক প্ৰথমে গামিচোৱা উচিত।

বালিকা বিদ্যালয়লৈ বঙ্গলা কিতাপ এটা হাতত দি পঠিয়াই "খিলিখাই মিলিযাই" "পানথায় গান গায়" ইত্যাদি মুখস্থ কবা বা আখব কেইটা চিনি "ৰঙ্গীণী হবণ," "সুভদ্রা হবণ," "বিদ্যাসুন্দব" কামিনী কুমাব আদি পুথি পঢ়াই শিক্ষা নহয়। হে পাঠক! তুমি মোক এইকথা লিখাবাবে গবিহনা নিদিবা। যদি তুমি তোমাব কন্যা বা ভগিণী বা স্ত্রীক লিখা পঢ়া অধিক কৈ শিকোবা, আৰু ধর্ম্ম ও নীতি শিক্ষা দিব পাবা, তেতিয়াহলে তেওঁ অবশ্য জ্ঞানবতী, ধার্ম্মিকা আৰু সুশীলা বমণী হই উঠিব তাব কোনো সংশয় নাই কিন্তু তোমাব সময় কত? ৫ বচবব পবা ১০ বা ১২ বচবলৈকে এই ৫। ৬ বচবব ভিতবত এটী বালিকায় কিমান বিদ্যাশিক্ষা কবিব পাবে? ১১ বচবত ভবিদিলেই বালিকা বিবাহ সূত্রত বন্ধাহল। ১৩ কি ১৪ বচব বয়সতে সন্তান প্রসব কবিলে আৰু নানা প্রকাব গৃহ কর্ম্মত ব্যাপৃত হল, শ্বশুব, শাশুবী, দেবব, বড় জনা, স্বামী, সন্তান এই সকলব পবিচর্য্যা কবিব লগা হল, নকবিলেও উপাই নাই। স্বামীবো এনে সংগস্থ নাই যে তেঁও ২টী লগুয়া নতুবা দুজনী লিগিবী বা বমুৱা বাখি সিহঁতব দ্বাবাই কার্য্য কবায়। এনে স্থলত গৃহস্থ বমণী এ আৰু কেনেকৈ বিজ্ঞানাদি কঠিন বিষয় বিলাক শিক্ষা কবি বিদুষী হয়? গতিকেই অল্প বিস্তু ভয়ঙ্কবী হই উঠে। নাটকাদি মুকলি কুপুথি বিলাক অবসবমতে পাঠ কবি অসতী স্বভাবাপন্না হই নানা প্রকাব কুকর্ম্মত লিপ্তাহয়, আৰু লিখিবব সক্ষমা হোৱাত দুবস্থ মনোগত লোকলৈকো পত্রাদি লিখিবব সুবিধা জন্মে।

বিদ্যাশিক্ষাব উদ্দেশ্য কি? এই প্রশ্নব উত্তবত প্রায় সকলোএই কব যে জ্ঞান লাভ কবাই বিদ্যাশিক্ষাব উদ্দেশ্য

কিন্তু দ কৈ গমি চালে স্পষ্ট প্রতীয়মান হয় যে দাস ব্যবসায়ী অসমীয়া অকল অসমীয়া কিয় ভাৰত বাসীৰ পক্ষে বিদ্যা-শিক্ষাৰ উদ্দেশ্য জ্ঞানলাভ নহয়। কেবল মাত্ৰ অর্থোপার্জ্জন বা পেট পোহাই বিদ্যাশিক্ষাৰ একমাত্ৰ উদ্দেশ্য। যদি বোলা নহয়, তেনেহলে কিয় বিদেশীয় ইংৰাজী ভাষা শিক্ষা কৰি এম, এ, বিএ আদি পাশ কৰিবলৈ প্ৰাণপনে যত্ন কৰি কত কত ভাৰত সন্তান চীৰকগ্ন হব লাগিছে আৰু সকলো-তেকৈ প্ৰিয় যে প্ৰাণ তাকো হেৰুৱাব লাগিছে?

সংস্কৃত ভাষাত যিমান উচ্চশিক্ষাৰ ভাল ভাল পুথি আছে এই পৃথিবীৰ ভিতৰত আৰু আন কোনো ভাষাত তেনে আছেনে? ইলণ্ড, জর্ম্মেণ প্ৰভৃতি সুসভ্য দেশ সকল ভাৰতৰ বিজ্ঞানাদিৰ দ্বাৰাই পোহৰ হইছে ইয়াক কোনে নেজানে? এনে সংস্কৃতক এড়ি কিয় বিদেশীয় ইংৰাজী ভাষাক মোৰ বুলি ডেকা সকলে কষ্ট কৰিছে? যি দেশৰ তিৰুতাক আনে দেখিলে বা স্পৰ্শ কৰিলেও জগাৰ সেই দেশৰ তিৰুতাই কেনেকৈ বাহিৰলৈ ওলাই ধন ঘটিব? বিশেষতঃ, তিৰুতাৰ গাত যেতিয়া সন্তান প্ৰসৰৰ ভাৰ ঈশ্বৰে দিছে তেতিয়া অবশ্যই তিৰুতা গৃহত আবদ্ধ থাকিব লগা হল। যদি গৃহত থকা আবশ্যক হল তেনেহলে অবশ্যই তিৰুতাৰ সন্তান পালন প্ৰভৃতি আবশ্যকীয় গৃহ কৰ্ম্ম আদিৰ বিষয় সকল জনা আবশ্যক হল।

এতেকে স্ত্ৰী সকলৰ অর্থোপার্জ্জনৰ আবশ্যক নাই। তেঁও বিলাকৰ বিদ্যাশিক্ষাৰ প্ৰধান উদ্দেশ্য জ্ঞান, যদি জ্ঞানেই বিদ্যাশিক্ষাৰ উদ্দেশ্য হল তেনেহলে পুথি নপঢ়াকৈয়ো বা বালিকা পঢ়া শালীলৈ নোযোৱাকৈয়ো জ্ঞান শিক্ষা কৰিব পাৰি। স্ত্ৰী সকলৰ মৌখিক শিক্ষাই ভাল। যি সকল

গৃহ কার্য্যত তিরুতা নিলাক ব্যাপ্ত থাকে তেঁও বিলাকক তাবে মৌখিক শিক্ষা দিয়া উচিত। হে পাঠক? তুমি ব্যাকরণর সমাস কারক আদি ব্যাখ্যা করিব পারা, কাব্যর আদি রস ঘটীত শ্লোক জানা, পদ পুথি রচনা করিব পারা সেই যাবে তুমি যে তোমার ঘৈণীত কৈ অধিক জ্ঞানী তেনে নুবুঝিবা। তুমি আজন্ম পরিশ্রম করি তেজক পানি করি যি জ্ঞান লভিছা তোমার তিরুতাই ঘরত বহি থাকিয়েই তত্তুল্য জ্ঞান ও কার্য্য দক্ষতা লাভ করিছে। পূর্ণানন্দ বুঢ়া গোহাঁইর কথা বোধ করোঁ। সকলো এ জানে, প্রবাদ আছে যে তেওঁ বাজ সভাত বহি থাকোতে তলৈ মুর করি যেতিয়া বেজি বটিয়া মারি থাকে তেতিয়া সভাসদ পাত্র মন্ত্রী আদি সকলোএ মুরদাঙ্গি চকুত বা ইঙ্গিততে কথা বার্ত্তা হই থাকে, কিন্তু যেতিয়া ডাঙ্গরীয়াই মুরদাঙ্গি চাই তেতিয়া সভা চাঁয় পরে সকলোএ তললৈ মুর করে কিন্তু তেনেজন প্রতাপী মানুহকো তেওঁর ঘৈণিজনাই কয় যে "তয় বাজ মন্ত্রীর যোগ্য নহ তোর ওপরত কেনেকৈ এই দেশর বাজ মন্ত্রীর ভার অর্পিত আছে ময় কব নোয়ারো। তয় ময় পিন্ধা ডোখর কাপোর (মেখোলা) পিন্ধার হে যোগ্য।" যেইকে নহক, স্ত্রীজাতি যে পুরুষতকৈ অধিক বুদ্ধিমতী তার কোনো সংশয় নাই আরু পুরুষতকৈ যে তিরুতাই মুখে মুখে শিক্ষা দিলে সেই শিক্ষা গ্রহণর অধিক যোগ্যতারো কোনো সন্দেহ নাই, সবাই যি কথা পুথিত পঢ়ি বারম্বার মুখস্থ করিও মনত রাখিব নোয়ারে, তিরুতাই তাক দুই এবার শুনিলেই মনত রাখিব পারে। আইটি! স্বামী ভার্য্যার একমাত্র দেৱতা; পতি বিনে তেঁওর গতি নাই আরু আন কোনো গুরুনাই, এগুতকে যাতে স্বামী সদাই সন্তুষ্ট থাকে তার চেষ্টা করিবি।

শ্বশুৰ শাশুৰী তোৰ স্বামীৰ গুৰু, সেই বাবে তেওঁ বিলাক তোৰ গুৰুৰ গুৰু; সদাই তেওঁ বিলাকৰ পৰিচর্য্যা কৰি থাকিবি; সদাই লজ্জাবতী ও নম্ৰহবি; কাকো কেটেৰাই নে মাতিবি, লোকে গালি পাৰিলেও সহি থাকিবি। আপোন হাতে কোনোবস্তু নিদিয়াকৈ লই নেখাবি; ইত্যাদি উপদেশ জিয়ৰী চাৰালীয়ে মাকৰ পৰা সদাই পাই থাকে। এই বিলাকৰ পৰা জ্ঞান লাভ হব নোয়াৱেনে? লৰাই বহু পৰিশ্ৰমেৰে বসায়ন বিদ্যা পঢ়ি অমুকে তমুকে মিলালে বিষ-তুল্য হয়, ইত্যাদি বিলাক জানিব পাৰে, কিন্তু মাছে মাটি মাছে খালে ৰোগ হয়, শাকে খাবে নেখাবা এওঁয়া গাখিৰত লোন দি খাব লেপায়, ইত্যাদি বিলাক শিক্ষা তিৰতাৰ জ্ঞান শিক্ষা নহয়নে?

অসমীয়া বিলাক ধনহীন, এওঁবিলাক পুত্ৰ সন্তানক অর্থাভাবত ভালকৈ শিক্ষা দিবৰ উপৰ নাপাই। ধনহীন বাবেই অনেক লৰাই শক্ত কালতে পঢ়াশালী এৰি পেট পোহাৰ কাৰণ ছাকৰীক আশ্রয় কৰে! গতিকেই শতকৰা ১ জন কৃতবিদ্য অসমীয়া পোৱাও টান; এনে স্থলত তিৰতাৰ উচ্চশিক্ষা কেনেকৈ সম্ভব হব পাৰে? পাঠক চকু দুটি মুদি এবাৰ ভাবি চোৱাচোন? তোমাৰ দেশৰ সকলো বিলাক তিৰতা খনা, লিলাবতী বা কালিদাস পত্নী বিদ্যোত্তমাৰ তুল্যা পণ্ডিতা কিন্তু পুৰুষ বিলাক বৰ্ত্তমান যেনে অবস্থাৰ তেনেই (অর্থাৎ বিদ্যা শূন্য), তনেহলে কেনেকুৱা হব। মহাকবি কালিদাসৰ বিদ্যোত্তমাৰ হাতত যেনে গতি হই ছিল তেনে নহবনে? তেতিয়া সংশাৰাশ্রম, কিমান সুখকৰ হই উঠিব তাক এতিয়া বুজিছানে? অতএব প্রথমে তোমা-লোকে লিখা পঢ়া শিক্ষা কৰি জ্ঞানী আৰু সৎস্বভাবাপন্ন

হোৱা তাৰ পাছত তোমালোকৰ সহধৰ্ম্মিনী সকলক শিক্ষিতা কৰিবাইঁক। এতিয়া তেওঁ বিলাকক লিখা পঢ়া শিকাই এই সুখময় সংসাৰক বিষতুল্য কৰিবলৈ চেষ্টা নকৰিবাইঁক। প্ৰায় সকলো বিলাক ধৰ্ম্ম শাস্ত্ৰতে কয় যে স্ত্ৰী সকল পুৰুষৰ বামাঙ্গ; বামাঙ্গ যে দক্ষিণাঙ্গতকৈ দুৰ্ব্বল আৰু কাৰ্য্যত অক্ষম তাক, সকলোএ জানে। স্ত্ৰী সকলে সন্তান গৰ্ভত ধাৰণ কৰি প্ৰসব কৰে কিন্তু সেই গৰ্ভকে পুৰুষৰ সাহায্য বিনা লাভ কৰিব নোৱাৰে, অতএব ইয়াৰ দ্বাৰাই স্পষ্ট প্ৰতীয়মান হয় যে স্ত্ৰী সকল সকলো বিষয়তে পুৰুষৰ সাহায্য ব্যতিত স্বতন্ত্ৰা হই থাকিব নোৱাৰে এইয়ে ঈশ্বৰৰ একমাত্ৰ উদ্দেশ্য। ইতৰ প্ৰাণী বিলাকলৈ চাই পঠিয়ালেও ঈশ্বৰৰ এই উদ্দেশ্য বুঝিব পাৰি। চৰাই উমনীত পড়ে পুৰুষ পক্ষী টীয়ে তাইক সহায় কৰে। প, শ,

---

# টীকা।

পুৰুষ আৰু স্ত্ৰী দুইও মিলি মনুষ্য জাতি। যদি বাম দক্ষিণ বুলিলে স্ত্ৰী পুৰুষ হয় তেনে হলে এটা চকু কণা। এখান কান কলা এফাল চুটি এফাল দীঘল এফাল বলী এফাল দুৰ্ব্বলী এনে এজন পুৰুষে সংসাৰত যিৰূপে সংসাৰ যাত্ৰা নিৰ্ব্বাহ কৰিব যেন জনা যায় সেই ৰূপ সংসাৰ যাত্ৰা নিৰ্ব্বাহেই প্ৰবন্ধ বচকৰ মতে উত্তম দেখি। সময়ৰ সোঁতে ভাঙ্গি দিয়া ভেঁটা বান্ধিবলৈ মত দিছে। কিন্তু যত্ন বিফল। যুক্তি আৰু ন্যায় বিৰুদ্ধ মত দুৰ্ব্বল সুতৰাং চিৰস্থায়ী নহয়।

স,

---

# গাৰোবৃত্তান্ত।

( ৩৯৬ পৃষ্ঠাৰ পৰ )

এতিয়া সামাজিক বন্ধনেৰে জৰপুৰ আমাৰ হিন্দুৰ ঘৰলৈ আহা, চোৱা ভাৰত সতীত্বৰ কিমান আদৰ ও গৌৰৱ! এই সামাজিক বন্ধনৰ নিমিত্তে আৰ্য্য-ৰমণী সতীত্বত জগতৰ আৰ্হি স্বৰূপ হইছে। সতী, সাবিত্রী, কৰ্ম্মদেবী, সংযুক্তা। ভাৰাবাই ইত্যাদি আৰ্য্য ৰমণী বিলাকৰ দৰে জগদ্বিখ্যাত সতী তিৰুতাৰ নাম আৰু কত শুনিছা? চিতোৰ যুদ্ধত ৰাজপুত তিৰুতাৰ পতিপ্রেম দেখি, দুৰন্ত যৱনে অনাথা অবস্থাত সতীত্বত হস্তক্ষেপ কৰে বুলি জ্বলন্ত জুইত জাকে জাকে তেঁওলোকক জীবন স্বমর্পন কৰা দেখি দুর্দ্দান্ত আলাউদ্দিনৰো চকু স্তম্ভিত হইছিল। পতি-প্রেমৰ এনে দৃষ্টান্ত, সতীত্বৰ ইমান গৌৰৱৰ কথা ভাৰতক বিনে আৰু আন কোনো দেশৰ বুৰুঞ্জিত পাবলৈ নাই। আমাৰ হিন্দু-সমাজতো আৰ্য্য-বিলাকে পাত্রী বিশেষে অৱস্থা বুজি স্ত্রীক স্বাধীনতা দিছিল। বিদ্যাবতী তিৰুতাই স্বাধীনতা পালে তেওঁৰ পৰা সমাজৰ উপকাৰ হে হয়, ইয়াকে ভাবি স্ত্রী স্বাধীনতাক তেঁওলোকে সমাজৰ পৰা একেবাৰে দূৰীভূত কৰা নাছিল আৰু সেই নিমিত্তেই আমি তেওঁলোকৰ গ্রন্থত শকুন্তলা ও সাবিত্রী আদিৰ ইচ্ছামত বিয়াৰ কথাও শুনো, তেঁওলোক স্বাধীনা আছিল বুলিও প্রমাণ পাও, আৰু তেঁওলোকৰ সেই সমকালীন গ্রন্থবিলাকতে "নস্ত্রী স্বাতন্ত্র্য মইতি" ইত্যাদি ও শুনো। বিদ্যা আৰু শিক্ষাৰ গোন্ধ নোপোৱা স্বাধীনা তিৰুতা বিলাকে-যাইকৈ আধৰ চিনি "হৰ—মোহন," "বস্ত্র-হৰণ" "ৰাসক্রীড়া" "কুমৰ হৰণ" এই বিলাক

পঢ়িব পাৰা ডোল কাটি এড়ি দিয়া তিৰুতা বিলাকই সতীত্বৰ মূৰত সাতোটা লাখি মাৰে। এনে অবস্থাত গাৰোৱ্ৰনীৰ কথা গমি লবই পাৰি। কিন্তু এটি কথা গাৰোৱ্ৰনী অজলা আৰু তাইক শিক্ষাৰ বতাহে ঢুকি পোৱা নাই। সুৰূপা আৰু ৰূপ-ধূনৰ ভু পোৱা অশিক্ষিতা বা অলপ শিক্ষা পোৱা তিৰুতাবিলাকেহে ভোগবিলাসৰ দাসী, গাৰোৱ্ৰনীহঁতে যেতিয়া ৰূপ ধূনৰ ভু নেপায়, লেখা-পঢ়াৰ ধাৰ নেধায়' তেতিয়াই অনুমানকে কৰিব পাৰি যে যদিও সিহঁত বড সতীও নহয়, অসতীও সিহঁতৰ ভিতৰত কম, আৰু এই অনুমান সম্পূৰ্ণৰূপে সচাও। সিহঁতৰ ভিতৰত বিপু উত্তেজক বিলাসী বস্তুৰ প্ৰচলনো নাই। কিন্তু স্বাভাবিক হোজাৰ নিমিত্তেই হওক বা আন্ কোনো কাৰণেই হওক ইহঁতৰ ডেকেৰী বা গাত কাপোৰ লোৱা গাভক্ত বিলাকৰ লগত কোনোবাই কচিৎ প্ৰেমালাপ কৰিলেও সিহঁতৰ মাক বাপোকে তাক গৰ্হিত বুলি বিবেচনা নকৰে। নামনিৰ গাৰোৱ্ৰনী বা হানাৰ তিৰুতা বিলাকৰ ভিতৰতকৈ ওপৰ গাৰোৰ ভিতৰত এই বিলাক সামাজিক নিয়মৰ প্ৰচলন সৰহ।

ক্ৰমশঃ

শ্ৰীৰ, মহন্ত,

---

# কৃষক।

## ( ছাত্ৰ ৰচনা )।

পৃথিবী সৃজিত হবৰে পৰা আজি পৰ্য্যন্ত পৰমেশ্বৰৰ আদেশানুসাৰে চন্দ্ৰ, সূৰ্য্য, নক্ষত্ৰ আৰু আন পদাৰ্থ বিলাকে

নিয়ম মতে প্রত্যেকর নির্দ্দিষ্ট কার্য্য চলাব লাগিছে। পৃথিবীত কোন এনেকুয়া পবাক্রমশালী জীব্র আছে যে সেই সুনিয়ম লঙ্ঘন কবিব পাবে? সেই পবমেশ্বব যে সর্ব্বজ্ঞ, সর্ব্বশক্তিমান, স্বর্গ ও পৃথিবীব শাসনকর্ত্তা ও জীবজন্তু বিলাকব পালনকর্ত্তা ও তেঁওবিলাকব প্রতি মবমিয়াল তাক কোনে অবিশ্বাস কবিব পাবে? যি মানুহে তেওক বিশ্বাস নকবে সেই মানুহব বিষয়ে আলোচনা কবিব লগীয়া নাই। তেঁওব যে সকলোবে ওপবত শাসন কর্ত্তৃত্ব আছে তাক কোনে অবিশ্বাস কবিব পাবে? এনেকুয়া পবাক্রম শালী মানুহ কি এই ধবণীত জন্মিছিল, জন্মিছে, বা জন্মিবনে?

আহাঁ কি অপূর্ব্ব শোভা! সূর্য্যদেবে মহাআনন্দেবে অপূর্ব্ব শোভা ধবি পুব ফালে তেওব জকমকিয়া মুখেবে পৃথিবীব পুত্র কন্যা সকলক দেখা দিছেহি তেও উদয় হোয়া মাত্রেই গাঁবলীয়া এলেহুয়া মানুহে তৎক্ষণাৎ এলাহব নিচিনা ভয়ঙ্কব শত্রু কো পবাজয় কবি শয্যাব পবা উঠে। সেই সময়ত ক্ষেত্রিয়ক বিলাকে শস্যব নিমিত্ত উদ্বিগ্ন হই, গৰু ও মাঙ্গল লই গীতব অথবা গ্রীষ্মব প্রাদুর্ভাবক দমাই পথাবব ফলেসৈ বেগাই যায়, পথাব পোব্রা মাত্রই সূর্য্যব অপূর্ব্ব শোভা দেখি কৃষকব মনত বিস্তব আনন্দ হয়, কোনোএ অনুমান কবিব পাবে যে কৃষক বিলাকে কৃষিকার্য্য কবাত বড় কষ্ট পায়, ও স্বাস্থ্যবো অলপ ব্যতিক্রম হয়, কিন্তু এই ভাবনা অলীক, কোনো মতেই সচা হব নোৱাবে। কষ্ট পায় হয়, ইফালে কষ্ট নকবিলেও পেটেব ফালে টান পড়ে। মানুহে কয় "দুঃখ নকবিলে সুখ নহয়।" যি বিলাক মহাবাজাধিবাজব স্বর্ণময় সিংহাসনত উপবেসন, স্বর্ণময় পালঙ্কত শয়ন, স্বর্ণময় পাত্রত ভোজন, সেই বিলাকেও দুঃখ কবিছে

নিজৰ উদৰ পোষণ কৰে, সেই বিলাকৰ ওচৰত কৃষক কি ক্ষুদ্র বন্ধু। এটা ক্ষুদ্র কাম কৰিবলৈকো মানুহৰ অপেক্ষাকৃত পৰিশ্রমৰ আৱশ্যক হয়, এই পৃথিবীত এনকুৱা মানুহ নাই যে পৰিশ্রম নকৰে। কৃষিকার্য্যত কোনোমতেই স্বাস্থ্যৰ ব্যতিক্রম নহয়। বাতি পুৱাই সূর্য্যদেৱৰ উদয়ৰ নিমিত্তে পূৱ ফালে যে উত্তম শোভা হয়, সেই শোভা কেবল প্রথমেই কৃষকৰ চকুতহে পড়ে, অন্য মানুহে মহাসুখ কৰি শুই থাকোতেই যায়, সেই দৰেই তেঁওবিলাকে সেই অপূর্ব্ব শোভাৰ পৰা সম্পূর্ণ ৰূপে বঞ্চিত হয়, কৃষকৰো শোভা দেখি উৎসাহ ও উদ্যম ক্রমে বৃদ্ধি হবলৈ ধৰে। পশ্চিম ফালৰ সুকোমল বতাহ আহি অধিক পৰিমাণে কৃষকৰ স্বাস্থ্যও ভাল কৰিবলৈ ধৰে। নগৰৰ বায়ু দুষিত হই মানুহক শাৰিৰীক স্বাস্থ্যৰ পৰা বঞ্চিত কৰে কিন্তু পথাৰৰ বায়ু সেই ৰূপ নহয়। সেই বায়ু মুকলি, যদিও পথাৰৰ বায়ু কিছু পৰিমাণে দুষিত তথাপি এফালে উড়ি যায়। পকা ধাননি কেনে সুন্দৰ। শৰিয়হৰ ফুলেই বা কেনে জকমকিয়া। সেই শোভাৰে পথাৰৰ চাৰিও ফাল কেনে সুশোভিত হয়, বাতিপুৱা পথাৰৰ পোভা অপূর্ব্ব এই সময়ত শস্য বিলাকৰ আগতে মুক্তাৰ দৰে এটুপি নিয়ৰৰ টোপাইএই বা কিমান শোভা বর্দ্ধন কৰে? এই বিলাক প্রথমেই কৃষকৰেই চকুত পড়ে। কৃষকৰ কেনে আন্তৰিক সুখ সন্তোষ আৰু স্বচ্ছন্দতা। বাস্তবিক বিবেচনা কৰি চাবলৈ গলে কৃষক ভিন্ন সুখী আৰু কোনো নাই। কৃষকেই হে যথার্থ সুখভোগী। কৃষকৰ চাৰিও ফালে সুখ, প্রথম স্বাস্থ্যসুখ দ্বিতীয় প্রকৃতিৰ শোভা দর্শন সুখ, তৃতীয় শ্রমসুখ চতুর্থ শস্য সংগ্রহৰ পাচত তাৰ ভোগ সুখ। সেই কাৰণেই পূর্ব্বৰ পণ্ডিত সকলে সুপুৰুষ "কিষিবলা" বুলিছে। কৃষিৰ

পৰাই আমাৰ যাবদীয় ভোগাৰ বস্তু পোৱা যায়। সেই কাৰণেই কৃষি আৰু কৃষক দুইও আদৰণীয়।

উ, ম,

---

# যৌবন আৰু বৃদ্ধাৱস্থা।

দেখা পৰমেশ্বৰৰ। কিবা মহিমা বিস্তৰ॥
এই লোক সকলৰ। কাল হ'লে যৌবনৰ॥
কাম ক্রোধ আদি ছয়। বিপুৰবশত বয়॥
সাংসাৰিক কার্য্য বোৰে। লিপ্ত থাকে নিৰন্তৰে॥
সৃজন পালন লয়। যিজনৰ পেৰা হয়॥
একে বাৰে তাৰ প্রতি। নকৰে শ্রদ্ধা ভকতি॥
পাই হেন চক্ষু দ্বয়। তাৰ গুণ নেদেখয়॥
পাই এই যুগ পদ। —তাৰ অপূর্ব্ব সম্পদ॥
দেখিবাক নাযায়ই। বীৰমদে মত্ত হই॥
ধ বি এই বাক্ শক্তি। তাৰ নকৰে প্রকৃতি॥
এই হেতু দয়াময়। কৰি অনুগ্রহ চয়॥
শেষ হলে এই কাল। দেখা দিলে বুঢ়া কাল॥
কেনে কৌশলৰ বলে। গুছালে বিপু সকলে॥
যেতিয়াই বুঢ়া অতি। নাহিক দৃষ্টি শকতি॥
যৌৱন কালত কৈ! ক্রমে আছে ক্ষীণহই॥
ৰসন শক্তি জিবাৰ। লুপ্ত হয় আৰু তাৰ॥
নাকৰ ঘ্রাণ শকতি। নাথাকয় তীক্ষ্ণ অতি॥
শ্রৱন শক্তি কানৰ। নাথাকে তত প্রখৰ॥
এই দবে নানা মত। ইন্দ্রীয়ৰ সুখ যত॥
সবাতে বিৰত কৰি। ৰাখিয়াছে যত্ন কৰি॥

ঈশ্বৰক ভাবা অতি। তেনে হ'লে পাবা গতি॥
তোমালোকে এই কালে। ঈশ্বৰক নাভাবিলে॥
হে! প্ৰিয় বন্ধুগণ। স্মৰা তাক অনুক্ষণ॥
পাই বাহা সদ্ গতি। তাক কবিলেহেন্তুতি॥

ক, ব,

---

# বিধবা-বিলাপ।

১

বাঢ়িছিলোঁ সাদৰত মাতৃৰ কোলাত।
ফুৰিছিলোঁ বঙ্গমনে পিতৃৰ সাক্ষাত॥
ভোগিলোঁ অমৃত ক্ষণে মাতৃত খুজিয়া।
দুঃখ যোনো পাৱে আই আছিল চাহিয়া॥

২

যিবা খোজে পিতৃ স্নেহে দেন্ত বেচি কিনি।
নাপালে জীয়াই যোনো হৈব অভাগিনী॥
পিন্ধি উৰি সমনীয়া সখিৰ লগত।
ৰূপ গুণ গন্ধুয়াই ফুৰিলো গৰ্ব্বত॥

৩

পিতৃ মাতৃ সদা মোৰ কাৰ্য্যক আপেক্ষি।
মোৰ অনুৰূপ দৰা ফুৰিছিল দেখি॥
ভাল বাচি পিতৃ বন্ধু দেন্ত মৰমত।
তাকো ফালি চিৰি পেলাই দিছিলো খণ্ডত॥

৪

বোহত মেখাই ভাত আছিলোঁ শুইয়া।
স্নেহে মাতৃ খুৱাইছিল অন্নক মাতিয়া॥

কর্ত্তব্য কার্য্যক নিশিকিলে মোৰ আই।
খঙ্গিবস্ত ক্রোধভাৱ মুখত দেখাই॥

৫

মহা খঙ্গে ময়ো নিন্দিছিলো তাসঘাক।
মুহূর্ত্তেকে নেভাবিয়া শেষৰ দশাক॥
ৰৰ আনি পিতৃ মোক বিবাহক দিলা।
উভয়ৰ সুখ ইচ্ছি বিস্তৰ পুজিলা॥

৬

পতিগৃহে যাস্তে আই কান্দিলা বিস্তৰ।
মোৰো পিতৃ মাতৃ শোকে দহিলে অন্তৰ॥
ভাল ভাল দ্রব্য মাতৃ বিচাৰি আনিয়া।
গৃহে আসি মোক দিয়ে হাসিয়া হাসিয়া॥

৭

শুদ্ধভাৱে পতিপদ পুজি কতকাল।
ছিলোঁ সুখে হায় বিধি পাতিলা জঞ্জাল॥
অকালে কবালে মোৰ বুক হন্তে চিবি।
কোন সতে পতি মোৰ নিলি বধি তিবি॥

৮

নিজ কার্য্য যথামতে সমাপিয়া পতি।
মৰমৰ মাতে মোক মাতে হৃষ্ট মতি॥
অমীয়া মাতত অভাগিনী মুগ্ধ হৈয়া।
নিজ পুতেকক দিবো কোলত তুলিয়া॥

৯

লক্ষ লক্ষ চুমা দিয়া পুত্রৰ গালত।
"হোৱা" বুলি ক্ষণে দিব মোহোৰ হাতত॥

সুখ দুঃখ বার্ত্তা শুনি ভনি মোত হন্তে।
পুত্র বুকে বান্ধি পতি শুব শুশ্রুষন্তে॥

১০

মহাযত্নে ভোজন কবাই আলধবি।
আছিলো পতিক সদা, হায়! গা'লা এড়ি॥
কোনে তযু পুত্র-মুখে চুম্বি কোলে লব।
কান্দিললে পুত্রে, কোনে "লোয়া" বুলি দিব॥

১১

মাটিত বাগবে যিতো ছিলে তযু বুকে।
কোনে পূর্তো কবে প্রাণ ফুটে মোব শোক॥
কোলে তুলি ঘিউ মৌ খুয়াই তুলিছিলা।
এবে দিব খাম বুলি ভোকত মজিলা॥

১২

যৈতে নিদ্রা আসে তৈতে পড়িয়া থাকয়।
সাব পাই পুত্রে তযু কোলা বিচাবয়॥
ছেই ছেই মাত্র মাত পারে দিনে বাতি।
কলৈ গা'লা প্রভু মোব ছিয়া যায় ফাটি॥

১৩

কাক দিলা তযু প্রিয় পুত্র ববিনীক।
ক'ত থলা ঐশ্বর্য্যক সুবর্ণ মাণিক॥
অসময়ে কলৈ গলা মোক জুইত ভাজি।
থাকিম কাব মুখ চাই অন্ধকাব আজি॥

১৪

জুব বিধি কিয় এনে দুঃখ মোব দিলি?
প্রিয় বন্ধু প্রিয় জন প্রাণ প্রিয় নিলি॥

এই পাপে কোনো জন্মে তোৰ মুক্তি নাই।
কোন সতে মোৰ ঘোৰ দুঃখ আছ চাই॥

১৫

বিলাপ নকৰা দেবি বিধি নোহে দোষী।
প্রকৃতিৰ ধর্ম্ম ইতো জানিবা বিশ্বাসী;
সেহি কাৰণে হে জীৱ দুঃখী সুখী হয়।
ধৈর্য্য ধৰা সুখ দুঃখ চক্রত ঘুৰয়॥

শ্রী বে, ব,

## বিজুলী।

জগতক হাঁহিবে বুৰাই,
মন প্রাণ নয়ন জুড়াই,
স্বৰগৰ শোভা দেখুৱাই,
চক্ মক্ চিক্ মিক্ কৰি,
জীৱৰ জীৱনী-তেজ হৰি,
কিয়ছে বিজুলী তুমি
ঘনে ঘনে জুমি জুমি
লুকুৱা লুকুৱা দেবী মেঘৰ বুকত?
সৰু-লৰা যেনেকুৱা ঘৰৰ চুকত।
কোৱা চোন কোৱা দেবী কোৱা,—
কাৰ ভয়ে ইদৰে লুকুৱা?
কাৰ ভয়ে ইদৰে সদাই,
জগতৰ চকু চমকাই,
ততালিকে দেখা দিয়া,
ততালিকে মাৰ যোৱা।

আকউবা ঘুবি আছি চক্ মক্ কবা,
জগতত মেলি দিয়া রূপব নিঝবা ?
কিবা কাববাব সৈতে প্রণয় কবিছা ?
কাববাক মন প্রাণ হৃদয় সঁপিছা।
তাকে কি চাবব মনে
এই দবে ঘনে ঘনে
মেঘব বুকব পবা মুখ উলিয়াই,
পবাণ সপিছা যাক সিজনক চাই,
চকুএ চকুএ পড়ি,
লাজতে কি এনে কবি,
স্বর্ণলতা হেন দেহ ঢাকিছা মেঘত ?
কিবা অভিমান কবি লুকুবা চেহত ?
নতুবা তোমাব কোনো লগবীয়া আছে
এই পৃথিবীব ওপবত ?
তাবেই কি সইতে ইদবে
লগবীয়া প্রনয়ব ভবে
ঘনে ঘনে আছি এনেক'ই
" কুকুভা " " কুকুভা " বুলিক'ই
খেলিচা লুকা-ভুমুকা মেঘব আড়ত ?
তাতেইহে হাঁহা ঘনে সুখব ভাবত ?
নতুবা তুমিএ সেই উর্ব্বসী অপ্সবা
আর্য্য কবি কল্পনাব উচ্চ রূপ ধরা ?
দুন্দুভীব তালব চেব্রত
ইন্দ্র আদি দেবব আগত,
রূপেবে বুবাই দেব পুবী
নাচিছা কি ঘনে ঘুবি ঘুবি ?

তাবেই কি এসুতি ওলাই
জগতক নিচেহি ঢৌই ?
তাবেই কি এসুতি ওলাই
জগতক ইদবে চঁকাই।
কেব্রো চোন কোব্রা দেবী কোব্রা——
তুমিএ উর্ব্বসী সেই হোৱানে নোহোব্রা !
নতুবা কি তুমি কোনো দেৱতাব বালা।
বাত হেৰুব্রাই আছি পৃথিবী ওলালা ?
পিছে জানো মেঘে দেখাপাই
খাপ মাবি নিলে উৰুব্রাই ?
তাতে কিঁ বিজুলী তুমি ঘনে
পলাবব চেষ্টাকবি মনে,
চঁকি চঁকি ইদবে ওলোৱা,
মেঘব গাঁজনী শুনি আৰ্কো পলোৱা।
ৱৃষ্টিৰূপে তুমিএ কি আই !
কান্দি কাটি হোঁব্রা মৃত প্রাই ?
যিহ'ক সিহ'ক দেবী জাহাঁ এটী বাব ; –
ৰবিষা সি অমিয়াব ধাব,
দেখোৱা সি স্বর্গব দুৱাব,
বজোৱা সি প্রণয়ব তাঁব
হাঁহাঁ ঘুবি হাঁহাঁ এটীবাব ;
দেখি মোব মন প্রাণ চক্ষু
আনন্দত পূর্ণ হ'ক বুকু
দেখি মোব অন্তব আতমা
শান্তিব কোলত ওই বিশ্রাম লভোক ;
হাঁহাঁ দেবী হাঁহাঁ এটীবাব।

এনেকুৱা মন মোহা হাঁহি
দিলে কোনে তোমাৰ মুখত ?
এনেকুৱা ৰূপহৰ বাহি
দিলে কোনে তোমাৰ বুকত ?
কোৱা চোন কোৱা দেবী কোৱা
কাৰ ফালে এনেক'ই চোৱা
কাৰ ফালে এড়ি এনে কটাক্ষৰ শৰ,
পলোৱা বা কৰি চুৰ কাৰ মন-ঘৰ ?
তোমাৰ হাঁহিটী মোৰ বড় মিঠা লাগে,
হাঁহাঁ দেবী হাঁহাঁ এটীবাৰ ;
সদাই সি হাঁহি মোৰ হৃদয়ত জাগে,
হাঁহাঁ দেবী হাঁহাঁ এটীবাৰ,
সি হাঁসিয়ে হৃদয় জুড়াই,
হাঁহাঁ দেবী হাঁহাঁ এটীবাৰ,
শিৰে শিৰে তাড়িতৰ সোঁত ব'ই যাই ;
হাঁহাঁ দেবী হাঁহাঁ এটীবাৰ।
সি হাঁসিৰ লগে লগে হৃদয় থুপিত
সুখ-ফুল ফুলি মন কৰে আমোলিত ,
অন্তৰাত্মা সি হাঁসিৰ লগে,
নাচি নাচি উঠে উলাসতে ;
—সি হাঁসিৰ লগে লগে হৃদয় তন্ত্ৰীত
ললিত-পঞ্চম বাজে অতি সুললিত।
আহাঁ দেবী আহাঁ মোৰ হৃদয়ত লঁও ;
হৃদয়ৰ হৃদয়ত, দিন বাতি অবিৰত,
সাচিছো যিমান কথা, পাইছো যিমান ব্যথা,
ভুগিছো যিমান দুখ, লভিছো যিমান সুখ

এটী এটী কৰি দেবী সকলোটী কও ;
—হৃদয়ৰ তলা মেলি সকলো দেখাও ;
শিলা সম দুখ ভাৰ কিছু পাতলাও ;
আহাঁ দেবী আহাঁ দেবী আহাঁ,
হৃদি আসনত বহি সি হাঁসিটী হাঁহাঁ।
ইৰূপ হাঁহিটী হাঁয় হাঁয় !
—দেখি যাক পৰাণ জুড়াই—
অসুৰৰ জিবা কোনে কয় ?
যি কয় সি মানুহ নহয় !
ইহাঁসি যে স্বৰগৰ হাঁহি !
ইহাঁসি যে কুসুমৰ পাহি !
ইহাঁসি যে অমিয়াৰে ভৰা,
স্বৰগৰ শোভাৰ নিঝৰা !
হাঁয় হাঁয় তাৰ মোল মর্ত্ত্য ভুবনত
কি বুঝিব, উটে যি টো পাপৰ সোঁতত ! শ্রীহ,

## প্রকৃতি।

সংসাৰৰ আদি শক্তি বিশ্বৰ জননী
ভূলোক স্বলোক ভুবলোক প্রসবিনী
ব্রহ্মাণ্ডৰ মূলাধাৰ
অনন্ত দেহ তোমাৰ
অনন্ত আকাশো ধৰা বুকৰ চুকত
ঈশ্বৰৰ ছায়া তুমি মর্ত্ত্য ভুবনত।
যত জীৱজন্তু চয়
তোমাতে উদ্ভৱ হয়
তোমাতেই ঘুৰি সকলোএ লয় পায়

জনন মৰণ স্থিতি তোমাৰে কৃপায়।
তোমাৰ কৃপাতে আই
জীৱে জীৱ শক্তি পাই;
তোমাৰ কৃপাতে সূৰ্য্যে পৃথিবী ধৰিছে;
গ্ৰহ উপগ্ৰহে সৌৰ জগত ভ্ৰমিছে।
তুমি এই এনেক'ই
বিভিন্ন মূৰ্ত্তি ল'ই
সংসাৰৰ মাজে আহি ভূমুকি মাৰিছা
মাহ পক্ষ ঋতু আনি ধৰাক শোভিছা।
তুমিএই ফুলনীত
ফুলকলি অগণিত
—গোলাপ, টগৰ, বেল, বকুল, মালতী—
ফুলাই মুখত দিছা মধুৰ হাঁহিটি।
তুমিএই বিশ্ববাণী
ধীৰ বায়ু মাতি আনি
লাহে লাহে ফুলনীত বলাই ফুৰিছা;
ঘৰে ঘৰে সুগন্ধৰ যোগান ধৰিছা
তুমিএই এনেক'ই
পক্ষীৰ বাহত গ'ই
তালে মানে সুমধুৰ গীতটি শিকোৱা,
তুমিএই এনেক'ই গাবলৈ কোঁৱা।
তুমিএই দূপৰীয়া
পুখুৰিত ঝাপ দিয়া
সূৰ্য্যৰ ৰশ্মীক আনি পদুম ফুলৱা
সৌৰভ ৰূপেৰে উড়ি দশো দিশে যোৱা।
তুমিএই সন্ধ্যা বেলা

রূপৰ পোহাৰ মেলা
খাপে খাপে আকাশক ভৰাবে সজোৱা
চন্দ্ৰৰ বিমল কৰে জগত বুকুৱা।
তুমিএ কটকী হ'ই
চকোৰক কোঁৱা গ'ই—
উঠিল আকাশে জোন; কৰা সুধাপান;
ৰজনীগন্ধাৰ মুখে কৰা হাঁসি দান।
চন্দ্ৰকৰ ধৰি ধৰি
তুমিএই এনেকৰি
মুকলি কৰিছা গ'ই ভেটৰ পাহিটী;
ঢালিছা মুখত তাৰ কোমল হাঁহিটী।
তোমাত বাহিৰে আই
জগতত একো নাই
সকলোৰে মূল তুমি সকলোৰে সাৰ
কি পাম তোমাৰ আই মহিমাৰ পাৰ?
ক্ষণে ধৰা মৃদুভাৱ
ক্ষণে বা ভৈৰৱ ৰাৱ
উগাৰি কৰিছা আই নিস্তব্ধ ধৰাক
ক্ষণে বা মুছিছা প্ৰাণ বিস্তাৰি শোভাক।
ক্ষণে হোৱা দয়াৱতী,
ক্ষণে বা নিৰ্দ্দয়া অতি,—
ছিয়া-ধুনী মৰিলেও উভতি নে চোঁৱা;
মুবুঝো তোমাৰ আই ই কি ভাৱ; কোঁৱা।
দিনৰাতি অবিৰত
বহি কবি-হৃদয়ত
কিয়বা কবিৰ আগে হৃদয় খুলিছা

মুকুলা কবির তার ফুলাই তুলিছা ?
কিয়বা ইদরে আই
সুরত সুর মিলাই
কবিএ কান্দিলে আই তুমিও কান্দিছা
হাঁহিলে বা কিয় আই তুমিও হাঁহিছা !
কবি হৃদি আকাশর
সুবিমল শশধর
কবি গতপ্রাণা আই ঈশ্বরর ছায়া
মুরুঝো মুরুঝো দেবী তোমার কি মায়া !
দুদিনর আগে যাক
উছর্গী দিলা ধরাক
কোন সতে আজি তাক দিয়া বনবাস ,—
ফুলা ফুল কলিটীক করিছা বিনাশ !
যি ঠাই, দুদিন আগে
ফুলর বিবিধ রাগে
রঞ্জিত হইছে ; যত বসন্ত বিরাজে
কি সতে সজোরা তাক শ্মশানর সাজে !
য'ত নিঃশঙ্কিত মনে
প্রমোদ কুসুম বনে
প্রেমর কুসম দুটি হালিছে দুলিছে,
সংসারর বাহ্য জ্ঞান সকলো ভুলিছে,
কোন সতে আজি তাত
শুনোরা বাঘর মাত—
শুনোরা হাঁতীর এই কঠোর গর্জ্জন
কি সতে ভাঙ্গিলা সেই প্রমোদ কানন !
যি ভাবত এদিনত

স্বর্গ মর্ত্ত্য পাতালত
কবিলে বিস্তাব বাজ্য বাহুব বলত
সি ভাবত আজি কিয় দুঃখে অবনত।
—যি কবা কবিছা আই
কবা তাত হানি নাই
নকবো বেজাব তাত নহও কাতব
আশাক কবিম বাণী হৃদয় পটব ;
ভাবিম ভাবত ভূমী
হব সেই আর্য্য ভূমী
অর্জ্জুন ভীমেও আছি জনম ধবিব
কালব গতিব লগে সকলো ঘুবিব ,
ভাবিম সি আর্য্য মুনি
পবিত্রি ভাবত ভূমী
সংযত মনেবে বহি নির্জ্জন বনত
ভাবিব আকউ আছি আর্য্য ভবিষ্যত।
সকলোতে এনেক'ই
আশাক বুকত ল'ই
দুখব কোলাত আনি সুখ বহুবাম।
দুখব তেজেবে আই লেখনী ধুবাম।
দেখিলে দুখব ছায়া
মাতিম সুখব মায়া
আশাব তবীবে দুখ সাগব তবিম
নির্জ্জীব প্রাণত ঘুবি শক্তি সঞ্চাবিম।
কিন্তু আই হাঁয় ! হাঁয় !
সেই যে তুলনা নাই
সেই যে কোমলা দপি কোমল মধুব,

কুটিলতা দ্বেষ হিংসা প্রবঞ্চনা দূৰ,
কোৱা চোন কোৱা আই
দিবা কি দিবা দুনাই
প্রকৃতি বিশ্বৰ বাণী বিশ্বৰ জননী
সেই অনুপম মোৰ সোনৰ জীৱনী !
সেই মোৰ লৰা কাল
সুখৰ পূৰ্ণ ভঁড়াল,
দুখ কাক বোলে হাঁয় নেজানো মনত
ফুলিছিলো পাৰিজাত সংসাৰ বনত ;
ইন্দ্রিয়ৰ উত্তেজনা
নাছিল জীৱন-টনা
নোচোৱে চিন্তাৰ বিশ্ব-দাহী পোড়নীয়ে
আশাৰো লোভৰ টোপ মুখত নিদিয়ে !
তেনেকুৱা লৰাকাল
যিকালে সকলো ভাল
যি কালে চাৰিও ফালে লগৰীয়া মোৰ
গছ লতা বন ফুল নদী গিৰি বোৰ
যাৰ মুখল'কে চাঁও
তাৰেই আদৰ পাঁও
তাকেই আপোন বুলি কত চুমাখাও
যাকে পাঁও তাকে ক্ষুদ্র হৃদয় বিলাও ! !
তেনে লৰা কাল হাঁয়
স্মৰি হিয়া ফাটি যায়
প্রকৃতি প্রাণীৰ প্রাণ প্রদায়িনী আই !
পামকি পামকি হাঁয় পামকি দুনাই ! ! !

---

শ্রীহ.

# বাৰি বিজ্ঞান।

## দ্বিতীয় পৰিচ্ছেদ।

জলৰ দ্বাৰাই কল চলাব পাৰি। সমুদ্র গৰ্ভৰ পৰা মুক্তা আৰু ডুবা জাহাজৰ বস্তু তুলিবলৈ, আৰু, নদী পুষ্কৰিণী সমুদ্রৰ পৰা জল তুলি আন ঠাইলৈ নিবলৈ অনেক যন্ত্র জলৰ সহায়তাবে প্রস্তুত কৰা হইছে। জলৰ মাৰ্ফত কোনো বস্তু অতি অলপ বলেবে লড় চড় কৰিব পাৰি। নাদৰ পৰা কলহত পানী তুলি আনোতে যি পর্য্যন্তে পানী ভবোৱা কলহ পানীত থাকে সেই পর্য্যন্তে তাক সহজে তুলিব পাৰি। পানী এড়িলেই তাক গধূৰ পোৱা যায় আৰু আনোতে অধিক বল লাগে।

জলে সইতে যাব সমান আপেক্ষিক গুৰুত্ব সি জলত থাকিলে সহজে তাক লড় চড় কৰিব পাৰি। সেই কলহৰ ওপৰত তাব ওপৰৰ জলে যিমান হেঁচা দিয়ে তাব তলৰ জলেও তিমান হেঁচা দিয়ে। কলহ তুলি আনোতে ওপৰৰ পানীৰ ভাব অতিক্রম কৰিবলৈ অলপ বল মাত্র লাগে। কিয়নো তলৰ জলেও তাক ওপৰলৈ হেঁচি দিয়ে। জলৰ কোনো বর্ণ বা আস্বাদন নাই। যি বস্তুবে মিশ্রিত হয় তাব বর্ণ আৰু আস্বাদন সি পায়। জলৰ কোনো আকাবো নাই যি বস্তুত থাকে সি সেই বস্তুৰ আকাব ধাৰণ কবে। পৃথিবীৰ ওপৰত থকাৰ কাৰণে তাক পৃথিবীৰ দবে সমান আকাব যেন দেখি। লোটা বা আন পাত্রত থাকিলে তাক সেই পাত্রৰ আকাব যেন দেখি। কিন্তু আন বস্তুৰ পৰমাণু যেনে ঘুৰণীয়া জলৰ পৰমাণু বোবো তেনে ঘুৰণীয়া বুলি পণ্ডিত সকলে সিদ্ধান্ত কৰিছে। হাইড্রজন (জলজান) অক্সিজন

( অম্লজান ) এই দুটী বায়বীয় পদার্থের দ্বারা জলের উৎপত্তি হয়। নানাবিধ তরল বস্তু একত্র করিলে সেই যোরে আপোন আপোন আপেক্ষিক গুরুত্ব অনুসারে এটার ওপরত এটা থাকে। এই কারণে পারা বা রস, জল আরু তেল একেলগ করিলে রসর ওপরত জল আরু তার ওপরত তেল থাকিব। জলর ধর্ম্মই প্রায় আন যোর তরল বস্তুরো ধর্ম্ম।

---

## মোর চিন্তা।

এই বয়সতে যদি এতেখনি হ'ল
আগলৈ নো তেনে হলে কি বাকি র'ল।
অসীম অপার মূর্ত্তি দুঃখ দেবতার
এটাও নর'ল বাকি দেখিছোঁ এবার।
মহারূপ কালরূপ আরু যত আছে
এটা এটা করি তেঁও মোক দেখা দিছে।
কিন্তু মূর্ত্তি সেইবোর যদিও বিকট
আছিল অলপ তাত ভরসার ছাট।
যদি চকু দুটা দেখি মনে লাগে ভয়
কথা শুনি কিছুমান বুকে সাহ হয়।
কোনো মূর্ত্তি দেখিলেই প্রাণ উড়ি যায়
কিন্তু আচরণে জীৱ আছে পুনরায়।
এতিয়া দেখিছোঁ যিটো অতি ভয়ঙ্কর
দেখি থর থর করি কঁপিছে অন্তর।
কোনো অংশে তার মোক আশ্বাস দিদিয়ে
যি কেবা আছিল তাকো কাঢ়ি কাঢ়ি নিয়ে।
হাঁয় এই বার দেখো তল যাও মর

কি উপায়ে কেনেকৈ প্রাণ মোৰ বয়।
ভয়াবহ ভীষণ মূৰ্ক্কতি বিপর্য্যয়
এই বাৰে মোৰ কালে সমাপতি হয়।
কি মন বড় দেখোঁ ভয় দেখো তোৰ?
নাজান কিমান আছে সাহ বুকে মোৰ?
মনত কৰিবি চোন সেই বোৰ দিন
যেতিয়া আছিলা ময় পদ পাখী হীন।
পলাবৰো বল নাই ভবি নোহে থিৰ
উড়িব নোৱাৰো মোৰ নিপাখী শৰীৰ।
সেই সময়তো সাহে হিয়া বান্ধিছিলো
কেতিয়াও এনেকুৱা বিহ্বল নহলো।
শিল বৰষুণ কত ধুমুহা বতাহ
ভয় দেখুয়াই মোক গল মাহে মাহ।
তাকো ইতিকিং কৰি দিছো উড়ুয়াই
কাকো ময় কেতিয়াও ভয় কৰা নাই।
অগণিত নমৰিলো প্রহ্লাদৰ দৰে
জীৱ্র দান পালোঁ ময় সাগৰ উদৰে।
বাঘৰ মুখতো ময় সাহ বুকে ধৰি
হাঁহিছিলোঁ কতবাৰ প্রাণ মন ভৰি।
হাঁয় আজি সেই হাঁহি কত লুপ্ত হল
এই মূৰ্ত্তি দেখি চোন দুৰে চলি গল।
হাঁহ মন পুনবায় সেই দৰে ভয়
এতিয়া নো এনেকৈ কিয় কৰ ভয়?
প্রাণ ভৰি মন মেলি হাঁহ একবাৰ
খেলক চকুত আহি হাঁহিৰ আকাৰ।
হৰষত হৰষিত হ'ক মোৰ চিত্ত

হাঁহিৰ ৰবণে গাল হ'ক সুৰঞ্জিত।
উচঁক উজ্জ্বলি বুকু দহ হাত হই
মুক্তা যেন জিলিকক দাঁত বই বই।
সাঁজবেলা পুৰ্ণিমাৰ জোনৰ নিচিনা
সুপ্রসন্ন হই মুখ জ্বলক দুগুনা।
হাঁহি বঙ্গীয়াল কথা দুটি এটি কৰা
এই দৰে টোপমনি আৰু নে থাকিবা।
ভয় কিবা ভীৰু মন সাহ কৰ সাৰ
জানিবি দুখেৰে ভৰা ইভৰ সংসাৰ।
যত কাল প্রাণ থাকে নোৱাৰ এড়াব
দুখৰ হাতৰ পৰা নোৱাৰিবি যাব।
আজি কালি তোৰ তেনে আছে বুদ্ধিবল
আগৰ নিচিনা তয় নহব দুর্ব্বল।
গজিছে এতিয়া পাখী ঢাকি সর্ব্ব গাত্র
সুদৃঢ় শকত আৰু তোৰ দুই পাত্র।
লড়িব উড়িব পাৰ পাৰ সাঁতুৰিব
পলাব লুকাব কিম্বা উঠি যুজ দিব।
তেও কিয় শঙ্কা ভয় কৰ এই বাৰ?
বান্ধ বুকু এই সব কৰ পৰিহাৰ।
যা মন যা উঠি সংসাৰৰ সোঁতে
আছে কিছু কিছু সুখ যাত্র যেই বাটে।
অকল দুখৰ কতো নাইকিয়া ঠাই
যতে তাৰ সমাগম সুখো ততে যায়।
দুখ সুখ যজ্ঞা হই জনম ধৰিছে
গলে গলে সিহঁতক সাঙুৰিও দিছে।
জাকো কেও কেণ্ডিয়াও নোৱাৰে এড়াব

এটা গলে আম টোও লগে লগে যাব।
মানুহৰ জীৱনক আছে দুইও ধৰি
হুকসাই পড়িযায় দিয়ে যদি এড়ি।
দুখক খেদিব গলে সুখো খেদা খাই
দুখ বিনা সুখ কত কোনে দেখা পায়।
এতেকতে মন তয় এড়ি পেলা ভয়
সাহ কৰি ফুৰ যদি হব জয় জয়।

স, ৰ,

---

তলত লেখা মহোদয় আৰু মহোদয়া সকলে বন্ধুলৈ যোৱা বছৰত প্ৰবন্ধ পঠাইছে। সেই সকলক আমি কৃতজ্ঞ চিত্তে ধন্যবাদ কৰিলোঁ।

শ্ৰীযুত ৰ, বড়া সি, ই, ।
,, লক্ষ্মীনাথ বড়া।
,, ৰবিনাৰায়ণ বড়া।
,, ৰত্নেশ্বৰ মহন্ত।
,, কৃষ্ণপ্ৰসাদ দুৱৰা।
,, কৰণাভিৰাম বড়ুয়া।
,, সত্যনাথ বড়া।
,, হেমচন্দ্ৰ গোস্বামী।
,, ৰুদ্ৰৰাম বড়দলৈ।
,, ভোলানাথ দাস।
,, দেৱীচৰণ বড়ুয়া

শ্ৰীযুত লম্বোদৰ বড়া বি, এ।
,, নবীনৰাম ফুকন।
,, নৰনাথ মহন্ত।
,, লক্ষ্মীনাথ বেজবড়ুয়া।
,, মুজিবদ্দীন আহ্মদ।
,, মহেন্দ্ৰনাথ মিত্ৰ
,, পূৰ্ণকান্ত শৰ্ম্মা।
,, নাৰায়ণ শৰ্ম্মা বিদ্যাভূষণ।
,, কালী কিশোৰ ৰায়।
,, কমলাকান্ত ভট্টাচাৰ্য্য।

শ্ৰীমতী পদ্মাৱতী দেৱী ফুকনী।
বড়ুয়া কুমাৰী শ্ৰীমতী অৰ্পলতা দেৱী।

---

# আসাম-বন্ধু।

মাসিক পত্র।

"নচ জ্ঞানাৎ পৰং বলম্।"

দ্বিতীয় খণ্ড। ] চত্ত-বহাগ শক ১৮০৭-৮, ইংৰাজী ১৮৮৬। [৩য়-৪র্থ সংখ্যা


## আগৰ দিন এতিয়াৰ দিন।

### ক্রীড়া-কৌতুক।

কোনো এজনা চিন্তাশীল লোকে কইছে কোনো মানুহ বা জাতিৰ ক্রীড়া আৰু কৌতুক কি জানিব পাৰিলেই সেই জাতি বা সেই মানুহৰ উচ্চতা জানিব পাৰি। জাতীয় প্রকৃতি অনুসাৰে ক্রীড়া কৌতুকৰ সৃষ্টি কৰা হয়।

আমাৰ মানুহ প্রায় কৃষিজীৱি, সেই কাৰণে আমাৰ বঙ্গ ধেমালিও সেই জীৱনৰ উপযুক্ত। সাধাৰণ পক্ষে আমাৰ চৌপট বা পাশা, পঁচি, বাঘবোল, পাঁতি বা মোগল পাঁতি বা মোগল পাঠান, তোল নোতোল, বৈকুণ্ঠ যাত্রা খেল বহি খেলোৱা হয়। দুজন বা চাৰিজনে বহি ইয়াক খেলায়। চৌপট আৰু বৈকুণ্ঠ খেলা বিনে ইৰোৱত মাটীত আঁক মাৰি

খেলোয়া হয়। লৰা বুঢ়া সকলোএ ইয়াকে খেদে। বিশেষকৈ বিহুৰ সময়ত ইয়াৰ মাঝত পঁচি খেদিবই লাগে। পঁচি খেদিলে বছেৰেকটৈ মুৰ নিবিষায়। লৰা বিলাকৰ মাঝত ঘিলা আৰু কড়ি খেদোয়া, লুকাভাকু খুটা সলোয়াসলি হাউ বা হাউওড়ু, ডটাওটা, হাতত ধৰা, লৰালৰি কৰা, জঁপিওয়া ও যুঝ কৰা ধেমালি চলিত। গছত উঠা, চিকাফাঁদ, বেজীসিও সিও প্রভৃতি খেল প্রসিদ্ধ। বজাৰ হলে সেন মেলা এটী প্রধান ৰঙ্গ। সামাজিক কৌতুকৰ ভিতৰত ও নাম গোয়া, বিহুত ঢোল টকা বজাই নচা, ভাৱনা কৰা, পদ গোয়া, তাল খোল লই গায়ন বায়ন গোয়া, ঢোল ডগৰ লই বজোয়া, নচা আৰু ভাৱ কৰা, খঁৰ দিয়া, বিয়াহৰ গীত গোয়া আৰু শুনা ওজা পালী গোয়া আৰু শুনা প্রধান। সাধু কথা শুনা এটী উৎকৃষ্ট আমোদ। বহুয়ালী কৰা, টোকাৰি, ৰামকৰতাল, চেৰেন্দাৰ, কটা বাঁহত কড়িৰে বজাই গীত গোয়া ও এটী আমোদ। ছোয়ালী বিলাকৰ হলে চেন খেদোয়া, ধূলী মাটীৰে বন্ধা বঢ়া কৰা, গুটীলদা খেদোয়া, ফুল ফুলতি খেদোয়া, নাম গোয়া, বিয়াৰ শিশু অভিনয় প্রধান আমোদ। কোনোএ আকৌ দৰা পুতলিৰ বিয়া, ভেকুলিৰ বিয়া পাতিও ধেমালি কৰে। ছাত্র সকলৰ মাঝত শ্লোক-যুদ্ধ এটী প্রধান কৌতুক। বিহুৰ সময়ত মঁহ যুঝুয়া এটী সামাজিক ক্রীড়া। কামৰূপত ভখলি ভঙ্গা, টাওন যুঝ প্রভৃতি কেত্ত বোৰ বীৰ যুদ্ধৰ খেল আছে। এই সকলতকৈ আৰু অনেক বিধ ধেমালি আছে। চঁতৰ বিহুত গধূলি ঢোল, টকা বজাই ঘৰে ঘৰে হুচঁৰি গোয়া এটী সাময়িক কৌতুক। যিবিলাক ধেমালি আছে তাৰ সকলোৰে উদ্দেশ্য আছে। তাৰে দুটী মানৰ কথা লেখো। বেজীসিওলিও।

কেইটামান লৰাই হাতত ধৰাধৰিকৈ এটা লৰাক বেঢ়ি ধৰে। বেঢ়ি ধৰা লৰাটে হাত দাঙি বেজীসিও সিও কৈ এটা লঁৰাৰ ওচৰলৈ যায়—সি কয় নিসিবি নিসিবি। ইকেইটা লঁৰাই সেই লঁৰাটৰ চাবিও পিনে ঘুৰি থাকে। ইটে সেই দৰে বেজীসিও সিও কৰে। পাছে মাজৰ লৰাটে এবাৰ ছল চাই দুটা লঁৰাৰ মাজেৰে লঘ মাৰি যায়। ইয়াৰ উদ্দেশ্য মহত। এই সংসাৰ চক্ৰত নানা বিঘ্ন বাধা। ৰিকালে চোৱা সেই ফালেই বিঘিনি আৰু বাধা। সকলো ফালে সেইৰূপ বিঘ্ন আৰু বাধাই বেঢ়ি ধৰে। চতুৰ লোকে সেই সকলো বোৰ পাৰ হই যায়। ইয়াৰ দ্বাৰা এই সংসাৰৰ আদৰ্শ পাই আৰু সজ শিকনি পোৱা যায়। পঁচি আৰু চৌপট খেদোয়াৰ দ্বাৰা এজন খৈয়া হলেও নিজ বাহুবলে আপনাৰ ঘৰৰ পৰা ওলাই নানাদেশ ভ্ৰমণ আৰু নানা কাৰ্য্য কৰি সংসাৰত জয়ী হই নিজৰ ঠাইলৈ ঘোৱাৰ আদৰ্শ পোৱা যায়। বাঘে বা হিংসক লোকে নিৰ্জ্জু গৰু মৰা আৰু প্ৰাণীহিংসা কৰাতো নানা ছলেৰে তাক বধ কৰাৰ উদাহৰণ বাঘবোল ত পোৱা যায়। সংসাৰত কেত বোৰ এনে মানুহ আছে যি কেতিয়াবা প্ৰকাশ্যে কোনো লোকৰ পক্ষ নহই অথবা কেতিয়াবা তেনে পক্ষ হই সংসাৰত ভোল নোতোল কৰি থাকে তাৰ উদাহৰণ ভোল মোতোল খেলাত পোৱা যায়। হাউ বা হাউ-গুড়ুত্ত একে উশাহে বা বাঘে যিমান কাৰ্য্য কৰিব পাৰি তাৰ আদৰ্শ পোৱা যায়। নানা লোকে সইতে সমাজ পাতি বা পক্ষ হই আৰু অন্তৰ সহায় লোৱা যে আবশ্যক তাৰো উদাহৰণ ইয়াত পোৱা যায়। সমাজবদ্ধ হলেও নিজৰ বাহুবলেই যে প্ৰধান তাৰো পটন্তৰ জানি।

ফুল ফুলন্তি—এই খেলটো ছোৱালি বিলাকে খেলে।

ওচৰা ওচৰিকৈ তিনি সাৰি গুটী দীঘলীয়াকৈ থয়। তাতে তৰ্জনী আৰু মধ্যমা এই দুটা আঙ্গুলি গুটী বোৰৰ চাৰিও পিনে কোনো গুটী নোছোৱাকৈ ঘুৰাই আনিব লাগে। ইয়াৰ তাতপর্য্য এই যে ছোৱালী বিলাকে শহুৰ ভাই শহুৰ আন লোকে সাৰিপাতি বহি ভাত খাওঁতে বস্তু বাঁটি দিয়াৰ শিক্ষা পোৱা যায়। সকলোকে বস্তু বাঁটিও দিব লাগে অথচ কাকো ছুব ও নালাগে। সংসাৰত এই সকল নানাবিধ লোকে সইতে থাকিবও লাগে কাকো ছুবও না লাগে। কাৰেও লিপ্ত হব নালাগে। চেন খেদোৱাৰ দ্বাৰাই উপার্জ্জিত ধন ভগণ কৰি সঞ্চয় কৰাৰ উদাহৰণ পোৱা যায়। যি ধন সাচিব নোৱাৰে সি মাৰ খায়। অর্থাৎ সংসাৰত দুঃখ পায় আৰু অপদস্থ হয়।

ছোৱালী বিলাকে ভাত বন্ধা আৰু দৰা পুতলীৰ বিয়া পতা ইত্যাদি স্বভাবতেই ক্রীড়া কৰে। কিয়নো গৃহকার্য্যই তিৰুতাৰ প্রধান কার্য্য; পুহ মহীয়া একো একো চুবুৰিৰ লৰাই নদীৰ বা আন পানী কাষৰিয়া ঠাইত ধান ক্ষেৱৰ মেজী বা ঘৰ সাজে। বিহুৰ আগ দিনা গধুলি সেই লৰাবোৰে তোলা তোলিকৈ বস্তু গোটাই ভোজ খায়। কেঙিয়াৰা আনৰ ক্ষেৱ কাঠ বাঁহ প্রভৃতি চুবকৈ আনে। বিহুৰ দিনা প্রাতঃস্নতে সকলোএ স্নান কৰি মেজী বা ঘৰত জুই লগাই পুয়ায়। এই ঘৰৰ নাম ভেলা ঘৰ বা হোম ঘৰ বা মেজি ঘৰ। ফাল্গুন মহীয়া চতুর্থীৰ চন্দ্র নষ্ট চন্দ্র, ইয়াক চালে কলঙ্ক হয়। দৈবাৎ দেখিলে মানুহৰ ঘৰত দলিয়াই গালি খাব লাগে আৰু সমস্ত হৰণ পুথী শুনিব লাগে। বিহুৰ পূর্ব্বৰ দিনা উকুৱা। মাৰি লিয়া তিৰুতামণ্ডা সকলোএ মাছ মাৰিবলৈ যায়। মাছ মৰাও এটা বড় আমোদ। বাৰিষাৰ পানীত পহু উঠি আহে

অথবা কোনো টীলা বা বড়ি ঠাইত থাকে। তাৰৈকে অনেক লোকে লাঠি আঠীলই মাৰিবলৈ যায়। এই এটী প্ৰধান আমোদ।

বজাঘৰ বিনে আন ঠাইত দুৰ্গোৎসৱ নহয়। কামাখ্যা বা আন দেৱী দেৱালয়ত দুৰ্গোৎসৱ হয়। তাতো বজাৰ নামে সংকল্প হয়। বড় বিষয়া বা কোনো চিহ্নিত লোক বিনে আনে ঘটস্থাপন কৰি দেবী পূজা কৰিব নোয়াৰে। কি জানি বজাৰ বাজ্য দেবীৰ ৰৱত আনে লয় এই প্ৰধান আশঙ্কা। দোল যাত্রা বা ফাঁকুয়াও সেইৰূপ। শিৱৰাত্রি পূজা, মদন চতুৰালি, জন্মাষ্টমী প্ৰভৃতি পূজা বজা ঘৰত আৰু থান বা দেৱালয়ত হয়। সেই সময়ত বিশেষ আমোদ হয়। কামাখ্যাত মাৰই বা বিষহৰি পূজাত বড় আমোদ হয়। দেওধণী উঠে। পুহমহীয়া দেবীৰ পুংসৱন উপলক্ষে বিশেষ পূজা আৰু আমোদ হয়। আহাৰ মাহৰ ৭ দিন যোৱাৰ পৰা ১১ দিনলৈকে অম্বুবাচী বা আমতী। এই সময়ত পৃথিবী ৰজস্বলা হয় বুলি প্ৰসিদ্ধ। ফলে এই সময়ৰ পৰা বৰ্ষা কাল আৰম্ভ। আৰু পৃথিবীএ শস্য ধাৰণ কৰিবলৈ উপযুক্ত হয়। মাঘৰ বিহু আৰু চঁতৰ বিহু এই দুটী প্ৰধান উৎসৱ আৰু আমোদৰ সময়।

---

# ৰজনী।

( পূৰ্ব্ব প্ৰকাশিতৰ পাছে। )

( ১২ )

ৰজনী মিলনে ক্ৰমে নিস্তব্ধ ভুবন ;
শিশুগণ ত্যক্ত কৰি জনক জননী,
কোনোএ ক্ৰন্দন এড়ি, এড়ি কোনো জন
আনৰে খুটিয়াখুটি, ত্যজি হাস্য ধ্বনি,

( ১৩ )

নিদ্রার কোমল কোলে এক এক করি
পড়িয়াছে ঢলি এবে অচিন্ত অন্তরে ;
নাহি গৃহ চিন্তা, মনে নাই ধড়ফড়ি,
নাই পাপ-ধনে আশা, নাচাপে ওচর।

( ১৪ )

সংসার জঞ্জাল যত ; চিন্তাহীন সবে।
সদা মাত্র এক ভাব প্রত্যুষে উঠিয়া
কিমতে যাইব আন সহ উমলিবে,
কিমতে লইব ধুলি সর্ব্বাঙ্গে লেপিয়া।

( ১৫ )

হায়রে সরল শিশু, তোসবার দিন
সুখ দিন ; হর্ষে নিদ্রা যোরা এহিকালে,
সংসারে সুযোগ এই। গলে কিছু দিন,
পড়িবা সবেও অতি বিষম জঞ্জালে।

( ১৬ )

তাহার প্রমাণ আছে নিজ নিজ ঘরে ;
তোসব নিদ্রিত ঘবে সহর্ষে শয়নে,
বর্ষিয়ানগণ দেখা বসি কিবা করে ;
গৃহ কার্য্য কথা মাত্র উচ্চারে বদনে।

( ১৭ )

কেহোঁ কহে "ক্ষেতি ধান নহল ইবার,
মবির লাগিব হায় খাইবে নাপাই—
অহা বছরত" ; কহে কোনোও "আমার
বিবা ছিলে গরু মঁহে চুকাইলে খাই।"

(১৮)

বহোঁতে আমনি লাগি কোনো কোনো জন
পড়িছে শয্যাত, কিন্তু নিদ্রা লেশ নাই ;
ভাগি গল ঘৰ দ্বাৰ পড়ে ৰবযুণ
ভাবিছে উপায় তাৰ দিনেত্র জপাই।

(১৯)

পৰৰ চাকৰী কৰি কত কত জন,
—এই শ্রেণীভুক্তৰেসে সংখ্যাও অধিক—,
জৰ জৰ দেহ হুই মলিন বদনে,
শয়নে পড়িয়া নিজে ভাবে ধিক ধিক।

(২০)

প্রভুৰ সন্তোষ হেতু কত যে যতনে
কৰে কার্য্য ক্লেশ সহি ; তেও বাৰম্বাৰ
প্রভুৰ কর্কশ বাক্য পশয় শ্রৱণে,
হিতে বিপৰীত,—হায় যন্ত্রণা অপাৰ—।

(২১)

প্রাণপণ যত্ন পৰিশ্রম অনিবাৰ,
ললাট পতিত আৰু বিন্দু বিন্দুজল,
কঠিন প্রভুৰ পাশে সকলো অসাৰ,
একেবাৰ বাক্যে হোৱে সকলো বিফল।

(২২)

এইৰূপ কত চিন্তা কৰি মনে মনে,
প্রভুৰ হৃদয়ভেদী বাক্য সব স্মৰি,
আসিছে পুড়িছে হায় পড়িয়া শয়নে ;
হৃদয়ো কাৰোবা অশ্রু পড়ে দৰ দৰি।

(২৩)

দিবসিক শ্রমে শ্রান্ত হই এতক্ষণ,
সবেও আনন্দে কঁত শুব লাগিছিল ;
সি হুহি অসীম কষ্টে বিষাদিত মন,
ভাবিছে জনম ধিক প্রাণ পাপশীল।

(২৪)

কহিও নিদ্রিত শিশু ইরূপ চিন্তাব
আছে কিবা অধিকাব তোসব মনত ?
ছোৱা কি ইসবে ধারী ? শবীব বিস্তাব
কবি, সুখে শুইয়াছা পড়ি শয়নত।

(২৫)

সিকাবণে কওঁ শিশু তোসবাব দিন
সুখ দিন ; হর্ষে নিদ্রা যোৱা এইকালে,
সংসাবে সুযোগ এই। গলে কিছু দিন,
সবেও পড়িবা অতি বিষম জঞ্জালে।

ক্রমশঃ

শ্রীভঃ

---

# ঘৈনীব কর্ত্তব্য ও স্ত্রী-শিক্ষা।

## সম্বন্ধও ব্যবহার বিচাব।

আজি আমি এটি গুরুতব বিষয়ব আলোচনা করিম—তিরুতাব লগত গিবিয়েকব কি সম্বন্ধ আরু তেওঁলোকে দুয়ো দুয়োকো কেনেকৈ ব্যবহাব কবিব লাগে এইয়ে তাব মূল।

ঘৈনীব শহুবেকব ঘবত যত বিলাক ঘৰুৱা লোক আছে, সকলোতকৈ যে পতিব লগত তেওঁব সম্বন্ধ শুদ্ধ তাক উদ্দে-

কিওৱা অনাৱশ্যক। ব্রাহ্মণ আৰু শূদ্রাদিৰ অলপ বিনে আমাৰ ইয়াত প্রায় গাভৰু ছোৱালীকেহে বিয়া দিয়ে। এই গাভৰু বিলাকে বয়সৰ লগে লগে পতিৰ সম্বন্ধ বুঝি আহে। ব্রাহ্মণৰ ছোৱালী ১২।১৩ বছৰতে—যি বয়সত লৰাই নটুৱা টঙ্গালি মাৰি, ধিতিঙ্গালি কৰি ফুৰিয়েই দিন কটায়—ঋতুমতী হই গিৰিয়েকৰ ঘৰলৈ যায়। ইমান কোমল বয়সত বহুত অৱস্থাত বহুতে এই সম্বন্ধটি বুজি নেপায়। মহর্ষি মনু আৰু বেদব্যাসে পতিৰ লগত তিৰুতাৰ কি সম্বন্ধ তাক সুন্দৰৰূপে বুঝাই গইছে। আমাৰ বোৱাৰী জিয়াৰী বিলাকে এই বিলাক সাৰগর্ভ বচন কণ্ঠস্থ কৰি ৰাখিব লাগে। মহর্ষি মনু এ কইছে—

"নাস্তি স্ত্রীণাং পৃথগ্‌যজ্ঞো নব্রতং নাপ্যুপাসানাং"
"পতিং সুশ্রূষতে যত্তু তেন স্বর্গে মহীয়তে॥"

অর্থ। তিৰুতাবিলাকৰ কেলেগে একো যজ্ঞ নাই, একো ব্রত বা উপাসনাদি নাই। পতি শুশ্রূষা কৰিলেই তেওঁলোক স্বর্গবাসিনী হয়।

ব্রহ্মবৈৱর্ত্ত পুৰাণৰ শ্রীকৃষ্ণ জন্ম খণ্ডত মহর্ষি বেদব্যাসে পতিক তিৰুতাবিলাকে কেনেকৈ ভাবিব, তাক উদ্দেশ কৰি এই দৰে কইছে—

"পতির্ব্বন্ধু গতির্ভর্ত্তা দৈবতং গুরুরেব চ।
সর্ব্বস্মাচ্চ গুরুঃ স্বামী ন গুরুঃ স্বামিনঃ পরং॥
পতিসেৱা ব্রতস্ত্রীণাং পতিসেৱা পরন্তপঃ।
পতিসেৱা পরং ধর্ম্মঃ পতিসেৱা সুৰার্চ্চনং॥
পতিসেৱা পরং সত্যং দানতীর্থাদুতীর্থকং।
সর্ব্বদেৱময়ঃ স্বামী সর্ব্বদেৱময়ঃ শুচিঃ॥
সর্ব্ব পুণ্যস্বরূপশ্চ পতিরূপী জনার্দ্দনঃ।

যা সতী ভর্ত্তুরুচ্ছিষ্টং ভুংক্তে পাদোদকং সদা।
তস্যাদর্শ মুপস্পর্শং নিত্যং বাঞ্ছন্তি দেবতাঃ॥

অর্থ "পতি এই তিরুতাব বন্ধু পতি এই গতি, পতি এই গুরু। তিরুতাব স্বামীত কৈ গুরু নাই, স্বামীএই তেওঁব পক্ষে সকলোত কৈ শ্রেষ্ঠ গুরু। পতি সেৱাই তিরুতাব ব্রত পতিসেৱাই পৰম তপ, পতিসেৱাই দেৱপূজা। পতিসেৱাই জ্ঞান তীর্থ সত্য সকলো—স্বামী সকলো দেৱ স্বৰূপ, পবিত্র। তিরুতাব পক্ষে পতি জনার্দ্দনরূপী কিয়নো তেওঁ তিরুতাব সকলো পুণ্যব গৰাকী। যি সতী তিরুতাই স্বামীব পাদোদক আৰু উচ্ছিষ্ট ভোজন কৰে, দেৱতাবিলাকেও তেওঁব দর্শন স্পর্শন কামনা কৰে।"

এতিয়া ভাবি চোৱা যাওকছোন, তিরুতাব পক্ষে গিৰিয়েকক মহর্ষি বেদব্যাসে কিমান উচ্চ স্থান দিছে। ইহ জীবনত যত সৎকার্য্য আছে, দান, তীর্থ, পূন্য, গিৰিএক যদি সকলোএই হব লাগিল, পতি পূজাই যদি তিরুতাব দেৱপূজা হব লাগিল, পতি যদি সাক্ষাৎ জনার্দ্দন রূপী হব লাগিল, তেনেহলে মুঠতে ইমানকে কোৱা উচিত যে ইহলোকত পতি তিরুতাব পক্ষে মূর্ত্তিমন্ত "ঈশ্বব" স্বৰূপ। এই দবে ছৈনী সকলক পতিব গুৰুত্ব বুজাই বুজাই লাহে লাহে কি নিমিত্তে নো পতি স্ত্রীব এনে ভক্তিভাজন তাকো এঠাইত কইছে। তিরুতাই সদাই পতিব পবা সেই বিলাক আকাঙ্ক্ষা কবিব আৰু পাবলাগে। সেই পুৰাণব প্রকৃতি খণ্ডত মহর্ষি বেদব্যাসে কইছে—

"ভবণাদেব ভর্ত্তাস পালনাৎ পতিরুচ্যতে।
শবীবেশাচ্চ স স্বামী কামদাৎ কান্ত উচ্যতে॥
বন্ধুশ্চ সুখদানাচ্চ প্রীতিদানাৎ প্রিয়ঃ পবং।

ঐশ্বর্য্যদানাদীশশ্চ প্রাণেশাৎ প্রাণনাথকঃ ॥
ৰতিদানাচ্চ ৰমণঃ প্রিয়ো নাস্তি প্রিয়াৎ পরং।
পুত্রস্তু স্বামিনঃ শুক্রাজ্জায়তে তেন স প্রিয়ঃ ॥
শতপুত্রাৎ পৰং স্বামী কুলজানাং প্রিয়ঃ সদা ॥"

"স্ত্রীক ভৰণ কৰাৰ নিমিত্তে গিৰিয়েকৰ নাম ভর্ত্তা, পালন কৰাৰ নিমিত্তে তেওঁৰ নাম পতি, সুখদান কৰাৰ নিমিত্তে তেওঁ বন্ধু, প্রীতিদান কৰাৰ নিমিত্তে তেওঁ 'প্রিয়' ঐশ্বর্য্যদান কৰাৰ নিমিত্তে "ঈশ" প্রাণৰ গৰাকীৰ নিমিত্তে "প্রাণনাথ" ৰতিদান কৰাৰ নিমিওে তেওঁ "ৰমণ"। পতিত কৈ তিৰুতাৰ আন একো প্রিয় নাই (অর্থাৎ হৰ নেলাগে), স্বামীৰ শুক্রৰ পৰা পুত্রজাত হয় দেখিএই পুত্রও তিৰুতাৰ প্রিয়। কুলকামিনী বিলাকৰ এশ পুতেকত কৈও স্বামী প্রিয়তৰ।

"নচাপত্য সম স্নেহঃ"- সংসাৰত অপত্য স্নেহৰ সমান স্নেহ নাই। কিন্তু তিৰুতাৰ পক্ষে গিৰিয়েক এশ পুতেকত কৈওপ্রিয়তৰ। আহাকি অটল স্নেহ! আজি কালিৰ বসন্ত বাও লগা নবীনা গাভৰু কেই জনাই গিৰিয়েকক এনে গভীৰ স্নেহৰ চকুৰে চায়নে? হৰি হৰি সময়ৰ কি পৰিবর্ত্তন। আজি কালি স্নেহ মুখতেই অন্ত। অৱশ্য এনে তিৰুতাও আছে যি পতিকে সর্ব্ব সুখৰ মূলীভূত বুলি বিবেচনা কৰে, কিন্তু অলপ সংখ্যাৰ মনহে এই সৎপ্রবৃত্তিৰ ফালে ঢাল খোৱা। ভার্য্যাক যি জনা গিৰিয়েকে আজি কালি "অলঙ্কাৰ বোৱা গাধ" কৰিব পাৰে, প্রায় সেই জনাৰ পক্ষে হে তেওঁৰ গিৰিয়েক "ডাঙ্গৰীয়া' আৰু "দেউতা", সেই গৃহস্থেই গৃহিণীৰ মুখত এনে শ্রুতিসুখকৰ সম্বোধন শুনিবলৈ পাই; নিজক কৃতার্থ বুলি বিবেচনা কৰে; কিন্তু স্নেহ, ইমান গভীৰ স্নেহ আৰু ভক্তি, মহর্ষি সকলে যি স্নেহ আৰু ভাবৰ কথা কইছে,

সেই জনা গৃহস্থকো ছেনে স্নেহ আরু ভক্তিভাবপূর্ণ চকুবে তেওঁৰ ঘৈনীএ চায়নে নেচায় তাক ঘৈনীৰ মনে আরু জগদীশ্বৰে জানে, আমি তাত দস্তক্ষ ট কৰিব নোৱাৰোঁ।

মহর্ষি ব্যাসে স্ত্রী-পুৰুষৰ ভিতৰত যি গুৰুতৰ সম্বন্ধ দেখুয়াইছে সংসাৰৰ ভিতৰত একেজনৰ শৰীৰতে কাৰো লগত ইয়াতকৈ ও ডাঙ্গৰ সম্বন্ধ নাই। অকল যে তিৰুতাই পুৰুষক কেনে বিবেচনা কৰিব তাকেহে কইছে এন নহয়, ঠাই বিশেষে স্ত্রীৰ প্রতি পুৰুষৰ কৰ্ত্তব্যকো বিশেষৰূপে আলোচনা কৰিছে আমি তাৰৈ গলে, আমাৰ বৰ্ত্তমান বিষয়ৰ বাট হেৰুৱাম। জ্ঞানীলোকে কয় পুৰুষ ভাল হলেইহে তিৰুতা গুণৱতী হয়। যি পুৰুষে নিজৰ তিৰুতাক গুণৱতী কৰিবৰ মন কৰে, আগেইএ তেওঁ নিজৰ স্বভাৱ শুদ্ধ কৰি লোৱা উচিত তিৰুতাৰ পৰা ভক্তি আকাঙ্ক্ষা কৰিলে, নিজে ভক্তিৰ উচিত পাত্র হব লাগে। গুণৱতী, সতী আরু পতি পৰায়না তিৰুতাই পতিৰ দুর্ম্মতি দেখিলে, সেই দুর্ম্মতি দূৰ কৰি নিজৰ সৎস্বভাবেৰে পতিক সুপথগামী কৰি লবও লাগে। দুর্ভাগ্যক্রমে কাৰো ভাগ্যত অসৎপুৰুষ পৰিল বা পিতৃ মাতৃৰ বাচনিৰ দোষত, বা তেওঁলোকে স্বভাব চৰিত্রাদিলৈ মন নকৰি অর্থকে মুখ্য বস্তু বুলি ধৰি ছোৱালীৰ সুখ হব বুলি বিবেছনা কৰি যদি কোনো কুচৰিত্র পুৰুষক নিজৰ ছোৱালী দিয়ে, তেনেহলে ছোৱালীএ নিজৰ অদৃষ্টক দোষি সেই পুৰুষক সুপথগামী কৰিবৰ নিমিত্তে নিজৰ জীবনৰ সুখ আরু সম্ভোগ উচৰ্গাকৰিবলৈকো শিকিব লাগে। গিৰিয়েক কুচৰিত্র হলেই যে ঘৈনীয়েকৰ ঘৃনাৰ পাত্র হয় এনে নহয় মহর্ষি মনুএ কইছে।

বিশীলঃ কামবৃত্তোবা গুণৈর্ব্বা পরিবর্জ্জিতঃ।
উপচর্য্যঃ স্ত্রিয়া সাধ্ব্যা সততং দেববৎ পতিঃ॥

মনু ৫ম অঃ ১৫৪

গিৰিয়েক কুচৰিত্র, কামুক বা গুনহীন হলেও সাধ্বী তিৰুতাৰ পক্ষে সদাই দেববৎ সেবনীয়।

গিৰিয়েক যেনেই কি নহওক তিৰুতাৰ পক্ষে সদাই তেওঁ পূজনীয়। তেওঁ সংসাৰত সুখ কামনা কৰিলে সদাই গিৰিয়েকৰ মন যোগাই চলিব লাগে। মনু এ কইছে

পতিং যা নাভিচরতি মনো বাগ্‌দেহ সংযতা।
সাভর্ত্তৃলোকমাপ্নোতি সদ্ভিঃ সাধ্বীতি চোচ্যতে॥

মনু ৫ম অ ১৬৫

কায়মনো বাক্যে যি জন তিৰুতাই গিৰিয়েকক কেতিয়াও উল্লঙ্ঘন নকৰে, তেওঁ স্বামী লোক প্রাপ্ত হয়, আৰু সজ্জন সকলে তেওঁক সাধ্বী অর্থাৎ শাস্তি তিৰুতা বোলে।

গিৰিয়েকৰ জীবদ্দশাত এই দৰে ব্যবহাৰ কৰিবলৈতো লেখিছেই, মহর্ষি মনুএ গিৰিয়েক মৰিলেও ঘৈনীয়েকে তেওঁৰ প্রতি ভক্তি দেখুৱাবলৈ দিছে। স্বামী পৰলোক পালেই যে স্ত্রীপুরুষৰ সম্বন্ধ গুছিল, মহর্ষি সকলে সেইদৰে নকয়। আৰু বাস্তবিকেও পবিত্র-প্রেম-বন্ধন এনে এখন্তেকীয়া নহয়—যাৰ প্রাণৰ লগত প্রাণৰ মিল হইছে আত্মাই আত্মাই মিলিছে, প্রাণ বায়ুৰ লগত মৰিবৰ দিনাই কেতিয়াও তেওঁ লোকৰ সাংসাৰিক সম্বন্ধৰ অন্ত পাব নোৱাৰে। গিৰিয়েক জীয়াই থকাত যেনেকৈ তেওঁ ভাল পোৱা কার্য্যকে কৰি থকা ঘৈনীৰ উচিত, মৰিলেও তেওঁ জীয়াই থকাৰ দৰে সদাই তেওঁ ভাল পোৱা কার্য্যকে কৰি থাকিব লাগে। যথা :—

পাণিগ্রাহস্য সাধ্বী স্ত্রী জীবতো বা মৃতস্য বা।
পতিলোকমভীপ্সন্তী নাচরেৎ কিঞ্চিদপ্রিয়ং॥
মনু ৫ম অঃ ১৫৬

পতি লোক বাঞ্ছা কৰা তিৰুতাই গিৰিয়েক জীয়াই থাকিলে কি মৰিলেও কেতিয়াও তেওঁৰ কিঞ্চিতো অপ্ৰিয় কাৰ্য্য নকৰিব।

বিজনক মহাজ্ঞানী মুনি সকলে ইমান উচ্চ স্থান দিছে, সেই পুৰুষৰ প্ৰতি ঘৈনীএ কিৰূপ ব্যৱহাৰ কৰিব লাগে তাক অনুমান কৰিয়েই লব লাগে। সংসাৰৰ ভিতৰত কাৰো শৰীৰত একেবাৰে ইমান বিলাক ডাঙৰ ভাৰ নাই—জন্মদাতা, শিক্ষাদাতা, দীক্ষাদাতা—তিৰুতাৰ পক্ষে গৃহস্থেই সকলো, আৰু গৃহস্থই সকলোতকৈও পূজনীয় আৰু ভক্তিভাজন।

আমি প্ৰাচীন মত সংগ্ৰহ কৰি ঘৈনীৰ কৰ্ত্তব্য বুঝাবলৈ ধৰাত বহুতে আমাক ইতিকিং কৰিব পাৰে, আৰু মুনি সকলে কঠোৰতাৰ শিকলিৰে আমাৰ ঘৈনীসকলক একেবাৰে জড়-পুৰ কৰি বান্ধি, বড় পক্ষপাতিৰ আৰু অহৃদয়তাৰ চিনাকি দিছে বুলি, আমি তেও লোকৰ মতানুবৰ্ত্তী হোৱাত বহুতে আমাৰ বিপক্ষ অবলম্বন কৰিব পাৰে, কিন্তু যিবিলাকে এনে কৰে তেওঁলোকৰ নিচেই ভ্ৰম; আমাৰ ঋষি সকলে তিৰুতাক বড় উচ্চভাবেৰে চাই ছিল। মহৰ্ষি মনু এ কইছে:—

পিতৃভির্ভ্রাতৃভিশ্চৈতাঃ পতিভির্দেবরৈস্তথা।
পূজ্যা ভূষয়িতব্যাশ্চ বহু কল্যানমীপ্সুভিঃ॥

বহুত ধনসম্পত্তি আকাঙ্ক্ষা কৰা বাপেক, ভায়েক, গিৰিয়েক আৰু দেওৰেক বিলাকৰ উচিত যে তিৰুতা বিলাকক পূজা আৰু বস্ত্ৰালঙ্কাৰেৰে ভূষিত কৰে।

যত্র নার্য্যস্তু পূজ্যন্তে রমন্তে তত্র দেবতাঃ।
যত্রৈতাস্তু নপূজ্যন্তে সর্ব্বাস্তত্রাফলাঃ ক্রিয়াঃ॥

যত নাৰী বিলাকক পূজা কৰে, সেই কুলত দেবতা বিলাক প্ৰসন্ন হই থাকে—যত নাৰী বিলাকক পূজা কৰা না যায় সেই কুলৰ সকলো ক্ৰিয়া নিস্ফল।

কেনে উচ্চভাবেৰে তিৰুতাসকলক ব্যৱহাৰ কৰিবলৈ লেখিছে! এই বিলাক বচন পঢ়ি আৰু কোনেও কব নোৱাৰে যে মুনি সকলৰ অন্তৰত কোনো কুসংস্কাৰ আছিল।

জীৱনৰ প্ৰথম ভাগতে কেবল তিৰুতা বাপেকৰ অধীনত থাকে। ই নিতান্ত কম সময়—প্ৰায় বাৰ বছৰ। এই বাৰ বছৰ অতীত হলেই ভবিষ্যতলৈ যিমান দিন জীয়াই থাকে, যিমান দিনৰ নিমিত্তে তিৰুতা গিৰিএকৰ বশবৰ্ত্তিনী হয়। জীৱনৰ যি সময়ত জ্ঞানৰ বিকাশ, কাৰ্য্যকাৰী শক্তিৰ উন্মেষ, আনন্দ, শোক দুঃখাদি মানসিক প্ৰবৃত্তি বিলাকে সম্পূৰ্ণৰূপে মনত কাৰ্য্য কৰিব পাৰে—সেই ডাঙৰসময়েই যি জনৰ তলত, ইচ্ছাৰ অধীনত, সংসাৰত তেওঁ দেবতাস্বৰূপ। মাক বাপেকে জন্ম দিলে—জিয়েকে এই নিমিত্তে বাপেক মাকলৈ যথোচিত ভক্তি দেখুৱাবও লাগে। তিৰুতা ছোৱালীৰ জন্মই লোকৰ নিমিত্তে—মাক বাপেকে শিক্ষা দিয়ে লোকৰ নিমিত্তে, শাহুৰেকৰ ঘৰত সেই শিক্ষা আৰু জন্মদানৰ সফলতা যি জনী ছোৱালীএই প্ৰমাণ কৰিবলৈ পাৰে, মাক বাপেকৰ পক্ষে সেই জনী ছোৱালীএই সোনৰ সম্বল। মাক বাপেকৰ প্ৰতি জিয়েকৰ কৰ্ত্তব্য ভক্তিতে অন্ত—স্নেহ আৰু বাধ্যতাদি আনুষঙ্গিক প্ৰবৃত্তি বিলাক ভক্তিৰ পৰাই ওপজে। বড় ভক্তি কৰা মানুহ এজনলৈ ভক্তি কৰোতাৰ অন্তৰত স্বভাৱতই এটা স্নেহ হয়, আৰু তাৰ আৱ-

যঙ্গিক মানসিক প্রবৃত্তি কেতবিলাক সেই স্নেহৰ লগত যোগহই ভক্তি-ভাজন জনলৈ ধাল খায়। গুৰুক শিষ্যে ভক্তি কৰে; গুৰুক শিষ্যৰ আগত গালি পাৰিলে গাই নসহিব, বা গুৰুএ কোনো বন এখান পাঁচিলে শিষ্যই নকৰাকৈ থাকিব নোৱাৰিব। তিৰুতাই পতিক অকল ভক্তি কৰিলেই নহয়। গিৰিয়েকলৈ ভক্তি, প্ৰেম আৰু এক প্ৰাণতা দেখুৱাই তিৰুতাৰ প্ৰধান কৰ্ত্তব্য। গিৰিয়েকৰ কাৰ্য্যক নিজৰ কাৰ্য্য, গিৰিয়েকৰ কথাক নিজৰ কথা, গিৰিয়েকৰ প্ৰাণক নিজৰ প্ৰাণ, মুঠতে গিৰিয়েকক নিজৰে ভিন্ন শৰীৰ বুলি বিবেচনা কৰি এক প্ৰাণতা আৰু আত্মোৎসৰ্গ কৰা তিৰুতাৰ সমস্ত কৰ্ত্তব্যৰ ভিতৰৰ এটি প্ৰধান অঙ্গ। তাৰ পাছত ভক্তি। তিৰুতাই প্ৰথমেই গিৰিয়েকলৈ অন্তৰত ভক্তি সাচিব লাগে। পোনে পোনেই এক প্ৰাণতা শিকা বৰ টান। আগেই ভক্তি কৰিবলৈ শিকিব লাগে। ভক্তিত তিৰুতাই গিৰিয়েকৰ নিজৰ গুৰুৰ দৰে বিবেচনা কৰি সদাই তেওঁলৈ সশঙ্কিত হই ফুৰিব লাগে, সদাই তেওঁৰ সদুপদেশৰ বাধ্য হই চলিব লাগে, সদাই তেওঁক নিজৰ জীবনৰ গৰাকী বুলি বিবেচনা কৰি "প্ৰাণেশ্বৰ" শব্দৰ প্ৰকৃত অৰ্থৰে তেওঁলৈ ব্যবহাৰ কৰিব লাগে। এই দৰে ভক্তি কৰিবলৈ শিকিলেই আগত কৈ-অহাৰ দৰে ভক্তিৰ লগে২ অন্তৰত ভক্তি-ভাজনলৈ স্নেহৰ সঞ্চাৰ হবলৈ ধৰে। ভক্তিৰ পাছত প্ৰেম। এই স্নেহেই প্ৰেমত পৰিণত হয়। অন্তৰত প্ৰেমভাৱ সঞ্চাৰ হলে বা প্ৰেম শিকিলে, তিৰুতাই গিৰিয়েকৰ কুৰূপ বা কদাকাৰলৈ (যদি কোনো থাকে) অন্ধ হব লাগে, সদাই পাতক প্ৰেমচকুৰে চাই কুৰূপ হলেও তেওঁৰ পক্ষে সেই কুৰূপেই ৰূপহ বুলি বিবেচনা কৰিব লাগে, মূল প্ৰেমভাবে

অন্তৰ অধিকাৰ কৰিলে আসক্ত জনৰ গাত একো দোষ নেদেখি।

অন্তৰত বিশুদ্ধ-প্রেম-ৰস সোমালে মানুহক এনে আকুল আৰু অন্ধ কৰি তোলে। ভক্তিৰ পৰা যেতিয়া তিৰুতাৰ অন্তৰত স্বামীৰ প্রতি এই বিশুদ্ধ প্রেমভাৰৰ সঞ্চাৰ হয়, তেতিয়া লাহে লাহে প্রেমৰ লগত অন্তৰত আপোনা আপুনি একপ্রাণতাই ভুমুকিয়াবলৈ ধৰে। প্রেমৰ দ্বাৰা আসক্ত মানুহ এজনক কেতিয়াও কোনেও 'পৰ' বুলি বিবেচনা কৰিব নোৱাৰে। অন্তৰৰ পৰা এই "পৰ" ভাব দূৰ কৰিবলৈ পৰাই এক প্রাণতা।

যি ভাগ্যবান গৃহস্থৰ ঘৈনীৰ গাত এই ভক্তি, বিশুদ্ধ-প্রেম আৰু এক প্রাণতা আছে, তেওঁ ভগা পঁজাৰ ভিতৰত স্বচ্ছন্দবনজাত থুতৰীয়া মৰলীয়া শাকৰ খৰলীৰে কলাপাতত বঢ়া আহুৰ উষুৱা চাউলৰ ভাত খাইও স্বৰ্গৰ অমৰ সুলভ সুখৰ অধিকাৰ; তেওঁৰ তিৰুতাই প্রকৃত ঘৈনীৰ আৰ্হি স্বৰূপ, পতিৰ 'প্রাণাধিকা' গৃহস্থৰ সমস্ত মনি।

কোনো এজন পণ্ডিতে এনে কথাতে বড় সুন্দৰকৈ গিৰিয়েকক তিৰুতাই কিৰূপে ব্যবহাৰ কৰিব লাগে, তাক বুঝাই দিছে। তেওঁ কয় "ভাৰ্য্যাই খাবৰ সময়ত গিৰিয়েকক পুতেকৰ দৰে, বিপদৰ সময়ত মন্ত্রীৰ দৰে, আৰু শয্যাত তিৰোতাৰ দৰে ব্যবহাৰ কৰিব।" আমাৰ, এটা কথা মনত পড়িল—ইয়াত তাক বিশেষকৈ নেলেখাকৈ থাকিব নোৱাৰিলো।

আমি প্রাচীন গ্রন্থাদিৰ পৰা আগেয়ে বহুত বচন উদ্ধৃত কৰিলো, আৰু বহুত প্রাচীন মত সংগ্রহ কৰিবৰ মন নাছিল কিন্তু এই কেটা এনে সুন্দৰ কথা যে ইয়াত নেলেখাকৈ

আমি থাকিব নোৱাৰিলো। মহর্ষি কণ্ব-মুনি শকুন্তলাক সপুত্রে মহাৰাজ দুষ্মন্তৰ তালৈ পঠাই দিলে, মহাৰাজে যেতিয়া শকুন্তলাৰ কথা একো কৰ নোৱাৰে বুলি অস্বীকাৰ কৰে, তেতিয়া ক্রোধপৰবশা শকুন্তলাই, লগত যোৱা মহর্ষিৰ শিষ্যবিলাকক মনে মনে থাকিবলৈ দি মেঘ-গম্ভীৰ-স্বৰেৰে ত্রিভুবনাধিপতি দুষ্মন্তৰ অন্তঃকৰণ কম্পিত কৰি ভার্য্যাৰ গুৰুত্ব বুঝাই কথা কেটামান কৈছিল। সেই কেটা কি অমূল্য কথা। ভার্য্যা যেইএ সেইএ নহয়, ভার্য্যা বড় ডাঙ্গৰ বস্তু, ভার্য্যাৰ শৰীৰত বহুত গুণ থাকিব লাগে। তেওঁ কইছিল—

সা ভার্য্যা যা গৃহে দক্ষা সা ভার্য্যা যা প্রজাবতী।
সা ভার্য্যা যা পতিপ্রাণা সা ভার্য্যা যা পতিব্রতা॥
মহাভাৰত দুষ্মন্তোপাখ্যান।

সেই জনাই ভার্য্যা, যি জনা ঘৰুৱা বনত পাৰ্গত সেই জনাই ভার্য্যা, যাৰ সন্তান-সন্ততি আছে, সেই জনাই ভার্য্যা যিজনা পতি-প্রানা আৰু পতি ব্রতা।

অর্দ্ধং ভার্য্যা মনুষ্যস্য ভার্য্যা শ্রেষ্টতমা সখা।
ভার্য্যা মূলং ত্রিবর্গস্য ভার্য্যা মূলং তরিষ্যতঃ॥
ভার্য্যাবন্ত ক্রিয়াবন্তঃ সভার্য্যা গৃহ মেধিণঃ।
ভার্য্যাবন্তঃ প্রমোদন্তে ভার্য্যাবন্তঃ শ্রিয়ান্বিতাঃ॥

ভার্য্যা মানুহৰ অর্দ্ধাংশ; ভার্য্যা মানুহৰ পৰম সখা; ভার্য্যা ত্রিবর্গৰ (ধর্ম্ম, অর্থ, কাম) মূল; ভার্য্যা সংসাৰ-সাগৰ পাৰ হবৰ জন্যে অবলম্বন স্বৰূপ। ভার্য্যাবন্ত মানুহেই ক্রিয়াবন্ত, যিবিলাকাৰ ভার্য্যা আছে সেই বিলাকেই হে গৃহমেধী বা গৃহী; ভার্য্যাবন্ত বিলাকেই হে সুখী আৰু লক্ষ্মীমন্ত।

ভার্য্যাৰ গুৰুত্ব বুঝাই এই দৰে সেই ৰমণীকুল তিলক শকুন্তলাই ভার্য্যাৰ পৰা গৃহস্থে কি কি উপকাৰ পাব লাগে তাক এই দৰে কইছে।

সখায়ঃ প্রবিবিক্তেষু ভবন্ত্যেতাঃ প্রিয়ম্বদাঃ।
পিতৰো ধর্ম্ম কার্য্যেষু ভবন্ত্যার্ত্তস্য মাতৰঃ।

মিষ্টমুখী ভার্য্যা গিৰিয়েকৰ গোপনীয় বন্ধু; ধর্ম্ম কর্ম্মত ভার্য্যা পতিৰ পিতা আৰু আতুৰত পৰা পতিৰ মাতাৰ স্বৰূপ।

ভার্য্যাৰ পৰা পতিএও ইমান সাহায্য পাব লাগে। কেবল শয্যা শুৱনি কৰিবলৈ ভার্য্যাৰ প্রয়োজন নহয়। সেই জনা গৃহস্থৰ সংসাৰাশ্রম স্বর্গ স্বৰূপ যাৰ ভার্য্যায় এই বিলাক জানে আৰু এই বিলাক গুনেৰে গুণৱতী।

ৰ. মহন্ত।

---

# মাকৰ সুখ আৰু দুখ।

দুখীয়াৰ ঘৈণী

কৰি ধৰি বন বাৰি, ঘৰৰ জঞ্জাল মাৰি
দুপৰীয়া জুৰ লৰ ওলাই আহিল,
ছাঁ চাই ভৰি মেলি মাটিত বহিল।

দুবৈত আছিল

ধুলি লই বঙ্গ কৰি, শিশু ভাৰ অনুসৰী
সৰু লৰা এটি আৰু ছোৱালী এজনী।
সম্বন্ধত জোৱালীটি লৰাটিৰ ভনী।

দুইও টিয়ে

ভাৰ পৰা পালে দেখা, মাকক বহি-থকা

এড়িলে ধেমালি বঙ্গ ঝাপ মাৰি উঠি
মাকলৈ দুইও টাই মেলি দিলে ছুটি।
ছোৱালী অবলা,
লৰিবলৈ টান পাই, কান্দন জুৰিলে তাই
এখুজি দুখুজি কৰি আছে কান্দি কাহি,
ককায়েক মাকৰ ওচৰ পালেহি।
পিছে মাকে
জিঙ কৰি ছোৱালীক, ডাবি মাৰি লৰাটিক
একে লগে তাইকো নানিলি কিয় বুলি,
কাপোৰেৰে দুইও টাৰ মছি দিলে ধুলি।
কেনে অমায়িকা!
দুকাখে দুটাক লই, পৰম হৰ্ষিত হই
মনৰ আনন্দে হাঁয় পীয়াহ খুয়ায়,
আৰু সিহতৰ মুখ মাঝে মাঝে চাই।
মুখে কয় কথা,
হাতেৰে ওকনি চাই, মাঝে মাজে চুমা খাই
পিঠিত ফুৰাই হাত লাহে লাহে কৰি।
এই দৰে স্নেহ কৰে বুকু ভৰি ভৰি।
কিন্তু বিধি!
আজি দেখো সেই মাকে, প্ৰহাৰি আপোন বুকে
কান্দিছে বাগৰি, তাইৰ সুখ অস্ত হল,
হাঁয় হাঁয়, সেই দুটি আজি কলই গল?

স. ব.

---

# ডেকা কাল।

ইডেন কাননে বসি,
ভাবনা মন্দিরে পসি,
আছিলো এদিন ময় গধুলি সময়
ধীৰে ধীৰে জুৰ বায়ু মৃদু মৃদু বয়
অভাবুকে ভাব পায়
ভাবুকৰ কথাই নাই
কত ভাব আহি পড়ে তাৰ পৰশনে
কত বিধ চিন্তা আহি দেখা দিয়ে মনে।
এনে সময়তে তাত
ধৰা ধৰি কৰি হাত
যায় ডেকা লৰা দুটি এই কথা কই
"যৌবন কাহাৰো চিৰ কলীয়া ন হয়"
এই কথা সিহতৰ,
মনত লাগিল বড়
উঠিল উথলি চিন্তা বুৰালে মনক
কিয়নো জগতে ভাল বোলে যৌবনক।
এই যে যৌবন কাল
যাক সবে বোলে ভাল
কত মানুহৰ কাল হয় জীৱনত
সদাই ঘটাই থাকে অসুখ মনত
কত কিনো মুঠে মনে,
দিনে ৰাতি ঘনে ঘনে,

কত ইচ্ছা কত বাঞ্ছা মনে মনে যায়
এটাও হুপুৰে মাত্ৰ লোভ দেখুয়াই।
দেখে নানা বিধ কথা,
কিন্তু মনে পায় ব্যথা,
কিয়নো নাপায় তাৰ এটাও বিচাৰি
থাকে আত্ম অভিলাষ মনতেই মাৰি।
প্ৰবল মনৰ গতি,
উধাৰ পাৰয় অতি,
এতেকতে দেখা পায় সুখৰ উৎকৃষ্ট,
যিটো বড় ভাল হয় ঈশ্বৰৰ সৃষ্ট।
কিন্তু হায় ভাগ্য বশে
নাইবা কাৰ্য্যৰ দোষে
ভোগ কৰিবলৈ পায় দুখৰ গৰিষ্ট
যেই বাটে খোজ পাতে তাতে দেখে বিষ্ট।
দেখে নানাবিধ সুখ,
পাম বুলি মেলে মুখ,
কিন্তু পোৱা টান বড় সকলো বোৰেই
নোৱাৰে পাবলৈ তাক জন যেই সেই।
কৰি পুৰুষাৰ্থ টান
কোনোটোএ কিছু মান
পায় হয়,মাজে মাজে তেজ কৰি পানী
কিন্তু তাৰ পৰা শেষে হয় গই হানি।
অলপ চাকিব পাই,
মন উত্ৰাউল হয়,
আৰু খোজে খাবলৈ পেট মুৰ ভৰি
কত পাব? পোৱা টান বহু যত্ন কৰি

কোনোটো পুলকি হাত
পর্শ সুখ দিয়া গাত
পলায় লবিয়া সিতো উভতি নাচায়
কেৱল দুখৰ দলি মনক মাৰয়।
আৰু আছে কিছুমান
যাক পোৱা বড় টান
কল্পনাত বাজে কভু দর্শন নহয়
ইহ জন্মে নবে তাক ঢুকিও নাপায়।
এই দবে কিছু পোৱা,
আৰু যত পলবীয়া,
ইচ্ছাবোৰে দিয়ে দুখ যৌবন কালত
সদায় অসুখ এটা ঘটায় মনত।
যেতিয়া জুৰাব তেজ,
কমিব মনৰ বেগ,
উষ্ণ উত্তাৱল ভাব ক্রমে কমি যাব,
প্রবল পবন গই কিছু সাম্য হব।
হব মন কিছু ধীৰ,
মতি হব ক্রমে থিৰ,
ইচ্ছাই ধৰিব রূপ গই নিয়মিত,
সুস্থিৰ গভীৰ হব মানুহৰ চিত,
তেতিয়া কি সুখ পাব!
অসুখৰ হেতু যাব,
শান্তি আহি কোলা পাতি লব তেতিয়াই,
জুৰাব শৰীৰ মন কোনো চিন্তা নাই।
মানুহৰ এই কাল,
হব পাবে কিছু ভাল,

আৰু দেখা যায় ভাল লৰা কাল বড়,
নাই চিন্তা ভাব একো সুখৰ আকৰ।
কিন্তু গৰু ছাগলিতো,
দেখা যায় সুখ ইতো,
আগে হে দেখিব তাক পায় সৰ্ব্বদাই
ভোগে তাই তাৰ একো গমকো নাপায়

স. ব.

---

# গাৰো বৃত্তান্ত।

## তৃতীয় অধ্যায়।

### গাৰোৰ উৎসৱ।

গাৰোবিহু আৰু হানাঘোড়া। গাৰোহতৰ ভিতৰত জাতীয় উৎসৱ একো নেদেখিলোঁ। আমাৰ দৰে ইহুতেও বিহু কৰে—তাকেই ইহুঁতৰ জাতীয় উৎসৱ বুলি ধৰিব পাৰি। বিহুৰ উৎসৱৰ সীমা অকল আমাৰ ভিতৰতে বদ্ধ নহয়—বিহুত গাৰোবিলাকো মত্ত হয়। আমাৰ ফালে বঁহাগৰ বিহু সাত দিনলৈকে থাকে; কিন্তু সংক্ৰান্তি আৰু বঁহাগৰ প্ৰথম দিনতেই বিহুৰ ভৰ। গাৰোহঁতে হলে বিহুত সমানে সাতো-দিনেই উৎসৱ কৰি থাকে। গাৰোহঁত অসভ্য; ইহঁহৰ ৰুচিৰ অবশ্য সমালোচনা কৰিব নেপায়, কিন্তু এই অসভ্য গাৰোহঁতে বিহুত যি উৎসৱ কৰে আমাৰ সভ্য বিলাকৰ উৎসৱতকৈ সি বহুত গুণে ভাল। আমাৰ সভ্য-ৰুচিৰে ভায়েক-ভনীয়েকক ঢোল কোবাই নচোৱাকে ভাল দেখে ভায়েকৰ আগত ভনীয়েকে নিলাজ গীত গোৱাকো শলাগে, সৰ্ব্বসাধাৰণৰ আগত বিহু হাটত-বিহু গীত গাই উৎকট

বিকটৰূপে চিঁয়ৰি চিঁয়ৰি টকা কোবাই অশ্লীল অঙ্গ-ভঙ্গি কৰি নচাকো অনেক ভদ্ৰ সন্তানে হাবিয়াস কৰি চাবলৈ যায়, কিন্তু অসভ্য পৰ্ব্বতীয়া গাৰো আৰু হানাহঁতৰ এনে নহয়। সিহঁতৰ বিহু-আমোদ নিৰ্দ্দোষ, সভ্য আৰু গতিকেই আমাৰ দোষময় আৰু অসভ্য আমোদতকৈ উৎকৃষ্ট। গাৰো হঁতে "হানাঘোড়া" নামেৰে দেও এবিধক উপাসনা কৰে। বিহুত সিহঁতে সেই দেও পূজা কৰি হানাঘোড়াৰ প্ৰতিমূৰ্ত্তি এটি লই গাওঁএ গাওঁএ পয়ছা খুজি ফুৰে। সিহঁতৰ ভিতৰত এটা বিশ্বাস আছে যে যিবছৰ বিহুত সিহঁতে হানাঘোড়া পূজা নকৰে সেই বাৰ গাওঁত উৎপাত যায়। ভালকৈ ক্ষেতি নহয় আৰু মহামাৰী ইত্যাদিএ ব্যয়তক বড়কৈ পীড়া কৰে। ইহঁতে বছৰৰ ভিতৰত বঁহাগৰ বিহুত এবাৰ মাথোন হানা-ঘোড়া নমায়। আগে এই হানাঘোড়া পূজা কেবল গাৰো আৰু হানাহঁতৰ ভিতৰত আছিল, কিন্তু আজি-কালি সিহঁতকে অনুকৰণ কৰি গাৰোৰ ওচৰচুৱৰীয়া বহুত বঙা আৰু কছাৰীএও হানাঘোড়া পূজিবলৈ শিকিছে। বিহুত ইহঁতৰ অন্য অন্য আমোদও আছে কিন্তু হানাঘোড়াই সকলো-তকৈ উৎকৃষ্ট আৰু বোধ কৰো কছাৰী আদি অন্যান্য পৰ্ব্ব তীয়া জাতীৰ ভিতৰত যি বিহুৰ আমোদ আছে, সকলোতকৈ এই হানাঘোড়া ভাল।

হানাঘোড়া কি আৰু কেনেকৈ কৰে। ই যে এবিধ জন্তুৰ প্ৰতিমূৰ্ত্তি তাক আগেএ লেখা হইছে। যি মানুহটোএ হানাঘোড়াৰ ভাৰ লয় তাৰ সাজ কাছ দেখিলেই হাঁহিএ খুন্দা মাৰি ধৰে তেওঁৰ মূৰ্ত্তিটি দেখিলেই চুৰ্ত্তি হেৰায়। হানা-ঘোড়াৰ শৰীৰটো কঁলা কাপোৰ এডোখৰ ঘোড়াৰ গাৰ দৰে সি দিয়ে সেই কাপোৰৰ মাজেৰে মুৰ উলিয়াৰ পথাৰ

সমান এডোখৰ নিসিয়াকৈ মুকলিএ থোৱা হয়। হানাঘোড়া হোৱা মানুহটোএ এই মুকলি ডোখৰেৰে মুখ গুমাই কাপোৰৰ শৰীৰটো দাঙ্গি লয়। এই কাপোৰৰ শৰীৰৰ আগত কাঠৰ ঘোড়াৰ মুখ এটা থাকে এই অপৰূপ মূৰ্ত্তিটো লই হানাঘোড়া দেৱে নাচি নাচি পইছা খুজি ফুৰে। হানাঘোড়াৰ লগত এদল বাজনীয়াৰ, কেটামান গায়ক, আৰু দুজন নাচনীয়াৰ থাকে। বাজনীয়াৰ বাহে বাজনা বজালে সেই বাজনাৰ চেৰে চেৰে হানাঘোড়া আৰু তেওঁৰ লগৰ নাচনীয়াৰ দুজনে নাচে। বাজনাৰ ভিতৰত তাল থাকে, খোল থাকে, দুটি বা তিনটি বাঁহৰ বাঁহি থাকে, দুটি বা তিনটি শিঙ্গা থাকে, দুটা-মান নাগাৰা থাকে আৰু এটা বা দুটা মানুহে ভগা-কোৰৰ কান এটা বা দুটা কোবাই কোবাইএ বাজনা বজোৱাৰ হাবিলাস মিটায়। দলৰ ভিতৰত প্ৰায় ১৫।২০ জনমান মানুহ থাকে। হানাঘোড়াৰ লগৰ নাচনীয়াৰ দুটাৰ এটাৰ হাতত চাল এখন আৰু এটাৰ হাতত তৰোৱাল এখন থাকে। গায়ক-বিলাক ৮।৯ বছৰীয়া লৰা। ইহঁতে যি গীত গায়, শুনিলো সেই গীত বোলে ভাল নহয় কিন্তু সেই গীত যুদ্ধ যাত্ৰাৰ গীতহে হব পায়, কিয়নো গীতৰ ভিতৰত যুদ্ধৰ কথাৰ উল্লেখ আছে আৰু সিহঁতে নাচে ও যুদ্ধৰ সাজ লয়। বংশীধাৰী বিলাকে বড় সুন্দৰকৈ বাঁহি বজায়। অসভ্য গাৰো আৰু হানাৰ ভিতৰতো সঙ্গীতৰ যে এনে প্ৰচলন আছে ই বড় আচৰিত আৰু চকুত লগা কথা। লৰাবিলাকৰ মাত স্বভাৱতই কোমল সিহঁতে গীত গালে গতিকেই শুনিবলৈ বড় মিঠা লাগে। কিন্তু গোটেই একে সুৰেই একে গীতকে গাই দেখি শুনিবলৈ অলপ আমনি লগাৰ দৰে হয়। যিকি হক, ইহঁতে গীতৰ ভাৱটো লৰাৰ ওপৰত পেলাই দি ভাল কৰিছে। এই লৰা

আৰু বাজনীয়াৰ সকলে হানাঘোড়াৰ চাবিও ফালে ঘুৰি ঘুৰি গীত গাই আৰু বাজনা বজাই ফুৰে। ইংৰাজী ধৰণৰ ভাৱনাত কৰনেট বাজনীয়াবে যেনেকৈ তাল মান ঠিক কৰি লই কেতিয়াবা কেতিয়াবা একো একোবাৰ সুৰদি থাকে, হানাঘোড়াৰ লগৰ শিঙ্গা-বাজনীয়াৰ হতেও সেই দৰে বাঁহি আৰু তাল খোলৰ মাজে মাজে একো একো বাৰ শিঙ্গা বজাই সুৰ দি থাকে। ইহঁতেও অবশ্য তালমান লইহে বজায়। নাচনীয়াৰ আৰু গায়ক বিলাকক এৰি দিলেও হানাঘোড়াৰ বাজনাক শলাগিব লাগে। আমি সিহতৰ অকল বাজনাকে বজাই শুনিছিলো। যদিও সভ্য জাতীৰ বাজানাৰ লগত সিহঁতৰ বাজনাৰ তুলনা হব নোৱাৰে তেও সিহঁতে যেনেকৈ তালমান ঠিক কৰি নিয়মমতে বজায় আন্ কিছুমান পৰ্ব্বতীয়া জাতীৰ বাজনাতকৈ সি অবশ্যে বহুত গুণে ভাল।

---

## বাঞ্ছা।

কি দেখিলো হাঁয় হাঁয়,
এনেনো অপূৰ্ব্ব ঠাই,
নহব নাছিল আৰুএই জগতত।
দেখি মন মোহগল,
প্ৰায় সুশীতল হল,
বড় তৃপ্তি পোৱাগল তাৰ দৰ্শনত।
জল নিধি পাৰ হই,
তাৰ বাম ফালে গই,
দেখা পালো এক অতি পৰ্ব্বত বিশাল।

তাৰ ওচৰতে আৰু,
কত আছে সৰু সৰু,
চাপৰ পৰ্ব্বত যেন দেখি বলৈ ভাল,
নাজানো ইবোৰ তাত আছে কত কাল।

২

উঠিতাৰ পুৰ চালে
চালো ময় কেউ ফালে,
দেখা পালো কিছু দূৰে সাগৰৰ পানী।
শুনিবলৈ পালো কানে,
এতিয়াও পৰে মনে
মৃদু মৃদু সুগভীৰ বহু-দূৰ ধনি।
দক্ষিণত হাবিয়নি
দেখা পালো ৰিণি ৰিণি,
সৰু বড় নানা গছ আছে আৰু তাত।
তাকে চাবলৈ ৰুলি
লাহে কৰি গা তুলি
নামিলো পৰ্ব্বত ময় তত লই গাত।
গই দেখা পালো যিবা
তাৰ কথা কম কিবা
নেদেখিলে কাৰো কভু বিশ্বাস নহয়।
শোভাৰ নাহিক শেষ
ধৰিয়া অপূৰ্ব্ব বেশ
ৰিৰাজে প্ৰকৃতি দেবী তাত অকলৈ।
দেখিলে এবাৰ তুমি কৰিবা প্ৰত্যয়।

৩

কোনে তাত ৰুইছিল,
কোনে পঢ়ি কৰিছিল,

এতেক খাজুরি গছ তাল নারিকল,
তামোল আঁহত চাম্ব
সাল শিশু আরু আম্ব
কত কত আরু তাত আছে সিরিফল।
কোনো ডাল আছে লাগি
কোনো ডাল দুরভাগী
নাই লগা গুটি তাত বজা গছ হাঁস।
কারো কারো তল ভরি
আছে ফল সরি সরি
লাবোতা চাবোতা তাক কোনো তাত নাই।
আছে তার মাঝে মাঝে,
ইসব গছতো বাজে
নানাবিধ অচিনাকি গছ মজলীয়া।
দেখিব সুন্দর অতি
রূপেবে মোহয় মতি
ওখয় ডাঙ্গর দেখি বিশেষ ধুনীয়া।
তাকে বেঢ়ি অনুগতা
সরু ইলাচির লতা
বগাইছে আগ গুরি ঢাকি সর্ব্বডাল।
তার পাসে লং ফুল
গোন্ধেরে করে আকুল
আর ফলো ওচরতে দেখিবলৈ তাল।
এই বোর গছে পরি
নানা পখী সুর ধরি
বহুবিধ মাত মাতি গাইছিল গীত।
সরু সরু কোনো বোরে
ঝপিয়ায় নৃত্য করে

ইপিনে সি পিনে পৰি মোহিনীয়ে চিত।
কোনো বোৰে মুখ মেলি কৰে পিত পিত।

৪

ইচ্ছা হয় এই বনে
থাকিয়া একান্ত মনে
প্ৰকৃতিৰ সহ সুখ কৰোঁ অকলৈ।
নিজৰাৰ খাম পানী,
তাত একো নাই হানি
পুষিম উদৰ মোৰ ফল মূল লই।
নাই তাত কোনো দুখ
চিৰ কাল পাম সুখ
ভয় চিন্তা আশঙ্কা সকলো দূৰে যায়।
সুখ চিন্তা মনে ধৰি
জ্ঞানকে উদ্দেশ কৰি
থাকিম আঁতৰি মাজে মন থিৰ কৰি।
নিজৰাৰ ওচৰত
দুপৰীয়া সময়ত
সিলৰ ওপৰে বহি গহৰ তলত,
ভাবিম নিগূঢ় ভাব
সংসাৰৰ গতি ভাব
কিয়নো ভ্ৰমিছে প্ৰাণী এই জগতত।
কি কাৰণে জন্ম হয়
কিয়লৈ নো পায় লয়
কৰ পৰ আহে আৰু কলৈ চলি যায়।
এই বোৰ চিন্তা কৰি
শান্তি জল শিৰে ধৰি

কটাম দিনভাগ শোভা চাই চাই।
জোনাক জামিনী হলে
ধীৰে ধীৰে বায়ু চলে
ভ্ৰমণ কৰিম ময় কানন ভিতৰ।
নিস্তব্ধ মুকুতি ধৰি
আকাশলৈ দৃষ্টি কৰি
চিন্তা কৰি চাম মন্ন অন্তৰে অন্তৰে।
কিয়নো ঘূৰিছে জোন,
স্রষ্টাই বা তাৰ কোন
কিয়লৈ বা দিয়ে আনে বিমল পোহৰ।
সুকুযে বা কি কাৰণ
কৰে বস্মি বিতৰণ
কৰ পৰা হল আৰু তৰা মনোহৰ।
কিয় বায়ু বলবান
বহি মোক দিয়ে প্ৰাণ
কিয়লৈ বা গ্ৰহ বোৰ ঘূৰি ঘূৰি ফুৰে।
কি কাৰণ ধুম কেতু
বহু অনিষ্টৰ হেতু
মাঝে মাঝে দিয়া দেখা শব্দ কৰি ফুৰে।
কিয়নো সৰ্জিল বিধি,
পৃথিবী দুখৰ নিধি,
আৰু জন্ম দিনে কিয় যত প্ৰাণীচয়
কিয় সৃষ্টি সৃষ্ট হল
স্রষ্টাই নো কৰিল কল
দেখি দুখ সিহতৰ দয়া নকৰয়।
কৰিম ইয়াকে ভাবি পৰমায়ু ক্ষয়।

কিন্তু শঙ্কা হয় মনে
জাগি উঠে ঘনে ঘনে
অপার সন্দেহ রাশি হৃদয়ত মোর।
কোনো অবস্থায় ভাল
নালাগয় চির কাল
বৈকুণ্ঠ ধামতো যেন আছে দুখ ঘোর।
কিয়নো দেখিছো ময়
যি আছিল মধুময়
সিও কিছু দিন পরে লাগে বড় তিতা।
চেনিবো সোৱাদ যায়
কুহিয়াৰ টেঙা হয়
মাখনেও লাহে লাহে পায় কর্কশতা।
এতেকতে কি বিচিত্র
যাক আজি ভাবি মিত্র
লও তুলি যত্ন কৰি বুকুৰ ওপৰে।
কালি মহা শত্রু হই
হাতত কুঠাৰ লই
বিচাৰিব লগাবলৈ এক কোৰ শিৰে
আজি যিবা লাগে ভাল
কালি হয় সেয়ে কাল
বিস্বাদ বিকৃতি বেয়া বিষাদৰ হেতু।
এতেকেতে কিছু দিন
ইওতো লাগিব মনে
বেয়া, যাক ভাবো যেন আনন্দৰ সেতু
সকলোএ বেয়া হয় মূলে যাৰ কেতু।

ম. ব.

# প্রকৃত লাজ কি ?

এ দিন গধূলী দুজনী ছোৱালীএ বহি এইদৰে কথা কইছে। এজনীৰ নাম সৰলা ও অন্য জনীৰ নাম দুৰ্গা।

সৰলা। ছোৱালী বিলাকে যদি ভালকই পঢ়ি বলৈ শিকে আৰু তেঁও বিলাকৰ সকলো গুণ নেথাকে তেনে হলে সেই শিক্ষা শিকাই নহয়।

দুৰ্গা। ছোৱালীৰ গুণ বোৰনো কি ?

সৰলা। লাজ, দয়া, নম্রতা, ভক্তি, স্নেহ ও মায়া ইত্যাদি।

দুৰ্গা। মেমবোৰবতো লাজ নাই সিহতে সাহাবেৰে সইতে একেলগে মানুহৰ আগত ফুৰে, সিহতৰ লাজ নাই কিন্তু সিহতেতো বড় ভালকই লেখিব পঢ়িব জানে। আৰু মানুহৰ লাজ থাকিলে মুৰত কাপড় দি থাকে, সিহতে তাক নি দি সাহাবেৰে সইতে ছটছটাই ফুৰে।

সৰলা। দুৰ্গা। তুমি ভ্রম বুজিলা। মুৰত কাপড় নিদিলেই যে তাৰ লাজ নাই সি নহয় লাজ মুৰত নহয় কিন্তু মনত।

দুৰ্গা। বাৰু, লাজ মনত আছেনে নাই তুমি কেনেকৈ জানিবা ?

সৰলা। কিয় নজনা ছোৱালী বিলাকৰ কি লাজ প্রকাশ কৰিবলৈ দেখা নেযায়নে সিঁহতেতো মুৰত কাপড় নিদিয়ে এনে কি সিহতে কাপড় পর্য্যন্ত নিপিন্ধে কিন্তু সিহতক কি কেতিয়াও লজ্জিত হবলৈ নেদেখানে ? সিহতে কেতিয়াই লাজ পাই কেতিয়াই মুৰতল কৰি থাকে বা চকুৰে লাজ প্রকাশ কৰে।

দুর্গা। সাহাব আরু মেম সিহত একেলগেই থাকে সিঁহতবনো লাজ কি?

সবলা। দুর্গাবতী! তুমি আগব আর্য্যমানুহব অবস্থা নাজানা, আগেয়ে মুনিহ আরু তিবোতাই একেলগে ফুরিছিল সেই বুলি তেওঁ বিলাকব লাজ নাছিলনে?

দুর্গা। সাহাব আরু মেমব নিছিনা নহয়, এনে কেতিয়াও আমাব দেশব মানুহ নাছিল। আরু ইইঁতব লাজ কত আছে।

সবলা। সাহাব মেমব ভিতবত কোনো কোনো এনে ভাল যে তেওঁ বিলাকক দেখিলেই দেবতা বুলি বোধ হয়। লাজ প্রভৃতি সৎগুণ নেথাকিলে এনে ভাল হব নোয়াবে।

দুর্গা। লাজ নেথাকিলেই যে মানুহ ভাল নহয় তাব প্রমাণ কি?

সবলা। মঙ্গলময় পবমেশ্ববে মানুহক ভালে বাখিবব নিমিত্তে লাজ, ভয়, বিবেচনা শক্তি প্রভৃতি ভাল ভাল গুণ দিছে। যিমান দিন মানুহব লাজ থাকে তিমান দিন মানুহে লাজব ভয়ত পাপ কবিব নোয়াবে। লাজ গলেই পাপ সহজে কবা যায় আরু লাজ নহলে মানুহলৈ ভয় নাইকিয়া হয়, আরু তাব দ্বাবা যে মানুহব কিমান অপকাব হয়, তাককৈ কোনোএ বর্ণনা কবিব নোয়াবে। পৃথিবীব অধিকাংশ মানুহেই ভয়ত ভালে থাকে। বিবেক ও ঈশ্বব আজ্ঞাত থকা মানুহ কম। এই নিমিত্তেই কওঁ যে ভয় বা লাজ থকা বড় প্রায়োজন।

দুর্গা। লাজ কেনকেই বক্ষা কবিব লাগে?

সবলা। পাপব কাম কবিলে মানুহে মোক কি বুলিব; ঈশ্ববে খঙ কবিব এইরূপ ভাব মনত হই যে সেই কাম কবিবলৈ বিবত থাকে; তাব নামেই লাজ। আমাব দেশব

ছোৱালী বিলাকে শাহ শহৰৰ আগত মুৰত কাপড় দি লাজ প্রকাশ কৰে, কিন্তু অন্য বাহিৰ মানুহ আৰু চাকৰৰ আগত একণো লাজ নকৰে। ই ঠিক লাজৰ কাম নহয়।

দুর্গা। এনে লাজ কোনো কামৰ নহয়, এই লাজকে ছোৱালী বিলাকৰ স্থিৰ লাজ বুলি কোৱা নাযায়নে? মানুহে যে "ছোৱালীক স্বাধীন হবৰ নিমিত্তে কয়, এই লাজত কি ছোৱালী স্বাধীন হয়?"

সৰলা। ঠিক স্বাধীনতাই সইতে লাজৰ কোনো প্রভেদ নাই। ঈশ্বৰৰ অধীন হোয়া বা কর্ত্তব্য কামৰ অধীন হোয়াই যথার্থ স্বাধীনতা। পাপ কৰিবৰ নিমিত্তে যি ভয় হয় তাৰ নামেই লাজ, সুতৰাং এই দুটাৰ আৰু কোনো প্রভেদ নাই। কর্ত্তব্য কাম বুঝি ঈশ্বৰৰ আজ্ঞা জানি কাম কৰাৰ নামেই স্বাধীনতা। গাড়ী ঘোড়াত, উঠিলেই যে স্বাধীন হয়, সেইটো নহয় ও মুনিহ মানুহেৰে সইতে কথাবার্ত্তা কোৱাও স্বাধীনতা নহয়, কিন্তু কর্ত্তব্য কামক নির্ভয়ে কৰাই প্রকৃত স্বাধীনতা।

দুর্গা। ভয় থাকিলে মানুহৰ লাজৰ প্রয়োজন?

সৰলা। লাজ থাকিলেই যে মানুহৰ ভয় হয় এনে নহয়। সমাজৰ শাসনক নামেই মানুহৰ ভয়। পাপৰ কাম কৰিলেই যে মানুহক ভয় হয় সি এক প্রকাৰ ভাল। কিন্তু ভাল কাম কৰিবক নিমিত্তে মানুহক ভয় হলে এই হয় যে তাৰ বাবা মানুহে পাপ কাম নকৰে। ঈশ্বৰৰ প্রতি যাৰ বিশ্বাস তেওঁ মানুহক ভয় কৰিব নেলাগে। বিশ্বাসী, মানুহে সর্ব্বদাই ঈশ্বৰৰ পথত চলে, তেওঁক ভয় কৰে. ঈশ্বৰক ভয় কৰি পাপ কাম কৰিবৰ নিমিত্তে ভয় পায়। হে দুর্গা! মোৰ শেষ কথা এই যে ছোৱালী বিলাক দয়ালু, নম্র, লাজুকা বিনয়ী, ধীৰ

হোৱা উচিত। তুমি এই সকলো গুণত গুণৱতী হোৱা ও সকলো ছোৱালী এনে ভাল হয় এই মোৰ বাঞ্ছনীয়।

দুর্গা—মোৰ বন বাড়ি কৰিবৰ হইছে আজি যাওঁ।

সবলা—আন দিনা এই বিষয় ভালকৈ কম।

স্ব. ব.

---

## সন্ধ্যা।

১

পিন্ধি কলা সাজ সন্ধ্যা আই
লাহে লাহে চৰণ চলায়
বঙ্গমনে হল উপগতা।
যেনে, সজাইয়া নিজ অঙ্গ,
নত্ত বধূ কৰি ভাৰ ভঙ্গ,
পতি পাশে যায় লজ্জান্বিতা॥

২

শোভিছে খোপাত নানা ফুল,
মনোহৰ গন্ধত আমোল,
মনক যি বলিয়া কৰিছে।
কদম কেতেকী কৰবীৰ
ৰূপহী মালতী, জাইধীৰ,
মিটীকাই হাঁহিক মাৰিছে॥

৩

জোনাকী পৰুৱা সাজ সাৰি
জ্বলিছে ডিঙ্গিত মাৰি সাৰি
জিলিকণি ধৰয় চকুত।

যেহেন ধ্রুবর মণ্ডলত,
সপ্ত ঋষি জ্বলে ওপরত,
দেখিমণ যাক তৃপ্তিযুত ॥

৪

কুজর অলকা শ্রেণী শোভে,
ঘুরিয়া বতাহ যার লোভে,
থাকি থাকি ধেমালী করিছে।
রূপ দেখি পশ্চিমত স্তব্ধি
সূর্য্যে অস্ত চূড়া অবলম্বি
ভরাইয়া নয়ন চাহিছে।

৫

কিন্তু হায়! কিনো দুর্ভগীয়া,
দেখোতেই পড়িল খসিয়া,
সংসারর মায়া আচরিত।
তথাপি আমার মূঢ় মণ,
মরামন অতি অবুজন
মরে মজি ক্ষণিক-সৃষ্টিত

৬

ঝিলি নুপুরর রূপ ধরি,
বাজে পায়ে রুণু জুনু করি,
সিঞ্চনিত পমি যায় মণ।
সহচরী কেঁচায় উরুলী
দিয়ে থাকি থাকি সুর তুলি
শুনি হিয়া হয় উচ্চাটন ॥

৭

শঙ্খ-বাদ্য কাৰী শিয়ালৰ.
হোৱা হোৱা ৰৱ খৰতৰ,
দিশ বিদিশক পূৰি যায়।
হাম্বাশব্দে গৰুৰ পোৱালী,
খোজে খোজে উড়ুয়াই ধূলী,
গোমুখৰ বাদ্যক বজায়॥

৮

দিৱসৰ পৰিশৰমত,
ভাগৰে আকুল প্ৰাণী যত,
দেখি আই বিয়াকুল।
ফোকাৰিছে শোকৰ নিশ্বাস,
ৰিব্ ৰিব্ বায়ুৰ উচ্ছাস;
যেনে ৰিৰহিণী বিনা পতি॥

৯

প্ৰশান্ত মূৰ্ত্তি প্ৰকাশিয়া,
সুশীতল কোলা বিস্তাৰিয়া
আশ্বাসিছে তনয় সবক।
সি কোলাত পড়িয়া জগত,
মজিয়া শান্তিৰ সাগৰত,
ধন্যবাদ দিছে ঈশ্বৰক॥

১০

সন্ধ্যা আই আহিৰ দেখি,
নিশাচৰ জীৱ সব সুখী
হই, আপোনাৰ কামে ৰত।
দিবাচৰে জানি অন্তকাল

লগে লই নিজ নিজ পাল
আপোন স্থানত উপগত ॥

১১

দেৱালায়ে আৰতি কৰিয়া,
ধুপ-দীপ-নৈবিদ্যাদি দিয়া,
গাইছে ব্রাহ্মণে স্তৱ-স্তোত্র।
ভকত মহন্ত সাধু সবে
হৰিধ্বনি কৰে উচ্চৰবে
শুনি মন হোৱয় পবিত্র ॥

১২

দৱা-ঘণ্টা-তাল-কৰতাল,
মৃদঙ্গ-গোমুখ বাজে ভাল,
সিসবে মনক মোহিনিছে।
ঠায়ে ঠায়ে ঐক্যতান দল
মন-কান কৰিয়া শীতল,
সুমধুৰ সঙ্গীত কৰিছে ॥

১৩

এইৰূপে অলক্ষণ আছে,
পড়িল "পৰদা" সন্ধ্যা পাছে
লুকালে আপোন কলেবৰ।
আপোনাৰ পাল উপস্থিত,
দেখি নিশা হই পুলকিত
সমাগতা আকৃতি গম্ভীৰ ॥

ল. বে.

# কৈশিকাকর্ষণ।

শৰু শৰু নলিৰে জল বা আন পনীয়া বস্তু ওপৰলৈ উঠিবলৈ দেখি। যদি পানী থকা বাটী এটাত নলি এডাল জুবুৰিউয়া যায় তেনেহলে সেই নলি ডালৰ বাহিৰে যি মানলৈ পানী থাকিব তাতকৈ ওখলৈ নলিৰ ভিতৰেৰে পানী যাব। ইফালৰ পৰা সি ফালে দেখা বেলোৱাৰী কাঁচৰ নলি হ'লে ভালকৈ ইয়াক দেখিব পাৰি। যি কাৰণৰ নিমিত্তে নলিৰ ভিতৰেৰে এইৰূপে পানী উঠে তাকে কৈশিক আকর্ষণ বোলে।

ছিদ্ৰ থকা ফোঁপোলা বস্তুৰ ভিতৰেৰে এইৰূপে পনীয়া বস্তু আকৃষ্ট হই যায়। স্পঞ্জ নামে এবিধ বস্তু আছে তাৰ এফালে পানী লাগিলে সেই পানী বিয়পি গই পানী নপড়া ঠাই তিয়াই পেলায়। কিছুমান সৰহ লোণ বা চেনী এঠাইত থাকিলে তাৰ এফালে পানী লাগিলে সেইৰূপে পানী নলগা ঠাইলৈ পানী আকর্ষিত হই গই তাকো তিয়ায়। ব্ৰহ্মপুত্ৰৰ দাঁতিত বালি থাকিলে যি মানলৈ পানী যায় তাতকৈ অনেক বামৰ বালি তিতি থাকে। চাকীত শলাকানীৰে তেল গঁই চাকী জ্বলাই থাকে। কোনো সুতা বা কাপড়ৰ কোনো এক অংশ পানীত পড়িলে যিমান অংশ পানীত পড়ে তাতকৈ সৰহ অংশলৈ পানী আহে। এই বিলাক সমুদায় কৈশিক আকর্ষণৰ শক্তি। সেই সুতা লোণ চেনী বালি প্ৰভৃতিৰ ভিতৰে যি বিন্ধা আছে সেই বিলাকেৰে, নলিৰে পানী যোৱাৰ দৰে, তৰল বস্তু যায়।

মজিয়া তিতা বা জেকা হ'লে বেড়ৰ দাঁতিৰে কিছু ওপৰলৈকে পানী উঠি তাক জেকা কৰে। পৃথিবীৰ বস গছৰ শিপাৰে ওপৰলৈ উঠে। বৃষ্টিৰ জল মাটীত পড়িলে সেই জল

মাটীর ভিতরলৈ যায়। ইও কৈশিকাকর্ষণ শক্তির নিমিত্তে; গছর শিপা আরু মাটীত সেইরূপ বিন্ধা আছে। সেই বিন্ধারে নলির দরে রস আরু পানী আকৃষ্ট হয়। তুলাপাতর বা কাপড়র এঠাইত পানী বা মহি পড়িলে যিমান ঠাইত সেই পানী বা মহি পড়ে তাতকৈ সবহ ঠাই এই কৈশিকাকর্ষণর প্রভাবেই তিতে।

সেই নলি বা বিন্ধার ভিতরর জলর পরমাণু বিলাক যোগাকর্ষণর দ্বারা পরস্পর আকৃষ্ট হয়। মাধ্যাকর্ষণর শক্তি স্থগিত করি কেতিয়াবা কৈশিক আকর্ষণ গুণে কোনো পনীয়া বস্তু ওপরলৈ উঠে কিন্তু যেতিয়া মাধ্যাকর্ষণর শক্তি ইমান সবহ হয় যে কৈশিকাকর্ষণে তাক দমাব নোৱাৰে তেতিয়া সেই বস্তু ক্রমে আকৌ তললৈ আহে। প্রকৃতে এই কৈশিকাকর্ষণর উন্নত গতি আরু অবনত গতি অর্থাৎ ওপরলৈ উঠা আরু তললৈ নমা একে কাৰণতে থাকি হয়।

---

## বাসায়ণিক আকর্ষণ বা সম্বন্ধ।

যোগাকর্ষণ প্রভৃতি আকর্ষণর দ্বারা যি যি বস্তু আকৃষ্ট হয় তার প্রকৃতি বেলেগ নহয়। জলত জল আরু লোণত লোণ একত্র করিলে তার প্রকৃতি বেলেগ নহয়। কিন্তু বাসায়নিক আকর্ষণ নামে এবিধ আকর্ষণ আছে তার দ্বারা পরস্পর দুটী বস্তু একে লগ হ'লে সেই সেই বস্তুর প্রকৃতি একেবারে পরিবর্ত্তিত হই ভিন্ন এবিধ বস্তু হয়। পারা বা রস শ্বেতবর্ণ তার প্রকৃতি এক প্রকার, গন্ধক হালধীয়া তার প্রকৃতি এক প্রকার। এই দুইও বস্তু মিশ্রিত হই হিঙুল নামে এবিধ বেলা বস্তু উৎপন্ন হয়। ইয়ার প্রকৃতি স্বতন্ত্র। হালধি হালধীয়া আরু

চুণ বগা। এই দুইও মিহলি হ'লে বঙ্গা বর্ণব এবিধ বস্তু উৎপন্ন হয়। সংসাবত কেতবিলাক মূল পদার্থ আছে সেই বিলাকবে কেতবিলাক মিহলি হই আন এবিধ বস্তু হয়। যেনে টিন বা বগিতাম আৰু তাম মিহলি কবিলে কাঁহ, দস্তা আৰু তাম মিহলি কবিলে পিতল হয। বাসায়ণিক আকর্ষণ আৰু সম্বন্ধব নিমিত্তে এইৰূপ ঘটে। বিশেষ বিশেষ বস্তুব স্বভাব-সিদ্ধ ৰূপে বিশেষ সম্বন্ধ থাকে। সেই কাবণে উভয়ে মিলি স্বতন্ত্র এক প্রকাব গুণ ধাবণ কবে, যেনে কাঁচব এপিঠিত যদি বস বা পাবা দিয়া যায় তাবে আচ্ছী হয় মুখ দেখি আৰু যদি মাটী দিয়া যায় মুখ নেদেখি। সোণব লগত যদি পাবা মিহলোৱা যায় সোণব বর্ণ গুছি বগা হয় আৰু সোণব গুণ অধিকাংশে গুছে। কিন্তু তাত যদি পানী লাগে মছি গুচাব পাবি সি সোণব লগত নিমিলে। দ্রব্য সংযোগব দ্বাবা কোনো বস্তু কেতিয়াবা বিষ হয় আৰু কেতিয়াবা উপকাবী ঔষধ হয়। এই বাসায়ণিক সংযোগ বা আকর্ষণব কাবণে ভূমণ্ডলত নানাবিধ বর্ণ আৰু বস্তু উৎপত্তি হই সংসাবব বিচিত্র শোভা বৃদ্ধি কবিছে।

---

## চৌম্বকাকর্ষণ।

চুম্বক নামে এবিধ শিল আছে। তাব এইটী গুণ আছে যে সি লৌহ আকর্ষণ কবে। এডুখবি চুম্বক যদি লোব ওচবলৈ নিয়া যায় তেনেহলে সেই লো চুম্বকব দ্বাবা আকৃষ্ট হই চুম্বকব গাত লাগিব। চুম্বক আৰু লোহাব পবিমাণ অনুসাবে এই আকর্ষণ শক্তিব তাবতম্য হয়। দবজী বিলাকে লোব শক্ৰ বেজীবে কাম কবে। পাছে সেই বেজী দৈবাৎ

হেৰাচেল চুম্বক এডোখৰ হেঁচোয়া ঠাইৰ ওপৰেৰে নিলেই সেই চুম্বকৰ গাত আকর্ষণ গুণে বেজি লাগেহি। যদি দুফালে চুম্বকৰ দেৱাল বা বেড় দিয়া যায় তেনেহঁলে বড় গধুৰ পৰিমাণৰ লৌহ খণ্ডকো শূন্যতে বাখিব পাৰিব কিয়নো দুফালৰ পৰা চুম্বকে লৌহ খণ্ডক আকর্ষণ কৰাত সেই লৌহ খণ্ড মাঝতে থাকিব। চুম্বকৰ এটী প্রকৃতি এই যে তাৰ এমুখ সদাই উত্তৰ মুখীয়া আৰু সিমুখ দক্ষিণ মুখীয়া থাকে। চুম্বকৰ শলি এডালী লগত থাকিলে তাৰ দ্বাৰা কি অগাধ সমুদ্র কি ঘোৰ অৰণ্য সকলো ঠাইতে দিক নিরূপণ হঁব পাৰে। এই চুম্বকৰ শলাৰেই কম্পাস বা দিগ্‌দর্শন যন্ত্র প্রস্তুত কৰে।

চুম্বকত লৌহ বা তিথা ঘহিলে সেই লৌহ বা তিখাইও চুম্বকৰ প্রকৃতি পায়। ইয়াক কৃত্রিম চুম্বক বোলে। কম্পাস যন্ত্রৰ কাঁইট ডাল আন মুখীয়াকৈ খঁলেও তাৰ মুখ আপোনা আপুনি উত্তৰ ফাললৈ হয়। লৌহক আকর্ষণ কৰা আৰু উত্তৰ মুখীয়া হই থকা এই দুইওটী চৌম্বকাকর্ষণৰ শক্তিৰ নিমিত্তে ঘটে।

---

# তাড়িত বা বিদ্যুতাকর্ষণ।

পৃথিবী আৰু পৃথিবীৰ ওপৰৰ বায়ু মণ্ডলত তাড়িত বা বিযুলী নামে এবিধ অতি সূক্ষ্ম পদার্থ আছে। পৃথিবীৰ সমুদায় বস্তুতো কিয়ৎ পৰিমাণে বিযুলী আছে। ইয়াক সদাই নেদেখি। বিযুলীৰ এটী প্রকৃতি এই যে সি সকলো ঠাইত সমানে থাকে। কোনো ঠাইত অল্প আৰু কোনো ঠাইত সৰহ বিযুলী থাকিলে সেই সৰহ বিযুলী অল্প পৰিমাণে থকা বিযুলীলৈ যায়। কোনো একখণ্ড মেঘতকৈ যদি আন এক

খণ্ড মেঘত কম পৰিমাণে বিযুলী থাকে তেন্তেহলে সৰহ বিযুলী থকা মেঘে অল্প বিযুলী থকা মেঘৰ ওপৰাওপৰি হোৱাত সৰহ ভাগৰ কিছুমান বিযুলী অল্প ভাগলৈ যায়। এই দুই বিযুলীৰ সংযোগত এবিধ জ্যোতিঃ উঠে আৰু গৰ্জ্জন হয়। এই কাৰণেই বিযুলী আৰু মেঘৰ গৰ্জ্জন ঘটে। কেষ্টিয়াৰ কোনো কাৰণত আকাশৰ পৰা পৃথিবীলৈ আৰু পৃথিবীৰ পৰা আকাশলৈ বিযুলী অহা যোৱা কৰে, তাতো বিযুলীৰ জ্যোতি আৰু মেঘ গৰ্জ্জন হয়। কেতিয়াবা কোনো কোনো বস্তুৰ পৰা বিযুলী উৎপন্ন কৰিব পাৰি। ধূনা, তেল, স্ফটিক, গন্ধক, কাঁচ, পাট প্ৰভৃতি কিছু মান বস্তুত অল্প বিযুলী জন্মাব পাৰি। কাঁচ কিম্বা লা শুকণি হাতত অথবা নোমৰ বা পাটৰ বস্তুত ঘঁহি, চুলি, সূতা চড়াইৰ পাখি, তুলা কিম্বা আন কোনো লঘু দ্ৰব্যৰ ওচৰলৈ নিলে সেই কাঁচ বা লাই সেই সেই বস্তুক আকৰ্ষণ কৰিব। একখণ্ড জাঙ্গফাই যদি শুকান গাত অথবা কোনো পাট বা মুগা বা লোমৰ কাপড়ত ঘঁহা যায় আৰু চালৰ শৰু শৰু কুটা তাৰ ওচৰলৈ নিয়া যায় তেন্তেহলে তাক সেই জাঙ্গফাই ডোখৰে আকৰ্ষণ কৰিব। তাড়িতাকৰ্ষণেই ইয়াৰ কাৰণ। সকলো প্ৰকাৰ ধাতু আঙ্গাৰ লোণা জল প্ৰভৃতি কেতবিলাক বস্তু তাড়িত পৰিচালক অৰ্থাৎ তাৰ দ্বাৰা বিযুলী চলাব পাৰি আৰু চলে। কাঁচ, গন্ধক, ধূনা, পৰিশুষ্ক বায়ু, কাঠ, কাগজ, চুলি, পাটসূতা, পশুৰ লোম, চড়াইৰ পাখী অপৰিচালক. অৰ্থাৎ ইয়াৰ দ্বাৰা বিযুলী আন ঠাইলৈ চলাব নোয়াৰি আৰু নচলে। টেলিগ্ৰাফ নামে যি যন্ত্ৰ তাতো বিযুলীৰ প্ৰকৃতি আছে। এই বিষয় এই ক্ষুদ্ৰ পুস্তকত লেখা বাহুল্য। পাঠক সকলে অধিক পঢ়িলে জানিব পাৰিব।

---

# ভারকেন্দ্র।

বস্তু মাত্রবে এনে এটী স্থান আছে যঁত সেই বস্তুব সমুদায় ভাব অন্তর্হিত থাকে আরু যত ধবিলে সেই বস্তুটী স্থিব হই থাকে। সেই স্থানটী এটী বিন্দু ইয়াকে ভাবকেন্দ্র বোলে। সমান এডাল লৌহ দণ্ডব ঠিক মাজ ঠাইত জবি লগাই ওপবত আড়ি ধঁলে সেই বস্তু স্থিব হই থাকিব। কোনো ফালে নামি নাবায়। কিয়নো ভাব সেই জবিব দুফালে যি পবমাণু বিলাক আছে সেই বিলাক পৃথিবীব মাধ্যাকর্ষণব নিমিত্তে সমানে আকৃষ্ট হয়। সেই ভাবকেন্দ্র বিন্দুত কোনো ভাব না থাকে। সকলো বস্তুব ভাবকেন্দ্র বিন্দু সম মধ্যস্থলত নহয়। সেই বিন্দু বিচাবি উলিয়াবব নিমিত্তে পণ্ডিত সকলে নিয়ম স্থিব কবিছে। গোলাকাব বস্তুব ভাবকেন্দ্র তাব মধ্য কেন্দ্র। আদঠি আরু ঢোলব ভাবকেন্দ্র তাব মাজব শূন্য স্থানত। দীর্ঘাকাব অথচ একালে সরু আরু আন ফালে ডাঙব এনে বস্তুব ভাবকেন্দ্র ঠিক সেই বস্তুব মাজ ঠাইত নহয়: বিফালে ডাঙব সেই ফালব ওচবতে কোনো ঠাইত সেই বিন্দু থাকে। বাজিকব বিলাকে জবি এডালব ওপবেবে যাওতে বাঁহ এডাল ধবে। সিইঁতে সেই বাঁহব ভাবকেন্দ্র জানি তাতে হাতেবে ধবে সেই কাবণে সেই বাঁহ ধবি সিইঁতে জবিব ওপবেবে অহা যোৱা কবে।

কোনো বস্তুব ভাবকেন্দ্রব পবা এটী লম্ব বেখা টানিলে যদি সেই বেখা সেই বস্তুব ভিত্তবতে পড়ে তেনেহলে সেই বস্তু স্থিব থাকে। সেই নহ'লে সেই বস্তু স্থিব হই থাকিব নোৱাবে হলি পড়ে। কোনো প্রাচীব বা স্তম্ভব ভাবকেন্দ্রব পবা লম্ব বেখা টানিলে সেই বেখা যদি ভাব ভিত্তবতে তলত

পড়ে সেই প্রাচীর বা স্তম্ভ নপড়ে। যদি কোনো কারণত সেইরূপ নঘটে সি পড়িব। বতাহত গুড়ি উভলি হঁলি পড়া গছ অনেক দিন মাটীত নপড়াকৈ থাকে। তার কারণ এই যে সেই গছর ভারকেন্দ্র বিন্দুর পরা লম্ব টানিলে সি সেই গছতে পড়ে। যি বস্তুর ওপর ভাগ তলর ভাগতকৈ সরু সি সেই কারণে স্থির হই থাকে আরু হলিলেও হঠাৎ নপড়ে। কিন্তু যার ওপর ভাগ অপেক্ষা নিম্নভাগ সরু সেই বস্তু শীঘ্রে পড়িবর সম্ভব। মানুহ সজরূপে থিয় হই থাকিলে সেই লম্ব রেখা দুই ভরির মাজতে পড়ে সেই কারণে স্থির হই থাকিব পারে। যদি এখান ভরি তুলি এখান ভরিরে থিয় দিয়া যায় তেনেহ'লে সেই লম্ব রেখা আগর ঠাইত নপড়াত স্থির থাকিব নোয়ারি। পিছলা খাই এফালে পড়িবলৈ ধরিলে মানুহে স্বভাবতঃ ইখন হাত মেলি দিয়ে তার কারণ এই যে শরীরর ভারকেন্দ্র শরীরর তলতে থাকে। কোনো কারণত ইয়াক করির নোৱারিলে মানুহ পড়ি যায়।

তললৈ মুর করি কোনো নাদর পরা পানী তুলিব লাগিলে ভারকেন্দ্র ঠিক থাকিবলৈ লোকে ভরি দুখান বহলাই দিয়ে। মুরত বোঝা লই চলিব লাগিলে মুর থিয় কৈ যাব লাগে। পিঠিত বোঝা ললে সম্মুখর ফালে আরু সোঁও ফালে ভার ললে বাঁও ফালে হলি যাব লাগে। মাচিযার পরা উঠিলে অথবা জখলারে ওখলৈ উঠিলে সম্মুখর ফালে হঁলি যাব লাগে আরু তললৈ নামিলে কিছু পিঠি ফালে হলিব লাগে। নৌকাত যাওঁতে যদি অকস্মাৎ ধুমুহাত পড়া যায় তেনেহ'লে তাতেই স্থিরভাৱে থাকিব লাগে। যদি তাক নকরি থিয় হোৱা যায় অথবা ইফাল সিফাল হোৱা যায় তেনেহ'লে নাৱর তলিব সিফালে তার ভারকেন্দ্র বিন্দু পড়াত নৌকা বুড়িবর সম্ভব।

পালা পানস আৰু তুলাচনীত সেই ঠাইতে জৰি বাখিলে বস্তু স্থিৰ থাকে যতে তাৰ ভাৰকেন্দ্ৰ বিন্দু থাকে। যিমান গধুৰ বস্তু হওক তাৰ ভাৰকেন্দ্ৰ বিন্দু স্থিৰ কৰিব পাৰিলে সেই ঠাইত জৰি লগাই তাক ওলোমাই স্থিৰভাৱে বাখিব পাৰি। আৰ্কিমিডিস্ নামে এজন পণ্ডিতে কইছিল বোলে যদি তেঁও পৃথিবীৰ কেন্দ্ৰ বিন্দুত জৰি এডাল লগাব পাৰিলে হেঁতেন তেনেহলে আঙ্গুলীৰ আগতে পৃথিবী খন ওলোমাই ধৰিলে হেঁতেন। ফলিতার্থে ভাৰকেন্দ্ৰ বিন্দুত সেই বস্তুৰ ভাৰ নাথাকে।

---

## ঈশ্বৰৰ স্থান কত ?

ৰূপহ জোনৰ জ্যোতি ধৌতময় অতি.
চকুৰ তৃপিত্তিকৰ মহা মনোহৰ,
যাৰ অনুভৱে হিয়া হয় সুশীতল,
কিবা সেই ঠাই ঈশ্বৰৰ বাস-ঘৰ।

২

আয়মী আনন্দ স্বৰগৰ পৰকাশি,
পুখুৰীত পদ্মফুল ফুলিয়া আছয়,
আপোন শোভাক ভাবি তবধ আপুনি,
কিবা জানো সিতো স্থান ঈশ্বৰ হয়।

৩

গোলাপপুষ্পৰ পাহী পৰম সুন্দৰ,
মিটিকীয়া হাঁহিবে হৰিষ হই মন,
বিস্তাবিছে আনন্দক অমৃতৰ তুল্য,
তাতেকি হইছে ঈশ্বৰৰ বাসস্থান।

৪

সেউটী মালতী জুতি জাঁই চেনীচম্পা,
শেৱালী বকুল আদি যতেক প্রসূন,
আমোদিয়া আছে গন্ধে গোটেই বাগিছা,
হয়নে কি ইসকল ঈশ্বৰ স্থান।

৫

কঢ়িয়াই মন্দ বায়ু ফুলৰ সৌৰভ,
সন্তোষিছে অসন্তোষী সমস্ত জগত,
সেই সৌৰভৰ মাঝে কিবা তাৰ ঠাঁই,
সদানন্দ নামে জানো তাতেই বেকত।

৬

গছৰ কোমল পাত নানা ৰবণীয়া,
ৰঙত বিভোল হই খেলিছে বায়ুৰে,
সিখেলাৰ মাঝে ভেওঁ কিবা আছে বহি,
অপৰূপ অপূৰুৰ আনন্দ প্রচাৰি।

৭

ভোমোৱাই গুণ্ গুণ্ ৰৱাবে মধুৰ,
কুহু কুহু ৰৱে কুলি পঞ্চম পুৰিছে,
সখিয়তী "সখিওঁ" মাতিয়া সুৱলা,
মোহে মন, কিবা তাৰ এই স্থান হইছে।

৮

কেতেকী "কেতেকী" কৰি মাতিছে কেতেকী,
কৃষ্ণপক্ষী তাৰ মাঝে "কৃষ্ণ" "কৃষ্ণ" ডাকে,
কাঢ়িনিছে মন, প্রাণ কৰিয়া বলিয়া"
আহা! ইসকল ঠাঁয়ে জানো ভেওঁ থাকে।

৯

জোপাত পৰিয়া সুললিত গান গাই,
ভাতকেছু আদি কৰি গায়ক চৰাই,
কিবা ইসকল গানে তেওঁৰ নিবাস,
ত্যেজিয়া সকলো আছে ইয়াত লুকাই।

১০

শিশুৰ মধুৰ হাঁহি আধা ফুটা মাত,
থানাক্ থুনুক খোজ তাভুলী ভাবুলী,
ফুলৰ সদৃশ ৰূপ তাৰ কি আলয়,
থাকে কি ইয়াত তেওঁ বৈকুণ্ঠক ভুলি।

১১

স্বৰ্গীয় দাম্পত্য প্ৰেমে কিবা তাৰ বাস,
ষোড়শীৰ ৰমনীয় ৰূপত কি জানি,
অথবা বিজুলী হৃদয়ত তেওঁ থাকি,
থমকি, থমকি, চাই মেঘে তোলা পানী।

১২

ভগিনীৰ ভাল পোয়া ভ্ৰাতৃৰ মমতা,
পিতৃৰ পবিত্ৰ স্নেহ মাতৃৰ মৰম,
পৰ উপকাৰ দয়া দাক্ষিণ্য সাধুতা,
ইত্যাদিত কিবা তাঁৰ স্থান অনুপম।

১৩

উগ্ৰচণ্ড পৰচণ্ড দুপৰৰ বদ,
তমক্ তমক্ জুই চালে চতুৰ্দ্দিশে,
সিকালত জীয়ে বৃক্ষ তলে লয় জুৰ,
সেই জুৰ মাজে হৰ ঈশ্বৰ নিবাস।

১৪

মৃদঙ্গ চৌতাৰ খোলে কিবা তেওঁ থাকে,
তিঙ্ তিঙ্, দাতিবি, টাক্ টাক্, শুনি,
ফুট হার্ম্মনিয়মৰ সুললিত সুৰে,
বাখিছে বান্ধিয়া জানো নেপাওঁ একো গুণি,

১৫

গায়কীৰ কণ্ঠস্বৰে কিবা মিল হই,
গীতৰূপ সুধা হই, কানত প্ৰবেশে,
নিৰ্ঝৰ স্বৰূপে মিঠা কল কল স্বৰে,
লবিছে অথবা মহা সমুদ্ৰৰ পাশে!

১৬

যোগীৰ অনন্ত ধ্যান তেওঁৰ কি আবাস,
লক্ষ হাত সুগভীৰ ভকতৰ প্ৰেম,
পয়োধিৰ মাঝে জানো তেওঁ লইছে বাস,
কোনে জানে কোনে বুঝে ঈশ্বৰৰ মৰ্ম্ম।

১৭

হৃৎ পাই চকুৰ মণিত স্থান তাঁৰ,
আদৰৰ পাত্ৰযিতো সকলোতে সাৰ,
ইপ্ৰকাৰ অত্যুত্তম স্থানে তেওঁ বসে,
অৱশ্য অৱশ্য, দেখা কৰিয়া বিচাৰ।

১৮

জানিলোঁ জানিলোঁ তেওঁ কোন ঠায়ে থাকে,
জগতত উৎকৃষ্ট যিসৰ অত্যন্ত,
ঠাৱৰ, সিসৰ ঈশ্বৰৰ বাসস্থান,
সেই সব যঁত আছে বৈকুণ্ঠ সি এই।

* ঈশ্বৰ সৰ্ব্বব্যাপী।

# বাজনা।

ইতি পূর্ব্বে কোনো সময়ত আমি আমাৰ দেশৰ গীতৰ বিষয় আলোচনা কৰিছিলোঁ। এই বাৰ বাজনাৰ বিষয় আলোচনা কৰিম। যেনে অৱস্থাৰ মানুহ হওক বাজনা বজায়। হাতেৰে মুখেৰে বাঁহেৰে অথবা আন উৎকৃষ্ট যন্ত্ৰেৰে বাজনা বজায়। আমাৰ সৰ্ব্ব সাধাৰণৰ মাজত চলিত ঢোল, টকা প্ৰভৃতি বাজনা অতি প্ৰাচীন। শ্ৰীশঙ্কৰ দেৱে নানা দেশ ভ্ৰমণ কৰি এই দেশলৈ গীত পদ আৰু তাৰ উপযোগি বাজনা আনি প্ৰচাৰ কৰিলে। খোল মৃদঙ্গ কৰতাল প্ৰভৃতি তেওঁ এই দেশত প্ৰকাশিত কৰিলে। সেই ৰূপেই চলি আছিল। আৰু এতিয়াও অল্প ইতৰ বিশেষ ৰূপে চলি আছে। প্ৰায় প্ৰতি সত্ৰত আৰু প্ৰায় প্ৰতি গ্ৰামত দেশৰ অধিকাংশ ঠাইত ভাৱনাৰ যোড়া আছে তাত সময়ে সময়ে তিথিএ মহোৎসৱে ভাৱনা হয়। ৰুদ্ৰ সিংহ স্বৰ্গদেৱে এই দেশত অনেক ন কথা উলিয়ালে। স্বৰ্গদেৱে পাখোৱাজ বাজনা আৰু তাৰ উপযোগী গীত কৃষ্ণমঙ্গল, দুৰ্গামঙ্গল প্ৰভৃতি গীত দেশলৈ আনিলে। এনে কথা ৰাষ্ট্ৰ আছে বোলে কোনো এজন এই দেশীয় লোকে ভাটীলৈ গৈ নানা কষ্ট ব্ৰত কৰি সদাশিৱৰ বহুত গীত আৰু বাজনা শিকা কৰে। সেই জনৰ সন্তান সন্ততি এই পৰ্য্যন্তে কাথ গায়নৰ ঘৰৰ বুলি প্ৰসিদ্ধ। কালক্ৰমে আন কোনো কোনো লোকে বঙ্গাল দেশলৈ গৈ সেই দেশৰ কোনো কোনো জনে বঙালী বাজনা আৰু বঙালী আৰু দেশী নিয়মৰ বাজনাৰ নিয়ম চলালে। তাক বঙলুয়া আৰু আদ বঙলুয়া বোলে।

পাখোৱাজ বাজনাৰ লগত গোৱা গীত একেবাৰে বঙ্গা-ঘৰীয়া। বঙ্গা আৰু বঙ্গাৰ চিহ্নিত কৰ্ম্মচাৰী বিনে আনে

তাক দেখিবলৈ বা শুনিবলৈ না পায়। সত্র আৰু গাঁওত যি গীত পদ গোৱা হয় বা বাজনা বাজোৱা হয় তাকে মাত্র সাধাৰণে চাবলৈ পায়। হাজো বা হয়গ্রীৱ, মাধৱ ভূঈ বা পৰিহবেশ্বৰ, বিশ্বনাথ আৰু দেৱৰ গাওঁৰ দেৱালয়ত একো একো ঘোড়া নাচনিয়াৰ আৰু তাৰ উপযোগি গায়ন বায়ন বজা ঘৰৰ পৰা দিয়া হইছিল। সিহঁতে তিনিও প্রসঙ্গত দেৱতাৰ আগত নাচ বাজনা কৰে। এই সকল বাজনা এতিয়া লোপ হই আহিব লাগিছে। লোকৰ ৰুচিও সলনি হব ধৰিছে। ভাবিব লাগিলে এই বোৰ একেবাৰে লোপ হবলৈ দিয়া কর্ত্তব্য নহয়। এই বোৰ আমাৰ বহু যত্ন আৰু শ্রমৰ উপার্জ্জিত বস্তু।

---

## মেঘ ।

(১)

কি ভাবি হে মেঘ আজি শ্বেত কলেবৰ,
শ্বেত যেন তুলা বাশি,
কিম্বা বৰফৰ বাশি,
অতি ক্ষুদ্র আয়তনে, সুদূৰ অম্বৰে,
হইলা উদয় কোৱা কি ভাবি অন্তৰে।

(২)

কোমলতাপূর্ণ দেহ ; ধবল বৰণ ;
কিঞ্চিতো নাহিক দাগ,
কেবল সুশ্বেত বাগ,
নাহি পাপ লেশ দেহে, সুপবিত্র মন ;
আকাশৰ এককোণে দিছা দৰশন।

(৩)

কৃষ্ণ বক্ষে জ্বলে যেন স্ফটিকর মণি,
কিম্বা শ্যাম দুর্ব্বাদলে,
যথা জলবিন্দু জ্বলে,
ছায়াবৃত জলে যেন শোভে কমলিনী,
বিস্তীর্ণ সমুদ্রে কিম্বা ধবল তরণী।

(৪)

সিরূপে তুমিও সেই বিস্তীর্ণ গগণে,
বজতবে দেহ সাজি,
শোভিছা হে মেঘ আজি
দেখোঁতে জুড়ায় চকু, ক্ষুদ্র আয়তনে,
উদিছা নতুন ভাবে সুকোমল মনে।

(৫)

পূর্ব্ব দিশে ধীরে ধীরে বহে সমীরণ,
তাহাক বাহন করি,
সহর্ষে স্কন্ধত চড়ি,
ধীরে ধীরে ভাসি যোৱা গজেন্দ্র গমন,
ধীরে ধীরে জলস্রোতে যেন হংসগণ।

(৬)

শান্তমূর্ত্তি শান্তভাব করিছা ধারণ ;
অমৃতেরে দেহ ধুই,
আহিছা পবিত্র হুই,
সরল কোমল মনে দিছা দরশন,
এই দরশন আজি নয়ন রঞ্জন।

(৭)

ইরূপ প্রশান্ত ভাব দর্শিলে তোমার,
বিশ্বাস নহয় মনে,
তুমিও যে এতিক্ষণে,
ঘুরি পুনঃ ধরিবাহা বিশাল আকার,
কৃষ্ণ দেহে আন্ধারিবা সমস্ত সংসার।

(৮)

নহয় বিশ্বাস,—হেন কোমলতা'হায়,
কাঠিন্যে যে পরিণত,
হইবেক নিমেষত,
ধরিবা করাল মূর্ত্তি, ত্যজি ক্ষুদ্র কায়,
গর্জ্জিবা সুঘোর নাদে মেদিনী কঁপাই।

(৯)

অথবা বিশ্বাস নহব কিয়? প্রত্যক্ষ প্রমাণ,
সদাই দেখিছোঁ আমি,
নানারূপ ধরি তুমি,
রঙ্গা, বগা, হালধিয়া কাঞ্চন সমান,
দেখা দিয়া ক্ষণে ক্ষণে ঢাকি শূন্যস্থান।

(১০)

দরশিছোঁ কেতিয়াবা বিকট দর্শন,
কৃষ্ণ দেহে ক্রোধমনে,
দিগন্ত বিয়াপি ক্ষণে,
দরশোরা বিভীষিকা চপলা নর্ত্তন;
কঁপিছোঁ শুনিয়া তব ভীষণ গর্জ্জন।

(১১)

দৰশিছোঁ কেতিয়াবা শিলা ববষণে,
সযত্নে পালিত কত,
শস্যগণ কৰা নষ্ট,
প্রাণী সবো বধ কৰা বজ্র নিক্ষেপণে
ইমত নির্দ্দয় তুমি। শোধোঁ সিকাৰণে।

(১২)

কি ভাবি হে মেঘ আজি শ্বেত কলেবৰে,
শ্বেত যেন তুলা ৰাশি,
কিম্বা ববফৰ ৰাশি,
অতি ক্ষুদ্র আয়তনে, সুদূৰ অম্বৰে,
হুইলা উদয় কোৱা কিভাবি অন্তৰে।

শ্রীভঃ

---

# নেপলিয়ন বোনাপার্ট।

ইংৰাজি ১৭৬৯ খ্রীঃ অব্দত আগষ্ট মাহত নেপলিয়ন বোনা পার্ট কর্শিকা উপদ্বীপৰ অন্তর্গত এজাশিও নগৰত জন্ম গ্রহণ কৰে। তেঁওৰ সময়ত তেঁও এজন প্রধান লোক আছিল। তেঁওৰ বাপেকৰ নাম কার্লোবোনাপার্ট। তেঁওৰ মাক অতি-শয় ৰূপৱতী আৰু গুণৱতী আছিল। কার্লোবোনাপার্টৰ ১৩ জন সন্তান আছিল তাৰ ভিতৰত ৮ জন সৎস্বভাবৰ নিমিত্তে ডাঙৰ মানুহ হইছিল। নেপলিয়নে দহ বছৰ বয়-সতে বিদ্যা শিকিবৰ নিমিত্তে আৰম্ভ কৰিছিল। প্রথমে তেঁও শাটো ব্রায়ান নামে এক স্থানত পাঁচ বচৰ বিদ্যা অধ্যয়ন কৰি সুশিক্ষিত হয়। তেঁওৰ ১৫ বছৰ বয়স হোৱাত

সেই বিদ্যালয় পৰিত্যাগ কৰি ফ্ৰান্স দেশৰ ৰাজধানী পাৰিস নগৰৰ বিদ্যালয়ত নিজে সোমাল। নেপলিয়নৰ উৎসাহ আৰু পৰিশ্ৰমত মানুহ বিলাক আশ্চৰ্য্য হল। নেপলিয়ন সৎ প্ৰকৃতিৰ লোক হ'বলৈ ধৰিলে। তেঁওক যদি কেনোবা বন্ধুএ বেয়া কথা কয় তেনে হলে নেপলিয়নে তাৰলগত বিবাদ কৰিবলৈ ভাল নেপাইছিল। তেঁওৰ লগৰিয়াৰ নিমিত্তি প্ৰাণপণে যত্ন কৰে—তেঁওৰ লগৰিয়া বিলাকৰ নিমিত্তে প্ৰাণ দিব পাৰে। তেওঁৰ কোনো লগৰিয়া বেয়া পথলৈ গলে তাক ভাল পথলৈ আনিবৰ নিমিত্তে যত্ন কৰে। তেঁও গণিত্ৰ প্ৰভৃতি বিদ্যাত ইমান ব্যুৎপত্তি লাভ কৰিলে যে ইংৰাজি ১৭৮৩ সনত তেঁও সেই বিলাকৰ পৰীক্ষাত উত্তীৰ্ণ হ'ই অনেক পুৰস্কাৰ ও খ্যাতি লাভ কৰিলে। ইংৰাজি ১৭৮৪ সনত শাটোব্ৰায়ান কলেজৰ প্ৰধান অধ্যাপকে ফ্ৰান্সৰ ৰাজলৈ এখান চিঠি লেখিলে যে "নেপলিয়ন বোনাপাৰ্ট গণিত শাস্ত্ৰ প্ৰভৃতি বিদ্যাত অনেক জ্ঞান লাভ কৰিছে, আৰু পাৰিসৰ প্ৰধান বিদ্যালয়ত পঢ়াৰ উপযুক্ত। তেঁও ভূগোল, গণিত, নাৱিক বিদ্যাতো সম্পূৰ্ণ ৰূপে জ্ঞান লাভ কৰিছে। কি জানি তেঁওৰদৰে প্ৰখৰ বুদ্ধিৰ ছাত্ৰ পোৱা কঠিন। তেঁও কেবল যুদ্ধ বিদ্যাৰ উচ্চ শিক্ষা পাবলৈ বাকি আছে।" নেপলিয়ন পাৰিসনগৰৰ যুদ্ধ বিদ্যালয়ত অধ্যয়ন কৰিতাতে এটা শৰু ঘৰত জীবন যাত্ৰা নিৰ্ব্বাহ কৰিছিল। তেঁওৰ পৈতৃক সম্পত্তি একো না ছিল। যুদ্ধ বিদ্যা জানা মানুহৰ তালৈগই আলোচনা কৰি থাকোতে থাকোতে কেন্তিয়াবা আহাৰাভাবে ক্লেশ পাইছিল।

ইংৰাজি ১৭৮৫ খৃঃ অব্দত তেঁও সহকাৰী সৈন্যাধ্যক্ষ পদত নিযুক্ত হয়। তেঁওৰ ২০ বছৰ বয়সত ফ্ৰান্সৰ ৰাজ

বিপ্লব হোৱাৰ সময়ত ইংৰাজি ১৭৮৯ খ্রীঃঅব্দত নেপলিয়নে ৰণ পাণ্ডিত্য প্রকাশ কৰিলে। "পালি" নামে কর্শিকা উপদ্বীপৰ এজন লোক সৈন্যাধ্যক্ষ আছিল, নেপলিয়নৰ ৰণ পাণ্ডিত্য দেখি ইংৰাজি ১৭৯৩ সনত তেঁওকে সৈন্যাধ্যক্ষ পদত নিযুক্ত কৰিলে। "টাউলা" নগৰ তেঁও যেনেকুৱা সাহসৰ সহিত আক্রমণ কৰিলে তাৰ দ্বাৰা বোধ হয় কেৱল তেঁওৰ বলৰ দ্বাৰাই শত্রুপক্ষ পৰাস্ত হ'বলগিয়া হইছিল। ইংৰাজি ১৭৯৭ খ্রীঅব্দত মার্চ্চ মাহত তেঁও "জোজেফীন" নামেৰে এজনী বিধবা ৰমণীক বিবাহ কৰিলে। তেঁওৰ মাকবাপেক, মগনিয়াৰ আছিল। আৰু পূর্ব্বৰ স্বামীও দুখিয়া আছিল। কিছু দিনৰ পাছত নেপলিয়ন বোনাপার্ট ইটালি দেশৰ সৈন্যাধ্যক্ষ পদত নিযুক্ত হয়। তেঁওলোডি যুদ্ধত জয়লাভ কৰে। তেঁও ইটালিৰ অন্তর্গত অনেক যুদ্ধত জয়লাভ কৰে আৰু যুদ্ধ নৈপুণ্য দেখুৱাই এক ৰকম কৃতকার্য্য হইছিল। অষ্ট্রীয়া যুদ্ধত অষ্ট্রীয়া জাতিক বাৰে বাৰে যুদ্ধত পৰাস্ত কৰে। অবশেষত সন্ধি স্থাপন কৰিবলৈ বাধ্য হইছিল। "বিয়ানা" নামে নগৰৰ অন্তর্গত গাঁও এখানত তেঁও কিছুদিন থাকিল। ইংৰাজি ১৭৯৮ খ্রীঅব্দত ১৪ হাজাৰে সেনা লই মিসৰ দেশ আক্রমণ কৰিবৰ নিমিত্তে যুদ্ধ জাহাজত উঠিল। বাটত "মাল্টা" দ্বীপ জয় কৰে। তাৰ পাছত একাৰ নামে এক স্থানত "সীড্‌নী স্মীথ্" সাহবৰ লগত ভয়ানক যুদ্ধ হয়। কিন্তু তেঁও ব্রিটিশ সৈন্য দ্বাৰা মিশৰলৈ যাবলৈ প্রতিবন্ধক ঘটালে। অবশেষত তেঁও স্বদেশলৈ যাম বুলি তেঁওৰ কিছু বন্ধুক লই অপ্রকাশ্যে যাবৰ নিমিত্তে উদ্যত হ'ল। ১৭৯৯ খ্রীঃঅব্দত ফৃজশ্ নামে এক স্থানত জাহাজৰপেৰা নামি পৰিস নগৰলৈ গ'ল।

পাৰিস নগৰত ৰাজ্য শাসন কৰিবৰ নিমিত্তে এটা সভা আছে, সেই সভা কোনো কাৰণ বশতঃ স্থগিত কৰি তাৰ সকলো কাম তেঁও নিজে কৰিবলৈ ধৰিলে। ১৮০০ খ্ৰীঃঅব্দত মাৰেঙ্গো দেশৰ বিখ্যাত যুদ্ধত জয় কৰাত তেঁও ইটালিৰ ৰাজা হয়।

১৮০৪ খ্ৰীঃঅব্দত তেঁও সম্ৰাটৰ মৰ্য্যাদা প্ৰাপ্ত হয়। তেঁও স্বীয় পত্নীৰ লগত ৰাজ্যাভিষিক্ত হ'ই ফ্ৰান্‌স দেশৰ সম্ৰাট হইছিল। অন্যান্য কাৰ্য্য বিলাক অষ্টম পায়স্‌ নামে পোপৰ দ্বাৰা সম্পাদিত হয়। পোপে নেপলিয়নক ৰাজ মুকুট দি শাস্ত্ৰ বিহিত কাৰ্য্য কৰিছিল। প্ৰথমে ৰাজ মুকুট গ্ৰহণ্‌ কৰি তেঁওৰ স্বীয় পত্নীৰ মুৰত পিন্ধালে। কিছু দিনৰ পাছত ইংলণ্ড আক্ৰমণ কৰিবৰ নিমিত্তে ইচ্ছা কৰিলে। তেঁও দুই লক্ষ সেনা ল'ই যুদ্ধ জাহাজত উঠিল। আৰু তেঁও বিলাক বলন নামে এক স্থানত ছাউনি কৰি থাকিল। ট্ৰাফালগাৰ নামে এক স্থানত ইংৰাজ সৈন্য দ্বাৰা জাহাজ ভাঙিলে। কাজে কাজেই তেঁও বিপদত পড়িল। পিছত তেঁও বিলাক "ডেনিওৰ" নদীৰ তীৰলৈ যাবৰ নিমিত্তে ইচ্ছা কৰিলে। ইংৰাজি ১৮০৫ খ্ৰীঃঅব্দত ফৰাশি সেনা বিলাক বিয়ানা নগৰত সোমায়। এই সময়ত "অষ্টাৰলি টজ" নামে এক স্থানত যুদ্ধ আৰম্ভ কৰিলে। নেপল্‌শ দেশৰ ৰাজ্য তেঁওৰ স্বীয় পত্নী জোজেফীনক দান কৰিলে ইংলণ্ডৰ ৰাজ মুকুট লুইক দান কৰিলে আৰু ওৱেষ্টীয়েলিয়াৰ ৰাজ্য বোমক দান কৰিলে। তেঁওৰ ইমান ৰাজ্য আছিল যে তেঁও নিজে শাসন কৰিব নোৱাৰি ছিল। নেপলিয়নে প্ৰমিয়া দেশৰ লোকেৰে সইতে যুদ্ধ কৰিবৰ নিমিত্তে ইচ্ছা কৰিলে। জেনা নামে যুদ্ধত তেঁওঁৰ আশা তৰুৰ মূল উৎপত্তি হয়। ইংৰাজি ১৮০৭ খ্ৰীঃঅব্দত

প্রসিয়া দেশব লোক বিলাকে সন্ধিস্থাপন কবিব লগিয়া হইছিল। পিছত নেপলিয়নেব স্পেইন বাজ্য আক্রমণ কবিলে। নেপলিয়নে বিবেচনা কবিলে যে—তেঁওব পত্নী 'জেজেফিমব" সন্তান হোৱাব কিছু সন্দেহ আছে সেই ভাব তেঁও "লুইসিয়া" নামে এক কন্যাক বিবাহ কবিলে।

"লুইসিয়াব" গর্ভত লবাএটি হ'ল। সেই পুত্রব নাম "নেপলিয়ন ফ্রান্স চাবলস জেজেফ।" তেঁও বোমেব বাজা উপাধি প্রাপ্ত হ'ল। নেপলিয়ন বোনাপার্ট রুশিয়া বাজ্য আক্রমণ কবিবব নিমিত্তে ইচ্ছা কবিলে তেঁও সাত লক্ষ মান সেনা ল'ই যুদ্ধ জাহাজক উঠিল। "বোয়া ডিনো" নামে এক স্থানত স্বসৈন্যে উপস্থিত হয়। রুশিয়া বাজাই শুনি ৮ লক্ষতকৈ অধিক সেনা গোটাই যুদ্ধ কবিলে। দুই ফালব অনেক লোক মবিল। নেপলিয়নে এনেকুৱা যুদ্ধ কবিলে যে বিপক্ষ দল আগবাঢ়িব নোৱাবে। কাকো কোনেও হকুৱাব নোৱাবিলে। এনেকুৱা যুদ্ধ ইওবোপত হোৱা নাই।

তাবপাছত তেঁও মস্‌কোই নগবলৈ গ'ল। তেঁও এসময়ত ইচ্ছা কবিছিল যে তেঁও হেমন্ত কাল মস্‌কোই নগবত কটাব সেই নগবব ঘব বিলাক পুবিলত তেঁওব থোৱাব বড় কষ্ট হ'ল। তেঁও এই বিলাক দেখি পাবিস নগবলৈগ'ল। "সেনেটা" নামে সভাব পেবা ৫ লক্ষ সেনাবে প্রসিয়া দেশলৈ যাত্রা কবিলে। অষ্ট্রীয়া, প্রসিয়া, রুশিয়া, এই তিনি বাজ্যব লোক এক হই নেপলিয়নব লগত যুদ্ধ কবিবলৈ উদ্যত হল। জার্মেনীব অন্তর্গত লীপজীক নগবত ঘোব যুদ্ধ হয়। তেঁওব বহুত সেনা মবিল। তাব পাছত নেপলিয়ন পাবিস নগবলৈ গ'ল। পাবিস নগবলৈ গ'ই তিন লক্ষ মান সেনা গোটাই

অনেক ঠাইত যুদ্ধ কৰিলে, অনেকত কৃত কার্য্য হ'ল। অনেকত হ'ব নোৱাৰিলে। অষ্ট্ৰীয়া, প্ৰসিয়া, ৰুশিয়া, এক মত অবলম্বন কৰি ৪০ লক্ষ সেনাৰে ফ্ৰান্‌স আক্ৰমণ কৰিলে। তাৰ পাছত অনেক যুদ্ধ হ'ল। অবশেষত ফ্ৰান্‌স দেশৰ ৰাজা নেপলিয়নে ৰাজ্যত্যাগ কৰিব লগিয়া হ'ল। তেঁও ফ্ৰান্‌স দেশ ত্যাগ কৰি এল্‌বানগৰলৈ গ'ল। বিপক্ষে ছলে "অষ্টাদশ লুই" নামে একজনক ৰাজা কৰি যাই। নেপলিয়নে সামান্য ভাবে কালযাপন কৰিলে। ১৮১৫ খ্ৰীঃঅব্দত এদিন ৰাতি ১২ হাজাৰ সেনালৈ যুদ্ধ জাহাজত উঠিল। ফৃজস নামে এক স্থানত জাহাজৰ পেৰানামিল। তেঁও নমা মাত্ৰেই তেঁওৰ আগৰ সেনা বিলাক তেঁওৰ অনুগত হ'ল। এই বিলাক শুনি অষ্টাদশ লুই ফ্ৰান্‌ ডাৰস্‌ নামে এক স্থানলৈ পলায়ন কৰিলে নেপলিয়নে পূৰ্ব্বৰ দৰে পাৰিস নগৰত কাল যাপন কৰিলে। তেঁও ৰাজা হোৱা দেখি সকলো আনন্দিত হ'ল। অষ্ট্ৰীয়া, প্ৰসিয়া, ৰুশিয়া এক মত অবলম্বন কৰি নেপলিয়নক পাৰিসৰ পেৰা খেদাবৰ নিমিত্তে চেষ্টা কৰিলে। নেপলিয়নে দুই লক্ষ পদাতিক আৰু ৫০ হাজাৰ অশ্বাৰোহী লই পয়াৰ্চালু পালেগই। তাতে প্ৰসিয়া আৰু ইংৰাজৰ লগত নেপলিয়নৰ ভয়ানক যুদ্ধ হয়। ইংৰাজৰ ৫৫ হাজাৰ সেনাই যুদ্ধত প্ৰবৃত্ত হইছিল। নেপলিয়নে সেই যুদ্ধত জয়ী হব নোৱাৰিলে।

কিন্তু অবশেষত নেপলিয়ন তাৰ পেৰা আমেৰিকালৈ যাবৰ নিমিত্তে ইচ্ছা কৰিলে।

সেই নগৰত উপস্থিত হই সমুদ্ৰৰ তীৰত ব্ৰিটিশ বিলাকৰ এখান জাহাজ দেখিলে। আৰু মনত ভাবিলে আমেৰিকালৈ যাব পাৰিম ব্ৰিটিশ বিলাকে ধৰিবই ধৰিব।

নেপলিয়ন চিন্তা সাগৰত পড়ি থাকোতে থাকোতে ভয় হই কাপ্তেন মেটলাণ্ড সাহাবৰ ভৰিত ধৰিলে। আৰু কলে "মই আমেৰিকালৈ যাব পাৰিমনে নোৱাৰিম। কাপ্তেনেকলে—"তুমি ইংলণ্ডলৈ যাব পাৰা কিন্তু তুমি আমেৰিকালৈ যাব নোয়াৰা। ইংলণ্ডলৈ গলে সমাদৰনীয় হবানে কাৰাবদ্ধ হবা তাক নিশ্চয় কৰি বক নোৱাৰো।" নেপলিয়ন ইংলণ্ডৰ ৰাজা চতুর্থ জজলৈ এখান পত্র লিখিলে যে "ময় ইংলণ্ডত সামান্য ভাৱে থাকিব খোজা।"

তেঁও কলে—"তুমি থাকিব পাৰা"। পৰিশেষত তেও ইংৰাজৰ দ্বাৰা আবদ্ধ হল আৰু "সেণ্ট্ হেলেনা নামে এক স্থানত বহু কষ্টেৰে কাল যাপন কৰিলে। অৱশেষত ইংৰাজি ১৮২১ খ্রীঃ অব্দত তেঁওৰ পেটত বিহ ফোঁহৰা এটা হলত তেও প্রাণ ত্যাগ কৰিলে।

নেপলিয়নে অতি সামান্য লোক হইও নিজৰ যত্ন শ্রম শিক্ষা আৰু নিপুনতাৰ বলত ফ্রান্স দেশৰ সম্রাট হল। এক সময়ত তেঁওৰ বাক্যেই ইউৰোপৰ মহা ৰাক্য আছিল। কিন্তু কাল চক্রৰ গতিত সেই নেপলিয়নে সামান্য এটি দ্বীপত বন্দীয়াৰ হই প্রাণ ত্যাগ কৰিলে। কালৰ গতি বিচিত্র।

---

# মেঘ-দূত।

(১)

কলই গইছা মেঘ, কি কাৰত যোৱা ?
এটীবাৰ অভাগাক চকু মেলি চোৱা,
কৰিছোঁ কাকুতি নতি,
চোঁৱা অধমৰ প্রতি,

নেযাবা নেযাবা দেত্র ক্ষণিতেক বোত্তা,
অধমব দুটিমান কথা শুনি যোত্তা।

(২)

সকলোএ কয় মেঘ তুমি দয়াবান,
জলিছে তোমাব বুকে দয়া মূর্ত্তিমান,
সূর্য্যব প্রখব কবে,
জীব জন্তু পুড়ি মবে,
যেতিয়া ধবণী হয় অনল সমান,
পৃথিবীব ছত্ররূপে কবিছা ছাঁ দান।

(৩)

যেতিয়া কৃষক সবে পানীব কাবণে,
চাইছে তোমাব ফালে বিমর্ষ নয়নে,
যেতিয়া চাতক পখী,
আকাশত চকু বাখি,
খুজিছে তোমাক পানী, তুমি তেতিক্ষণে,
বিতবিছা, সুখ-সুধা, সিসবব মনে।

(৪)

জানো জানো মেঘ ময় তোমাব ওচবে,
ভিন্ন-ভাব নাই একো প্রভুবে ভৃত্যবে,
কি বজা, কি মগনীয়া,
সমভাবে জুড়ি দিয়া,
সবেও তোমাব কৃপা, সমে ভোগ কবে,
সমধর্মী মেঘ তুমি জগত ভিতবে।

(৫)

এদিন তোমাক মেঘ কবি কালিদাস,
দূত বুলি জগতত কবিলে প্রকাশ,

আজি মন্দো ক্ষুদ্রমতি,
নহো কবি কবিপতি,
দূত পাতিবব গুণে কবো অভিলাষ,
সমদর্শী মেঘ মোকোন্ কথা নিবাশ।

(৬)

কলই গইছা মেঘ কি কাবত যোত্রা,
এটিবাব অধমক চকুমেলি চোত্রা,
কবিছো কাকুতি নতি,
চোঁত্রা অধমব প্রতি,
নেযাবা নেযাবা দেত্র ক্ষনিতেক বোত্রা,
পাতকিব দুষ্টিমান কথা শুনি যোত্রা।

(৭)

যি আর্য্য স্তুতব, দেত্র পদব ভবত,
কবিছিল টলমল স্ববগ মবত,
যিসবব নাম শুনি,
মনত প্রমাদ গণি,
কঁপিছিল সুবাসুব, বাসুকী ভয়ত,
সাগবান্ত ধবা যাব কবব তলত,

(৮)

আজি দেত্র পো নাস্তিক চোত্রা সিসবব,
কিরূপে সামান্য ভয়ে কাঁপে থব থব,
দেহ হাব চালে যাব,
খোজ কঢ়া মহাভাব,
উজুটিতে পড়ি মবে,—জানো জীয়নব
সঙ্গিনী দুমায়—ভেঙ্গ নচলে শীবব।

(৯)

চোঁৱা—তাৰ পো-নাতিয়ে সকলো উদাসি,
হইছে আপোন ঘৰে পৰ ঘৰ বাসী,
মুখত কথাটি নাই,
আছে পৰ মুখে চাই,
খাই পৰে আপোনাৰ, নিজে উপবাসী,
নিজৰ ঘৰতে পৰ অন্নৰ প্ৰত্যাশী।

(১০)

যিসবৰ পূৰ্ব্ব পিতৃ আৰ্য্য ঋষিগণ,
সংসাৰৰ মোহ মায়া কৰিয়া বৰ্জ্জন,
অসহ্য কষ্টকো সহি,
গিৰীৰ গুহাত বহি,
উপেক্ষি সকলো, কৰি বায়ুক ভক্ষণ,
কৰিলে তোমাৰ মেঘ মহিমা কীৰ্ত্তন,

(১১)

সি সবৰ সন্ততি যে চোঁৱা কেনে কই,
অজ্ঞানতা সাগৰত মৰে ডুব গঁই,
কৃষি বেহা আদি কৰি,
স্বাধীন ব্যৱসা এড়ি,
সেৱিছে পৰৰ পদ মস্তকত লঁই,
—নেলাগে নে দুঃখ দেৱ, দেখি ই সবলঁই
চোঁৱা দেৱ !— সিহঁতৰ ইজনে সিজনে,
নাইমিল ; কৰিছে কন্দল বাতি দিনে ;
ভাই ভাই মিল নাই,
যেয়ে যাকে ছলপাই,
ভাবে হিংসা, ভাবে দ্ৰোহ আচৰিছে মনে,
ইদৃশ্যে তোমাৰ মেঘ দু দুঃখেনে মনে ?

( ১৩ )

যদি দুঃখে যদি লাগে মনত আঘাত—
মাতিছোঁ মাতিছোঁ দেৱ জুড়ি দুটি হাত—
ষোৱা দেৱ ষোৱা ষোৱা
য'তে প্রাণী দেখা পোৱা
ত'তে ক'বা "মিছা কথা" ধবি বজ্র মাত
"নবর্ত্তে পিতৃব গুণ পুতেকব গাত।"

( ১৪ )

যদি কোনোবাই কয় "বৈজ্ঞানীক কথা,
অৱশ্যেই বর্ত্তে ; তাব নহয় অন্যথা"
তেনে হলে ক'বা বুলি
"থ তোব বিজ্ঞান তুলি,
মুণ্ডনো নেমানো তোব বিজ্ঞানব কথা ;
প্রমান বইছে তাব, ভাবতত গঁথা।"

---

শীতকাল

## (ছাত্র ৰচনা।)

(১)

হেমন্ত আঁতবি গ'ল,
শীতব উদয় হ'ল ;
বুঢ়া সবে এলাহত বহে জুহাল কাশত।
সদাই জ্বলিছে জুই
জুহালত সম হই
দুঃখী সুখী বজা প্রজাই বহে জুহাল কাশত॥

(২)

গছেও এড়িছে পাত,
শীত ঋতুৰ ভয়ত,
ভাবে তেঁতুক সদাই কেনেকৈ জাৰ যায়।
সাপ, বেঙ্ কেকোঁৱাই
নিজ গাতত সোমাই
ভবিষ্যতলৈকো সকলোএ লইছে গোটাই॥

(৩)

ঠাৱে ঠাৱে মুৰ তুলি,
আছে মালতিটী ফুলি,
নই, বিল, পুখুৰিৰো পদুমো গল শুকাই।
ফুল কলি এটী এটী
মৰি গ'ল সকলোটী
জাৰত বাজ নহই আছে কুমুদো লুকাই॥

(৪)

পুৱা কৰি বিম জিম
পড়িছে সদাই হিম
হিমৰ পাকত কাৰো ওলাৱৰ সাধ্য নাই।
দিছে দেখা ঠেটুৱাই
ওলোৱাৰ সাধ্য নাই
হাত ভৰি সকলো লোকৰ ঠেৰেঙ্গা লগাই॥

(৫)

ভাল ল'ৰা ঘুম মাৰি
পড়িছে কিতাপ ধৰি

জাবক নকবি ভয় বহি আছে জাব সহি।
হিমে ঘোর রূপ ধরি
জগতক গ্রাস করি
কঁপুলিএ জগতত বিতবাজ করিছে আহি॥

(৬)

যত গছ লতা আছে
যুগান্তর হই আছে
জাবত বাজ নহই আছে মাটীতে সোমাই।
দেখি মৃত্যু প্রায় হয়
জাবত জান নবয়
ছট্ ফট্ করি জাবলৈ থাকে ভাবি সদাই॥

পি.

---

# জড়বস্তুর বিশেষ বা নৈমিত্তিক গুণ।

জড়বস্তুর সাধারণ প্রকৃতির কথা ওপরত কোৱা গইছে। এনে কেতবিলাক গুণ আছে যি বিশেষ বিশেষ পদার্থক আশ্রয় করে আরু আকর্ষণাদির দ্বারা উৎপন্ন হয়। সেই গুণ বা প্রকৃতিক বিশেষ ধর্ম্ম বা নৈমিত্তিক গুণ বোলা যায়।

কাঠিন্য—যি বস্তুরে যাক অঙ্কিত করিব পারি সেই বস্তু সেই অঙ্কিত করা বস্তুতকৈ কঠিন। হীরা অনেক বস্তুতকৈ কঠিন এই কারণে তারে অনেকে বস্তুত আঁচ দিব পারি। হীরারে কাঁচত আঁচ দিব পারি এই কারণে হীরা কাঁচতকৈ টান। বস্তু গমুর অথবা জাবর হলে সে টান হয় এনে নহয়। লোণ হীরাতকৈ ৪।৫ গুণ গমুর কেও লোণতকৈ

হীবা কঠিন। কাঁচেবে অনেক বস্তত আঁচ দিব পাবি এতেকে সেই সেই বস্তুতকৈ কাঁচ কঠিন। কাঠিন্য গুণ আপেক্ষিক গুণ মাত্র। অর্থাৎ এটা বস্তুবে আন এটা তুলনা কবিলে সেই গুণ জানি। কাচেবে সোণত আঁকিব পাবি এই কাবণে সোণতকৈ কাঁচ টান। অকৌ হীবাবে কাঁচ অঙ্কিত কবিব পাবি এই কাবণে হীবাতকৈ কাঁচ অকঠিন বা মৃদু। কোনো কোনো বস্তুক ইচ্ছানুসাবে টান বা কোমল কবিব পাবি। ইস্পাত বা তিথা জুইত তপতাই অকস্মাৎ পানীত পেলালে সি বব কঠিন হয় কিন্তু ক্রমে জুব হবলৈ দিলে তিমান কঠিন নহয়। তিথাব এই গুণ থকাব কাবণে তাবে অনেক অস্ত্রাদি নির্ম্মিত হব পাবিছে।

স্থিতিস্থাপকতা—কেতবিলাক বস্তু টানিলে বাঢ়ে আৰু এড়ি দিলে পূর্ব্বব সমান হয়। সকলো বস্তুব এই গুণ সমান নহয়। বেত, ববব আঠা, কাঁচ, তিথা হাঁতীদাঁত পাটসূতা প্রভৃতি বস্তুত এই গুণ বিশেষকৈ দেখি। জল বায়ু প্রভৃতি তবল বস্তুও স্থিতিস্থাপক। তবোৱাল ভাল নে বেয়া ইয়াক পবীক্ষা কবিব খুজিলে তাব আগটো টানি আনি চোৱো যায়। ভাল তবোৱাল হলে সেই আগ আহি গুড়িত লাগে। ইয়াব কাবণ এই যে তাক নির্ম্মাণ কবা ধাতু তিথা স্থিতিস্থাপক। যদি তাত আন ধাতু মিহলি থাকে, তেনে নহয়।

ভঙ্গপ্রবণতা বা ঠুনুকা—এই গুণ থকাব কাবণে কোনো কোনো দ্রব্য অলপ আঘাততে ভাঙে। যি বস্তু যিমান কঠিন সি সিমান ঠুনুকা। কাঁচ যেনে কঠিন সি তিমান ঠুনুকা। লো তিথা পিতল, তাম প্রভৃতি কেতবিলাক বস্তু তপতাই হঠাৎ শীতল কবিলে ঠুনুকা হয়।

ঘাতসহত্ব—কেতবিলাক বস্তুব এনে প্রকৃতি আছে যে

তাক পিটি পিটি পাতল কৰিব পাৰি। সোণ, ৰূপ, লো, তাম, তিখা, সিহ প্ৰভৃতি ধাতুক পিটি পাত কৰিব পাৰি। সকলো ধাতুতকৈ সোণৰ এইগুণ অতি প্ৰবল। বিভাজ্যতাৰ প্ৰস্তাৱত এই বিষয় কোৱা গইছে। দ্ৰব্য বিমান তপত হয় তিমান তাৰ ঘাতসহত্ব গুণ বাঢ়ে এই কাৰণে কহাৰ কমাৰ সোণাৰী হ তে ধাতু জুইৰে তপত কৰি তাক পিটে।

তাস্তবতা—কেতবিলাক ধাতু টানি তাৰ দ্বাৰা শক্ত তাৰ বা গুণা প্ৰস্তুত কৰিব পাৰি। সোণ আৰু প্লাটিনম ধাতুৰ এই গুণ সকলোতকৈ অধিক। কিয়নো আধ বাতি সোণেৰে ৩৬৭ হাত এডাল গুণা এজন সাহাৰে কৰিছিল। আৰু প্লাটিনম ধাতুৰ এনে শক্ত গুণা কৰিব পাৰি যে সি মকড়াৰ জাল-তকৈ শক্ত হয়। যি বস্তুৰ ঘাতসহত্ব গুণ অধিক আৰু ধাৰে পাত কৰিব পাৰি সেই বস্তুৰেই যে তাস্তবতা গুণ আছে এনে নহয়। লোৰ শক্ত গুণা হয় কিন্তু পাত তেনে নহয়। প্লাটিনম, সোণ, ৰূপ তাম, লো প্ৰভৃতি ধাতুৰ এই গুণ আছে। কোনো কোনো অবস্থাত কাঁচকো টানি গুণা কৰিব পাৰি।

ভিদাবৰোধকতা, ভাৰসহত্ব বা ছেদ-প্ৰবণতা—কেত বিলাক বস্তুৰ এনে গুণ আছে যে তাত টানি হঠাৎ চিজিব নোৱাৰি যোগাকৰ্ষণ ইয়াৰ মূল কাৰণ। বস্তুৰ পৰমাণু বিলাকৰ অধিক আকৰ্ষণতাৰেই এই গুণ।

কঠিন আৰু দ্ৰব্য দ্ৰব্যবো এই গুণ আছে। যি বস্তুক যি মান হঠাৎ টানি চিজিব নোৱাৰি সি সিমান ভাৰ সহিব পাৰে। এই গুণৰ আন এটী নাম লেটেকা। সোণৰ শক্ত গুণাৰে বান্ধি ৯ সেৰ গধুৰ বস্তু ওলোমাই থব পাৰি। পাট সুতা, মৰাপাট, লোমৰ সুতা, চাল, শন, বীহাসুতা, নাৰীকলৰ বাকলি প্ৰভৃতিবো এই গুণ আছে। এই গুণ থকা

বস্তুর ঘাবাই জবি বাটিব পাবি আৰু সেই জবিএ তাব সহিব পাবে।

তাপ্তবতাপাধন—জল, দ্রব লৌহ প্রভৃতি কেতবিলাক বস্তু শীতল হই কঠিন হোৱাব পূর্ব্বে তাব পবমাণু বিলাক সূক্ষ্ম সূক্ষ্মাব দবে হই ওপবাওপবি কৈ পড়ে। এই বস্তু কঠিন হই অতি উত্তম আকৃতি হয়। এই বস্তুব সাধাবণ নাম তাপ্তব-আৰু যি কাবণব নিমিত্তে এই কার্য্য হয় তাব নাম তাপ্তব-তাপাধন। মিছিবী, ববফ, ফটিক, কাঁচ, হীবা, চেনী, লোন প্রভৃতি বস্তু তাপ্তব। বালি বিলাকো তাপ্তব। বন্ধাবে ফিট-কিবি প্রভৃতি বস্তুও তাপ্তব। চেনীব পবা মিছিবী হোৱা—গুলীয়া গুড়ব পবা মিছিবীব দানা পড়া এই তাপ্তবতাপাধন গুণব কাবণে হয়।

সাম্ভবতা—বস্তুব একটী গুণ এই যে সি সাম্ভব অর্থাৎ ছিদ্র বা বিন্ধা থকা। বস্তু বিলাক দ্রব অবস্থাব পবা ঘন হ'বলৈ ধবোতে এমে তাবে ওপবাওপবিকৈ পড়ে যে তাব মাজত শব্দ শব্দ বিন্ধা থাকে। স্পঞ্জ, কুহিলা, ববফ, কেত বোব শিল জন্তুব অস্থি জন্তুব শবীব এনেকুয়া বিন্ধা থকা। কাণজো অনেক ছিদ্র আছে। ছিদ্রবিশিষ্ট বস্তুব মাজেবে মলিব দবে পানী সোমাই যায় তেনে অৱস্থাত সেই বস্তু বহল হব পাবে।

বিস্তার্য্যতা—যি প্রকৃতিব ঘাবা বস্তু বিস্তাবিত বা বহল হই যায় তাক বিস্তার্য্যতা বোলে। সোন প্রভৃতি যি ৰূপে বিস্তাবিত হয় তাব বিষবণ ওপবত লেখা গইছে। তুলা প্রভৃতি বস্তুব ওপবত কোনো গধুব বস্তু থলে সেই তুলা হেঁচা পাই সঙ্কুচিত হয়, পাছে তাক তুলি নিলে সি উখহি উঠে। তাপ বা তেজব ঘাবায় বিস্তার্য্যতা বিশেষ পবিমাণে হয়। পানী ওপতালে তাপ হই বিস্তাবিত হয়।